বাবৰ নামা

শ্ৰীমুক্তিনাথ শৰ্ম্মা, এম, এ; বি, টি;
(বেচিক ট্ৰেইণ্ড)
অধ্যক্ষ, নৰ্ম্মাল স্কুল
যোৰহাট।

STATE CENTRAL LIBRARY
Cal. No —
ASSAM.

ঃ প্ৰাপ্তিস্থান ঃ
গুৱাহাটী বুক ষ্টল
প্ৰকাশক আৰু কিতাপ বেচোঁতা
শিলপুখুৰী, গুৱাহাটী-৩

শ্ৰীমুক্তিনাথ শৰ্ম্মা, এম. এ., বি-টি
তৰাজান (পশ্চিম), যোৰহাট-১

Babar Nama, an autobiography of Mughal Emperor Babar, translated into Assamese by Sri Muktinath Sarma and published by Sri Bibhuti Sarma, Tarajan West, Jorhat-1. First Published-1977. Price Rs. 8·00

প্ৰকাশক :
শ্ৰীবিভূতি শৰ্মা
তৰাজান (পশ্চিম),
যোৰহাট-১

প্ৰথম প্ৰকাশ—১৯৭৭

মূল্য : ৮·০০

মুদ্ৰাকৰ :
শ্ৰীকালিশঙ্কৰ গুহ
সবৰ্ প্ৰেছ
শ্ৰীৰামপুৰ, হুগলী।

বাবৰ নামা

....

....

....

....

পাতনি

হিন্দুস্থানত মোগল সাম্রাজ্য স্থাপনকৰ্ত্তা জহিৰুদ্দিন মহম্মদ বাবৰৰ পিতৃকুল-পক্ষত নৃশংস লুণ্ঠনকাৰী দিগ্বিজয়ী বীৰ তাইমুৰ ষষ্ঠ উপৰি পুৰুষ। মাতৃৰ-ফালৰপৰা আকৌ এসময়ত এচিয়া আৰু ইউৰোপত বিভীষিকাৰ সৃষ্টি কৰা চেংগিজ খাঁৰ তেজ তেওঁ লাভ কৰিছে। তেওঁৰ মাতৃভাষা তুৰ্কী আৰু এই তুৰ্কী ভাষাতেই তেওঁ আত্ম-কাহিনী লিখে। ১৬শ শতিকাৰ প্ৰথম ভাগতে লিখা এই অদ্ভুত আত্মচৰিতৰ সমকক্ষ এচিয়াত পাবলৈ নাই আৰু লেফ্‌টেনেণ্ট কৰ্ণেল এফ. জি. টেলবটৰ মতে ই আগষ্টাইন, ৰুচ', গিবন আৰু নিউটনৰ আত্মচৰিতৰ সমপৰ্য্যায়ৰ।

এই আত্ম-কাহিনী ফৰাচী ভাষালৈ কেইবাবাৰো অনূদিত হয় আৰু পাশ্চাত্যৰ নানা ভাষালৈ অনুবাদ কৰা হয়। ইংৰাজীলৈ প্ৰথম অনুবাদ কৰে জন লেডেন (John Leyden) আৰু উইলিয়াম আৰ্চকিং (William Erskine) য়ে আৰু এই পুথি ১৮২৬ চনত প্ৰকাশিত হয়। ইয়াৰ পিচত বহুতদিন ধৰি এই গ্ৰন্থ প্ৰকাশ নোপোৱাত মানৱ সমাজে ইয়াৰ কথা সম্পূৰ্ণ পাহৰিয়েই গৈছিল। যেয়ে নহওক ১৯০৯ চনত লেফ্‌টেনেণ্ট কৰ্ণেল এফ. জি. টেলবটৰ এই দুজন অনুবাদকৰ পুথি অনুসৰণ কৰি লিখা এখন চমু অনুবাদ প্ৰকাশ হয়। মূল তুৰ্কী ভাষাৰপৰা মিচেচ্ এ. এছ. বেভাৰিজে পুনৰ 'বাবৰ নামা' অনুবাদ কৰে আৰু এই অনুবাদ প্ৰথম প্ৰকাশ হয় ১৯২১ চনত। বৰ্ত্তমান মিচেচ্ এ. এছ. বেভাৰিজৰ এই ইংৰাজী অনুবাদৰ সহায়ত বিভিন্ন ভাৰতীয় ভাষালৈ অনুবাদ কৰা হৈছে। অসমীয়াত এই অমূল্য গ্ৰন্থ এতিয়াও প্ৰকাশ পোৱা নাই।

মূল তুৰ্কী ভাষাৰপৰা বিভিন্ন ভাষালৈ, বিশেষকৈ ফৰাচী ভাষালৈ বহুবাৰ

অনুবাদ কৰা হ'লেও বিশেষজ্ঞসকলৰ মতে মূল পুথিৰপৰা এই অনুবাদবিলাক আচৰিতভাবে চুলিমানো ইফাল-সিফাল নোহোৱাকৈ আছে। গতিকে এই অসমীয়া অনুবাদো নির্ভুলভাবে মূল পুথিৰপৰা অপৰিবর্ত্তিত। তর্জ্জমা কৰোতে ক'তো অলপো সংক্ষিপ্ত কৰিবলৈ চেষ্টা কৰা হোৱা নাই। বাক্যৰ ৰচনা আৰু শব্দ প্রয়োগো যেনেকৈ মূল পুথিৰ লগত ইংৰাজীত মিলাই ৰাখিবলৈ যত্ন কৰিছে সেইদৰে অসমীয়াতো যিমানদূৰপৰা যায় আগৰদৰেই ৰাখিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ ফলত অসমীয়াত কিছুমান বাক্য দীঘলীয়া হৈছে আৰু কিছুমান শব্দ কিছু কিছু বাক্যত অনাৱশ্যকীয় বোধ হ'লেও মূল ৰচনাৰ লগত মিলাই ৰাখিবলৈ এনে কৰা হ'ল।

এই আত্মচৰিত সম্পৰ্কে 'বাবৰ' নামৰ গ্ৰন্থৰ পাতনিত লিখক মিঃ ষ্টেনলি লেনপুলে লিখিছে যে কেতিয়া বা কেনেদৰে বাবৰে আত্মচৰিত লিখিছিল তাক কোৱা কঠিন। পিচে আত্মচৰিত পঢ়ি বুজা যায় যে তেওঁ নিয়মিতভাৱে লিখা নাছিল। তেওঁ এবাৰ আৰম্ভ কৰে আকৌ বৈ যায়। হয়তো সুযোগ-সুবিধা পালে আকৌ লিখা আৰম্ভ কৰে। এইটো ধৰিব পাৰি তেওঁৰ লিখাৰ ধৰণ দেখি। তেওঁ ঘটনা লিপিবদ্ধ কৰি কৰি হঠাৎ বৈ গৈছে—সেইটো শেষ নকৰাকৈয়ে আকৌ বেলেগ সূত্ৰ ধৰি কেইবছৰমানৰ পিচত আৰম্ভ কৰিছে যিটোৰ কোনো কাৰণ লিখাৰ মাজত তেওঁ দর্শোৱা নাই। প্ৰথম ভাগৰ লিখাৰ ধৰণ শেহৰ ফালৰ পৰা পৃথক। আগৰ ছোৱাৰ লিখা কিছু যে সালসলনি পিচত কৰিছে সেইটো বুজা যায়। অনুমান কৰা যায় যে এই আত্মচৰিত বিভিন্ন সময়ত লিখা আৰু আগৰ লিখা ভাৰত অভিযানৰ সময়ত সংশোধন কৰিছে। তেতিয়া হয়তো পূর্ব্বস্মৃতি খেলি-মেলি হোৱাৰ কাৰণেই হওক বা সময়ৰ অভাৱৰ কাৰণেই হওক ভিন্ন সূত্ৰ তেওঁ জোৰা লগাব পৰা নাই।

লেনপুলে আৰু লিখিছে যে এই আত্মচৰিতত সেইকালৰ এজন সু-শিক্ষিত

কৃষ্টিসম্পন্ন ব্যক্তিৰ নিজ ভাবধাৰা আৰু সূক্ষ্ম অনুভূতিৰ পৰিচয় পোৱা যায়। তেওঁ বিভিন্ন প্ৰাচ্যৰ ভাষাত পণ্ডিত আছিল। তেওঁৰ দৃষ্টিভঙ্গী পৰিষ্কাৰ আছিল আৰু পাৰিপাৰ্শ্বিক ঘটনাৱলীৰ ফলাফল তেওঁ সঠিকভাৱে অনুধাৱন কৰিব পাৰিছিল। মানৱ চৰিত্ৰ বিশ্লেষণ কৰাত তেওঁ পাৰদৰ্শী আছিল। প্ৰাকৃতিক দৃশ্যত মোহিত হৈ পৰিব পৰা তেওঁৰ মন আছিল। তেওঁ নিজৰ ধাৰণা, ভাবনা-চিন্তা আৰু নানা ঘটনাৱলীৰ বিৱৰণ প্ৰত্যক্ষদৰ্শী হিচাবে সুস্থ-সবল ভাষাত লিপিবদ্ধ কৰি গৈছে। লগে লগে তেওঁ নিজৰ ভুল-ভ্ৰান্তি, দোষ-গুণ আঁৰ বেৰ নৰখাকৈ প্ৰকাশ কৰি গৈছে। মাজে মাজে নিজকে সমালোচনা কৰিবলৈকো এৰা নাই। বুৰঞ্জী পঢ়ি বাবৰক একমাত্ৰ পৰাক্ৰমী যোদ্ধা, সাম্ৰাজ্য প্ৰতিষ্ঠাতা হিচাবে পাইছো। আত্মচৰিতৰ যোগে আমি পাওঁ একেধাৰে পৰাক্ৰমী যোদ্ধা, সুচতুৰ ৰাজনীতিবিদ, লিখক, কবি, দাৰ্শনিক, চিকাৰী, পুষ্পবিলাসী ; লগতে পাওঁ তেওঁৰ মাতৃভক্তি আৰু বাৎসল্য প্ৰেম। শত্ৰুক তেওঁ ক্ষমা কৰিব পাৰিছিল। গোটেই জীৱন ধৰি পৰৰাজ্য আক্ৰমণ, লুট আদি কাৰ্য্যৰপৰা তেওঁক ধৰ্মভীৰু বুলি ক'ব নোৱাৰি, তথাপি দৈনন্দিন প্ৰাৰ্থনা আদি নিষ্ঠাৰে সমাপন কৰিছিল, কিন্তু ধৰ্মান্ধ নাছিল বুলি ক'ব নোৱাৰি। যি দুই-এটা ঘটনাৰ কথা আত্মচৰিতত উল্লেখ কৰিছে তাৰপৰা বুজা যায় তেওঁ অন্য ধৰ্মৰ প্ৰতি শ্ৰদ্ধা বা সহনশীলতা দেখুৱাব পৰা নাছিল।

আচৰিত কথা বাবৰ আৰু তেওঁৰ উত্তৰাধিকাৰীসকল কেনেকৈ 'মোগল' নামে জনাজাত হ'ল। মাতৃপক্ষত মঙ্গল বীৰ চেঙ্গিজ খাঁৰ তেজ আছে যদিও তেওঁৰ পিতৃকুল টাৰ্টাৰ বংশৰ। তাইমুৰ তেওঁৰ ষষ্ঠ উপৰিপুৰুষ। মাতৃভাষা তেওঁৰ তুৰ্কী। আত্মচৰিতত ক'তো নিজকে মোগল বুলি উল্লেখ কৰা নাই। বৰং মোগলবিলাকক ইমান ঘৃণাৰ চকুৰে চাইছিল যে ইহঁতৰ লগত কোনো সম্পৰ্ক বা বিশ্বাস ৰখাৰ পৰা বিৰত হ'বলৈ উপদেশ দিছিল।

জনশ্রুতিমতে বাবৰে পুত্ৰ হুমায়ুনৰ ৰোগমুক্তিৰ কাৰণে ভগবানৰ ওচৰত নিজকে উৎসৰ্গ কৰে আৰু মৃত্যুবৰণ কৰে। হুমায়ুন আৰোগ্য হয়। বুৰঞ্জীবিদসকলৰ মতে অৱশ্যে বাবৰ কিছুদিন আগৰে পৰাই দুৰ্ব্বল হৈ আহিছিল।

যোৰহাট
১।১১।৭৬

শ্ৰীমুক্তিনাথ শৰ্ম্মা

বাবৰ নামা

মই মোৰ বাৰ বছৰ বয়সত ১৪৯৪ খৃষ্টাব্দৰ ৰমজান মাহত ফাৰগানাৰ ৰজা হওঁ।

ফাৰগানা জন অধ্যুষিত পৃথিবীৰ প্ৰান্ত সীমাত অৱস্থিত। এই ৰাজ্যৰ আয়তন কম—পশ্চিম ফালৰ বাহিৰে আন তিনিও দিশেই পাহাৰে ঘেৰা।

এই দেশ শস্য আৰু ফলেৰে ভৰা। ইয়াত আঙুৰ আৰু খোবানী আদিও হয় আৰু সোৱাদো অতি ভাল। ডালিম আৰু ছিৰালৰ কাৰণে এই দেশ বিখ্যাত। ইয়াৰ মানুহবিলাকে খোবানীৰ পৰা গুটি উলিয়াই আচৰিত ধৰণে তাৰ ঠাইত বাদাম সুমাই দিয়ে—খাবলৈ ই অতি সোৱাদ।

বেগৱতী নদীৰ পানীৰে ধুই নিয়া এই দেশৰ মাটি। বসন্ত কালত এই দেশ অতি চকুত লগা হৈ পৰে।

নৈৰ পাৰে পাৰে আছে অসংখ্য ফুলনি। তাত ফুলে অপাৰ মালতি আৰু গোলাপ ফুল। গছৰ ছাঁ পৰা বাগিছাত বাটৰুৱাই জিৰাবলৈ ভাল পায়। বাগিছাবিলাক যেন নানা ৰঙৰ দলিছাহে পৰা।

চৰাই আৰু চিকাৰৰ জন্তু ইয়াত অপাৰ। এই দেশৰ ডঁৰিক (pheasant) চৰাই ইমান ডাঙৰ যে ইয়াৰ মঙহ চাৰিজন মানুহেও খাই শেষ কৰিব নোৱাৰে। হৰিণা মাংসৰ সোৱাদ চমৎকাৰ।

এইখন এখন ভাল চিকাৰৰ ৰাজ্য। বগা হৰিণা, পৰ্ব্বতীয়া ছাগলী, ৰঙা হৰিণা আৰু শহা ইয়াত যথেষ্ট দেখা যায়। চিকাৰীৰ কাৰণে সুন্দৰ চিকাৰৰ সুযোগ ইয়াত আছে।

পাহাৰবিলাকত আছে বহুমূলীয়া 'টাৰকুইচ' পাথৰ আৰু অন্যান্য খনিজ বস্তু। ভৈয়ামবাসীয়ে বেঙুনীয়া ৰঙৰ কাপোৰ বয়।

ফাৰগানাৰপৰা গোৱা ৰাজহৰ পৰা সহজেই চাৰি হাজাৰ সেনা পুহিব পৰা যায়।

মোৰ পিতা ওমৰ শেখ মির্জা উচ্চাভিলাষী ৰজা আছিল। জাকজমক জীৱন যাপন কৰাৰ হেপাহ তেওঁৰ আছিল। ৰাজ্য জয় কৰা কিবা এটা নহয় কিবা এটা পৰিকল্পনাই তেওঁৰ মূৰত ঠাই পাইছিল। বাৰে বাৰে আক্ৰমণ চলাইছিল চৰমখণ্ড জয় কৰিবলৈ কিন্তু প্ৰতিবাৰেই পৰাস্ত হৈছিল।

১৪৯৪ খৃষ্টাব্দত চুলতান মহম্মদ খাঁ আৰু চুলতান আমেদ্ মির্জা তেওঁৰ আচৰণত অসন্তুষ্ট হৈ একগোট হ'ল। এজনে উত্তৰ ফালৰপৰা আৰু আন-জনে দক্ষিণ ফালৰপৰা পিতৃৰাজ্যৰ বিৰুদ্ধে আক্ৰমণ চলালে।

এনেকুৱা অৱস্থাতে এটা দুৰ্ঘটনা ঘটিল। আখ্‌ছি দুৰ্গ থিয় পাহাৰৰ ওপৰত অৱস্থিত। মোৰ পিতাই ইয়াৰ কাষত কেইটামান ঘৰো সজাইছিল।

১৪৯৪ খৃষ্টাব্দৰ ৰমজান মাহৰ ৪ তাৰিখে পিতা তেওঁৰ পাৰ চৰাইবিলাকক খুৱাত ব্যস্ত আছিল। হঠাৎ তেওঁৰ ভৰিৰ তলৰ তক্তা খোল খাই গ'ল। ইয়াৰ ফলত পাহাৰৰ টিঙৰপৰা সজাৰে সৈতে পাৰ লৈ একেবাৰে পাহাৰৰ তলত উফৰি পৰেহি—আৰু মৰমৰ পাৰ কেইটাৰে সৈতে তেওঁ সিপুৰীৰ যাত্ৰী হ'ল।

দেউতা আছিল চুটি-চাপৰ কিন্তু শকত-আৱত। দাড়ি আছিল চুটি কিন্তু ডাঠ। তেওঁ খুব আটি আটি লেঙুত পিন্ধিছিল। কঁকাল বেচ কোচ খুৱাই লৈ তেওঁ ফিতা বান্ধিছিল। পেট ফুলি উঠাৰ লগে লগে কেতিয়াবা ফিতা চিগি যায়। খোৱা বস্তুৰ বা পিন্ধা সাজৰ প্ৰতি তেওঁৰ বিশেষ মন-কাণ নাছিল। নিভাজ পাগুৰী মাৰিছিল। পাগুৰীৰ শেষভাগ ওলমি থাকে। তেওঁ উদাৰ চৰিত্ৰৰ আছিল। তেওঁৰ অন্তৰ আছিল মহান, অথচ তেওঁ অতি সাহিয়াল আৰু ব্যক্তিত্বসম্পন্ন লোক আছিল। ধনুৰ্বিদ্যাত তেওঁৰ নিপুণতা মজলীয়া আছিল। কিন্তু হাতৰ মুঠিৰ জোৰ অসাধাৰণ আছিল। তেওঁৰ মুষ্টাঘাতত ধৰাশায়ী নোহোৱা লোক পাবলৈ নাছিল।

তেওঁ পুৰুষৰ লগৰ পুৰুষ আছিল। পাশা খেলিবলৈ তেওঁ ভাল পাইছিল।

তেওঁৰ শহুৰ অৰ্থাৎ মোৰ ককা ইউনুছ খাঁ আছিল ইউৰেটৰ মোগল শিবিৰৰ কৰ্ত্তা আৰু চিঙ্গিজ খাঁৰ দ্বিতীয় পুত্ৰ চাঘটাই খাঁৰ বংশধৰ। মোৰ পিতাই তেওঁক মাজে মাজে নিজৰ ৰাজ্যলৈ নৈ আহে। যেতিয়াই তেওঁ আহে তেতিয়াই তেওঁক অলপ মাটি দান কৰা হয়। কিন্তু তেওঁৰ কালৰপৰা কোনো অসৎ আচৰণৰ কাৰণেই হওক বা মোগলৰ স্বভাৱজাত অশিষ্টাচৰিত্ৰৰ কাৰণেই হওক মোৰ দেউতাৰ ইচ্ছানুসৰি কাম নহৈছিল আৰু ইউনুছ খাঁই তেওঁৰ জোঁৱায়েকৰ লগত থাকিব নোৱাৰি পুনৰ মোগলিস্থানলৈ গুচি যায়। মিৰ্জাই যেতিয়া শেখৰবাৰ খাঁক নিজৰ ওচৰলৈ আনে তেতিয়া তাছখণ্ড তেওঁৰ দখলত আছিল। তাছখণ্ডক কিতাপত 'শ্বাস' বা কেতিয়াবা 'চাচ' বুলি উল্লেখ কৰা আছে। শহুৰ খাঁক মিৰ্জাই এই তাছখণ্ড দান কৰে যি সেই সময়ৰপৰা অৰ্থাৎ ১৪৮৫ খৃষ্টাব্দৰপৰা ১৫০৩ খৃষ্টাব্দলৈকে চাৰুখিয়া প্ৰদেশৰ সৈতে চাঘটাই খাঁ সকলৰ দখলত আছিল।

এই সময়ত অৰ্থাৎ ১৪৯৪ খৃষ্টাব্দত চুলতান মামুদ খাঁ মোগলবিলাকৰ দলাধিপতি আছিল। তেওঁ মোৰ আইৰ মাহীয়তি ভায়েক। ওমৰ শেখ মিৰ্জাৰ ককায়েক চুলতান আমেদ মিৰ্জা তেতিয়া চমৰখণ্ডৰ ৰজা। তেওঁ তেওঁৰ এজনী জীয়েকক চুলতান মামুদ খাঁলৈ বিয়া দিছিল।

মোৰ দেউতাৰ বয়স তেতিয়া ৩৯ বছৰ। তেওঁ ১৪৫৬ খৃষ্টাব্দত চমৰখণ্ডত জন্ম গ্ৰহণ কৰে। চুলতান আবু চৈয়দ মিৰ্জাৰ এওঁ চতুৰ্থ পুত্ৰ। চুলতান আমেদ মিৰ্জা, চুলতান মহম্মদ মিৰ্জাৰ আৰু চুলতান মামুদ মিৰ্জাৰ এওঁ ভায়েক।

তেওঁৰ দেউতাক চুলতান আবু চৈয়দ মিৰ্জা তাইমুৰ বেগৰ তৃতীয় পুত্ৰ মিৰণ চাহ মিৰ্জাৰ পুতেক চুলতান মহম্মদ চাহ মিৰ্জাৰ পুত্ৰ। তেওঁ ওমৰ শেখ মিৰ্জা আৰু জাহাঙ্গীৰ মিৰ্জাৰ ভায়েক কিন্তু ছাৰুখ মিৰ্জাতকৈ ডাঙৰ।

ওমৰ চেখ মিৰ্জাৰ ৰাজ্য

তেওঁৰ পিতাকে প্ৰথমে তেওঁক কাবুল ৰাজ্য দিয়ে আৰু বাবা কাবুলিক অভিভাৱক নিযুক্ত কৰি তেওঁক কাবুললৈ যাবলৈ অনুমতি দিয়ে। কিন্তু মিৰ্জাৰ চুন্নত উৎসৱৰ ভোজৰ কামত তেওঁক তামাৰিস্ক উপত্যকাৰপৰা ঘূৰাই অনা হয়। উৎসৱৰ অন্তত তেওঁ তাইমুৰ বেগৰ পুত্ৰ ডাঙৰজন ওমৰ চেখ মিৰ্জাক ফাৰগানা দান কৰা উদাহৰণ অনুসৰি তেওঁক (সৰু ওমৰ চেখ মিৰ্জা) আন্দেজান দান কৰে। তাৰ পিচত খুদাবৰ্দি তাইমুৰ তাছক অভিভাৱক নিযুক্ত কৰি তেওঁক সেই দেশলৈ পঠিয়াই দিয়ে।

তেওঁ ফাৰগানা প্ৰদেশ দেউতাকৰ পৰা পায়। তাছখণ্ড আৰু ছৈৰাম ককায়েক চুলতান আমেদ মিৰ্জাৰ পৰা পায়। এই দুয়োখন ঠায়েই কিছুমান দিন তেওঁৰ দখলত আছিল। ফাকি-ফুকা কৰি তেওঁ ছাৰুখিয়া প্ৰদেশ লাভ কৰে আৰু কিছুদিন নিজৰ দখলত ৰাখে। পিচত তাছখণ্ড আৰু ছাৰুখিয়া তেওঁৰ হাতৰপৰা যায়। তেওঁৰ দখলত তেতিয়া থাকে ফাৰগানা প্ৰদেশ খুজেন্দ (বহুতে খুজেন্দ ফাৰগানা প্ৰদেশৰ ভিতৰত বুলি নাভাবে) আৰু উৰাতিপা, যাৰ নাম আগতে আছিল উৰুচনা, যিখনক বহুতে উৰুছ্ বুলিও কয়। চুলতান আমেদ মিৰ্জাই যেতিয়া মোগলৰ বিৰুদ্ধে তাছখণ্ডত অভিযান চলায় আৰু চিৰ নৈৰ পাৰত পৰাস্ত হয় (১৪৮৮ খৃঃ) সেই সময়ত হাফিজ বেগ আছিল উৰাতিপাৰ শাসনকৰ্ত্তা। তেওঁ ওমৰ চেখ মিৰ্জাৰ হাত উৰাতিপা অৰ্পণ কৰে। তেতিয়াৰ পৰা উৰাতিপা তেওঁৰ দখলত আছিল।

তেওঁৰ ল'ৰা-ছোৱালী

তেওঁৰ তিনি পুত্ৰ আৰু পাঁচ কন্যা। মই জেহিৰুদ্দিন মহম্মদ বাবৰ তেওঁৰ বৰ পুত্ৰ। মোৰ মাতৃৰ নাম কুতলুক নিগাৰ খানুম।

তেওঁৰ দ্বিতীয় পুত্ৰ জাহাঙ্গীৰ মিৰ্জা মোতকৈ দুবছৰ সৰু। তেওঁৰ মাকৰ নাম ফচুতেমা চুলতান। তেওঁ মোগল তুমান বেগ বংশজাত।

তেওঁৰ তৃতীয় পুত্ৰ নাচিৰ মিৰ্জা মোতকৈ ৪ বছৰ সৰু, তেওঁৰ মাক উমিদ আন্দেজানৰ লোক আৰু দেউতাৰ উপপত্নী।

ওমৰ চেখ মিৰ্জাৰ বৰ জীয়েক মোৰ সহোদৰাৰ নাম খানজাদা বেগম। তেওঁ মোতকৈ ৫ বছৰ ডাঙৰ। ছিৰ-ই-পুলত হৰাৰ পিচতো যেতিয়া মই দ্বিতীয়বাৰ চমৰখণ্ড দখল কৰোঁ আৰু পাঁচ মাহ অৱৰোধ কৰি ৰাখোঁ, কিন্তু মোৰ আহ্বান সত্ত্বেও যেতিয়া ওচৰৰ কোনো আমিৰ বা বেগসকলৰপৰা কোনোধৰণৰ সহায় বা সৈন্য পোৱা নগ'ল তেতিয়া মই হতাশ হৈ চমৰখণ্ড এৰি গুচি যাওঁ। মোৰ এই সিংহাসনচ্যুত অৱস্থাতে মোৰ বাই খানজাদা বেগম মহম্মদ চেবানি খাঁৰ হাতত পৰে। তেওঁৰ ঔৰসতে মোৰ বাইদেউৰ খুৰ্‌ৰম চাহ নামে এজন পুত্ৰ জন্ম হয়। ১৫১০ খৃষ্টাব্দত এওঁৰ পিতাক ঢুকুৱাৰ পিচত এৰোঁ ভগৱানৰ কাষলৈ যায়গৈ।

১৫১০ খৃষ্টাব্দত যেতিয়া চাহ ইচমাইলে উজবেগবিলাকক মাৰ্ভৰ ওচৰত ঢকুৱায় তেতিয়া খানজাদা বেগম সেই নগৰতে আছিল। মোৰ খাতিৰতে তেওঁ বাইদেউৰ লগত বৰ ভাল ব্যৱহাৰ কৰে আৰু এদল গা-ৰখীয়াৰ লগত মোৰ ওচৰলৈ পঠাই দিয়ে। আমি আকৌ লগ খাওঁ। প্ৰায় দহ বছৰ আমাৰ ইজন-সিজনৰ দেখা-দেখি নাই। যেতিয়া মই আৰু মহম্মদ গকুলতাছ তেওঁৰ লগত দেখা কৰিবলৈ যাওঁ তেতিয়া মোৰ কথা শুনিও তেওঁ বা তেওঁৰ লগৰীয়া কোনেও আমাক চিনিব নোৱাৰিলে। অলপ সময়ৰ পিচত অৱশ্যে ধৰিব পাৰিলে।

তেওঁৰ আৰু এগৰাকী জীয়েকৰ নাম মেহেৰবানু বেগম নাচিৰ মিৰ্জাৰ সহোদৰা। মোতকৈ দুবছৰ সৰু। নাচিৰ মিৰ্জাৰ আৰু এগৰাকী সহোদৰা হ'ল চেহেৰবানু বেগম। তেওঁ মোতকৈ আঠ বছৰৰ সৰু।

আৰু এগৰাকী জীয়েকৰ নাম ইয়াদ্‌গাৰ চুলতান বেগম। তেওঁৰ মাক আছিল পিতাৰ উপ-পত্নী, নাম আছিল আগা চুলতান।

আন এগৰাকী জীয়েকৰ নাম ৰুকুইয়া চুলতান বেগম। তেওঁৰ মাকৰ

নাম মকদুম চুলতান বেগম। ইয়াৰ মানুহবিলাকে কাৰগুজ বেগম অৰ্থাৎ কৃষ্ণ নয়ন বেগম বোলে। শেহত উল্লেখ কৰা দুগৰাকী জীয়েকৰ জন্ম হয় মিৰ্জাৰ মৃত্যুৰ পিচত। ইয়াদ্‌গাৰ চুলতান বেগমক মোৰ পিতামহী আয়েছা দৌলত বেগমে ডাঙৰ-দীঘল কৰে। ১৫০৩ খৃষ্টাব্দত ছেবানি খাঁই যেতিয়া আন্দেজান আৰু আখ্‌চি জয় কৰে তেতিয়া ইয়াদ্‌গাৰ চুলতান বেগম হামজে চুলতানৰ পুতেক আব্দুল লতিফ চুলতানৰ হাতত পৰে। ১৫১১ খৃষ্টাব্দত যেতিয়া মই হামজে চুলতান আৰু আন চুলতানবিলাকক যুদ্ধত পৰাস্ত কৰোঁ তেতিয়া তেওঁ মোৰ লগ লাগে। মোৰ হাতৰপৰা ৰাজ্য যোৱা অৱস্থাত ৰুকুইয়া চুলতান বেগমো জানিবেগ চুলতানৰ (উজবেগ) হাতত পৰে। তেওঁৰ দুই-এটি সন্তানো হয় কিন্তু বেছিদিন নাবাচিল। কিছুদিনৰ পিচত বাতৰি আহে তেওঁ জীৱিত নাই।

তেওঁৰ পত্নী আৰু উপপত্নী।

কুতলুক নিগাৰ খানুম ইউনুছ খাঁৰ দ্বিতীয়া জীয়েক আৰু চুলতান মামুদ খাঁ আৰু চুলতান আমেদ খাঁৰ মাহীয়ডি ভনী।

ওমৰ চেখ মিৰ্জাৰ অন্তেষপুৰত আছিল খাজা হুছেন বেগৰ জীয়েক আউলাছ আগা। তেওঁৰ এজনী জীয়েকৰ সৰুতেই মৃত্যু হয় আৰু এক-দেড় বছৰ মানৰ পাচতেই তেওঁক হেৰেমৰপৰা বাহিৰ কৰি দিয়া হয়।

আৰু এগৰাকীৰ নাম ফতেমা চুলতান আগা। তেওঁ মোগল তুমান বেগ বংশজাত। এওঁকেই মিৰ্জাই সৰ্ব্বপ্ৰথমে স্ত্ৰী বুলি গ্ৰহণ কৰে।

আন এগৰাকীৰ নাম কাৰগুজ বেগম (মগদুম চুলতান আগা)। মিৰ্জাই তেওঁৰ শেহ জীৱন কালত এওঁক গ্ৰহণ কৰে। এওঁ মিৰ্জাৰ বিশেষ প্ৰেম-পাত্ৰী আছিল। মিৰ্জাক ভাল লগাবৰ কাৰণে মানুহে কৈছিল যে এইজনা বেগম তেওঁৰ পিতৃতুল্য আবু চৈয়দ মিৰ্জাৰ ককায়েক মিনুচিৰ মিৰ্জাৰ বংশজাত।

তেওঁৰ হেৰেমত বহুত উপপত্নী আৰু ৰক্ষিতা আছিল। তাৰে এগৰাকী উমিদ আগুচাৰ তেওঁ ঢুকুৱাৰ আগতে মৃত্যু হয়। শেহৰ কালে মোগল বংশৰ তুন চুলতান আৰু আগা চুলতানেও হেৰেমত ঠাই পায়।

তেওঁৰ তলতীয়া আমীৰসকল।

তেওঁৰ আমীৰসকলৰ এজনৰ নাম আছিল তাইমুৰ তাছ। তেৰেঁই আছিল ঘৰ পৰিচালনা কাৰ্যাত প্ৰধান বিষয়া। তেওঁৰ বয়স আছিল প্ৰায় পঁচিশ। কম বয়সীয়া হ'লেও তেওঁৰ কাম-কাজৰ ধৰণ, ব্যৱস্থা আৰু নীতি-নিয়ম নিৰ্ভুল আছিল। দুবছৰৰ পিচত এখন যুদ্ধত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ বাতৰি জনোৱা জৰুৰী বুলি ভাবি বাৰ্ত্তাবাহকে পাঁচশ মাইল বাট পাৰ হৈ খবৰটো চাৰি দিনত লৈ আহে।

আৰু এজন আমীৰৰ নাম হাফেজ বেগ। মই কাবুল জয় কৰাৰ আগে আগে তেওঁ মক্কা তীৰ্থলৈ বুলি যাত্ৰা কৰে। কিন্তু বাটতেই তেওঁ ভগবানৰ আহ্বান ক্ৰমে এই সংসাৰ ত্যাগ কৰে। তেওঁ পোন-পটীয়া, নিৰহঙ্কাৰী আৰু কম কথা কোৱা লোক আছিল। তেওঁৰ জ্ঞান বৰ গভীৰ নাছিল।

হুচেন বেগ আছিল আমোদপ্ৰিয় আৰু সৰল। ফটিকা খাই আৰু মজলিছত গান গাই তেওঁ সকলোকে জমাই পেলায়।

মজিদ বেগে প্ৰথমে মোক চোৱা-চিতা কৰাৰ ভাৰ পায়। তেওঁৰ বিধি-ব্যৱস্থা আৰু শৃঙ্খলা বৰ উচ্চ খাপৰ আছিল। মোৰ পিতাৰপৰা তেওঁৰ দৰে খাতিৰ কোনেও পোৱা নাছিল। কিন্তু তেওঁ অতি তল শ্ৰেণীৰ কামুক লোক আছিল।

আৰু এজন আমীৰ আছিল আলি মজিদ। তেওঁ আছিল কামুক, বিশ্বাসঘাতক, অপদাৰ্থ আৰু ভণ্ড।

আন এজন আছিল হাছান ইয়াকুব বেগ। তেওঁ স্পষ্টবাদী, টেঙৰ আৰু কাজুৱা আছিল। তেওঁ কবিতা ৰচনা কৰিব পাৰিছিল। তেওঁ আছিল

এজন ভাল কাঁড়ী। প'লো আৰু আন আন খেলাত তেওঁ দক্ষ আছিল। পিতাৰ মৃত্যুৰ পিচত তেওঁ মোৰ ঘৰ চলোৱা বিষয়া হয় কিন্তু তেওঁৰ অন্তৰ আছিল ঠেক আৰু কামতো নিপুণতাৰ অভাৱ আছিল। দন-কাজিয়া লগোৱাতো তেওঁ পকা আছিল।

হাচান বেগৰ পিচত কাছিম বেগে মোৰ ঘৰ চলোৱাৰ ভাৰ পায়। তেওঁ যিমান দিন জীয়াই আছিল তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু তাৰ লগে লগে তেওঁৰ ক্ষমতাও অবাধে বৃদ্ধি পাইছিল। তেওঁ বৰ সাহীয়াল আছিল। লুট-পাট কৰি এই দেশৰপৰা ঘূৰি যোৱা এদল উজবেগক তেওঁ পিচ লৈ ধৰে আৰু বেয়াকৈ ঘটুৱায়। তৰোৱাল চালনা কৰাত তেওঁৰ নাম আছিল। মই কাবুললৈ ঘূৰি যোৱাৰ পিচত তেওঁক মোৰ পুত্ৰ হুমায়ুনৰ তত্ত্বাবধায়ক নিযুক্ত কৰোঁ। মই জেমিন অধিকাৰ কৰাৰ সময়ত ভগবানে তেওঁক কাষলৈ লৈ যায়। তেওঁ ধাৰ্ম্মিক আৰু সৎ মুচলমান আছিল। সন্দেহজনক মাংস তেওঁ কেতিয়াও নাখাইছিল। তেওঁৰ বিচাৰ-বুদ্ধি গভীৰ আছিল। তেওঁ ৰসিক আছিল। নিৰক্ষৰ হ'লেও ওখ থাপৰ ৰসিকতাই তেওঁৰ অসাধাৰণ বুদ্ধিৰ পৰিচয় দিছিল।

আন এজন আছিল বাবা কুলিবেগ। তেওঁ পিচত মোৰ এজন শাসনকৰ্ত্তা নিযুক্ত হয়। তেওঁৰ অধীনত সৈন্য বৰ ভালকৈ ৰাখিছিল। তেওঁবিলাকৰ পোচাক আৰু সাজ-সৰঞ্জাম বৰ সুন্দৰ আছিল। লগুৱা-লিকচৌৰ ওপৰত তেওঁ কোঢ়া মুঠীয়া আছিল। কিন্তু নামাজ পঢ়া বা ৰোজা ধৰা লৈ মন-কাণ নিদিছিল। তেওঁ নিৰ্দ্দয় প্ৰকৃতিৰ লোক আছিল। তেওঁৰ সকলো আচাৰ-ব্যৱহাৰত নাস্তিকতাৰ চিন ফুটি ওলাইছিল।

আৰু এজন আমীৰৰ নাম আছিল মীৰ আলি দোস্ত তাঘাই। তেওঁ মোৰ মাতামহী আইছা দৌলত বেগমৰ আত্মীয় আছিল। মোক কোৱা হৈছিল যে তেওঁ এজন বৰ কাৰ্য্যক্ষম লোক হ'ব। তেওঁ মোৰ অনুগ্ৰহ পাইছিল। কিন্তু যি কেইবছৰ তেওঁ মোৰ লগত আছিল, তেওঁ মোৰ কিবা কৰিছিল বুলি

মই কব নোৱাৰোঁ। যাদুবিদ্যা জানে বুলি তেওঁ ভাও ধৰিছিল। তেওঁ ভাল চিকাৰী আছিল। তেওঁৰ ব্যৱহাৰ অতি বেয়া। তেওঁ আছিল নীচ, কুটবুধীয়া, খাই পাত ফলা, মইবৰ, ছুঁটামাতৰ আৰু কুৰূপ।

আৰু এজনৰ নাম লাখাৰি। তেওঁ চোকাবুদ্ধিৰ আছিল কিন্তু মাজে মাজে হাইকাজিয়াৰ ফালে মন ঢাল খোৱা দেখা গৈছিল।

মগৰ গিয়াছ তাঘাই বৰ ৰসিক আৰু ফূৰ্ত্তিমান হ'লেও আগপিচ সুগুণা কামুক প্ৰকৃতিৰ আছিল।

খোৰাচানবাসী আলী দৰবেছ বৰ সাহীয়াল আছিল। নাস্তালিক লিপিত এটা বিশেষ ভাজত তেওঁৰ লিখা অভ্যাস আছিল। কিন্তু তেওঁ অতি ভালৰিলগোৱা বিধৰ, নীচ প্ৰকৃতিৰ আৰু কবাইচ আছিল।

আন এজন হ'ল কামবাৰ আলি মোগল। তেওঁৰ দেউতাকে কিছুদিন এইদেশত চামৰাৰ ব্যৱসায় কৰিছিল। সেইকাৰণে মানুহে তেওঁক চমাৰৰ পো বুলিছিল। মোৰপৰা তেওঁ বহু অনুগ্ৰহ পাইছিল। পদোন্নতি নোহোৱা পৰ্য্যন্ত তেওঁৰ স্বভাৱ বৰ ভাল আছিল। কিন্তু অলপ পদোন্নতি হোৱাৰ পিচত তেওঁ কামত উদাসীন আৰু বেয়া মেজাজৰ হৈ পৰিছিল। তেওঁ কথা বেছি কৈছিল আৰু সৰহ ভাগেই আছিল মিছামিছি অৰ্থহীন কথা। আচলতে বহুবকি মানুহে মূৰ্খৰ দৰেই কথা কয়। তেওঁৰ কৰ্ম্ম পটুতাৰ অভাৱ আছিল আৰু মগজতো বিশেষ একো নাছিল।

পিতাই দুৰ্ঘটনাত প্ৰাণ হেৰুৱাৰ সময়ত মই আন্দেজানৰ উদ্যান কাৰেওত আছিলোঁ। ৰমজান মাহৰ ৫ তাৰিখ মঙ্গলবাৰে আন্দেজান পাওঁহি। মোৰ ওচৰত থকা নগৰীয়াসকলক লৈ দুৰ্গৰক্ষাৰ কাৰণে ঘোঁৰাত উঠি ওলাই আহোঁ। মিৰ্জাদ্বাৰ পাওঁতেই ছিৰাম টাঘাই মোৰ ঘোঁৰাৰ লেকামত ধৰি এফালে খোলা ঠাইলৈ লৈ গ'ল। তেওঁৰ মনত সন্দেহ হ'ল—চুলতান মিৰ্জাৰ দৰে পৰাক্ৰমী ৰজাই যেতিয়া অতি কাজুৰা সৈন্য লৈ এইফালে আহিছে কিজানি আন্দেজানৰ আমীৰসকলে মোক আৰু এইদেশক তেওঁৰ হাতত

অৰ্পণ কৰে। মোক উৰকন্দলৈ লৈ যোৱা তেওঁৰ ইচ্ছা আছিল। কাৰণ সেই ঠাই পাহাৰে আগুৰা। দেশ শত্ৰুৰ হাতলৈ গ'লেও মই তেওঁৰ হাতত নপৰোঁ আৰু তাৰপৰা মোৰ মামা ইলচে খাঁৰ ওচৰলৈ যাব পাৰিম।

দুৰ্গ প্ৰাসাদত থকা কাজি আৰু আমীৰসকলে আমাৰ মনৰ ভাব জানিব পাৰি আমাৰ সন্দেহ আঁতৰাবলৈ এজন বিশ্বাসী লোক পঠালে। তেওঁ আমাক লগ ধৰিলেহি। ঘোঁৰাৰ মুখ ঘূৰাই আমাক দুৰ্গৰ ভিতৰলৈ নিলে। মই ঘোঁৰাৰপৰা নামিলোঁ। খাজা কাজি আৰু আমীৰসকলে মোৰ সন্মুখতেই আলোচনা আৰম্ভ কৰিলে। তেওঁলোকে আলোচনা কৰি থিৰ কৰিলে যে দুৰ্গ সুৰক্ষিত কৰাৰ সকলো দিহা কৰিব লাগিব। শত্ৰুৰ আক্ৰমণ যেনেতেনে প্ৰতিৰোধ কৰিবই লাগিব। হাচান য়াকুব, কাচিম আৰু আন কেইজনমান আমিৰ বাহিৰত আছিল। ঘূৰি আহি তেওঁবিলাকে মোৰ কামত যোগ দিলে। সকলোৱে একমনে একপ্ৰাণে দুৰ্গ ৰক্ষাৰ কামত লাগি গ'ল।

চুলতান আমেদ মিৰ্জাই খোজেন্দ জয় কৰি কিছু আগবাঢ়ি আন্দেজানৰ পৰা ৮ মাইল দূৰত ছাউনী স্থাপন কৰিলে। এই সময়ত দৰবেশ গ নামে আন্দেজানৰ এজন মুখীয়াল লোকক ৰাজদ্ৰোহজনক কথা কোৱাৰ কাৰণে প্ৰাণ-দণ্ড দিয়া হ'ল। এই কাৰ্য্য দেখি বাকী সকলো অধিবাসীয়েই প্ৰাণৰ ভয়ত অনুগত থাকিবলৈ বাধ্য হ'ল।

ইয়াৰ পিচত মই চুলতান মিৰ্জালৈ দূতৰ যোগে এখন চিঠি পঠাওঁ। তাত লিখিছিলোঁ—'ডাঙৰীয়া, আপুনি এই দেশ জয় কৰি আপোনাৰেই কোনোৰ কৰ্ম্মচাৰীৰ ওপৰত শাসনৰ ভাৰ দিব। মইতো আপনাৰেই আত্মীয় লোক আৰু সম্বন্ধত ভতিজা। মোৰ ওপৰত বিশ্বাস ৰাখি যদি এই কাৰ্য্যৰ ভাৰ দিয়ে তেন্তে আপোনাৰ মনোবাসনা অতি সহজে আৰু ধুনীয়াকৈ পূৰ্ণ নহ'বনে ?'

চুলতান আমেদ মিৰ্জা দুৰ্ব্বল আৰু দুৰ্জ্জন প্ৰকৃতিৰ লোক। তেওঁ সদা তেওঁৰ তলতীয়া আমীৰবিলাকৰ কথাতে হয়ভৰ দি চলে। মোৰ প্ৰস্তাৱ তেওঁ লোকৰ মনঃপূত নহ'ল। সেইকাৰণে মই অতি চোকা উত্তৰ পালোঁ। তেওঁ

সসৈন্যে আগবাঢ়িল। কিন্তু যি সৰ্ব্বশক্তিমান, দয়ালু পৰমেশ্বৰে মোৰ মনো-বাঞ্ছা পাৰ্থিব শক্তিৰ সহায় নোহোৱাকৈ পূৰ্ণ কৰি আহিছে তেৱেঁই মোৰ সহায় হ'ল। তেওঁ এনে অঘটন ঘটালে যে শত্রু মহাবিপদত পৰিল। সিহঁতৰ অভিযান বন্ধ হ'ল। সিহঁতৰ অত উদ্যম ফলৱতী নোহোৱাত ভাগ্যক নেওচি ঘৰি যাবলৈ বাধ্য হ'ল।

সিহঁতৰ বিপৰ্য্যয়ৰ কাৰণ সমূহৰ ভিতৰত প্ৰথম হ'ল এই—কাবা নদীৰ ক'লা পানী বিষাক্ত। পানীত নামি কোনো পাৰ হ'ব নোৱাৰে। নদীখনৰ পুতল বৰ কম। সাঁকোৰ ওপৰেদি পাৰ হোৱা ব্যৱস্থা আছে। শত্রু পক্ষৰ সেনাই লৰালৰিকৈ পাৰ হ'বলৈ ইমান ঠেলা-হেঁচা কৰিলে যে লগৰ বহুত উট আৰু ঘোঁৰা সাঁকোৰপৰা পানীত পৰিল আৰু প্ৰাণ হেৰুৱালে। তিনি-চাৰি বছৰৰ আগৰ এখন যুদ্ধত সিহঁত সাংঘাতিক ধৰণে হাৰিছিল। এইবাৰৰ বিপদে সিহঁতক আগৰ কথা মনত পেলাই দিলে আৰু আগন্তুক বিপদৰ আশঙ্কাত আতঙ্কিত হৈ পৰিল। দ্বিতীয় কাৰণ হ'ল—এই সময়তে সিহঁতৰ ঘোঁৰাবিলাক এটা কঠিন ৰোগত পৰি সৰহভাগেই মৰিবলৈ ধৰিলে। তৃতীয়তে সিহঁতে দেখা পালে মোৰ সেনা আৰু প্ৰজাৰ একতা আৰু দৃঢ় প্ৰতিজ্ঞা। সিহঁতে বুজিছিল মোৰ ৰণুৱাবিলাকে শৰীৰৰ শেষ টোপা তেজ দি জীৱন উৎসৰ্গ কৰিব কিন্তু কেতিয়াও এই দেশৰ মাটি শত্রুৰ পদানত হ'বলৈ নিদিয়ে। আন্দেজানৰ এমাইল ভিতৰলৈ আহিও এইবিলাক কথাত ভয় খাই সিহঁতৰ ফালৰপৰা মহম্মদ তাৰখানক দূত হিচাবে পঠায়। আমাৰ ফালৰপৰা দূত হৈ দুৰ্গৰপৰা হাচান য়াকুব যায়। দুয়ো দূতৰ আলোচনাৰ পিচত এক প্ৰকাৰৰ এটা শান্তি চুক্তি স্থিৰ কৰা হ'ল যাৰ ফলত সোনকালেই শত্রু এই দেশ এৰি গুচি গ'ল।

(২)

এই সময়ত চুলতান মামুদ খাঁই খোজেন্দ নদীৰ উত্তৰ কালৰপৰা আক্ৰমণ কৰি আখ্‌ছি দুৰ্গ অবৰোধ কৰে। খাঁৰ সৈন্য আখ্‌ছিৰ ওচৰ পাওঁতেই

কেইজনমান আমীৰে তেওঁৰ লগত দেখা কৰি কাছানৰ অধিকাৰ তেওঁৰ হাতত অৰ্পণ কৰে। তাৰ পিছত তেওঁ আখ্ছিৰ ফালে আগবাঢ়ি আহি বাৰে বাৰে আক্ৰমণ কৰি বিফল হয়। আখ্ছিৰ আমীৰ আৰু ডেকাসকলে মহাবিক্ৰমে যুদ্ধ কৰে। এই সঙ্কটতে চুলতান মহম্মদ খাঁ অসুখত পৰে আৰু যুদ্ধৰ প্ৰতি স্পৃহাহীন হৈ নিজ দেশলৈ ঘূৰে।

এইবিলাক ঘাই ঘাই ঘটনাৰ সময়ত যি সকল আমীৰ আৰু সম্ভ্ৰান্ত ঘৰৰ ডেকা মোৰ পিতাৰ অনুগত আছিল তেওঁলোকে একতাবদ্ধ হৈ মহান হৃদয়ৰ পৰিচয় দিয়ে। আৰু মোৰ কাৰণে জীৱন উৎসৰ্গ কৰিবলৈ অঙ্গীকাৰ কৰে। তেওঁবিলাকে মোৰ পিতামহী চাহ চুলতান বেগম আৰু হেৰেমৰ আন সকলোকে আখ্ছিৰ পৰা আন্দেজানলৈ লৈ আহে। তাত পিতাৰ পাৰলৌকিক ক্ৰিয়া সমাপণ কৰা হয়। এই উপলক্ষে দুখীয়া আৰু সন্ন্যাসীক প্ৰচুৰ পৰিমাণে খোৱা বস্তু বিলোৱা হয়।

বিপদৰপৰা হাত সৰাৰ পিচত দেশৰ শাসন ব্যৱস্থা আৰু উন্নতিৰ ফালে মনকাণ দিয়াৰ আৱশ্যকতা দেখা গ'ল। হাচান ইয়াকুবৰ ওপৰত আন্দেজান শাসনৰ ভাৰ দিয়া হ'ল আৰু তেওঁক শাসন পৰিষদৰ বৰমুৰীয়া কৰা হ'ল। পিতাৰ দিনৰ প্ৰত্যেক আমীৰ আৰু সম্ভ্ৰান্ত যুৱকসকলক এখন জিলা, নহ'লে গাওঁ, নহ'লে অলপ মাটি-বাৰী দিয়াৰ ব্যৱস্থা কৰা হ'ল। তেওঁবিলাকৰ পদ মৰ্য্যাদা অনুসৰি বিশেষ বিশেষ সন্মানেৰে ভূষিত কৰা হ'ল।

চুলতান আমেদ্ মিৰ্জা স্বদেশলৈ ঘূৰি যোৱাৰ পথতে বৰ অসুস্থ হৈ দুদিনীয়া সংসাৰৰ পৰা চৌচল্লিশ বছৰ বয়সত চিৰবিদায় লয়।

চুলতান আমেদ্ ওখ, শকত আৰু গৌৰবৰ্ণৰ আছিল। তেওঁৰ থুঁতৰিৰ ওপৰ অংশত দাড়ি আছিল কিন্তু গালৰ তললৈ অলপো নাছিল। তেওঁৰ ব্যৱহাৰ আছিল অতি মিঠা।

তেওঁ হানিফা সম্প্ৰদায়ভুক্ত আছিল। সঁচাকৈয়ে তেওঁ আছিল গোড়া বিশ্বাসী মুচলমান। দিনে পাঁচবাৰ নামাজ পঢ়ে। আনকি মদ্যপান উৎসৱত

উপস্থিত থাকিও এই নিয়ম ভঙ্গ কৰা নাছিল। খাজা আব্দুল্লা তেওঁৰ ধৰ্ম্ম-গুৰু আৰু পথপ্ৰদৰ্শক আছিল। আচাৰ ব্যৱহাৰত তেওঁ সদায়েই ভদ্ৰ। বিশেষকৈ খাজাৰ লগত ব্যৱহাৰ কৰা সময়ত তেওঁৰ নম্ৰতা আদৰ্শ স্থানীয় আছিল। কথিত আছে যে খাজাৰ লগত দেখা কৰা সময়ত তেওঁ দীঘলীয়া সময় একেথৰে লৰচৰ নকৰাকৈ বহি থাকিছিল। এবাৰ মাত্ৰ ইয়াৰ লৰচৰ হৈছিল। সেইদিনা প্ৰথমতে যেনে ধৰণেৰে বহি আছিল অলপ পিচত তেওঁ ৰ ভঙ্গী পৰিবৰ্ত্তন কৰে। মিৰ্জা উঠি যোৱাৰ পিচত তেওঁ বহি থকা ঠাইত কিবা আছেনেকি খাজাই চাবলৈ মন কৰিলে। দেখা গ'ল সেই ঠাইডোখৰত টুকুৰা হাড় পৰি আছে।

তেওঁ পঢ়া-শুনা বেছি কৰা নাছিল। নগৰৰ মানুহ হৈয়ো তেওঁ লিখা-পঢ়া নজনা গাৱঁলীয়াৰ নিচিনা আছিল। তেওঁ আছিল সাধু সৰল স্বভাৱৰ তুৰ্কী লোক। জ্ঞানী নহ'লেও তেওঁ খাটি লোক। সততে নিজ গুৰু সন্মানীয় খাজাৰ পৰামৰ্শ গ্ৰহণ কৰে আৰু সকলো বিষয়তে ধৰ্ম্মীয় শৃঙ্খলা মানি চলে। তেওঁ কথাৰ লৰচৰ নকৰিছিল আৰু কেতিয়াও কোনো চুক্তি বা সন্ধিৰ চৰ্ত্ত ভঙ্গ কৰা নাছিল। সম্মুখ সমৰত তেওঁ কমেই অৱতীৰ্ণ হৈছে কিন্তু কোনো কোনোৱে কয় তেওঁ বহুত যুদ্ধত বীৰত্বৰ পৰিচয় দিছিল। ধনুৰ্বিদ্যাত তেওঁ পাৰদৰ্শী আছিল। তেওঁৰ বহুমুখী কাঁড়ৰ ফালবিলাকে নিভুৰ্লভাৱে লক্ষ্যভেদ কৰিছিল। ঘোঁৰা দৌৰাই ইফালে-সিফালে যাওঁতেও দূৰৰ বস্তু অব্যৰ্থভাৱে ভেদ কৰিব পাৰিছিল। শেষ বয়সত তেওঁ যেতিয়া বৰ শকত হৈ পৰিছিল তেতিয়া তেওঁ পোহনীয়া শেন চৰাই উৰাই বহুত ডঁৰিক আৰু ডাউক চৰাই চিকাৰ কৰিছিল আৰু এই চিকাৰত তেওঁ কাচিৎহে বিফল হৈছিল। শেন চৰাইৰ সহায়ত চিকাৰ কৰি তেওঁ ভাল পাইছিল আৰু এই খেলতে তেওঁ প্ৰায়েই মতলীয়া হৈ থাকে। উলুক বেগ মিৰ্জাৰ বাহিৰে কোনো ৰজা তেওঁৰ সমান খেলোৱাৰ নাছিল।

সামাজিক আচাৰ তেওঁ বিশেষভাৱে ৰক্ষা কৰি চলিছিল। নিজৰ মানুহ

আনকি অতি ওচৰ সম্বন্ধীয়া লোকৰ সন্মুখতো তেওঁ ভৰি নঢকাকৈ নাৰাখি ছিল। আৰম্ভ কৰিলে তেওঁ একে লেথাৰিয়ে ২০।৩০ দিন ধৰি মদ পা কৰিছিল আৰু পিচৰ ২০।৩০ দিন মদ নুচুইছিল। সামাজিক উৎসৱত বহু সময়ত দিনে-ৰাতিয়ে সমানে বহি প্ৰচুৰ মদ খাইছিল। যি কেইদিন ম নাখাইছিল সেই কেইদিনো গৰম বস্তু খোৱাৰ অভ্যাস তেওঁৰ আছিল তেওঁৰ স্বভাৱ আছিল কৃপণ, প্ৰকৃতি আছিল সৰল, কথা কৈছিল কম আৰ সকলো সময়তে আমীৰসকলৰ মততেই উঠ-বহ কৰিছিল।

তেওঁৰ দুটি পুত্ৰ আছিল। তেওঁলোক কম বয়সতে ঢুকায়। জীয়ে আছিল পাঁচ গৰাকী। পাঁচ বছৰ বয়সত মই চমৰখণ্ডলৈ যাওঁতে তেওঁৰ তৃতীয়া কন্যা আইছা বেগমৰ লগত মোৰ বিয়াৰ কথা থাটাং হয়। গণ্ডগোলৰ সময়তে তেওঁ খোজেন্দলৈ আহে—তেতিয়াই তেওঁক বিয়া কৰাওঁ। তেওঁৰ গৰ্ভত মোৰ এটি কন্যা জন্ম হয়। তেওঁৰ (চুলতান আমেদ মিৰ্জা) কনিষ্ঠা কন্যাৰ নাম মাচুমা বেগম। মই খোৰাচানলৈ যাওঁতে তেওঁক দেখি মুগ্ধ হৈ বিয়াৰ প্ৰস্তাৱ কৰোঁ আৰু কাবুললৈ লৈ আহোঁ আৰু তাতেই বিয়া কৰাওঁ তেওঁৰ গৰ্ভতো মোৰ এটি কন্যা জন্ম হয়। এই সময়তে তেওঁৰ অসুথ হয় আৰু ভগবানে কাষলৈ নিয়ে।

তেওঁৰ বেগম সকলৰ ভিতৰত এগৰাকীৰ নাম কটক বেগম। এওঁক ভাল পাই বিয়া কৰাইছিল। এওঁৰ প্ৰতি প্ৰেমো আছিল গভীৰ। কিন্তু এই গৰাকী তিৰোতাই তেওঁক হাতৰ মুঠিত ৰাখিছিল। তেওঁৰ জীৱিত কালত চুলতানে আন কোনো নাৰীৰ সঙ্গ লাভলৈ সাহ কৰিব নোৱাৰিছিল। শেহত বেগমক তেৱেঁই হত্যা কৰে। এটি কবিতাত তেওঁ নিজ মনৰ ভাব প্ৰকাশ কৰিছে—

'সৎ লোকৰ কপালত যদি
অসতী তিৰোতা মিলে
এই ধৰণীৰ বুকুতেই তেওঁৰ
নৰক জীৱন চলে।'

তেওঁৰ আমীৰসকলৰ এজনৰ নাম জানি বেগ। এওঁৰ স্বভাৱ আৰু হাৰ বৈচিত্ৰ্যপূৰ্ণ। এওঁৰ বিষয়ে বহুত আচৰিত গল্প শুনিবলৈ পোৱা যায়। ৰে এটা হৈছে—যেতিয়া তেওঁ চমৰখণ্ডৰ শাসক আছিল তেতিয়া উজবেগ-লৰ কালৰপৰা এজন কটকী আহে। উজবেগবিলাকে বাহুবলী মানুহক কে' বোলে। জানিবেগে তেওঁক সুধিলে—"আপোনাক, তেওঁবিলাকে বুকে' বোলে? যদি আপুনি 'বুকে' হয় মোৰ লৈতে অলপ যুঁজকচোন।" কা ভাঙৰীয়াই এতিয়ানো কৰে কি? মানি ল'বলৈ বাধ্য হ'ল। জানিবেগে মাৰি ধৰি ওপৰলৈ দাঙি এচাৰ মাৰি পঠিয়ালে। তেওঁ অতি বাহুবলী জন আছিল।

তেওঁৰ আৰু এজন আমীৰৰ নাম আমেদ বেগ। তেওঁ ওপৰ শ্ৰেণীৰ বি আছিল। তেওঁ লিখা এটি কবিতাৰ অৰ্থ—'হে গুণী বিচাৰক, আজি ক অকলে থাকিবলৈ দিয়া কাৰণ আজি মই মাতাল। যিদিনা মোক অমত্ত স্থাত ধৰিব পাৰিবা সেইদিনাই মোৰ বিচাৰ কৰিবা।'

তেওঁ এজন দক্ষ অশ্বাৰোহী আছিল। ভাল জাতৰ ঘোঁৰা তেওঁ হছিল। বীৰ হ'লেও সাহ আনুপাতে যুদ্ধ পৰিচালনা কৰাৰ যোগ্যতা ওঁৰ কম আছিল। তেওঁ কামত মনোযোগী নাছিল। সকলো কথা আৰু মত তেওঁ কৰ্ম্মচাৰী আৰু তেওঁৰ আশ্ৰয়ত থকা লোকৰ ওপৰত নিৰ্ভৰ ৰে। বোখাৰাৰ যুদ্ধত তেওঁ বন্দী হয় আৰু অগৌৰৱজনক মৃত্যু বৰণ বিব লগা হয়।

তেওঁৰ আৰু এজন আমীৰৰ নাম মহম্মদ তাৰখান। তেওঁ সৎ মুচলমান, ৰ্ম্মিক আৰু সৰল স্বভাৱৰ মানুহ। সকলো সময়তে কোৰাণ পাঠ কৰে। া খেলাতো তেওঁ ওস্তাদ আছিল। বহুত সময় এই খেলাতেই কটায় আৰু লেও বৰ ভাল। চিকাৰী চৰাই লৈ খেলা কৰাতো তেওঁ পাকৈত আছিল। হনীয়া শেন চৰাই উকৰাতো তেওঁৰ বৰ চখ।

আৰু এজনৰ নাম আব্দুল আলি তাৰখান, যদিও মহম্মদ তাৰখান পৰ

মৰ্য্যাদাত আব্দল আলিতকৈ বহুত ওপৰত—অকল পদ মৰ্য্যাদাতেই নঃ মানুহৰ চকুতো – তথাপি ফাৰাওৰ দৰে এই উদ্ধত আমীৰে এনে হৈ দেখুৰ যেন তেওঁ মহম্মদ তাৰখানতকৈ বহুত ওপৰ থাপৰ লোক। যি বাৰ বছ তেওঁ বোখাৰাৰ শাসনকৰ্ত্তা আছিল সেইসময়ত তেওঁৰ লগুৱা লিকচৌৰ সংখ আছিল তিনি হাজাৰ। সিহঁতক বৰ জাকজমককৈ ৰাখিছিল। তেওঁ বাতৰি সংগ্ৰহৰ ব্যৱস্থা, বিচাৰ পদ্ধতি, বাসস্থান, উৎসব, খেলা-ধূলা সকলে বিলাকেই ৰাজকীয় মৰ্যাদাপূৰ্ণ আছিল। কঠোৰ শাসনৰ যোগে তেওঁ শৃঙ্খল ৰক্ষা কৰে। তেওঁ নিৰ্দ্দয়, কামুক আৰু উদ্ধত প্ৰকৃতিৰ লোক আছিল।

আন এজনৰ নাম বাকি তাৰখান। চুলতান আলি মিৰ্জাৰ সময়ত তে খুব খ্যাতি আৰ্জ্জন কৰিছিল। তেওঁৰ সৈন্য সংখ্যা পাঁচ-ছয় হাজাৰ হৈছিল তেওঁ চুলতান আলি মিৰ্জাৰ অধীনত বা দলত আছিল বুলি কোৱা ঠি নহ'ব। শেণ চৰাইৰে চিকাৰ কৰা তেওঁৰ বিলাস আছিল। শুনিবলৈ পো যায় তেওঁৰ এসময়ত সাত শ চিকাৰী চৰাই আছিল। তেওঁ শিক্ষি আছিল আৰু জাকজমক জীৱন আৰু প্ৰাচুৰ্যাৰ মাজত ডাঙৰ-দীঘ হৈছিল।

চুলতান আলিৰ পিচত চুলতান মামুদ মিৰ্জা চমৰখণ্ডৰ সিংহাসনত উঠে ধনী-দুখীয়া, সৈন্য-সামন্ত, বিষয়া, সৰ্ব্বসাধাৰণ ৰাইজ সকলোৱেই তেওঁ ব্যৱহাৰ আৰু কাৰ্য্যকলাপত অসন্তুষ্ট হৈ উঠিল। বহুতেই তেওঁৰ পৰা আঁত হ'ল। তেওঁৰ প্ৰথম নিষ্ঠুৰ কাম হ'ল জোৱায়েক মহম্মদ মিৰ্জাক হত্যা কৰা তেওঁৰ শাসন প্ৰণালী প্ৰশংসাৰ যোগ্য আছিল আৰু যদিও ক'বলৈ গ' ন্যায়-নীতি পৰায়ণ আছিল আৰু অঙ্ক শাস্ত্ৰত ব্যুৎপত্তি থকাত ৰাজহ আদি বিষয়ত তেওঁৰ কাৰ্য্য প্ৰণালীও উৎকৃষ্ট আছিল। কিন্তু ইমান নিৰ্দ্দয় আৰু পাপাসক্ত আছিল যে তেওঁ অলপো জনপ্ৰিয় হ'ব নোৱাৰিলে। চমৰখণ্ডলৈ অহা পিচতে তেওঁৰ নিজ আবিষ্কৃত নূতন পদ্ধতিত কৰ আদায় আৰু শাসন ব্যৱস্থা প্ৰচলন কৰিলে।

ৰজা যেতিয়া কামাসক্ত আৰু অত্যাচাৰী হয় তেতিয়া বিষয়া আৰু দাস-
লাকেও তেওঁৰ উদাহৰণকে লয়। হিচাৰৰ অধিবাসীসকলে বিশেষকৈ যি
লাক সৈন্য-সামন্ত খচৰু চাহৰ পৰিচালনাত আছিল তেওঁবিলাক সততে
আৰু তিৰোতা লৈয়েই মতলীয়া হৈ থাকে। এইবিলাক কাণ্ড ইমান
গবাঢ়িল যে খচৰু চাহৰ দেহৰক্ষী সৈন্যবিলাকে কোনো এজন মানুহৰ স্ত্ৰীক
ৰ কৰি ধৰি নিয়ে। স্বামীয়ে উপায়হীন হৈ খচৰু চাহৰ ওচৰত আপত্তি
ায়। কিন্তু স্বামীয়ে উত্তৰ পালে—তুমি আৰু তোমাৰ স্ত্ৰী বহুবছৰেই
ভোগ কৰিছা। ই ঠিক কথাই হৈছে যে তোমাৰ স্ত্ৰীক কিছুদিনৰ কাৰণে
নে উপভোগ কৰিব। আৰু এটা কথাত ৰাইজ বৰ বিৰক্ত হৈ উঠে।
নো নাগৰিক বা ব্যৱসায়ী আনকি সৈন্যবিলাকেও ঘৰ এৰি বাহিৰৰ কামত
লৈ ইচ্ছা নকৰিছিল। কাৰণ ভয় হৈছিল তেওঁবিলাকৰ অনুপস্থিতিত নিজৰ
াবিলাকক ধৰি ক্ৰীতদাস কৰিব।

চমৰখণ্ডৰ জনসাধাৰণে চুলতান আমেদ মিৰ্জাৰ ২৫ বছৰীয়া ৰাজত্বকালত
শান্তিত জীৱন কটাইছিল। কাৰণ সেই সময়ত মহামান্য খাজা চাহাবৰ
ৰত সকলো কথা ন্যায়-নীতিত আৰু আইনৰ দৰে চলিছিল। এতিয়া
বিলাক এনে অমানুষিক দৌৰাত্ম্য আৰু কামাচৰণত অতিষ্ঠ হৈ পৰিল।
সম্ভ্ৰান্ত—কি সাধাৰণ, কি ধনী—কি দুখীয়া, সকলোৱেই এই অত্যাচাৰৰ
বিধানৰ কাৰণে ভগৱানৰ ওচৰত হাত দাঙি প্ৰাৰ্থনা জনাবলৈ ধৰিলে
মিৰ্জাক অভিশাপ দিবলৈ লাগিল।

'অন্তৰৰ আঘাতৰপৰা সাবধান হোৱা, কাৰণ ইয়াৰ বেদনা এদিন
ৰত প্ৰকাশ হ'বই। যদি পাৰা এটা প্ৰাণীকো আঘাত নিদিবা, কাৰণ
নিশ্বাসে গোটেই পৃথিবীকে বিপদাপন্ন কৰিব পাৰে।'

ভগবানৰ সূক্ষ্ম বিচাৰত এনেকুৱা পাপকৰ্ম্ম, অত্যাচাৰ, নৃশংসতা সৰহদিন
ব নোৱাৰে। সেই কাৰণে পাঁচ-ছমাহৰ ভিতৰতে তাৰ চমৰখণ্ড ৰাজত্বৰ
ওৰ পৰিল।

(৩)

১৪৯৪ খৃষ্টাব্দৰ ঘটনাৱলী

এই বছৰতে চুলতান মামুদ মির্জাৰ হৈ তেওঁৰ বৰ পুতেকৰ বিবাহ উপল উপহাৰ লৈ দূত হৈ আহে আব্দুল কাদ্দুছ বেগ। তেওঁ অৱশ্যে মুকলিভা ক'বলৈ ধৰিলে যে তেওঁ হাচান ইয়াকুবৰ আত্মীয়। কিন্তু তেওঁ যি উদ্দে আহিছিল সেইকাম মনে মনে কৰিবলৈ ধৰিলে। তেওঁৰ অভিসন্ধি আছি নানা ধৰণৰ মন ভুলোৱা প্ৰলোভন দেখুৱাই হাচান ইয়াকুবক কৰ্ত্তব্য কা পৰা পিচলোৱাই তেওঁৰ প্ৰভু মির্জাৰ স্বাৰ্থৰ অনুকূলে কাম কৰোৱা। হাচ ইয়াকুবে তেওঁৰ কথাত হয়ভৰ দিলে অৰ্থাৎ সেইদললৈ ঢাল খালে। সামাজি শিষ্টাচাৰ দেখুৱাই কাম শেষ কৰি দূত ঘূৰি গ'ল। পাঁচ-ছমাহৰ ভিতৰ হাচান ইয়াকুবৰ ব্যৱহাৰত লৰচৰ দেখা গ'ল। মোৰ বিশ্বাসী অনু সকলৰ লগত বেয়া ব্যৱহাৰ আৰম্ভ কৰিবলৈ ল'লে। পৰিষ্কাৰকৈ দে গ'ল যে মোক সিংহাসনৰ পৰা নমাই জাহাঙ্গীৰ মির্জাক ৰজা পতাই তে উদ্দেশ্য। মোৰ আমীৰ আৰু সৈন্যসকলৰ ওপৰত তেওঁৰ ব্যবহাৰ ইম জঘন্য হৈ উঠিল যে তেওঁৰ মূৰত কি কু-বুদ্ধি খেলাইছে তাক বুজিবলৈ কা বাকী নাথাকিল। মোৰ হিত চিন্তা কৰা কেইজনমানে মোৰ পিতাম আইচা দৌলত বেগমৰ লগত দেখা কৰি তেওঁৰ পৰামৰ্শ গ্ৰহণ কৰিবে স্থিৰ হ'ল হাচান ইয়াকুবক পদচ্যুত কৰি ষড়যন্ত্ৰমূলক উদ্দেশ্য ব্যৰ্থ কৰি লাগিব।

বুদ্ধি আৰু বিচক্ষণতাত মোৰ পিতামহীৰ নিচিনা লোক তিৰোত ভিতৰত অতি কমেই দেখা যায়। তেওঁ অসাধাৰণ দূৰদৰ্শী আৰু বিচ আছিল। বহু খাই খাই বিষয়ত তেওঁৰ পৰামৰ্শ লৈ কাম কৰা হয়।

নগৰ দুৰ্গত হাচান ইয়াকুব আছিল। মোৰ আই আৰু পিতামহী আছি প্ৰস্তৰ দুৰ্গত। আমাৰ উদ্দেশ্য সফল কৰিবলৈ মই নগৰ দুৰ্গৰ ফালে যা

ৰিলোঁ। চিকাৰ কৰিবলৈ হাচান ইয়াকুব সেই সময়ত দুৰ্গৰপৰা ওলাই গছিল। পৰিস্থিতি বুজিব পাৰি তেওঁ চমৰখণ্ডৰ বাট ধৰিলে। তেওঁৰ মনুগত আমীৰ আৰু মানুহবিলাকক বন্দী কৰা হ'ল। বহুতকে চমৰখণ্ডলৈ যাবাৰ অনুমতি দিলোঁ। কাচিম কোচিনক মোৰ গৃহস্থালি পৰিচালনাৰ ধান বিষয়া কৰা হ'ল। তেওঁক আন্দেজান শাসনৰ ভাৰো দিয়া হ'ল।

হাচান ইয়াকুব চমৰখণ্ডলৈ যোৱাৰ বাটত কান্দাবাদাম পালেগৈ। মনত তেওঁৰ কু-বুদ্ধি। ভাবিলে—আখ্ছি প্ৰদেশ এই সময়তে আক্ৰমণ কৰিলেই হয়। য়াকে ভাবি তেওঁ খোকান ৰাজ্যত উপস্থিত হ'ল। এই খবৰ পাই তেওঁৰ তিৰোধ কৰিবৰ কাৰণে কেইজনমান আমীৰক সৈন্য-সামন্ত দি আক্ৰমণ ৰিবলৈ পঠাই দিলোঁ।

মোৰ দলৰ অলপ সৈন্য-আগুৱাই গৈ ৰাতি এঠাইত ছাউনী পাতিলে। তবি পৰা এই সৈন্যদলক ৰাতিৰ আন্ধাৰত হাচান ইয়াকুবে আক্ৰমণ কৰে। াড় বৰ্ষণৰ ফলত মোৰ সৈন্যদল বিপদাপন্ন হৈ পৰে। কিন্তু ভগবানৰ কি চিত্ৰ লীলা! নিজ লোকৰ কাঁড় লাগি হাচান ইয়াকুব মাটিত বাগৰি পৰিল। ও আৰু ঘূৰি যাব নোৱাৰিলে। বিশ্বাসঘাতকতাৰ ফল হাতে হাতে পাই ল।

'তুমি যদি অন্যায় কৰা ভুলতো নাভাবিবা যে সেই পাপৰপৰা উদ্ধাৰ পাব ৰক্ষাকবচ তোমাৰ আছে। প্ৰত্যেক কাৰ্য্যৰ উচিত প্ৰতিক্ৰিয়া তোমাৰ ৰণে বৈ আছে'।

এই বছৰতে মই নিষিদ্ধ বা সন্দেহজনক মাংস খোৱা বাদ দিওঁ। চুৰি-াৰী, চামুচ বা মেজৰ কাপোৰ ব্যৱহাৰ কৰাতো সাৱধান হওঁ। মাজ নিশাৰ মাজো কোনোদিনা বাদ দিয়া নাই।

ৰবিউল-সাথি মাহত চুলতান মাহ্মুদ মিৰ্জা টান নৰিয়াত পৰে। ছদিন মাৰত পৰি থাকি ৪৩ বছৰ বয়সত তেওঁ এই সংসাৰৰপৰা বিদায় লয়।

চুলতান আবু ছৈয়দ মিৰ্জাৰ তেওঁ তৃতীয় পুত্ৰ। ১৪৫৩ খৃষ্টাব্দত তেওঁ

জন্মগ্ৰহণ কৰে। দেখাত তেওঁ চুটি-চাপৰ, কিন্তু শকত-আৱত আছি
তেওঁৰ শৰীৰৰ গঠন বৰ আটিল আছিল আৰু দাড়ি আছিল বৰ পাতল।

নামাজ পঢ়াত তেওঁ আওহেলা কৰা নাছিল। তেওঁৰ বিধি-ব্যৱস্থা আ
কামৰ প্ৰণালী বৰ সুন্দৰ আছিল। অঙ্কশাস্ত্ৰত তেওঁৰ অসাধাৰণ জ্ঞা
আছিল। ৰাজহৰ এটি পাইও তেওঁ নজনাকৈ খৰচ কৰাৰ উপায় নাছি
চাকৰ-নাকৰক তেওঁ নিয়মিতভাৱে দৰমহা দিছিল। উৎসব আৰু দা
বিষয়ত দৰবাৰ আৰু আশ্ৰিতসকলৰ আদৰ আৰু সা-সুবিধা ... তে
নীতি-নিয়ম চমৎকাৰ আছিল। ধৰাবন্ধা নিয়মৰ ধাৰা অনুসাৰে সেইবিল
পৰিচালিত হৈছিল। তেওঁ পিন্ধা কাপোৰ-কানিও চলিত ধৰণ অনু
ধুনীয়া। তেওঁ যিবিলাক আইন-কানুন প্ৰবৰ্ত্তন কৰে তাৰপৰা চুলিমা
লৰচৰ কৰাৰ অধিকাৰ তেওঁৰ সৈন্য বা প্ৰজাসকলৰ নাছিল। জীৱনৰ প্ৰ
ছোৱাত তেওঁ চিকাৰী চৰাই লৈ খেলাত মত্ত হৈ থাকিছিল। বহুত চিক
শেন চৰাই তেওঁ পুহিছিল। শেষৰ ফালে হৰিণা চিকাৰ কৰা তেওঁৰ প্ৰ
খেলা হৈ পৰিছিল। বহুত সময়ত তেওঁৰ নৃশংসতা আৰু অসৎ-চৰিত্ৰতাৰ প
চেৰাই গৈছিল। সকলো সময়তে তেওঁ ফটিকা খাইছিল। বহুত কিনা-গো
তেওঁ ৰাখিছিল। তেওঁৰ বিশাল ৰাজ্যখনত ধুনীয়া ল'ৰা বা ডেকা দেখি
কোনো প্ৰকাৰে ধৰি আনি গোলাম কৰিছিলহি। তেওঁৰ আমীৰসকলৰ আ
আপোন মানুহৰ ল'ৰাও কিনা-গোলাম কৰিবলৈ ইতস্ততঃ নকৰিছিল। তে
এই ঘিণ লগা আদৰ্শ এনেধৰণে প্ৰচলন হৈ পৰিছিল যে প্ৰত্যেক মানু
অন্ততঃ এজন কিনা-গোলাম ৰখাটো এটা বিলাস হৈ পৰিছিল। গো
ৰখাটো এটা ডাঙৰ কাম বুলি ভাবিছিল। এই অসৎ কাৰ্য্যৰ ফল তেওঁ তে
কৰিব লগা হয়। তেওঁৰ আটাইকেউজন পুত্ৰ-সন্তান কম বয়সতে নিহত হ

তেওঁৰ কবিতা লিখা অভ্যাস আছিল। কিন্তু সেইবিলাক ভাৱ
তলখাপৰ কবিতা। এনে কবিতা লিখাতকৈ বোধকৰোঁ নিলিখাই ভা
হ'লহেঁতেন।

তেওঁ কাকো বিশ্বাস নকৰিছিল। খাজা আব্দুল্লাৰ প্ৰতি তেওঁৰ ব্যৱহাৰ বেয়া আছিল। তেওঁ আছিল কাপুৰুষ—ভদ্ৰতাবোধও বৰ ওপৰ খাপৰ ছিল। তেওঁৰ লগৰীয়া আছিল কেইটামান তোষামোদী আৰু দগাবাজ লোক। ৰাজদৰবাৰ, আনকি ৰাইজৰ আগতো সিহঁতে অবাধে ভেঙুচালি কৰিবলৈ লাজ নাপাইছিল; তেওঁৰ মাত-কথা হুঁটা আছিল। তেওঁ কিনো খোজে বহুত সময়ত বুজিব নোৱাৰি। ধৰ্ম্মৰক্ষাৰ নামত তেওঁ তুবাৰ যুদ্ধ কৰিবলৈ যায়। এই সময়ত তেওঁ গাজী পদবী গ্ৰহণ কৰে।

তেওঁৰ পাঁচজন পুতেক আৰু এধাৰ গৰাকী জীয়েক আছিল। আইৰ নিৰ্দেশক্ৰমে এগৰাকী কন্যাক বিয়া কৰাওঁ। আমাৰ মনৰ মিল হোৱা নাছিল। তাৰ দুই-তিনি বছৰৰ ভিতৰতে বসন্ত ৰোগত তেওঁৰ মৃত্যু হয়।

তেওঁৰ আমীৰসকলৰ ভিতৰত প্ৰথম স্থান আছিল খছৰু চাহৰ। তেওঁ কিপ্চাকস্থানৰ অধিবাসী। ডেকাকালত তাৰখানৰ বেগসকলৰ তলত কাম কৰিছিল। পিছলৈ গ'লে তেওঁ কিনা-গোলামেই আছিল। তাৰ পিচত মজিদ বেগৰ তলত কাম কৰে। মজিদ বেগে তেওঁক বৰ অনুগ্ৰহ দেখুৱাইছিল।

চুলতান মামুদে যেতিয়া ইৰাকত দুৰ্ভগীয়া ব্যৰ্থ অভিযান চলায় সেই সময়ত খছৰু চাহ তেওঁৰ লগত আছিল। ইৰাকৰ যুদ্ধত হাৰি ঘূৰি আহোঁতে খছৰুৱে তেওঁক খুব সহায় কৰে। এই কথাত সন্তোষ পাই মিৰ্জ্জাই খছৰুক বিশেষভাৱে সন্মান দেখুৱায়। ইয়াৰ পিচত খচৰু বৰ ক্ষমতাশালী হৈ উঠে। চুলতান মামুদ মিৰ্জাৰ দিনত তেওঁৰ তলত পাঁচ-ছহেজাৰ মানুহে কাম কৰিছিল। আমু দৰীৰ পাৰৰপৰা হিন্দুকুশ পৰ্ব্বত পৰ্যান্ত অকল বাদাখ্চানৰ বাহিৰে গোটেই দেশ তেওঁৰ অধীনত আছিল আৰু তেৱেঁই সকলো ৰাজহ ভোগ কৰিছিল। মুকুহস্তে খাদ্য বিলোৱাত তেওঁ খ্যাতি লাভ কৰিছিল। তুৰ্কী হ'লেও ৰাজহ তোলোৱাৰ কালে তেওঁৰ দৃষ্টি সজাগ আছিল। ৰাজহ আদায় হোৱাৰ লগে লগে তাক নিৰ্ব্বিচাৰে খৰচ কৰিছিল।

চুলতান মামুদ মিৰ্জাৰ মৃত্যুৰ পিচত পুত্ৰসকলৰ ৰাজত্বকালত তেওঁ ক্ষমতাৰ

উচ্চ পৰ্য্যায় পাইছিলগৈ আৰু আচলতে তেওঁ স্বাধীনেই হৈছিল। তেওঁৰ সৈন্য সংখ্যা বিশহাজাৰ পৰ্য্যন্ত হৈছিল। তেওঁ নিয়মিতভাৱে নামাজ পঢ়িছিল আৰু নিষিদ্ধ মাংস নাখাইছিল। তথাপি তেওঁৰ অন্তৰ আছিল কলুষিত. তেওঁ তলশ্ৰেণীৰ কু-বুদ্ধিৰ, নীচমনা আৰু বিশ্বাসঘাতক আছিল। এই নশ্বৰ পৃথিবীত মিছা খ্যাতি আৰু প্ৰতিপত্তি লাভৰ কাৰণে যাৰ তলত তেওঁ কাম কৰিছিল আৰু যাৰ পৃষ্ঠপোষকতাত তেওঁ উচ্চস্থান পাইছিল আৰু যি তেওঁক সদায়েই ৰক্ষা কৰি আহিছিল তেওঁৰেই পুত্ৰসকলৰ এজনৰ দুয়োটা চকু কাঢ়ে আৰু এজনক হত্যা কৰে। এই কু-কাৰ্য্যৰ কাৰণে ভগৱানৰ শাওপাত আৰু মানুহৰ ঘৃণা লাভ কৰিব লগা হৈছে—যিটোৰ ফল মৃত্যুৰ পিচতো শেষ বিচাৰৰ দিনা তেওঁ ভোগ কৰিব লাগিব। এইবিলাক ঘিণ লগা কাম তেওঁ নীচ অহঙ্কাৰ আৰু পাৰ্থিব সুখ-সম্ভোগৰ কাৰণেই কৰিছিল। জনপূৰ্ণ প্ৰদেশৰ ওপৰত আধিপত্য, যুদ্ধকালত প্ৰয়োজন হোৱা অস্ত্ৰ-শস্ত্ৰ আৰু খাৰ-বাৰুদৰ প্ৰাচুৰ্য্য আৰু অসংখ্য লগুৱা লিকচৌৰ আনুগত্য থাকিলেও তেওঁৰ এনেকুৱা বলবীৰ্য্য নাছিল যে তেওঁ এটা কুকুৰা পোৱালীৰ আগত থিৰ হ'ব পাৰে। এই আত্ম-জীৱনীত তেওঁৰ কথা প্ৰায়েই উল্লেখ থাকিব।

চুলতান মামুদ মিৰ্জাৰ আন এজন আমীৰৰ নাম ৱালি। তেওঁ খচৰু চাহৰ সহোদৰ। চাকৰ-নাকৰক তেওঁ বৰ যতনেৰে ৰাখিছিল। এওঁৰ প্ৰৰোচনাত চুলতান মামুদ মিৰ্জাক অন্ধ আৰু বাইচনঘৰ মিৰ্জাক হত্যা কৰা হয়। চকুৰ আঁৰত মানুহৰ বদনাম ৰটা এওঁৰ অভ্যাস আছিল। তেওঁ কটুভাষী, নীচ মনোবৃত্তিৰ, অহঙ্কাৰী আৰু ক্ষীণবুদ্ধিৰ লোক আছিল। তেওঁ কেতিয়াও কাৰো কথা নুশুনিছিল আৰু কাৰো কাৰ্য অনুমোদন নকৰিছিল। নিজ খুচিৰে সদায় চলিছিল। যেতিয়া মই খচৰু চাহক তেওঁৰ ভৃত্য সকলৰ ওচৰৰ পৰা আঁতৰাই নিওঁ তেতিয়া ৱালিয়ে উজবেগবিলাকৰ ভয়ত আন্দেৰাব আৰু ছিৰাবলৈ গুচি যায়। ইয়াৰ আইমাক জাতিয়ে তেওঁক পৰাস্ত কৰে আৰু তেওঁৰ বয়-বস্তু লুট কৰে। তাৰ পিচত মোৰ অনুমতি লৈ তেওঁ কাবুললৈ যায়। ৱালি

পিচত মহম্মদ চেবানিৰ ওচৰলৈ গৈছিল। তেওঁৰ আদেশত চমৰখণ্ডত ৱালিৰ শিৰশ্চেছদ কৰা হয়।

তেওঁৰ আৰু এজন চৰ্দ্দাৰৰ নাম চেখ আব্দুল্লা। তেওঁ টান কোট পিন্ধিছিল আৰু সেইটোও আকৌ ফিতাৰে বান্ধি ৰাখিছিল। তেওঁ সাধু আৰু নম্ৰ স্বভাৱৰ আছিল।

চুলতান মহম্মদ মিৰ্জাৰ মৃত্যুৰ পিচত খচৰু চাহে মৰাৰ বাতৰি লুকুৱাই থৈ তেওঁৰ ধন-সোণ সৰকাবলৈ যত্ন কৰে। কিন্তু এই ঘটনা লুকাই থাকিব পাৰে জানো? সকলো চমৰখণ্ডবাসীয়ে কথাটো গম পালে। সেইদিনা এটা উৎসৱৰ দিন আছিল। সৈন্য আৰু নাগৰিকসকলে এগে লগে হুলস্থুল কৰি খচৰু চাহৰ ওপৰত জপিয়াই পৰিল। খচৰু চাহক আঁতৰোৱাৰ পিচত চমৰখণ্ড আৰু হিচাৰৰ চৰ্দ্দাৰসকলে মিলিত হৈ বাইচনঘৰ মিৰ্জালৈ বাতৰি পঠায়। তেওঁ তেতিয়া বোখাৰাত আছিল। তেওঁক চমৰখণ্ডলৈ আনি সিংহাসনত বহুওৱা হ'ল। তেতিয়া তেওঁৰ বয়স আছিল ওঠৰ।

এনে সঙ্কটত চমৰখণ্ড আক্ৰমণ কৰিবৰ কাৰণে চুলতান মহম্মদ খাঁই সৈন্য লৈ আগুৱাই আহিল। অতি খৰ গতিৰে আৰু দক্ষতাৰে এদল কাজুৱা সৈন্য লৈ বাইচনঘৰ মিৰ্জা ওলাই যায় আৰু শত্ৰু সৈন্যৰ লগত কানবাইৰ ওচৰত ভেটা-ভেটি হয়। চমৰখণ্ড আৰু হিচাৰৰ সুদক্ষ সৈন্যবিলাকে যেতিয়া একেলগে আক্ৰমণ কৰিলে, হায়দাৰ গকুলতাসৰ অধীনৰ মহম্মদ খাঁৰ সৈন্যদল একেবাৰে ছেদেলি-ভেদেলি হৈ গ'ল। তেওঁবিলাকৰ এই দুৰ্দ্দশা দেখি লগৰ আন সেনাদলে সন্মুখ যুদ্ধত নামিবলৈ সাহ নকৰিলে। তেওঁবিলাক সম্পূৰ্ণৰূপে পৰাজিত হয়। অসংখ্য মোগলে এই যুদ্ধত প্ৰাণ হেৰুৱায়। এজনএজনকৈ শত্ৰু সৈন্য ধৰি আনি বাইচনঘৰ মিৰ্জাৰ আগত শিৰশ্চেছদ কৰা হ'ল। মৰা শৰ দ'ম ইমান হ'ল যে বাইচনঘৰ মিৰ্জাৰ যুদ্ধৰ বাহৰ তিনিবাৰকৈ সলাব লগা হৈছিল।

এই সময়তে ইব্ৰাহিম ছাৰু আছফেৰা দুৰ্গত উপস্থিত হৈ এখন প্ৰাৰ্থনা সভাৰ আয়োজন কৰে আৰু বাইচনঘৰ মিৰ্জাক সেই সভাত ৰজা বুলি ঘোষণা

কৰে। এই ইব্রাহিম ছাৰু সৰু কালৰেপৰা মোৰ আইৰ কামত নিযুক্ত আছি আৰু যথেষ্ট সন্মান লাভ কৰিছিল। কিন্তু অসৎ ব্যৱহাৰৰ কাৰণে তেওঁ পদচ্যুত কৰা হয়। বাইচনঘৰ মিৰ্জাৰ ফলীয়া হৈ তেওঁ এতিয়া শত্ৰুতা আৰ কৰে।

এই বিদ্রোহ দমন কৰিবৰ কাৰণে চাৰান মাহত মই অশ্বাৰোহী সৈন্য চা কৰোঁ। মাহৰ শেহৰ ফালে ঘটনাস্থল পাই পৰ্য্যবেক্ষণৰ কাম আৰম্ভ কৰোঁ। যিদিনা আমি পাওঁগৈ সেইদিনাই আক্রমণ আৰম্ভ কৰিবলৈ ডেকা যুঁজাৰুসক উত্রাৱল হৈ উঠে। দুৰ্গৰ সীমা পাই লৰালৰিকৈ তেওঁবিলাক দুৰ্গৰ নতুনকৈ সজা এখন দেৱালৰ ওপৰত উঠে আৰু দুৰ্গৰ বাহিৰৰ এটা অংশ দখল কৰে ছৈয়দ কাছিমে সেইদিনা অদ্ভুত বীৰত্ব দেখুৱাইছিল। সকলোকে পিচপেলা থৈ তৰোৱাল ঘূৰাই ঘূৰাই তেওঁ আগবাঢ়ি যায়। চুলতান আমেদ তাম আৰু মহম্মদ দোস্ত তাঘাইয়েও অৱশ্যে বীৰৰ দৰে তৰোৱাল চলায়। বীৰ পুৰস্কাৰ কিন্তু সেইদিনা ছৈয়দ কাচিমেই লাভ কৰে। কোনো উৎসৱত আটাইতকৈ বেচি বীৰত্বসূচক তৰোৱাল খেলা দেখুৱাব পাৰে তেওঁকে পুৰস্কাৰ দিয়া এটা প্ৰথা আছে।

মোৰ শাসনকৰ্ত্তা খোদাবৰ্দিয়ে প্ৰথম দিনাৰ সজ্ঘৰ্ষত কাঁড়ৰ আঘাত ইহলীলা সম্বৰণ কৰে। উপযুক্ত অস্ত্ৰ-শস্ত্ৰ নোলোৱাকৈ মোৰ সৈন্যবিলাকে দুৰ্গ দখল কৰা কামত জপিয়াই পৰাত কিছুমান মৰে আৰু বহুতেই আহত হয়। ইব্রাহীম চাৰুৰ দলত এজন পাকৈত কাঁড়ী আছিল। অদ্ভুত কৌশলেৰে তে কাঁড় মাৰিছিল। তেওঁৰ নিচিনা নিপুণ কাঁড়ী মই ক'তো দেখা নাই। দু পতনৰ পিচত তেওঁ মোৰ তলত কামত নিযুক্ত হয়।

এই দুৰ্গ অৱৰোধ বহুত দিন ধৰি চলা দেখি হুকুম দিলোঁ যে—দুঠাই মাটিৰ ওখ ঢিপ কৰি তাৰ ওপৰৰ পৰা বৰতোপৰ গুলি এৰিব লাগিব আ দুৰ্গ জয় কৰিবৰ কাৰণে যিবিলাক হাতিয়াৰ দৰকাৰ সকলোবিলাৰ তৈয়াৰ কৰি পেলাব লাগিব। চল্লিশ দিন এই অবৰোধ চলিছিল।

অৱশেষত অতি দুৰবস্থাত পৰি ইব্ৰাহিম ছাৰুৱে বিনা চৰ্ত্তে আত্ম সমৰ্পণৰ প্ৰস্তাব পঠিয়ায়। ছাওৱাল মাহত তেওঁ দুৰ্গৰপৰা ওলাই আহে। বশ্যতাৰ চিন স্বৰূপে ডিঙিত তৰোৱাল ওলোমাই মোৰ আগত উপস্থিত হয় আৰু এই দুৰ্গ মোৰ হাতত সমৰ্পণ কৰে।

খোজেন্দ প্ৰদেশ বহুদিন মোৰ দেউতাৰ অধীনত আছিল। তেওঁৰ ৰাজত্বৰ শেষ অৱস্থাত যুদ্ধৰ সময়ত চুলতান আমেদ মিৰ্জাই ইয়াক দখল কৰি লয়। মনতে ভাবিলোঁ—এই প্ৰদেশৰ ইমান ওচৰ পাইছোহি যেতিয়া ইয়াৰ বিৰুদ্ধে অভিযান চলাই কিনো হয় চোৱা যাওক। অনায়াসে খোজেন্দ দুৰ্গ মোৰ হাতলৈ আহিল।

এই সময়ত চুলতান মহম্মদ খাঁ চাৰুখিয়াত আছিল। কিছুদিন আগতে যেতিয়া চুলতান আমেদ মিৰ্জা আন্দেজানৰ ফালে সসৈন্যে আগবাঢ়িছিল তেতিয়া এই খাঁই মিৰ্জাৰ ফলীয়া হৈ আথছি অৱৰোধ কৰিছিল বুলি আগতে কোৱা হৈছে। মোৰ মনত খেলালে— যেতিয়া ইমান ওচৰৰেই পাইছোহি আৰু তেওঁ বয়সত মোৰ দেউতা বা ককাইৰ লগৰ, তেওঁৰ ওচৰলৈ গৈ সন্মান দেখুওৱা উচিত। তেতিয়া হয়তো আগতে ঘটি যোৱা ঘটনাৰ কাৰণে তেওঁৰ মোৰ প্ৰতি যি বিদ্বেষ ভাব আছে সি আঁতৰ হ'ব পাৰে। মই আৰু ভাবিছিলোঁ তেওঁৰ লগত দেখা কৰিলে আৰু এটা কথাৰ সুবিধা হব— তেওঁৰ ৰাজসভাৰ অৱস্থা আৰু আন আন বিষয়ৰ এটা ধাৰণা কৰিবলৈ সক্ষম হ'ম।

ইয়াকে ঠিক কৰি মই খাঁৰ লগত দেখা কৰিবৰ কাৰণে আগবাঢ়িলোঁ। হায়দৰ বেগৰ পৰিকল্পনা অনুসাৰে তৈয়াৰ কৰা উদ্যানৰ মাজৰ এটা বন্ধোৱা বেদিৰ ওপৰত খাঁ বহি আছিল। ফুলনিত সোমায়েই মূৰ দোৱাই তেওঁক তিনিবাৰ অভিবাদন জনাওঁ। খাঁই আসনৰ পৰা উঠি আহি প্ৰতি অভিবাদন জনাই মোক আকোৱালি ধৰে। মই অলপ পিচলৈ আহি আকৌ অভিবাদন জনাওঁ। খাঁই মোক আগবাঢ়ি আহিবলৈ ক'লে আৰু তেওঁৰ আসনৰ কাষত বহিবলৈ নিৰ্দ্দেশ দিলে। মোৰ লগত তেওঁ অতি দয়া আৰু মৰমসনা ব্যৱহাৰ

কৰে। দুই-এদিন পিচতেই মই আথ্‌ছি আৰু আন্দেজানলৈ যাত্ৰা কৰোঁ। আথ্‌ছি পাই মোৰ পিতাৰ কবৰ চাবলৈ যাওঁ। শুকুৰবাৰে দুপৰীয়াৰ নামাজৰ পিচত আন্দেজানলৈ বুলি যাত্ৰা কৰোঁ। সন্ধ্যা আৰু ৰাতিৰ নামাজৰ মাজ সময়তে সেইখিনি পাওঁগৈ।

আন্দেজানৰ অৰণ্য অঞ্চলত 'জাগ্ৰে' নামে এটি সম্প্ৰদায়ে বাস কৰে। তেওঁবিলাকৰ সংখ্যা বহুত। প্ৰায় পাঁচ-ছহেজাৰ পৰিয়াল। কাৰগানা আৰু কাছগড়ৰ মাজৰ পৰ্ব্বত শাৰীতে তেওঁবিলাকৰ বাস। তেওঁবিলাকৰ অসংখ্য ঘোঁৰা আৰু ভেৰা আছে। সাধাৰণ ষাঁড়ৰ সলনি তেওঁবিলাকে বহুত পাহাৰী ষাঁড় ৰাখে। সহজে সোমাব নোৱাৰা পৰ্ব্বতৰ অধিবাসী হোৱাৰ কাৰণে তেওঁলোকে কৰ দিব নোখোজে। সেই কাৰণে তেওঁলোকৰ অলপ অলপ সম্পত্তি অধিকাৰ কৰি মোৰ সেনাবিলাকৰ মাজত যাতে ভগাই দিব পাৰো তাৰ কাৰণে কাচিম বেগৰ তলত এদল কাজুৱা সৈন্য 'জাগ্ৰে' বিলাকৰ বিৰুদ্ধে অভিযানত পঠাওঁ। এই অভিযানত কাচিম বেগে কুৰি হেজাৰ ভেৰা আৰু পোন্ধৰ হেজাৰ ঘোঁৰা লুট কৰি আনে। সেইবিলাক মোৰ ৰণুৱাবিলাকৰ মাজত ভাগ কৰি দিয়া হ'ল।

'জাগ্ৰে'ৰ দেশৰপৰা সৈন্যবিলাক ঘূৰি অহাৰ পিছত উৰাতিপাৰ বিৰুদ্ধে অভিযান চলাবলৈ ওলাওঁ। উৰাতিপা বহুত দিন মোৰ পিতাৰ অধীনত আছিল। তেওঁ ঢুকুৱাৰ বছৰতে এই ঠাই হেৰুৱায়। বৰ্ত্তমান বাইচনঘৰ মিৰ্জাৰ হৈ তেওঁৰ ভায়েকে এই ঠাই অধিকাৰ কৰি আছিল। মই অহাৰ খবৰ পাই তেওঁ উৰাতিপাৰ শাসনকৰ্ত্তাক তাত ৰাখি 'মাছি থা'ৰ পৰ্ব্বতীয়া অঞ্চললৈ পলাই যায়। পলাই যাওঁতে তেওঁৰ লগত দেখা কৰিবলৈ খলিফাক কটকী ৰূপে পঠাওঁ। কিন্তু এই কু-বুদ্ধিৰ লোকজনে মোলৈ কোনো উত্তৰ নপঠিয়াই খলিফাক বন্দী কৰে আৰু হত্যা কৰাৰ আদেশ দিয়ে। কিন্তু সেইটো ভগবানৰ ইচ্ছা নাছিল। খলিফা কোনো ৰকমে পলাই আহে। অশেষ দুখ-কষ্ট সহি, খোজকাঢ়ি নঙঠা দেহাৰে দুই-তিনি দিনৰ পিচত মোৰ

ওচৰলৈ ঘূৰি আহে। মই উৰাতিপাত প্ৰবেশ কৰোঁ। তেতিয়া জাৰকালি আৰম্ভ হৈছে। গাওঁবাসীসকলে সকলো শইচ পথাৰৰপৰা নি ঘৰত সুমুৱাইছে। খাদ্য বস্তুৰ অভাৱৰ কাৰণে আন্দেজানলৈ ঘূৰি আহিবলৈ বাধ্য হ'লোঁ। মই ঘূৰি অহাৰ পিচত খাঁৰ সৈন্যই উৰাতিপা আক্ৰমণ কৰে। স্থানীয় অধিবাসী বিলাকে আক্ৰমণ ওফৰাব নোৱাৰি আক্ৰমণকাৰীৰ হাতত উৰাতিপাৰ শাসন-ভাৰ দিয়ে। ১৫০২ খৃষ্টাব্দলৈকে তেওঁৰ হাততে ইয়াৰ কৰ্তৃত্ব আছিল।

(৪)

১৪৯৫ খৃষ্টাব্দৰ ঘটনাৱলী

চুলতান মামুদ মিৰ্জা চমৰখণ্ডলৈ পলোৱাৰ পিচত তেওঁৰ মুখ্য আমীৰ-সকলে তেওঁবিলাক অহাৰ বাতৰি আগতীয়াকৈ মোক জনাই ৰমজান মাহত আন্দেজান ওলায়হি। তাইমুৰ ৰাজবংশৰ প্ৰথা অনুসৰি মই কোমল আসনত তেওঁবিলাকক অভ্যৰ্থনা জনাবৰ কাৰণে সাজু হওঁ। হাম্জে চুলতান, মেহেদি চুলতান আৰু মামক চুলতানক লৈ প্ৰবেশ কৰোতেই মই থিয় হৈ তেওঁ বিলাকলৈ সন্মান জনাওঁ। আসনৰপৰা নামি আহি তেওঁবিলাকক আলিঙ্গন কৰোঁ আৰু মোৰ সোঁফালে দলিচাত তেওঁবিলাকক বহুৱাওঁ।

চুলতান হুচেন মিৰ্জাই হিছাৰ দুৰ্গ অধিকাৰ কৰিবৰ কাৰণে দুৰ্গৰ আশে-পাশে বাহৰ পাতিলেহি। দুৰ্গ অধিকাৰৰ কাৰণে দিনে-ৰাতিয়ে অবিৰাম গোলাবৰ্ষণ, সুৰঙ্গ খনন, নানা ঠাইত হিলৈ পতা আদি কামত তেওঁ ব্যস্ত আছিল। চাৰি-পাঁচ ঠাইৰপৰা সুৰঙ্গ পথ খন্দা হয় আৰু এটা পথ নগৰ-দুৱাৰৰ ওচৰ পায়গৈ। অৱৰুদ্ধ নগৰবাসীয়ে কথাটো গম পাই বিপৰীত ফালৰ পৰা গাত খান্দি ভিতৰত ধোঁৱাৰ কুৰ্বলী সৃষ্টি কৰে। অৱৰোধকাৰীয়ে কথাটো বুজিব পাৰি সুৰঙ্গৰ মুখ আৰু কাষ বন্ধ কৰি দিয়ে। সেই ধোঁৱা ওলাবলৈ বাট নাপাই আকৌ অহাফালে গতি কৰে। তেতিয়া অৱৰুদ্ধ দুৰ্গ-

বাসীৰ নিজে তৈয়াৰ কৰা ধোঁৱাও উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হয় যেয়ে নহওক তেওঁলোকে কলহে কলহে পানী ঢালি জুই নুমাই পেলায় আৰু আক্ৰমণকাৰীক খেদি দিয়ে। আৰু এদিন এদল দক্ষ যোদ্ধা বিজুলী গতিৰে দুৰ্গৰপৰা ওলাই আহি এদল শত্ৰুসৈন্যৰ ওপৰত জপিয়াই পৰি পলাবলৈ বাধ্য কৰে।

উত্তৰ ফালে য'ত মিৰ্জা নিজে উপস্থিত আছিল তাৰ পৰা অনবৰত দুৰ্গৰ ফালে গোলাবৰ্ষণ চলিছিল। গুলিৰ খুন্দাত দুৰ্গৰ এটা অংশ চুঁড়াৰ সৈতে ঠিক ৰাতিৰ নামাজৰ সময়ত ভাগি পৰে। এদল উৎসাহী সেনাই তেতিয়াই পোনে পোনে দুৰ্গ আক্ৰমণ কৰিবৰ কাৰণে মিৰ্জাৰ অনুমতি বিচাৰে। কিন্তু ৰাতিৰ ঘোৰ অন্ধকাৰত আক্ৰমণ কৰা উচিত নহ'ব বুলি মিৰ্জাই সিহঁতক অনুমতি নিদিলে। ৰাতিপুৱাৰ আগতে দুৰ্গৰ ভগা অংশ মেৰামতি হৈ যোৱা দেখা পাই পোনে পোনে আক্ৰমণ কৰাৰ সুযোগ নহ'ল। দুই-আঢ়ৈ মাহ দুৰ্গ অধিকাৰৰ কাৰণে সুৰঙ্গ খন্দা, দুৰ্গৰ বেৰা বগোৱাৰ চেষ্টা, গোলাবৰ্ষণ কৰাৰ বাহিৰে আৰু একোৱেই নহ'ল।

চুলতান হুচেন মিৰ্জাই যেতিয়া বুজিলে যে দুৰ্গ জয়ৰ আশা মিছা আহিছে আৰু সোনকালেই বৰষুণ আৰম্ভ হ'ব বুলি সেনাবাহিনীৰো মন ভাগি পৰিছে, তেতিয়া তেওঁ শান্তি স্থাপনৰ এটা প্ৰস্তাৱ কৰিলে। এই প্ৰস্তাৱৰ কথা শুনি মহম্মদ বিৰলাছ দুৰ্গৰ পৰা ওলাই আহি অবৰোধকাৰীসকলৰ পক্ষৰ কেইজনমান মুখীয়াল চৰ্দাৰক লগ ধৰিলে। চুক্তি হ'ল—চুলতান মাছুদ মিৰ্জাৰ বৰ জীয়েকৰ লগত চুলতান হুচেন মিৰ্জাৰ পুতেকৰ বিয়া পাতি শান্তি আনিব লাগিব। অলপ সময়ৰ ভিতৰতে যিমানখিনি সম্ভৱ গায়ন-বায়ন গোটাই লৈ বিয়া পতা হ'ল। বিয়াৰ পাচত চুলতান হিচাৰৰপৰা উত্তৰ কুন্দেজৰ ফাললৈ গ'ল।

এই ৰমজান মাহতে চমৰখণ্ডত তাৰখানবিলাকৰ বিদ্ৰোহ আৰম্ভ হয়। বাইচনঘৰ মিৰ্জাৰ ব্যৱহাৰৰ কাৰণেই তাৰখানবিলাক অসন্তুষ্ট হৈ উঠে

তেওঁৰ হলিগলি বেছি আছিল হিচাবৰ চৰ্দ্দাৰ আৰু সৈন্যবিলাকৰ লগত। চমৰখণ্ডৰ চৰ্দ্দাৰ আৰু সেনাৰ ওপৰত তেওঁৰ আস্থা আছিল বৰ কম। ছেখ আবদুল্লা আছিল এজন সম্ভ্ৰান্ত চৰ্দ্দাৰ আৰু প্ৰধান মন্ত্ৰী। তেওঁৰ ল'ৰাবিলাকৰ লগত মিৰ্জাৰ এনে ভাব আৰু ঘনিষ্ঠতা আছিল যে দেখিলে মনত ভাব হয় এওঁলোক প্ৰণয়াসক্ত ডেকা-গাভৰু। এই কথাত তাৰখানৰ সম্ভ্ৰান্ত আমীৰ আৰু চৰ্দ্দাৰসকল অতি অসন্তুষ্ট হয়। তেওঁলোকে চুলতান আলি মিৰ্জাক ৰজা বুলি ঘোষণা কৰে। বাইচনঘৰ মিৰ্জাক বন্দী কৰিবৰ কাৰণে তেওঁলোক চমৰখণ্ডলৈ আগ বাঢ়ে। তেওঁ তেতিয়া আছিল চমৰখণ্ডৰ নতুন উদ্যান গৃহত। তাত তেওঁলোকে কৌশলেৰে তেওঁক বন্দী কৰি লগুৱা আৰু দেহৰক্ষীসকলৰ পহৰাৰপৰা আঁতৰাই আনি দুৰ্গৰ ভিতৰলৈ লৈ আহে। বাইচনঘৰ মিৰ্জা আৰু চুলতান আলি মিৰ্জাক একে ঠাইতে ৰখা হয়।

আবেলিৰ নামাজৰ সময়ত বিদ্ৰোহীবিলাকে আলোচনা কৰি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে যে বাইচনঘৰ মিৰ্জাক গকছৰাইলৈ পঠাব লাগিব। বাইচনঘৰ মিৰ্জাই ঘটনা কি হব ধৰিছে উমান পাই একে দৌৰে কাৰেওৰ লগালগি ঢুলনিৰ উত্তৰ-পূব ফালৰ এটা কোঠালৈ যায়। তাৰখানসকল দুৱাৰৰ বাহিৰত ৰৈ থাকে। এই কোঠাৰ পিচফালে এখন দুৱাৰ আছিল—যি থনেদি বাহিৰলৈ যাব পাৰি। দুৱাৰখন জাপ জাপ ইটা সজাই বন্ধ কৰা হৈছিল। ডেকা ৰজাই কেই-চলামান ইটা আঁতৰাই বাহিৰলৈ ওলোৱা বাট কৰি লয় আৰু সেই ফুটাইদি বাহিৰলৈ ওলাই আহে। তাৰপিচত গড়খাৱৈৰ ওপৰৰ সাঁকোৰেদি পাৰ হৈ আহি দুৰ্গৰ দেৱালৰ ওপৰত কেনেবাকৈ উঠি জপিয়াই বাহিৰত পৰেহি আৰু কোনো ৰকমে দৌৰি দৌৰি খাজে থাঁৰ ঘৰ পায়হি। যি সকল দুৱাৰৰ বাহিৰত ৰৈ আছিল তেওঁলোকে অলপ সময়ৰ পিচত ঘৰত প্ৰবেশ কৰি দেখে যে মিৰ্জা পলাইছে।

যেতিয়া বিদ্ৰোহীবিলাকৰ নেতা তাৰখানক ধৰি লৈ অহা হয় তেতিয়া বাইচনঘৰ মিৰ্জা আছিল আমেদ হাজিৰ ঘৰত। তেওঁক দুই-এটা প্ৰশ্ন কৰা

হয়—যি বিলাকৰ কোনো ভাল উত্তৰ তেওঁ দিব নোৱাৰিলে। যি কাম
তেওঁ লিপ্ত হৈছিল সেইটো স্বীকাৰ কৰিব পৰা বিধৰ কথা নহয়। তেওঁ
মৃত্যুদণ্ডৰ আদেশ দিয়া হ'ল। শাস্তিৰ কথা শুনি তেওঁৰ মনোবল একেবাৰে
ভাগি যায়। প্ৰাণৰ ভয়ত তেওঁ এটা খুটা সাবটি ধৰিলেগৈ। কিন্তু তা
পৰা একো ফল নধৰিল। তেওঁ প্ৰাণদণ্ড লবই লগা হ'ল।

চুলতান আলি মিৰ্জাক গকছৰাইলৈ নিয়াৰ আদেশ দিয়া হ'ল। তা
তেওঁৰ চকু দুটা জ্বলন্ত শলাৰে বিন্ধোৱা হ'ব। তাইমুৰে যি কেইটা কাবে
তৈয়াৰ কৰিছিল তাৰ ভিতৰত গকছৰাইও এটা। ই চমৰখণ্ডৰ দুৰ্গ-নগৰী
ভিতৰতে অৱস্থিত। এই কাবেঙৰ বিশেষত্ব হ'ল—তাইমুৰ বংশৰ কোনো
ৰজা হ'লে এই কাবেঙতে তেওঁৰ অভিষেক হয়; আৰু যি জন ৰাজ্যলাভত
বিফল হৈ মৃত্যুদণ্ডত দণ্ডিত হয় তেৰো এই প্ৰাসাদতে সেই দণ্ড ল'ব লগা হয়।
সেইকাৰণে কাৰো বুজিবলৈ বাকী নাথাকিল যে চুলতান আলিক কিয় এই
প্ৰাসাদলৈ পঠোৱা হৈছে। অৰ্থাৎ তেওঁৰ প্ৰাণদণ্ডৰ আদেশ দিয়া হৈছে।

চুলতান আলিক গকছৰাইলৈ অনা হ'ল আৰু তেওঁৰ চকুও শলাৰে
বিন্ধোৱা হ'ল। কিন্তু শলামৰা কেইজনৰ নিপুণতাৰ অভাৱতেই হওক বা
ইচ্ছাকৃতেই হওক তেওঁৰ চকুৰ একো ক্ষতি নহ'ল। কথাটো কিন্তু তেওঁ প্ৰকাশ
নকৰিলে। কোনো প্ৰকাৰে তেওঁ খাজা ইয়াহিয়াৰ ঘৰলৈ পলাই আহিল।
তাৰ পৰা পলাই গ'ল বোখাৰাৰ তাৰখানবিলাকৰ ওচৰলৈ। তেতিয়াৰপৰ
মাননীয় খাজা ওবেদুল্লাৰ দুই পুতেকৰ মাজত কাজিয়া আৰম্ভ হ'ল। তেওঁ
বৰপুতেক হ'ল ককায়েক বাইচনঘৰ মিৰ্জাৰ ধৰ্মগুৰু আৰু সৰুপুতেক হ'ল
ভায়েক চুলতান আলিৰ ধৰ্মগুৰু। কিছুদিনৰ পিচত খাজা ইয়াহিয়া
বোখাৰালৈ গুচি আহিল।

বাইচনঘৰ মিৰ্জাই এদল সৈন্য গঠন কৰি চুলতান আলিৰ লগত যুদ্ধ
কৰিবলৈ বোখাৰাৰ ফালে আগবাঢ়িল। শাওৱাল মহত এই বাতৰি আন্দেজানত
মই পাওঁ। মই তেতিয়া সৈন্য লৈ চমৰখণ্ড অধিকাৰ কৰিবৰ কাৰণে ওলাই

াহোঁ। চুলতান হুচেন মিৰ্জা হিছাৰৰপৰা আঁতৰি অহাৰ পিচত আৰু কোনো াপদ নাই বুলি চুলতান মাচুদ আৰু খছৰু চাহৰ মনত চমৰখণ্ড আক্ৰমণ ৰাৰ ইচ্ছা জাগি উঠিল। চমৰখণ্ড অধিকাৰ কৰিবৰ কাৰণে চুলতান মাচুদ াগুৱাই গ'ল। খচৰু চাহে ভায়েক বালিক পঠিয়ালে চুলতান মাচুদৰ লগত। তিনি-চাৰিমাহ ধৰি তিনি কালৰপৰা চমৰখণ্ড আক্ৰান্ত হৈছিল। এই সময়তে লতান আলিৰ হৈ খাজা ইয়াহিয়াৰ মোৰ ওচৰত উপস্থিত হ'লহি। তেওঁৰ প্ৰস্তাব আছিল মোৰ আৰু চুলতান আলিৰ মাজত যেন সহযোগিতা াপিত হয়। প্ৰস্তাব তেওঁ এনে ধুনীয়াকৈ আগবঢ়ালে যে চুলতান আলিৰ াগত মোৰ দেখা-সাক্ষাৎ কৰাৰ কোনো বাধা নাথাকিল। মই তেতিয়া সৈন্য-ামন্ত লৈ চমৰখণ্ডৰ ফালে ১৪ মাইল আগবাঢ়োঁ। চুলতান আলীয়েও বিপৰীত ফালৰপৰা সৈন্য লৈ মোৰ লগত দেখা কৰিবৰ কাৰণে এইফালেই আগবাঢ়ি আহে। আমি পৰস্পৰে চাৰি-পাঁচজন অনুচৰ লৈ লগ হওঁ। কোহিক নদীৰ পাৰত আমাৰ সাক্ষাৎ হয়। ঘোঁৰাৰ পিঠিত বহিয়েই আমাৰ আলোচনা চলে। আলোচনা শেষ কৰাৰ পিচত জাৰকালি আগতপ্ৰায় দেখি আৰু মৰখণ্ডত খোৱা বস্তুৰ অভাৱ হ'ব বুলি বিবেচনা কৰি মই আন্দেজানলৈ ুলটো আৰু চুলতান আলি বোখাৰালৈ যায়গৈ।

(৫)

১৪৯৬ খ্ৰীষ্টাব্দৰ ঘটনাৱলী

চুলতান আলিৰ লগত আলাপ-আলোচনাত ঠিক হয় যে গ্ৰীষ্মকালত তেওঁ বাখাৰাৰ পৰা আগবাঢ়ি আহিব আৰু মই যাম আন্দেজানৰ পৰা চমৰখণ্ড অৱৰোধ কৰিবৰ কাৰণে। এই চুক্তিমতে মই ৰমজান মাহত ঘোঁৰাৰ পিঠিত উঠিলোঁ। দুই-তিনিশ সেনাক খুব লৰালৰিকৈ আগবাঢ়ি যাবলৈ হুকুম দিলোঁ। আমাৰ অভিযানৰ খবৰ পাই ৰণভঙ্গ দি বাইচনঘৰ মিৰ্জা পলাই যায়।

সেই ৰাতিয়েই মোৰ ৰণুৱাই তেওঁৰ সেনাবাহিনীৰ পিচভাগ আক্ৰমণ কৰে। কাঁড় মাৰি বহুতক সিহঁতে হত্যা কৰে, বহুতক বন্দী কৰে আৰু তেওঁবিলাক বয়বস্তু লুট কৰে। দুদিনৰ ভিতৰত ছিৰাজ দুৰ্গত মই উপস্থিত হোৱাত দুৰ্গ অধিনায়কে মোৰ হাতত দুৰ্গ সমৰ্পণ কৰে। পিচদিনা পুৱা ঈদৰ নামাজ পা: কৰি চমৰখণ্ডৰ পিনে আগুৱাই যাওঁ। সেইদিনাই তিনি-চাৰিশ মানুহ মো: ওচৰলৈ আহে আৰু মোৰ কামত যোগ দিয়ে। তেওঁবিলাকে কয় যে যেতিয় বাইচনঘৰ মিৰ্জা পলাই যাবলৈ সাজু হয় তেতিয়াই তেওঁবিলাকে তেওঁৰ পক্ষ ত্যাগ কৰে আৰু দেশৰ ৰজা অৰ্থাৎ মোৰ অধীনত কাম কৰিবলৈ ইয়ালৈ গু: আহিছে। পিচত অৱশ্যে মই জানিব পাৰিছিলোঁ যে বাইচনঘৰ মিৰ্জাৰ ওচৰ: পৰা আঁতৰি অহাৰ সময়ত সিহঁতে ছিৰাজ দুৰ্গ ৰক্ষাৰ ভাৰ লৈয়েই আহিছিল। কিন্তু সেইখিনি পাই দুৰ্গৰ অৱস্থা যি হৈছিল তাক দেখি মোৰ লগত যো: দিয়াৰ বাহিৰে সিহঁতৰ আৰু গত্যন্তৰ নাছিল।

মই কাৰাবুলাকলৈ জিৰণি ল'বৰ কাৰণে অহাৰ সময়ত বহুত মোগল: বন্দী কৰি মোৰ ওচৰলৈ লৈ অহা হয়। সিহঁতে যিবিলাক গাৱঁৰ মাজে আহিছিল তাৰ গাওঁবাসীৰ ওপৰত অৱশ্যে অত্যাচাৰ কৰিছিল। কা: বেগৰ হুকুম মতে সিহঁতৰ ভিতৰত কেইটামানক কাটি টুকুৰা-টুকুৰ কৰা হয়- যাতে ভয়ত আৰু কোনেও ভৱিষ্যতে এনে কাম নকৰে। চাৰি-পাঁচ বছ: পিচত মোৰ বিপদৰ সময়ত যেতিয়া মাছিহাতৰ খাঁৰ ওচৰলৈ যাওঁ তেতি: কাচিম বেগে তেওঁৰ এই কাৰ্য্যৰ প্ৰতিক্ৰিয়াৰ ভয়ত মোৰ পৰা আঁতৰত থক: ভাল বুলি ভাবিছিল।

কাৰাবুলাকৰ পৰা আগবাঢ়ি নদী পাৰ হৈ ইয়ামৰ ওচৰত জিৰণি ল: সেই সময়ত মোৰ কেইজনমান প্ৰধান বেগে বাইচনঘৰ মিৰ্জাৰ কিছুমান সৈন: নগৰৰ প্ৰমোদ ক্ষেত্ৰত আক্ৰমণ কৰে। এই খণ্ড যুদ্ধত চুলতান আমেদ তাম: ডিঙিত যাঁঠিৰ খোচ খাই আহত হয়। কিন্তু তেওঁ ঘোঁৰাৰপৰা পৰি যো: নাছিল। খাজা কিলানৰ ককায়েক প্ৰধান কাজি খাজেবাদ মোল্লাও ডিঙি:

াড় লাগি আহত হয় আৰু মৃত্যু বৰণ কৰে। তেওঁ অশেষ গুণসম্পন্ন আৰু চুশিক্ষিত লোক আছিল। ভাষাৰ ওপৰত তেওঁৰ খুব দক্ষতা আছিল। কাৰী চৰাই পোহা তেওঁৰ খেমালী আছিল, সঙ্গীততো তেওঁ দক্ষ আছিল। াৰ পিতাই তেওঁক সন্মান কৰি চলিছিল। তেওঁৰ ওপৰত চিল-মোহৰ াৰ ভাৰ আছিল। যেতিয়া আমি ইয়াম নগৰৰ উপকণ্ঠ পাওঁগৈ তেতিয়া দল বেপাৰী আৰু প্ৰজাই নগৰৰপৰা ওলাই শিবিৰৰ হাটত বেচা-কিনা ৰম্ভ কৰে। এদিন আবেলিৰ নামাজৰ পিচত এটা হুলস্থুল হয় আৰু সেই সমানবিলাকৰ বস্তু-বাহানি লুট হয়। মই আদেশ দিওঁ যে, যাৰ যাৰ বস্তু পাটত হেৰাইছে পিচদিনা পুৱাৰ ভিতৰতে তেওঁবিলাকক সেইবিলাক ঘূৰাই ব লাগিব। মোৰ সৈন্যবিলাকৰ এনেকুৱা শৃঙ্খলাবোধ আছিল যে ৰাতিপুৱাৰ ল লগে সকলোখিনি ভকা দি অনা মাল গিৰিহঁতক ঘূৰাই দিয়া,হয় - নকি এটুকুৰা সূতা বা এটা বেজীও বাদ নগ'ল।

সেই ঠাইৰপৰা আগুৱাই আহি ইউবেটখানত ৰওঁ। চমৰখণ্ডৰপৰা ছমাইল ত এই ঠাই। ইয়াত মই চল্লিশ-পঞ্চাশ দিনমান আছিলোঁ। এই সময়ত নগৰ-ানত মোৰ মানুহবিলাক আৰু নগৰবাসীৰ মাজত কেইবাবাৰো যুদ্ধ হয়। যুদ্ধত এদিন ইব্ৰাহিম বেগ চিকৰ মুখত তৰোৱালৰ আঘাত লাগে। পিচৰপৰা তেওঁৰ নাম হয় মুখ কটা ইব্ৰাহিম। আৰু এদিন খিয়াবানত দলডৰ ওপৰত আবুল কাচিমে খুব কিতাহি দেখুৱাই লাঠি লৈ যুদ্ধ চল। আন এদিনৰ যুদ্ধত মিৰ ছাহে লাঠি চলোৱাত খুব কৃতিত্ব াই ছল। কিন্তু তৰোৱালৰ কোব তেওঁৰ ডিঙিত এনেধৰণে পৰে যে ৰ আধা ফাক হৈ যায়। কিন্তু কপালৰ জোৰত ডিঙিৰ শিৰবিলাক ছিগা ল।

আমি ইউবেটখানত থকা সময়ত নগৰৰ অধিবাসীসকলে চল কৰি এজন াক গুপুতভাৱে আমাৰ ওচৰলৈ পঠায়। সি কয়হি যে যদি আমি ৰাতি ক গুহাৰ কাষলৈ আহো তেনেহলে চহৰ আমাৰ হাতত শোধাই দিয়া

৩

ৰ'ব। এই কথামতে আমি ঘোঁৰাত উঠি যোথাক নৈৰ দলতৰ ওপৰ আগবাঢ়োঁইক আৰু তাৰপৰা কেইজনমান বছা বছা অশ্বাৰোহী আৰু পদাতি সেনাক নিৰ্দ্দিষ্ট ঠাইলৈ পঠিয়াই দিওঁ। আমাৰ বণুৱা কেইজনে চহৰবা বিশ্বাসঘাতকতা বুজি পোৱাৰ আগতে চাৰি-পাঁচজন সৈন্যক সিঁহতে ধৰি হত্যা কৰে।

যিমান দিন আমি এই ঠাইত আছিলোঁ চমৰখণ্ডৰ নাগৰিক আৰু ব্যৱসা সকল আমাৰ বাহৰৰ ওচৰত গোট খাইছিল, দেখিলে ঠাইডোখৰে এখন চ ৰূপ লোৱা যেন লাগে। নগৰৰ বজাৰত যিবিলাক বস্তু পোৱা যায় সকা বিলাকেই বাহৰৰ ঠাইতে কিনিব পাৰি। অলপ দিনৰ ভিতৰতে প্ৰ তেওঁবিলাকৰ গোটেই দেশ, দুৰ্গ, পাহাৰ, তৈয়াৰ সকলোখিনিয়েই ে সমৰ্পণ কৰিছিল। কিন্তু চমৰখণ্ড চহৰৰ অধিকাৰ তেওঁবিলাকে এৰি নাছিল।

এবাৰ সেনাই উৰগাট দুৰ্গ সুৰক্ষিত কৰিছে বুলি বাতৰি পাই মই ইউৰে পৰা বাহৰ তুলি নি সেই দুৰ্গ জয় কৰিবৰ কাৰণে বাহিৰ হওঁ। এই দুৰ্গ ক কৰাটো অসম্ভৱ যেন দেখি তেওঁবিলাকে খাজা কাজিৰ মধ্যস্থতাত মোৰ হা দুৰ্গ সমৰ্পণ কৰে. তেওঁবিলাকে বশ্যতা স্বীকাৰ কৰাৰ পিচত মই আ চমৰখণ্ড জয় কৰিবৰ কাৰণে সেইফালে ঘূৰি যাওঁ।

এই বছৰতে চুলতান হুছেইন আৰু বদিয়া-এজ-জামানৰ মাজত যি কা ইমানদিনে লুকাই আছিল সি খোলা-খুলি সঙ্ঘৰ্ষৰ ৰূপ লয়।

চুলতান হুছেইন একাষৰ পৰা আৰু বদিয়া-এজ জামানে আন একাষ আগুৱাই আহিল। দুই পক্ষৰ সৈন্য বাল্‌খ্‌ৰ উপত্যকাত ভেটাভেটি হ প্ৰথম ৰমজানৰ দিনা বুধবাৰে আবুল হাচান আৰু চুলতান হুছেইনৰ কেইজ বেগে সৈন্য লৈ লুট কৰিবৰ উদ্দেশ্যে বিজুলী গতিৰে আগবাঢ়ি গৈ বদিয়া জামানৰ সৈন্য নিপাত কৰে। এইখন ঠিক ন্যায় যুদ্ধ বুলি ক'ব নোৱাৰি সিঁহতে কেইজনমান ডেকা অশ্বাৰোহী সৈন্য বন্দী কৰি আনে। চু

নে তেওঁবিলাকৰ প্ৰত্যেকৰে মূৰ কাটিবলৈ আদেশ দিয়ে। এইটো তেওঁৰ
ত নৃশংসতাৰ উদাহৰণ নহয়। প্ৰতিবাৰে যেতিয়াই তেওঁৰ কোনো
বদ্ৰোহী হৈছিল আৰু পিচত পৰাজিত হয়, যিবিলাক তেওঁৰ বিদ্ৰোহী
ৰ সহায়কাৰী অনুচৰ ধৰা পৰিছিল —সিইঁতৰ শিৰশ্চেদৰ আদেশ দিছিল।
তেওঁ এনে আদেশ দিছিল ? ন্যায় কিন্তু তেওঁৰ ফালেই। এই মিৰ্জাসকল
ৰ্য্যা আৰু ইন্দ্ৰিয়পৰায়ণতাত এনেদৰে বুৰ গৈ থাকে যে তেওঁবিলাকৰ
. যি জ্ঞানী আৰু অভিজ্ঞ বজা আছিল, তেওঁৰ আগমন বাতৰি পায়ো
: সম্মান নজনাই আৰু সৰ্ব্বশক্তিমান ভগৱানৰ ভয়ত ভয় নাখাই, পবিত্ৰ
ন মাহৰ প্ৰথম শুভদিন উলাই কৰিও, তেওঁবিলাক ফটিকা পান আৰু
দ আমোদত মগ্ন হৈছিল। এইটো বুজি পোৱা উচিত যে এনে আচৰণে
বাটলৈহে নিয়ে। এইটোও ঠিক যে যিবিলাক এনে নীচ প্ৰকৃতিৰ
প্ৰথম আঘাততেই ধৰাশায়ী হয়।

দিয়া-এজ-জামান কেইবছৰমান আস্তেৰাবাদৰ শাসনকৰ্ত্তা আছিল। এই
তেওঁৰ ডেকা অশ্বাৰোহী সেনাবিলাকে বৰ জাকজমক পোচাক
ছিল। তেওঁৰ অস্ত্ৰ-শস্ত্ৰও বিপুল আছিল। তেওঁৰ সেনাবিলাকে
ছিল সোণ-ৰূপেৰে বন কৰা পোচাক। তেওঁৰ সাজ সৰঞ্জামবিলাকো
বহুমূলীয়া আৰু ঘোঁৰাও আছিল অসংখ্য। এই সকলোবিলাকেই
বায়ুত লীন গ'ল। পৰ্ব্বতীয়া আলিয়েদি পলাই যাওঁতে যাওঁতে এটা
খি: পৰ্বত উপস্থিত হয়গৈ আৰু অতি কষ্টেৰে সেই পথ অতিক্ৰম কৰে।
য়ত তেওঁৰ বহুত অনুচৰৰ মৃত্যু হয়।

 পৰাজয়ৰ পিচত বদিয়া-এজ-জামান বৰ বিপদত পৰে। তেওঁৰ ধন
শক্তিৰ একোৱেই বাকী নাথাকিল। তেওঁৰ লগত শেহলৈকে থকা
মান বিশ্বাসী অশ্বাৰোহী আৰু পদাতিক সৈন্যক লগত লৈ তেওঁ
চাহৰ ওচৰত উপস্থিত হয়গৈ। খছৰু চাহে তেওঁক সাদৰ অভ্যৰ্থনা
আৰু যিখিনি তেওঁৰ কাৰণে কৰা আৱশ্যক তাকে কৰিলে। তেওঁৰ

জাকজমকপ্ৰিয়তা এনেকুৱা আছিল যে তেওঁৰ লগত যিবিলাক ঘোঁৰা, উট, আৰু নানা ধৰণৰ অস্ত্ৰ-শস্ত্ৰ আহিছিল সেইবিলাক দেখি সকলো স্বীকাৰ কৰিছিল যে তেওঁৰ সুদিনত যেনেকুৱা জাকজমক আছিল দুৰ্দ্দিনতো তাৰ লৰচৰ হোৱা নাই। মাত্ৰ যিবিলাক সোণ-ৰূপেৰে মেৰি আছিল সেইবিলাকহে আৰু দেখিবলৈ পোৱা নগৈছিল।

(৬)

১৪৯৭ খৃষ্টাব্দৰ ঘটনাৱলী

কুলবৰ ভৈয়ামত এখন বাগিছাৰ পিচফালে আমি ছাউনী পাতি এই সময়ত চমৰখণ্ডৰ সৈন্য আৰু নাগৰিক দলে দলে নগৰৰপৰা বাহি ওলাই আমাৰ ওপৰত জপিয়াই পৰিবলৈ ধৰিলে। আমাৰ মানুহবি বিপদৰ আশঙ্কা নকৰি অসতৰ্ক অৱস্থাত থকাত আত্মৰক্ষাৰ কাৰণে হোৱাৰ আগতেই শত্ৰুপক্ষই চুলতান আলিক ঘোঁৰাৰপৰা নামিবলৈ বাধ্য বন্দী কৰি নগৰলৈ লৈ যায়।

কেইদিনমানৰ পাচত আমি সেই ঠাইৰপৰা আঁতৰি আহি কোহিক প... ছাউনী পাতোঁ। সেইদিনাই ছৈয়দ ইউচুফ বেগ চমৰখণ্ডৰপৰা গুচি বাহিৰত মোক দেখা কৰে আৰু মোৰ তলত কাৰ্য্যভাৰ লয়। আমি এ... পৰা আন ঠাইলৈ আঁতৰি যোৱা দেখি চমৰখণ্ডবাসীয়ে ভাবিছিল আমি পলাইছোঁ। তেওঁবিলাকে সসৈন্যে নগৰৰপৰা ওলাই মিৰ্জাৰ দল... আগুৱাই আহে। মই মোৰ গোটেই অশ্বাৰোহী সৈন্যক যুদ্ধৰ কাৰণে... লৈ শত্ৰুপক্ষৰ সৈন্যবেহুৰ দুফালে আক্ৰমণ কৰিবলৈ আদেশ দিওঁ। ভগ... মুৰ দাঙি চালে। শত্ৰু পৰাজিত হ'ল। বহুত শত্ৰু সৈন্য আৰু দু... লোকক ঘোঁৰাৰপৰা নমাই বন্দী কৰা হ'ল। তেওঁবিলাকৰ ভিতৰত...

কিন্ আৰু হাফেজ দিলদাই আছিল। হাফেজ দিলদাই তৰোৱালৰ াতত আহত হয়। তেওঁৰ হাতৰ মধ্যমা আঙুলি কটা যায়। মহম্মদ চয় নাবিৰাকো বন্দী কৰা হয়। আৰু বহুত কৰ্মচাৰী আৰু বিশিষ্ট পতি সকলকো বন্দী কৰি অনা হয়। তল খাপৰ নাগৰিকসকলৰ ৰত দেৱানা নামেৰে এজন তাঁতি আৰু এজনক—যাৰ ডাক নাম আছিল াচুক—বন্দী কৰা হয়। সিহঁত নানা গণ্ডগোল লগোৱা, মাৰপিট কৰা শিলগুটি দলিওৱা কামৰ প্ৰধান পাণ্ডা আছিল। মোৰ পদাতিক সৈন্য কক বিশ্বাসঘাতকতা কৰি 'প্ৰেমিক গুহাত' হত্যা কৰাৰ প্ৰতিশোধস্বৰূপে ক শাৰীৰিক যন্ত্ৰনা দি মৰাৰ আদেশ দিয়া হয়।

চমৰখণ্ডবাসীৰ এইবাৰ নিশ্চিত পৰাজয় হ'ল। ইয়াৰ পিচত আৰু তেওঁ-কে নগৰৰ বাহিৰলৈ আহি আক্ৰমণ কৰা নাই। অৱস্থা এনেকুৱা হৈছিল যে মোৰ সৈন্যবিলাক নগৰৰ গড়খাৰৈৰ ওচৰলৈকে আগবাঢ়ি গৈছিল আৰু -প্ৰাচীৰৰ কাষৰ পৰাই বহুত মতা আৰু মাইকী ক্ৰীতদাস ধৰি লৈ ছিল।

বেলিৰ তাপ তেতিয়া কমি আহিছে। জাৰো লাহে লাহে সহিব নোৱাৰা আহিছে। মই মুখিয়াল লোকসকলক লৈ আলোচনা কৰিলোঁ। স্থিৰ —চমৰখণ্ডৰ অধিবাসীসকল যেতিয়া অতি দুৰৱস্থাত পৰিছে আৰু ভগৱানৰ যেতিয়া সোনকালেই এই নগৰ অধিকাৰ কৰিব পাৰিম, তেনেস্থলত এই া ঠাইত ভীষণ জাৰত অসুবিধা ভোগ নকৰি ইয়াৰ বাহৰ তুলি নি ওচৰৰ না দুৰ্গত জাৰকালিৰ ছাউনী তৰা হওক। তাৰপৰা পিচুৱাই যোৱাৰ জন হ'লে কোনো ধৰণৰ বিশৃঙ্খলা সৃষ্টি হোৱাৰ আগতে তাক কৰিব হ'ব। আমাৰ উদ্দেশ্য সাধনৰ কাৰণে খাজা দিদাৰ দুৰ্গহে উপযুক্ত যেন ল। বাহৰ উঠাই নি খাজা দিদাৰ দুৰ্গৰ সমতলভূমিত আমি অপেক্ষা লৈ ধৰিলোঁ।

াইচনঘৰ মিৰ্জাই সাতমাহ অৱৰুদ্ধ হৈ থকাৰ পিচতো মনতে ভাবিছিল

যে তেওঁ দুৰৱস্থাৰপৰা উদ্ধাৰ পাব। কিন্তু উপায়ন্তৰ হৈ হতাশভাৱত তিনি শ ভোকাতুৰ আৰু প্ৰায় নগ্ন দুৰ্ভগীয়া লগৰীয়া লৈ খছৰু চাহৰ আ কাৰণে দুৰ্গ এৰি গুচি গ'ল।

বাইচনঘৰ মিৰ্জা চমৰখণ্ডৰপৰা পলোৱা বাতৰি মোৰ ওচৰ পাওঁতে নহ'ল। মই তৎক্ষণাৎ চমৰখণ্ড দখল কৰিবৰ কাৰণে বাহিৰ হ'লোঁ। চমৰখণ্ডৰ প্ৰধান প্ৰধান নাগৰিক আৰু বেগমসকলৰ লগত আমাৰ দেখা তেওঁলোকৰ পিচত আছিল ডেকা অশ্বাৰোহী সৈন্য। তেওঁলোক সকলে মোক অভ্যৰ্থনা জনাই নিবলৈ আগবাঢ়ি আহিছিল। নগৰ দুৰ্গৰ কা বোস্তান চৰাইত আমি ঘোঁৰাৰপৰা নামোঁ। ভগবানৰ করুণাত ব আউল মাহৰ শেহত চমৰখণ্ড নগৰ আৰু গোটেই দেশ মোৰ সম্পূৰ্ণ দ আহে।

জনবসতিপূৰ্ণ পৃথিবীত যিমান নগৰ আছে চমৰখণ্ডৰ নিচিনা কোনো নহয়—থাকিলেও বৰ সৰহ নহয়। দুৰ্গৰ চাৰিওফালে যি দেৱাল আছে দীঘ জুখি উলিয়াবলৈ আদেশ দিলোঁ। দেখা গ'ল ইয়াৰ দীঘ পাঁচ মাইল

চমৰখণ্ড আৰু ইয়াৰ আশে-পাশে বহুত কাৰেং আৰু বাগিছা সেইবিলাক তাইমুৰৰ সময়ত পতা। ইয়াত 'গৰুচৰাই' নামে চাৰিতলা কাৰেং তেওঁ সজাইছিল। ইয়াৰ উপৰিও বহুত ধুনীয়া ধুনীয়া আছে। ইয়াৰ ভিতৰত এটা হ'ল লোহাদ্বাৰৰ ওচৰৰ মনোমোহা ই দুৰ্গপ্ৰাচীৰৰ ভিতৰতে শিলেৰে সজা। হিন্দুস্থানৰ পৰা শিলাকুটি এই মছজিদ তেওঁ সজায়। এই মছজিদৰ চ'ৰাৰ ওপৰ ভাগত ইমান আখৰত কোৰানৰ কেইটামান শ্লোক কটোৱায় যে দুমাইল দূৰৰ সেই লিখা পঢ়িব পৰা যায়। এই মছজিদ ঘৰটো বৰ ডাঙৰ আৰু জাকজমকীয়া। চমৰখণ্ডৰ পূবফালে দুখন বাগিছা। এখনৰ নাম আৰু ইখনৰ নাম 'মনোলোভা'। প্ৰথমখনৰ পৰা যিটো আলি ওলাই তাৰ দুয়োকাষে দেবদাৰু গছ। আৰু ইখনৰ মাজত আছে প্ৰকাণ্ড

দ্যানত তাইমুৰৰ যুদ্ধৰ দৃশ্যৰ কেইখনমান চিত্ৰ এই কাবেঙত আছে। খনক ৰুকণা নদী বুলি কোৱা হয়—তাৰ পাৰত এটা পাহাৰ। সেই গাৰতে লগা এখন বাগিছা—যাৰ নাম 'ক্ষুদ্ৰ পৃথিবী'। মই দেখোতে ই ধ্বংসৰ ৰ চাৰলগীয়া আৰু একো নাই। চমৰখণ্ডৰ দক্ষিণত আৰু এখন গিছা—নাম 'চীনাৰ বাগ'। চমৰখণ্ডৰ অলপ তলৈ দুখন উদ্যান—এখনৰ নাম বৰ' আৰু ইখনৰ নাম স্বৰ্গ'। চমৰখণ্ডৰ শিলাদুৰ্গৰপৰা ওলাই আহিলেই খা যাৰ মহাবিদ্যালয় ভবন। তাইমুৰৰ নাতি মহম্মদ চুলতান মিৰ্জাই ই মহাবিদ্যালয় স্থাপন কৰে। তাইমুৰ আৰু চমৰখণ্ডত ৰাজত্ব কৰা তেওঁৰ ন বংশধৰ সকলৰ সমাধি এই মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰতে আছে।

চমৰখণ্ডৰ দুৰ্গপ্ৰাচীৰৰ ভিতৰতে উলুগবেগে দুটা প্ৰকাণ্ড অট্টালিকা ম্মাণ কৰে—এখন হ'ল মহাবিদ্যালয় আৰু আনখন হ'ল মৌলবীসকলৰ শ্ৰয়ৰ কাৰণে এখন মঠ। মঠৰ দুৱাৰ ইমান ডাঙৰ যে ক'তো এনে দুৱাৰ খা নাযায়। মহাবিদ্যালয় আৰু মঠৰ ওচৰতে কেইটামান সুন্দৰ স্নানাগাৰ। নাৰকম পাথৰৰ ঘৰ ঘৰ কটা ছবিৰে গা ধোৱা ঘৰৰ মজিয়া ঢকা। চমৰখণ্ডৰ ৰত ইমান সুন্দৰ গা ধোৱা ঠাই আৰু নাই।

মহাবিদ্যালয় ভবনৰ দাক্ষিণত এটা মছজিদ। এই মছজিদক 'বেকা ছজিদ' বোলা হয়। কাৰণ এই মছজিদ ভাজ দিয়া তক্তাৰে সজা আৰু ত নানা কাৰুকাৰ্য্য আৰু ফুলৰ ছবি আছে। মছজিদৰ বেৰ আৰু ল একেধৰণে সজোৱা।

আৰু এটা ধুনীয়া অট্টালিকা—মান মন্দিৰ। কোহিক পাহাৰৰ সীমাত ক সজা হৈছে। ভবনটো তিনি মহলীয়া। জ্যোতিৰ্বিদ্যা চৰ্চ্চাৰ কাৰণে যন্ত্ৰ আছে। এই মান মন্দিৰত পৰীক্ষা-নিৰীক্ষা কৰি উলুগ বেগে যি জ্যোতিৰ্বিদ্যাৰ ফলি তৈয়াৰ কৰিছিল সি এতিয়াও অনুসৃত হৈ আছে। এই লি প্ৰকাশ হোৱাৰ আগতে ইলখানি জ্যোতিৰ্বিদ্যা ফলি সাধাৰণতে অনুসৰণ ৰা হৈছিল—যি ফলি হোলাকুৱে তেওঁৰ নিজৰ মান মন্দিৰত তৈয়াৰ কৰিছিল।

কোহিক পাহাৰৰ নথত পশ্চিমফালে এখন বাগিছা—নাম 'সমতল' বাগিছাৰ মাজত এটি সুন্দৰ দুমহলীয়া অট্টালিকা—নাম 'চল্লিশ স্তম্ভ' আটাইকেউটা স্তম্ভই শিলৰ। এই স্তম্ভৰ প্ৰতি অংশতে বিচিত্ৰ গঢ়ৰ শিল স্তম্ভ—কিছুমান বেকা, কিছুমান জোঙা, কিছুমান নানান গঢ়ৰ। ওপ মহলাৰ চাৰিওফালে খোলা বাৰাণ্ডা। শিলেৰে সজা স্তম্ভৰ ওপৰত এ বাৰাণ্ডা। সোঁমাজত এটা প্ৰকাণ্ড হল—সেইটোও শিলৰ, প্ৰাসাদৰ মজিয়া শিলেৰে ঢকা।

কোহিক পাহাৰৰ ফালে আৰু এখন সৰু বাগিছা; এই বাগিছা মাজতো এটা খোলা হলঘৰ। এই ঘৰত ৩০ ফুট দীঘল, ১৬ ফুট বহল আৰ ২ ফুট ওখ এখন সিংহাসন আছে। সিংহাসনখন মাত্ৰ এডটা শিলৰ। এ বিয়াগোম শিলাখণ্ড বহুত দূৰ দেশৰপৰা অনা হৈছিল। শিলৰ সিংহাসন খনৰ এঠাইত এটা ফাট আছে। শুনা যায় এইখন অনা সময়তেই এ ফাটটো আছিল। এই বাগানৰ মাজত আৰু এটা প্ৰাসাদ—যিটোৰ বেৰ চীন চীনামাটিৰে সজা। সেই কাৰণে ইয়াৰ নাম—চীন ভৱন। কথিত আছে যে চীন দেশলৈ মানুহ পঠাই চীনামাটি অনা হয়। চমৰখণ্ড দুৰ্গৰ চাৰিবেৰ মাজতে আৰু এটা পুৰণা মছজিদ আছে। ইয়াৰ নাম 'প্ৰতিধ্বনি মছজিদ' এই নামাকৰণৰ হেতু এই যে মছজিদত ভৰি দিলেই ভৰিৰ শব্দৰ প্ৰতিধ্বনি শুনা যায়। এইটো বিস্ময়কৰ কিন্তু ইয়াৰ কাৰণ কোনেও আবিষ্কাৰ কৰিব পৰা নাই।

এই বাগিছাত সুপৰিকল্পিতভাৱে সজোৱা এনেকুৱা পৃথক পৃথক মাটিখণ্ড আছে যেন সেইবিলাক এডৱাৰ পিচত এডৱাকৈ স্থাপন কৰা হৈছে। একো একো ডৱাত এল্‌ম্‌, চাইপ্ৰেছ আৰু বগা পপ্‌লাৰ গছ বেলেগ বেলেগকৈ ৰোৱা হৈছে। বাগিছাখন অতি ধুনীয়া। কিন্তু ইয়াৰ প্ৰধান দোষ হ'ল যে ইয়াৰ কাষত কোনো বোৱতী নদীৰ পানী নাই—যাতে সহজে এই উদ্যানভূমি বসাল হৈ থাকিব পাৰে।

চমৰখণ্ড অদ্ভুতধৰণে ধুনীয়া নগৰ। ইয়াৰ এটা বিশেষত্ব হ'ল—প্ৰত্যেক শস্যৰ কাৰণে বেলেগ বেলেগ বজাৰ। ইয়াৰ ফল এয়ে হৈছে যে বিভিন্ন বস্তুৰ সদাগৰবিলাকে একে ঠাইতে ভিৰ নকৰে। এই ঠাইৰ আইন-কানুন, বিধি-ব্যৱস্থা উত্তম. আলহীঘৰবিলাকো চমৎকাৰ, ৰান্ধনিবিলাকো ৰন্ধাবঢ়াত নিপুণ। পৃথিবীৰ শ্ৰেষ্ঠ কাগজ চমৰখণ্ডতে তৈয়াৰ হয়। 'জুৱাজ' নামক বিখ্যাত কাগজ কনেগিলত তৈয়াৰ হয়। 'কক্ষণা' নদীৰ পাৰত কনেগিল অবস্থিত। আৰু এটা জনাজাত বস্তু ইয়াত তৈয়াৰ হয়—বঢ়া ৰঙৰ ভেল্‌ভেট্। পৃথিবীৰ নানা দেশলৈ এই ভেল্‌ভেট্ ৰপ্তানি হয়।

চমৰখণ্ড বহু প্ৰদেশত বিভক্ত। বোখাৰা এখন ডাঙৰ প্ৰদেশ। ইয়াৰ ফল প্ৰচুৰ আৰু সোৱাদ, বিশেষকৈ তৰমুজৰ প্ৰাচুৰ্য্য আৰু সোৱাদৰ তুলনা নাই। ফাৰগানাৰ অন্তৰ্গত আখ্‌ছিত অৱশ্যে এবিধ বৰ মিঠা তৰমুজ পোৱা যায়, কিন্তু বোখাৰাত নানাবিধৰ তৰমুজ হয়—সকলোবিধেই সোৱাদ আৰু গোন্ধত মনোৰম। বোখাৰাৰ 'আলু বোখাৰা'ও প্ৰসিদ্ধ। এনেকুৱা সুন্দৰ ফল আৰু ক'তো পোৱা নাযায়। ইয়াৰ মানুহবিলাকে এই ফল বাকলি গুচাই শুকায় আৰু বেচিবৰ কাৰণে দেশে-বিদেশে চালান দিয়ে। আন দেশত পাবলৈ নোহোৱা এই ফলৰ বিক্ৰীও বৰ বেছি। জুলাপ হোৱা ঔষধ হিচাবেও এই ফল চমৎকাৰ। ইয়াৰ হাঁহ-কুকুৰাও বৰ ভাল জাতৰ। বোখাৰাত যনেকুৱা উত্তেজক আৰু বলকাৰক মদ তৈয়াৰ হয় আন কোনো ঠাইতে নহয়। যেতিয়া মই সুৰাপান উৎসৱত মত্ত থাকোঁ তেতিয়া মই বোখাৰাৰ মদেই পান কৰোঁ।

ইয়াৰ জলবায়ু চমৎকাৰ, প্ৰাকৃতিক দৃশ্য ত্ৰুটিহীন, পানীৰ উৎস প্ৰচুৰ, খাদ্যবস্তু সস্তা, যি সকলে মিচৰ বা চিৰিয়া ঘূৰি আহিছে তেওঁলোকে স্বীকাৰ কৰে যে ইয়াৰ জগত সেইবিলাক দেশৰ তুলনাই নহয়।

তাইমুৰ বেগে চমৰখণ্ড ৰাজ্যৰ ভাৰ পুতেক জাহাঙ্গীৰক দি যায়। জাহাঙ্গীৰে দিয়ে ৰৰপুতেক উলুক বেগক—যাৰ হাতৰপৰা শাসনভাৰ কাঢ়ি

খিয়ে তেওঁৰ পুত্ৰ আব্দুল লতিফে। অনিত্য সংসাৰৰ খন্তেকীয়া আনন্দৰ পিচাত মত্তলীয়া হৈ আব্দুল লতিফে তেওঁৰ জ্ঞানী আৰু বিচক্ষণ বৃদ্ধ পিতাকক হত্যা কৰে। উলুক বেগৰ মৃত্যুৰ কথা কবিতাৰ কেইটামান শাৰীত উল্লেখ আছে।

"জ্ঞান-বিজ্ঞানৰ বাৰিধি উলুগ বেগ—
এই ধৰণীৰ তুমিয়েই আছিলা প্ৰাণ।
আব্বাসে তোমাক কৰিলে শহিদ
মৃত্যুৰ মধু কৰাই তোমাক পান।"

চমৰখণ্ডৰ ৰাজসিংহাসন আৰোহণ কৰি চিৰাচৰিত প্ৰথা অনুসৰি আমীৰ-ওমৰাহসকলক মই অনুগ্ৰহ দেখুৱাওঁ, যিসকল অনুগত বেগে মোক সমৰ্থন কৰিছিল তেওঁবিলাকৰ পদমৰ্য্যাদা অনুসৰি বঁটা-বাৰ্হন দিওঁ। মোৰপৰা চুলতান তাম্বলে পদস্থ ব্যক্তিসকলতকৈ বেছি অনুগ্ৰহ আৰু বহুমূলীয়া পুৰস্কাৰ লাভ কৰে। সাতমহীয়া কঠোৰ আৰু ভাগৰাই পেলোৱা অৱৰোধৰ পিচত চমৰখণ্ড অধিকাৰ কৰোঁ। দখল কৰাৰ পিচত মোৰ সৈন্যবিলাকৰ হাতলৈ বহুত লুটি অনা বয় বস্তু আহে; চমৰখণ্ডৰ বাহিৰে এই দেশৰ অন্যান্য অংশৰ মানুহে মোৰ নহ'লে চুলতান আলিৰ লগত যোগ দিছিল। সেই কাৰণে তেওঁবিলাকক লুটৰপৰা ৰেহাই দিয়া হয়। যি জনপদ ধ্বংস হৈ গৈছে আৰু পৰাজিত হৈছে তাত অধিবাসীৰ ওপৰত হেঁচা দি কেনেকৈ কৰ আদায় কৰিব পৰা যায়? সৈন্যবিলাকে এই নগৰ একেবাৰে ধ্বংস কৰি দিছে। চমৰখণ্ড দখল কৰাৰ পিচত ইয়াৰ এনেকুৱা দুৰৱস্থা চকুত পৰিল যে তাৰ মানুহবিলাকক শস্যৰ কঠিয়া আৰু অন্যান্য বস্তু দি সহায় নকৰিলে খেতিৰ কাম আৰম্ভ নহয় আৰু এই সাহায্য খেতি নচপোৱা পৰ্য্যন্ত চলাব লাগিব। এনেকুৱা যি দেশৰ দুৰৱস্থা তাত আৰু কেনেকৈ কৰ বহুৱাই তেওঁবিলাকৰপৰা তাক আদায় কৰা সম্ভৱ হ'ব পাৰে? এনে অৱস্থাত মোৰ সৈন্যবিলাকো বৰ কষ্টত পৰিল। তেতিয়া মোৰো আৰ্থিক অৱস্থা এনেকুৱা নহয় যে সিহঁতক টকা-পইচা দি

শান্ত কৰিব পাৰোঁ। গতিকেই সিহঁতৰ ঘৰলৈ মনত পৰিল আৰু দুজন-এজনকৈ লাহে লাহে আঁতৰি পৰিবলৈ ধৰিলে। প্ৰথম দলত্যাগী লোক হ'ল—খান কুলি। সকলোবিলাক মোগলেই এজন এজনকৈ খাতৰি পৰিল। আটাইতকৈ শেহত মোক এৰি পলাল চুলতান তামবল।

এই দলত্যাগ প্ৰবৃত্তি বন্ধ কৰিবৰ কাৰণে মই খাজা কাজিক উজুন হাচানৰ ওচৰলৈ পঠাওঁ। উজুন হাচানৰ খাজা কাজিৰ প্ৰতি গভীৰ ভাল পোৱা আৰু শ্ৰদ্ধা আছিল। খাজা কাজিক অনুৰোধ কৰিছিলোঁ তেওঁ যেন উজুন হাচানক বুজাই-মেলি দলত্যাগীবিলাকৰ কেইজনমানক কঠোৰ শাস্তি দিয়াৰ আৰু সকলোকে মোৰ ওচৰলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰে। কিন্তু তেতিয়া মই জানো জানিছিলোঁ যে এই বিদ্ৰোহৰ গুৰিয়াল আৰু এই দলত্যাগৰ প্ৰৰোচনাদাতা সেই গাই পাত ফলা উজুন হাচান নিজেই। চুলতান তামবল্ গুচি যোৱাৰ পিচত সকলো দলত্যাগীয়েই দেখাদেখিকৈ আৰু লগেলগেই শত্ৰুতা আৰম্ভ কৰি দিলে।

চমৰখণ্ডৰ বিৰুদ্ধে কেইবছৰমান মই অভিযান চলাবলগীয়া হয়। এই সময়ত যদিও চুলতান মামুদে কোনো টকা-পইচা বা মানুহ দি মোক সহায় কৰা নাছিল কিন্তু যেতিয়াই চমৰখণ্ড বিজয়ত কৃতকাৰ্য্য হ'লোঁ তেওঁ আন্দেজান অধিকাৰ কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। ইফালে যেতিয়া মোৰ প্ৰায় ভাগ সৈন্য আৰু সকলো মোগলে মোক এৰি আখ্‌চি আৰু আন্দেজানলৈ ঘূৰি গ'ল, তেতিয়া উজুন হাচান আৰু তামবলে এই দুখন ঠাইৰ শাসনভাৰ জাহাঙ্গীৰ মিৰ্জাৰ হাতত দিয়বলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু তেওঁৰ হাতত শাসন-ভাৰ দিয়া উচিত বিবেচনা নকৰিলোঁ। ইয়াৰ কিছুমান কাৰণো আছে। তাৰ ভিতৰত এটা হ'ল—যদিও খাঁ চাহেবৰ ওচৰত মই কোনো প্ৰতিজ্ঞাবদ্ধ নহয় তথাপি তেওঁ আন্দেজান দাবী কৰিছে। এই দাবীৰ পিচতো যদি জাহাঙ্গীৰ মিৰ্জাৰ হাতত এই দেশ দি দিওঁ তেতিয়া খাঁ চাহেবৰ ওচৰত মই জবাব দিব লগীয়া হ'ব। আৰু এটা কাৰণ হৈছে যে, যি সময়ত অনুচৰবৰ্গই

মোক পৰিত্যাগ কৰি নিজৰ নিজৰ দেশলৈ উভতি গৈছে সেই সময়ত তেওঁ-লোকৰ পক্ষৰপৰা কোনো অনুৰোধ—ঠিক অনুৰোধ নহয়—আদেশৰ নিচিনা লাগে। এই অনুৰোধ যদি কিছুদিনৰ আগতে আহিলহেঁতেন মই আনন্দেৰে মানি ললোহেঁতেন। কিন্তু এতিয়া তেওঁবিলাকৰ আদেশৰ সুৰ কোনে সহ্য কৰিব? সকলোবিলাক মোগল—যি মোৰ লগত আহিছিল আৰু আন্দে-জানৰ সকলোবিলাক সৈনিক আনকি কেইজনমান বেগ যি মোৰ ঘনিষ্ঠ লগৰীয়া আছিল তেওঁবিলাক আন্দেজানলৈ ঘূৰি গৈছে। এহেজাৰমান লোক—তাৰ ভিতৰত ডাঙৰ-সৰু কেইজনমান বেগো আছে—তেওঁবিলাকেই মাত্ৰ চমৰখণ্ডত মোৰ লগত ৰৈ গৈছে।

যেতিয়া সিহঁতে দেখিলে যে, মই সিহঁতৰ কথা শুনা নাই সিহঁত হতাশ হৈ মোৰ দলত্যাগ কৰা সকলোবিলাক লৈ একগোট হ'ল। এই দলত্যাগী-বিলাকে যেতিয়া দোষৰ শাস্তি ভোগাৰ ভয়ত সন্ত্ৰস্ত হৈছিল সেইসময়ত সিহঁতে মোৰ বিৰুদ্ধে দলবান্ধি বিদ্ৰোহ কৰাটো ভগৱানৰ অনুগ্ৰহ বুলিয়েই ভাবিছিল। আখ্‌ছিৰপৰা সিহঁতে আন্দেজানৰ বিৰুদ্ধে অভিযান চলালে আৰু প্ৰকাশ্যে মোৰ বিৰুদ্ধে বিদ্ৰোহৰ পতাকা তুলিলে :

তুলুন খাজা মোৰ সৈন্যদলৰ ভিতৰত আটাইতকৈ দৃঢ়প্ৰতিজ্ঞ আৰু সাহসী যোদ্ধা আছিল। তেওঁ পিতাৰ বৰ প্ৰিয়পাত্ৰ আছিল। ময়ো তেওঁক খুব সম্মান কৰিছিলোঁ আৰু বেগৰ পদলৈ উন্নীত কৰিছিলোঁ। তেওঁ বৰ বিশ্বাসী আৰু অনুগ্ৰহ পোৱাৰ উপযুক্ত আছিল। তুলুন খাজা মোগলবিলাকৰো বিশ্বাসভাজন আছিল। সেইকাৰণে মোগলবিলাকে যেতিয়া দলত্যাগ কৰি গুচি যায় তেতিয়া সিহঁতক বুজাই মেলি মোৰ ওপৰত থকা ঈৰ্ষা আৰু ঘৃণা মনৰ পৰা আঁতৰাই যাতে মোৰ দললৈ আকৌ ঘূৰি আহে এই অনুৰোধ জনাবৰ কাৰণে বিশ্বাসী তুলুন খাজাক সিহঁতৰ ওচৰলৈ পঠাওঁ। তেওঁক এই কথা ক'বলৈ কওঁ যে মোৰ খং আৰু প্ৰতিহিংসাৰ মিছা ভয়ত যেন তেওঁবিলাকৰ জীৱনলৈ অশান্তি নচপায়। কিন্তু বিশ্বাসঘাতকৰ দলে সিহঁতৰ

ওপৰত ইমান প্ৰভাৱ বিস্তাৰ কৰিছিল যে কোনো অঙ্গীকাৰ বা ভয় প্ৰদৰ্শনেও তেওঁবিলাকৰ মন লৰাব নোৱাৰিলে। উজুন হাচান আৰু চুলতান তাম্বলে এদল পদাতিক সৈন্য পঠিয়াই হঠাৎ তুলুন খাজাক বন্দী কৰিলে আৰু শেহত হত্যা কৰিলে।

উজুন হাচান আৰু তাম্বলে জাহাঙ্গীৰ মিৰ্জাক লগত লৈ আন্দেজান অবৰোধ কৰিবৰ কাৰণে আগবাঢ়িল। যেতিয়া মই যুদ্ধ যাত্ৰালৈ ওলাইছিলোঁ তেতিয়া আলি দোস্ত তাঘাইৰ হাতত আন্দেজানৰ আৰু উজুন হাচানৰ হাতত আখ্‌চিৰ শাসনভাৰ দি আহিছিলোঁ। খাজা কাজি এই সময়তে আন্দেজানলৈ উলটিছে। চমৰখণ্ডৰপৰা মোৰ যিবিলাক সৈন্য ঘূৰি আহিছিল সিবিলাকৰ ভিতৰত বহুত নিপুণ যোদ্ধা আছিল। মোৰ প্ৰতি থকা অকৃত্ৰিম মৰম-চেনেহৰ কাৰণেই খাজা কাজি আন্দেজানলৈ ঘূৰি-আহিয়েই দুৰ্গ ৰক্ষাৰ কাৰণে যত্নবান হ'ল। এই সময়ত যিবিলাক দলত্যাগী সৈন্য চহৰত আছিল আৰু যিবিলাক তেতিয়া মোৰ লগত আছিল তেওঁবিলাকৰ পৰিয়ালৰ মাজত তেওঁৰ নিজা ওঠৰ হাজাৰ ভেৰা বিলাই দিয়ে। মই মোৰ আই আৰু খাজা কাজিৰপৰা পোৱা চিঠিত অবৰোধৰ বাতৰি পাওঁ। তেওঁবিলাকে লিখে যে দুৰ্গ ইমান ভীষণ ধৰণে অৱৰুদ্ধ হৈছে যে যদি মই লৰালৰিকৈ দুৰ্গ উদ্ধাৰৰ কাৰণে আগনাবাঢ়োঁ তেনেহলে ভয়ঙ্কৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব। তেওঁবিলাকে আৰু লিখে—মই আন্দেজানৰ সৈন্য লৈয়েই চমৰখণ্ড জয় কৰিছোঁ। গতিকে আন্দেজানৰ প্ৰভুত্ব যদি টিকাই ৰাখিব পাৰোঁ তেনেহলে ভগৱানৰ কৃপাত আন্দেজানৰ সৈন্য লৈয়েই আকৌ চমৰখণ্ড জয় কৰা মোৰ কাৰণে টান নহ'ব। এই দুখন গুৰুত্বপূৰ্ণ চিঠি অগাপিচাকৈ মোৰ হাতত আহি পৰে। এই সময়ত মই কঠিন ৰোগৰপৰা আৰোগ্য লাভ কৰিছোঁহে। মোৰ তেতিয়া এনে অৱস্থা নহয় যে আৰোগ্য লাভ কৰাৰ পিচৰ সেৱা-শুশ্ৰূষা নিয়মমতে পাব পাৰোঁ। এনে দুৰ্য্যোগত এই নিদাৰুণ খবৰ পাই আৰু চিন্তাত ৰোগে মোক

এনেধৰণে পুনৰ আক্ৰমণ কৰে যে চাৰিদিন মোৰ মুখৰ মাত নাইকিয়া হয়। এই সময়ত তিতা তুলা দি মোৰ জিভা মাজে মাজে তিতুৱাৰ বাহিৰে একো শুশ্ৰূষাই হোৱা নাছিল। উচ্চ আৰু নিম্নপদস্থ কৰ্ম্মচাৰী, পদাতিক আৰু অশ্বাৰোহী সৈন্য, যি সকল মোৰ কাষত আছিল—সকলোৱেই মোৰ বচাৰ আৰু আশা নেদেখি এজন এজনকৈ আঁতৰি পৰিছিল।

এই দুখলগা সময়তে উজুন হাচানৰ এজন ভৃত্য দূত হিচাপে কেইটামান ৰাজদ্ৰোহ সূচক ঘিণলগা প্ৰস্তাৱ লৈ মোৰ ওচৰলৈ আহে। মোৰ মানুহ বিলাকে ভুল কৰি মই শুই থকা ঠাইলৈ লৈ আহে। আৰু মোৰ অৱস্থা দেখাৰ পিচত ঘূৰি যাবলৈ দিয়ে। চাৰি-পাঁচ দিনৰ ভিতৰতে মই অলপ ভাল পাওঁ কিন্তু তেতিয়াও কথা কোৱাত কষ্ট হৈছিল। আৰু কেইদিন মানৰ পিচত আকৌ আইৰ চিঠি পাওঁ। তেওঁবিলাকক সহায় কৰিবৰ কাৰণে ইমান অনুনয় কৰি মোক ঘূৰি যাবলৈ লিখে যে মোৰ আৰু এক মুহূৰ্ত্তও পলম কৰিবলৈ ইচ্ছা নহ'ল। ৰজব মাহত চমৰখণ্ড এৰি মই আন্দেজানৰ ফালে আগবাঢ়োঁ। এইবাৰ মাত্ৰ এশদিন চমৰখণ্ডত ৰাজত্ব কৰোঁ। পিচৰ শনিবাৰে মই খোজেন্দ পাওঁগৈ। সেইদিনাই খবৰ পাওঁ যে সাতদিন আগতে, যি দিনা মই চমৰখণ্ড ত্যাগ কৰোঁ, সেইদিনাই আলি দোস্ত তাঘায়ে শত্ৰুৰ হাতত আন্দেজান দুৰ্গ সমৰ্পণ কৰে।

প্ৰকৃত ঘটনা আছিল এনেকুৱা—উজুন হাচানৰ যিটো ভৃত্য মোৰ অসুখৰ সময়ত আহিছিল আৰু মোৰ অৱস্থা দেখি ঘূৰি গৈছিল তাক দুৰ্গ অৱৰোধকাৰী মোৰ শত্ৰুপক্ষীয় লোকসকলে দোস্ত আলি তাঘাইৰ কাণত পেলাই এনে ধৰণে ক'বলৈ বাধ্য কৰে যে বজাৰ নৰিয়া টান, তেওঁৰ মাত-কথা বন্ধ হৈছে। তেওঁক শুশ্ৰূষা কৰা লোকৰো অভাৱ। মাত্ৰ এবিধ পনীয়া বস্তু তুলাত তিয়াই জিভা মচি দিয়াৰ বাহিৰে কোনো চিকিৎসা বা সেৱা-শুশ্ৰূষা হোৱা নাই। দোস্তআলি তাঘাই সেই সময়ত 'খাকন' বাবত থিয় হৈ আছিল। এই খবৰ শুনি তেওঁ বিভ্ৰান্ত হৈ অৱৰোধ উঠাই নি কেনেকৈ

দুৰ্গ সমৰ্পণ কৰা যায় তাৰে চৰ্ত্তবিলাক ঠিক কৰিবৰ কাৰণে শত্ৰুপক্ষৰ লগত আলোচনা আৰম্ভ কৰে। দুৰ্গৰ ভিতৰত খোৱা বস্তুৰো অভাৱ নাছিল। যুঁজাৰুৰ অভাৱো নাছিল। গতিকেই এই নীচ ব্যক্তিৰ আচৰণ বিশ্বাস-ঘাতকতা আৰু ভীৰুতাৰ চৰম পৰ্য্যায় আছিল। সি তাৰ নীচতা ঢাকিবৰ কাৰণে মোৰ শাৰীৰিক অৱস্থাৰ চেলু কামত লগাইছিল।

আন্দেজানৰ পতনৰ পিচত শত্ৰুপক্ষই শুনিবলৈ পায় যে মই খোজেন্দ পাইছোহি। এই খবৰ পাই সিঁহতে খাজা কাজিক বন্দী কৰে আৰু দুৰ্গৰ দুৱাৰৰ সম্মুখত অতি নিৰ্লজ্জভাৱে তেওঁক ফাঁচি দিয়ে। খাজা কাজি দেৱতুল্য লোক আছিল এই বিষয়ত মোৰ সন্দেহ নাই। এই কথাৰ আৰু উতাতকৈ কি ভাল প্ৰমাণ হ'ব পাৰে যে যিবিলাকে তেওঁক হত্যা কৰিছিল সিঁহতৰ স্মৃতি বা চিন অলপ দিনৰ ভিতৰতে লোপ পাইছিল। অতি অলপ দিনৰ ভিতৰতে সিঁহত সম্পূৰ্ণ ধ্বংস হৈ যায়। খাজা কাজি অদ্ভুত সাহসী লোক আছিল। এইটোও তেওঁৰ সাধুতা আৰু ঈশ্বৰৰ প্ৰতি বিশ্বাসৰ এটা প্ৰমাণ। মানুহ যিমানেই সাহসী নহওক, কিবা এটা নহয় কিবা এটা বিষয়ত তেওঁৰ মনত ভয় বা দুৰ্ব্বলতা থাকে। কিন্তু খাজা কাজিৰ এক বিন্দুও ভয় বা দুৰ্ব্বলতা নাছিল।

খাজাৰ মৃত্যুৰ পিচত শত্ৰুপক্ষৰ লোকে তেওঁৰ আপোন মানুহ, দাস, স্বজাতি আৰু শিষ্য—যি সকল তেওঁৰ অনুগত আছিল তেওঁবিলাকক বন্দী কৰে আৰু তেওঁলোকৰ ধন-সম্পত্তি লুট কৰে। সিঁহতে মোৰ আই, বুঢ়ীআই আৰু যিসকল লোক মোৰ লগত আছিল তেওঁলোকৰ ভিতৰৰ কেইটামান পৰিয়াল মোৰ ওচৰলৈ খোজেন্দলৈ পঠিয়াই দিয়ে। আন্দেজানৰ কাৰণে মই চমৰখণ্ড হেৰুৱালো। এটা হেৰুৱালোঁ আৰু আনটোও ৰক্ষা কৰিব নোৱাৰিলোঁ।

মই বেজাৰ আৰু বিৰক্তিৰ মাজত সোমাই পৰিছোঁ। কাৰণ ৰজা হোৱা দিন ধৰি কেতিয়াও মোৰ দেশ আৰু অনুগত স্বদেশবাসীৰ সংগৰ পৰা

এনেভাবে বঞ্চিত হোৱা নাই। জ্ঞানলাভ কৰা দিনৰেপৰা এতিয়ালৈকে এনেকুৱা বিষাদ আৰু কষ্টৰ অভিজ্ঞতা ইয়াৰ আগতে মোৰ হোৱা নাই।

যি সকল বেগ, সৈন্যাধ্যক্ষ আৰু সেনা মোৰ লগত আছিল আৰু যি সকলৰ স্ত্রী আৰু পৰিবাৰবৰ্গ তেতিয়াও আন্দেজানতে আছিল তেওঁবিলাকে যেতিয়া দেখিবলৈ পালে যে আন্দেজান উদ্ধাৰৰ আৰু কোনো আশাই নাই তেতিয়া সৰু-ডাঙৰ প্ৰায় সাত-আঠ শ জনে মোক এৰি গুচি গ'ল। দুশৰ বেছি কিন্তু তিনি শৰ কম উচ্চ আৰু নিম্নশ্ৰেণীৰ লোক মোৰ লগতে দুখ-কষ্ট আৰু নিৰ্ব্বাসন বৰণ কৰি ল'লে। কৰ্ম্মচাৰীসকলৰ ভিতৰত মোৰ লগত বৈ গ'ল ধনভঁৰালী, ৰাজ পতাকাবাহী আৰু ঘোঁৰাশালৰ ৰক্ষক।

হতাশাৰ চৰম সীমাত তেতিয়া উপস্থিত হৈছোঁহি। বহুত সময় মই চকুৰ পানী টুকিলোঁ। তাৰ পিচত আন্দেজানৰ পথ এৰি খোজেন্দ ঘূৰি আহিলোঁ। তাত মোৰ আই, বুঢ়ী আই আৰু যিসকল অনুচৰে তেতিয়াও মোৰ লগ এৰা নাই তেওঁবিলাকৰ স্ত্রী আৰু পৰিয়ালবৰ্গ খোজেন্দ আহি পাইছেহি।

কিন্তু মোৰ আকাঙ্ক্ষা যেতিয়া ৰাজ্য জয় কৰি বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা—তেনে অৱস্থাত মই দুই-এটা পৰাজয় বৰণ কৰি হতাশত অলস হৈ বহি থাকিব পাৰোঁনেকি? ই জানো সম্ভৱ?

এই সময়তে হিচাৰত বিদ্ৰোহ আৰম্ভ হ'ল। খচৰু চাহে যেতিয়া বাইচনঘৰ মিৰ্জা আৰু মিৰন চাহ মিৰ্জাক হাতৰ মুঠিত পালে তেতিয়া তাৰ কেইজনমান কু-বুধীয়া উপদেশকে পৰামৰ্শ দিয়ে যে এই দুই ৰাজ-কোঁৱৰক হত্যা কৰি তেওঁৰ নিজৰ নামতেই মছজিদত 'এমান' পঢ়া হওক। খচৰু চাহ অৱশ্যে এই কথাত মান্তি নহ'ল। কিন্তু এই নশ্বৰ আৰু ধৰ্ম্মবিশ্বাসহীন জগত য'ত কোনো কালে কোনেও কাকো বিশ্বাস নকৰে আৰু নকৰিবও, তাত এই অকৃতজ্ঞ মানুহটোৱে যে ৰাজকোঁৱৰ চুলতান মামুদক বন্দী কৰি তেওঁৰ চকু দুটা শলাৰে বিন্ধাই অন্ধ কৰি দিব তাত আচৰিত হ'বলগীয়া

ক আছে। অথচ এই খচক চাহেই এই ৰাজকোঁৱৰক সৰুৰেপৰা ভাণ্ডৰ-
ীঘল কৰিছে আৰু তেওঁৰ শিক্ষক আছিল। মামুদৰ কেইজনমান আত্মীয়,
জাতি আৰু নানা সঙ্গী তেওঁক চমৰখণ্ডৰ চুলতান আলিৰ ওচৰত থৈ
হাহিবৰ কাৰণে 'কেশ' পায়হি। এইখিনি পাই তেওঁবিলাকে জানিব
াৰে যে তেওঁবিলাকক আক্ৰমণ কৰাৰ এটা ষড়যন্ত্ৰ চলিছে। তাত অপেক্ষা
নকৰি তেওঁবিলাক কাবালৈ পলাই যায় আৰু আমুনদী পাৰ হৈ চুলতান
চেনৰ আশ্ৰয় লয়। শেষ বিচাৰৰ দিন নহা পৰ্য্যন্ত প্ৰতিদিন, এই কলঙ্কিত
িশ্বাস ভঙ্গকাৰী আৰু ষড়যন্ত্ৰকাৰীৰ মূৰৰ ওপৰত লক্ষকোটি অভিশাপ
ৰ্ষণ হওক। প্ৰত্যেক লোকে যি খচক চাহৰ এই বিশ্বাসঘাতকতাৰ কথা
নিবলৈ পাব—অভিশাপ দিয়ক। কাৰণ যি লোকে তাৰ অকৃতজ্ঞতাৰ কথা
ানিও কোনো অভিশাপ নিদিব তেৰোঁ শাওপাত লাভ কৰাৰ যোগ্য।

৭

১৪৯৮ খ্ৰীষ্টাব্দৰ ঘটনাৱলী

চমৰখণ্ড আৰু আন্দেজান পুনৰুদ্ধাৰৰ কাৰণে বাৰে বাৰে অভিযান
লায়ো ব্যৰ্থ হৈ আকৌ খোজেন্দলৈ ঘূৰি আহোঁ। খোজেন্দ অতি সৰু ঠাই।
য়াত ডুশ সৈন্যৰ ভৰণ-পোষণ কৰা টান। যি জন বিশাল সাম্ৰাজ্য স্থাপন
ৰাৰ অভিলাষী তেওঁ জানো এনেকুৱা এখন বিশেষত্বহীন ঠাইত সন্তুষ্টমনে
চিৰদিন বাস কৰিব পাৰে ?

ইয়াত থকা সময়তে খাজা মকৰাম মোৰ লগত দেখা কৰিবলৈ আহে।
তেৰোঁ মোৰ নিচিনাই ৰাজ্যৰপৰা নিৰ্ব্বাসিত এজন খানখিত নোহোৱা লোক।
াৰ বৰ্ত্তমান অৱস্থা আৰু পৰিস্থিতি সম্পৰ্কে তেওঁৰ লগত আলোচনা কৰিবলৈ
যোগ পালোঁ। মোৰ কাৰণে ইয়াত চিৰকাল থকা ঠিক হ'ব নে আন ঠাইলৈ
চি যাম ? মোৰ কি কৰা উচিত বা অনুচিত ? মোৰ অৱস্থা দেখি তেওঁ

চকুৰ পানী টুকিবলৈ ধৰিলে। মোৰ কাৰণে ভগৱানৰ কৃপা প্ৰাৰ্থনা কৰি তেওঁ গ'লগৈ। ময়ো অভিভূত হৈ পৰিলোঁ।

সেইদিনাই আবেলিৰ নামাজৰ পিচত উপত্যকাৰ প্ৰান্তত এজন অশ্বাৰোহী দেখা গ'ল। পৰিচয় লৈ জনা গ'ল তেওঁ আলি দোস্ত তাঘাইৰ ভৃত্য। তেওঁ প্ৰভুৰপৰা এটা বাতৰি লৈ আহিছে। ইয়াৰ মৰ্ম হ'ল এইটোৱেই যে তেওঁ নিঃসন্দেহে ভীষণ অপৰাধ কৰিছে। কিন্তু তেওঁৰ বিশ্বাস আছে যে মই তেওঁক ক্ষমা কৰিম। যদি মই সসৈন্যে তেওঁৰ ওচৰলৈ গুচি আহোঁ তেনেহ'লে মাৰঘিলান প্ৰদেশ মোৰ হাতত সমৰ্পণ কৰি চিৰকাল তেওঁ মোৰ অনুগত হৈ এনেধৰণে কাম কৰি যাব যাতে তেওঁৰ অতীত ভুল-ভ্ৰান্তিৰ কথা মোৰ মনৰপৰা মচ খাব আৰু তেৰোঁ কু-কাৰ্য্যৰ দুৰ্নামৰপৰা মুক্তি পাব। এই খবৰ পোৱাৰ পাচত আৰু পলম নকৰি মাৰঘিনানৰ ফালে ওলালোঁ। বেলি তেতিয়া মাৰ গৈছে। মাৰঘিলানৰ দূৰত্ব প্ৰায় এশ মাইল। সেই ৰাতি আৰু পিচদিনা দুপৰীয়াৰ নামাজৰ সময় পৰ্য্যন্ত ক'তো জিৰণি লোৱাৰ চেষ্টা কৰা নাই—একে লেথাৰিয়ে গৈ আছো। দুপৰীয়াৰ নামাজৰ সময়ত এখন গাৱঁত অলপ সময়ৰ কাৰণে জিৰণি লওঁ। তাত ঘোঁৰাবিলাকৰ ভাগৰ নিবাৰণৰ হেতু আঁতৰ হোৱাৰ পিচত সিহঁতক আহাৰ পানী দি আকৌ গভীৰ ৰাতি যাত্ৰা কৰোঁ। ঘোঁৰাৰ পিঠিত উঠি বাটবুলি গৈ থাকোঁ পিচদিনা দোকমোকালি পৰ্য্যন্ত। তাৰ পিচত পুৱাৰপৰা বেলি মাৰ যোৱা পৰ্য্যন্ত। পিচদিনা ৰাতি পুৱাও পুৱাও হওতেই মাৰঘিনানৰ চাৰি মাইলৰ ভিতৰত উপস্থিত হওঁহি। ইয়ালৈ অহাৰ পিচত উইছ্ বেগ্ আৰু আন কেইজনমানে নিজৰ ভিতৰত আলাপ-আলোচনা কৰি মোক নিবেদন কৰিলে যে আলি দোস্ত তাঘাই নিচিনা মানুহ যি নানা গুৰুতৰ অপৰাধত অপৰাধী, তেওঁৰ এটা মাত্ৰ কথা বিশ্বাস কৰি, দূতৰ যোগে কোনো কথাবাৰ্ত্তা নচলোৱাকৈ, কোনো চুক্তি সম্পাদন নকৰাকৈ তাৰ হাতৰ মুঠিলৈ সোমাই পৰা আমাৰ পক্ষে জানো উচিত হ'ব। সঁচাকৈয়ে তেওঁবিলাকৰ পক্ষে এনেকুৱা ধাৰণা কৰা অলপো অযুক্তি

ৰা নাই। সেইকাৰণে অলপ সময় তাত বৈ আমি নিজৰ ভিতৰতে আলাপ
ালোচনা কৰিলোঁ। সৰ্ব্বসম্মতিক্রমে এই কথা ঠিক হ'ল যে আমাৰ আশঙ্কা
মূলক নহ'লেও আমি এই বিষয়ে চিন্তা কৰাত বহুত পলম কৰি পেলাইছোঁ।
িনি দিন তিনি ৰাতি কোনো ধৰণৰ জিৰণি নলৈ এশ মাইল দূৰত্ব অতিক্রম
ৰি দৌৰি আহিছোঁ। মোৰ মানুহ আৰু ঘোঁৰাবিলাকৰ দেহাত এনে শক্তি
ই যে ইমান দূৰ বাট ঘূৰি যাব পাৰোঁ। ঘূৰি যোৱাৰ চেষ্টা কৰিলেও এনে
ই চকুত পৰা নাই য'ত নিৰাপদে থাকিব পৰা যায়। সেইকাৰণে, ইমান
যেতিয়া অহা হৈছে, আমাৰ কাৰণে আগবাঢ়ি যোৱাই ভাল। ভগৱানৰ
ইচ্ছা সেয়ে হওক। সেই সৰ্ব্বশক্তিমানৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিয়েই
ামি আগবাঢ়িলোঁ।

পুৱাৰ নামাজৰ সময়ত আমি মাৰঘিনানৰ দুৰ্গৰ দুৱাৰ মুখত উপস্থিত হওঁ।
াৰ বন্ধ আছিল। আলি দোস্ত তাঘাইয়ে প্ৰবেশ দ্বাৰৰ ওপৰত থিয় হৈ
টামান চৰ্ত্ত থিৰ কৰা অভিপ্ৰায় জনালে। তেওঁৰ চৰ্ত্তবিনি মানি লোৱাৰ
ক তেওঁৰ নিৰাপত্তা সম্পৰ্কে আশ্বাস দিয়াৰ পিচত তেওঁ দুৰ্গৰ দ্বাৰ খুলি
াৰ ব্যৱস্থা কৰিলে আৰু মোক যথাৰীতি সম্বৰ্দ্ধনা জনাই দুৰ্গৰ ভিতৰৰ এটা
সাদলৈ সসম্মানে লৈ গ'ল। মোৰ সম্ভ্ৰান্ত আৰু সাধাৰণ অনুচৰবৰ্গৰ সংখ্যা
ছিল তেতিয়া ২৪০ জন।

দেখিলোঁ উজুন হাচানে এই দেশৰ জনসাধাৰণৰ ওপৰত অতি দুৰ্ব্যৱহাৰ
ৰিছে আৰু অত্যাচাৰত সিঁহতক জৰ্জ্জৰিত কৰিছে। গোটেই দেশবাসী মই
া প্ৰতিষ্ঠা কৰাৰ কাৰণে উৎসুক হৈ আছে। মাৰঘিনানলৈ অহাৰ দুই-তিনি
পিচতেই মই কাচিম বেগক এশ সৈন্য লগত দি আন্দেজানৰ দক্ষিণফালে
লোঁ। তেওঁক নিৰ্দ্দেশ দিলোঁ সেই ঠাইৰ পৰ্ব্বতীয়া আৰু সমতলৰ বাইজক
ই-মেলি ক'বলৈ—যেন তেওঁবিলাকে বিনা দ্বিধাই মোৰ বশ্যতা স্বীকাৰ
। অনুৰোধ যদি সিঁহতে উপেক্ষা কৰে তেতিয়া হ'লে বল প্ৰয়োগ
ৰিবলৈকো যেন ইতস্ততঃ কৰা নহয়। মই আৰু এশ সৈন্য আধ্ছিব

ফালে পঠিয়ালোঁ। এই নিৰ্দ্দেশ দি—যেন সিহঁতে খোজেন্দ নদী অতিক্ৰম ক
আথ্‌ছিৰ ফালে যায় আৰু দুৰ্গবিলাক অধিকাৰ কৰিবৰ কাৰণে যি কো
উপায় অৱলম্বন কৰে আৰু পৰ্ব্বতীয়া লোকসকলৰ মন সন্তুষ্ট কৰি আ
দলৰ্লৈ অনাৰ ব্যৱস্থা কৰে।

কিছু দিনৰ পিচত উজুন হাচান আৰু তামবলে মোৰ বিৰুদ্ধে অভি
চলাবৰ কাৰণে আগ বাঢ়ে। কাচিম বেগ আৰু অন্যান্য কৰ্ম্মচাৰীক দু
ফালৰ কামৰ ভাৰ দি পঠাইছোঁ। কেইজন মানহে মোৰ লগত আছি
তেওঁবিলাকক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত কৰি আমি আগবাঢ়ি গ'লোঁ। য
সিহঁত নগৰৰ উপকণ্ঠত উপস্থিত হ'বহি নোৱাৰে। শত্ৰুৱে একোকে ক
নোৱাৰিলে। দুবাৰকৈ সিহঁতৰ সকলো চেষ্টা ব্যৰ্থ হয়। দুৰ্গৰ ফালে সি
ওচৰলৈকে আহিবলৈ অক্ষম হ'ল।

কাচিম বেগে আন্দেজানৰ দক্ষিণৰ পাৰ্ব্বত্য প্ৰদেশৰ ফালে আগবাঢ়ি
তাৰ ৰাইজক সম্পূৰ্ণ বশলৈ আনে। শত্ৰু পক্ষৰ সৈন্যবিলাকেও এটা-এটা
দল এৰি মোৰ লগ লাগে।

হাচান দেগেচি আথ্‌ছিৰ এজন মুখিয়াল লোক। তেওঁ নিজৰ দল
স্থানীয় গুণ্ডাবিলাক গোটাই লৈ অকল লাঠিৰে দুৰ্গৰক্ষী সৈন্যবিলাকক আ
কৰি তাৰ পৰা খেদি পঠায়। সিহঁতে ভয় খাই দুৰ্গৰ ভিতৰত আশ্ৰয়
সেই সময়ত হাচান দেগেচি আৰু তেওঁৰ লগৰীয়াবিলাকে মোৰ কৰ্ম্মচা
বিলাকক মাতি নি সুৰক্ষিত আথ্‌ছি নগৰ সোমোৱাৰ সুবিধা কৰি দিয়ে।

এই খবৰ পাই উজুন হাচানে ভয়ত তেওঁৰ বছা বছা লোক আৰু বি
অনুচৰবিলাকক আথ্‌ছি দুৰ্গ ৰক্ষাৰ কাৰণে পঠায়। সিহঁত দোকমোকা
নদীৰ পাৰত উপস্থিত হয়হি। যেতিয়া এই খবৰ-মোৰ সৈন্য আৰু মো
বিলাকক জনোৱা হয়, তেতিয়া এদল সৈন্যক ঘোঁৰাৰ সকলো সাজ-সৰ
খুলি লৈ নৈত নামিবলৈ হুকুম দিয়া হয়। আন পক্ষই—যি সকলে দুৰ্গ
কৰিবলৈ আহিছিল কি কৰিব ঠিক কৰিব নোৱাৰি নাওবিলাক টানি

ই নগৈ, য'ত সিহঁত আছি উপস্থিত হৈছিলহি তাতেই নাৱত উঠি পৰে। ৰ ঠেলাত সিহঁতৰ নাও দুৰ্গ এৰি বহুত আঁতৰি যায়। সিহঁত ঠিক দুৰ্গৰ ৰ ৰবহি নোৱাৰিলে। মোৰ সেনা আৰু মোগলবিলাকে ঘোঁৰাৰপৰা ৰঞ্জাম খুলি সাজু হৈয়েই আছিল—সিহঁত কেইবাফালৰপৰা নদীত জপিয়াই ন। নাৱত থকা শত্ৰু পক্ষৰ লোকে ভয় খাই এই আক্ৰমণ সহ্য কৰিব াৰিলে। কালু খাজ বকৃচিয়ে মোগল বেগৰ এজন ল'ৰাক তেওঁৰ ওচৰলৈ াৰ অনুৰোধ জনায়। বকৃচিয়ে কি ক'ব খোজে শুনিবৰ কাৰণে নিৰ্ভয়ে ল'ৰাটি তেওঁৰ ওচৰলৈ যায়। বকৃচিয়ে ল'ৰাটিক হাতত ধৰি লৈ তৰোৱালৰ ধেৰে হত্যা কৰে। এনেকুৱা বিশ্বাসঘাতকতাই কিবা উদ্দেশ্য সাধন ব পাৰেনে? মুহূৰ্ত্তৰ ভিতৰতে সকলো ঘটনা ঘটি গ'ল। এই নিষ্ঠুৰ াৰ প্ৰতিশোধ স্বৰূপে নাৱত থকা বহুতকেই হত্যা কৰা হ'ল। আমাৰ া নমা মানুহবিলাকে নাৱত থকা বিলাকক মাটিলৈ টানি নমাই প্ৰায় োকে হত্যা কৰিলে। উজুন হাচানৰ বিশ্বাসী ভৃত্য—যিসকল নাৱত ছিল—সি সকলৰ মাত্ৰ এজনে ৰক্ষা পালে কাৰণ সি শপত খাইছিল যে তা ক্ৰীতদাস মাত্ৰ। আৰু এজনো বাচি গৈছিল—তেওঁৰ নাম চৈয়দ । তেওঁ এতিয়াও উচ্চ পদতে মোৰ লগত কামত আছে। সত্তৰ-আশী ভিতৰত পাঁচ-ছজনৰ বেছি এইবাৰত ৰক্ষা নাপালে।

আন্দেজান মোৰেই ৰাজ্য এই ঘোষণাৰ পিচত বিদ্ৰোহীবিলাকে শান্ত ন বাধ্য হ'ল। মহান ঈশ্বৰৰ কৃপাত ১৪৯৯ খৃষ্টাব্দৰ জেলকদ্ মাহত মোৰ ক ৰাজ্য পুনৰুদ্ধাৰ কৰোঁ—যাৰ পৰা প্ৰায় দুবছৰ মই বঞ্চিত হৈ হলোঁ।

উজুন হাচান আন্দেজানত প্ৰবেশ কৰিবলৈ অক্ষম হৈ আখ্ছিৰ ফালে গ'ল। খবৰ পালোঁ তেওঁ আখ্ছিৰ দুৰ্গত প্ৰবেশ কৰিছে। তেৱেঁই ইৰ বিদ্ৰোহৰ নেতা। সেই কাৰণে পলম নকৰি চাৰি-পাঁচ দিনৰ পিচতেই াছিৰ ফালে অভিযান চলাওঁ। আমি সেইখিনি পোৱা মাত্ৰকে আৰু

কোনো উপায়ন্তৰ নেদেখি তেওঁ দুর্গ সমর্পণৰ প্রস্তাৱ কৰে আৰু তেওঁ
নিৰাপত্তাৰ প্রার্থনা জনাই দুর্গৰ অধিকাৰ এৰি দিয়ে।

উজ্বুন হাচানক আশ্বাস দিছিলোঁ যে তেওঁৰ জীৱনৰ বা সম্পত্তিৰ এ
ক্ষতি নকৰোঁ। গতিকে তেওঁক আথ্ ছি এৰি যাবলৈ অনুমতি দিলোঁ
সামান্য কেইজনমান সৈন্য লৈ তেওঁ হিচাৰৰ ফালে গুচি যায়। তেওঁৰ দ
সৰহভাগ সৈন্য আৰু অনুচৰে দলত্যাগ কৰে। ইহঁতেই আগৰ গণ্ডগো
আৰু বিদ্রোহৰ সময়ত মোৰ অনুগামীসকলৰ ওপৰত নৃশংস অত্যাচাৰ অ
তেওঁবিলাকৰ ধন সম্পত্তি লুট কৰিছিল। মোৰ আমীৰসকলৰ কেইজনম
মোৰ ওচৰত সমূহীয়াকৈ প্রার্থনা জনায় যে—এই দলটোৱেই সকলো অনি
গুৰি আৰু নানা জঞ্জাল সৃষ্টিৰ কাৰণ। ইহঁতেই আমাক সর্বস্বান্ত কৰি
ইহঁতেই আমাৰ বিশ্বাসী অনুচৰবিলাকৰ সকলো লুট কৰি নিছে। ইহঁ
ইহঁতৰ মুখিয়ালবিলাকৰ প্রতি কি আনুগত্য দেখুৱাইছে যে ইহঁতক দি
কৰিব লাগে? কি অধর্ম হ'ব যদি এতিয়া এই বিশ্বাসঘাতকবিলাকক ব
কৰি সিহঁতৰ সর্বস্ব লুট কৰাৰ আদেশ দিয়া হয়? বিশেষকৈ সিহঁতে যেতি
আমাৰ ঘোঁৰাৰ ওপৰত উঠিয়েই ঘূৰি ফুৰিছে। আমাৰ সাজ-পো
পিন্ধিয়েই ফিতাহি মাৰিছে আৰু আমাৰেই ভেৰা আমাৰ আগতে বধ ক
বটিয়া আহাৰৰ যোগাৰ চলাইছে—এনে ধৈর্য্য কাৰ আছে যি এইবি
দেখিও সহ্য কৰি থাকিব পাৰে? যদি তুমি দয়া কৰি এইবিলাক দুর্
বস্তু-বাহানি কাঢ়ি নিয়াৰ আদেশ নিদিয়া বা সাধাৰণ লুট কৰাৰ অনু
দিবলৈ তোমাৰ কিবা দ্বিধা আছে তেনেহ'লে অন্ততঃ যিসকলে তোমাৰ বি
আপদত সদায়েই লগৰীয়া হৈ আছে সেই সকলৰ মুখ চাই এই আদেশ
দিয়া যে তেওঁবিলাকে নিজৰ সম্পত্তি যিখিনি সিহঁতে লুট কৰি নিছে ব
এতিয়াও সিহঁতেই ভোগ কৰি আছে—যেনে সিহঁতৰ হাতৰপৰা উ
কৰিব পাৰে। যদি সিহঁতে এই চৰ্ত্ত মাত্র পালন কৰিয়েই ৰেহাই পায়
সিহঁতৰ ভাগ্যৰ বল বুলি মানি ল'ব লাগিব।

তেওঁবিলাকৰ প্ৰস্তাৱ অৱশেষত মই মানি ল'লোঁ। আদেশ দিয়া হ'ল য মোৰ অনুচৰসকল যি মোৰ বিপদত সদায়েই লগত আছিল আৰু যুদ্ধ ৰভিযানত সহায় কৰিছিল তেওঁবিলাকে নিজৰ লুট হোৱা বস্তু চিনাক্ত কৰিব াৰিলে পুনৰুদ্ধাৰ কৰিব পাৰিব। এই আদেশ মুঠৰ ওপৰত ন্যায়সঙ্গত ্সিয়েই ভাবিছিলোঁ আৰু বহুত ভাবি-চিন্তি এই আদেশ দিয়া হৈছিল। কিন্তু ৃহাঙ্গীৰ মিৰ্জাৰ নিচিনা প্ৰবল প্ৰতিদ্বন্দ্বী মোৰ ইমান কাষতে আছে যেতিয়া মানবিলাক অস্ত্ৰ-শস্ত্ৰধাৰী লোকক জোকাই লোৱা ঠিক নহ'ল। যুদ্ধ বা জকাৰ্য্যত এনে কিছুমান কথা আছে যিবিলাক ওপৰে ওপৰে চাওঁতে ৷সঙ্গত আৰু সঠিক যেন লাগিলেও সেই বিষয়ত কোনো সিদ্ধান্ত গ্ৰহণ ৰাৰ আগতে অসংখ্য ধৰণৰ দৃষ্টি-ভঙ্গীৰে সেইবিলাক পৰীক্ষা কৰি লোৱা িত। মোৰ এই আদেশ জাৰি কৰা কথাটোৱে দূৰদৃষ্টিৰ অভাৱৰে পৰিচয় ছিল। তাৰ ফলত কি প্ৰচণ্ড আলোড়ন আৰু বিদ্ৰোহেই নঘটিছিল। এই বিবেচনাৰে দিয়া আদেশৰ ফলস্বৰূপে প্ৰকৃততে মই দ্বিতীয়বাৰ আন্দেজানৰ ভ সিংহাসন হেৰুৱাব লগা হয়।

মোগলবিলাকে আতঙ্কিত হৈ বিদ্ৰোহ কৰিলে। মোৰ আইৰ লগত ৰহাজাৰ নে দুহাজাৰ মোগল আছিল আৰু সমান সংখ্যক মোগল হিচাৰৰ ৰাও আহিছিল যেন লাগে। এই মোগলৰ দল সদায়েই নানাধৰণৰ অনিষ্ট ষ্টি কৰাৰ কাৰণে দায়ী। এতিয়ালৈকে পাঁচবাৰ সিহঁতে মোৰ বিৰুদ্ধে বিদ্ৰোহ ৰিছে। মোৰে সিহঁতৰে ব্যৱহাৰত কোনো সমতা নথকাত সিহঁত মোৰ ৰোধী হ'ব পাৰে ঠিক কিন্তু সিহঁতৰ দলপতি খাঁ সকলৰ লগত সদায়েই শত্ৰুতা কাৰণে সিহঁত সঁচাকৈয়ে অপৰাধী।

এই বিদ্ৰোহৰ খবৰ মোৰ ওচৰলৈ আনে চুলতান চিনাকে। এই বাতৰি তেওঁ মোক বৰ উপকাৰ কৰে। এই কামত যদিও তেওঁ মোক সহায় কৰি- ল শেহলৈ তেওঁ মোৰ বিৰুদ্ধে ইমান দগাবাজি কৰিছিল যে সেই এটা ভাল ৰ কিয়, তেনেকুৱা এশটা ভাল কামৰ মাহাত্ম্যও মচ খাই গ'লহেঁতেন।

ভবিষ্যতে অপকৰ্ম কৰাৰ প্ৰবৃত্তিৰ কাৰণো এয়ে যে তেৰোঁ আছিল জাতত মোগল।

বিদ্ৰোহৰ বাতৰি মোৰ ওচৰ পোৱাৰ লগে লগেই মই আমীৰসকলক মাতি পঠাই তেওঁলোকৰ লগত আলোচনা কৰিলোঁ। তেওঁবিলাকে মত প্ৰকাশ কৰিলে যে এইটো একো গুৰুতৰ কথা নহয়। এনেকুৱা সৰু-সুৰা কথাত ৰজা নিজে যুদ্ধক্ষেত্ৰত থকাৰ কোনো প্ৰয়োজন নাই। কাচিম বেগ আৰু কেইজন-মান দলপতিক অলপ সৈন্য দি বিদ্ৰোহ দমন কৰিবলৈ পঠালেই যথেষ্ট হ'ব। সিদ্ধান্ত তেনে ধৰণেই হ'ল। তেওঁবিলাকে ভাবিছিল যে এইটো এটা সামান্য ঘটনা। কিন্তু মৰ্মান্তিকভাৱে তেওঁবিলাকৰ এই ভুল ভাগিল।

পিচদিনা পুৱা দুইপক্ষৰ সৈন্য মুখামুখি হ'ল। যুদ্ধ আৰম্ভ হ'ল। কাচিম বেগে নিজে চুলতান মহম্মদ আৰঘুনক সম্মুখত দেখা পাই তৰোৱালেৰে দুই তিনিটা কোব মাৰে কিন্তু তেওঁৰ প্ৰাণ নললে। মোৰ কেইজনমান অশ্বাৰোহী সেনাই বীৰৰ দৰে আক্ৰমণ কৰিছিল হয় কিন্তু শেহলৈ পৰাস্ত হয়। কাচিম বেগে তিনি-চাৰিজন বেগ আৰু কৰ্মচাৰীৰ সৈতে পলাই প্ৰাণ ৰক্ষা কৰে। আন সকলো আমিৰ আৰু কৰ্মচাৰী শত্ৰুৰ হাতত ধৰা পৰে। এই যুদ্ধত দুজন অশ্বাৰোহী সৈন্যই বীৰৰ দৰে দ্বন্দ্ব যুদ্ধ কৰিছিল মোৰ ফলীয়া হৈ চামাদ আৰু শত্ৰু পক্ষত হিছাৰৰ এজন মোগল—নাম চাহ ছুৱাৰ। তেওঁলোকে মুখা-মুখি যুদ্ধ কৰিছিল। ছাহ ছুৱাৰ তৰোৱালেৰে ইমান জোৰেৰে ছামাদৰ মূৰত কোব মাৰে যে শিৰস্ত্ৰান ভেদ কৰি সেই তৰোৱাল তেওঁৰ মূৰৰ খোলাৰ ভিতৰলৈ বহুত সোমাই যায়। এনে সাংঘাতিক আঘাত পায়ো ছামাদে তেওঁৰ তৰো-ৱালেৰে ছাহ ছুৱাৰৰ মূৰত এনে প্ৰচণ্ড কোব বহুৱায় যে তেওঁৰ মূৰৰ লাও-খোলাৰ অনেক অংশ এৰাই যায়। ছাহ ছুৱাৰৰ মূৰত শিৰস্ত্ৰান নাছিল। তেওঁৰ কটা ঠাই নৰালবিকৈ বান্ধি দিয়া হয়। তেওঁৰ প্ৰাণ বাঁচি উঠে। কিন্তু ছামাদাৰ ক্ষতস্থান পৰিচৰ্য্যা কৰিবলৈ কোনো নথকাত তেওঁ তিনি-চাৰিদিনৰ ভিতৰতে মৃত্যুৰ মুখত পৰে।

এই পৰাজয় আহে অত্যন্ত অসময়ত যি সময়ত মই সৰু-সুৰা যুদ্ধ বিগ্ৰহ আৰু ...পদৰ পাচত অলপতে মোৰ ৰাজ্য পুনৰাধিকাৰ কৰিছোঁ মাত্ৰ। কৃতকাৰ্য্য ...াৰাৰ পাচত তামবলে আৰ্চৰ ওখ টিলাৰ সন্মুখৰ সমান ঠাইত আন্দেজানৰ ...ৰি মাইলৰ ভিতৰত সোমাইছি আৰু তাতে শিবিৰ স্থাপন কৰে। যেতে ...ওক তেওঁৰ অগ্ৰগতি ৰুদ্ধ হয় আৰু পিচ হুঁহকি যায়। আগবাঢ়ি অহাৰ ...ময়ত মোৰ যি দুজন আমীৰ তেওঁৰ হাতত ধৰা পৰে তেওঁবিলাকক হত্যা ...ৰে। কেইমাহমান নগৰৰ সীমাত বৈ থাকি একো কৰিব নোৱাৰি উছৰ ...নে ঘুৰি যায়।

১৪৯৯ খৃষ্টাব্দৰ ঘটনাৱলী

এই সময়ত মোৰ কেইজনমান কৰ্মচাৰী বৰ লৰালৰিকৈ পদাতিক আৰু ...াৰোহী বাহিনীৰ কাৰণে লোক সংগ্ৰহ কৰিবলৈ ৰাজ্যৰ নানা ঠাইলৈ ...ওঁ। সৈন্যবিলাকৰ ব্যৱহাৰৰ কাৰণে জখলা, কোৰ, কুঠাৰ ...নকৰা নানা বস্তু গোটাবলৈকো আদেশ দিওঁ। তাৰ পিচত সোঁ, ...ওঁ, মাজ আৰু সন্মুখত পদাতিক আৰু অশ্বাৰোহী সৈন্য দি বেহু সাজি উছৰ ...লে শত্ৰুৰ বিৰুদ্ধে অভিযান চলাবলৈ আগবাঢ়োঁ। মাদু দুৰ্গ বৰ সুৰক্ষিত। ...ৰে যিফালে নদী আছে সেইফালে দুৰ্গৰ অংশ ইমান ওখ যে নদীৰপৰা ... ম'বিলে কোনো ৰকমে দুৰ্গৰ দেৱাল পৰ্য্যন্ত পাবগৈ পাৰে। দুৰ্গৰ ভিতৰত ...নী যোগাবৰ কাৰণে নদীৰপৰা দুৰ্গলৈকে এটা নলা কটা হৈছে। এই ...ৰ দুয়োকাষ দুৰ্গৰ তলিৰপৰা নদী পৰ্য্যন্ত প্ৰাচীৰেৰে ৰেৰা। ওচৰতে নৈ ...ত দুৰ্গ ৰথীয়াসকলে নৈৰ তলিৰপৰা হিলৈৰ গুলিৰ দৰে ডাঙৰ ডাঙৰ ...ণীয়া শিল বুটলি দুৰ্গত জমা কৰিছিল। মাদু দুৰ্গৰপৰা যেনে ধৰণে

অনবৰত ডাঙৰ ডাঙৰ শিল বৰ্ষণ কৰা হৈছিল মোৰ আন কোনো অভিযান সময়ত কোনো তুৰ্গৰপৰা এনেকুৱা ঘটনা হোৱা মই দেখা নাই।

আব্দুল কাচুছ তুৰ্গ প্ৰাচীৰৰ তল পাওঁতেই ওপৰৰপৰা দলিওৱা এটা শিল আঘাতত ধৰাশায়ী হৈ তললৈ মূৰ আৰু ওপৰলৈ ভৰি কৰি বাগৰি বাগ ক'তো নৰৈ নৈত পৰিলহি। ভাগ্যে তেওঁ বিশেষ কোনো আঘাত নাপালে কোনো ৰকমে •পানীৰপৰা উঠি ঘোঁৰাৰ পিঠিত তম্বুলৈ ঘূৰি আহিল।

তুয়োফালে প্ৰাচীৰেৰে ঘেৰা ঠেক বাটত শিলগুটিৰ আঘাতত ঈয়াৰ আ গুৰুতৰ আহত হয়। পিচত তেওঁৰ মূৰৰ ঘা পৰিষ্কাৰ কৰি বান্ধি দিয়া হয় মোৰ বহুত সেনা শিলাময় ঠাইত আহত হৈছিল। পুৱাৰ আহাৰৰ আগতে অভিযান চলাই আমি পানীৰ উঁচ অঞ্চল অধিকাৰ কৰিবলৈ সক্ষম হওঁ গম্ভলিলৈকে এই অভিযান চলে, কিন্তু শত্ৰুপক্ষৰ পানী যোগানৰ ব্যৱস্থা আ আক্ৰমণত ওলট-পালট হৈ যোৱাত তুৰ্গৰক্ষীসকলে তুৰ্গ ৰক্ষা কৰা অসম্ভ ভাবি সন্ধিৰ প্ৰস্তাৱ কৰে আৰু শেহত আমাৰ হাতত তুৰ্গ সমৰ্পণ কৰে।

তামবলৰ ভায়েক খলিল আছিল সিপক্ষৰ সৈন্যৰ নায়ক। তেওঁক আৰু তেওঁৰ লগৰীয়া সত্তৰ, আশী বা এশ কৰ্ম্মঠ ডেকা সৈন্য বন্দী কৰা হ'ল আৰু সিহঁতক চোকা দৃষ্টিত ৰাখিবৰ কাৰণে আন্দেজানলৈ পঠোৱা হ'ল। মোৰ আমীৰ, কৰ্ম্মচাৰী আৰু সৈন্য—যি বিলাক শত্ৰুৰ হাতত পৰিছিল সিবিলাকৰ পক্ষে মোৰ এই জয় সৌভাগ্যস্বৰূপ হৈছিল।

ত্ৰিশ-চল্লিশ দিনমান আমি মনে মনে আছিলোঁ। পোনপটীয়া কোনো যুদ্ধ বা আক্ৰমণো হোৱা নাই। মাজে মাজে আমাৰ আৰু শত্ৰুপক্ষৰ ল কৰোতাবিলাকৰ মাজত সৰু-সুৰা সজ্ঘৰ্ষ চলিছিল। এই সময়ত মই লক্ষ ৰাখিছিলোঁ ৰাতিৰ সতৰ্ক পহৰাৰ বিষয়ত। সৈন্য শিবিৰৰ চাৰিওফালে গড়খাৱৈ খন্দাৰো ব্যৱস্থা কৰা হৈছিল। যত খাল খন্দাৰ সম্ভাৱনা নাছি তাত গছৰ ডাল-পাত দি সজাই ৰখা হ'ল। মোৰ সৈন্যবিলাকক নিয়মমতে অস্ত্ৰ সজ্জিত কৰি খালৰ কাষে কাষে সাজু হৈ কুচকাৱাজ কৰিবলৈ আদে

দিছিলোঁ। ইমান সতৰ্কতা সত্বেও তিনি-চাৰি বাতিৰ পিচে পিচে কোনো কোনো নিশা শিবিৰত বিপদসূচক ঘণ্টা বাজি উঠিছিল আৰু 'সাজুহোৱা' 'সাজুহোৱা' ধ্বনি উঠিছিল।

এইবছৰ বাইচনঘৰ মিৰ্জাক আমন্ত্ৰণ জনালে খচক চাহে এই চল কৰে যে তেওঁলোক দুয়ো একেলগ হৈ বালখ্ আক্ৰমণ কৰিবৰ কাৰণে আগবাঢ়ি যাব। খচক চাহে তেওঁক কুন্দেজলৈ লৈ আহে। তাৰ পৰা তেওঁবিলাকে বালখ্ জয় কৰিবৰ কাৰণে সৈন্য-সামন্ত লৈ আগবাঢ়ি যায়। উবজ পাই সেই নীচ অবিশ্বাসী চয়তানে ৰাজ্যৰ অধিকাৰ হাত কৰিবৰ কাৰণে এটা নিষ্ঠুৰ চক্ৰান্ত চলায়। হায়, কেনেকৈ ৰাজলক্ষ্মী এই অপদাৰ্থ, ঘিণলগা জীৱৰ ওপৰত সদয় হ'ল—যাৰ আছে কিবা বংশ মৰ্য্যাদা, জন্মৰ গৌৰব, প্ৰতিভা, খ্যাতি, জ্ঞান-বুদ্ধি, সাহ, বিচাৰ বুদ্ধি বা ভাল-বেয়াৰ জ্ঞান? এই সাপতকৈও হিংস্ৰক খচক চাহে বাইচনঘৰ মিৰ্জা আৰু তেওঁৰ আমীৰ বিলাকক বন্দী কৰি ধনুৰ জৰি ডিঙিত বান্ধি মিৰ্জাক উশাহ বন্ধ কৰি হত্যা কৰিলে। এজন খ্যাতিসম্পন্ন, ভালস্বভাৱৰ, উচ্চবংশৰ, সকলো গুণ থকা ৰজাক এনে দৰে হত্যা কৰা হ'ল মহৰমৰ দহ দিনৰ দিনা। তেওঁৰ কেইজনমান আমীৰ আৰু বিশ্বাসী কৰ্ম্মচাৰীয়েও মৃত্যুৰ পৰা হাত সাৰিব নোৱাৰিলে।

জাৰকালিৰ শিবিৰত সৈন্যৰখাৰ ব্যৱস্থা কৰা প্ৰয়োজনে দেখা দিলে। যিবিলাক গাৰ্বত ছাউনী স্থাপন কৰা হ'ল তাৰ চাৰিওফালেই ধুনীয়া চিকাৰৰ ঠাই। ইলামিছ নদীৰ পাৰৰ অৰণ্যত অসংখ্য পাহাৰী ছাগলী, হৰিণা আৰু বনৰীয়া গাহৰি। সৰু সৰু হাবি আৰু জোপাবন কেউফালে সিচৰিত হৈ আছে। তাত আছে বনৰীয়া কুকুৰা আৰু শহা। ইয়াৰ দৰে বেগী শিয়াল মই ক'তো দেখা নাই। যিমান দিন মই শীতকালৰ শিবিৰত আছিলোঁ দুই-তিনি দিন অন্তৰে মই চিকাৰলৈ ওলাইছিলোঁ। ডাঙৰ ডাঙৰ হাবিত সোমাই পাহাৰী ছাগলী আৰু হৰিণা চিকাৰ কৰোঁ। সৰু সৰু জোপাবনত বন্দুক বা ধেনু-কাঁড়েৰে বনৰীয়া কুকুৰা চিকাৰ কৰোঁ। ইয়াৰ

বনৰীয়া কুকুৰা বৰ মঙহাল। যিমানদিন আমি ইয়াত আছিলোঁ। প্ৰচুৰ পৰিমাণে বনৰীয়া কুকুৰাৰ মঙহ খালোঁ। জাৰকালিৰ শিবিৰত চল্লিশ-পঞ্চাশ দিন মান আছিলোঁ। মোৰ কেইজনমান অনুচৰক এই সময়তে ছুটী দিব লগা হ'ল আৰু ময়ো আন্দেজানলৈ ঘূৰি যোৱা যুক্তিসঙ্গত বুলি ভাবিলোঁ।

ৰাতি জাৰ বৰ বেছিকৈ পৰিছিল। এনেকুৱা হ'ল যে মোৰ অনুচৰ সকলৰ ভিতৰত বহুতৰে হাত ভৰিত বৰফৰ ঘাই দেখা দিলে। কেইজনমানৰ কাণ শুকান আপেলৰ দৰে কোচ খাই শুকাই যোৱাৰ নিচিনা হ'ল।

তামবলে মোৰ অগ্ৰগতিৰ বাতৰি পোৱা মাত্ৰকে ককায়েকক সহায় কৰিবলৈ খৰগতিৰে সসৈন্যে বাহিৰ হ'ল। আবেলি আৰু সন্ধ্যাৰ নামাজৰ মাজ সময়তে নৌকেন্দৰ ফালে ধুলিৰে অন্ধকাৰ হৈ আহিছে। এই অৱস্থা দেখি বুজা গ'ল যে তামবলৰ সৈন্য আগবাঢ়ি আহিছে। ককায়েকৰ অকাৰণত পশ্চাদপসৰণ আৰু মোৰ অগ্ৰগতিৰ খবৰত হতবুদ্ধি আৰু বিব্ৰত হৈ তেওঁ থমকি ৰ'ল। মই কলো এয়ে সেই ভগৱানৰ কাম যি ইয়ালৈ লৈ আহিছে মাত্ৰ সিবিলাকৰ ঘোঁৰাবিলাক ভাগৰত পৰি যাবৰ কাৰণে। আমি আগুৱাই যাম। ভগৱানৰ কৃপাত শত্ৰুপক্ষৰ যি আমাৰ হাতত পৰিব সিহঁতৰ আৰু পৰিত্ৰাণ নাই।

লাখাৰি আৰু কেইজনমানে কিন্তু নিবেদন কৰিলে মহোদয়, দিনৰ পোহৰ কমি আহিছে, ৰাতি হ'বলৈ আৰু বেছি সময় নাই। আমি এতিয়াই আক্ৰমণ নকৰাটোৱেই ভাল হ'ব। আজি ৰাতি যদি এৰিও দিওঁ তথাপি সিহঁতৰ আঁতৰি পলাবৰ কোনো শক্তিয়েই নাই। আৰু তাৰ পাচত য'তে সিহঁতক দেখা পাম তাতেই সিহঁতৰ লগত যুদ্ধ কৰিম।

এই উপদেশ মতেই কাম হ'ল—তেতিয়াই সিহঁতক আক্ৰমণ কৰা নহ'ল। যেতিয়া ভাগ্যক্ৰমে শত্ৰু আহি হাতৰ মুঠিত পৰিছিলহি তেতিয়াই সামান্য ক্ষতিও নকৰি পলাই যাবলৈ সুবিধা কৰি দিলোঁ আমি।

কথাতে কয় :—

(ফাৰ্চি)

'যেতিয়াই সুযোগ হাতলৈ আহে-
ততালিকে ধৰা তাক,
সুযোগ যদি হেৰুওৱা হেলাত,
গোটেই জীৱন ভুগিবা সন্তাপ।

(তুৰ্কি)

অসময়ত আৰম্ভ অলস কাম
সি হয় সম্পূৰ্ণ নিষ্ফল,
কৰ্ম্মীজনে জপিয়াই পৰি সুযোগ গ্ৰহণ কৰে
পৰিপূৰ্ণ কৰি জীৱন সম্বল।

কেইটামান চৰ্ত্তত সন্ধিৰ চুক্তি কৰা হ'ল। আথ্ছিৰ ফালৰ দেশবিলাক জাহাঙ্গীৰ মিৰ্জাৰ দখলত থাকিব আৰু আন্দেজানৰ ফালৰ বিলাক থাকিব মোৰ অধিকাৰত। আমাৰ এলেকাবিলাকৰ বিধি-ব্যৱস্থা শেষ কৰি মই আৰু জাহাঙ্গীৰ মিৰ্জা একেলগ হৈ একযোগে চমৰখণ্ড আক্ৰমণ কৰিম।

চুলতান আহমদৰ কন্যা আইষা চুলতান বেগমৰ লগত মোৰ বিয়াৰ কথা মোৰ পিতা আৰু খুড়া জীয়াই থকা অৱস্থাতেই থাটাং হৈছিল। খোজেন্দ পায়েই চাবান মাহত তেওঁক বিয়া কৰাওঁ। দাম্পত্য জীৱনৰ প্ৰথম অৱস্থাত তেওঁৰ প্ৰতি মোৰ প্ৰেম গভীৰ হ'লেও লাজত তেওঁৰ ওচৰলৈ সকলো সময়তে যাব পৰা নাছিলোঁ। দহ, পোন্ধৰ নহ'লে বিশ দিনৰ ভিতৰত এবাৰ যাওঁ। পাচলৈ অৱশ্যে আমাৰ ভালপোৱা সেমেকি আহিল আৰু মোৰ লাজো বাঢ়ি আহিল। ফলত মা খণ্ডত অগ্নিশৰ্ম্মা হৈ মোক গালি-শপনি পাৰি তেওঁৰ ওচৰলৈ জোৰ কৰি পঠিয়াবলৈ ধৰিলে। মমো তেতিয়া দোষীৰ দৰে স্ত্ৰীৰ ওচৰলৈ ত্ৰিশ-চল্লিশ দিনত এবাৰ যাওঁ।

এই আজবি সময়তে শিবিৰৰ বজাৰত এটা ল'ৰাৰ লগত হঠাৎ দেখাদেখি

হয়। তাৰ প্ৰতি মই এটা অদ্ভুত টান অনুভৱ কৰোঁ। তাৰ নাম বাবুৰি মোৰ নামৰ লগত তাৰ নামৰ অদ্ভুত মিল আছে।

'গভীৰ প্ৰেমত পৰি মনে মনে
মুগ্ধ হ'লো, পাগল হ'লো,
মনৰ কথা জানে নেদেখা জনে।'

ইয়াৰ আগতে মই কাৰো প্ৰতি এনে উগ্ৰ ভালপোৱা বা আকৰ্ষণ অনুভৱ কৰা নাই। ক'বলৈ গ'লে ভালপোৱা বা উগ্ৰ কামনাৰ অভিজ্ঞতা ইয়াৰ আগতে মোৰ কেতিয়াও হোৱা নাই আৰু কাৰোপৰা শুনা নাই। এই অৱস্থাত পৰি ফাৰ্চিত কেইটামান কবিতা লিখোঁ—তাৰ ভিতৰত এটা হ'ল :—

'প্ৰেমানলত এনেভাবে দগ্ধ যিজন,
মোৰদৰে মুগ্ধ প্ৰেমিক কোন
কোনে বা বহন কৰে মোৰ দৰে অসম্মান।
কোনে দেখিছে এনে পাষাণ হিয়া,
কিয় ইমান ঘৃণা? কিয় নাই মায়া?
কৰা কৃপা, নহ'লে যদি নৰ'ল প্ৰাণ।

কেতিয়াবা কেতিয়াবা এনেকুৱা হৈছে যে বাবুৰি মোৰ ওচৰলৈ আহিছে কিন্তু মই লাজত তাৰ মুখৰ পিনে পোনে পোনে চাব পৰা নাই। তেনেহ'লে কেনেকৈ তাক মুখ ফুটাই মোৰ কামনা আৰু প্ৰেমৰ কথা কৈ মনৰ ভ্ৰ পাতলাব পাৰোঁ? এনে বিপৰ্য্যয়কৰ মোৰ মনৰ মতলীয়া অৱস্থা তেতিয়া যে সি যেতিয়া মোৰ ওচৰলৈ আহে তেতিয়া তাক ধন্যবাদ দিব পৰা নাই আৰু যেতিয়া গুচি যায় তেতিয়াও কোনো আপত্তিৰ কথা মোৰ মুখৰপৰা ওলোৱা নাই। মোৰ এই প্ৰেম বিহ্বল অৱস্থাত এদিন কেইজনমান অনুচৰৰ লগত লৈ মই এটা সৰু গলিয়েদি গৈছিলোঁ। হঠাৎ মুখামুখিকৈ বাবুৰিৰ লগত দেখা হ'ল। এই অতৰ্কিতে হোৱা সাক্ষাতে মোৰ মনৰ ওপৰত এনেভাবে আঘাত কৰিলে যেন মোৰ অস্তিত্বকেই ভাঙি চৰমাৰ কৰি দিলে

চকু মেলি তাৰ মুখৰ ফালে চাম বা এটা কথা ক'ম এনেকুৱা অৱস্থা ৰ নাছিল। মনত পৰিল মহম্মদ শেখৰ কবিতাটি—

'যেতিয়া মই তোমাক দেখোঁ প্ৰিয়,
লাজত মই পৰোঁ কাতৰ হৈ,
লগৰীয়াই মিচিকি হাঁহে, মোক লক্ষ্য কৰি,
উভতি ৰও মুখ ঘূৰাই লৈ ॥'

এই কবিতা মোৰ মানসিক অৱস্থাৰ লগত খব খাপ খাই যায়। কামনাৰ শ আৰু যৌৱনৰ মতলীয়া অৱস্থাত উদভ্ৰান্ত হৈ ঘূৰি ফুৰোঁ থালি মূৰে, ি গাৱে, অলিয়ে-গলিয়ে, ফল আৰু ফুলৰ বাগিছাত, বন্ধু-বান্ধৱ বা অচিনাকি ৰা প্ৰতি কোনো লক্ষ্য নাই। আত্মসম্মান বা আনৰ সন্মানৰ পিনেও মোৰ নো মন-কাণ নাই। তুৰ্কিত এই কবিতাটো লিখোঁ :—

কামনাত জৰ্জ্জৰ
হিয়া কঁপে থৰথৰ
পাগল হলোঁ নেকি? ক'বতো নোৱাৰোঁ।
বুজিছোঁনে কেতিয়াবা
প্ৰেমিকৰ হয় এই দশা
ধুনীয়া মুখখনিত হৈ বিভোৰ।

কেতিয়াবা কেতিয়াবা বলিয়াৰ দৰে ঘূৰি ফুৰোঁ পাহাৰ-সমতলত, কেতিয়াবা কৌ অলিয়ে-গলিয়ে, কোনো ঘৰ বা বাগিছাৰ সন্ধানত য'ত মোৰ প্ৰিয়জনক খা পাব পাৰোঁ। মোৰ এনেকুৱা অস্থিৰ অৱস্থা হ'ল যে বহিবও নোৱাৰোঁ, ঠিবও নোৱাৰোঁ, থিয় হৈ বৈ থাকিব নোৱাৰোঁ, খোজ কাঢ়ি ফুৰিবও ৱাৰোঁ।

(তুৰ্কিত)

'থিৰেৰে থাকিব নোৱাৰোঁ
আঁতৰি যোৱাৰো শক্তি নাই।
কি দশাত পেলাইছা প্ৰিয়,
লাজতে মৰোঁ যে মই।

১৫০০ খৃষ্টাব্দৰ ঘটনাৱলী

উজবেগবিলাকে চমৰখণ্ড দখল কৰাৰ পিচতেই আমি 'কেছ'ৰপৰা হিচা কালে যাত্ৰা কৰোঁ।

ভালে-বেয়াই মিলাই মোৰ মানুহ আছিল দুশ চল্লিশ জন। মোৰ অনু আমীৰ আৰু কৰ্ম্মচাৰীসকলৰ লগত পৰামৰ্শ শেষ কৰি এই সিদ্ধান্ত কৰা হ যে—চেবানি খাঁই যেতিয়া সিদিনা মাত্ৰ চমৰখণ্ড অধিকাৰ কৰিছে ইমান সময়ৰ ভিতৰত নিশ্চয় চমৰখণ্ডবাসীয়ে তেওঁৰ প্ৰতি আৰু তেওঁ নিজেও চমৰখ বাসীৰ প্ৰতি পৰস্পৰ অনুৰাগী হৈ উঠা নাই। যদি আমি এই সময়তে হ কোনোৰকমে দুৰ্গৰ ভিতৰলৈ যাব পাৰোঁ তেতিয়া দুৰ্গৰ অধিবাসীসকলে নি আমাৰ পক্ষ ল'ব। সেইটোও যদি নহয় অন্ততঃ সিহঁত নিষ্ক্ৰিয় হৈ থাকিব নিশ্চয় উজবেগৰ পক্ষ লৈ যুদ্ধ নকৰিব। মুঠৰ ওপৰত এবাৰ এই নগৰত প্ৰবে কৰিব পাৰিলে ভগৱানৰ যি ইচ্ছা সেয়ে হ'ব। এই সিদ্ধান্তলৈ আহিয়েই আ অশ্বাৰোহী হ'লোঁ আৰু ৰাতিটোৰ বহুখিনি সময় বেগাই আগবাঢ়ি গ'লোঁ মাজনিশা ইউৰেট খাঁ পাওঁগৈ। শত্ৰুসৈন্য সজাগ হৈ থকা জানিবলৈ পা আমি আগবাঢ়িবলৈ প্ৰয়াস নাপালোঁ। ইউৰেট খাঁৰ পৰা পিচ হুঁ আহিলোঁ। পুৱা কোহিক নদী পাৰ হৈ ইয়াৰাইলাক্ পুনৰ দখল কৰিলোঁ।

এদিন মোৰ কেইজনমান কৰ্ম্মচাৰী আৰু আমীৰৰ লগত আচ্ ফেনা দুৰ্গত কথা-বতৰা পাতি আছিলোঁ। নানা বিষয়ে আলোচনা চলিছিল। কৈ পেলাওঁ—বাৰু, এটা শুভদিনৰ মনতে ধাৰণা কৰা যাওক। তেওঁ ভগৱানে আমাক এনেকুৱা এটা সুদিন দিব যিদিনা আমি চমৰখণ্ড দখল কৰি পাৰোঁ।

কোনোৱে ক'লে—বসন্তকালত। তেতিয়া আছিল হেমন্তকাল। কোনো ক'লে এমাহ। কোনোবাজনে কৈ উঠে চল্লিশ দিনৰ ভিতৰত। আ

কানোএজনে ক'লে কুৰি দিনৰ ভিতৰতে অধিকাৰ কৰিম চমৰখণ্ড। সৰ্ব্বশক্তি-ান ভগৱানে তেওঁৰ কথা শুনিছিল, কাৰণ আমি এটা পক্ষৰ ভিতৰতে ৰখণ্ড অধিকাৰ কৰিছিলো।।

এই সময়তে মই এটা অদ্ভুত সপোন দেখোঁ। দেখিলোঁ মহামতি খাজা ৱতুল্লা মোৰ লগত দেখা কৰিবলৈ আহিছে। তেওঁক অভ্যৰ্থনা জনাবলৈ গৰাঢ়ি গ'লোঁ। তেওঁ ভিতৰত বহিলহি। তেওঁৰ কাৰণে এখন মেজ পৰা ছে। কিন্তু মেজৰ কাপোৰ বৰ পৰিপাটিকৈ ৰখা হোৱা নাই। সেই কাৰণে নিষ্ঠাবান ধাৰ্ম্মিক লোকজন যেন অলপ বিৰক্ত হৈছে। মোল্লা বাবাই এই া বুজি পাই মোক এটা ইঙ্গিত দিলে। ময়ো ইঙ্গিততে জনালোঁ যে এইটো ৰ দোষ নহয়, যি মেজ সজাইছে তেওঁৰেই দোষ। আমাৰ ভিতৰত ইঙ্গিতত কথা হ'ল তাক খাজা চাহেবে বুজি পালে আৰু মোৰ কৈফিয়তত সন্তুষ্ট ল। তেওঁ উঠিলত আদৰেৰে বাহিৰলৈ লৈ আহিলোঁ।। ঘৰৰ বৰ কোঠাত ৰ তেওঁ তেওঁৰ বাঁও বা সোঁ হাতেৰে মোক সাবটি ধৰি ইমানঃ ওপৰলৈ দাঙি লে যেন মোৰ এটা ভৰি মাটিৰপৰা ওপৰলৈ উঠি আহিল। সেই সময়তে তুৰ্কি ভাষাত মোক ক'লে—'তোমাৰ ধৰ্ম্মগুৰুৱে তোমাক উপদেশ দিছে।' সপোন দেখাৰ কেইদিনমান পিচতে চমৰখণ্ড দখল কৰোঁ।

চমৰখণ্ড আকস্মিকভাৱে দখল কৰিবৰ কাৰণে যাত্ৰা কৰিও তাৰ দুৰ্গৰক্ষী-াক সতৰ্ক হৈ থকা দেখি ঘূৰি আহিবলৈ বাধ্য হওঁ। কিন্তু সৰ্ব্বশক্তিমান ৰ ওপৰত বিশ্বাস ৰাখি আকৌ সেইদৰেই দুপৰীয়াৰ নামাজৰ পিচত খণ্ড বুলি ওলালোঁ। আবদল মাকৃৰাম মোৰ লগতে আছিল। মাজনিশা াক দলওৰ ওচৰ পালোগৈ। তাৰপৰা কেইজনমান বছা বছা মানুহ লোঁ দুৰ্গৰ ফালে। তেওঁবিলাকক উপদেশ দিলোঁ অথলা লগত লৈ বাঢ়িবলৈ। সিইঁতে যেন প্ৰেমিক গুহাৰ বিপৰীত ফালৰ দুৰ্গৰ বেৰ াৰ সহায়ত বগাই দুৰ্গৰ ভিতৰলৈ জপিয়াই পৰে। দুৰ্গৰ ভিতৰলৈ সোমাই তে অকণো পলম নকৰি ফিৰোজ দ্বাৰত যিবিলাক পহৰা দি আছে তেওঁ-

বিলাকক আক্ৰমণ কৰি সেইটো যেন দখল কৰি লয় আৰু (
খবৰ দিয়ে। মোৰ উপদেশ মতেই সিহঁত আগবাঢ়ি গল। হ
সাৰে ভৰিত সাৰে সিহঁতে প্ৰেমিক গুহাৰ বিপৰীত ফালৰ বেৰত ব
ভিতৰ সোমাল। তাৰ পিচত ফিৰোজ দ্বাৰৰ ফাললৈ চোচা ল'লে।
সিহঁতে ফাজিল তাৰখান নামে তুৰ্কিস্থানৰ এজন সদাগৰক দেখা পায়।
তুৰ্কিস্থানত চেবানী খাঁৰ তলত কাম কৰিছিল আৰু তেওঁৰ পদোন্নতিও হৈ
মোৰ অনুচৰসকলে তেওঁৰ ওপৰত জপিয়াই পৰিল। তৰোৱালৰ কে
তেওঁক আৰু সেনাবিলাকক মাটিত বগৰাই কুঠাৰেৰে ফটকৰ তলা ?
দুৱাৰ খুলি দিলে।

সেই সময়তে মই ফটকৰ ওচৰ পালোঁগৈ। দুৱাৰ খোলা পাই ভি
সোমাই গ'লোঁ। নগৰবাসী তেতিয়া ঘোৰ টোপনিত লালকাল। দো
বিলাকে কিন্তু দোকানৰ পৰাই জুমি চাইছিল কিনো ঘটনা ঘটিছে। (
লোকে বাহিৰলৈ আহি ভগৱানৰ উদ্দেশ্যে প্ৰাৰ্থনা আৰম্ভ কৰি দিলে। ব
সময়ৰ ভিতৰতে বাকী অধিবাসী বিলাকেও এই ঘটনাৰ কথা জানিব পা
তেওঁবিলাক গভীৰ আনন্দত অভিভূত হৈ পৰিল। তেওঁবিলাক আৰু
অনুচৰসকলৰ মাজত সাদৰ-সম্ভাষণ আদান-প্ৰদান চলিবলৈ ধৰিলে। (
বিলাকে প্ৰত্যেক আলি আৰু গলিত উজবেগবিলাকক দেখিলেই লাঠি
শিল দলিয়াই খেদি নি বলিয়া কুকুৰৰ দৰে হত্যা কৰিবলৈ ধৰিলে। এ
চাৰি-পাঁচশ উজবেগ সিহঁতে বধ কৰিলে। ঘটনা শকত যেন দেখি সে
খাঁৰ ওচৰলৈ নগৰৰ শাসক পলাই গ'ল।

প্ৰবেশ দ্বাৰত সোমায়েই পলম নকৰি মই মহাবিদ্যালয় ভবনৰ ফা
যাওঁ। সেই-খিনি পায়েই সেই ভৱনৰ খিলান দিয়া বৰ কোঠাত বহিব
কৰি লওঁ। পুৱালৈকে যুদ্ধৰ কোঢ়াল কেউফালে শুনা গ'ল। কেই
নাগৰিক আৰু দোকানীয়ে কিনো হৈছে জানিব পাৰি হাতত যি খো

ছিল তাকে লৈ দলে দলে মোক অভ্যৰ্থনা জনাবৰ কাৰণে আহিল আৰু
ৰ জয়লাভত ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

ৰাতিপুৱা খবৰ পালোঁ যে উজবেগইঁতে লৌহফটক দখল কৰি আছে
ৰু তাতেই সিহঁতৰ দলৰ মানুহবিলাকক গোট খুৱাইছে। এই ৰাতিৰি
ুই মই পোন্ধৰ-কুৰিজনমান লোক লৈ ঘোঁৰাত উঠি সেইফালে বেগাই
লোঁ। কিন্তু নগৰৰ আঘাত হনা জনতা—যি উজবেগবিলাকক আলি আৰু
বিলাকত বিচাৰি ফুৰিছিল—সিহঁতেই মই সেইখিনি পোৱাৰ আগতে
ৰুক তাৰপৰা খেদি পঠাইছে।

কিলো হৈছে জানিব পাৰি চেবানি খাঁই লৰালৰিকৈ এশ কি দেড়শ
ৰেগী সেনা লৈ লৌহ ফটকৰ কাষলৈ আহে। তাৰ কাৰণে এইটো এটা
। সুযোগ—কাৰণ মোৰ জনবল তাকৰীয়া। কিন্তু চেবানি খাঁই বুজিব
যে এই ঠাইৰ অৱস্থা—জনসাধাৰণৰ মনৰ গতি। পৰিস্থিতি ভাল নহয়
তেওঁ আৰু অপেক্ষা নকৰি যি বাটেদি আহিছিল সেই বাটেই ঘূৰি গ'ল।
মই চহৰ এৰি উদ্যান প্ৰাসাদত গৈ সোমালোঁ। সম্ভ্ৰান্ত লোক আৰু নগৰৰ
বিভাগৰ কৰ্ম্মচাৰীসকলে মোৰ ওচৰলৈ আহি তেওঁলোকৰ শ্ৰদ্ধা আৰু
তা জনালে। প্ৰায় দেড়শ বছৰ আমাৰ বংশৰ লোক চমৰখণ্ডৰ ৰজা
ল। এজন বিদেশী দস্যুৱে—কোনেও নাজানে ক'ৰ পৰা আহিছিল—
জ্য অধিকাৰ কৰে আৰু আমাৰ বংশৰ হাতৰপৰা যায়। সৰ্ব্বশক্তিমান
নে আমাৰ হেৰোৱা ৰাজ্য মোক আকৌ ঘূৰাই দিলে।

ই ৰাজ্য জয় কৰাৰ তাৰিখ আৰু চন স্মৰণ কৰাৰ কাৰণে কেইজনমান
অ.নন্দতে কবিতা লিখিছিল। তাৰ ভিতৰত এটাৰ কথা এতিয়াও
আছে।

'বাবৰ বাহাদুৰ যে
জিকিছিল ৰণ
হে মন, কৰা স্মৰণ
সি কি চন।'

আন্দেজানৰপৰা মই অহাৰ পিচতেই মা, আইতা আৰু পৰিয়ালৰ ব সকলোৱেই যাত্রা কৰে। বাটত বহুত দুখ-কষ্ট আৰু অসুবিধা ভোগ অতি কষ্টত তেওঁবিলাক উৰাতিপাত উপস্থিত হ'লহি। তাৰপৰা তেওঁবিলা চমৰখণ্ডলৈ অনাৰ ব্যৱস্থা কৰোঁ। এই সময়তে মোৰ প্রথমা স্ত্রী আ বেগম চুলতানৰ গৰ্ভত এটি কন্যা সন্তান জন্মে। তাইৰ নাম দিয়া জিবুন্নিছা অর্থাৎ ৰমণীৰত্ন। এইটিয়েই মোৰ প্রথম সন্তান। মোৰ তেতিয়া উনৈশ। ত্রিশ-চল্লিশ দিন হওঁতেই এওঁক ভগৱানে নিজৰ ক লৈ যায়।

চমৰখণ্ড অধিকাৰ কৰাৰ পিচতেই এটাৰ পিচত এটাকৈ বার্ত্তাবাহক কটকী ওচৰ বা দূৰৰ সকলো চুলতান, খাঁ, আমীৰ আৰু চৰ্দ্দাৰৰ ওচৰলৈ প অনুৰোধ জনাওঁ যেন তেওঁবিলাকৰ সাহায্য আৰু সহানুভূতি মই পাওঁ। পত্রবাহকসকল চিঠি লৈ অনবৰত অহা-যোৱা কৰিবলৈ লাগিল। কেইজনমান চুলতান আৰু আমীৰে সকলো কথা জ্ঞাত হৈও মোৰ প্র অসৌজন্যতাৰে প্রত্যাখ্যান কৰে। আৰু কেইজনমান—যিসকল পৰিয়ালৰ প্রতি আগতে কোনো অন্যায়, অবজ্ঞা বা অপমান কৰাৰ দোষী—তেওঁবিলাকে ভয়তে কোনো উত্তৰকে নিদিলে। তাকৰীয়া কেই মানে মোক সহায় কৰিবলৈ ৰাজী হ'লেও সময়মতে তেওঁবিলাকে মোক সহায় কৰা নাই যাৰ পৰা মোৰ কোনো উপকাৰ হয়। তেওঁবিলাক পিচত ক'ম।

চাৱাল মাহত চেবানি খাঁৰ লগত যুদ্ধ কৰিবৰ কাৰণে নগৰৰ পৰা বাহিৰ হওঁ। নৱ উদ্যানত সৈন্যৰ প্রধান ঘাটি কৰি আৰু সৈন্য সংগ্রহ যুদ্ধৰ বাবে সাজু হ'বলৈ আৰু পাঁচ-ছদিন বাট চালোঁ। পাচত যাত্রা কৰি নিৰ্বিঘ্নে যাওঁ ছিৰ-ই-পুল পৰ্য্যন্ত। আৰু অলপ আগবাঢ়ি স্থাপন কৰোঁ। আমাৰ শিবিৰ সুৰক্ষিত কৰিবৰ কাৰণে খাল খন্দ বেৰা দি ঘেৰী থোৱাৰ ব্যৱস্থা কৰা হয়। বিপৰীতফালৰপৰা চেবানী

গৰাঢ়ি আহি থাকে আৰু কিছু দূৰত শিবিৰ স্থাপন কৰে। তেওঁৰ ছাউনীৰ : মোৰ ছাউনীৰ দূৰত্ব আছিল চাৰি মাইল।

এইদৰেই আমি চাৰি-পাঁচদিন আছিলোঁ। মাজে মাজে মোৰ পক্ষৰ -মুৰা সৈন্যদলে শত্রু সৈন্যৰ ওপৰত জপিয়াই পৰি সংঘৰ্ষৰ সৃষ্টি কৰিছিল। ন সিহঁতৰ এটা ডাঙৰ দল আগবাঢ়ি আহে। সেইদিনা সংঘৰ্ষ বেচ প্ৰবল ; কিন্তু কোনো পক্ষই সুবিধা কৰিব নোৱাৰিলে। মোৰ সৈন্যবিলাকৰ ৰেত পতাকাবাহী এজন সেনাই বৰ বেয়া আচৰণ দেখুৱায়। সি পলাই ত আশ্ৰয় লয়গৈ। কোনো কোনোৱে কবলৈ ধৰিলে—পতাকাবাহী টো হ'ল চৈয়দ কাৱা। সেইটো হোৱা সম্ভৱ। কাৰণ চৈয়দ কাৱা বক্তৃতাৰ কা খুব সাহিয়াল, তৰোৱাল হাতত ললেই সি ভীৰু হৈ পৰে।

এৰাতি চেবানী খাঁই শিবিৰ আক্ৰমণ কৰিবলৈ চেষ্টা কৰি আমাক চমকিত তোলে। কিন্তু খালেৰে ঘেৰা আমাৰ শিবিৰ ইমান সুৰক্ষিত আছিল হঁতে একোৱেই কৰিব নোৱাৰিলে। খালৰ কাষলৈ আহি ৰণ-হুঙ্কাৰ কেইডালমান কাঁড় এৰি আঁতৰি পলাল।

আগত যুদ্ধৰ প্ৰস্তুতিৰ কাৰণে এইবাৰ সম্পূৰ্ণ আত্মনিয়োগ কৰিলোঁ। বাৰ আলিয়ে মোক সহায় কৰিলে। বাকি তাৰথান প্ৰায় দুহাজাৰ সৈন্য কেছ' পাইছেহি। পিচদিনা তেওঁ মোৰ ওচৰলৈ অহাৰ কথা। মোৰ খাঁ চাহেবে হেজাৰ-দেড় হাজাৰ সৈন্য দি মিৰ চাহাবৰ পুতেকক মোক কৰিবলৈ পঠিয়াইছে। সিহঁতে মোৰ শিবিৰৰপৰা ১৬ মাইল দূৰৰ পাইছেহি। পিচদিনা পুৱা সিহঁত এইখিনি পোৱাৰ কথা। এনেকুৱাই পৰিস্থিতি মই দুঃসাহসৰ বলেৰে যুদ্ধত নামিলোঁ।

'অশান্ত মনৰ গতিত
আগপিচ নুগুণি
হাতত যি তোলে তৰোৱাল ততালিকে
দুঃসাহসী সেইজন

অৱশেষত ভগ্নমন

সেই হাত দংশিব নিজ দাঁতে।

লৰালৰিকৈ মোৰ যুদ্ধত নমাৰ আগ্ৰহৰ কাৰণ আছিল এয়ে যে সেই দুয়োটা বিৰোধী সেনাৰ মাজত আকাশত অষ্টনক্ষত্ৰৰ উদয় হ'ব। এই দিনটোৰ সদব্যৱহাৰ নকৰোঁ আৰু দিনটো পাৰ হৈ যায় তেতিয়া এই সুযোগ পাবলৈ আৰু ১৩।১৪ দিন পাৰ হৈ যাব। আৰু এই কালছে শত্ৰুৰ সুবিধাজনক হ'ব। এনে মনোভাব লৈ ঘটনাৰ বিচাৰ কৰা নিৰ্ব্বুদ্ধি লক্ষণ। সেই কাৰণে মই লৰালৰিকৈ যুদ্ধত নমাৰ সিদ্ধান্ত লোৱাৰ যুক্তি নাছিল।

পুৱা সৈন্যবিলাকক অস্ত্ৰেৰে সজ্জিত কৰা হ'ল। ঘোঁৰাবিলা জিন-বলগা লগাই সাজু কৰি লোৱা হ'ল। তাৰ পিচত আমি শত্ৰুৰ সম্মু হ'বলৈ আগে-পিচে, সোঁৱে-বাওঁৱে সৈন্যবেহু সাজি ওলাই আহিলোঁ। সৈন্যৰ ওপৰত জপিয়াই পৰাৰ উদ্দেশ্যে আমি আগবাঢ়ি গ'লোঁ। আমাৰ মুখামুখি হ'বলৈ সাজু হ'ল। দুয়োটা বিৰোধী দল সমুখা-সমু হোৱাত শত্ৰুপক্ষৰ সোঁ-শাৰীৰ সৈন্যই মোৰ বাওঁহাতৰ সৈন্যৰ কা আগবাঢ়ি আহি আমাৰ পিচফালে ঘেৰি ধৰে। মই সিহঁতৰ মুখা হ'বলৈ তৎক্ষণাৎ ঘূৰি লওঁ। মই এনেকৈ স্থান পৰিবৰ্ত্তন কৰাৰ মোৰ সম্মুখভাগৰ বছা-বছা অভিজ্ঞ সৈন্যদল সোঁফালে বৈ যায়। তেওঁলোকৰ কোনোৱেই মোৰ লগত আহিব নোৱাৰিলে। যাহক হোৱা সত্ত্বেও আমাৰ সৈন্যৰ প্ৰবল হেচাত শত্ৰুসৈন্যৰ সম্মুখভাগ থকা হৈ পিচ হুঁহকি যায়। আনকি চেবানিখাঁৰ কেইজনমান অভিজ্ঞ সৈন্য তেওঁৰ ওচৰলৈ গৈ কয় যে এতিয়াই পিচুৱাই নগ'লে সকলো শেষ যাব। কিন্তু তেওঁ তাত সম্মত নহৈ যুদ্ধ চলাই যায়। শত্ৰুপক্ষৰ শাৰীৰ সেনাবিলাকে মোৰ বাওঁ শাৰীত ৰণুৱাবিলাকক হকুৱাই পিচফালৰপৰা আক্ৰমণ কৰে। মোৰ স্থান পৰিবৰ্ত্তনৰ ফলত মোৰ

গৰ সেনাবিলাক সোঁফালে পৰাত আমাৰ সম্মুখভাগ অৰক্ষিত হৈ হৈছিল। শত্রুপক্ষই সুযোগ বুজি আগে পিচে আক্রমণ চলাই অজস্র শৰ ৰ কৰিবলৈ আৰম্ভ কৰিলে। মোৰ সহায়ৰ কাৰণে অহা মোগল সৈন্যই ৰ প্রতি কোনো আগ্রহ নেদেখুৱাই ঘোঁৰাৰ পৰা নামি মোৰ মানুহ-াকক লুট কৰা আৰম্ভ কৰিলে। অকল এই এটা ক্ষেত্রতে মাত্র সিহঁতে কৰা কৰিছে সেইটো নহয়—এনে দগাবাজি মোগলবিলাকৰ চিৰাচৰিত ত। সিহঁত যদি কোনো যুদ্ধত জয়ী হয় তেতিয়া লগেলগেই শত্রুপক্ষৰ বাহিনী লুট কৰে আৰু যদি পৰাজিত হয় তেতিয়াও মিত্রপক্ষৰে বস্তু লুট ৰি পাৰে লৈ পলায়।

মাত্র বাৰ কি পোন্ধৰ জন সেনা মোৰ লগত আছিল। কোহিক নদী ৰ কাতি ওচৰতে। মোৰ সৈন্যদলৰ দক্ষিণ শাৰীৰ এটা মূৰ নৈৰ প্রায় কেকে বিস্তৃত আছিল। আমি লৰালৰিকৈ নৈৰ ফালে দৌৰি গলোঁ। পায়েই ঘোঁৰা আৰু সৈন্যবিলাক সকলো সা-সৰঞ্জামেৰে নদীত আমি পৰিলোঁ। নৈ পাৰ হওঁতে দেখা গ'ল যে আধাখিনিলৈকে পানী নহয়, কিন্তু মাজ পাই আৰু থাউনি পোৱা নগ'ল। অনবৰত কাঁড় ৰ মাজেদি সকলো অস্ত্র-শস্ত্র আৰু অশ্বাৰোহী লৈ ঘোঁৰাবিলাক সাঁতোৰাই ৰ লৈ অহা হ'ল। পাৰ পায়েই ঘোঁৰাৰ গধুৰ সৰঞ্জামবিলাক কাটি ৰ কৰা হ'ল। উত্তৰ পাৰ পায়েই আমি শত্রু সৈন্যৰ পৰা পৃথক হৈ ইলোঁ। এই সময়ত দগাবাজ মোগলইঁতে অশ্বাৰোহী বিলাকক ঘোঁৰাৰ নমাই তেওঁলোকৰ বয়-বস্তু লুট কৰিলে। ইব্রাহিম তাৰখান আৰু জনমান সুদক্ষ সৈনিকক এইদৰে ঘোঁৰাৰপৰা নমাই বয়-বস্তু কাঢ়ি লৈ গলবিলাকে হত্যা কৰে।

'জাতত মোগল, মোগল জাত ?
দেৱদূত ইহঁত ? কেতিয়াও নহয়।
মোগল জাত হাৰাম জাত।

সোণৰ আখৰে যদি লিখাও থাকে
মোগল নাম।
হ'বনে গৌৰৱ ? কেতিয়াও নহয়।
মোগল নাম দুৰ্নাম।
'সাবধান, ভুলতো কেতিয়াও
নুতুলিবা তুমি
মোগলৰ খেতিৰ পৰা
এমুঠিও শস্যবীজ
এনে সেই বীজ
যদি কৰা ৰোপন
নকৰিবা ভুল, বিষ বৃক্ষত হ'ব পৰিণত।

কোহিক নদীৰ উত্তৰ পাৰেদি আমি কিছুদূৰ আগবাঢ়ি আকৌ নদী পাৰ হৈ এই পাৰলৈ গুচি আহোঁ। আবেলি আৰু গধূলিৰ নামাজৰ মাজ সময়তে 'শেখজাদৰ' দ্বাৰত উপস্থিত হওঁ। তাৰ পিচত নগৰত প্ৰবেশ কৰোঁ।

উচ্চপদৰ বহুত সুদক্ষ সৈন্য আৰু নানা শ্ৰেণীৰ বহুত মানুহ এই যুদ্ধত নিহত হয়।

এই বিপদত যি মোক সৎপৰামৰ্শ দিব পাৰে তেনে সেনাপতি আৰু মোৰ বিশিষ্ট অনুগতসকলক আহ্বান কৰিলোঁ। আলোচনাত স্থিৰ হ'ল যে এই দুৰ্গ যিমানদূৰ সম্ভৱ সুৰক্ষিত কৰা হ'ব আৰু ইয়াক ৰক্ষা কৰিবলৈ প্ৰাণ পৰ্য্যন্ত পণ কৰিব লাগিব। কাচিম বেগ আৰু মই বিশ্বাসী অনুগামী-সকলক লৈ সংৰক্ষিত দল গঠন কৰোঁ। মোৰ কাৰণে নগৰৰ সোঁ মাজতে শিবিৰ স্থাপন কৰি তাতেই প্ৰধান ছাউনী কৰা হ'ল। সৈন্যদলৰ বহুতকে বেলেগ বেলেগ দ্বাৰত পহৰা দিয়া, দুৰ্গ প্ৰাচীৰ ৰক্ষা কৰা প্ৰভৃতি নানা কামত ভাগে ভাগে লগোৱা হ'ল।

চেবানি খাঁই দুই-তিনি দিনৰ পিচত আগুৱাই আহি নগৰৰপৰা অলপ দূৰত শিবিৰ তৰিলেহি। এই সময়তে চমৰখণ্ড নগৰৰ আৰু অন্যান্য জিলাৰ কিছুমান অপদাৰ্থ গুণ্ডাশ্ৰেণীৰ মানুহে গোট খাই 'আল্লাহু' আকবৰ' ধ্বনি কৰি মহাবিদ্যালয় ভবনৰ দ্বাৰত উপস্থিত হ'লহি। তাৰ পৰাই চিঞৰ-বাখৰ কৰি যুদ্ধ যাত্ৰা কৰিলে। সেই সময়ত চেবানি খাঁই যুদ্ধৰ সাজ-পোছাক কৰি আক্ৰমণৰ কাৰণে ওলাইছিল। ইহঁতৰ ৰণহুঙ্কাৰ শুনি আগবাঢ়িবলৈ আৰু সাহ নকৰিলে। এইদৰেই কেইদিনমান পাৰ হ'ল। নিক্ষিপ্ত শৰ বা তৰোৱালৰ আঘাত নো কি বস্তু তাক অজ্ঞ জনতাই কেতিয়াও বুজি পোৱা নাছিল। সিহঁত কেতিয়াও সমুখ ৰণত নমা নাই। যুদ্ধৰ তাণ্ডব লীলা যে কি ভয়ঙ্কৰ তাৰো অভিজ্ঞতা তেওঁলোকৰ নাছিল। চেবানি খাঁৰ নিশ্চেষ্টতা দেখি সিহঁতৰ সাহ বাঢ়িল। সিহঁতে দুঃসাহস লৈ নিজ ঠাই এৰি আগবাঢ়িল। সিহঁতে আগবাঢ়ি আক্ৰমণ কৰাটো মূৰ্খামি হ'ব বুলি অভিজ্ঞ বয়সিয়াল লোকসকলে বুজাবলৈ চেষ্টা কৰিছিল হয় কিন্তু সিহঁতে সেই উপদেশলৈ কাণ নিদি তেওঁবিলাকক গালি-শপনি পাৰি খেদি দিলে।

এদিন চেবানি খাঁই লৌহ দ্বাৰৰ ওচৰলৈ আহি আক্ৰমণ চলায়। গুণ্ডা জনতা ইতিমধ্যে বেচ সাহসী হৈ উঠিছিল। সিহঁতে বৰ বীৰত্ব দেখুৱাই সিহঁতৰ ৰীতি অনুসাৰে নগৰৰপৰা অনেক দূৰ আগুৱাই গ'ল। যদি সিহঁত পিচ হুহঁকি আহিব লগা হয় তেতিয়া ঘূৰি আহোতে সিহঁতক অশ্বাৰোহী সৈন্যই বেৰি আনিব পাৰিব—এই ভাবি মই এদল অশ্বাৰোহী সৈন্য সিহঁতৰ পাচে পাচে পঠাওঁ। উজবেগবিলাকে ঘোঁৰাৰপৰা নামি হতাহতি যুদ্ধ কৰি মোৰ পক্ষৰ মানুহবিলাকক লৌহদ্বাৰলৈকে খেদি অনাত সিহঁত দ্বাৰৰ ভিতৰলৈ সোমাই পৰিল। মাটিত থিয় হৈ যিবিলাকে যুদ্ধ কৰিছিল সিহঁত আঁতৰি পৰাত ঠাইডোখৰ পৰিষ্কাৰ হোৱাৰ লগে লগে শত্ৰুপক্ষৰ অশ্বাৰোহী সৈন্য আক্ৰমণৰ উদ্দেশ্যে মছজিদৰ ফালে আগুৱাই গ'ল। ইয়াকে দেখি কুচ্ বেগে

তৰোৱাল লৈ অতি খৰগতিৰে উজবেগবিলাকৰ ওপৰত জপিয়াই পৰিল। নগৰ-বাসীয়ে দূৰত বৈ তেওঁৰ অদ্ভুত বিক্রম চাবলৈ ধৰিলে। আক্রমণকাৰীইতে তেতিয়া ধনু-কাঁড়েৰে যুদ্ধ কৰাৰ কথা পাহৰি পলাবলৈ বাট বিচাৰিছে। মই প্ৰবেশ দ্বাৰৰ ওপৰত উঠি শৰ নিক্ষেপ কৰি আছোঁ। মোৰ সঙ্গীসকলেও অনবৰত কাঁড় চলাইছে। ওপৰৰপৰা হোৱা কাঁড় নিক্ষেপৰ প্ৰতাপত শত্রুপক্ষই আৰু মছজিদ পৰ্য্যন্ত আগুৱাব নোৱাৰিলে। সিইঁত ছুইঁকি গ'ল।

অৱৰোধৰ সময়ত প্ৰতি নিশা কেতিয়াবা কাচিম বেগ কেতিয়াবা অন্যান্য বেগ আৰু সৈন্যাধ্যক্ষসকলে দুৰ্গ প্ৰাচীৰৰ চাৰিওফালে ঘূৰি পৰ্য্যবেক্ষণৰ কাম কৰিছিল। ফিৰোজদ্বাৰৰপৰা শেখজাদে দ্বাৰলৈকে ঘোঁৰাত উঠি যাবপৰা যায়। আন ঠাইলৈ যাবলৈ হ'লে অৱশ্যে খোজকঢাৰ বাহিৰে অন্য উপায় নাছিল, গধূলিতে দুৰ্গৰ চাৰিওফালে পৰ্য্যবেক্ষণ আৰম্ভ হয় আৰু শেষ হয় পুৱা।

চেবানি খাঁই এদিন লৌহদ্বাৰ আৰু শেখজাদে দ্বাৰৰ মাজৰ ঠাইত আক্রমণ চলালে। সেউজীয়া দ্বাৰ আৰু বেজাৱালাদ্বাৰৰ কালে চকু নাৰাখি মই মোৰ সংৰক্ষিত সৈন্য লৈ আক্রান্ত স্থানলৈ আগুৱাই গ'লোঁ। শেখজাদে দ্বাৰৰপৰা সেইদিনা মই নিভূ‍ৰ্লভাৱে এটা বগা ঘোঁৰাক লক্ষ্য কৰি কাঁড় মাৰোঁ। গাত কাঁড় লগা মাত্ৰকে প্ৰাণহীন দেহা লৈ ঘোঁৰাটো মাটিত বাগৰি পৰে। কিন্তু ইতিমধ্যে শত্রুসৈন্যই প্ৰবলভাৱে 'উটৰ ডিঙি'ৰ ফালে আক্রমণ চলাই দুৰ্গ-প্ৰাচীৰৰ কাষৰ কিছু ঠাই দখল কৰিবলৈ সক্ষম হয়। তেতিয়া মই য'ত আছিলোঁ সেই পিনৰ শত্রু সৈন্য খেদোৱাৰ কামত ব্যস্ত। বিপদ যে অন্য-ফালৰপৰা আহিব পাৰে সি মোৰ ধাৰণাৰ অতীত আছিল। সেইফালৰপৰা শত্রুৱে তেতিয়া ২৪।২৫ ডাল জখলা প্ৰাচীৰ বগোৱা ব্যৱস্থা কৰি পেলাইছে। জখলাবিলাক ইমান বহল যে একে শাৰীতে দুই-তিনি জন উঠি আহিব পাৰে। চেবানী খাঁই সাত-আঠ শ বছা বছা সৈন্য আৰু জখলা নগৰ প্ৰাচীৰৰ সিফালে 'কামাৰ' আৰু 'বেজীৱালা' দ্বাৰৰ মাজৰ ঠাইত লুকুৱাই ৰাখিছিল আৰু নিজে কেইজনমান সৈন্য লৈ আন ঠাইত আক্রমণ কৰাৰ ভাও ধৰিছিল। এই

কাৰণে বিপদ যে কোন ফালৰপৰা আহিছে ঠিক ধাৰণা কৰিবপৰা নাছিলোঁ। সুযোগৰ অপেক্ষাত লুকাই থকা শত্রু সৈন্যই যেতিয়া দেখিলে যে প্ৰাচীৰৰ ইফালে প্ৰতিৰক্ষাৰ ব্যৱস্থা নাই তেতিয়া সিহঁতে গুপ্ত ঠাইৰপৰা বেগাই ওলাই আহি দুই দ্বাৰৰ মাজঠাইত দুৰ্গৰ প্ৰাচীৰ বগাবলৈ জখলা লগাই পেলালে। 'বেজীৱালা' দ্বাৰ পহৰা দিয়াৰ ভাৰ কাৰা বিৰলাছৰ ওপৰত আৰু সেউজীয়া দ্বাৰ পহৰা দিয়াৰ ভাৰ আছিল ছিৰাম তাঘাই আৰু তেওঁৰ ভায়েকসকলৰ ওপৰত। যুদ্ধ অন্যকালে হোৱা দেখি তেওঁলোকে বুজিবপৰা নাছিল যে বিপদ এই ফালৰপৰা আহিব পাৰে। তেওঁবিলাকে তেতিয়া নিজ নিজ কামত হয় ঘৰত নহয় বজাৰত ফুৰিছে। যি কেইজন আমীৰে চাৰিওফালে চকু ৰাখিছিল তেওঁবিলাকৰ লগত মাত্ৰ কেইজনমান মানুহ আছিল। যেয়ে নহওক, কুচবেগ আৰু এজন বীৰ অশ্বাৰোহী শত্রুপক্ষৰ ওপৰত জপিয়াই পৰিল। সিহঁতে সেইদিনা অদ্ভুত বীৰত্ব দেখুৱাইছিল। শত্রুপক্ষৰ কেইজনমানে প্ৰাচীৰ পাৰ হৈ আহিছিল আৰু কেইজনমানে বেৰ বগোৱাৰ চেষ্টা কৰিছিল। সেই সময়তে চাৰিজন অনুচৰে বীৰৰ দৰে খোলা তৰোৱাল লৈ সিহঁতক আক্ৰমণ কৰি প্ৰাচীৰৰ সিপাৰলৈ খেদি দিয়ে আৰু পিচ হুঁহকিবলৈ বাধ্য কৰে। ঘাটাইতকৈ বেছি বীৰৰ দৰে কাম কৰিছিল কুচবেগে। তেওঁৰ এই বীৰত্বৰ দৃষ্টান্ত চিৰস্মৰণীয়। এই অৱৰোধৰ সময়ত তেওঁ দুবাৰ অতি সাহসৰ কাম কৰে। কাৰা বিৰলাছে প্ৰায় অকলশৰীয়া অৱস্থাৰে 'বেজীৱালা' দ্বাৰত শত্রুৰ আক্ৰমণ ভালদৰে প্ৰতিহত কৰে। খাজা গকুলতাছ আৰু কুল নাজেৰে কেইজনমান অনুচৰ লৈ শত্রু আক্ৰমণ 'ধোবি' দ্বাৰৰ ওচৰত ৰোধ কৰে। সিহঁতে পিচ ফালৰপৰা শত্রুসৈন্যক প্ৰবলভাৱে আক্ৰমণ কৰে। এইদৰেই শত্রুৰ আক্ৰমণ নিষ্ফল হয়।

আৰু এবাৰ কাচিম বেগে এদল তাকৰীয়া সৈন্য লৈ 'বেজীৱালা' দ্বাৰেদি ওলাই আহি উজবেগবিলাকক পৰাস্ত কৰে। সিহঁতৰ কেইজনমানক ঘোঁৰাৰ পৰা নমাই শিৰশ্ছেদ কৰে। তাৰ পাচত সিহঁতৰ মূৰ লৈ ঘূৰি আহে।

শস্য পকাৰ সময় হৈ আহিছে কিন্তু খেতি চপোৱাৰ কোনো উপায় নাই। অৱৰোধ বহুদিন ধৰি চলি আছিল। দুৰ্গৰ নগৰবাসী অতি দুৰৱস্থাত পৰিল। অৱস্থা এনে হৈছিল গৈ যে দুখীয়া আৰু নীচ জাতৰ মানুহবিলাকে কুকুৰ আৰু গাধৰ মাংস খাবলৈ বাধ্য হ'ল। ঘোঁৰাৰ খাদ্যাভাৱ হোৱাত সিহঁতক গছৰ পাত খুউওৱা হৈছিল। পৰীক্ষা কৰি দেখা গ'ল যে তুনি গছৰ পাত সিহঁতৰ খাদ্যৰ উপযোগী। কোনোৱে গছৰ বাকলি পানীত তিয়াই ঘোঁৰাক খুৱাবলৈ আৰম্ভ কৰিলে। তিনি-চাৰি মাহ চেবানি খাঁ দুৰ্গৰ কাষলৈ অহা নাই। দুৰ্গৰপৰা কিছু দূৰত চাৰিওফালে ঘেৰি আছিল আৰু মাজে মাজে স্থান সলাইছিল।

এদিন মাজনিশা যেতিয়া সকলোৱেই জিৰাবলৈ গৈছে, চেবানি খাঁই ৰণবাদ্য বজাই যুদ্ধ নিনাদ কৰি 'ফিৰোজ' দ্বাৰৰ ফালে আগবাঢ়ি আহিল। তেতিয়া মই মহাবিদ্যালয় ভবনত আছিলোঁ। বৰ আতঙ্কিত আৰু সন্ত্ৰস্ত হৈ পৰিছিলোঁ সেইদিনা। ইয়াৰ পিচত প্ৰায়ে ৰাতি সিহঁতে ৰণবাদ্যবজাই ৰণহুঙ্কাৰ লগাবলৈ ধৰিলে। মোৰ চাৰিওফালৰ ৰজা আৰু চৰ্দাৰ সকলৰ ওচৰলৈ কটকী পঠাই মোক সহায় কৰিবৰ কাৰণে অনুৰোধ জনাইছিলোঁ। কিন্তু কাৰো পৰাই কোনো সহাৰি পোৱা নগ'ল। যেতিয়া মই ক্ষমতাৰ উচ্চ শিখৰত উঠিছিলোঁ তেতিয়াও কোনো সহায় কাৰো পৰা সময়মতে বিচাৰি পোৱা নাছিলোঁ। সেইটো নাপালেও তেতিয়া মোৰ কোনো অস্বস্তি বা ক্ষতি হোৱা নাছিল। গতিকে যেতিয়া মই বিপদৰ চৰম সীমা আহি পাইছোঁহি সেই সময়ত কাৰো পৰা যে সহায় নাপাওঁ সেইটো জনা কথা। সেই কাৰণেই অৱৰুদ্ধ অৱস্থাত যেতিয়া চৰম দুৰ্দ্দশাত পৰিছোঁ তেতিয়া এই অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ কোনোবাই আশাৰ চাকিটি জ্বলাব এনে ভবাটোও ভুল। প্ৰাচীন মহান লোকসকলে কৈছে—দুৰ্গ ৰক্ষা কৰিবলৈ লাগে মূৰ, দুখন হাত আৰু দুখন ভৰি। মূৰ হৈছে সেনাপতি, দুই হাত হৈছে দুদল মিত্ৰ বাহিনী—

যি সকল তুফালৰ পৰা আগুৱাই আহিব আৰু তুই ভৰি হৈছে দুৰ্গৰ ভিতৰৰ পানী আৰু জোখাৰে খাদ্যৰ ব্যৱস্থা।

তাম্বলক আন্দেজানৰ পৰা আগবাঢ়ি অহা দেখি আমেদ বেগ আৰু তেওঁৰ কেইজনমান অনুচৰে মামুদ খাঁক তাৰ গতিৰোধ কৰিবৰ কাৰণে অনুৰোধ কৰে। দুয়োটা দলৰে অৱশ্যে লেক্-লেকন্ সীমাত দেখাদেখি হ'ল, কিন্তু কোনো দলেই আক্ৰমণ আৰম্ভ নকৰিলে। চুলতান মামুদ খাঁ যোদ্ধা মুঠেই নাছিল। যুদ্ধৰ বিষয়ত তেওঁ একেবাৰে অজ্ঞ। যেতিয়া তামবলৰ আগত থিয় হ'লহি তেতিয়া তেওঁৰ আও-ভাও দেখি ভাব হ'ল তেওঁ কথাই-কামে কাপুৰুষ। আমেদ বেগ আছিল কঠুৱা মাতৰ কিন্তু নিজ প্ৰভুৰ কামত বিশ্বাসী আৰু সাহসী। তেওঁ টানকৈ খাঁক কৈছিল—তামবল এনে কি ক্ষমতাশালী লোক যাক দেখি আপুনি ভয় আৰু আতঙ্কত মুচ্‌কচ্‌ গ'ল? যদি তাক চকুৰে চাবলৈ ভয় লাগে তেনেহ'লে চকু কেইটা বান্ধি লওক। তাৰ পিচত আহক তাৰ লগত যুদ্ধত নামোঁ।

(১০)

১৫০১ খৃষ্টাব্দৰ ঘটনাৱলী।

কেইবাদিনো ধৰি অবৰোধ চলি আছে। খাদ্য আৰু আন দৰকাৰী বস্তুও বাহিৰৰপৰা আৰু অহা নাই। কোনো ঠাইৰ পৰা সহায় পোৱাৰো তিলমান আশা নাই। এনেকুৱা অৱস্থাত মোৰ সেনা আৰু নগৰবাসী সকলে মনোবল হেৰুৱাই এজন-দুজনকৈ লাহে লাহে মোৰ দল এৰি গুচি গ'ল, চেবানী খাঁই নগৰবাসীৰ দুৰ্দ্দশাৰ কথা জানিব পাৰিছিল। তেওঁ সুবিধা বুজি আগবাঢ়ি আহি 'প্ৰেমিক' গুহাৰ ওচৰত শিবিৰ পাতিলেহি। এই বিপদৰ সময়ত উজুন হাচানে দহ-পোন্ধৰ জনমান অনুচৰ লৈ নগৰৰ ভিতৰ সোমাল। জাহাঙ্গীৰ মিৰ্জাৰ বিদ্ৰোহৰ সময়ত—যিটোৰ বাবে মই আগতে চমৰখণ্ড এৰি

যাব লগা হৈছিল—এই উজুন হাচানেই আছিল সেই বিদ্রোহৰ প্ৰধান চক্ৰান্তকাৰী। ইয়াৰ পিচতো এওঁ সদায়েই বিদ্রোহ আৰু ৰাজদ্রোহিতাৰ কাৰ্য্যত প্ৰধান ভূমিকা লৈ আহিছে। আৰু এই কথা আগতে কোৱা হৈছে।

খাদ্যাভাব আৰু নানা দুৰ্দ্দশাত দুৰ্ব্বল হৈ পৰিছে মোৰ সৈন্য আৰু নগৰবাসী। যি সকল লোক সদায়েই মোৰ লগত আছিল আৰু মোৰ বিশ্বাসভাজন আৰু অনুগত আছিল তেওঁবিলাকেও দুৰ্গপ্ৰাচীৰ বগাই পলাবলৈ ধৰিলে। কোনো ফালৰপৰা একো সহায় পোৱাৰ আশা নোহোৱা দেখি ময়ো হতাশ হৈ পৰিলোঁ। কোনোবা ফালৰপৰা কিবা আশাৰ ক্ষীণ পোহৰ দেখিবলৈ পোৱা যায়—এনে কোনো দিশেই চকুত নপৰিল। আমাৰ খোৱা আৰু আৱশ্যকীয় বস্তু আগৰে পৰাই যথেষ্ট নাছিল। এতিয়া সিও সম্পূৰ্ণ উদং হৈ গ'ল আৰু নগৰলৈ গৈ খোৱা বস্তু অনাৰো উপায় নাই। এই অৱস্থাত চেবানী খাঁই কেইটামান চৰ্ত্ত পঠালে। যদি কোনো সহায় পোৱাৰ আশা থাকিলহেঁতেন বা অলপীয়া খোৱা বস্তুৰো যোগাৰ থাকিলেহেঁতেন মই কেতিয়াও তাৰ কথালৈ কাণষাৰ নিদিলোহেঁতেন। একেবাৰে নিৰুপায় হৈ দুৰ্গ সমৰ্পণ কৰাত মান্তি হওঁ আৰু গভীৰ নিশা মোৰ মা খানুমৰ লগত দুৰ্গ এৰি গুচি আহোঁ। আৰু দুগৰাকী মহিলা আমাৰ লগতে পলাই আহিবলৈ সক্ষম হয়। কিন্তু মোৰ বাইদেউক সিহঁতে ধৰি ৰাখে আৰু তেওঁ চেবানী খাঁৰ হাতত পৰে। নিশাৰ অন্ধকাৰত আমি বহুবাৰ বাট হেৰুৱাওঁ আৰু বৰ কষ্ট কৰি পুৱা নাগাদদিদাৰ পাৰ হওঁ। পুৱাৰ নামাজৰ সময়ত 'কাৰবোঘ' পাহাৰ পাওঁহি। বাটত কামবাৰ আলি আৰু কাচিমবেগৰ লগত ঘোঁৰা দৌৰৰ প্ৰতিযোগিতা চলাওঁ। মোৰ ঘোঁৰাই অৱশ্যে আগে আগে দৌৰিছিল। কিমান দূৰনো আগবাঢ়ি আহিছোঁ চাবলৈ মুখ ঘূৰাইছোহে এনেতে টিলাকৈ বন্ধা ঘোঁৰাৰ জিনখন ঘূৰি গ'ল আৰু ময়ো তললৈ মূৰ দি মাটিত পৰি গ'লো। মই আকৌ মাটিৰপৰা জপিয়াই উঠি ঘোঁৰাৰ ওপৰত

টানি ধৰি বহিলো, কিন্তু পিচদিনা সন্ধ্যা পৰ্য্যন্ত মই যেন জ্ঞান হেৰুৱাই আছিলোঁ। এই জগতৰ সকলোবিলাকেই ধুৰঁলি-কুঁৱলী সপোন যেন অনুভব হৈছিল। ইন্দ্ৰিয়ৰ সকলো শক্তিয়েই যেন লোপ পাইছিল।

সন্ধ্যা নামাজৰ পিচত আমি এখন গাঁও পাওঁগৈ। তাত এটা ঘোঁৰা জবাই কৰি তাৰ মাংস টুকুৰা-টুকুৰ কৰি সেই মাংস খাওঁ। তাত ঘোঁৰা-বিলাক জিৰাবৰ কাৰণে অলপ সময় ৰওঁ। তাৰ পিচত আকৌ যাত্ৰা কৰি পুৱা 'দিজাক' নামে এখন গাওঁ পাওঁগৈ। ইয়াত আমি পালোঁ ভাল চৰ্ব্বিযুক্ত মাংস, সেকা গৰম ৰুটি, সোৱাদ চিৰাল আৰু প্ৰচুৰ ৰসাল আঙুৰ। গতিকেই দুৰ্ভিক্ষৰ চৰম সীমাৰ পৰা উপস্থিত হ'লোহি প্ৰাচুৰ্য্যৰ মাজত, বিপদ-বিঘিনীৰ সীমাৰ পৰা ওলালোঁহি শান্তি আৰু আৰামৰ ৰাজ্যত।

(তুৰ্কিত) 'আহিলোঁ এখন শান্তিৰ ৰাজ্যলৈ
এৰি অনাহাৰ, কষ্ট, ক্লেশ।
লভিলোঁ এটি নতুন জীৱন
লগতে অতি ধুনীয়া পৰিবেশ।'

(ফাৰ্চিত) 'মনৰ পৰা আঁতৰিল মৃত্যুভয়,
ভোকৰ নিৰ্ম্মম জ্বালা পালে লয়
(জীৱনত) অৱশেষত ঘুৰাই পালোঁ সুন্দৰক।'

মোৰ গোটেই জীৱনতে এনে আনন্দ আৰু কোনো দিন পোৱা নাই। এনে শান্তি আৰু প্ৰচুৰ্য্যৰ উপলব্ধিও কোনো কালেই হোৱা নাছিল। চাৰি-পাঁচ-বাৰৰ দুখ-কষ্টৰ পিচত, আৰাম আৰু অভাৱৰ পিচত প্ৰাচুৰ্য্যৰ মাজলৈ উঠি অসীম আনন্দ উপভোগ কৰিছোঁ। কিন্তু এই প্ৰথমবাৰ মই শত্ৰুৰ হাতৰপৰা উদ্ধাৰ পাই যি নিৰাপত্তাবোধ কৰিলোঁ আৰু ভোকৰ তাড়নাৰপৰা পৰিত্ৰাণ লাভ কৰি যি প্ৰাচুৰ্য্যৰ সোৱাদ পালোঁ সি তুলনাবিহীন। দুই-তিনি দিন 'দিজাক'ত বিশ্ৰাম আৰু আনন্দ ভোগ কৰি 'দেখাট'ৰ ফালে আগবাঢ়োঁ।

'দেখাট' এটা ওখ পাহাৰৰ তলত অৱস্থিত। ইয়াৰ অধিবাসীসকল

'আৰ্য্য'জাতিৰ হ'লেও তুৰ্কিবিলাকৰ দৰে তেওঁলোকৰ বহুত ভেৰা আৰু ঘোঁৰা আছে। 'দেখাট'ত চল্লিশ হেজাৰ মান ভেৰা আছে। আমি খেতিয়কসকলৰ ঘৰত আশ্ৰয় ললোঁ। মই আছিলোঁ ইয়াৰ এজন গাৱঁৰ মণ্ডলৰ ঘৰত। ঘৰৰ গিৰিহঁতৰ বয়স সত্তৰ-আশী বছৰ হ'ব। তেওঁৰ মাক তেতিয়াও জীৱিত, বয়স তেতিয়া ১১১ বছৰ। তাইমুৰৰ সৈন্যই হিন্দুস্থান আক্ৰমণ কৰাৰ সময়ত এই বৃদ্ধা মহিলাৰ এজন আত্মীয়ও তেওঁলোকৰ লগত আছিল। এই ঘটনাৰ কাহিনী বুঢ়ীৰ তেতিয়াও মনত আছিল আৰু তেওঁ প্ৰায়েই এই কথাবিলাক আমাক কৈছিল। যিমানদিন মই 'দেখাট'ত আছিলোঁ সিমান দিন শুদা ভৰিৰে ওচৰৰ পাহাৰত ঘুৰি ফুৰিছিলোঁ। পাহাৰত শুদা ভৰিৰে ফুৰি অভ্যাস কৰি দেখা গ'ল যে আমাৰ ভৰিৰ তলুৱা ইমান টান হৈ পৰিছে যে শিলক আৰু শিল নোবোলা হ'লোঁ। আবেলি আৰু সন্ধ্যাৰ নামাজৰ মাজভাগত এদিন পৰ্ব্বতীয়া বাটেদি গৈ থাকোতে দেখিলোঁ এটা পাহাৰী ঠেক বাটেদি এজন মানুহে এটা গৰু লৈ গৈছে। তেওঁৰপৰা মই বাটটোৰ দিক জানিব বিচাৰিলোঁ। তেওঁ ক'লে—মোৰ গৰুৰ ফালে চকু ৰাখা। যেতিয়ালৈকে এই আলিৰ মুৰ নোপোৱাগৈ এই গৰুৰ বাহিৰে অন্যফালে নাচাবা, তেহে তোমাৰ গন্তব্য স্থান পাবাগৈ। খাজা আচাদুল্লাই মানুহজনৰ ৰসিকতা উপভোগ কৰি কথাৰ মুৰতে ক'লে আমাৰ নিচিনা জ্ঞানী লোকৰ কি দশা হ'ব যদি গৰুটোৱে বাট ভুল কৰে।

ইয়াত দলবান্ধি লুট কৰাৰ সুবিধা নথকা কাৰণে জাৰকালি মোৰ বহুত সেনাই আন্দেজানলৈ ঘুৰি যাবলৈ অনুমতি বিচাৰিলে। কাচিম বেগে মোক উপদেশ দিলে যে ইহঁত যেতিয়া ঘুৰি যাব খুজিছে ইহঁতৰ লগতে জাহাঙ্গীৰ মিৰ্জালৈ মোৰ কিবা এটা পিন্ধা সাজৰ বস্তু উপহাৰ হিচাবে পঠালে ভাল। মই এটা উদৰ চালৰ টুপী পঠালোঁ। কাচিম বেগে তাৰ পিচত আকৌ ক'লে তামবললৈকো কিবা এটা পঠালে বেয়া হ'ব জানো?

যদিও তেওঁৰ এই উপদেশ মই মনেৰে সমৰ্থন কৰা নাছিলোঁ। তথাপি তেওঁৰ বাৰে বাৰে কৰা অনুৰোধত তামবলৈ চমৰখণ্ডত তৈয়াৰ কৰা এখন ডাঙৰ তৰোৱাল পঠালোঁ। পিচত কেনেকৈ ঠিক এই তৰোৱালখনেই মোৰ মূৰত পৰিছিলহি সেই কথা পিচৰ বছৰৰ ঘটনাৰ ভিতৰত উল্লেখ কৰিম।

কেইদিনমানৰ পিচত মোৰ আইতা যি চমৰখণ্ড এৰি মোৰ লগত আহিব নোৱাৰিলে—পধুৰ বয়-বস্তু, পৰিয়ালৰ লোক আৰু কেইজনমান অনাহাৰ-গ্ৰস্ত ক্ষীণকায় অনুচৰ লৈ মোৰ ওচৰ পালেহি।

জাৰকালি খোজেন্দৰ নৈৰ পানী গোট মাৰি বৰফ হৈ যায়। সেই সময়ত চেবানী খাঁ সেই নৈ পাৰ হৈ খোজেন্দ পায়হি আৰু দেশ লণ্ড-ভণ্ড কৰে। মই এই বাতৰি পাই মোৰ সৈন্যসংখ্যা নগণ্য হ'লেও আক্ৰমণৰ কাৰণে খোজেন্দৰ ফালে আগবাঢ়োঁ। অতিপাত জাৰ চেঁচা বতাহৰ তাণ্ডৱ চলিছে লেখাৰি নিচিগাকৈ। শীতৰ তীব্ৰতা অসহ্য হৈ উঠিছে। দুই-তিনি দিনৰ ভিতৰতে অসহনীয় শীতৰ কাৰণে মোৰ কেইজনমান অনুচৰে প্ৰাণ হেৰুৱালে। এই সময়তে শৰীৰৰ পৱিত্ৰতাৰ কাৰণে ধৰ্ম্মৰ নিয়ম অনুসাৰে মোৰ স্নানৰ আৱশ্যক হ'ল। এখন সৰু নৈত গা ধুবৰ কাৰণে নামিলোঁ। নৈৰ কিনাৰৰ পানী গোট মাৰি বৰফ হৈ গৈছে। মাজত মাত্ৰ পানী চকুত পৰিছে কাৰণ সেইখিনিত সোঁত বৈছে। সেই পানীত নামিলোঁ আৰু ষোলবাৰ বুৰ মাৰিলোঁ। হাৰ কপোৱা চেঁচা পানীয়ে মোৰ গোটেই শৰীৰত বেজীয়ে বিন্ধাদি বিন্ধিবলৈ ধৰিলে। পিচদিনা পুৱা খোজেন্দ নদীৰ গোটমৰা বৰফৰ ওপৰেদি পাৰ হৈ আহিলোঁ। চেবানি খাঁ ইয়াৰ আগতে সেই দেশ এৰি গৈছে।

লুটপাটকাৰী উজবেগবিলাক আঁতৰি গৈছে বুলি খবৰ পাই মই বাতৰিটো বতাহৰ যোগে খাঁক জনাই দিওঁ। চমৰখণ্ডত পৰিচয় হোৱা সূত্ৰত মোল্লা হৈদৰৰ পুত্ৰ মোমিনে গকুলতাছ আৰু কেইজনমানক নিমন্ত্ৰণ কৰে। মই শুনিছোঁ বেচ্ কন্দৰপৰা শুচি আহোঁ তেতিয়া এই দল ইয়াতেই বৈ যায়।

এটা থিয় পাহাৰৰ ওপৰত ভোজৰ আয়োজন কৰা হয়। পিচদিনা পুৱা খবৰ পোৱা হয় যে মাতাল অৱস্থাত থিয় পাহাৰৰপৰা পৰি গকুকতাছে মৃত্যুবৰণ কৰিছে। মই হক নাজিৰৰ লগত কেইজনমান সৈন্য দি ঠাইডোখৰ পৰীক্ষা কৰিবলৈ পঠাওঁ—য'ৰ পৰা পৰি তাৰ মৃত্যু হৈছে। বেচ্‌কন্দত কবৰ দি তেওঁবিলাক মোৰ ওচৰলৈ ঘূৰি আহে। উৎসৱস্থানৰ কিছুদূৰত এটা গড়াৰ তলত তেওঁবিলাকে গকুলতাছৰ মৃতদেহ দেখিবলৈ পায়। বহুতেই সন্দেহ কৰে যে মোমিনে গকুলতাছৰ ওপৰত তেওঁৰ 'প্ৰতিহিংসা পূৰাবৰ কাৰণেই তেওঁক এইদৰে হত্যা কৰে। মৃত্যুৰ প্ৰকৃত কাৰণ অৱশ্যে কোনেও নাজানে। তেওঁৰ মৃত্যুত মই শোকত অভিভূত হৈ পৰোঁ। জীৱনত মই বৰ কম মানুহৰ অভাৱত ইমান বিহ্বল হৈছোঁ। প্ৰায় দহ দিন মই অনবৰত চকুৰ পানী টোকো। কেইদিন মানৰ পিচতে মই দেখাটলৈ ঘূৰি আহোঁ।

দেখাট ঠাইখন সমতল। তাৰ পৰা অঁতৰি আহিলোঁ। মাছিখাৰ পাৰ্ব্বত্য প্ৰদেশলৈ—য'ত নিজৰাৰ পানী পোৱা যায়। নিজৰাৰ পাৰত মোৰ এটা কবিতা শিলত কাটি ৰখাৰ ব্যৱস্থা কৰোঁ।

'মহান জেমছেদে, এটি নিজৰাৰ পাৰত
কৰে তেওঁৰ বাণী খোদিত শিলত '
"এই নিজৰাৰ পাৰত, আমাৰ দৰেই
লোক অগণন গৈছে জিৰণি লই।
তাৰ পিচত মচ খাই গ'ল নিমিষতেই
পৃথিবীৰ বুকুৰ পৰা স্মৃতি সেই,
যদিও কৰিব পাৰো এই জগৎ জয়
ব্যক্তিত্ব আৰু বাহুবলেৰে
তথাপি সেই গৌৰৱ নোৱাৰো কঢ়িয়াব
লগত নিজৰ,
যেতিয়াই যাত্ৰা হ'ব সিপাৰে জীৱনৰ।"

এই পার্ব্বত্য প্ৰদেশত কবিতা বা অন্য কোনো অনুলিপি শিলত কাটি প্ৰথা আছে।

এই সময়তে কবি মোল্লা হাজাৰিয়ে মোৰ লগত দেখা কৰে। মই এই কবিতাটো তেতিয়া ৰচনা কৰোঁ।

'শিল্পীয়ে আঁকক তোমাৰ ছবি
যিমান নিপুণ হাতে,
(সেই) ছবিতকৈ তুমি যে উচ্চ,
মানুহে তোমাক আত্মা বোলক
যিমানেই নকৰি গৌৰৱ
(সেই) আত্মা যে তোমাতকৈ তুচ্ছ।'

কবিতা লিখাৰ চলিত ৰীতি অনুসাৰে মই এটি কবিতা ৰচনা কৰোঁ। ই নিৰ্ভুল হৈছেনে নাই মোৰ সন্দেহ আছিল। কবিতাৰ নিয়ম আৰু ছন্দৰ সম্বন্ধে মোৰ কোনো অধ্যয়ন নাছিল। থাই অৱশ্যে কবিতাৰ ৰীতি-নিয়ম ভাল জনা বুলি অহঙ্কাৰ কৰে। তেওঁ কবিতা লিখিবও পাৰিছিল, কিন্তু তেওঁৰ কবিতাৰ ছন্দভঙ্গী আৰু বিষয়-বস্তু বৰ অপৈণত ধৰণৰ আছিল। মোৰ কবিতাটো দেখুৱাই ইয়াৰ ছন্দ সম্বন্ধে মোৰ সন্দেহৰ কথা ক'লোঁ। কিন্তু তেওঁ মোৰ সন্দেহ দূৰ কৰাৰ জোখাৰে সবল ভাল উত্তৰ দিব নোৱাৰিলে। প্ৰকৃততে কবিতাৰ ৰীতি-নীতি বিচাৰ কৰিব পৰা কোনো গভীৰ জ্ঞান তেওঁৰ নাছিল। মোৰ চাৰি পদৰ কবিতাটি এই—

(তুৰ্কি)

'বিপদত পৰা জনৰ কোনোবাই কৰেনে স্মৰণ ?
উঠে নেকি সুখৰ ঢৌ যাৰ হয় নিৰ্ব্বাসন ?
আঁতৰিছে মনৰ আনন্দ মই যে প্ৰবাসী
নাই শান্তি, নাই সুখ, যিমানেই নহওঁ, সাহসী।'

মই অৱশ্যে পিচত জানিবলৈ পালোঁ যে কাব্য ৰচনাত কবিৰ যি স্বাধীনত আছে তাত তুৰ্কি ভাষাত 'তে' আৰু 'ডাল' আৰু 'গায়েন', 'ক্বাফ্' আৰু 'কাফ্' ছন্দ মিলাবলৈ প্ৰায় এটাৰ সলনি আন এটা প্ৰয়োগ কৰা যায়।

পিচদিনা পুৱা মোৰ সেনাই এটা চিকাৰৰ দল গঠন কৰি ওচৰা-ওচৰিকৈ চিকাৰ আৰম্ভ কৰে। তাৰ পিচত আগবাঢ়ি 'বুৰাক'ত ৰয়গৈ। মোৰ প্ৰথম লিখা গীতি কবিতাটি ইয়াতে শেষ কৰোঁ।

কবিতাটি হ'ল -'নিজ আত্মা বিনে
নাই পোৱা, পোৱা নাই কেতিয়াও
হিতৈষী বন্ধু বিশ্বাসী
এই পৃথিৱীত।
অন্তৰৰ বাণী বিনে
পোৱা নাই কোনো বাণী
পোৱা নাই, শুনাও নাই,
যি বাণীয়ে দেখুৱাব পথ
গুচাব মনৰ গ্লানি।
নিজ হৃদয় বিনে
নাই মোৰ কোনো বন্ধু
এই বসুন্ধৰাত।

এই কবিতাটি বাৰ পংক্তিৰ। ইয়াৰ পিচত মই যিমানবিলাক কবিতা ৰচনা কৰিছো সকলোখিনিয়েই এনেকুৱা বাৰ পংক্তিৰ।

ইয়াৰ পৰা লাহে লাহে আগবাঢ়ি গৈ খোজেন্দৰ নৈৰ পাৰ পাওঁগৈ নদীৰ ইপাৰত উঠি এটা উৎসৱ উপলক্ষে ভোজৰ ব্যৱস্থা কৰোঁ। তা মোৰ সকলো কৰ্ম্মচাৰী আৰু ডেকা ৰণুৱাইতে আনন্দত যোগ দিয়ে সেইদিনাই মোৰ কোমৰবন্ধত থকা সোণৰ আঙুঠিটো চুৰি হয়।

১৫০২ খৃষ্টাব্দৰ ঘটনাৱলী

এই বছৰ তাছখণ্ডত থকাৰ সময়ত মই অসহ্য দুঃখ আৰু দাৰিদ্ৰ্যত পৰোঁ। জ্য বুলিবলৈ মোৰ একো নাই আৰু সেই আশাও কৰা নাই। অভাৱৰ হতা মোৰ লগুৱাবিলাকৰ সকলোৱেই মোক এৰি গুচি গৈছে। যি কেইজন ৰৈছিলগৈ তেওঁলোকেও দাৰিদ্ৰ্যৰ কাৰণে মোক অনুসৰণ কৰিব োৰিলে। যেতিয়া মই মামাৰ দৰবাৰলৈ আহোঁ তেতিয়া মাত্ৰ দুই এজন গুৱা মোৰ কামত আছিল। তথাপি এটা বিষয়ত মোৰ সৌভাগ্য বুলি লাগিব—মোৰ এই অৱস্থা কোনো অচিনাকি মানুহৰ চকুত পৰা নাছিল। মোৰ আত্মীয় লোকসকলৰ চকুতেই ধৰা পৰিছিল। মোমাইদেউক ন জনাই সুদা ভৰি আৰু খালী মূৰেৰে ছা'বেগমক শ্ৰদ্ধা জনাবলৈ োঁ—ঠিক সেই স্বাধীনতাৰে যিটো মানুহে নিজ গৃহত ভোগ কৰে।

শেষলৈকে মোৰ এই অনিশ্চিত জীৱন যাত্ৰাত অতি হতাশ হৈ পৰোঁ। হীন, অঘৰী অৱস্থাত যন্ত্ৰণা আৰু যেন সহ্য কৰিব নোৱাৰা হৈ পৰিছোঁ। ই থকাটোও অসহ্য যেন ভাব হৈছে। ভাবিলো এই বিড়ম্বনাপূৰ্ণ জীৱন ন কৰাতকৈ মানুহৰ দৃষ্টিৰ পৰা আঁতৰত কোনো নিৰ্জ্জন ঠাইত আশ্ৰয় ৈগ য'ত কোনেও মোক দেখিবলৈ নাপাব। মোৰ পৰিচয়ো জানিবলৈ াব। বাইজৰ মাজত মোৰ এই দুখ-দুৰ্দ্দশা আৰু হীনতা দেখুৱাই ঘূৰি তকৈ যিমান দূৰলৈ মোৰ ভৰি চলে পলাই যোৱাই ভাল। মনতে িলো চীনলৈকে যাওঁ আৰু তালৈ গৈ নতুনকৈ ভাগ্যৰ সন্ধান লওঁ। কালৰ পৰাই চীনলৈ যোৱা সপোন দেখিছোঁ, কিন্তু সি আৰু হৈ উঠা ই—কিয়নো মই আছিলো ৰজা আৰু আত্মীয়-স্বজন আৰু প্ৰজাৰ প্ৰতি িধ্য উপেক্ষা কৰি দূৰলৈ যোৱা নচলে। এতিয়া ৰজাৰ মুকুট মূৰৰপৰা ই পৰিছে আৰু মোৰ মাতৃয়েও তেওঁৰ মাক আৰু ভায়েকৰ ওচৰত আশ্ৰয়

পাইছে। গতিকে এতিয়া মোৰ দূৰলৈ আঁতৰি যোৱাত বাধা ক'ত? ৫
সকলো দায়িত্ব শেষ হৈছে। আবুল মাকৰামৰ যোগেদি প্ৰচাৰ কৰি
বিচাৰিছিলো এই কথাটোকে যে চেবানী খাঁৰ দৰে দুৰ্দ্ধৰ্ষ লোকে যেতিয়া এ
শত্ৰুতা আৰম্ভ কৰিছে এনে অৱস্থাত তুৰ্কিয়েই হওক বা মোগলেই হ
সকলোৰে ভয়ৰ কাৰণ আছে। গতিকে অঘৰী তাতাৰবিলাকক সম্পূৰ্ণ
কৰাৰ আগতেই তেওঁৰ কাৰ্য্যকলাপৰ ওপৰত চোকা দৃষ্টি ৰখা দৰকাৰ য
সি আৰু শক্তিশালী হৈ উঠিব নোৱাৰে। কাৰণ কথাতে কয়—

'থাকোতে সময় সুমুৱা জুই
পলম হ'লে নিব ধুই,
দপদপকৈ জগৎ জ্বলিব
যদি সময়ত নোৱাৰা সুমাব।
শত্ৰুৰ ধনুত শৰ সংযোজন
নিদিবা হ'ব, ঘটিব অঘটন,
তুলি তীৰ ধনু হাতত মুহূৰ্ত্তে,
যদিহে আঘাত নকৰা প্ৰথমে।'

ইয়াৰ উপৰিও প্ৰায় চব্বিশ-পঁচিশ বছৰ থাই তেওঁৰ ভায়েক অৰ্থাৎ ৫
সৰু মামাক দেখা নাই। আৰু ময়ো তেওঁক কোনো দিন দেখা না
গতিকে মই ভাবিলো যে এইবাৰ সৰু মামাৰ ওচৰলৈ যাওঁ আৰু য
তেওঁলোকৰ মাজত পুনৰ দেখা-সাক্ষাৎ হয়—মধ্যস্থ হৈ তাৰ ব্যৱস্থা কৰোঁ।

এই কথাবিলাক প্ৰচাৰ কৰাৰ উদ্দেশ্য হ'ল—এই চল কৰি মই আ
স্বজনৰ কাষৰ পৰা আঁতৰি পৰিম। মই খাটাং সিদ্ধান্ত কৰোঁ যে ইয়াৰ
আঁতৰি মই মোগলিস্থানলৈ যাম আৰু নিজৰ ভাগ্য নিজেই নিয়ন্ত্ৰণ কৰি
মোৰ উদ্দেশ্যৰ কথা তিলমানো কাৰো আগত প্ৰকাশ কৰা নাই কাৰণ
প্ৰকাশ কৰাৰ কথা নহয়। মোৰ ইচ্ছাৰ কথা মাক জনালে তেওঁ কেতি
মত নিদিয়ে। ইয়াৰ উপৰি যি সকল সঙ্গী এতিয়াও মোৰ অনুগত হৈ আ

আৰু মোৰ এই অনাই-বনাই ফুৰা জীৱনৰ দুখ-কষ্টৰ ভাগী হৈছে তেওঁবিলাকে এতিয়াও মনতে বেলেগ ধৰণৰ আশা-আকাঙ্ক্ষা পুহি আছে। গতিকেই তেওঁবিলাককো মোৰ মনৰ কথা প্ৰকাশ কৰা উচিত নহ'ব। আবুল মকৰামে অৱশ্যে চাহবেগম আৰু মোৰ মামাৰ ওচৰত এই শিকোৱা কথাটো জনালে আৰু তেওঁবিলাকৰ অনুমতিও পোৱা গ'ল। কিন্তু পিচত তেওঁলোকৰ মনত খেলালে যে মোক যথাবিহিত আদৰ-সাদৰ কৰা হোৱা নাই কাৰণেই বোধকৰোঁ মই দূৰলৈ আঁতৰি যাব বিচাৰিছোঁ। তেওঁলোকৰ এই সন্দেহৰ কাৰণেই তেওঁলোকে মোক দূৰলৈ আঁতৰি যোৱাৰ অনুমতি দিয়াত পলম কৰিলে। এই সময়তে মোৰ সৰু মামাৰ ওচৰৰ পৰা এজন মানুহ আহি কলেহি যে তেওঁ নিজেই ইয়ালৈ আহিব লাগিছে। মোৰ দূৰলৈ যোৱা সকলো অভিসন্ধি পণ্ড হৈ গ'ল। সৰু মামাৰ কাষৰপৰা আৰু এজন মানুহ আহি খবৰ দিলে যে তেওঁ প্ৰায় আহি পাইছেহি। চাহবেগম আৰু আমি সকলোৱে সৰু মামাৰ লগত দেখা কৰিবলৈ ওলালোঁ।

আমি ইয়েমা পৰ্য্যন্ত আগুৱাই গ'লোঁ। সৰু খাঁ ঠিক কেতিয়া পাবহি ধৰিব নোৱাৰি মই ঘোঁৰাত উঠি অনিৰ্দ্দিষ্টভাবে দেশখন চাবৰ কাৰণে ঘূৰি ফুৰিছিলোঁ। হঠাৎ সৰু মামাৰ লগত মুখামুখি হৈ দেখা হ'ল। মই তৎক্ষণাৎ ঘোঁৰাৰপৰা নামি তেওঁৰ ফাললৈ আগুৱাই গ'লো। ঘোঁৰাৰ পৰা নামোতেই তেওঁ মোক চিনি পালে। কিন্তু অস্বস্তি বোধ কৰিছিল। তেওঁৰ ইচ্ছা আছিল কোনো এডোখৰ নিৰ্দ্দিষ্ট ঠাইত নামি নিজ আসনত বহি খুব জাকজমকেৰে মোক সম্বৰ্দ্ধনা জনাব। কিন্তু মই হঠাৎ তেওঁৰ আগত আহি ওলোৱাত তেওঁ এই সুযোগ নাপালে। জাপ মাৰি ঘোঁৰাৰ পিঠিৰপৰা নামি আঠু ভাঙ্গি বহিলোঁ। তাৰ পিচত তেওঁক আলিঙ্গন কৰিলোঁ। তেওঁ উত্তেজিত আৰু অভিভূত হৈ পৰিল। শেহত তেওঁৰ দুই পুতেক চুলতানসকলক আঠু ভাঙ্গি বহিবলৈ আৰু মোক আলিঙ্গন কৰিবলৈ আদেশ দিলে। দুই চুলতানক আলিঙ্গন কৰি ঘোঁৰাত উঠি আমি চাহ বেগমৰ লগত দেখা

কৰিবলৈ আগুৱাই গ'লোঁ। অলপ পিচতেই সৰু খাঁৰ লগত চাহ বেগমৰ সাক্ষাৎ হ'ল। খাঁই তেওঁক সম্বৰ্দ্ধনা জনালে। তাৰ পিচত মাজ নিশালৈকে পুৰণি গল্প কৰি সাৱে থাকিল।

পিচদিনা সৰু মামাই মোগলৰ ৰীতি অনুযায়ী মূৰৰপৰা ভৰিলৈকে পিন্ধিব পৰা সাজ আৰু সাজ-সৰঞ্জামেৰে সজ্জিত এটা ঘোঁৰা মোক উপহাৰ দিলে। পিন্ধা সাজৰ ভিতৰত আছিল সোণৰ সূতাৰে কাজ কৰা এটা মোগল টুপী, চীনা চাত্তিন কাপোৰৰ এটা দীঘল 'আলখাল্লা' (হলৌ চোলা —তাত সূতাৰে তোলা নানা ফুলৰ ছবি। এটা পুৰণা ধৰণেৰে তৈয়াৰী বুকু-পিঠি ঢকা চীনা বৰ্ম্ম, এখন শান দিয়া শিল, এটা পইচা থোৱা মোনা, সেই মোনাৰ এফালে ওলমিছে কেইটামান বস্তু—যেনে, ছোৱালীয়ে ডিঙিত পিন্ধাৰ নিচিনা কম দামৰ মণি, সুগন্ধি মাটি থোৱা এটা টেমা। মোনাৰ আনফালেও এনেকুৱা তিনি-চাৰি প্ৰকাৰৰ বস্তু ওলমোৱা আছে।

ইয়াৰ পৰা আমি তাছখণ্ডৰ ফালে উলটিলোঁ। মোৰ বৰ মামা তাছখণ্ডৰ পৰা ওলাই আহি ষোল মাইল পৰ্য্যন্ত আগবাঢ়ি আহিছিল। চন্দ্ৰাতপ এখন তৰি তাৰ তলতে তেওঁ বহিছিল। সৰু খাঁই পোনে পোনে তেওঁৰ সন্মুখলৈ আহি বৰ খাঁৰ বাওঁ ফালে ঘূৰিল আৰু গোলাকাৰে তেওঁক প্ৰদক্ষিণ কৰি ওচৰলৈ আহি ঘোঁৰাৰপৰা নামিল আৰু তেওঁক সেৱা জনাই আঠু ল'লে। তাৰ পিচত আগবাঢ়ি আহি তেওঁক আলিঙ্গন কৰিলে। ভায়েক অহাৰ লগে লগে ককায়েক আসন এৰি থিয় হৈ তেওঁক আলিঙ্গনাবদ্ধ কৰিলে। পৰস্পৰে আলিঙ্গনাবদ্ধ হৈ দুই ভাই-ককায়ে বহুত পৰ থিয় হৈ ৰ'ল। আলিঙ্গনৰ পিচত ভায়েক আকৌ ন বাৰ আঠু ল'লে। উপহাৰ প্ৰদান কৰিবৰ সময়তো নিয়ম অনুসাৰে তেওঁ বাৰে বাৰে আঠু লৈছিল। উপহাৰ প্ৰদানৰ পিচত তেওঁ নিজৰ ঠাইত বহিল গৈ। সৰু খাঁৰ মানুহবিলাকো মোগল সাজত সজ্জিত আছিল। মূৰত তেওঁলোকৰ মোগল টুপী। চীনা চাত্তিন কাপোৰৰ 'আলখাল্লা'—তাত ফুলৰ ছবি, কান্ধত

গুলমিছে বাণাধাৰ। ঘোঁৰাৰ জিন সেউজীয়া ৰঙৰ ভাঠ চামৰাৰ আৰু ঘোঁৰাবিলাকো মোগল ৰীতিৰে সজ্জিত।

সৰু খাঁই তাকৰীয়া লোক লগত আনিছিল। এওঁলোকৰ সংখ্যা এহেজাৰৰ বেছি কিন্তু দুহেজাৰৰ কম। তেওঁ বলী আৰু সাহসী পুৰুষ, তৰোৱাল চলোৱাত দক্ষ আৰু সকলো অস্ত্ৰ-শস্ত্ৰৰ ভিতৰত তৰোৱালৰ ওপৰতেই তেওঁৰ আস্থা বেছি আছিল। তেওঁ কয় যে লাঠি, যাঁঠি, কুঠাৰৰ ওপৰত এবাৰ হে মাত্ৰ নিৰ্ভৰ কৰিব পাৰি। প্ৰথম আঘাত ব্যৰ্থ হ'লে আৰু কোনো উপায় নাথাকে। তেওঁৰ বিশ্বাসী, চোকা তৰোৱালখন কেতিয়াও দূৰত নাৰাখিছিল। সেইখন হয় কঁকালত বন্ধা থাকিব নহয় তেওঁৰ হাতত। তেওঁ শিক্ষা লাভ কৰিছিল বেলেগ বেলেগ দেশত আৰু ঘৰৰপৰা আঁতৰতেই বহুদিন পাৰ কৰিছিল। সেই কাৰণে তেওঁ ব্যৱহাৰতো আছিল অলপ ৰুক্ষ আৰু মাত-কথাতো কঠুৱা। যেতিয়া মই সৰু মামাৰ লগত ঘূৰি আহোঁ তেতিয়া মোৰ সমস্ত দেহা আগতে বৰ্ণনা দিয়া মোগল সাজত সজ্জিত। আবুল মকৰামে মোক চিনিব নোৱাৰিলে। সুধিছিল—এই চুলতানজন নো কোন? মই কোনো কথা নোকোৱা পৰ্য্যন্ত তেওঁ মোক চিনিবই নোৱাৰিলে।

তাছখণ্ডলৈ উলটিয়েই ডয়োজন খাঁই চুলতান আমেদ তাম্বলৰ লগত যুদ্ধ কৰিবলৈ লৰালৰিকৈ ওলাল। সৰু খাঁ আৰু মই আগতেই গুচি যাওঁ। পৰ্ব্বতীয়া আলি পাৰ হোৱাৰ পিচত সৈন্য সংখ্যা গণনা কৰি দেখা গ'ল—আশ্বাৰোহী সেনা প্ৰায় ত্ৰিশ হাজাৰ মান হ'ব। ওচৰ-পাজৰৰ দেশৰপৰাও খবৰ আহিল যে তাম্বলেও তেওঁৰ সৈন্য লৈ আখ্‌ছিৰ ফালে আগুৱাইছে। সৰু খাঁই আলোচনা কৰি স্থিৰ কৰিলে যে মোক এদল সৈন্য দি পঠাব যাতে মই খোজেন্দৰ নদী পাৰ হৈ উছৰ ফালে আগবাঢ়ি গৈ তাম্বলৰ সৈন্যবাহিনীৰ পিচফালৰপৰা আক্ৰমণ কৰিব পাৰো। কাৰনানৰপৰা মই খাঁসকলৰ লগ এৰি খোজেন্দৰ নদী ভুৰত পাৰ হওঁ আৰু বেগাই উছৰ ফালে আগুৱাওঁ। সূৰ্য্যোদয়ৰ লগে লগে উছ দুৰ্গৰ কাষ পাওঁগৈ। দুৰ্গ-ৰক্ষীবিলাক তেতিয়া

অসতর্ক অৱস্থাত আছিল। আমাৰ অহা খবৰো সিহঁতে পোৱা নাছিল; কোনো উপায় আৰু নেদেখি সিহঁতে আমাৰ হাতত দুৰ্গ সমৰ্পণ কৰে। সেই ঠাইৰ অধিবাসীসকল মোৰ বৰ অনুৰক্ত আছিল আৰু মই কেতিয়া ঘূৰি আহো তাৰেই অপেক্ষা কৰিছিল; কিছু তামবলৰ ভয়ত আৰু কিছু মই বহুত দূৰত আছিলোঁ বুলি সিহঁত নিৰপেক্ষ হৈয়ো চলিব লগা হৈছিল। মই উছত উপস্থিত হোৱাৰ লগে লগে আন্দেজানৰ দক্ষিণ আৰু পূব কালৰপৰা এই পাহাৰী আৰু সমতলবাসীসকল দলে দলে মোৰ ওচৰত উপস্থিত হ'বলৈ ধৰিলে। উজকেন্দবাসীয়ে আপোনাআপুনি তাৰ সুদৃঢ় দুৰ্গটো মোৰ হাতত দিবলৈ ব্যৱস্থা কৰিলে। সীমা মূৰলীয়া উজকেন্দেই এসময়ত ফাৰগানাৰ ৰাজধানী আছিল। তেওঁবিলাকে এজন মানুহ পঠাই তেওঁলোকৰ আনুগত্য জনালে। কেইদিনমানৰ পিচত মাৰঘিনানৰ অধিবাসীসকলে সেই ঠাইৰ ৰাজ্যপালক আক্ৰমণ কৰি বাহিৰ কৰি দি মোৰ দলত যোগ দিয়ে। খোজেন্দ নদীৰ পাৰৰ আন্দেজানৰ অংশবৰ্ত্তী গোটেই ৰাজ্যৰ অধিবাসীয়ে অকল আন্দেজানৰ বাহিৰে সকলো সুৰক্ষিত ঠাইৰ অধিকাৰ মোক দিয়াৰ কথা ঘোষণা কৰিলে। এই সময়ত যদিও ইমানবিলাক সুৰক্ষিত দুৰ্গ মোৰ অধিকাৰলৈ আহে আৰু গোটেই দেশতে তামবলৰ বিৰুদ্ধে উঠা বিদ্ৰোহৰ পৰা উদ্ভব হোৱা হুলস্থুল আৰম্ভ হৈ পৰিল। কিন্তু তামবল এইবিলাকত অলপো বিচলিত নহৈ তেওঁৰ সকলো অশ্বাৰোহী আৰু পদাতিক সৈন্য লৈ আখছি আৰু কাৰনানৰ মাজঠাইত খাল খান্দি ঠাইডোখৰ সুৰক্ষিত কৰি খাঁ সকলৰ সৈন্যৰ মুখামুখি হৈ শিবিৰ স্থাপন কৰে। দুয়ো পক্ষৰ ভিতৰত কেইবাৰমান সংঘৰ্ষ হ'ল হয় কিন্তু তাৰ পৰা কোনো পক্ষৰে জয় পৰাজয়ৰে মীমাংসা নহ'ল।

আন্দেজানৰ চাৰিও কাষৰ সৰহভাগ জাতি আৰু উপজাতিৰ লোকে দুৰ্গসহ মোৰ বশ্যতা স্বীকাৰ কৰিলে। আন্দেজানৰ অধিবাসীসকলো মোৰ কাললৈ অহাৰ কাৰণে বৰ উৎসুক আছিল কিন্তু সিহঁতে কোনো সুবিধা কৰি ল'ব পৰা নাছিল। মই মনতে ভাবিলোঁ—এদিন ৰাতিৰ অন্ধকাৰত ওলাই গৈ

আন্দেজানৰ সীমাত উপস্থিত হওঁগৈ। তাৰপৰা এজন বিশ্বাসীলোকক আন্দেজানৰ কেইজনমান প্ৰধান ব্যক্তিৰ লগত আলোচনা কৰিবৰ কাৰণে পঠাই দিম। যদি তেওঁবিলাকে মোৰ অভিপ্ৰায় মতে কাম কৰিবলৈ ৰাজি হয় তেতিয়াহ'লে তেওঁবিলাকৰ সহায়ত যিকোনো উপায়ে দুৰ্গৰ ভিতৰত সোমোৱা ব্যৱস্থা কৰি ল'ব পাৰিম। এই দৰে পাংপাতি এদিন সন্ধ্যা উছৰ পৰা বাহিৰ হৈ আহিলোঁ। আৰু প্ৰায় মাজৰাতি আন্দেজানৰ পৰা ডুমাইলৰ ভিতৰত উপস্থিত হ'লোহি। তাৰ পৰা কামবাৰ আলি বেগ আৰু আন কেইজনমান বেগক আগুৱাই যাবলৈ ক'লো। তেওঁবিলাকক উপদেশ দিওঁ তেওঁবিলাকে যেন গোপনে কেইজনমানক খাজা আৰু মুখিয়াল লোকৰ লগত মোৰ সম্পৰ্কে আলোচনা কৰিবলৈ পঠিয়াই দিয়ে। তেওঁবিলাক ঘূৰি অহালৈ বাট চাই মই অনুচৰসকলক লৈ সেই ঠাইতেই ঘোঁৰাৰ ওপৰত বৈ থাকোঁ।

ৰাতি তেতিয়া প্ৰায় তৃতীয় প্ৰহৰ আমাৰ ভিতৰত কিছুমানে কলমটীয়াইছে, কোনো কোনো গভীৰ টোপনিত। এনে সময়তে হঠাৎ ৰণবাদ্য বাজি উঠিল। মোৰ মানুহবিলাক টোপনি জালত অভিভূত হৈছিল। সিহঁতে বুজিলে শত্ৰুপক্ষৰ কিমান লোক আক্ৰমণ কৰিবলৈ আহিছে। ভয়ত নিজৰ প্ৰাণ বচাবলৈ ইফালে-সিফালে দৌৰি পলাবলৈ ধৰিলে। দলবান্ধি পলোৱাৰ কথাও সিহঁতৰ মনত নেখেলালে। নিজ নিজ প্ৰাণ ৰক্ষাৰ কাৰণেই সিহঁত তেতিয়া অতি ব্যস্ত। সিহঁতক পুনৰ একেলগ কৰি ল'বৰ কাৰণে মোৰো তেনে সময় নহ'ল। উপায় নেদেখি তিনি জন অনুচৰ লগত লৈ মই শত্ৰুৰ পিনে আগবাঢ়ি গ'লোঁ। এই চাৰিজনৰ বাহিৰে সকলোবিলাক পলাইছে। আমি অলপ আগবাঢ়ি যাওঁতেই শত্ৰুপক্ষই ৰণ-হুঙ্কাৰ তুলি এসোপা কাঁড় নিক্ষেপ কৰি আমাক আক্ৰমণ কৰিলে। বগামুখৰ ঘোঁৰাত উঠি অহা সৈন্য মোৰ কাষ পালেহি। মই এডাল কাঁড় মাৰিলোঁ। সেইডালে ঘোঁৰাক বিন্ধিলে আৰু লগে লগেই ঘোঁৰাটো মৰি মাটিত বাগৰি পৰিল। শত্ৰুপক্ষ অলপ থমক খাই ৰ'ল। মোৰ তিনিজন লগৰীয়াই মোক জনালে—এই নিশাৰ অন্ধকাৰত

শত্ৰুপক্ষৰ কিমান জন লোকে আমাক আক্ৰমণ কৰিবলৈ আহিছে তাক গম ধৰা টান। আমাৰ দলৰ সকলো সেনাই পলাই গৈছে। আমি ইয়াত সংখ্যাত নগণ্য--মাত্ৰ চাৰিজন আছোঁহক। এই তাকৰীয়া লোক লৈ শত্ৰুপক্ষৰ এনে কি ক্ষতি কৰাৰ আমি আশা কৰিব পাৰোঁ? এবং আমাৰ পলৰীয়া সেনাবিলাকৰ পিচ লৈ সিহঁতক এ.েনগ কৰি ইয়ালৈ ঘূৰাই অনাৰ চেষ্টা কৰাই ভাল।

বেগাই ঘোঁৰা দৌৰাই আমি পলৰীয়া সেনবিলাকক ধৰি পেলালোঁ। সিহঁতৰ কেইজনমানক চাবুকেৰে ৰীতিমত পিটন দিয়াও হ'ল। কিন্তু সিহঁতক ঘূৰাই অনাৰ সকলো চেষ্টা বিফল হ'ল। আমি চাৰিজন আকৌ ঘূৰিলোঁ। আমাৰ অনুসৰণকাৰীবিলাকৰ ওপৰত এথোপা কাঁড়ো মাৰিলোঁ। শত্ৰু অলপ থমকিল। কিন্তু যেতিয়া সিহঁতে দেখিবলৈ পালে যে আমি মাথোন চাৰি জনেহে তীৰ চলাইছো তেতিয়া সিহঁতে আমাৰ যিবিলাক সেনা পলাইছে সিহঁতক অনুসৰণ কৰি সিহঁতৰ ওপৰত অস্ত্ৰাঘাত কৰিবলৈ সেইফালে গতি কৰিলে। যেতিয়া দেখা গ'ল যে মোৰ সেনাবিলাকে কোনোপধ্যে যুদ্ধ নকৰে তেতিয়া সিহঁতক ৰক্ষা কৰিবলৈ শত্ৰুৰ মুখামুখি হৈ তিনি-চাৰিবাৰ তীৰ চলাই সিহঁতৰ (শত্ৰু) আগবাঢ়ি যোৱাত বাধা দিয়াৰ চেষ্টা কৰোঁ। শত্ৰুসৈন্যই এইদৰে আমাক অনুসৰণ কৰি পাঁচ-ছমাইল গুচি আহে। মই ক'লোঁ—শত্ৰু-সৈন্য বেছি দেখা নাই। আঃাহঁক, আমি একগোট হৈ সিহঁতক আক্ৰমণ কৰোঁ। পিচে, যেতিয়া আমি ঘূৰি লৈ সিহঁতক আক্ৰমণ কৰিবৰ কাৰণে ঘোঁৰাৰ গতি বঢালোঁ, ঘূৰি চাই দেখোঁ মোৰ সেনাবিলাক থম-থমকৈ থিয় দি আছে। মোৰ ছত্ৰভঙ্গ দিয়া সৈন্য এজন-এজনকৈ নানা ফালৰ পৰা উপস্থিত হলহি হয়, কিন্তু মোৰ সুদক্ষ সেনাবিলাকৰ মাজত এনেকুৱাও বহুত আছিল যাৰ ভয়ৰ ভাব তেতিয়াও দূৰ হোৱা নাছিল। সি পোনে পোনে উছলৈ গ'লগৈ।

ৰাতিৰ নামাজৰ পিচত আমি থাকান নৈ পাৰ হৈ তম্বু তৰিলোঁ। ৰাতি-পুৱাৰ আগতে মোৰ সেনাবিলাকে আৰামত শুইছে। কামৰাৰ আগিয়ে সেই সময়তে ঘোঁৰা দৌৰাই আহি থাকোতে চিঞৰিছে—'শত্রু আহি পালেহি, উঠ, উঠ'। এই কথা কৈ এক মুহূৰ্ত্তও নৰৈ সি পলাল। কুৰ্ত্তা-পিন্ধি শোৱাটো মোৰ নিত্যাভ্যাস। লৰালৰিকৈ তৰোৱাল আৰু কাঁড় ভৰা তুণ লৈ ঘোঁৰাত উঠিলোঁ। মোৰ পতাকাবাহী সৈন্যই ঘোঁৰাৰ নেজৰ লগত ধ্বজ দণ্ড বান্ধিবলৈ সময় নাপাই তাক হাতত লৈয়েই ঘোঁৰাত উঠিল। শত্রু যি ফালৰপৰা আহিছে আমি সেইফালেই চোচা ল'লোঁ। মই ঘোঁৰাত উঠোতে মোৰ লগত মাত্র দহ-পোন্ধৰ জন সৈনিক আছিল। অলপ দূৰ আগবাঢ়ি যোৱাৰ পিচত শত্রু সৈন্য দেখা পালো। আমি কাঁড় মাৰি মাৰি আগুৱাই অহা শত্রু সৈন্যৰ ওপৰত জপিয়াই পৰি সিহঁতক ছত্রভঙ্গ কৰি দিলো। তাৰপিচত আৰু আগবাঢ়ি শত্রুৰ প্রধান সৈন্য দলৰ ওচৰ পালোগৈ। এশমান সৈন্য লৈ চুলতান আমেদ তামবল ৰৈ আছিল। তামবলে চিঞৰি চিঞৰি তেওঁৰ কাষৰ সৈন্যবিলাকক কৈছে—মাৰ, মাৰ, ইহঁতক মাৰ। কিন্তু তেওঁৰ মানুহবিলাকৰ সেইসময়ত খেৰো-গেৰো ভাব। ভাবিছে—পলাওঁকেই নে কি? ব'ল, পলাওঁ। পিচে সিহঁত ৰৈয়ে আছিল। এইসময়ত দেখিলোঁ মোৰ লগত মাত্র তিনিজন সৈনিক। যি ভাল কাঁড় মোৰ ধনুত লগোৱা আছিল সেইডাল তামবলৰ শিৰস্ত্রান লক্ষ্য কৰি এৰিলোঁ। তাৰ পিচত তুণৰপৰা আৰু এডাল কাঁড় উলিয়ালোঁ। সেউ-জীয়া ৰঙৰ ফাল কৰি মোৰ মামাই মোক দিছিল। এইডাল মাৰিবলৈ ইতস্ততঃ কৰি আকৌ তুণত থৈ দিলো। মোৰ এই দ্বিধাৰ কাৰণে যি সময় নষ্ট হ'ল তাৰ ভিতৰতে ইচ্ছা কৰা হ'লে দুডালমান কাঁড় মাৰিব পাৰিলো-হেঁতেন। আৰু এডাল শৰ ধনুত লগাই আগবাঢ়িলোঁ। লগৰীয়া তিনিজন মোৰ অলপ পিচত আছিল। দুজন মানুহ মোৰ ফালে আগুৱাই অহা দেখা

গ'ল—প্ৰথম জন হ'ল তামবল। আমাৰ দুজনৰ মাজত ওথ আলি। একাষেদি আহিছে ঘোঁৰাত উঠি তামবল আৰু আন কাষেদি মই। আলিৰ ওপৰত আমি এনেভাবে মুখামুখি হ'লো যে মোৰ সোঁ হাত আছিল শত্ৰুৰ ফালে আৰু তামবলৰ সোঁ হাত আছিল মোৰ ফালে আক্ৰমণ কৰাৰ ভাওত। তামবল পূৰামাত্ৰাই যুদ্ধ সাজেৰে সজ্জিত আছিল। আৰু মোৰ সম্বল আছিল মাত্ৰ তৰোৱাল আৰু ধনুকাঁড়। যি ডাল কাঁড় ধনুত লগোৱা আছিল—কাণলৈকে গুণ টানি সেইডাল মাৰিলোঁ। আৰু ঠিক একে সময়তে মোৰ আঠুত দকৈ সোমালহি এডাল কাঁড়—যি ডালক কোৱা হয় 'ছিবা' শৰ। মোৰ মূৰত আছিল লোহাৰ শিৰস্ত্ৰান। তামবলে দৌৰি আহি মোৰ শিৰস্ত্ৰানৰ ওপৰত তৰোৱালৰ এনে আঘাত শোধালে যে মোৰ জ্ঞানলোপ পোৱাৰ দৰে হ'ল। সেই আঘাতে মোৰ শিৰস্ত্ৰানৰ কণামাত্ৰও ক্ষতি কৰিবপৰা নাই কিন্তু মোৰ মূৰত গুৰুতৰ খুন্দা লাগে।

তৰোৱাল শান দি চোকা কৰি ৰখাত আওহেলা কৰিছোঁ। সেইথনত মামৰে ধৰিছে। তাৰোপৰি তাক ফাঁকৰপৰা টানি উলিয়াই অনাত পলম কৰি পেলাইছোঁ। অসংখ্য শত্ৰুৰ মাজত অকলে। তাত মনে মনে থিয় হৈ থকাৰো কোনো অৰ্থ নাই। ঘোঁৰাৰ লেকাম ঘূৰাই ল'লো। লগে লগেই আৰু এটা কোব পৰিল মোৰ তুণি ৰখা কাঁড় বিলাকৰ ওপৰত। সাত-আঠ খোজ ছুচঁকি যাওতেই দেখা পাওঁ যে মোৰ তিনিজন পদাতিক সেনা মোৰ কাষ পাইছেহি। তামবলে তেতিয়া তৰোৱাল হাতত লৈ দোস্ত নাচিৰক আক্ৰমণ কৰিলে। যেয়ে নহওক সিহঁত কিছু দূৰ আমাৰ পিচে পিচে আহিছিল।

তাৰিথ-থাকান-ছা এখন ডাঙৰ নদী। পানীও বৰ দ। যেনিয়ে তেনিয়ে পাৰ হ'ব নোৱাৰি। কিন্তু ভগৱানে আমাক ঠিক বাটেই চলাই লৈ আহিছিল। কাৰণ, য'ত আমি উপস্থিত হ'লোহি সেই ঠাইত পানী বাম, পাৰ হোৱাৰ উপায় আছে। নৈ পাৰ হোৱাৰ লগে লগে দোস্ত নাচিৰৰ ঘোঁৰা অতিৰিক্ত

পৰিশ্ৰমৰ বাবে দুৰ্ব্বল হৈ পৰি যায়। দোস্ত নাচিবৰ কাৰণে আন এটা ঘোঁৰা যোগাৰ কৰোতে আমি তাত কিছু সময় বৰ লগা হয়। তাৰ পিচত পাহাৰৰ মাজত নানা পথেদি আমি উছৰ ফালে আগবাঢ়োঁ। আমি পাহাৰ পাৰ হৈ অহাৰ পিচত মজিদ তাঘায়ে আমাক দেখা পাই আমাৰ লগত যোগ দিয়ে। তেওঁ সোঁ আঠুৰ তলত কাঁড়ৰ খোচ খাই আহত হয়। অৱশেষে কাঁড়ডালে আঠু সৰকাই দিব পৰা নাছিল। তেওঁ অতি কষ্টেৰেহে উছ পাবহি পাৰে। শত্ৰুৱে মোৰ বহুত ভাল ভাল লোকক হত্যা কৰিছে। এই সময়ত অনেক অশ্বাৰোহী আৰু পদাতিক সৈন্যইও শত্ৰুৰ হাতত প্ৰাণ এৰিছে।

তামবলৰ পিচে পিচে গৈ দুয়োজন খাই আন্দেজানৰ ওচৰত ঘাটি পাতেহি। মই আগুৱাই আহি সৰু মামাক দেখা পাওঁ। প্ৰথম সাক্ষাতৰ সময়ত হঠাৎ তেওঁৰ লগত দেখা হৈছিল আৰু পোনে পোনে তেওঁৰ আগত উপস্থিত হোৱাৰ কাৰণে তেওঁ ঘোঁৰাৰ পৰা নামিবলৈ সময় পোৱা নাছিল। আমাৰ সাক্ষাৎ আতিথ্যৰ সামাজিক ৰীতি অনুযায়ী সম্ভৱ হোৱা নাছিল। এইবাৰ মই ওচৰলৈ যাওঁতেই তেওঁ তেওঁৰ তম্বুৰ সীমাৰ বাহিৰলৈ লৰালৰিকৈ ওলাই আহিল। কৰঙ্গণত কাঁড় সোমোৱাৰ যন্ত্ৰণাত লাঠি হাতত লৈ খোৰাই খোৰাই মোক অহা দেখি তেওঁ দৌৰি আহি মোক সাবট মাৰি ক'লে—চাবাইচ, বীৰৰ দৰে কাম কৰিছা। মোক আকোৱালি লৈ তেওঁ তেওঁৰ তম্বুৰ ভিতৰলৈ লৈ গ'ল। তেওঁৰ তম্বু আছিল সৰু। তেওঁ মানুহ হৈছিল সুদূৰ পাৰ্বত, তাত শৃঙ্খলা নাছিল। ইয়াত তেওঁ বহা ঠাইখনো অলপো পৰিষ্কাৰ নহয়—দেখিলে ডকাইতৰ আড্ডা যেন লাগে। তৰমুজ, আঙুৰ আৰু ঘোঁৰাশালৰ বয়-বস্তু আদিবোৰ তেওঁৰ তম্বুৰ চাৰিওফালে সিচৰিত হৈ আছে।

সৰু মামাৰ কাৰবপৰা নিজৰ তম্বুলৈ আহিলোঁ। তেওঁ নিজৰ অস্ত্ৰ চিকিৎসকক মোৰ ঘা পৰীক্ষা কৰিবৰ কাৰণে পঠাই দিলে। অস্ত্ৰোপচাৰ বিদ্যাত তেওঁ অতি নিপুণ। কাৰোবাৰ যদি মুৰৰ ঘিউও ওলাই আহে তেওঁ দৰব দি তাক ভাল কৰিব পাৰে। তেজৰ শিৰ ছিগি গ'লে তাকো তেওঁ বঢ়িয়াকৈ

সোনকালে ভাল কৰিব পাৰে। কোনো কোনো ঘাত এবিধ প্ৰলেপ দিয়ে, কোনো কোনো আহত লোকক মাত্ৰ খোৱাৰ দৰব দিয়ে। মোৰ কৰঙ্গণৰ ঘাত তেওঁ কিবা ফলৰ শুকান বাকলি লগাই দিলে—যি ডোখৰ তেওঁ আগতেই সাজু কৰি ৰাখিছিল। মোৰ ঘাত তেওঁ কোনো বান্ধ নিদিলে। এবাৰ মাত্ৰ সৰু শিপাৰ নিচিনা বস্তু এটা খাবলৈ দি ক'লে—এবাৰ এজন লোকৰ ভৰিৰ হাৰ এনে ধৰণে ভাগে যে এহাতমান হাৰ একেবাৰে গুড়ি হৈ যায়। মই সেই ঠাইৰ ওপৰৰ চাল কাটি পেলাওঁ আৰু গুড়ি হাৰ গোটেইখিনিকে বাহিৰ কৰি পেলাওঁ, তাৰ পিচত এবিধ গুড়ি বস্তু ভৰাই দিওঁ। সেই গুড়ি লাহে লাহে বাঢ়িবলৈ ধৰে আৰু শেহত হাড়ত পৰিণত হয়। তেওঁৰ ভৰি সম্পূৰ্ণ ভাল হৈছিল।

কিছুদিনৰ পিচত এটা বিশেষ ঘটনা ঘটিল। এদিন ৰাতি তামবলে প্ৰায় দুশজন বছা বছা সৈন্যৰ এটা দল কেইজনমান বিষয়াৰ লগত অতৰ্কিতে 'পাপ' দুৰ্গ অধিকাৰ কৰিবলৈ পঠায়। এই দুৰ্গ পহৰা দিয়াৰ কোনো সতৰ্কতা নোলোৱাকৈয়ে ছৈয়দ কাছিম শুবলৈ গৈছিল। শত্ৰুপক্ষই দুৰ্গৰ কাষ পাই জখলা লগাই দুৰ্গ প্ৰাচীৰত উঠে আৰু প্ৰবেশ দ্বাৰ অধিকাৰ কৰে। কি ঘটনা ঘটিছে চৈয়দ কাচিমে জনাৰ আগতেই সত্তৰ-আশীজন মানুহ খাৰৈৰ ওপৰত ওলোমা দলং পেলাই খাৰৈ পাৰ হৈ আহে। আধা সাৰে তেওঁ যেনেকৈ আছিল তেনেকৈয়ে মাত্ৰ এটা কুৰ্ত্তা পিন্ধি পাঁচ-ছজন লোক লগত লৈ কাঁড় মাৰিবলৈ ধৰে। ওপৰাওপৰিকৈ শৰাঘাত কৰি শত্ৰুপক্ষৰ মানুহবিলাকক আহত কৰি দুৰ্গৰ পৰা বাহিৰ কৰি দিয়ে আৰু কেইজনমানৰ মূৰ কাটি মোৰ ওচৰলৈ পঠাই দিয়ে। এজন সেনাপতিৰ পক্ষে ইমান অৰক্ষিত অৱস্থাত দুৰ্গ ৰাখি শুবলৈ যোৱা অন্যায় হৈছিল ঠিক, কিন্তু এমুঠিমান সৈন্য লৈ ইমানবিলাক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত শত্ৰুসৈন্যক যুদ্ধত হুকৰাই খেদাই পঠিওৱাও অসম সাহসিক কাৰ্য্য বুলি গণ্য হোৱাৰ যোগ্য।

এই সময়ত খাঁ ভাই-ককাই দুয়ো আন্দেজান দুৰ্গ অবৰোধ কৰাত ব্যস্ত আছিল।

ছেখ বেজিদ তেতিয়া আখছিত আছিল। তেওঁ মোৰ স্বাৰ্থৰ কাৰণে কিমান যে ব্যস্ত—এইভাব দেখুৱাই মোক আখছিলৈ যোৱাৰ আহ্বান জনাই এজন কটকী গোপনে মোৰ ওচৰলৈ পঠায়। এই আমন্ত্ৰণৰ গুপুত উদ্দেশ্য আছিল মোক কোনো কৌশলেৰে খাঁ সকলৰপৰা আঁতৰোৱা কাৰণ, তেওঁৰ ধাৰণা হৈছিল যে যদি মই তেওঁবিলাকৰ লগ এৰোঁ তেতিয়া আৰু তেওঁবিলাকক সহায় কৰোঁতা এই দেশত কোনো নাথাকিব আৰু এই দেশ এৰি যাবলৈ বাধ্য হ'ব। এই পাং দি পাতিছিল তাৰ ককায়েক তামবলৰ লগত আলোচনা কৰি। খাঁ সকলৰ লগ এৰি তেওঁলোকৰ লগত যোগ দিয়া কথাটো মোৰ পক্ষে কল্পনা কৰাও অসম্ভৱ। মোৰ মামা খাঁ সকলক এই আমন্ত্ৰণৰ কথা জনালোঁ। তেওঁবিলাকে মোক যি কোনো উপায়ে আখছিলৈ যোৱাৰ উপদেশ দিলে আৰু যেনেকৈ হওক ছেখ বেজিদক বন্দী কৰাৰ কথা ক'লে। কিন্তু কোনো ধৰণৰ ছলনাৰ আশ্ৰয় লৈ কাম কৰা মোৰ স্বভাৱৰ বিৰোধী। মই যাবলৈ হ'লে সন্ধিৰ ব্যৱস্থা কৰিব লগা হয়। এই ক্ষেত্ৰত বিশ্বাসঘাতকতা কৰি নিজকে হীন প্ৰতিপন্ন কৰিব নোৱাৰোঁ। কিন্তু মই এবাৰ আখছিত উপস্থিত হ'বলৈ ব্যস্ত হৈ পৰিছিলোঁ। মোৰ ইচ্ছা আছিল যদি কোনো উপায়ে ছেখ বেজিদক ভায়েক তামবলৰ পৰা বেলেগ কৰি মোৰ লগত যোগ দিয়াৰ ব্যৱস্থা কৰিব পাৰি, তেতিয়া সুযোগ ওলালে সম্মানেৰে সৈতে সেই সুযোগ গ্ৰহণ কৰিব পৰা যায়। এই উদ্দেশ্যে মই এজন লোকক আখছিলৈ পঠাওঁ। তেওঁ বেজিদৰ লগত এটা সন্ধিৰ চুক্তি কৰিলত বেজিদে মোক আখছিলৈ যোৱাৰ নিমন্ত্ৰণ কৰে।ময়ো আখছিলৈ বুলি বাওনা হ'লোঁ। ছেখ বেজিদে মোৰ লগত দেখা কৰে। মোৰ ভাই নাচিৰ মিৰ্জাকো তেওঁ লগত লৈ আহে। মোক দুৰ্গৰ ভিতৰলৈ নি তেওঁ গুচি যায়। প্ৰস্তৰ

দুৰ্গত মোৰ পিতাৰ কাৰেঙত মোৰ থকাৰ ব্যৱস্থা কৰা হৈছিল। মই তাতৈকে আছোঁ।

এদিন পুৱা জাহাঙ্গীৰ মিৰ্জা তামবলৰ ওচৰৰপৰা পলাই মোৰ কা' পায়হি আৰু মোৰ দলত যোগ দিয়ে। কাৰেঙৰ দক্ষিণ ফালৰ চ'ৰাত বহি আমি আলোচনা কৰি থাকোঁ। জাহাঙ্গীৰ মিৰ্জাই মোৰ কাণে কাণে ক'লে —ছেখ বেজিদক এতিয়াই বন্দী কৰা আৱশ্যক।

মই উত্তৰ দিওঁ—লৰালৰিকৈ কিবা এটা কৰা উচিত নহ'ব। বেজিদক বন্দী কৰা সময় পাৰ হৈ গৈছে। মিটমাটেৰে কিবা মীমাংসা কৰিব পৰা যায়নে তাৰহে এতিয়া চেষ্টা কৰা উচিত। এইটোৱেই উচিত হ'ব— কাৰণ তেওঁৰ দলত বহুত মানুহ আৰু আমাৰ সামান্য কেইজনমান; ইয়াৰ উপৰি তেওঁবিলাকৰ শক্তিশালী সেনা বাহিনীয়ে দুৰ্গ অধিকাৰ কৰি আছে আৰু আমি সামান্য কেইজনমান সেনা লৈ বহিৰ্দুৰ্গৰ কাৰেং মাত্ৰ অধিকাৰ কৰি আছোঁহক।

মই নাজানো তেওঁ মোৰ কথাৰ ভুল অৰ্থ কৰিলে নে জানি শুনিয়েই গোঁৱাতুঁমি দেখুৱালে। সি যেয়ে নহওক, চেখ বেজিদক তেওঁ বন্দী কৰিলে; সেই পক্ষৰ যি বিলাক মানুহ কাষত আছিল সিহঁতে চাৰিওফালৰপৰা আগুৰি ধৰি বেজিদক মুহূৰ্তৰ ভিতৰতে আঁতৰাই লৈ গ'ল—সন্ধি চুক্তি শেষ হ'ল। গতিকেই আমি যুদ্ধৰ কাৰণে প্ৰস্তুত হ'লোঁ।

নগৰৰ এক অংশৰ ভাৰ মই জাহাঙ্গীৰ মিৰ্জাৰ ওপৰত দিলোঁ। মিৰ্জাৰ জনবল কম আছিল দেখি আমি কেইজনমান লোক তেওঁৰ লগত আছিলোঁ। মই প্ৰথমতে নগৰৰ এই অংশ পৰ্যাবেক্ষণ কৰি শৃঙ্খলা আনো আৰু কোন কোঠত কোন থাকিব লাগিব তাক ঠিক কৰি দিওঁ। তাৰ পিচত নগৰৰ অন্য অংশলৈ গুচি আহোঁ।

নগৰৰ মাজঠাইত খোলা পথাৰ। তাত মোৰ কেইজনমান বণুৱাক নিয়োগ কৰি আগুৱাই আহোঁ। মোৰ বণুৱাবিলাকে শত্ৰুপক্ষৰ অশ্বা

জ্জিত অশ্বাৰোহী আৰু পদাতিক সৈন্যৰ দ্বাৰা আক্ৰান্ত হৈ ঘাটি এৰি দিবলৈ বাধ্য হয়। শত্ৰুসৈন্যই সিহঁতক এটা ঠেক গলিৰ মাজলৈ খেদি লৈ যায়। সেই সময়তে মই তাত উপস্থিত হওঁ আৰু ঘোঁৰাৰ পিঠিত উঠি সিহঁতক খেদাকৈ আক্ৰমণ কৰোঁ। শত্ৰুপক্ষই এই আক্ৰমণ প্ৰতিৰোধ কৰিব নোৱাৰিলে। পলাবলৈ আৰম্ভ কৰিলে। সৰু গলিটোৰপৰা সিহঁতক খেদি খেদি তৰোৱাল লৈ যুদ্ধ কৰি কৰি পথাৰৰ ফালে আহোঁ। এই সময়তে মোৰ ঘোঁৰাৰ ঠেঙত কাঁড় সোমায়। ঘোঁৰা আহত হৈ জপিয়াই উঠি মোক শত্ৰুৰ মাজত পেলাই দিয়ে। ততালিকে মাটিৰ পৰা উঠি এপাত শৰ মাৰোঁ। ...ল নামৰ মোৰ এজন লগৰীয়াই তেওঁৰ নিজৰ নিশকতীয়া ঘোঁৰাৰ পৰা ...ম সেই ঘোঁৰাত মোক উঠিবলৈ দিয়ে।

পথাৰৰ কোঠত কেইজনমান সৈন্য ৰাখি আৰু এটা আসিব ফালে আগুৱাই ...। মোৰ ঘোঁৰাৰ দুৰ্দ্দশা দেখি মহম্মদ ওৰাইছে নিজৰ ঘোঁৰাটো মোক ...। মই সেই ঘোঁৰাত উঠি লওঁ। এই সময়তে জাহাঙ্গীৰ মিৰ্জাৰ ওচৰৰ ...ঘূৰি আহি আহত কামবাৰ আলিয়ে মোক জনায় যে মিৰ্জাই অলপ ...তে অসংখ্য শত্ৰুসৈন্যৰ দ্বাৰা ভীষণভাৱে আক্ৰান্ত হৈ অতি দুৰৱস্থাত নিৰুপায়হৈ নগৰ এৰি পলাই যাবলৈ বাধ্য হৈছে।

ইব্ৰাহিম বেগক সুধিলোঁ—এতিয়া কি কৰা যায়?

...তেওঁ আহত হৈছিল। কি কাৰণে নাজানো, আঘাত লগা ঠাইৰ ...হওক বা আতংকত তেওঁৰ বুকুৰ স্পন্দন বন্ধ হোৱাৰ উপক্ৰমৰ ফলতেই ... তেওঁ কোনো উত্তৰ নিদিলে। সেই সময়তে মোৰ মনত এটা বুদ্ধি ...। দলটোৰ পাৰ হৈ সিপাৰলৈ গৈ সেই দলং ভাঙি আমি সহজেই ...ন্দানৰ ফালে আগবাঢ়িব পাৰোঁ। এই বিপৰ্য্যয়ৰ সময়ত বাবা চাৰজিয়ে ...দক্ষতাৰ পৰিচয় দিয়ে। তেওঁ কলে যে যি দুৱাৰ আমি ওচৰতে পাম ...ই আক্ৰমণ চলাই বাহিৰলৈ ওলোৱা বাট কৰি লম। এই পৰামৰ্শমতে ... দুৱাৰৰ ফালে আগবাঢ়িলোঁ। চেখ বেজিদে সেই সময়ত বৰ্ম পিন্ধি

তিনি-চাৰিজনমান অশ্বাৰোহী সৈন্যৰ লগত দুৱাৰেদি সোমাই নগৰৰ ফা
আগবাঢ়িছে। মই তৎক্ষণাৎ তূণৰ পৰা এপাত কাঁড় উলিয়াই তেওঁৰ মুৰ ল
কৰি মাৰিলোঁ। কাঁড়পাত তেওঁৰ গলধন চুই গ'ল। তেওঁ দুৱাৰে
সোমাওঁতে সোঁফালে ঘূৰি অতি শঙ্কিত হৈ এটা সৰু আলিয়েদি পলাই গ'
মই তেওঁৰ পিচ ল'লোঁ। কুলি গকুলতাছে লাঠিৰে এজন পদাতিক সৈ
বগৰাই দিলে। আৰু এজন মানুহক কাষেদি পাৰ হৈ যাওঁতেই দেখা গ
যে মানুহজনে ইব্ৰাহিম বেগলৈ লক্ষ্য কৰি কাঁড মাৰিবলৈ সাজু হৈছে। ইব্ৰা
লগে লগে বৰ ডাঙৰকৈ 'হায়, হায়' বুলি চিঞৰি উঠোঁতেই মানুহটো
থাই উঠিল। তাৰ পিচত সেই মানুহটোৱে খুব ওচৰৰপৰা মোৰ ফালে
এৰিলে। মোৰ গাত আছিল 'কালমুক' বৰ্ম। শৰৰ খুন্দাত বৰ্মৰ ডুটা
ফুটে আৰু ভাগে। তীৰ নিক্ষেপকাৰীক পলোৱা দেখি মই এপাত ক
তাৰ ফালে মাৰোঁ। এই সময়তে এজন পদাতিক সৈন্য দুৰ্গ প্ৰাচীৰৰ গা ঘঁ
পলাইছিল। মোৰ শৰপাত তাৰ মূৰৰ টুপীত লাগি উফৰি আহি টুপী
সৈতে দুৰ্গৰ বেৰত বিন্ধ খায়। সেইডাল তেনে অৱস্থাতে বেৰত ও
থাকে। সৈন্যজনে মূৰৰ পাগুৰি হাতত লৈ দৌৰি পলায়। এজন অশ্বা
মোৰ কাষেদি ছেংবেঙিকৈ পলাই যোৱা বাটেদি কোবত যায়। তাৰ
মই তৰোৱালেৰে ইমান জোৰে ঘাপ শোধাও যে সি আগফাললৈ হা
ঘোঁৰাৰপৰা পৰো পৰো হয়, কিন্তু কাষৰ বেৰত ভৰ দি সেই খু
চঙালি লৈ কোনো ৰকমে পলাই যায়। শত্ৰুপক্ষৰ যি কেইজন পদাতিক
অশ্বাৰোহী বাবৰ ওচৰত আছিল সিহঁতৰ সকলোকে যেদাই খামি ৰাখ
কৰোঁ।

জয়ী হোৱাৰ সম্ভাবনা কোনোৰকমেই আমাৰ নাছিল। দুৰ্গৰ ভি
শত্ৰুপক্ষৰ সশস্ত্ৰ সৈন্যবল হ'ব দুই-তিনি হাজাৰ—মোৰ আছে দুৰ্গৰ
সীমাত এশ বা বৰ বেছি দুশ। ইয়াৰ উপৰি গাধীৰত জাল দিলে উঠ
যিমান সময় লাগে তাতোকৈও কম সময়ৰ ভিতৰতে জাহাঙ্গীৰ মিৰ্জা শ

চ… গুৰি পলাইছে আৰু তেওঁৰ লগত আছে মোৰ আধা সৈন্য। এইখিনি … সত্ত্বেও মোৰ অত্যন্ত অনভিজ্ঞতাৰ কাৰণে মই নিজে দুৰ্গৰ দ্বাৰ… পক্ষা কৰি এজনক জাহাঙ্গীৰ মিৰ্জাৰ ওচৰলৈ পঠালোঁ। এই অনুৰোধ কৰি যদি তেওঁ ওচৰত আছে তেনেহ'লে যেন তেওঁৰ লগৰ মানুহ লৈ মোক সহায় …ত আহে, যাতে আৰু এবাৰ চেষ্টা কৰি চাব পাৰি। কিন্তু দৰাচলতে …লো শেষ হৈ গৈছে। ইব্ৰাহিম বেগৰ ঘোঁৰা সঁচাকৈয়ে দুৰ্ব্বল আছিল নে … নিজেই আহত হোৱাত মনমৰা হৈছিল নাজানো। কিন্তু তেওঁ মোক …ে যে তেওঁৰ ঘোঁৰাটো একেবাৰে অপদাৰ্থ। এই কথা শুনাৰ লগে … চুলেমান নামৰ মোৰ এজন লগুৱাই কাৰো পৰা কোনো ইঙ্গিত নোপোৱা… …ৰ ঘোঁৰাটো ইব্ৰাহিমক দি দিয়ে। মানুহটোৰ এটা বিশেষ গুণ লক্ষ্য …লোঁ। যিমান সময় আমি দ্বাৰত অপেক্ষা কৰিছিলোঁ কোৰেলৰ খাজানা… …চুক আনিয়ে অতি বীৰোচিত কাৰ্য্য দেখুৱাইছিল।

…জনক মই মিৰ্জাৰ ওচৰলৈ পঠাইছিলোঁ তেওঁ উভতি অহালৈ দ্বাৰতে … …টি চাই ৰ'লোঁ। ঘূৰি আহি তেওঁ মোক জনায় যে জাহাঙ্গীৰ মিৰ্জা … আগতে ঠাই এৰি পলাইছে। পৰ দি থকাৰ সময় নাছিল। আমিও …কৈ দ্ৰুতবেগে ওলাই আহিলোঁ। মুঠতে ইমান সময় ৰৈ থকাই মোৰ … অনুচিত হৈছিল। মোৰ লগত মাত্ৰ দহজন লগৰীয়া আছিল। আমি … কৰাৰ মুহূৰ্ত্ততে আমাৰ পিচে পিচে শত্ৰুপক্ষৰ বহুত সৈন্যই চোঁচা ল'লে। …টা দলং পাৰ হওঁতে সিহঁত নগৰৰ পিনৰ অংশ পাইছিলহি। …

…কি ইব্ৰাহিম বেগক কৈছে—তোৰ অহঙ্কাৰ বৰ বেছি। … বৰ কথা … তোৰ অভ্যাস। এবাৰ ৰচোন চাওঁ, তৰোৱালেৰে হতাহতি যুদ্ধ কৰ … লগত। দেখা যাওক, কোন জিকে কোন হাৰে।

ইব্ৰাহিম বেগ মোৰ ওচৰতে আছিল। তেওঁ উত্তৰ দিলে আহ … …নে বাধা দিছে?

…ইত মূৰ্খ, পাগল। বাহাদুৰী দেখুৱাই পৰস্পৰৰ দাবী আদায় কৰাৰ

উপযুক্ত সময়, ঠিকেই ! তৰোৱাল খেলৰ দক্ষতা দেখুৱাবলৈ আজৰি ক' এটা মুহূৰ্ত্তও নষ্ট কৰাৰ সময় নাই। বায়ুবেগে আমি দৌৰিবলৈ লাগিলে আৰু পিচে পিচে আগুৱাই আহিল শত্ৰুসৈন্য। আগবাঢ়ি আহি থাকোঁতে থাকোঁতে সিহঁতে এজনৰ পাচত এজনকৈ আমাৰ সৈন্যবিলাকক ঘোঁৰাৰ পৰা নমাই যায়।

সহায় বিচাৰি ইব্ৰাহীম বেগ চিঞৰি উঠিল। পিচলৈ ঘূৰি চাই দেখো যে চেখ বেজিদৰ এজন ক্ৰীতদাসৰ লগত তেওঁৰ যুদ্ধ চলিছে। পিচুৱাই মই ঘোঁৰাৰ মুখ ঘূৰালোঁ। জানকুলি মোৰ ওচৰতে আছিল। তেওঁ আৰ্ত্তনাদ পাৰি উঠিল—এয়া জানো উভতি যোৱাৰ সময় ? তাৰ পিচত মোৰ ঘোঁৰাৰ লেকাম ঘূৰাই লৈ মোক বেগাই ঘোঁৰা দৌৰাবলৈ ক'লে। আমি সাঁ পোৱাৰ আগতেই শত্ৰুৱে মোৰ সৈন্যবিলাকৰ বহুতকেই ঘোঁৰাৰপৰা নমাই পেলাইছে। চাঙ পাৰ হৈ অহাৰ পিচত শত্ৰুসৈন্য আৰু পিচফালে দেখা নগৈছিল। চাঙৰ নদীৰফালে আমি আগবাঢ়িবলৈ ধৰিলোঁ। আমাৰ দলত তেতিয়া আমি মাত্ৰ আঠজন। শিল দিয়া এটা কোনো ৰকমৰ ভগা চিগা আলি নদীৰ ফাললৈ গৈছে। এই আলিত মানুহৰ আহ-যাহ নাই। এই নিজাম পথেদি নৈৰ কাষ পালোঁগৈ। তাৰ পিচত নৈখনক সোঁফালে ৰাখি এটা সৰু আলিয়েদি বাট বুলিলোঁ। আবেলিৰ নামাজৰ সময় আমি পাহাৰী বাট এৰি সমতলৰ কাষ পালোঁহি। দূৰত সমতলভূমিৰ ওপৰত তেতিয়া ৰাতিৰ অন্ধকাৰ ঘন হৈ আহিছিল। মোৰ লগৰী কেইজনক লুকাই থৈ খোজকাঢ়ি এডোখৰ ওখ ঠাইত উঠি চাৰিওফালে চকু ফুৰালোঁ। হঠাৎ চকু পৰিল আমাৰ পিচফালৰ এটা পাহাৰৰ ওপৰত এদল অশ্বাৰোহী উঠি আহিছে। দলটোত সিহঁতৰ কেইজন আছে বুজি পৰা নাই কিন্তু আৰু অপেক্ষা কৰা উচিত নহ'ব ভাবি আমি ঘোঁৰাত উঠি পলাবলৈ ধৰিলোঁ। আমাক অনুসৰণ কৰা অশ্বাৰোহী দলটো সংখ্যাত বিশ-পঁচিশ জনৰ বেছি নহ'ব যেন লাগে কিন্তু আমি আছিলোঁ মাত্ৰ আঠজন

...ইটো আগতেই কৈছো। পিচে পিচে খেদোতেই যদি সিহঁত সংখ্যাত ...মান জানিব পাৰিলোহেঁতেন তেতিয়াহ'লে সিহঁতক ভালকৈ এসেকা ...পৰা গ'লহেঁতেন। কিন্তু আমি ভাবিছিলোঁ। সিহঁতৰ পিচে পিচে আৰু ... আমাৰ দলক ধৰিবৰ কাৰণে আহিছে। এই ধাৰণাৰ বশবৰ্ত্তী হৈ ... খৰখেদা কৰি পলাবলৈ ধৰিলোঁ। ঘটনাটো হ'ল—যি পলোৱাৰ ...না পৰাজিত মনোভাবৰ প্ৰভাৱত পৰিছে, সিহঁত সংখ্যাত অধিক হ'লেও ...ৰীয়া সংখ্যাৰ পিচে পিচে খেদা শত্ৰুৰ মুখামুখি হ'বলৈ সাহ নকৰে।

...জান কুলিয়ে ক'লে—আমি এই বাটেদি গ'লে শত্ৰুৱে আমাৰ সকলোকে ...পেলাব। তাতকৈ আপুনি আৰু কুলি গকুলতাছে দুটা ভাল ঘোঁৰা ...ছৈ একেলগে থৰ কদমত আন বাটেদি গুচি যাওক। তেতিয়া হয়তো ...নালোক পলাব পাৰিব।

পৰামৰ্শটো বেয়া নাছিল। কাৰণ আমি যেতিয়া শত্ৰুপক্ষৰ লগত ...ৰণ দিব পৰা নাই, এনে সময়ত মুক্তিৰ সম্ভাৱনা যাতে বেছি হয় সেইপথ ... কৰা শ্ৰেয়ঃ। কিন্তু মোৰ মনে নামানিলে। শত্ৰুৰ মাজত মোৰ ...মীসকলক পেলাই থৈ আঁতৰিবলৈ মই সন্মত নহ'লোঁ। অৱশেষত ...ৰ দল ভাগ ভাগ হৈ অগাপিচাকৈ যাবলৈ ধৰিলে। মই যিটো ঘোঁৰাৰ ...ত আছিলোঁ সি যেন অৱশ হৈ পৰিছিল। তাৰ দৌৰাৰ শক্তি নাছিল। ... কুলিয়ে নিজৰ ঘোঁৰাৰপৰা নামি মোক সেই ঘোঁৰাত ...বলৈ ক'লে। মই তেওঁৰ ঘোঁৰাত উঠিলোঁ আৰু মোৰ ঘোঁৰাত ... তেওঁ। এই সময়তে পিচ পৰি থকা চাহিম নাচিৰ আৰু আব্দুল ...ছুক শত্ৰুৱে ঘোঁৰাৰপৰা নমাই পেলালে। জান কুলিও পিচ পৰিল। ... তেওঁৰ ৰক্ষা বা সাহায্যৰ চেষ্টা কৰাৰ কোনো উপায়েই নাছিল। ... কাৰণে আমি কেইজনমান খুব জোৰেৰে ঘোঁৰা দৌৰাই যাব ধৰিলোঁ। ... ঘোঁৰাবিলাকৰ দম যেন শেষ হৈ আহিছিল। সিহঁত আৰু দৌৰিব ...ৰা হৈছিল। দোস্ত বেগৰ ঘোঁৰা পিচ পৰিল। মোৰ ঘোঁৰাটোৰ অৱস্থা

তেনেকুৱাই। কামবাৰ আলিয়ে ঘোঁৰাৰপৰা নামি তেওঁৰ ঘোঁৰাত মোক উঠিবলৈ দিলে। তেওঁ মোৰ ঘোঁৰাত উঠিল আৰু অনতিপলমে পিচ পৰি গ'ল। খোৱা থাজা হুচেনিয়ে মুখ ঘূৰাই লৈ পাহাৰৰ ফালে আঁতৰিল। কুলি গকুলতাছৰ লগত মই মাথোঁ থাকিলোঁ। আমাৰ ঘোঁৰাও দুৰ্ব্বল হৈ পৰিছিল। সিহঁতৰ দৌৰাৰ শক্তি নাছিল। আমি ধীৰ কদমত যাবলৈ ধৰিলোঁ। কুলি গকুলতাছৰ ঘোঁৰাৰ বেগ একেবাৰে কমি গ'ল। তেওঁক ক'লো— তোমাক এৰি মই ক'লৈ যাম? আহাঁ, মৃত্যুৰেই হওক বা জীৱনেই হওক একেলগে বৰণ কৰোঁ। হৈ থাকোতে কুলিৰ ফালে মাজে মাজে ঘূৰি চাইছিলোঁ। অৱশেষত কুলিয়ে ক'লে—মোৰ ঘোঁৰা সম্পূর্ণ শক্তিহীন হৈ পৰিছে। তাৰ লৰচৰ কৰিব পৰা ক্ষমতা নাই। মোৰ লগত আপোনাৰ ভাগ্য মেৰাই ল'লে আপোনাৰ পক্ষে পলোৱা অসম্ভৱ হ'ব। অলপ যদি আগুৱাই যায় হয়তো এতিয়াও আপোনাৰ নিৰাপদ ঠাইত উপনীত হোৱাৰ উপায় হ'ব পাৰে।

মই বৰ দুৰৱস্থাত পৰিলোঁ। কুলি পিচ পৰিল। মই তেতিয়া একেবাৰে অকলশৰীয়া। শত্রুপক্ষৰ দুজন মানুহক দেখা গ'ল। এজনৰ নাম ছিৰাম আৰু এজন বন্দে আলি। সিহঁত ক্ৰমাৎ মোৰ ফালে আগুৱাই আহিছিল মোৰ ঘোঁৰাৰ গতিও একেবাৰে কমি গ'ল। দুমাইল দূৰত এটা পাহাৰ বাটত শিলৰ দ'ম পৰি আছে। চিন্তা কৰিবলৈ ধৰিলোঁ—শিলৰ ওপৰেদি যাওঁতে যাওঁতে যদি ঘোঁৰাৰ ঠেং পিছলি যায় তেতিয়া কি হব? পাহাৰটো এতিয়াও বহু দূৰত। মোৰ তূণত তেতিয়াও কুৰি ডালমান কাঁড় আছিল ঘোঁৰাৰপৰা নামি শিলৰ দ'মৰ কাষত থিয় হৈ চালে কেনে হয়? যিমান সময়লৈ কাঁড় থাকে সিমান সময়লৈ যুঁজ কৰিব পৰা যায়। কিন্তু পিচ মুহূৰ্ত্ততে মনলৈ আহিল হয়তো মই পাহাৰ পাবগৈও পাৰোঁ। যদি সেইটো হয়, তেতিয়া কিছুসময়ৰ পিচত পাহাৰৰ ওপৰতো উঠিব পাৰোঁ। কাঁড় চলোৱাত মোৰ দক্ষতাৰ ওপৰত খুব আস্থা আছিল। এই কথা ভাবি ভাবি মই আগুৱাই যাব ধৰিলোঁ। মোৰ ঘোঁৰাৰ গতি বৰ দুৰ্ব্বল হৈ আহিছিল

প্ৰয়োজন অনুসৰণকাৰী মোৰ ইমান ওচৰ পাইছিলহি যে সিহঁত কাঁড়ৰ লক্ষ্যৰ ভিতৰত পৰে। মই কিন্তু কাঁড় খৰচ নকৰোঁ বুলি স্থিৰ কৰি কাঁড় মৰা নাই। অনুসৰণকাৰী কেইজনেও অলপ শঙ্কিত হৈ বৰ ওচৰলৈ নাহি কিছু দূৰত্ব ৰাখি মোৰ অনুসৰণ কৰিছিল।

সূৰ্য্যাস্তৰ সময়ত মই পাহাৰৰ কাষ পাওঁ। তেতিয়া সিহঁতে চিঞৰি ক'লে—আপুনি ক'লৈ যোৱাৰ মন কৰি এনেদৰে দৌৰিছে? জাহাঙ্গীৰ মিৰ্জা ধৰা পৰিছে আৰু তেওঁৰ ভায়েক নাচিৰ মিৰ্জাও বন্দী।

সিহঁতৰ কথা শুনি ভয় লাগিল। যদি আমি তিনিওজনেই এইদৰে ধৰা পৰো তেতিয়া হ'লে সকলো ফালৰপৰা আতঙ্কিত হ'বৰ কথা। আৰু অলপ দূৰ আগুৱাওতে সিহঁতে মোক আকৌ মাতিলে। এইবাৰ সিহঁতৰ সুৰ আগতকৈ কিছু কোমল যেন লাগিল। ঘোঁৰাৰপৰা নামি সিহঁতে কিবাকিবি ক'বলৈ ধৰিলে। সিহঁতৰ কথালৈ কাণ নিদি মই আগবাঢ়িলোঁ। পাহাৰৰ মাজেদি এটা ঠেক পথ পাই সেইফালেই আগুৱালোঁ। এইদৰে আগবাঢ়ি গৈ থাওঁতে ৰাতিৰ নামাজৰ সময়ত এটা ঘৰৰ সমান আয়তনৰ শিলৰ কাষ পাওঁ। শিলটোৰ পিচলৈ এটা থিয় গড়া দেখা পাওঁ এই গড়াত উঠা ঘোঁৰাৰ কাৰণে সম্ভৱ নহয়।

অনুসৰণকাৰীবিলাকে ঘোঁৰাৰপৰা নামি আৰু মিহি আৰু ভদ্ৰ ভাষাত সম্বোধন কৰি ক'বলৈ ধৰিলে—এনেকৈ চলিলে জানো উদ্দেশ্য সিদ্ধি হ'ব? এনেয়ে নিশা ৰাতে সন্মুখত কোনো বাট নাই। এতিয়া আপোনাৰ কাৰণে ক'লৈ যোৱা সম্ভৱ? সিহঁতে শপত খাই ক'লে—চুলতান আমেদৰ ইচ্ছা যে আপুনিয়েই সিংহাসনত বহক।

মই উত্তৰত ক'লোঁ।—এইবিলাক কথাত মই অলপো বিশ্বাস নকৰো। চুলতান আমেদৰ লগত যোগ দিয়া মোৰ কাৰণে অসম্ভৱ। যদি তোমালোকে মোৰ কাৰণে কিবা উপকাৰ কৰাৰ সদিচ্ছা মনত ভাবিছা তেতেয়া হ'লে এনে এটা কাম মোৰ কাৰণে কৰিব পাৰা যি কামৰ সুযোগ সহজতে নাহে। এনেকুৱা

এটা বাট মোক দেখুৱাই দিয়া যিটো বাটেদি গ'লে মই খাঁ সকলৰ লগত পুনৰ মিলিত হ'ব পাৰোঁ। এই উপকাৰ কৰ কৰিলে তোমালোকে এনেকুৱা পুৰস্কাৰ মোৰ পৰা পাবা যিটো তোমালোকে কল্পনাও কৰিব নোৱাৰা। যদি তোমালোকে এই কাম কৰিবলৈ অস্বীকাৰ কৰা তেতিয়া হ'লে তোমালোক যি বাটেদি আহিছা যেই বাটেদি ঘূৰি যোৱা আৰু মোক ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি থাকিবলৈ দিয়া। এই কেৰা কৰিলেও মোক কম উপকাৰ কৰা নহ'ব।

সিহঁতে ক'লে—আমি ইয়ালৈ নহাই ভাল আছিল। ঈশ্বৰৰ শপত। এইখিনি যেতিয়া পাইছোঁ।হিয়েই আপোনাক এই দুৰৱস্থাৰ মাজত জানো পেলাই থৈ গুচি যাব পাৰোঁ? আপুনি যেতিয়া আমাৰ লগত যাবলৈ অসন্মত তেতিয়া হ'লে আপোনাৰ সেৱা কৰিবৰ বাবে আপুনি যলৈ যাব আমিও তালৈকে আপোনাৰ লগত যাব পাৰোঁ সেই আদেশ দিয়ক।

মই উত্তৰত ক'লোঁ—তেন্তে কোৰানৰ নামত শপত খোৱা যে তোমালোকৰ প্ৰস্তাব আন্তৰিক। সিহঁতে সেই শপত খালে।

মই তেতিয়া সিহঁতৰ ওপৰত কিছু বিশ্বাস স্থাপন কৰিলোঁ। ক'লোঁ এই উপত্যকাৰ কাষেদিয়েই এটা আলি গৈছে। তোমালোক সেই বাটে-দিয়েই যাব খোজা নেকি?

শপত খাইছে যদিও সিহঁতক পূৰা বিশ্বাস কৰিব পৰা নাই। সেই কাৰণে সিহঁতক আগে আগে যাবলৈ কৈ মই পিচে পিচে গৈছিলোঁ। এমাইল কি দুমাইল মান যোৱাৰ পিচত আমি এখন সৰু নৈ পালোঁ। কলোঁ—উপত্যকাৰ কাষৰ যি বাটৰ কথা কৈছিলো এইটো সেই বাট যেন লগা নাই।

সিহঁতে এটা যেন দ্বিধাৰ ভাব দেখুৱাই ক'লে। —বাটটো আৰু অলপ আগত পোৱা যাব। প্ৰকৃততে আমি এই উপত্যকাৰ আলিৰ ওপৰতে আছো। কিন্তু মোৰ ধাৰণা হ'ল সিহঁতে সত্য গোপন কৰি মোক ফাঁকি দিছে।

মাজনিশা আমি এখন নৈৰ ওচৰ পালোঁহি। সিহঁতে ক'লে—আমি কিজানি ভুল কৰি আচল পথ ধৰিব পৰা নাই। উপত্যকাৰ আলিবাটটো আমি পিচত এৰি থৈ আহিছোঁ।

ক'লো—এতিয়া তেনেহ'লে উপায় ?

সিহঁতে ক'লে ঘিবাৰ পথ অলপ আগত পোৱা যাব। সেই বাটেদি গ'লে আপুনি ফাৰকটলৈ যাব পাৰিব। আমি বাট বুলিব ধৰিলো আৰু ৰাতি তিনি প্ৰহৰৰ শেহত কাৰনানৰ নদীৰ কাষত উপস্থিত হ'লোঁহি। 'ঘিবা'ৰপৰা এই নৈ থন বৈছে। বাবা চিৰামিয়ে ক'লে—ইয়াতেই বোৱা যাওক; মই ঘিবাৰ বাটটো এবাৰ চাই আহোঁ।

তেওঁ অলপ পাচতে ঘূৰি আহি ক'লে—এই আলিয়েদি এতিয়া বহুত মানুহ অহা-যোৱা কৰিছে। গতিকে এই বাটেদি আমি যোৱা অসম্ভৱ।

এই বাতৰিত মই শঙ্কিত হৈ পৰিলোঁ। এতিয়া মই শত্ৰুৰ এলেকাৰ ভিতৰত আছোঁ। মই যলৈ যাব খোজো সেই ঠাই এতিয়াও বহুত দূৰত। ক'লো—তেন্তে এনে এডোখৰ ঠাই বিচাৰা য'ত আমি দিনটো লুকাই থাকিব পাৰোঁ।

সিহঁতে ক'লে—ওচৰতে এটা পাহাৰ আছে। তাত আমি লুকাই থাকিব পাৰিমহঁক।

বন্দে আলি কাৰনানৰ দাৰোগা। তেওঁ ক'লে—যদি একো খোৱা বস্তু সংগ্ৰহ কৰা নাযায় আমাৰ ঘোঁৰা বিলাকৰো আৰু যোৱাৰ শক্তি নাথাকিব। মই কাৰনানলৈ যাওঁ। তালৈ গৈ কিছু খোৱা বস্তু গোটোৱাৰ চেষ্টা কৰি চাওঁ।

কাৰনানৰ আলিয়েদি আমি যাবলৈ ধৰিলোঁ। কাৰনানৰ দুমাইল দূৰত আমি ৰ'লো। বন্দে আলি গ'লগৈ। বহুত সময়লৈকে তেওঁ ঘূৰা নাই। পোহৰ হৈছে তথাপি তেওঁৰ কোনো খবৰ নাই। মই বৰ শঙ্কিত হৈ পৰিলোঁ। ৰাতি পুৱাল। বন্দে আলিয়ে হাতত তিনিটা কটি লৈ উভতিছে। ঘোঁৰাৰ খোৱা বস্তু একোৱেই অনা নাই। আমি এই কিথনৰ কাৰণে সময়

নকটাই যাবলৈ ধৰিলোঁ। যি পাহাৰত আমি লুকাই থাকিম বুলি ভাবিছিলো সেই পাহাৰৰ কাষ পালোহি। ঘোঁৰা কেইটাক তলত শিল সিচৰিত হৈ থকা পানী থকা মাটিত থৈ আমি পাহাৰৰ ওপৰলৈ উঠিলোঁ আৰু তাৰপৰা কেউফালে চকু ৰাখিলোঁ।

দুপৰ হৈ আহিছে। দেখিলোঁ—চিকাৰী শেন চৰাই পালক আমেদ কোছজি চাৰিজন অশ্বাৰোহীৰ সৈতে ঘিবাৰ ফালৰপৰা আখ্ছিৰ ফাললৈ গৈছে। এবাৰ ভাবিলো সেই মানুহজনক মাতি আনি মিঠা কথা কৈ ভবিষ্যতে তেওঁৰ ভাগ্য পৰিবৰ্ত্তনৰ আশ্বাস দি তেওঁবিলাকৰ ঘোঁৰাবিলাক দিবলৈ অনুৰোধ কৰোঁ। কাৰণ আমাৰ ঘোঁৰাবিলাক দিনে-ৰাতিয়ে অনবৰত পৰিশ্ৰম কৰি আৰু কণমাত্ৰ শস্য নাপাই দুৰ্ব্বল হৈ লৰচৰ কৰিব নোৱাৰা হৈ পৰিছে। কিন্তু মোৰ মনৰ সন্দেহ নমৰিল। সিহঁতৰ ওপৰত আস্থা স্থাপন কৰিবপৰা যায়নে নাযায় ঠিক কৰিব নোৱাৰিলোঁ। মই আৰু মোৰ লগৰীয়া কেইজনে থিৰ কৰিলো যে মানুহ কেইজন সম্ভৱ ৰাতি কাবনানতে ৰৈ যাব। তেতিয়া সিহঁতৰ ঘোঁৰা মনে মনে আঁতৰাই নি আমি কোনো নিৰাপদ ঠাইলৈ গুচি যাম।

দুপৰীয়া যিমান দূৰলৈ দৃষ্টি যায় চাই লৈছিলোঁ। দূৰত এটা ঘোঁৰাৰ ওপৰত কিবা এটা তিৰবিৰাই উঠা দেখা পালোঁ। কিছু সময় চাই থাকিও ধৰিবপৰা নাছিলো বস্তুটো কি? পিচত দেখিলো ঘোঁৰাৰ ওপৰত মহম্মদ ৰকিৰ। তেওঁ আখ্ছিত মোৰ লগতে আছিল। যেতিয়া আমি ছেদেলি-ভেদেলি হৈ পৰোঁ আৰু লগৰবিলাক দৌৰি পলাবলৈ ধৰে সেই সময়ত মহম্মদ ৰকিৰ আঁতৰি আহিছিল। সম্ভৱ চোৰাংকৈয়ে এইফালে ঘূৰি ফুৰিছে। বন্দে আলি আৰু বাবা ছিৰামিয়ে ক'লে—আমাৰ ঘোঁৰাই দুদিন ধৰি এটা খুদো খাবলৈ পোৱা নাই। পাহাৰৰপৰা নমাই ঘোঁৰাবিলাকক পথাৰত চৰোৱাৰ ব্যৱস্থা কৰা ভাল। কিজানি কিবা ঘাঁহ সিহঁতে খাবলৈ পায়। আমি তললৈ নামি আহিলো আৰু ঘোঁৰাবিলাকৰ ঘাঁহ খাবৰ কাৰণে এৰি

দিলোঁ। প্ৰায় আবেলিৰ নামাজৰ সময়ত দেখা গ'ল যে আমি যি পাহাৰত লুকাই আছিলো সেইফালেদি ঘোঁৰাত উঠি এজন মানুহ গৈছে। দেখিয়েই চিনি পালোঁ তেওঁ খিবাৰ মণ্ডল কাদিৰ বৰ্দি। লগৰীয়া কিজনক ক'লে কাদিৰ বৰ্দিক মতা যাওক।

তেওঁ আমাৰ ওচৰলৈ আহিল। ভালকৈ অভ্যৰ্থনা জনাই তেওঁক কেইটামান প্ৰশ্ন কৰিলোঁ। ... মিঠাভাবে তেওঁক ব্যৱহাৰ কৰি ভবিষ্যত যে তেওঁৰ খুব ভাল এই আশ্বাস দি—যাতে তেওঁ মোৰ ফালে আকৃষ্ট হয় সাধ্যমতে তাৰ চেষ্টা কৰি তেওঁক অলপ ৰচি, হাকোটা, এখন কুঠাৰ, এনেধৰণৰ নৈ পাৰ হোৱা সৰঞ্জাম, ঘোঁৰাৰ কিছু খোৱা বস্তু, আমাৰ কাৰণেও অলপ আহাৰ আৰু পাৰিলে এটা ঘোঁৰাও যোগাৰ কৰিবৰ কাৰণে পঠালোঁ। তাক ক'লো ৰাতিৰ নামাজৰ সময়ত যেন সি এই ঠাইতেই দেখা কৰে।

সন্ধ্যাৰ নামাজ শেষ হোৱাৰ পাচত এজন অশ্বাৰোহী কাবনানৰপৰা খিবাৰ ফাললৈ যোৱা দেখা গ'ল। আমি ডাক দিলো—কোন সেয়া? তেওঁ উত্তৰ দিলে। ছুপৰীয়া লক্ষ্য কৰা এয়ে সেই মহম্মদ বকিৰ। তেওঁ দিনত লুকাই থকা ঠাইৰপৰা এতিয়া কোনো নিৰাপদ ঠাইলৈ গৈছে। তেওঁৰ মাত ইমান সলনি হৈ গৈছে যে আমাৰ লগত কেইবাবছৰো থাকিলেও গলাৰ মাতত তেওঁক চিনিবপৰা নগ'ল। যদি সেইখিনিতে চিনিবপৰা গ'লহেঁতেন আৰু যদি মোৰ লগত ৰাখিব পাৰিলোহেঁতেন তেতিয়া হ'লে মোৰ পক্ষে বৰ ভাল হ'লহেঁতেন। এই মানুহজন আমাৰ কাষে দিয়ে গুচি গ'ল দেখি বৰ অস্বস্তি-বোধ কৰিলোঁ। খিবাৰ কাদিৰ বৰ্দিৰ ওপৰত যিখিনি কামৰ ভাৰ দি ইয়াত ৰৈ আছিলো আৰু তেওঁক যি সময়ত ঘূৰি অহাৰ কথা কৈছিলো সেই সময়লৈ ৰোৱাৰ সাহো নহ'ল।

বন্দে আলিয়ে ক'লে—কাবনানৰ সীমান্তত বহুত এৰা বাগিছা আছে। তালৈ আমি গ'লে কোনোৱে আমাক সন্দেহ নকৰে। সেইফালেই যোৱা হওক। তাৰপৰা কাৰবাক পঠাই কাদিৰ বৰ্দিক আমাৰ ওচৰলৈ লৈ আহিলেই হ'ব।

এই উদ্দেশ্য লৈ আমি ঘোঁৰাত উঠিলোঁ আৰু কাবনানৰ সীমা মুৰলিৰ ফালে আগবাঢ়িলোঁ।

তেতিয়া জাৰকালি আৰু বৰ জাৰ—এওঁলোকে মোৰ কাৰণে এখন পুৰণি ভেৰাৰ চালৰ চাদৰ আনিলে। চাদৰৰ ভিতৰফালে পাট আৰু বাহিৰফালে ডাঠ কাপোৰেৰে মেৰিওৱা। সেইখন গাত ল'লো। মোৰ কাৰণে সিহঁতে আৰু যোগাৰ কৰি আনিলে—এপোৰা সিজোৱা জোৱাৰৰ গৰম ময়দা। সেইখিনি খাই শৰীৰটো বেচ্ তজ্‌বজীয়া হৈ পৰা যেন লাগিল।

বন্দে আলিক সুধিলোঁ—কাদিৰ বৰ্দিক মাতিবৰ কাৰণে কাৰবাক পঠিওৱা হৈছে নোক ? তেওঁ উত্তৰ দিলে—হয়, পঠাইছোঁ।

কিন্তু এই দুজন দুষ্ট বুদ্ধিৰ নীচ চয়তানে কাদিৰ বৰ্দিৰ লগত আচলতে দেখা কৰিছিল আৰু তেওঁক আথ্‌ছিলৈ পঠাইছিল তামবলক খবৰ দিবৰ কাৰণে।

শিলৰ বেৰেৰে ঘেৰা এটা ঘৰত উপস্থিত হৈ জুই জলাই মই চকু জপালোঁ। আৰু তেতিয়াই টোপনি গ'লোঁ।

এই ধূৰ্ত্ত মানুহ দুজনে মোৰ ওপৰত খুব আগ্ৰহ দেখুওৱাৰ ভাও ধৰিবলৈ ধৰিলে। সিহঁতে ক'লে—কাদিৰ বৰ্দি ঘূৰি নহা পৰ্য্যন্ত আমাৰ এই ঠাই এৰি গ'লে নহ'ব।

এই ঘৰটো অৱশ্যে মাজ ঠাইতে। সীমান্তৰ ফালে এখন ঠাই আছে। তালৈ যদি আমি যাব পাৰোঁ কোনেও আমাক সন্দেহ নকৰে।

মাজৰাতি আমি ঘোঁৰাৰ পিঠিত উঠিলোঁ। আৰু সীমান্তৰ এফালে এখন বাগিছা লক্ষ্য কৰি আগুৱাই গ'লোঁ। সেই বাগানঘৰৰ চ'ৰাত উঠি বাবা চিৰামিয়ে চাৰিওফালে লক্ষ্য কৰিবলৈ ধৰিলে। প্ৰায় দুপৰীয়া সময়ত তেওঁ নামি আহি ক'লে—ইউচোফ দাৰোগা এই ফাললৈ আহিছে।

মই বৰ শঙ্কিত হৈ কলো—গমলৈ আহা. তেওঁ মই ইয়ালৈ অহাৰ কথা জানিব পাৰি মোৰ সন্ধানত আহিছে নেকি ?

বাবা চিৰামি বাহিৰলৈ গৈ অলপ পৰ কথা-বাৰ্ত্তা পতাৰ পিচত আহি জনালে—ইউছোফ দাৰোগাই কৈছে যে আখ্‌ছিৰ দুৱাৰৰ ওচৰত এজন পদাতিক সৈন্যৰ লগত তেওঁৰ দেখা হয়। তেওঁৰপৰা তেওঁ শুনিবলৈ পায় যে দেশৰ বজা কাবনানৰ এই ফালেই আছে। এই বাতৰিটো যাতে আৰু কাৰো আগত প্ৰকাশ নাপায় তাৰ কাৰণে তেওঁ মানুহটোক নজৰবন্দী কৰি ৰাখিছে। কোষাধ্যক্ষ ওৱালী যে তেওঁৰ হাতত ধৰা পৰিছিল তেওঁকো বন্দী কৰিছে। তাৰ পিচত তেওঁ লৰালৰিকৈ এই ফাললৈ দৌৰি আহিছে। কোনো বেগক তেওঁ এই কথা জনোৱা নাই।

বাবা চিৰামিক সুধিলোঁ—এই বিলাক কথা শুনি তোমাৰ কি ধাৰণা হয়?

তেওঁ উত্তৰ দিলে—সকলোৱেই আপোনাৰ দাস। এই কথা ক'বলৈ দ্বিধা নাই যে সকলোৱেই আপোনাৰ লগত যোগ দিবলৈ ইচ্ছা কৰে। আপুনি আকৌ ৰাজসিংহাসনত বহক।

মই ক'লো—ইমান যুঁজ-বাগৰ আৰু কাজিয়াৰ পাচত কি বিশ্বাসত তাঁহাতৰ হাতৰ মুঠিলৈ আকৌ যাব পাৰি?

মই আৰু অলপ ক'বলৈ গৈছিলো, ইউচুফ হঠাৎ মোৰ ওচৰত উপস্থিত হৈ আঁঠুকাঢ়ি ক'লে—আপোনাৰ পৰা একোকে গোপন কৰিব নোখোজো। এই বিষয়ত চুলতান আমেদে একোকেই নাজানে। চুলতান বেজিদে খবৰ পাইছে আপুনি ক'ত আছে। তেওঁৱেই মোক ইয়ালৈ পঠাইছে।

এই কথা শুনি মই ভয় আৰু উত্তেজনাত অভিভূত হৈ পৰিলোঁ। মৰণ একেবাৰে কাষ চাপি আহিছে এই কথা জানিব পৰাৰ দৰে যন্ত্ৰণাদায়ক অনুভূতি মানুহৰ জীৱনত আৰু কেতিয়াও জাগৃত নহয়।

মই চিঞৰি ক'লো—সঁচা ক'বা, তোমাৰ উদ্দেশ্য কি? মোৰ যি ইচ্ছা প্ৰকৃতত যদি তাৰ বিপৰীত ঘটে তেন্তে এইকণ সময় দিয়া যাতে মোৰ শেষ প্ৰাৰ্থনা ভগবানক জনাব পাৰোঁ।

ইউচুফে বাৰে বাৰে শপত খাবলৈ ধৰিলে। কিন্তু তাৰ কথাত মই হয়ভৰ

দিব নোৱাৰিলোঁ। মই তাৰ পৰা উঠি বাগিছাৰ এটা কোণলৈ আহিলোঁ। নিজৰ মনতে চিন্তা কৰিবলৈ ধৰিলোঁ। মনে মনে ক'লো—এজন মানুহ এশ বছৰ কিয় যদি হেজাৰ বছৰো জীয়াই থাকে, তথাপিও অৱশেষত তেওঁ ।

(এইখিনিতে ১৫০২ চনৰ ডিচেম্বৰ মাহত আত্ম-কাহিনীৰ আঁহ ছিগিছে আৰু ১৫০৪ চনৰ জুনত পুনৰ আৰম্ভ হৈছে। মাজৰ অংশ আবিষ্কাৰ কৰাটো সম্ভৱ হোৱা নাই।

বাবৰৰ বিপদসঙ্কুল সঙ্গহীন অৱস্থাৰ পৰা তেওঁৰ শুভানুধ্যায়ী সকলেই তেওঁক নিশ্চয় উদ্ধাৰ কৰিছিল। তেওঁ যে কাৰগানাত আছিল আখ্‌ছিৰ বন্ধুতেই সেই কথা জনা সম্ভৱ আছিল। বাকী তেওঁৰ সঙ্গীসকল, যিসকল বিচ্ছিন্ন হৈ পৰিছিল, তেওঁলোকে হয়তো তেওঁলোকৰ ঘোঁৰাবিলাকক জিৰণি দি সবল কৰি লৈ তেওঁৰেই সন্ধানত ফুৰিছিল। জাহাঙ্গীৰ মিৰ্জাই বাবৰৰ আধা সৈন্য লৈ হয়তো আখ্‌ছিৰ ওচৰতে ক'ৰবাত আছিল তেওঁৰ মোমায়েক খাঁ সকলেও হয়তো নিজৰ সৈন্যদল লৈ কাৰনানৰ পথেদিয়েই আগ বাঢ়িছিল যদি ইউচুফে বাবৰক বন্দী কৰি আখ্‌ছিৰ আলিয়েদি লৈ গৈ থাকে তেতিয়া ওপৰ কোৱা মতে বাবৰৰ হিতৈষীসকলৰ লগত দেখাদেখি হোৱাৰ সম্ভৱ আৰু তেওঁ বিলাকেই বাবৰক ভয়ঙ্কৰ বিপদৰপৰ উদ্ধাৰ কৰিব পাৰে। বাবৰৰ আত্ম কাহিনীৰ কিছুমান পাত হেৰাই যোৱাত এই সম্পৰ্কে একো নাজানিলেও এইটো বুজা যায় যে তেওঁ বিপদমুক্ত হৈছিল আৰু তেওঁৰ মোমায়েক খাঁ সকলৰ লগ লাগিবলৈ সক্ষম হৈছিল।

খাঁ ভাই-ককাই দুজন অৱশ্যে চেবানী খাঁৰ হাতত বন্দী হৈছিল। তেওঁ বিলাকৰ পৰাজয়ৰ পিচত বাবৰ মোগলিস্থানৰ ফালে পলাইছিল। মোগলিস্থান বুলিলে অৱশ্যে কোন ঠাই বুজায় তাক অৱশ্যে ঠিক জনা নাযায়। তথাপি অনুমান কৰিব পাৰি সি তাছখণ্ড। কিন্তু চেবানীৰ আদেশত তাছখণ্ডৰ ফালৰ বাট বন্ধ আছিল। হুকুম জাৰি কৰা হৈছিল যে বাবৰ আৰু আবু মকৰামক বন্দী কৰিব লাগিব। কোনো উপায় নেদেখি বাবৰে দুৰ্গম পথেদি

ছাথ' আৰু হিছাৰৰ পৰ্ব্বতীয়া অঞ্চললৈ পলাইছিল। এই পৰ্ব্বতীয়া প্ৰদেশত তেওঁ অনেক দুখ কষ্ট সহ্য কৰি প্ৰায় এবছৰমান আছিল। অকল যে তেওঁ গৃহহীন, ৰাজ্যহীন, অনাই-বনাই ফুৰা জীৱন যাপন কৰিছিল এনে নহয়। প্ৰকৃততে তেওঁ চাৰিওফালে শত্ৰুৰে পৰিবেষ্টিত হৈছিল। পৰ্ব্বতীয়া জাতি-বিলাকৰ আনুগত্য আৰু আন্তৰিকতাই তেওঁক আৰু তেওঁৰ কেইজনমান অনুচৰক এই সময়ত ৰক্ষা কৰিছিল। বাবৰৰ মাক এই সময়ত তেওঁৰ লগত আছিল আৰু তেওঁৰ অনুচৰসকলৰ পৰিয়ালো তেওঁলোকৰ লগত আছিল।

তাৰ পিচত বাবৰে তেওঁৰ দুৰ্ভগীয়া, ভোকাতুৰ, গৃহহীন অনুচৰবিলাকক লৈ ১৫০৪ চনৰ জুন মাহৰ মাজভাগত শেষবাৰৰ কাৰণে এই দেশ এৰিলে। বিপদসঙ্কুল যাত্ৰা। ফাৰগানা প্ৰদেশৰ দক্ষিণ সীমাৰ সুউচ্চ পৰ্ব্বতমালা অতিক্ৰম কৰাৰ অভিযান আৰম্ভ হ'ল। এই অভিযানৰ শেষ পৰিণতি হিন্দুস্থানত তাইমুৰ বংশৰ সাম্ৰাজ্য স্থাপন। ৰাজ্যচ্যুত বাবৰৰ এই দুঃসাহসিক যাত্ৰাই ৰক্ষা কৰিছে হিন্দুস্থানত তাইমুৰৰ বংশানুক্ৰমিক ধাৰাবাহিকতা। বাবৰৰ অসম সাহসিকতা, উচ্চাকাঙ্ক্ষা, প্ৰাণচাঞ্চল্যৰ ফলতেই ভাৰত সাম্ৰাজ্যৰ ভেটি পিন্ধিবলৈ সক্ষম হৈছিল—তেওঁৰ বংশধৰ হুমায়ুন, আকবৰ, জাহাঙ্গীৰ, চাহজাহান, আউৰংজেব।

বাবৰৰ বয়স তেতিয়াও বাইশ বছৰ পূৰ হোৱা নাই। বয়সীয়াল লোকসকলে তেওঁকলৈ কৰা অবিৰাম ষড়যন্ত্ৰ, তেওঁৰ বিফলতা, তেওঁৰ সঙ্গহীনতা, অবিৰাম চলা বিপদৰ ধুমুহাই তেওঁৰ মনোবল টুটাব পৰা নাছিল। বৰং তেওঁৰ অভিলাষক আৰু বঢ়াই তুলিছিল।

তেওঁৰ প্ৰথম ইচ্ছা আছিল যে তেওঁ চুলতান হুচেনৰ ওচৰলৈ বুলি খোৰাচানলৈ যাব। সেই ইচ্ছা ত্যাগ কৰি কাবুলৰ ফাললৈ যাত্ৰা কৰিলে এই উদ্দেশ্যে যে তাইমুৰৰ বংশধৰ হিচাবে কাবুলৰ সিংহাসন দাবী কৰি আৰঘুনবিলাকৰ পৰা তাক কাঢ়ি ল'ব পাৰিব। তেওঁৰ খুড়াক উলুগবেগ মিৰ্জা কাবুলৰ মৃত্যুৰ পিচত মাত্ৰ তিনি বছৰৰ আগতে কাবুল আৰঘুনবিলাকৰ হাতলৈ গৈছিল।

যেতিয়া বাবৰে তেওঁৰ বৈচিত্ৰ্যপূৰ্ণ বুৰঞ্জী আকৌ লিখিবলৈ আৰম্ভ কৰে তেতিয়া সেবানি থাই চমৰথণ্ড, বোথাৰা আৰু ফাৰগানা জয় কৰিছে। চুলতান হুচেন তেতিয়া খোৰাচানৰ আৰু খচৰু চাহ হিচাৰ আৰু বাদাকচানৰ শাসক। জুলনান বেগ কান্দাহাৰ, চিস্তান আৰু হাজাৰাছ সকলৰ দেশত ক্ষমতাত অধিষ্ঠিত।

(১৩)

১৫০৪ খৃষ্টাব্দৰ ঘটনাৱলী।

মহৰম মাহত ফাৰগানাৰ সীমান্তৰপৰা যাত্ৰা কৰোঁ খোৰাচানত উপস্থিত হ'বৰ কাৰণে। হলাকৰ গ্ৰীষ্ম পজাত কেইদিনমান বাট চালোঁ। ইলাক হিচাৰ প্ৰদেশৰ অন্তৰ্গত এখন জিলা। গৰম কালি পশু চৰোৱাৰ এখন উপযুক্ত ঠাই।

ইয়াত মই ২৩ বছৰ বয়সত ভৰি দিলোঁ। প্ৰথম ডাঢ়ি খুৰাবৰ কাৰণে ক্ষুৰ ব্যৱহাৰ কৰোঁ ইয়াতেই। তেতিয়াও মোৰ ভাগ্যৰ লগত বান্ধ খাই থকা মোৰ অনুচৰৰ সংখ্যা পদস্থ আৰু সাধাৰণ মিলি দুশৰ অলপ বেছি আৰু তিনিশৰ কম আছিল। তেওঁবিলাকৰ সৰহ ভাগেই টান ভাঠ ছামৰাৰ জোতা পিন্ধি খোজ কাঢ়িয়েই ফুৰিব লগা হৈছিল। তেওঁলোকৰ হাতত অস্ত্ৰৰ ভিতৰত আছিল লাঠি আৰু তেওঁলোকৰ কান্ধত ওলমিছিল দীঘল কুৰ্ত্তা। তেতিয়া আমাৰ এনেকুৱা দুৰৱস্থা যে দুটাতকৈ বেছি তম্বু নাছিল। মোৰ মাৰ কাৰণে লগোৱা হয় মোৰ তম্বুটো। বাটত জিৰাবৰ সময়ত মোৰ কাৰণে অনুচৰসকলে অথালি-পথালিকৈ দাবৰ ওপৰত এখন পাটৰ কাপোৰৰ চাকনি তাৰ দিয়ে। সেই পাট-ঘৰতে মই থাকিবলগীয়া হয়।

মই খোৰাচানলৈ বুলি যাত্ৰা কৰিলেও মোৰ বৰ্ত্তমানৰ অৱস্থাতো খচৰু চাহৰ অধিকাৰত থকা ৰাজ্যত তেওঁৰ অনুগত সকলৰ মন সলনি কৰিব

ৰিম মোৰ বিশ্বাস হৈছিল। এই সময়ত এনেকুৱা এটা দিন যোৱা নাই না কোনোবা নহয় কোনোবা লোক মোৰ লগত যোগ দি এই দেশৰ আৰু থিত নোহোৱা বিধৰ মনোভাবৰ কথা জনাই মোৰ আশা-আকাঙ্ক্ষাত ন যোগোৱা নাই।

ছিবিম তাঘাইৰ ওপৰত মোৰ অগাধ বিশ্বাস আছিল যিটো বিশ্বাস মই ক কাৰো ওপৰত ৰখা নাই। সেই বিশ্বাসী মানুহজনে কিন্তু মই থোৱা-লৈ যোৱাৰ উদ্দেশ্য ভাল চকুৰে চাব নোৱাৰাৰ কাৰণে মোৰ লগ এৰাৰ চিন্তা কৰিছিল। তেওঁ নিজৰ পৰিবাৰবৰ্গক আগতেই দেশলৈ পঠাই মুক্ত হৈ অকলে মোৰ লগত আছিল—এই ভাবি যে যেতিয়াই ইচ্ছা ই বিনা বাধাই মোক এৰি যাব পাৰে। তেওঁ স্বভাৱত আছিল কাপুৰুষ কেইবাবাৰো মোৰ লগত এনে ধৰণৰ খেল খেলিছে।

এই সময়তে বাকি বেগে বাৰে বাৰে অতি আগ্ৰহেৰে তেওঁৰ মনৰ এই কথা ছিল যে একেখন ৰাজ্যত দুজন ৰজা আৰু এটা সেনাবাহিনীত দুজন পতি কেতিয়াও থকা উচিত নহয়—কাৰণ সি মাত্ৰ বিশৃঙ্খলা আৰু ধ্বংস কৰে। এনে দ্বৈত ব্যৱস্থাত বিপ্লৱ, বিদ্ৰোহ আৰু ফলস্বৰূপে সৰ্ব্বনাশ নিবাৰ্য্য। কাৰণ কবিয়ে কৈছে--

‘মাত্ৰ এখন কম্বল
যদি পায় বহিবলৈ
দহজন ফকীৰৰ
পুলকৰ নহয় অন্ত।
যদি পায় ৰাজ্যৰ
ভগাভগি অধিকাৰ
দুয়োজন অধিৰাজ
হিংসাত হয় ক্লান্ত।
কোনো জন সাধুলোকে

এটুকুৰা ৰুটি পাই,
তৃতীয়া নিচলাজনক
আধা আনন্দত বিলাই।
যদি কোনো সম্রাটে
কোনো দেশ জয় কৰে
তথাপি তাৰ লুভীয়া মন
আন ৰাজ্যলৈ দৌৰে।'

যিহেতু এই কথা বিশ্বাস কৰিবলৈ যথেষ্ট কাৰণ আছে যে অলপ দিনৰ ভিতৰতে খচৰু চাহৰ প্ৰধান প্ৰধান কৰ্মচাৰী আৰু দাসসকলে ৰজাৰ অৰ্থাৎ মোৰ সম্মুখত উপস্থিত হৈ তেওঁবিলাকৰ আনুগত্য জনাব, বাকি বেগৰ সৎ অভিমত এই যে জাহাঙ্গীৰ মিৰ্জাক এতিয়াই আঁতৰাই পঠোৱা ভাল। কিন্তু তেওঁৰ যুক্তিত মই একমত হ'ব নোৱাৰিলোঁ।

এই সময়ত খবৰ আহিল যে চেবানি খাঁই আন্দেজান দখল কৰিছে। এই কথা শুনি খচৰু চাহে কোনো সহায় পোৱাৰ আশা নথকাত তেওঁৰ গোটেই সেনা আৰু মানুহলৈ কাবুললৈ যাত্ৰা আৰম্ভ কৰে। তেওঁ কুন্দুজ এৰি অহাৰ পিচতে তেওঁৰ কেইজনমান বিশ্বাসী কৰ্মচাৰীয়ে কুন্দুজ দুৰ্গ অধিকাৰ কৰি চেবানী খাঁৰ হাতত গতাই দিয়ে। মই লোহিত নৈৰ পাৰত উপস্থিত হোৱাত মোগল জাতৰ তিনি-চাৰি হাজাৰ পৰিয়ালৰ মুখীয়ালসকল—যি সকল ইমান দিন খচৰু চাহৰ অধীনত আছিল—সকলোৱে সপৰিয়ালে মোৰ দলত যোগ দিলে। এইখিনিতেই বাকি বেগক সন্তুষ্ট কৰিবৰ কাৰণে মই কাম্বৰ আলী মোগলক পদচ্যুত কৰিবলৈ বাধ্য হ'লোঁ। এওঁৰ কথা মই আগতেও উল্লেখ কৰিছো। এওঁ অতি অপৰিণামদৰ্শী আৰু ৰূঢ়ভাষী আছিল। বাকি বেগে তেওঁৰ ব্যৱহাৰ সহ্য কৰিব নোৱাৰিছিল।

খচৰু চাহে যেতিয়া শুনিবলৈ পালে যে মোগলবিলাকে মোৰ লগত যোগ দিছে তেতিয়া তেওঁ তেওঁৰ অসহায় অৱস্থাৰ কথা উপলব্ধি কৰিলে। আৰু

কোনো উপায় নেদেখি তেওঁ কটকী হিচাবে তেওঁৰ জোৱাঁয়েকক মোৰ ওচৰলৈ পঠায়। তেওঁৰ প্ৰস্তাব হ'ল যে যদি মই তেওঁৰ লগত কেইটামান চুক্তিত আহোঁ তেতিয়া তেওঁ মোৰ আনুগত্যৰ প্ৰতিশ্ৰুতি দিব আৰু তেওঁ নিজে আহি মোৰ কথা স্বীকাৰ কৰিব।

বাকি চেথানিয়ানি যদিও মোৰ ওচৰত তেওঁৰ অনুৰক্তিৰ অভাৱ নাছিল আৰু তেওঁৰ মতামতৰো যথেষ্ট মূল্য আছিল তথাপি তেওঁৰ ভাতৃৰ প্ৰতি স্বাভাবিক কোমলতা থকাত, মীমাংসা কৰি মোৰ প্ৰস্তাৱ সমৰ্থন কৰিলে। মোৰ চৰ্ত্ত এইটোৱেই যে খচৰু চাহৰ জীৱন ৰক্ষাৰ আৰু তেওঁৰ নিজস্ব সা-সম্পত্তি তেওঁৰ অধিকাৰতে থাকিব—এই প্ৰতিশ্ৰুতি দিব লাগিব। এইবিলাক চৰ্ত্তে এটা সন্ধি হৈ গ'ল।

তাৰ পিচত মোৰ শিবিৰ উঠাই কাবুলৰ ফালে যাত্ৰা কৰোঁ আৰু 'খাছে-মন্দ'ত আহি ৰওঁ। এই ঠাইত খচৰু চাহৰ অস্ত্ৰাগাৰত যি বিলাক অস্ত্ৰ-শস্ত্ৰ আৰু বৰ্ম্ম বাকী আছিল সেইবিলাক মোৰ সৈন্যবিলাকক বিলাই দিওঁ। প্ৰায় সাত-আঠ শ বৰ্ম্ম আৰু ঘোঁৰাৰ সা-সৰঞ্জাম পোৱা হ'ল। এইবিলাক খচৰু চাহে এৰি থৈ যায়। অনেক ধৰণৰ বস্তু অৱশ্যে আৰু আছিল কিন্তু সেই-বিলাক একো কামৰ নাছিল।

এতিয়ালৈকে কোনো দিনেই বশিষ্ঠ (কেনোপাছ) নক্ষত্ৰ মোৰ চকুত পৰা নাছিল। সেইদিনা এটা পাহাৰৰ টিঙত বহি দেখিলোঁ দক্ষিণত আকাশৰ তলৰ ফালে এটা তৰা তিৰবিৰাই আছে। মই ক'লো—এইটো কেতিয়াও বশিষ্ঠ নক্ষত্ৰ নহয়। সকলোৱে ক'লে সেইটো বশিষ্ঠ যে খাটাং। বাকিয়ে এই কবিতাটো আবৃত্তি কৰিলে—

'নক্ষত্ৰ, হে বশিষ্ঠ।
কিমান নো দূৰত ওলোৱা তুমি
ক'তনো তোমাৰ স্থান?
যাৰ ওপৰত দৃষ্টি তোমাৰ পৰে
তেওঁ কিমান ভাগ্যবান।'

আমি পাহাৰৰ তললৈ নামি আহোতে সূৰ্য্য উদয় হৈছে। তাৰ প
যাত্ৰা কৰি শ্বেত প্ৰাসাদৰ সন্মুখত ঘাঁহেৰে ঢাক খাই থকা মাটিত জিৰণি ল'লোঁ
খচক চাহৰ অনুচৰবিলাক সদায়েই বৰ্ব্বৰতাৰ কাৰ্য্যত লিপ্ত হৈ থকা
প্ৰলোভিত হৈ আহিছে। কোনো শৃঙ্খলা বা নীতিবোধ তেওঁবিলাক
নাছিল। এতিয়া সিহঁত মোৰ লগৰীয়া হৈও এইদেশৰ মানুহবিলাক
ওপৰত উৎপীড়ন কৰিবলৈ আৰম্ভ কৰিলে। অৱশেষত আলি দৰবান
দলৰ এজন ৰণুৱাই যেতিয়া জোৰ-জুলুম কৰি এই দেশৰ এজন বাসিন্দাৰপ
এক পাত্ৰ তেল কাঢ়ি আনিলে তেতিয়া মই সেই সৈন্যক ধৰি আনি বেতাৱ
আদেশ দিলোঁ। এই শাস্তিৰ ফলত সি প্ৰাণ দিব লগা হয়। এই উদাহৰণ
মূলক শাস্তিৰ পিছত অত্যাচাৰ বন্ধ হ'ল।

এই ঠাই এৰি আমাৰ দ্বিতীয়বাৰৰ যাত্ৰা আৰম্ভ হ'ল। আমি ছালাক
চৰণীয়া পথাৰত ৰলোহি। ইয়াতে আলাপ-আলোচনা কৰি স্থিৰ কৰা হ'
যে কাবুল অৱৰোধ কৰিবৰ কাৰণে এইবাৰ আগুৱাই যাব লাগিব। আে
আমি যাত্ৰা আৰম্ভ কৰিলোঁ।

এদিন মোৰ সৈন্যবেহুৰ প্ৰধান দল সোঁ আৰু বাঁও বাহু সকলোকে ভালৈ
অস্ত্ৰেৰে সজাই আৰু ঘোঁৰাবিলাক বৰ্ম্মেৰে ঢাকি কাবুল নগৰৰ সীমা
উপস্থিত হৈ নগৰবাসীক অস্ত্ৰ-শস্ত্ৰৰ আড়ম্বৰ দেখুৱাই অলপ অচৰপ ক
কৰিবলৈ আদেশ দিলোঁ। মোৰ সেনাবিলাকে অপমানসূচক অঙ্গি-ভঙ্গী
কৰি জোৰ কদমত চামাৰ বাৰৰ ওচৰলৈ আগবাঢ়ি যায়। যি কেইজ
নগৰবাসী ওলাই আহিছিল। সিহঁতে প্ৰতিৰোধৰ কোনো আশা নাই
দেখি স্থান ত্যাগ কৰি নগৰৰ ভিতৰলৈ পলাই গ'ল। দুৰ্গৰ ওপৰৰ পৰা
আওগড়ীয়া বাট তললৈ আহিছে সেইবান্ধৰ ওপৰত থিয় হৈ কাবুল চহৰ
কেইজনমান অধিবাসীয়ে কি ঘটনা হৈছে চাবলৈ গোট খাইছিল। সিহঁ
পলাবলৈ আৰম্ভ কৰাত এনে ধূলিৰ ধুমুহা বলিল যে সিহঁতৰ বহুতেই বান্ধৰ পৰ
তললৈ সৰি পৰিল। প্ৰবেশদ্বাৰ আৰু দলঙৰ মাজৰ ওখ ঠাইত আৰু বাটত

ঠায়ে ঠায়ে গাত খান্দি তাত জোঙা বাঁহ পুতি সিইতে ঘাঁহ দি ঢাকি থৈছিল চুলতান কুলি চানক আৰু কেইজনমান অশ্বাৰোহীয়ে যেতিয়া বেগাই আগবাঢ়ি যায় তেতিয়া তেওঁলোক এই গাতৰ ভিতৰত পৰি যায়। মোৰ দলৰ সৌ বাহুৰ দুই-এজন অশ্বাৰোহী সৈন্যই কুৰাগৰ ফালৰপৰা আগুৱাই অহা দুৰ্গৰক্ষী দলৰ লগত তৰোৱালৰ কোবাকুবি আৰম্ভ কৰে। কিন্তু যুদ্ধ কৰাৰ কোনো নিৰ্দেশ নথকাত তেওঁবিলাক ঘূৰি আহে।

চহৰৰ লোক একেবাৰে ভীত আৰু হতাশ হৈ পৰিছে। মোকিমে কেইজনমান আমীৰৰ যোগে অধীনতা স্বীকাৰ আৰু কাবুল দুৰ্গ সমৰ্পন কৰাৰ সম্মতি জনালে। তেওঁক মোৰ সন্মুখলৈ অনা হ'ল। তেওঁ মোৰ আনুগত্য স্বীকাৰ কৰিলে। যিমান পাৰি তেওঁৰ মানসিক দুঃচিন্তা আঁতৰাবলৈ যত্ন কৰি তেওঁক আদৰ-অভ্যৰ্থনা জনালো। ঠিক হ'ল যে তেওঁ পিচদিনা তেওঁৰ সকলো সেনা অনুচৰ আৰু বস্তু-বাহানি লৈ দুৰ্গৰ বাহিৰলৈ গুচি আহিব আৰু দুৰ্গ মোৰ হাতত সমৰ্পন কৰিব

পিচদিনা বাকিপুৰাই মিৰ্জা আৰু বেগসকল যি প্ৰবেশদ্বাৰ পৰ্যন্ত গৈছিল সেইলোকে প্ৰজাৰ হৈচৈ দেখি মোৰ ওচৰলৈ এজন মানুহ পঠাই জনায় যে মই উপস্থিত নহ'লে এই উত্তেজনা দমন নহ'ব। মই ঘোঁৰাত উঠি সেই ঠাইত উপস্থিত হ'লোঁ আৰু গণ্ডগোল বন্ধ কৰিলোঁ। কিন্তু তাকে কৰোতে তিনি চাৰিজন মৰামৰি কৰা লোকক কাঁড় মাৰি হত্যা আৰু দুই-এজনক টুকুৰা-টুকুৰকৈ কাটিবলৈ আদেশ দিব লগা হৈছিল। মোকিম দলেবলে নিৰাপদে টিবা পালেগৈ।

ৰবিয়ল মাহৰ শেষৰ ফালে ভগবানৰ কৃপাত মই কাবুল আৰু ঘজনি দখল কৰিলোঁ। তাৰ লগতে সেই দুখন দেশৰ অধীনত থকা প্ৰদেশ বিলাকো বিনা যুদ্ধে মোৰ তললৈ আহিল।

কাবুল পৃথিৱীৰ মানুহৰ বসতিপূৰ্ণ ঠাইবিলাকৰ মাজ ঠাইত অৱস্থিত। ইয়াৰ চাৰিওফালে পাহাৰে ঘেৰা। জাৰকালি মাত্ৰ এটাৰ বাহিৰে সকলো-

বিলাক বাটেই বন্ধ হৈ যায়। কাফেৰ দস্যুবিলাকে পৰ্ব্বতৰ পৰা নামি আ বাটত আক্ৰমণ কৰে। কাবুল দেশখন শিলাময়। বিদেশী বা শত্ৰুৰ কাৰণে এই দেশ দুৰ্গম। ইয়াৰ গৰম আৰু শীত প্ৰধান ঠাইবিলাক ওচৰাওচৰি একেদিনাই তুমি এনে ঠাইলৈ যাব পাৰা য'ত বৰফ নপৰে। আকৌ সে ঠাইৰপৰা দুঘণ্টাৰ বাট বুলিলে এনে ঠাই পাবাগৈ য'ত অনবৰত বৰ পৰিছে। কাবুলৰ উত্তৰ-পশ্চিমত 'চলক'ৰ বহল ঘাঁহনি। তাত গৰমকা মহৰ এনেকুৱা উৎপাত যে ঘোঁৰাবিলাকৰ বিৰক্তিৰ সীমা নাথাকে।

কাবুল শস্যসম্পদ সমৃদ্ধ নহয়। এটা শস্যৰ বীজ সিচি চাৰি-পাঁচটা শ পোৱা গলেই বৰ ভাল উৎপাদন হোৱা বুলিব পাৰি। ইয়াৰ ফল-আঙুৰ, ডালি বাদাম, খোবানি, আপেল, আখৰোট, পিচ। মই চেৰী গছ আনি ইয় লগালোঁ। এই গছত চমৎকাৰ ফল ধৰে। গছজোপাও বেছ বাঢ়িছে ধৰে। ময়েই ইয়াত কুঁহিয়াৰ খেতি প্ৰথম আৰম্ভ কৰোঁ।

'কাবুল দুৰ্গত বিলোৱা ফটিকা,
কৰা পান যাচা পিয়লা।
আনন্দ, মজা যিমান পাৰা লোৱা লুটি।
এফালৰ পৰা এই পাহাৰ, এই নগৰ,
মৰুভূমি আৰু বিশাল সাগৰ,
কাবুলিস্তান যে নহয় ধেমালি॥

'কিলকেনে' নামৰ এখন নিৰ্জ্জন আৰু গুপুত ঠাই আছে। ইয়াত আম বহুত অসংযত কাৰ্য্য চলিছিল।

'কিলকেনেত থাকোঁতে আমি
কি যে সুখৰ দিন
বান্ধোন মুক্ত মুকলি মুৰীয়া।
সুনাম নাছিল ক্ষুদ্ৰ কণা
ছিগিল সংযমৰ বান্ধোন বাধা
আছিলো স্বাধীন ভয় নাইকিয়া।'

ইয়াৰ বজাৰ ব্যৱসায়ীৰ কাৰণে চমৎকাৰ আৰু লাভজনক। বেপাৰীয়ে বস্তুবাহানি লৈ চীন বা তুৰ্কী দেশলৈ গলে কাবুলৰ বজাৰত তেওঁবিলাকে যি লাভ কৰিব তেনে লাভ সেইবিলাক দেশত কেতিয়াও কৰিব নোৱাৰে।

হিন্দুস্থানৰপৰাও বেপাৰীৰ দলে কুৰি হাজাৰ কাপোৰ বছৰি আনে। ক্রীতদাস, বগাকাপোৰ, কুঁহিয়াৰ, ঔষধ আৰু মচলাও হিন্দুস্থানৰ পৰা আমদানি হয়। সদাগৰবিলাকে শতকৰা তিনি চাৰিশ টকা লাভ কৰিলেও সন্তুষ্ট নহয়।

এঘাৰ বাৰ ৰকমৰ ভাষা কাবুলত চলে। যেনে—আৰবি, ফাৰ্চী, তুৰ্কী, মোগ্‌লি, হিন্দী, আফগানী, পাছাই, পৰাচী, গেবেৰি, বেৰেকি আৰু লামঘানি।

পাহাৰৰ আলিয়েদি তললৈ নামি আহিলে তুমি এখন বেলেগ পৃথিবীত ভৰি দিবা। ইয়াৰ ডাঙৰ ডাঙৰ গছ, শস্য, পশু, সকলোবিলাকেই বেলেগ ধৰণৰ। এইকালৰ বাইজৰ ব্যৱহাৰ, ৰীতি-নীতিও বেলেগ।

কাফেৰিস্থানৰ পৰ্ব্বতীয়া প্রদেশত নোৱাৰৰ পিতা সাধু লোমোচৰ সমাধি আছে। পৰ্ব্বতবিলাকৰ সীমাত ভৰি আছে নানা ধৰণৰ টিউলিপ গছ। মই মোৰ মানুহখিনিক কিমান প্রকাৰৰ টিউলিপ গছ আছে গণিবলৈ কৈছিলোঁ। তেওঁবিলাকে নানা প্রকাৰৰ তেত্ৰিশবিধ গছ উলিয়াইছি। ইয়াত এৰ ডাঙৰ সুন্দৰ জোপোহা আগৰ গছ আছে।

মই নৈৰ পাৰে পাৰে ফুলনি তৈয়াৰ কৰোঁ। এটা পাহাৰৰ কাষত মই প্রস্রবন তৈয়াৰ কৰাৰ আদেশ দিওঁ। ইয়াত হালধীয়া ৰঙৰ আৰগুৱান ফুলৰ গছ ভৰি আছে। যেতিয়া সেই গছত ৰঙা বং ছিটিকি থকা হালধীয়া ফুল ফুলে তেতিয়া এনেকুৱা চকুত লগা দৃশ্য হয় যে তাক দেখি মনলৈ আহে যেন এই ধৰাত ইয়াতকৈ আৰু ধুনীয়া ঠাইৰ কল্পনা কৰিব পৰা নাযায়।

শুনিবলৈ পালোঁ—গজনিত এনেকুৱা এটা সমাধি মন্দিৰ আছে য'ত কোৰানৰ পাঠ যেতিয়া পঢ়া হয় তেতিয়া যেনো কবৰটো এনেয়ে লৰি থাকে। মই তালৈ গ'লোঁ আৰু ঘটনাটো চালোঁ। মঁচাকৈয়ে ধাৰণা হ'ল কবৰটোৱে

লৰচৰ কৰা শক্তি পাইছে। কিন্তু শেহত বুজিব পাৰিলোঁ যে সকলোবিলাক কবৰখানাৰ অনুচৰবিলাকৰ ফাঁকি-ফুকা। সিহঁতে কবৰৰ ওপৰত এনেকুৱা এটা মঞ্চ তৈয়াৰ কৰিছে যে তাৰ ওপৰত কোনোবা উঠিলেই সেইটো লৰি থাকে। দৰ্শকবিলাকে ভাবে যেন কবৰটোৱেই লৰিছে। নাৱত উঠি গ'লে যেনেকৈ নাওখন একেথৰে থকা আৰু দুয়োকাষৰ পাৰ দুটা চলি যোৱা যেন লাগে—ঘটনাটো ঠিক এনেকুৱাই। কবৰখানাৰ যিবিলাক মানুহ সেই মঞ্চৰ ওপৰত আছিল সকলোকে নামি আহিবলৈ ক'লো। তাৰ পিচত সিহঁতে যিমানেই স্তোত্র নপঢ়ক কোনো লৰা-চৰা কৰা আৰু নেদেখিলোঁ। মই মঞ্চ আঁতৰাই কবৰৰ ওপৰত এটা গম্বুজ সাজিবলৈ হুকুম দিলোঁ। কবৰখানাৰ মানুহবিলাকক কৈ দিলো যে আগলৈ মানুহক ঠগিবলৈ এনে ফাকতি কৰাৰ সাহ যেন সিহঁতৰ নহয়।

কাবুলৰ ৰাজহ বন্দবস্তী থকা মাটিৰ খাজানা আৰু বন্দবস্তী নথকা মাটিত বাস কৰা লোকৰ গাইপতি কৰ মিলাই তিনি কোটি ত্রিশ লাখ টকা।

দক্ষিণফালৰ পাহাৰবিলাক বৰ চাপৰ। তাত ঘাঁহ নগজে কাৰণে সেউজী ৰঙৰ অভাব। পানীও নাই, এজোপা গছো তাত নগজে। এখন আপচু, মূল্যহীন পাহাৰী দেশ। ইফালৰ ডাঙৰ পৰ্ব্বতবিলাক মানুহ বাস কৰা'ৰ উপযোগী। কথাতেই কয়—সঙ্কীৰ্ণ ঠায়েই সঙ্কীৰ্ণ মনৰ মানুহৰ কাৰণে বিস্তৃৰ্ণ ভূমি। মই ভাবোঁ এই চাপৰ পাহাৰবোৰৰ নিচিনা জঘন্য ঠাই গোটেই পৃথিবীতে বিচাৰি পোৱা নাযাব।

কাবুলত জাৰ বৰ বেছি। জাৰকালি অনবৰত বৰফ পৰে। ইয়াত খৰি প্রচুৰ আৰু ওচৰতে পোৱা যায়। ইয়াৰ মানুহে একেদিনাই খৰি গোটাই ঘূৰি আহিব পাৰে। মাছটিক্, অ'ক, তিতা বাদাম আৰু কাৰকেন্দ গছ সাধাৰণতে খৰি হিচাবে ব্যৱহাৰ কৰা হয়। ইয়াৰ ভিতৰত আটাইতকৈ ভাল হ'ল মাছটিক্। এই কাঠ বৰ উজ্জ্বলভাবে জ্বলে আৰু এটা সুন্দৰ গোন্ধো পোৱা যায়। এই কাঠৰ জুইৰ তাপ বহুত সময় থাকে আৰু কেঁচা হ'লেও জ্বলোৱাৰ

অসুবিধা নহয়। অ'কো সুন্দৰ খৰি কিন্তু জুইৰ বং অপেক্ষাকৃত শেঁতা। তথাপি এই কাঠৰ উত্তাপ খুব বেছি আৰু পোহৰো বেয়া নহয় এই কাঠৰ অঙঠা বহুত সময় জ্বলি থাকে আৰু তাৰপৰা সুন্দৰ গোন্ধো বাহিৰ হয়। এই গছৰ এটা বৈশিষ্ট্য আছে। যদি ইয়াৰ কেঁচা (সেউজীয়া) ডাল-পাতত জুই লগাই দিয়া হয় তেতিয়া এটা 'পত্পত্' শব্দ কৰি ইয়াৰ তলৰপৰা ওপৰলৈকে দপদপকৈ জ্বলি উঠে আৰু গোটেই গছজোপাই অনতিপলমে পুৰি যায়। এই গছ জ্বলি উঠা দৃশ্য বৰ মনোমোহা। তিতা বাদামৰ গছ ইয়াত অলেখ। সাধাৰণতে এই গছেই খৰি হিচাবে বেছি চলে। কিন্তু ইয়াৰ জুই বেছি সময় নাথাকে। কাৰকেন্দ এবিধ কাইটিয়া জুপুৰা লতাগছ। কেঁচাই হওক শুকানেই হউক সমনে জ্বলে। গজনীবাসীৰ ইয়েই একমাত্র খৰি।

মই কাবুল অধিকাৰ কৰাৰ পিচত এই দেশ—যি সকল আমিৰ বা বেগে মোৰ লগত বৰ্ত্তমানে যোগ দিছিল—তেওঁলোকৰ মাজত ভাগ কৰি দিলোঁ। গজনি আৰু ইয়াৰ অধীনৰ প্রদেশবিলাক জাহাঙ্গীৰ মির্জাক দিওঁ। এই এবাৰ মাত্র এনে ব্যৱস্থা কৰিছোঁ সেইটো নহয়। যেতিয়াই পৰম কৰুণাময় সৰ্ব্বশক্তি-মান ভগৱানে মোৰ মনৰ ইচ্ছা পূৰ্ণ কৰি মোক সমৃদ্ধিদান কৰিছে তেতিয়াই আগতে মোৰ অপৰিচিত আৰু পিচত মোৰ আশ্রয় গ্রহণ কৰা বেগ আৰু সৈন্যক মোৰ সদায়েই অনুগামী বাবৰপন্থী অনুচৰ আৰু আন্দেজানবাসী সকলতকৈও বেছি অনুগ্রহ বিতৰণ কৰিছোঁ। এনে কৰাতো মোৰ দুৰ্ভাগ্য এইটোৱেই যে মই বাবৰপন্থী আৰু আন্দেজানবাসীৰ বাহিৰে আৰু কাকো অনুগ্রহ কৰা নাই—এই অপযশ মোৰ ভাগ্যত সদায় ঘটিছে। এটা প্রচলিত কবিতা :—

'শত্ৰুৱে কিনো নকয়
সপোনত কিনো নোসায়
নহয় জানো ?
নগৰ দুৱাৰ বন্ধ কৰা

তোমাৰ ইচ্ছামত
শত্ৰুৰ মুখ বন্ধ কৰা
নহয় সাধ্যমত,
নহয় জানো ?'

কাবুল, গজনী আৰু ইয়াৰ অধীন প্ৰদেশবিলাকৰপৰা ত্ৰিশ হাজাৰ বস্তা খাদ্য-শস্য আদায় কৰাৰ কথা ঠিক হ'ল। মই তেতিয়াও কাবুলৰ ৰাজহ ঠিক কিমান আৰু অৱস্থানো কেনেকুৱা সেই সম্পৰ্কে সম্পূৰ্ণ জ্ঞান লাভ কৰিব পৰা নাই। গতিকে আমাৰ পৰিকল্পিত শস্য আদায়ৰ পৰিমাণ খুব বেছি হৈছিল আৰু অত্যাধিক হৈচাত দেশত দুৰ্দ্দশাই দেখা দিছিল। এই সময়তে মই এটা নতুন লিপি উলিয়াওঁ—ইয়াৰ নাম দিওঁ বাবৰ লিপি।

হাজৰাছ বাসীৰ কৰ স্বৰূপে বহুত ঘোঁৰা আৰু ভেৰা দিবলৈ আদেশ দিওঁ। সেইবিলাক আদায় কৰিবৰ কাৰণে মানুহো পঠাওঁ। কেইদিনমানৰ ভিতৰতে জানিব পাৰোঁ যে সিহঁতে দিবলৈ অস্বীকাৰ কৰিছে আৰু বিদ্ৰোহী হৈ পৰিছে। গজনীৰ আলিবাটৰ ওপৰত সিহঁতৰ ডকাইতিৰ অভিযোগ কিছুদিনৰ আগতেই শুনিছোঁ। এই কাৰণে সিহঁতৰ ওপৰত হঠাৎ আক্ৰমণ কৰাৰ কথা ভাবি সৈন্য লৈ যাত্ৰা কৰিলোঁ। মিদানৰ বাটেদি আগবাঢ়ি আমি পৰ্ব্বতীয়া বাট বাতিতেই পাৰ হৈ পুৱা নামাজৰ সময়ত হাজৰাছবিলাকৰ ওপৰত জপীয়াই পৰোঁ। হেপাহ পলুৱাই সিহঁতক পিটন দি দমন কৰিবলৈ সক্ষম হওঁ। তাৰ পৰা উলটিবৰ সময়ত জাহাঙ্গীৰ মিৰ্জাই বিদায় লৈ গজনিৰ ফালে গ'ল আৰু মই কাবুললৈ ঘূৰি আহিলোঁ।

হিন্দুস্থান আক্ৰমণৰ অভিলাষ।

পৰামৰ্শ সভাত স্থিৰ হ'ল যে হিন্দুস্থান সোনকালেই আক্ৰমণ কৰিব লাগিব। শাবান মাহত সূৰ্য্য যেতিয়া মীন ৰাশিত—মই কাবুলৰ পৰা হিন্দুস্থানৰ ফালে

যাত্ৰা কৰোঁ। ছবাৰ নিয়মিত সৈন্য চালনা কৰি আদিনাপুৰ পাওঁহি। ইয়াৰ আগতে মই কেতিয়াও গ্ৰীষ্মপ্ৰধান দেশ দেখা নাই—হিন্দুস্থানৰ কোনো দেশো নাজানো। এইবিলাক ঠাইত উপস্থিত হৈ নতুন জগৎ দেখা যেন লাগিল। ইয়াৰ ঘাঁহ বেলেগ, গছ বেলেগ, বনৰীয়া জন্তুও আন ধৰণৰ, চৰাইবিলাকৰ পাখিও বিভিন্ন ধৰণৰ আৰু অধৰী জাতিবিলাকৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰো বেলেগ ধৰণৰ। মই বিস্ময়ত অভিভূত হৈ পৰোঁ। এনে আচৰিত হোৱা কাৰণো যথেষ্ট আছিল।

আৰু কিছুদূৰ আগবাঢ়ি থাইবাৰ পাৰ হওঁ। তাৰ পিচত কোহাতৰ পিনে যাত্ৰা কৰোঁ। দুপৰীয়া প্ৰায় কোহাতৰ ওপৰতেই জপিয়াই পৰি লুট-পাট আৰম্ভ কৰি দিয়া হ'ল। বহুত ষাঁড় আৰু ম'হ আমাৰ হাতত পৰে। পিচে, সকলো বন্দীকেই মই বিচাৰি উলিয়াওঁ আৰু পিচত সিহঁতক মুকলি কৰি দিওঁ। সিহঁতৰ ঘৰত প্ৰচুৰ খাদ্যশস্য যোগাৰ হৈ থকা পালোঁ। মোৰ লুটিয়াৰ দলবিলাক সিন্ধু নৈ পৰ্য্যন্ত আগুৱাই তাৰ পাৰত ৰাতি কটায়। পিচদিনা সিহঁত ঘূৰি আহি মোৰ লগ লাগে। কিন্তু মোৰ সৈন্যবিলাকে তেনে কোনো ধনসম্পত্তি নাপালে—যি কথা বাকি বেগে ইমানদিনে আমাক শুনাই আহিছে।

দুদিন দুৰাতি কোহাতত ৰৈ আৰু লুটিয়াৰ দলবিলাকক একেলগে কৰি আমি আলোচনা কৰিবলৈ ধৰিলোঁ। আমাৰ গন্তব্য পথ এতিয়া কেনি হ'ব। ঠিক হ'ল বান্নু আক্ৰমণ কৰি তাৰ আফগানবিলাকক পৰাস্ত কৰি আমি ঘূৰি আহিম। কামাৰি আমাৰ পথ প্ৰদৰ্শক হ'ল কাৰণ তেওঁ আফগানিস্থানৰ সকলো ঠাইৰ লগত পৰিচিত। তেওঁ ক'লে—কিছুদূৰ গ'লেই আলিৰ সোঁফালে এটা পাহাৰ দেখা যাব। যদি আফগানবিলাক ওথ পৰ্ব্বতৰপৰা নামি এই সৰু পাহাৰত গোট খায় তেতিয়া হ'লে সিহঁতক আমি চাৰিওফালৰপৰা আগুৰি বন্দী কৰিব পাৰিম, কাৰণ ওথ পৰ্ব্বতৰ পৰা সৰু পাহাৰটো পৃথক।

সৰ্ব্বশক্তিমান ভগবানে আমাৰ ইচ্ছা পূৰণ কৰিলে। আফগানবিলাক

আমাৰ ওপৰত জপিয়াই পৰিবৰ কাৰণে ওথ পৰ্ব্বত এৰি পৃথক পাহাৰত গোট খালেহি। পৰ্ব্বত আৰু সৰু পাহাৰটোৰ মাজত থকা ঠাইখিনি অধিকাৰ কৰিবৰ কাৰণে মোৰ এটা সৈন্যদল আগে আগেই পঠিয়াই দিলোঁ। বাকী সেনাদলক পাহাৰত আক্ৰমণ চলাই আগবাঢ়ি গৈ আফগানবিলাক সিহঁতৰ উদ্ধতালীৰ শাস্তি দিবৰ কাৰণে নিৰ্দ্দেশ দিলোঁ।

মোৰ বণুৱাবিলাক আগবাঢ়ি যাওঁতেই আফগানহঁতে প্ৰমাদ গণিলে। যুদ্ধত সিহঁতে যে সুবিধা কৰিব নোৱাৰিব তাক ভালকৈয়ে বুজি পালে। বিজুলী সঞ্চাৰে সৈন্যবিলাক সিহঁতৰ ওপৰত জপিয়াই পৰি এশ কি ডেৰশ জনক ভূপাতিত কৰিলে। ইহঁতৰ ভিতৰত কেইজনমানক জীয়াই জীয়াই মোৰ ওচৰলৈ ধৰি লৈ আহিল কিন্তু সৰহভাগৰে কটা মূৰ মোৰ আগত হাজিৰ কৰা হ'ল। যুদ্ধত পৰাস্ত হ'লে আফগানবিলাকে সিহঁতৰ বিজয়ী শত্ৰুৰ আগত দাঁতত ঘাঁহ লৈ উপস্থিত হয়। বোধহয় সিহঁতে ক'ব খোজে মই তোমাৰ আশ্ৰিত ষাঁড়। আফগানবিলাকৰ এই ৰীতি মই প্ৰথম দেখিলোঁ। আফগানবিলাকে যেতিয়া দেখিলে যে আৰু ৰণ চলোৱা সম্ভৱ নহ'ব তেতিয়া সিহঁতে দাঁতত ঘাঁহ লৈ আমাৰ ফালে আগবাঢ়ি আহিল। যি বিলাক আফগানক জীয়াই জীয়াই ধৰি অনা হ'ল সিহঁতৰ মূৰ কাটিবলৈ আদেশ দিলোঁ। আমাৰ পিচৰ জিৰণি লোৱা ঠাইত এইবিলাক কটা মূৰেৰে এটা দ'ম কৰা হ'ল।

পিচদিনা পুৱা আগুৱাই গৈ হাঙ্গুত শিবিৰ পতা হ'ল। সেইকালৰ আফগানবিলাকে এটা পাহাৰ সুৰক্ষিত কৰি এটা 'ছাঙ্গৰ'ত ৰূপান্তৰিত কৰি পেলাইছে। মই কাবুললৈ আহি এই প্ৰথম 'ছাঙ্গৰ' নামটো শুনো। এটা বিচ্ছিন্ন পাহাৰক যদি কোনো আক্ৰমণ প্ৰতিহত কৰিবৰ কাৰণে সুৰক্ষিত কৰা হয় তাকে 'ছাঙ্গৰ' বোলে। মোৰ সেনাই এই 'ছাঙ্গৰ'ৰ কাষ পায়েই আক্ৰমণ চলায়। 'ছাঙ্গৰ'টো ধ্বংস কৰি অধিকাৰ কৰাৰ পিচত সিহঁতে দুশ অবাধ্য আফগানক ধৰি আনি মূৰ কাটে। ইয়াতো নৰমুণ্ডৰ আৰু এটা দ'ম সজা হয়।

বান্নু প্ৰদেশত ভৰি দিয়েই বাতৰি পোৱা গ'ল যে ভৈয়ামবাসী উপজাতি-বিলাকে উত্তৰফালে পাহাৰবিলাকত 'ছাঙ্গৰ' তৈয়াৰ কৰিছে। জাহাঙ্গীৰ মির্জাৰ তলত এদল সৈন্য সেইফালে পঠাওঁ। যিটো 'ছাঙ্গৰ'ৰ বিৰুদ্ধে অভিযান চলায় সেইটো কিভি উপজাতিৰ। মূহূর্ত্তৰ ভিতৰতে সেইটো অধিকাৰ কৰা হ'ল। তাৰ পিচত আৰম্ভ হ'ল হত্যাকাণ্ড। ভালেমান কটা মূৰ মোৰ শিবিৰলৈ লৈ আহিল। সেনাবিলাকে এই অভিযানত নানা ৰকমৰ অনেক কাপোৰ লুট কৰে। বান্নুত লাওখোলাৰ দ'ম কৰি সজাই ৰখা হয়। 'ছাঙ্গৰ' অধিকাৰ কৰাৰ পিচত ইয়াৰ এজন দলপতিয়ে দাঁতত ঘাঁহ লৈ মোৰ আগত উপস্থিত হৈ মোৰ বশ্যতা স্বীকাৰ কৰে। তেওঁক ক্ষমা কৰিলোঁ। যি বিলাক লোকক জীয়াই জীয়াই ধৰি অনা হৈছিল সিহঁতকো তেওঁৰ লগত ঘূৰাই দিলোঁ।

কোহাত বিধ্বস্ত কৰাৰ পিচত স্থিৰ হৈছিল যে বান্নুৰ আফগানবিলাকক লুটপাট কৰি আমি কাবুললৈ ঘূৰি যাম। বান্নু বিধ্বস্ত হোৱাৰ পিচত কিন্তু এইফালৰ ৰাস্তাঘাটৰ বিষয়ে পৰিচিত সকলে ক'লে যে 'দেস্ত' ইয়াৰ পৰা বেছি দূৰ নহয়, তাৰ বাসিন্দাসকলো যথেষ্ট ধনী আৰু সেইফালৰ বাট-পথো বোলে ভাল। গতিকেই অৱশেষত ঠিক হ'ল যে ইয়াৰ পৰা ঘূৰি 'দেস্ত' প্ৰদেশ লুট কৰি সেইফালৰ বাট ধৰি কাবুললৈ ঘূৰি যোৱা হ'ব।

সেই ৰাতিয়েই 'ইছাখেল'ৰ আফগানবিলাকে অতর্কিতভাবে আক্ৰমণ কৰাৰ চেষ্টা কৰে কিন্তু মই বিশেষ সতৰ্ক হৈ থকাৰ কাৰণে সিহঁতৰ উদ্দেশ্য সিদ্ধি নহ'ল। মোৰ গোটেই সৈন্য যুদ্ধ সজ্জাত সাজু হৈ অপেক্ষা কৰিছিল সোঁ আৰু বাঁওফালে—আগে আৰু পিচে বেহ সাজি প্ৰস্তুত আছিল সিহঁত। শিবিৰৰপৰা অলপ দূৰত পদাতিক সৈন্যবিলাকেও কেউফালে চকু ৰাখিছিল। এইদৰে গোটেই নিশা পাৰ হৈ গ'ল। প্ৰতিনিশা এইদৰে সৈন্য সজাই ৰখা হয় আৰু মোৰ তিনি-চাৰিজন বিশ্বাসী সেনাপতিয়ে জোৰ লৈ সৈন্যশিবিৰ-বিলাকৰ অৱস্থা চাইচিতি আহে। ময়ো মাজে মাজে পাক মাৰি চাই আহোঁ।

যি বিলাক সৈন্য সিহঁতৰ নিৰ্দ্দিষ্ট ঠাইত নাথাকে সিহঁতৰ নাক বিন্ধাই দিয়া হয় আৰু সেই অৱস্থাতে শিবিৰে শিবিৰে ঘূৰাই অনা হয়।

গোপাল নদীৰ পাৰত ঈদৰ নামাজ পঢ়া হ'ল। এই বছৰ নববৰ্ষৰ উৎসৱ ঈদল ফিটৰৰ ওচৰা-ওচৰিকৈ পৰিছিল। এই উৎসৱৰ মাজত মাত্ৰ কেইদিন-মানৰ ব্যৱধান আছিল। এই উপলক্ষে মই ফাৰ্চী ভাষাত এই কৰিতাটো ৰচনা কৰোঁ—

(শুনিছো) মুখখনি প্ৰিয়াৰ
আৰু দ্বিতীয়াৰ জোন
দৰ্শন যাৰ একেলগে
তেওঁ যে অতি ভাগ্যবান।
(কিন্তু) প্ৰিয়াৰ সেই বদন
আৰু জুৰি পৰা চেলাউৰি
দেখি মোৰ কিয় কঁপে বুকু
হই অতি ম্ৰিয়মান?
হে বাবৰ!
তোমাৰ প্ৰিয়াৰ আনন
আৰু ন জোনৰ মাজত
আছেনেকি কিবা প্ৰভেদ?
প্ৰিয়াৰ দৰ্শনত
ভাবানে তুমি
নববৰ্ষ উৎসৱৰ কথা?
হয়নে মনত তোমাৰ
শত নববৰ্ষৰ আনন্দ
প্ৰিয়া দৰশনত যে এদিন
উথলি উঠিল?

গোমাল নদীৰ কাষ এৰি আমি দক্ষিণ ফালে যাত্রা কৰিলোঁ। আৰু পৰ্ব্বতৰ তিয়ে দাঁতিয়ে যাবলৈ ধৰিলোঁ। আমি দুই এমাইল আগবাঢ়োতেই পৰ্ব্বতৰ লগালগি ওখ টিলাৰ ওপৰত মৃত্যুভয়হীন এদল আফগানক দেখিবলৈ পালোঁ। আমি তৎক্ষণাৎ ঘোঁৰা দৌৰাই সিহঁতক আক্রমণ কৰিবলৈ আগবাঢ়িলোঁ। সিহঁতৰ সৰহভাগেই পলাল। কেইজনমানে পৰ্ব্বতৰ লগালগি কেইটামান টিলাৰ ওপৰৰপৰা মুৰ্থৰ দৰে বাধা দিবলৈ চেষ্টা কৰিলে। এজন আফগান এটা পৃথক পাহাৰৰ ওপৰত প্রতিৰোধ কৰিবৰ কাৰণে ৰৈ আছিল। তাৰ কাৰণ হৈছে এই যে পাহাৰটো তিনিওফালে ইমান থিয় যে পলোৱাৰ আৰু বাট নাছিল। যি ফালেই বাট সেইফালেই আমি আহি পাইছোঁ। চুলতান আলি সেই বাটেদিয়েই ওপৰলৈ উঠি গ'ল আৰু আফগানটোক পৰাস্ত কৰি ধৰি লৈ আহিল। তাৰ এই বীৰত্ব—যিটো মোৰ সন্মুখতেই সি দেখুৱাইছিল তাৰ ভবিষ্যত উন্নতি আৰু মোৰ অনুগ্রহ লাভ কৰাৰ কাৰণ হৈছিল। আন এটা পাহাৰৰ গৰাত কুতলুকে আৰু এজন আফগানৰ লগত হতাহতি যুদ্ধ কৰে। দৰৰা-দৰৰি চলি থাকোতে দুয়োজনেই বাগৰি গৈ ২৫ ফুট তলত পৰি যায়। শেষত যেয়ে নহওক কুতলুকে সেই আফগানটোৰ শিৰচ্ছেদ কৰি মোৰ ওচৰলৈ লৈ আহে। কোপেক বেগে আৰু এটা থিয় টিলাৰ ওপৰত এজন আফগানৰ লগত হতাহতি যুদ্ধ কৰি থাকোতে দুয়োজন যোদ্ধাই টিলাৰ গৰাইদি ওপৰৰপৰা তললৈ বাগৰি আহে। আফগানৰ মুৰ অৱশ্যে ইয়াৰ মাজতে কটা গৈছে। এইসময়তে বহুত আফগান মোৰ হাতত বন্দী হয় কিন্তু মই সকলোকে মুক্তি দিওঁ।

'দেস্ত'ৰ পৰা উভতি আমি আকৌ সিন্ধুনদৰ পাৰৰ ফালে আগুৱালোঁ। এই ফালৰ সকলো মানুহেই প্রাণৰ ভয়ত সিপাৰলৈ গুচি গৈছে। নদীৰ দুই পাৰৰ মাজত এটা বলুকা। সেই বলুকা পাৰ হৈ সিপাৰ পাই কেইজনমান লোকে আমাৰ মানুহবিলাকৰ ফালে অপমানজনক অঙ্গি-ভঙ্গি কৰি তৰোৱাল জোকাৰি থাকে। সিহঁতৰ ভাব হ'ল এইটোৱেই যে বলুকাৰ এইফালৰ নৈ

ইমান বহল যেতিয়া আমাৰ মানুহ নাও নোহোৱাকৈ কেতিয়াও সিপাৰে যাব নোৱাৰে। এই বলুকাটোলৈ দলৰ যি কেইজন লোক আহিছিল তাৰ ভিতৰত কুল বেচিদো এজন। তেওঁ অকলেই কোনো আবৰণ নোহোৱা এটা ঘোঁৰাত উঠি পানীত নামিল। তাৰ পিচত ঘোঁৰাৰে সৈতে ওপঙি-ওপঙি সিপাৰে শত্ৰুৰ ফাললৈ গ'ল। বলুকাটোৰ এইফালৰ পানীতকৈ সিফালৰ নদীৰ পুতল প্ৰায় দুগুণ। ঘোঁৰাৰ ওপৰত কিছুদূৰ ভাহি যোৱাৰ পিচত তেওঁ যেতিয়া নৈৰ পাৰত থকা শত্ৰুৰ শৰে ধুকি পোৱাৰ ভিতৰত প্ৰায় পৰিছেহি তেতিয়া ঘোঁৰাৰ ঠেং পানীৰ তলৰ মাটি স্পৰ্শ কৰিলে পানী কিন্তু তেতিয়াও ঘোঁৰাৰ পিঠি পৰ্য্যন্ত। জুইত গাখীৰ উতলিবলৈ যিমান সময় লাগে সিমান সময় বৈ যেতিয়া দেখিলে তেওঁৰ পিচত তেওঁৰ সহকাৰী কোনো নাই তেতিয়া মন স্থিৰ কৰি নৈৰ পাৰত থকা শত্ৰুৰ ফাললৈ চোচা ল'লে। শত্ৰু পক্ষই দুই তিনি পাত কাঁড় মাৰিলে হয় কিন্তু সাহ কৰি তাত ৰোৱা কথা সিহঁতে নাভাবিলে। ছত্ৰভঙ্গ দি পলাল।

অকলে সৰঞ্জামহীন ঘোঁৰাত উঠি অলপো সহায়ৰ আশা নাৰাখি সিন্ধুৰ দৰে বিশাল নদী সাঁতুৰি শত্ৰুক খেদি যাবলৈ বাধ্য কৰা আৰু সিহঁতৰ ঘাটি অধিকাৰ কৰা এটা বিশেষ দুৰূহ বীৰত্বপূৰ্ণ কাৰ্য্য। শত্ৰু পলাই যোৱাত মোৰ সৈন্যবিলাক ক্ৰমে নৈ পাৰ হৈ আহিল। শত্ৰুৱে পেলাই থৈ যোৱা কাপোৰ, জন্তু আৰু অনেক ধৰণৰ বস্তু সিহঁতে লুট কৰিলে। আগতে মই কেইবাবাৰো চেথ বেজিদক বীৰত্বৰ কাৰণে অনুগ্ৰহ দেখুৱাইছোঁ আৰু বন্ধা-বঢ়া কামৰ পৰা খাদ্য পৰীক্ষকৰ কামলৈ উন্নীত কৰিছোঁ এই ঠাইৰ এই অসমসাহসিক বীৰত্বৰ কাম দেখি মই ইমান মুগ্ধ হ'লো যে সময়মেত তেওঁক যথাযুক্ত পুৰস্কাৰ দিয়াৰ সংকল্প তেতিয়াই কৰোঁ আৰু সেই সংকল্প অনুসাৰে তাক যি বিশেষ সন্মানেৰে ভূষিত কৰো সেই কথা পিচত উল্লেখ কৰিছোঁ। সঁচা কথা ক'বলৈ গ'লে—সি অনেক অনুগ্ৰহ আৰু সন্মান লাভৰ সম্পূৰ্ণ উপযুক্ত।

সিন্ধুনদীৰ ভাটিৰ ফালে দুবাৰ পাৰে পাৰে সৈন্য লৈ আগুৱাওঁ। সেনা-

বিলাকে দলবান্ধি লুট-পাটৰ ওপৰত মন দিয়াত ঘোঁৰাবিলাক কাহিল হৈ পৰে। কিন্তু সিহঁতে কোনো উল্লেখযোগ্য লুটৰ বস্তু আনিব পৰা নাই। লুটৰ বস্তুৰ ভিতৰত সৰহভাগেই বলদ। সিন্ধুনদীৰ পাৰে পাৰে যাওঁতে অৱশ্যে এইটো লক্ষ্য কৰা গ'ল যে এজন নগণ্য ৰণুৱায়ো তিনি-চাৰিশ বলদ আৰু গাই গৰু সংগ্ৰহ কৰি পেলাইছে।

সিন্ধু নদীৰ পাৰত তিনিবাৰ সৈন্য চালনা কৰাৰ পিচত আসি সেই পথ এৰি দেৰা-গাজিখাঁৰ ওচৰৰ পীৰ কান্থুৰ সমাধি মন্দিৰৰ ফালে আগবাঢ়োঁ। সমাধিৰ কেইজনমান কৰ্ম্মচাৰীক মোৰ কেইজনমান সেনাই আহত কৰাত সিহঁতৰ এজনক কঠোৰ শাস্তি দিয়াৰ আদেশ দিওঁ। দৃষ্টান্তস্বৰূপে তাক কাটি চেও চেও কৰা হয়। হিন্দুস্থানত এই সমাধিৰ সন্মান বৰ বেছি।

ইয়াৰ পৰা আকৌ যাত্ৰা কৰি য'ত ৰওঁ তাৰপৰা এদল সৈন্যক—যি বিলাকৰ ঘোঁৰাৰ তেতিয়াও যাব পৰা শক্তি আছিল—ওচৰৰ ঠাইৰ আফগান-বিলাকক আক্ৰমণ কৰি লুট কৰিবলৈ জাহাঙ্গীৰ মিৰ্জাৰ অধীনত পঠাওঁ। এই সময়ত সৈন্যদলৰ ঘোঁৰাবিলাকৰ অৱস্থা এনে শোচনীয় হৈ উঠিছিল যে দিনে দুই-তিনিশ ঘোঁৰা পিচত থৈ আহিব লগা হৈছিল। তিনিবাৰ সৈন্য পৰিচালনা কৰি জাহাঙ্গীৰ মিৰ্জাই এদল পাঠানক লুট কৰি কেইটামান ভেৰা লৈ আহে।

আকৌ দুই এটা যাত্ৰাৰ পিচত আমি 'আব-ইছতাদ্' পাওঁগৈ। তাত আমাৰ চকুৰ আগত এটা অদ্ভুত দৃশ্য ফুটি উঠিল। পানী আৰু পানী। সিপাৰৰ মাটি চকুত নপৰে। পানী গৈ আকাশত মিলিত হোৱা যেন লাগিল। দূৰৰ পাহাৰ-পৰ্ব্বত দেখি ভাব হ'ল যেন লুতি খাই গৈছে—মৰীচিকাৰ সিপাৰৰ পৰ্ব্বত পাহাৰ দেখিলে যেনেকুৱা লাগে। ওচৰৰ পাহাৰবিলাক দেখি ভাব হ'ল যেন আকাশ আৰু মাটিৰ মাজত ওলমি আছে। 'আব-ইছতাদ'ৰ এ মাইল ওচৰ যেতিয়া পালোহি তেতিয়া আৰু এটা দৃশ্য দেখিলোঁ। মাজে মাজে ভাবিছিলো যেন আকাশ আৰু পানীৰ মাজত এটা ৰঙা ৰঙৰ আভৰণ তাহি

উঠিছে আৰু লাহে লাহে মিলি গৈছে। আমি ওচৰ পাই এই দৃশ্য দেখিবলৈ পালোঁ। কাষলৈ আহি আবিষ্কাৰ কৰা হ'ল ই আন একো নহয়—বনৰীয়া ফ্লেমিংগ' চৰাইৰ এটা প্ৰকাণ্ড জাক। একোটা জাক বিশ হাজাৰৰ কম নহয়—সংখ্যাৰে তাৰ গণনা নহয়। ইহঁতে উৰিবৰ সময়ত যেতিয়া ৰঙা পাখি মেলি লয় তেতিয়া দেখা যায় ৰঙা কিন্তু পাখী জপালে আৰু ৰঙা বং দেখা নাযায়। অকল ফ্লেমিংগই নহয় নানা জাতৰ অসংখ্য চৰাই এই বিলৰ পাৰত বাস কৰে। পাৰৰ কাষত এই অসংখ্য চৰাইবিলাকে কণী পাৰে।

'ছিৰ্দৰ বিল পাৰ হৈ আমি গজনিত উপস্থিত হওঁ। জাহাঙ্গীৰ মিৰ্জাই তাত আমাক আপ্যায়িত কৰি নানা খোৱা বস্তু উপহাৰ দিয়ে। আমি দুই-এদিন সম্মানিত অতিথি হিচাবে তাত কটাওঁ। জেলহজ্জ মাহত আমি কাবুলত উপস্থিত হওঁ।

খচৰু চাহ আজেৰবপৰা পলাই খোৰাচানৰ ফালে আগুৱায়।

থামজে চুলতানে আমু নদীৰ পাৰে পাৰে ছেৰাই পৰ্য্যন্ত আগবাঢ়ি তাৰপৰা তেওঁৰ ল'ৰাৰ আৰু বেগমৰ অধিনায়কত্বত কুন্দুজলৈ সৈন্য পঠিয়ায়। সিহঁতে সেইখিনি পায়েই যুদ্ধ আৰম্ভ কৰি দিয়ে। খচৰু চাহ সেই যুদ্ধত পৰাজিত হয়। তাৰ ঘৃণনীয় দেহা লৈ সি পলাবও নোৱাৰিলে। তাক ধোঁৱাৰ পৰা নমাই বন্দী কৰা হয়। কুন্দেজলৈ অনাৰ পিচত তাৰ শিৰচ্ছেদ কৰা হয়। যি মুহূৰ্ত্ততে এই বাতৰি শুনো, জুইত পানী পৰিলে যেনে হয় তেনেকৈয়ে মোৰ মনৰ সকলো যন্ত্ৰনা শাঁত পৰি গ'ল।

(১৪)

১৫০৫ খ্ৰীষ্টাব্দৰ ঘটনাৱলী

মহৰম মাহত মোৰ মা নিগাৰ খান্নুম জ্বৰত ভোগে। শৰীৰৰপৰা তেজ উলিয়াই দিয়াতো একো উপকাৰ নহ'ল। খোৰাচানৰ এজন হেকিম

তওঁৰ চিকিৎসা কৰে। পথ্য হিচাবে তৰমুজৰ ব্যৱস্থা দিলে। কিন্তু তেওঁৰ জীৱন প্ৰদীপ মুমাই আহিছিল। ছদিন অসুখত ভোগাৰ পিচত তেওঁ ভগবানৰ দৰবাৰলৈ গতি কৰে।

এই সময়তে এনে ধৰণৰ ভূমিকম্প হয় যে দুৰ্গৰ অনেক অংশ, পাহাৰৰ টিং, গাওঁ আৰু নগৰৰ অনেক ঘৰ প্ৰবল জোকাৰণীত ভাগি পৰে। বহুত মানুহ ঘৰ দুৱাৰৰ চেপা খাই মৰে। 'পেম থান' গাওঁৰ সকলো ঘৰ-দুৱাৰ ধ্বংস হয়। সত্তৰ-আশিটা সম্ভ্ৰান্ত পৰিয়ালৰ মানুহ ঘৰৰ হেঁচাত মৃত্যু হয়। এটা দলি মাৰিলে যিমান দূৰ যায় সিমান বহল আৰু এডাল কাঁড় মাৰিলে যিমান যাব সিমান দীঘল—এই পৰিমাণৰ ঠাই ভূ গৰ্ভলৈ বহি গৈ এটা পানীৰ নিগৰা মাটি ফুটি ওলাই আহে আৰু তাৰ ফলত এখন বিলৰ সৃষ্টি হয়। ত্ৰিশ মাইল জোৰা ঠাই ইমান ভাগি-চিগি চাৰখাৰ হয় যে কোনো ঠাই আগৰ সমতলতকৈ এহাত ওখ আৰু কোনো ঠাই এহাতকৈ দ হৈ যায়। কোনো কোনো ঠাইত মাটি ইমান ফাঁক হৈ যায় যে সেই ফাঁকত যি কোনো মানুহ লুকাই থাকিব পাৰে। ভূমিকম্পৰ সময়ত পৰ্ব্বতৰ টিঙৰ পৰা ধূলিৰ ডাৱৰ দেখা গৈছিল।

বীণাবাদক মুকল্লাই তেতিয়া মোৰ ওচৰত বহি ছাৰেঙ্গীত ঝঙ্কাৰ তুলিছিল আৰু এখন বাদ্য-যন্ত্ৰ তেওঁৰ কাষত আছিল। ভূমিকম্প আৰম্ভ হওঁতেই তেওঁ দুয়োখন যন্ত্ৰ হাতত তুলি লয়। কিন্তু তেওঁৰ নিজৰ দেহ চম্ভালি ৰখা টান হৈ পৰাত তেওঁৰ দুহাতত থকা বাদ্য-যন্ত্ৰ খুন্দাখুন্দি খাবলৈ ধৰে। জাহাঙ্গীৰ মিৰ্জা কাবেউৰ ওপৰ মহলাৰ বাৰান্দাত আছিল। ভূমিকম্প আৰম্ভ হওঁতেই তেওঁ বাৰান্দাৰপৰা জপিয়াই তলত পৰে। তেওঁৰ কোনো আঘাত নাই। তেওঁৰ এজন বান্ধনিৰো একে অৱস্থা হয়। ওপৰৰ বাৰান্দা ভাগি তেওঁৰ গাৰ ওপৰত পৰে। কিন্তু ভগবানে ৰক্ষা কৰিলে। তেওঁ কপো আঘাত নাপালে।

সেই একেদিনাই তেত্ৰিশবাৰ ভূমিকম্প হয়। তাৰ পিচত এমাহ ধৰি দিনে-ৰাতিয়ে দুই-তিনি বাৰলৈ জোকাৰণী আহি থাকে।

বেগ আৰু সৈন্যবিলাকক দুৰ্গ আৰু আন সুৰক্ষিত ঠাইৰ ভগা-ছিগা-বিলাক মেৰামতি কৰিবলৈ আদেশ দিয়া হয়। অনেক চেষ্টা আৰু পৰিশ্ৰমৰ পাচত এমাহমানৰ ভিতৰত সকলো ভগা অংশ মেৰামতি কৰা হয়।

আমু নদীৰ পাৰত বাকিয়ে মোৰ দলত যোগ দিয়াৰ পিচৰপৰা তেওঁৰ দৰে সন্মান আৰু কৰ্তৃত্ব মই আৰু কাকো দিয়া নাই। কাবুলৰ ৰাজহৰ এটা অংশ মোহৰ-কৰৰপৰা উঠে। এই কৰৰ টকা মই তেওঁকেই দিওঁ আৰু তেওঁক কাবুলৰ দাৰোগা নিযুক্ত কৰোঁ। এনেকুৱা নানা অনুগ্ৰহ পায়ো তেওঁ কোনো দিনেই সন্তুষ্ট আৰু কৃতজ্ঞ নাছিল। বৰং মোৰ ওচৰৰ পৰা গুচি যোৱাৰ কথা চল পালেই উলিয়ায়।

মই তেওঁৰ ছলনা বুজিব পাৰিও মোক এৰি থৈ যোৱাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰিছো আৰু তেওঁক মোৰ ওচৰত থাকিবলৈকে অনুৰোধ কৰিছোঁ।

তেওঁ দুই-এদিনৰ অন্তৰে তেওঁক অব্যাহতি দিয়াৰ কথা কৈ থাকে। তেওঁৰ ছলনা আৰু তেওঁক এৰি দিবৰ কাৰণে কৰা আপত্তিয়ে শিষ্টাচাৰৰ সীমা চেৰাই গ'ল। তেওঁৰ এই আচৰণত বিৰক্ত হৈ মই ধৈৰ্য্য হেৰুৱাই পেলাওঁ। তেওঁ মোক এই কথা স্মৰণ কৰাই দিয়ে যে—তেওঁৰ লগত মোৰ এই চুক্তি আছে যে তেওঁ নটা অপৰাধ মোৰ ওচৰত কৰিলেহে তেওঁৰ কৈফিয়ৎ বিচাৰিব পাৰিম। মই তেওঁৰ ওচৰলৈ এঘাৰটা অপৰাধৰ তালিকা পঠাই দিলোঁ। তেওঁ এই অপৰাধ বিলাকৰ সত্যতা এটাৰ পিচত এটাকৈ স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। তেওঁ মোৰ শৰণাপন্ন হ'ল। পিচত মোৰপৰা ছুটী পাই তেওঁ পৰিয়াল আৰু মালপত্ৰ লৈ হিন্দুস্থানৰ ফালে ৰাওনা হ'ল।

এই সময়ত দৰিয়া খাঁৰ দলে ডকাইতি আৰু লুট কৰি গোটেই দেশত আতঙ্কৰ সৃষ্টি কৰিছিল। বাকি সেইফালে অহা বুলি শুনি এই ডকাইত দল বাটত থাপ লৈ আছিল। বাকি দলে-বলে আহোতে সিহঁতে তেওঁ

আৰু তেওঁৰ লগৰীয় কিছুমানক বন্দী কৰে। বাকিক সিহঁতে হত্যা কৰে আৰু দৰিয়া খাঁই তেওঁৰ স্ত্ৰীক হৰণ কৰে। বাকিক তেওঁৰ প্ৰাৰ্থনা মতেই পদচ্যুত কৰিছিলো হয় কিন্তু তেওঁৰ কোনো ক্ষতি কৰা নাই। পিচে তেওঁ নিজৰ পাপত নিজেই বান্ধ খায়। এই পাপৰ ফলত তেওঁ প্ৰাণ পৰ্য্যন্ত দিব লগা হ'ল।

'যি তোমাৰ ক্ষতি কৰে
ভাগ্যৰ হাতত দিয়া আশ্ৰয়,
ভাগ্য তোমাৰ সেও হৈ
প্ৰতিশোধ ল'ব নিশ্চয়।'

মই কাবুলত উপস্থিত হোৱাৰ পৰাই অসংখ্য অপমানজনক কাৰ্য্য আৰু লুট-পাট কৰাৰ দোষত তুৰ্কোমেন হাজৰাছবিলাক দোষী বুলি গণ্য হৈছে। শিক্ষা দিবৰ কাৰণে সিহঁতৰ বিৰুদ্ধে অভিযান চলোৱা স্থিৰ কৰোঁ। এদিন পুৱাতে সৈন্য পৰিচালনা কৰি য'ত হাজৰাছবিলাকে জাৰকালিৰ ঘাটি কৰিছে তালৈকে আগবাঢ়ি যাবলৈ ধৰিলোঁ। প্ৰথম প্ৰহৰ শেষ হওঁ হওঁ অৱস্থাত মোৰ আগৰণুৱা দলৰ এজন ঘূৰি আহি জনালেহি যে এখন সৰু নৈৰ খোজ কাঢ়ি পাৰ হ'ব পৰা ঠাইত হাজৰাছবিলাকে গছৰ ডাল-পাত পুতি ঠাইডোখৰ সুৰক্ষিত কৰি ৰাখিছে আৰু আমাৰ সৈন্যবিলাকৰ অগ্ৰগতি বন্ধ কৰি ৰণ চলাই গৈছে। এই কথা শুনি আমি যাত্ৰাৰ গতিবেগ বঢ়াই দিওঁ। অলপদূৰ আগবাঢ়ি গৈয়েই হাজৰাছবিলাকে বাধাৰ সৃষ্টি কৰি তুমুল যুদ্ধ চলাই যোৱা ঠাইৰ ওচৰত উপস্থিত হওঁগৈ।

সেইবাৰ জাৰকালিত প্ৰচুৰ বৰফ পৰিছিল। সেইকাৰণে চলি থকা সাধাৰণ বাটৰ বাহিৰে আন বাটেদি যোৱা বিপদজনক হৈ পৰিছিল। খোজকাঢ়ি পাৰ হ'ব পৰা অংশত নদীৰ দুয়ো পাৰেই বৰফে ঢাকি থৈছিল। অথচ এই বাটটোৰ বাহিৰে আন বাটেদি নৈ পাৰ হোৱা উপায় নাছিল। হাজৰাছবিলাকে ইপাৰৰ ঘাট গছৰ ডালেৰে এনেকুৱাকৈ সুৰক্ষিত কৰি

ৰাখিছিল যাতে তাক পাৰ হৈ যাব পৰা সম্ভৱ নহয়। সিহঁতৰ পদাতিক আৰু অশ্বাৰোহী সৈন্যবিলাকে নৈৰ মাজত আৰু পাৰত শাৰী পাতি থিয় হৈ কাঁড় মাৰি যুদ্ধ চলাই গৈছিল। আমি বৰ লৰালৰিকৈ ওলাই আহিব লগা হোৱাত আমাৰ বহুতৰেই বৰ্ম পিন্ধি আহিবলৈ সময় নহ'ল। সোঁ সোঁ কৰি দুই এডাল কাঁড় আমাৰ কাষেদি পাৰ হৈ গ'ল কিন্তু আমাৰ গাত নালাগিল।

আমেদ ইউচুফ বেগে বৰ ভয় খাই কৈ উঠিল আপুনি বৰ্ম নিপিন্ধাকৈ অহা ঠিক হোৱা নাই। আপুনি উভতি যাব লাগিব। মই নিজ চকুৰে দেখিছোঁ দুই তিনি ডাল কাঁড় আপোনাৰ মূৰ চুই গৈছে।

মই উত্তৰ দিলোঁ—সাহবাস্কা, বহুবাৰ মোৰ মূৰৰ কাষেদি অজস্ৰ কাঁড় পাৰ হৈ গৈছে।

এই সময়তে মোৰ সোঁ ফালে কাচিমবেগ আৰু তেওঁৰ দলে এখন ঠাই আবিষ্কাৰ কৰি পেলাইছে য'ত এই সক নৈখন পাৰ হ'ব পৰা যায়। সেইফালে দিয়েই আমি নৈৰ সিপাৰত উঠোঁ। বেগাই ঘোঁৰা চলাই হাজৰাছবিলাকক আক্ৰমণ কাৰোতেই সিহঁত ছেদেলি-ভেদেলি হৈ পলাই যায়। সিহঁতৰ মাজত অনুপ্ৰবেশ কৰা আমাৰ দলৰ লোকসকলে সিহঁতক পিচে পিচে খেদি অনেকক ঘোঁৰাৰ পৰা নমাই কচুকটা দিয়ে।

চুলতান কুলিয়ে সিহঁতক পিচে পিচে খেদি নিছিল। কিন্তু মাটি বৰফে এনেধৰণে ঢাকি থৈছিল যে বাট এৰি যোৱাৰ কোনো উপায়েই নাছিল। ময়ো অনুসৰণকাৰীসকলৰ লগতে অগবাঢ়ি যাওঁ। হাজৰাছবিলাকৰ জাৰকালিৰ বাসস্থানৰ ওচৰ পায়েই সিহঁতৰ ঘোঁৰা আৰু ভেৰাৰ পালৰ ওপৰত আক্ৰমণ চলাওঁ। মোৰ নিজৰ ভাগতে চাৰি-পাঁচশ ভেৰা আৰু বিশ-পঁচিশটা ঘোঁৰা পাওঁ। চুলতান কুলি আৰু ওচৰত থকা দুই-তিনিজনে লুটৰ বস্তুৰ ভাগ পায়।

মই লুটিয়াৰ দলৰ লগত দুবাৰ গৈছোঁ। এয়ে হ'ল প্ৰথম। আৰু

এবাৰ যাওঁ এই হাজৰাছবিলাকৰ বিৰুদ্ধেই—যেতিয়া খে'ৰাছানৰপৰা ঘূৰোতে বাটত সিহঁতৰ ওপৰত জপিয়াই পৰি সিহঁতৰ ঘোঁৰা আৰু ভেৰা লুট কৰা হয়।

হাজৰাছবাসীৰ স্ত্ৰী আৰু শিশু সন্তানবিলাক বৰফে ঢকা পাহাৰলৈ পলাই যায় আৰু তাতেই অপেক্ষা কৰে। সিহঁতক অনুসৰণ কৰা আমাৰ কাৰণে সম্ভব নহ'ল। দিনটোৰো বহুত সময় পাৰ হৈ গৈছে। গতিকে আমি হাজৰাছবিলাকৰ পজাৰ ফালে যাওঁ আৰু তাতেই জিৰণি লওঁ।

বৰফ সম্পূৰ্ণকৈ গোট খাইছে। আলিৰ পৰা দূৰৈৰ এই ঠাইত ঘোঁৰাৰ আঠু পৰ্যান্ত বৰফত সোমাই গৈছে। ৰাতি শিবিৰৰ চাৰিওফালে চোৰাচিতা কৰিবৰ কাৰণে যি বাহিনীক নিযুক্ত কৰা হয় সিহঁতে এই বৰফৰ কাৰণে ৰাতি সুপুৱালৈকে ঘোঁৰাৰ পিঠিতেই বহি থাকিবলৈ বাধ্য হৈছিল।

পিচদিনা পুৱাই আমি আকৌ যাত্ৰা আৰম্ভ কৰোঁ আৰু ৰাতি হাজৰাজবিলাকৰ এৰি থৈ যোৱা পঁজাতেই কটাওঁ। তাৰপৰা আগুৱাই আমি জাঙ্গেলিকত ৰওঁগে। ইৰেক তাঘাই আৰু কেইজনমান কিছু পাচত থকাত সিহঁতক নিৰ্দেশ দিওঁ যেন সেইবিলাক হাজৰাছক আক্ৰমণ কৰে বন্দী কৰে—যি বিলাকে চেখ দৰবেশক শৰবিদ্ধ কৰিছে। এই দুৰ্বৃত্তইতে ৰক্তপাতৰ বিভীষিকাত হতবুদ্ধি হৈ তেতিয়াও এটা গুহাৰ মাজত লুকাইছিল। মোৰ মানুহবিলাকে সেই গুহাৰ ওচৰত হাজিৰ হৈ গুহাৰ মুখত জুই দি ধোৱাৰ কুণ্ডলী সৃষ্টি কৰে। তাৰ পিচত সত্তৰ-আশিজন হাজৰাছক বন্দী কৰি তা হাঁতৰ বহুতকেই চোকা তৰোৱালৰ আঘাতেৰে হত্যা কৰে।

এই সময়তে ৰমজান মাহৰ ১৩ তাৰিখে মই কঁকালৰ বাত-বিষত এনে ধৰণে আক্ৰান্ত হওঁ যে চল্লিশদিন পৰ্যান্ত মোৰ লৰচৰ কৰিব পৰা শক্তি নাছিল। ইকাতি-সিকাতি হ'বলৈ কোনো মানুহৰ সহায় বিনে উপায় নাছিল। বাত-বিষৰ যন্ত্ৰনাত মোৰ যোৱাৰ কোনো উপায় নথকাত মোৰ মানুহবিলাকে কঢ়িয়াই নিবৰ কাৰণে এখন দোলা সাজি বাৰাণ নৈৰ পাৰৰপৰা কাবুল নগৰলৈ

লৈ আহে। ইয়াতে আহি মই বোস্তান অতিথিশালাত নামোহি। আৰকালিৰ বহুতদিন এই ঘৰতেই কটাওঁ। মোৰ অসুখ তেতিয়াও চলি আছে, কিন্তু আৰু এটা উপদ্ৰৱ আৰম্ভ হ'ল। মোৰ সোঁ গালত ফোঁহা উঠিল। ফোঁহাত অস্ত্ৰোপচাৰ কৰি আৰু জুলাপো খাব লগা হ'ল।

মোক সম্মান জনাবলৈ জাহাঙ্গীৰ মিৰ্জা ইয়ালৈ আহিছিল। ইউচুফ আৰু বেলোল যি দিনাৰ পৰাই তেওঁৰ লগত যোগ দিয়ে সেইদিনাৰ পৰাই তেওঁক বিদ্ৰোহ আৰু বিশ্বাসঘাতকতা কৰিবৰ কাৰণে প্ৰৰোচনা দিয়ে। তেওঁক এইবাৰ দেখি ভাব হ'ল যেন তেওঁ আগৰ মানুহজন নহয়। কেইদিন মানৰ পিচতেই তেওঁ বৰ্ম পৰিধান কৰি অস্ত্ৰ-শস্ত্ৰ লৈ তেওঁ থকা ঠাইৰপৰা লৰালৰিকৈ গজনিৰ ফাললৈ ৰাওনা হয়। ভগবানে জানে মোৰ পৰা বা মোৰ পৰিয়ালৰপৰা কথা বা কাৰ্য্যত এনে কোনো অসন্তোষজনক ব্যৱহাৰ পোৱা নাই যাৰ কাৰণে তেওঁৰ এই উগ্ৰপন্থা গ্ৰহণ কৰা সম্ভৱ আছিল। শেষত মই শুনিবলৈ পাইছিলোঁ। তেওঁ কিয় এনে অসঙ্গত ব্যৱহাৰ কৰিছিল। কাৰণটো হৈছে যিদিনা জাহাঙ্গীৰ মিৰ্জা গজনিৰপৰা ইয়ালৈ আহে সেইদিনা কাচিম বেগ আৰু কেইজনমান বেগে তেওঁক অভ্যৰ্থনা জনাবৰ কাৰণে আগবাঢ়ি যায়। সেইসময়ত মিৰ্জাই এটা ডাউক চৰাই ধৰিবৰ কাৰণে এটা চিকাৰী শেনক তাৰফালে এৰি দিয়ে। শেনটোৱে ডাউকক তাৰ হাতোৰাৰ ভিতৰত সুমুৱাই ল'ব খোজোতেই সি শেনৰ হাতোৰা এৰাই জোৰেৰে মাটিত পৰেহি। তেতিয়া এটা চিঞৰ-বাখৰ হ'ল-'শেনে জানো তাক ধৰিব পাৰিলে?' কাচিম বেগে তেতিয়া ক'লে—যেতিয়া শেনে শত্ৰুক ঢুকি পোৱাৰ ভিতৰত পাই এই দুৰৱস্থা কৰিছে, এতিয়া আকৌ তাক এৰি দিবনে? কেতিয়াও এৰি নিদিয়ে।'

এই কথাৰ সুৰে মিৰ্জাৰ মনত সন্দেহ ওপজায় আৰু তেওঁ তাৰ বেয়া অৰ্থ কৰে। মিৰ্জা পলোৱাৰ ই এটা কাৰণ। আৰু দুই-এটা ঘটনাও এই

পলায়নৰ কাৰণ বুলি কোৱা হয়। কিন্তু সেইবিলাক আগৰ ঘটনাটোতকৈও অমূলক আৰু অৰ্থহীন।

এই সময়তে চুলতান হুচেন মিৰ্জাই চেবানি খাঁৰ অগ্ৰগতিত বাধা দিবৰ কাৰণে দৃঢ় প্ৰতিজ্ঞ হৈ তেওঁৰ সকলো পুত্ৰকে তেওঁৰ ওচৰত উপস্থিত হ'বলৈ আদেশ দিয়ে। মোক তেওঁৰ কাষলৈ নিবলৈ তেওঁ ছৈয়দ আফজলক মোৰ ওচৰলৈ পঠায়। মোৰ ভাব হ'ল যে বিভিন্ন কাৰণত খোৰাচানলৈ যোৱাই মোৰ কাৰণে বুদ্ধিমানৰ কাম হ'ব। তাৰ ভিতৰত এটা হৈছে এজন পৰাক্ৰমী ৰজা যি তাইমুৰৰ সিংহাসন অলঙ্কৃত কৰিছে আৰু যেতিয়া তেওঁৰ পুত্ৰসকলক আৰু কেউফালৰ আমিৰসকলক আহ্বান কৰি শক্তিশালী শত্ৰু চেবানী খাঁৰ বিৰুদ্ধে অভিযান চলাবলৈ দৃঢ় সঙ্কল্প কৰিছে, তেনেস্থলত আনে যদি খোজ কাঢ়ি যায় মই মূৰেৰে খোজ কাঢ়ি হ'লেও তেওঁলোকৰ লগত যোৱা উচিত হ'ব। যদি আন সকলোৱে হাতত লাঠি লৈ যায় তেতিয়া মোৰ উচিত হ'ব শিল লৈ যোৱা। আৰু এটা বিবেচনাৰ বিষয় আছিল— জাহাঙ্গীৰ মিৰ্জাই যেতিয়া বৈৰী মনোভাব দেখুৱাইছে তাৰ মনৰপৰা সেই ভাব দূৰ কৰিব লাগিব। নহ'লে তাৰ আক্ৰমণোদ্যোগক প্ৰতিহত কৰিব লাগিব।

এই বছৰৰ শেহৰ ফালে যেতিয়া চুলতান হুচেনে চেবানী খাঁৰ বিৰুদ্ধে যুদ্ধ কৰি তাক দমন কৰিবৰ কাৰণে বিপুল সৈন্য সংগ্ৰহ কৰি পেলাইছে সেই সময়ত ভগবানে তেওঁক কাষলৈ লৈ গ'ল।

চুলতান হুচেনৰ চকু দুটা পদ্মলোচন নহ'লেও দীঘলীয়া আছিল। তেওঁৰ শৰীৰৰ গঠন আটিল আৰু বলী। তেওঁৰ দেহাৰ ওপৰ অংশৰ অনুপাতে কঁকালৰপৰা তললৈ ক্ষীণ আছিল। যদিও তেওঁৰ বয়স বহুত হৈছিল আৰু দাড়িও সকলোখিনি পকিছিল, তেওঁৰ সাজপাৰত ৰঙৰ বাহাৰ আছিল। তেওঁ ৰঙা আৰু সেউজীয়া ৰঙৰ পাটৰ সাজ পিন্ধিছিল। সাধাৰণতে তেওঁ ক'লা ভেৰাৰ চামৰাৰ টুপী পিন্ধিছিল। কেতিয়াবা কেতিয়াবা উৎসৱৰ

সময়ত তেওঁ ভাঁজ দিয়া জকমকীয়া ডাঙৰ পাগুৰী মাৰিছিল। পাগুৰীৰ ওপৰত এটা চৰাইৰ পাখী অনবৰত লৰি থাকে। এনেকৈয়ে তেওঁ নামাজ পঢ়িবলৈ যায়।

তেওঁ আছিল অতি সজীব আৰু ৰঙিয়াল লোক। তেওঁৰ মেজাজ মাজে মাজে খিটখিটীয়া হৈ উঠে আৰু এই মেজাজৰ লগত তাল মিলাই বাকাবাণো এৰে। বহু সময়ত তেওঁৰ ধৰ্ম্মৰ প্ৰতি গভীৰ আস্থা প্ৰকাশ পাইছিল।

তেওঁৰ এজন পুতেকে কোনোবা এজনক হত্যা কৰাত তেওঁ এনেধৰণে আদেশ দিয়ে যে সি হত্যাকাৰী। পুত্ৰক তেজৰ সলনি তেজ দি প্ৰায়শ্চিত্ত কৰিব লাগিব। তেওঁ তাক ঘাতকৰ হাতত দি কৈ দিয়ে যে বিচাৰাসনৰ আগত সি শাস্তি গ্ৰহণ কৰিব লাগিব।

তেওঁ তৰোৱাল লৈ যুদ্ধ কৰিবলৈ ভাল পাইছিল। পিচে কেতিয়াবা কেতিয়াবা হতা-হতী যুদ্ধ কৰিও নিজৰ শক্তি দেখুৱাইছিল। তৰোৱালৰ ব্যৱহাৰ কৌশল তাইমুৰ বংশৰ কোনেও তেওঁৰ সমান দেখুৱাব পৰা নাই।

কবিতা লিখাৰ বাপ তেওঁৰ আছিল। কবি হিচাবে তেওঁৰ নাম আছিল —হুচেনি। তেওঁৰ অনেক কবিতাকে বেয়াৰ ভাল বুলি ক'ব পাৰি। মুঠৰ ওপৰত তেওঁৰ সকলো কবিতাই একেধৰণৰ মজলীয়া বিধৰ। অৰ্থাৎ বৰ ভালো নহয় বেয়াও নহয়। যদিও তেওঁ প্ৰতাপী ৰজা আছিল—বয়সৰ ফালৰ পৰাও আৰু ৰাজ্যৰ বিভূতিৰ ফালৰপৰাও—তেওঁ শিশুৰ দৰে যুঁজাৰু ভেৰা পুহি ভাল পাইছিল। পাৰ উৰাই আৰু কুকুৰা যুঁজ চাইও বৰ আনন্দ লাভ কৰিছিল।

মৃত্যুৰ সময়ত তেওঁ ১৪ জন পুত্ৰ আৰু ১১ গৰাকী কন্যা এৰি থৈ যায়। তেওঁৰ পুত্ৰ মহম্মদ হুচেন প্ৰচলিত ধৰ্ম্মমতৰ বিৰোধী আছিল। কিন্তু তেওঁ সাহসী যুঁজাৰু বীৰ আছিল। তেওঁ নিপুণ কাঁড়ী আছিল। লক্ষ্য তেওঁৰ অব্যৰ্থ আছিল। তেওঁৰ দুই গুণযুক্ত ধনুৰ দুয়োফাল একে কৰিবলৈ হ'লে প্ৰায় চাৰে তিনি মোণৰ ভৰ দিব লগা হয়। তেওঁৰ প্ৰথমা স্ত্ৰী বৰ বদমেজাজী

আছিল। সেই গৰাকীৰ উৎপাতত তেওঁ বৰ বিৰক্ত হৈ পৰে। পোহনীয়া শেন চৰাই তেওঁৰ বৰ মৰমৰ বস্তু আছিল। যদি কেতিয়াবা শুনে যে তেওঁৰ কোনোবা শেন চৰাই মৰিছে বা বিচাৰি পোৱা নাই তেতিয়া কোনো পুত্ৰক মাতি আনি কয় যে যদি তেওঁ তেওঁৰ মৃত্যু বা ভিডি মোচৰা কথা শুনিলেহেঁতেন তেতিয়াও তেওঁ ইমান বিচলিত নহ'লহেঁতেন --যিমান তেওঁ শেন মৰাত বা হেৰোৱাত হৈছে।

চুলতান হুচেনৰ আৰু এজন আমীৰৰ কাবি্যক নাম আছিল 'ছহেলি'। এওঁ এবিধ কবিতা লিখে যিবিলাকৰ কথা আৰু অৰ্থ ভয়ঙ্কৰ যেন এটাই ইটোৰ লগত ফেৰ মাৰিছে গৈ আছে। তেওঁৰ এটা কবিতা এনে ধৰণৰ—

'নিশাৰ বেদনাৰ সমুদ্ৰত
নিশ্বাসৰ যি ধুমুহা বুকুৰ বলে
তাৰেই দৰ্পত সমগ্ৰ গগন
স্থানচ্যুত হৈ থহে।
যি দৈত্যনাগৰ (ড্ৰেগন) জন্ম
অশ্ৰু জলত মোৰ
ধৰণীৰ ভেঁটি সি
কৰে উৎখাত উচ্ছন্ন।'

এইটো বহুতেই জানে যে এবাৰ এই কবিতাটো মৌলানা আব্দুলৰ ওচৰত আবৃত্তি কৰিলত মোল্লাই কৈছিল—তুমি কিবা কবিতা আবৃত্তি কৰিছানে, মানুহক ভয় খুৱাইছা ?

চুলতান হুচেনৰ যুগটো সঁচাকৈয়ে সুন্দৰ আছিল। কাৰণ এই সময়ত বিখ্যাত লোকৰ অভাব নাছিল। তাৰ ভিতৰত এজন আছিল মৌলানা আব্দুল। তেওঁৰ ধুনীয়া কবিতাৰ কথা কোনে নাজানে ? মোল্লাৰ গুণাৱলী ইমান মহান যে মোৰ নিচিনা মানুহৰ কাৰণে তাৰ বৰ্ণনা দিয়া একপ্ৰকাৰ

অসম্ভব। কিন্তু মোৰ এই নগণ্য লিখা কাৰ্য্যৰ মাজত তেওঁৰ নামৰ আৰু শ্ৰেষ্ঠত্বৰ উল্লেখ কৰিবলৈ মই বৰ আগ্ৰহী।

মোল্লা ওচমান বিশাল জ্ঞানৰ এজন অধিকাৰী। তেওঁ এবাৰ কৈছিল যে মানুহে যিটো শুনে সেইটো আকৌ কেনেকৈ পাহৰি যাব পাৰে। তেওঁৰ স্মৰণশক্তি অসাধাৰণ আছিল। তেওঁ প্ৰায়েই উপবাস কৰাত 'সাধু' নাম পাইছিল। দবা খেল তেওঁৰ বৰ প্ৰিয় আছিল। দবা খেলত তেওঁৰ ইমান ৰাপ আছিল যে দুজন মানুহে দবা খেল জানে বুলি তেওঁ গম পালে তাৰে এজনৰ লগত তেওঁ ততালিকে খেলিবলৈ বহি যায় আৰু ইজনৰ চোলাৰ এফালে ধৰি থাকে যাতে তেওঁ গুচি যাব নোৱাৰে। ফাৰ্চী ভাষাত তেওঁ এখন কিতাপ লিখিছিল—যিখন সঁচাকৈয়ে মনোৰম। কিন্তু তেওঁৰ এটা দোষ আছিল যে কোনো উদাহৰণ দিবলৈ হ'লে তেওঁৰ নিজৰ কবিতাকেই উদ্ধৃত কৰি কৈছিল—'এই দৃষ্টান্ত মোৰ অমুক কিতাপত পোৱা যাব।'

চিত্ৰশিল্পীসকলৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ আছিল বেজাদ। চিত্ৰাঙ্কনত তেওঁ অতি নিপুণ আছিল। কিন্তু তেওঁ দাড়ি নথকা কোমল মুখ ভালকৈ আঁকিব নোৱাৰে, ভিডি বৰ দীঘল কৰি পেলায়। দড়ীয়া মুখ অঁকাত কিন্তু তেওঁ বৰ পটু আছিল।

গীত-বাদ্যকাৰসকলৰ ভিতৰত হুচেন উদিয়ে বৰ ভাল বেহেলা বজাব পাৰে। তেওঁ এবাৰ এবাৰকৈ এডাল এডাল তাঁৰৰ ওপৰত সুৰৰ ঝঙ্কাৰ তুলিছিল। যেতিয়া তেওঁ বজাবলৈ আৰম্ভ কৰে তেতিয়া নানা ধৰণৰ অঙ্গি-ভঙ্গি কৰা তেওঁৰ এটা বিশেষ দোষ আছিল। এবাৰ চেবানী খাঁই তেওঁৰ বাজনা শুনিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। নানাধৰণৰ অঙ্গি-ভঙ্গি কৰি পিচে তেওঁ বৰ বেয়া বাদ্য বজালে, কাৰণ তেওঁ নিজৰ যন্ত্ৰ লগত অনা নাছিল। যিটো বজালে সেইটোও অতি বেয়া আছিল। চেবানী খাঁই বিৰক্ত হৈ হুকুম দিলে যে তেওঁৰ গলধনত গোটাচেৰেক চকা দি বিদায় দি দিয়ক। চেবানী খাঁই বোধকৰোঁ জীৱনত এইটোৱেই মাত্ৰ ভাল কাম কৰিছিল

আৰু এজন সঙ্গীতজ্ঞ আছিল—'হেৰি'ৰ অধিবাসী বিনাই। প্ৰথম অৱস্থাত সঙ্গীত সম্বন্ধে তেওঁৰ বিশেষ জ্ঞান নাছিল। আলিছেৰ বেগে তেওঁৰ অজ্ঞতাৰ কাৰণে প্ৰায়েই ঠাট্টা কৰিছিল। কিন্তু এবছৰ জাবৰ দিন কেইটা 'মাভে'ত কটাই আৰু সঙ্গীত চৰ্চ্চা কৰি তেওঁ ইমান উন্নতি কৰিলে যে গৰম কালিৰ আগতে তেওঁ কেইবাটাও গীত ৰচনা কৰে। আলি ছেৰ বেগৰ তেওঁ সক্ষম প্ৰতিদ্বন্দ্বী আছিল। তেওঁৰ ৰাসিকতা আৰু মুখৰ ওপৰতে উপযুক্ত উত্তৰ দিয়া সম্বন্ধে অনেক গল্প শুনা যায়। তাৰ ভিতৰত এটাৰ কথা উদাহৰণ স্বৰূপে ক'ব পাৰি। এদিন দবা খেলি থকা সময়ত আলি ছেৰ বেগে ভৰি মেলি দিওতে বিনাইৰ পিঠি ফালে তেওঁৰ ভৰি লাগে। লগে লগে তেওঁ ঠাট্টাৰ সুৰত কৈ উঠে—ভৰি মেলিবলৈ গ'লেই কবিৰ পিচ ফালে লাগে। 'হেৰি'ত দেখিছো ই এটা অতি বেয়া কথা।

বিনায়ে তৎক্ষণাৎ উত্তৰ দিলে—ভৰিটো কবিৰ পিঠিতেই লাগি থাকক, তাক যেন কবিৰ পিচফালৰ প্ৰভাৱৰপৰা আতঁৰাই নিনিয়ে যেন।

যেয়ে নহওক নানা বিদ্ৰূপত বিৰক্ত হৈ শেহত বিনায়ে 'হেৰি' এৰি চমৰ-খণ্ডলৈ গুচি আহে।

আলি ছেৰ বেগ বহুত প্ৰয়োজনীয় আবিষ্কাৰৰ উৎসাহদাতা আছিল। কোনো নতুন শিল্পকলা বা নতুন বস্তু আবিষ্কাৰ কৰি তাৰ মূল্য বঢ়াবৰ কাৰণে বা প্ৰচাৰৰ সুবিধাৰ কাৰণে যি কোনো লোকে তাৰ নাম দিয়ে 'আলি ছেৰী'। আলি ছেৰক নকল কৰাৰ আকৰ্ষণ ইমান বেছি হৈছিল যে এবাৰ তেওঁৰ কাণৰ বিষৰ কাৰণে এখন কমালেৰে কাণ আৰু মূৰ বান্ধি ৰাখোতে তেনেকৈ কমাল বন্ধা চলন্তি হৈ গ'ল—যিটোক কোৱা হৈছিল—আলি ছেৰী গও। বিনায়ে 'হেৰি' এৰি যোৱাৰ সময়ত তেওঁ ঘোঁৰাৰ পিঠিত বহিবৰ কাৰণে এবিধ নতুন ধৰণৰ গাদি তৈয়াৰ কৰায় আৰু বিদ্ৰূপ কৰি সেই গাদিৰ নাম থয় আলি ছেৰী।

১৫০৬ খ্ৰীষ্টাব্দৰ ঘটনাৱলী

উজবেগবিলাকৰ আক্ৰমণ প্ৰতিহত কৰিবৰ কাৰণে মহৰম মাহত খোৰাচানৰ কালে যাত্ৰা কৰোঁ। জাহাঙ্গীৰ মিৰ্জা গজনীৰপৰা পলোৱাৰ পিচত মই বিবেচনা কৰি স্থিৰ কৰো যে মোৰ কাৰণে আইমাকবিলাকৰ বিদ্ৰোহ দমন কৰা আৰু যি সকলে মন ত অসন্তোষ ৰাখি থৈছে সিইঁতকো শান্ত কৰা দৰকাৰ, যাতে সিইঁতো বিদ্ৰোহী হৈ নুঠে। ইয়াৰ উপৰিও মোৰ দলৰ মানুহবিলাকৰ মাজতো যাতে অসন্তোষে নোচোৱে তাৰ কাৰণে সিইঁতক পৃথক কৰি কামত লগোৱা দৰকাৰ। এই কাৰণে বিপুল সৈন্য আৰু পাতলীয়া অস্ত্ৰ-শস্ত্ৰ লৈ আগবাঢ়ি যোৱা উচিত হ'ব বুলি ভাবিলোঁ।

এই সময়ত মই যাবৰ কাৰণে আমন্ত্ৰণ জনাবলৈ কটকী সকলো আহিল। কিছু সময়ৰ পিচত বেবেল্দাক বিৰলাছো আহি পালেহি। মিৰ্জাসকলৰ লগত দেখা কৰিবলৈ মোৰ বাধা ক'ত। মই সেই উদ্দেশ্যে দুশ মাইল পাৰ হৈ আহিলোঁ। মহম্মদ বেগৰ লগত মই আগবাঢ়িলোঁ। এই সময়ত মিৰ্জা সকলে মাৰথাব পৰ্য্যন্ত আগুৱাই শিবিৰ স্থাপন কৰিছে। জেমিদা-উল-আখিৰ মাহৰ আঠ তাৰিখ সোমবাৰে মিৰ্জা সকলৰ লগত মোৰ দেখা হ'ল। আবুল মহছিন মিৰ্জা মোক অভ্যৰ্থনা জনাবৰ কাৰণে এমাইল আগবাঢ়ি আহিল। যেতিয়া আমি মুখামুখি হ'লো তেতিয়া মই ঘোঁৰাৰ পৰা নামিলো একাষেদি আৰু তেওঁ নামিল আন কাষেদি। আমি আগবাঢ়ি আহি আলিঙ্গন কৰিলো। তাৰ পিচত আমি আকৌ ঘোৰাত উঠিলো।

কিছুদূৰ যাওঁতেই প্ৰায় শিবিৰৰ ওচৰত মুজাফৰ মিৰ্জা আৰু ইবন হুচেন মিৰ্জাৰ লগত দেখাদেখি হ'ল। আবুৰ হুচেন মিৰ্জাতকৈ তেওঁলোক বয়সত সৰু। গতিকে মোক অভ্যৰ্থনা জনাবলৈ তেওঁ যিমানদূৰ আগবাঢ়ি গৈছিল

তাতকৈও আগলৈ গৈ এওঁবিলাকে মোক অভ্যৰ্থনা জনোৱা উচিত আছিল। খুব সম্ভব, তেওঁবিলাকৰ এই পলমৰ কাৰণ হৈছে যোৱা নিশাৰ অতিপাত ফটিকা পান—ঠিক অহঙ্কাৰৰ কাৰণে নহয়। যোৱা নিশাৰ আমোদ-প্ৰমোদৰ অৱসাদ দূৰ নোহোৱাৰ কাৰণেই বিলম্ব—মোক অপমান কৰিবৰ কাৰণে নহয়। মুজাফ্‌ফৰ মিৰ্জাই মোক অভ্যৰ্থনা জনালত আমি ঘোঁৰাৰ ওপৰত বহি বহিয়েই দুইজনে সিজনক আলিঙ্গন কৰিলোঁ। তাৰ পিচত একেধৰণে ইবন হুছেন মিৰ্জাকো আলিঙ্গন কৰি আমি সভাৰ ভিতৰ ওচৰ পাই ঘোঁৰাৰপৰা নামিলোঁ। ঠিক হ'ল যে মই সভা (দৰবাৰ) ঘৰ পায়েই মূৰ দোঁৱাই নমস্কাৰ জনাম আৰু লগে লগে বদিয়া-এজ-জামান ওথ চাং-আসনৰপৰা উঠি তাৰ কাষত থিয় হৈ ৰ'ব আৰু তাতে আমি আলিঙ্গন কৰিমইক।

সভা (দৰবাৰ) ঘৰত প্ৰবেশ কৰিয়েই সেৱা জনাই বদিয়া-এজ-জামানৰ কালে আগবাঢ়ি গৈ আছোঁ। তেৰোঁ থিয় হৈ মোক অভ্যৰ্থনা জনাবৰ কাৰণে লাহে লাহে আগুৱাই আহি থাকে। কাচিম বেগৰ মোৰ সম্মানৰ প্ৰতি তীক্ষ্ণ দৃষ্টি আছিল। মোৰ কথাবিলাক তেওঁ সদায়েই নিজৰ কথা বুলি লৈছিল। মোক থৰকৈ আগবঢ়া দেখি কঁকালৰ ফিতাত ধৰি টান মাৰে। ময়ো তেওঁৰ মনৰ কথা তৎক্ষণাত বুজি উঠোঁ। তেতিয়া ধীৰ খোজত আগবাঢ়ি গৈ বদিয়া-এজ জামানৰ লগত নিৰ্দ্দিষ্ট ঠাইত লগ হৈ আলিঙ্গন কৰিলোঁ।

এই বৃহৎ সভাৰ ভিতৰ চাৰি ঠাইত দলিচা পৰা আছিল। এইখন সুৰাপান উৎসব নাছিল ঠিকেই, তথাপি মাংসৰ লগত মদ দিয়া হয়। খোৱা বস্তুৰ কাষতে সোণ আৰু ৰূপৰ পাত্ৰত মদ ৰখা হয়। মোৰ পূৰ্ব্বপুৰুষ আৰু পৰিয়ালৰ লোকে নিষ্ঠাৰে চেঙ্গিজ খাঁৰ নিয়ম-কানুন মানি আহিছে। তেওঁবিলাকৰ সভা-সমিতিত, বিচাৰালয়ত, উৎসব, অভ্যৰ্থনা, তেওঁলোকৰ বহা বা থিয় হোৱা নীতি-নিয়মত কোনো দিন চেঙ্গিজে প্ৰবৰ্ত্তন কৰা নীতি সলচৰ হোৱা নাই। চেঙ্গিজ খাঁৰ ৰীতি-নীতি অৱশ্যে কোনো দৈৱ নিৰ্দ্দেশৰ দৰে নাছিল যে সেইবিলাক নামানিলে অপৰাধ বুলি ধৰা হ'ব। তথাপি সজ

আচৰণ বিধিত আস্থাবান প্ৰত্যেক মানুহেই তেওঁৰ প্ৰবৰ্ত্তিত আচাৰ, আচৰণ নীতি মানি আহিছে যদিও পিতৃয়ে কোনো বেয়া কাম কৰিলে পুত্ৰই শুধৰাই লোৱা উচিত।

খোৱা বোৱাৰ পিচত আমি ঘোঁৰাত উঠি শিবিৰলৈ ঘূৰি আহোঁ। মোৰ সৈন্য শিবিৰৰ পৰা মিৰ্জাসকলৰ সেনা-শিবিৰৰ দূৰত্ব আছিল প্ৰায় দুমাইল।

বদিয়া-এজ-জামানৰ ওচৰলৈ যেতিয়া মই দ্বিতীয়বাৰ আহোঁ তেতিয়া তেওঁ কিন্তু মোক প্ৰথমবাৰৰ দৰে সন্মান নেদেখুৱালে। তেতিয়া জুলনুন বেগক মাতি আনি কৈ দিলো যে তেওঁ যেন মিৰ্জাক জনাই দিয়ে যে মই বয়সত সৰু হ'লেও মোৰ জন্ম উচ্চ বংশত। মই দুবাৰকৈ মোৰ পৈত্ৰিক ৰাজ্য চমৰখণ্ড জয় কৰিছিলোঁ। এই মহান বংশৰ সন্তান হৈ বংশৰ গৌৰব ৰক্ষাৰ কাৰণে বিদেশী শত্ৰুৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি যুদ্ধবিগ্ৰহ আৰু অশান্তিৰ মাজত যেতিয়া সোমাই পৰিছোঁ সেই সময়ত মোক যথাযোগ্য সন্মান নেদেখুৱাটো উচিত হৈছেনে? মোৰ এই কথাবিলাক তেওঁক জনালত তেওঁ নিজৰ ভুল বুজিব পাৰিলে আৰু তেওঁৰ ব্যৱহাৰ সলনি কৰি মোৰ প্ৰতি যথোচিত মান-সম্ভ্ৰম আৰু সদিচ্ছাৰ ভাব প্ৰকাশ কৰিবলৈ ধৰিলে।

আৰু এবাৰ যেতিয়া মই বদিয়া-এজ-জামানৰ লগত দুপৰীয়া নামাজৰ সময়ত দেখা কৰিবলৈ যাওঁ, তেতিয়া সুৰাপান চলিছিল। মই তেতিয়া মদ চুচুইছিলো। বৰ ধুনীয়া আপ্যায়ন হৈছিল। থালৰ ওপৰত নানা বিধৰ ভাল ভাল খোৱা বস্তু সজোৱা আছিল। কুকুৰা আৰু হাঁহৰ মাংসৰ কাবাব—লগত আৰু সুৰুৱা। বদিয়া-এজ-জামানে আগবঢ়োৱা এই ভোজ উৎসৱ বৰ জকমকীয়া হৈছিল। সকলোৱেই মুকলিমূৰীয়া, সহজ আৰু দ্বিধাহীনভাৱে এই উৎসৱত মতলীয়া হৈ পৰিছিল। যেতিয়া মই মাৰথাব নদীৰ পাৰত আছিলোঁ তেতিয়াও দুই-তিনিবাৰ সুৰা উৎসৱত উপস্থিত আছিলোঁ। কিন্তু তেওঁলোকে যেতিয়া গম পালে যে মই মদ নাথাওঁ তেতিয়া আৰু তেওঁলোকে মোক মদ খাবৰ কাৰণে লাগি থাকিবলৈ এৰিলে। মই এবাৰ মুজাফ্ফৰ মিৰ্জাৰ

মেলতো উপস্থিত আছিলোঁ। মদৰ নিচাই যেই ধৰিলে, মীৰ বাদেৰে লগে লগে নাচিবলৈ আৰম্ভ কৰিলে। কিন্তু তেওঁ ভালেই নাচিলে। নচাৰ প্ৰণালীটো তেওঁৰেই আবিষ্কাৰ।

মির্জাসকল সামাজিক ক্ষেত্ৰত কৃষ্টিমুখী—আমোদ-প্ৰমোদৰ ব্যৱস্থা কৰাতো দক্ষ। তেওঁবিলাকৰ কথাবাৰ্ত্তা, আলাপ-অভ্যৰ্থনাত মাধুৰ্য্য আৰু প্ৰতিভা প্ৰকাশ পায়। কিন্তু ৰণোদ্যম বা যুদ্ধ অভিযানৰ কোনো জ্ঞান তেওঁবিলাকৰ নাই। যুদ্ধ চলাবলৈ হ'লে যি প্ৰস্তুতিৰ দৰকাৰ তাৰ কোনো অভিজ্ঞতা তেওঁলোকৰ থকা দেখা নাযায়। সৈনিক জীৱন যাপন কৰাত যি সাহসৰ দৰকাৰ সেই সম্পৰ্কে একো ধাৰণাই তেওঁবিলাকৰ নাই।

আমি যেতিয়া মাৰখাবত—বাতৰি আহিল যে শক্ নজৰে তেওঁৰ চাৰি-পাঁচ শ সৈন্য লৈ আগবাঢ়ি আহিছে আৰু চিচিক্টু প্ৰদেশ লুট কৰা আৰম্ভ কৰিছে। কেইজনমান মির্জা লগ থাই আলোচনা বিলোচনা কৰিলে হয়, কিন্তু লুটীয়াবিলাকক বাধা দিবলৈ এটা সৰু দলো গঠন কৰিব নোৱাৰিলে। মাৰখাৱৰপৰা চিচিক্টুৰ দূৰত্ব চল্লিশ মাইল। মই অনুমতি বিচাৰিলোঁ যাতে মই অভিযান চলাব পাৰোঁ। কিন্তু তেওঁবিলাকৰ মৰ্য্যাদাত আঘাত লাগিব পাৰে বুলি ভাবি তেওঁলোকে মোক লৰচৰ কৰিবলৈ অনুমতি নিদিলে।

কেইদিনমানৰ পিচত মুজাফ্ফৰ মির্জাৰপৰা তেওঁৰ ওচৰলৈ যোৱাৰ নিমন্ত্ৰণ পালোঁ তেওঁ শেত উদ্যানত আছিল এই উদ্যানৰ মাজভাগত প্ৰাসাদ। ঘৰটো সৰু, দুমহলীয়া, কিন্তু বৰ ধুনীয়া। ওপৰ মহলাটো বৰ নিপুণভাৱে সজোৱা হৈছে। চাৰি কোণত চাৰিটা কোঠা আৰু মাজত আহলবহল বৰ কোঠা। চাৰিওটা কোঠাৰ লগতে ডাঙৰ চ'ৰা। বৰ কোঠাৰ প্ৰতি অংশতে নানা চিত্ৰ অঁকা। এই কাৰেং অৰঙ্গে সজাইছিল বাবৰ মির্জাই। কিন্তু ছবিবিলাক অঁকা হৈছিল চুলতান আবু চৈয়দ মিৰ্জাৰ নিৰ্দ্দেশ মতে। এইবিলাক তেওঁৰেই যুদ্ধ সম্পৰ্কীয় চিত্ৰ।

উত্তৰ ফালৰ বাৰান্দাত মুখামুখিকৈ দুখন দুলিচা পৰা আছে। এখনত

মুজাফ্ফৰ মিৰ্জা আৰু মই বহিলোঁ। আৰু এখনত চুলতান মামুদ মিৰ্জা আৰু জাহাঙ্গীৰ মিৰ্জা। মুজাফ্ফৰ মিৰ্জাৰ ঘৰত মই অতিথি। গতিকেই তেওঁ মোক খুব সম্মান দেখুৱালে। মোৰ স্বাস্থ্য পানৰ উদ্দেশ্যে এটা পাত্ৰ পূৰ কৰি সুৰা পান কৰিলে। পৰিবেশকসকলে অপেক্ষা কৰিছিল। সিইঁতে লগে লগেই এবাতি এবাতি খাঁটি মদ প্ৰত্যেককে পৰিবেশন কৰিবলৈ ধৰিলে। তেওঁবিলাকেও কোট-কোট কৈ পিবলৈ লাগিল। দেখি ভাব হৈছিল যেন প্ৰাণদায়িনী শীতল জল সেৱন কৰিছে।—উগ্ৰ ফটিকা নহয়। দল ক্ৰমাৎ উত্তপ্ত হৈ উঠিল। ফটিকাই তেওঁলোকৰ মূৰত ধৰিলেগৈ। মোকো সুৰাপানত নমোৱাৰ চিন্তা সিইঁতৰ মূৰত খেলাবলৈ ধৰিলে যাতে মই সিইঁতৰ দললৈ ঢ'ল খাব পাৰোঁ।

মই ইমান দিনে মদ্যপান দোষত দোষী হোৱা নাই। মদ খোৱা বদগুণ নথকাত মদৰ নিচা কেনেকুৱা হয় তাৰো ধাৰণা মোৰ নাছিল। এই সময়ত মোৰ এটা তীব্ৰ বাসনা উদয় হ'ল—এবাৰ খাই কেনেকুৱা মজা লাগে চোৱা যাওক। ডিঙিয়েদি সুৰা নামি যাওঁতে কিনো ঘটনা ঘটে চাবৰ কাৰণে প্ৰবল হেপাহ হ'ল।

ল'ৰাকালত মদৰ কথা মনলৈ অহা নাছিল। ইয়াৰ আনন্দইনো কি আৰু কষ্টনো কিমান একেবাৰেই নাজানিছিলোঁ। মোৰ পিতাই অনেক সময়ত সুৰাপান কৰিবলৈ কৈছিল। মই অক্ষমতা প্ৰকাশ কৰি গুচি আহিছিলোঁ। পিতাৰ মৃত্যুৰ পিচত খাজা কাজিৰ উপদেশ আৰু তত্ত্বাবধানত থকাৰ কাৰণে মই সৎস্বভাৱৰ আৰু নিৰ্ম্মল চৰিত্ৰৰ আছিলোঁ। মই কোনো নিষিদ্ধ খাদ্য খোৱা নাই। সেই কাৰণে মই সুৰাপান কৰোঁ কেনেকৈ? পিচত যেতিয়া যুবজনোচিত কল্পনা আৰু প্ৰবৃত্তিৰ টানত পৰি মোৰ সুৰাপানৰ ইচ্ছা হয় তেতিয়া মোৰ ওচৰত এনে কোনো নাছিল যাক মোৰ ইচ্ছাপূৰ্ণ কৰাৰ কথা ক'ব পাৰোঁ। এনেকুৱা কোনো মানুহ নাছিল যাৰ মনত মই মদ খোৱাৰ হেপাহ মনতে পুহি আছো বুলি কিবা সন্দেহ হ'ব পাৰে। গতিকে ইচ্ছা থাকিলেও তাক মুখ

খুলি কোৱাৰ ক্ষমতা নথকাত কোনেও সন্দেহ কৰিব নোৱাৰিছিল যে মোৰ মনত মদ্যপানৰ অসংযত ইচ্ছা লুকাই আছে।

এতিয়া মোৰ মনত খেলালে—এওঁলোকে যেতিয়া ইমানদৰে অনুৰোধ কৰিছে আৰু তাৰোপৰি 'হেৰি'ৰ নিচিনা সু-সভ্য নগৰলৈ যেতিয়া মই আহিছোঁ, য'ত আনন্দ উপভোগ কৰাৰ কোনো উপাদানৰে অভাৱ নাই। সকলো ধৰণৰ আমোদ-প্ৰমোদৰ ব্যৱস্থাই যুগুত হৈ আছে আৰু সকলো ভোগ-বিলাসৰ আহ্বান যেতিয়া আপোনা-আপুনি আহি পৰিছে—এনে অৱস্থাত নিজকে বঞ্চিত কৰা জানো ঠিক হ'ব? যদি মই এওঁলোকৰ অনুৰোধ এতিয়া ৰক্ষা নকৰো তেন্তে এনে ক্ষণ আৰু কেতিয়াও নাহে। এইবিলাক চিন্তা কৰি মই সুৰাপান কৰাৰে স্থিৰ কৰোঁ। কিন্তু এই কথাটো মনলৈ আহিল যে ককায়েক বদিয়া-এজ-জামানৰ হাতৰপৰা সুৰাপান কৰিবলৈ যেতিয়া অসম্মত হৈছো ভায়েকৰ হাতৰপৰা তাক গ্ৰহণ কৰিলে তেওঁ অসন্তুষ্ট হ'ব। মোৰ এই দ্বিধা আৰু অসুবিধাৰ কথা জনালোঁ। মোৰ যুক্তি তেওঁলোকে মানি ল'লে। ইয়াৰ পিচত সুৰাপানৰ কাৰণে এই অনুষ্ঠানত আৰু কোনেও খাটনি নধৰিলে। স্থিৰ হ'ল যে আকৌ বদিয়া-এজ-জামান মিৰ্জাৰ ঘৰত যেতিয়া দেখা হ'ব তেতিয়া মিৰ্জাসকলৰ অনুৰোধ মতে মই সুৰাপান কৰিম।

এই অনুষ্ঠানত গায়কসকলৰ ভিতৰত হাফিজ হাজিও আছিল। তেওঁ খুব ভাল গান গালে। হেৰিৰ গায়কসকলে মৃদু, কোমল সুৰত আৰু স্থিৰ। প্ৰশান্তভাৱে গান গায়। জাহাঙ্গীৰ মিৰ্জাৰ লগত মিৰজান নামে এজন গায়ক আছিল। তেওঁ উচ্চ গলাৰে, কৰ্কশ আৰু তালমান নোহোৱা গান গায়। জাহাঙ্গীৰ মিৰ্জাই মাত্ৰা হেৰুৱায় পেলাইছিল। এইকাৰণে প্ৰস্তাৱ কৰিলে যে মিৰজানৰ গান হওক। তেৰোঁ গান আৰম্ভ কৰিলে নিজৰ অভ্যাস অনুযায়ী মাৰাত্মক উচ্চ গলা, কৰ্কশ আৰু সুৰহীনভাৱে। খোৰাচানৰ বাসিন্দাসকলে তেওঁবিলাকৰ শিষ্টাচাৰ নীতিৰ অতি মূল্য দিয়ে। বহুতেই অৱজ্ঞে মুখ ঘূৰালে।

কোনোৱে চেম্পাউৰী কোচালে। কিন্তু মির্জাৰ খাতিৰত কোনেও তেওঁক গান বন্ধ কৰিবলৈ নক'লে।

সন্ধ্যাৰ নামাজৰ পিচত আমি মুজাফ্‌ফৰ মির্জাই সজোৱা তেওঁৰ নতুন জাৰকালিৰ প্ৰাসাদলৈ আহিলোঁ। আমি তালৈ আহিলত ইউচুফ আলি গকুলতাছে অতিপাত মদ খাই মতলীয়া হৈ নাচ আৰম্ভ কৰি দিলে। তেওঁ সঙ্গীতজ্ঞ—তাল-মান জনা লোক। গতিকে তেওঁ ভালেই নাচিলে। এই প্ৰাসাদলৈ আহি দলটো বৰ স্ফূর্তিবান আৰু অমায়িক হৈ পৰিল। মুজাফ্‌ফৰ মির্জাই মোক এখন তৰোৱাল, টঙালি, বর্ম আৰু এটা ঘোঁৰা উপহাৰ দিলে।

জানকে এটা তুর্কী গীত গালে। উৎসৱত যেতিয়া সকলোৱেই সুৰাপানত মতলীয়া হৈ পৰিছে, তেতিয়া তেওঁলোকে কিছুমান তল থাপৰ বেয়া ধেমালি কৰা দেখা গ'ল। উৎসৱ বহুত ৰাতিলৈকে চলি থাকিল। শেষ হওতে ৰাতি পুৱাবলৈ আৰু বেছি সময় নাছিল। মই সেই ৰাতিটো এই প্ৰাসাদতে থাকিলোঁ।

মোক ফটিকা পান কৰাবৰ কাৰণে লাগি আছে বুলি শুনি কাচিমবেগে জুলন্থন মির্জাসকলৰ ওপৰত দোষাৰোপ কৰি খুব তিৰস্কাৰ কৰিলে। কথা দেখি তেওঁলোকে মোক আৰু মদপানলৈ অনুৰোধ নকৰে বুলি ঠিক কৰিলে।

বদিয়া-এজ-জামান মির্জাই মুজাফ্‌ফৰ মির্জাৰ উৎসৱৰ কথা শুনাৰ পিচত আকৌ এটা ভোজৰ আয়োজন কৰি মোক নিমন্ত্ৰণ কৰিলে মোৰ বহুত ডেকা আমীৰ আৰু সেনাপতিও বাদ নপৰিল। মোৰ সভাসদসকলে মোৰ সন্মানৰ খাতিৰত সুৰাপান নকৰিছিল। যদি কেতিয়াবা মাহেক বা চল্লিশ দিনৰ মূৰত ইচ্ছা হয় তেতিয়া তেওঁলোকে কোনো ঘৰৰ দুৱাৰ বন্ধ কৰি—কিজানি মই গম পাওঁ—ভয়ে ভয়ে মদ খায়। এনে লোকসকলক এই অনুষ্ঠানলৈ নিমন্ত্ৰণ হৈছিল। যেতিয়া তেওঁবিলাকে মন কৰিছিল যে মোৰ দৃষ্টি আনফালে তেতিয়াই মদৰ পিয়লাত হাতেৰে আঁৰ কৰি এশোহা দিছিল অতি সচকিতভাৱে প্ৰকৃততে এনে সাৱধানতাৰ কোনো আৱশ্যক নাছিল। কাৰণ, কোনো উৎসৱত সাধাৰণ প্ৰচলিত নীতি অনুসৰণ কৰিবলৈ মই তেওঁলোকক অনুমতি দিয়েই

থৈছোঁ। তাৰোপৰি বৰ্ত্তমানৰ উৎসৱটো মোৰ পিতৃ বা ককায়েই দিছে বুলি মই ভাবিছোঁ।

এওঁলোকে উৎসৱৰ ঠাইলৈ কুমলীয়া ডাল থকা উইল' গছ লৈ আহিল। স্বাভাৱিকতেই এই গছবিলাক এনেকুৱা নে কৃত্রিম ডাল তৈয়াৰ কৰি গছৰ লগত জোৰা দিয়া হৈছে তাক নাজানো। গছৰ সৰু সৰু ডালবিলাক ধনুৰ গুণৰ নিচিনা যেন লাগিছিল। গছবিলাক কিন্তু বৰ সুন্দৰ দেখাইছিল।

ভোজ চলি থাকোতে এটা গোটা হাঁহৰ ভজা মোৰ আগত ৰখা হয়। কিন্তু কেনেকৈ তাক কাটিব লাগে আৰু টুকুৰা কৰিব লাগে নজনাৰ দোষত সেইটো চকুৰ আগত পৰি থাকিল। বদিয়া-এজ-জামানে সুধিলে মই হাঁহৰ ভজা ভাল পাওনে নাপাওঁ। খোলাখুলিকৈয়ে ক'লো—সেইটো কেনেকৈ কাটিব লাগে মই নাজানো। মির্জাই তৎক্ষণাৎ ভজা মাংসখিনি কাটি ডোখৰ ডোখৰ কৰি মোৰ আগত ৰাখিলে। এনেধৰণৰ ভদ্ৰতাত বদিয়া-এজ-জামান অতুলনীয় আছিল। উৎসৱৰ শেষত তেওঁ মোক সোণ খটোৱা চুৰী, সোণৰ বনকৰা কমাল আৰু এটা ঘোঁৰা উপহাৰ দিলে। মই 'হেৰি'ত কুৰি দিন আছিলোঁ। সেই সময়ছোৱাত ঘোঁৰাত উঠি নানা ঠাইত ফুৰিলোঁ। আগতে নেদেখা চাবলগীয়া ঠাইবিলাক এইবাৰ চালো। এইবিলাক চোৱাৰ কামত ইউচুফ আলি গকুলতাছ মোৰ পথপ্ৰদৰ্শক আছিল। তেওঁ আগৰে পৰাই মোৰ গন্তব্যস্থানৰ ওচৰত এনেকুৱা নিচান ৰাখে যে তাক দেখিয়েই মই সেই ঠাইত ৰওঁ। এই কুৰি দিনত মই চুলতান হুচেন মির্জাৰ মঠৰ বাহিৰে বোধকৰোঁ আন সকলোবিলাক চাবলগীয়া ঠায়েই চালোঁ। দেখিলোঁ—ধবল পাহাৰ, আলি ছৰৰ উদ্যান, কাগজ তৈয়াৰ কৰা কাৰখানা, ৰাজসিংহাসন, গাৰ মলং, শ্বেত পথাৰৰ কাষৰ ছায়াশীতল মনোৰম পথ, ছাফৰ কাৰেং, নবাইৰ সিংহাসন, ধাবকিৰ সিংহাসন, ছেখ উমৰ আৰু ছেখ জৈনুদ্দিনৰ সিংহাসন, আব্দুল ৰহমানৰ সমাধিক্ষেত্ৰ, মাছভৰা পুখুৰী, মির্জাসকলৰ শিক্ষানুষ্ঠান আৰু কবৰ-স্থান, চাহ বেগমৰ শিক্ষাভৱন আৰু তেওঁ সজা ৰমক-জমক মছজিদ, আৰু

দেখিলোঁ—কাউৰী বাগান, নৱ উদ্যান, জোবিদাৰ বাগান, চুলতান আবু ছৈয়দে সজোৱা শ্বেত প্ৰাসাদ, সৈনিকৰ আসন, সাৰানৰ সেতু, খাজাৰ চ'ৰা আৰু শ্বেত উদ্যান, প্ৰমোদ আবাস, সম্ভোগ প্ৰাসাদ, কমল কাৰেং, দ্বাদশ গম্বুজ, বিৰাট জলাধাৰ আৰু ইয়াৰ চাৰিওফালৰ চাৰিটা ইমাৰত, নগৰ প্ৰাচীৰৰ পাঁচখন দুৱাৰ—ৰাজা দ্বাৰ, ইৰাক দ্বাৰ, ফিৰোজাবাদ দ্বাৰ, খুছ দ্বাৰ, আৰু কিপছাক দ্বাৰ। দেখিলোঁ—ৰজাৰ বজাৰ, জনসাধাৰণৰ বৰ বজাৰ, ছেখ-উল-ইছলামৰ শিক্ষাভৱন, ৰজাসকলৰ বৃহৎ মছজিদ, নগৰ উদ্যান, আনজিল নদীৰ পাৰত সজা বদিয়া এজ-জামান বিদ্যালয়। আৰু দেখিলো আলি ছেৰ বেগৰ আবাসগৃহ যিটোক মানুহে কয় আৰাম-কাৰেং, তেওঁৰ কবৰখানা আৰু বৰ মছজিদ্—যিটোক পবিত্ৰ মছজিদ্ বোলা হয়। তেওঁৰ শিক্ষাভৱন আৰু মঠ—যিটোক সাধু মঠ বোলা হয়। তেওঁৰ স্নানাগাড় আৰু দাতব্য চিকিৎসালয়—যিটোক মানুহে স্বাস্থ্যকৰ আৰু মলৰোধক বোলে। সকলোখিনি মই অলপ সময়ৰ ভিতৰতে দেখিলোঁ।

শীত ঋতু আহিছে। যি পৰ্ব্বত শ্ৰেণীয়ে মোৰ ৰাজ্যক মোৰ পৰা আঁৰ কৰি ৰাখিছে তাত বৰফ পৰিবলৈ আৰম্ভ কৰিছে। কাবুলৰ এতিয়া অৱস্থা কেনে জানিবলৈ বৰ চিন্তিত হৈ পৰিলোঁ। শেহত প্ৰয়োজনৰ হেঁচা অথচ মোৰ প্ৰকৃত উদ্দেশ্য কি তাৰ ব্যাখ্যা কৰিব নোৱাৰি, মই শীত নিবাসলৈ যাওঁ—এই ফাঁকি দি বাহিৰ হ'লোঁ।

আমি হেৰি এৰি গুচি অহাৰ পৰাই ক্ৰমাৎ বৰফ পৰিছিল। দুই তিনি দিন পিচত আলিবাট বৰফে পূৰ হৈ থকা দেখা গ'ল। ঘোঁৰাৰ জিনৰ ৰেকাবি পৰ্য্যন্ত বৰফ উঠিছে। আনকি অনেক ঠাইত ঘোঁৰাৰ ঠেং বৰফ ভেদ কৰি মাটিও নাপাইছিলগৈ। চুলতান পাছাই নামে আমাৰ এজন পথ প্ৰদৰ্শক আছিল। বাৰ্দ্ধক্যৰ কাৰণেই হওক বা তেওঁৰ হৃদপিণ্ডৰ দুৰ্ব্বলতা জন্মিছেই হওক বা অস্বাভাৱিক তুষাৰপাতৰ কাৰণেই হওক তেওঁৰ সকলোবিলাক যেন খেলি-মেলি হৈ গৈছিল। বাট-পথৰ দিশ এবাৰ হেৰুৱাই পেলোৱাৰ পিচত তেওঁ

আৰু কোনো ৰকমেই ঠিক কৰিব নোৱাৰিলে কোনফালেনো বাট। তেওঁ আৰু তেওঁৰ ল'ৰা কেইটাই নিজৰ সুনাম ৰক্ষা কৰিবৰ কাৰণে ঘোঁৰাৰ পৰা নামি বৰফ খাঁতৰাই এটা আলি বাহিৰ কৰিলে। সেই বাটেদিয়েই আমি আগবাঢ়িলোঁ। পিচদিনা ইমান বৰফ পৰিল যে বাট-পথৰ কোনো চিনেই পোৱা নগ'ল, যদিও ইয়াৰ কাৰণে বহুত চেষ্টা আৰু পৰিশ্ৰম কৰা হ'ল। বাধ্য হৈ আমি ৰব লগা হ'ল। আৰু কোনো উপায় নেদেখি যি বাটেদি আহিছিলো সেইবাটেদিয়েই উভতি প্ৰচুৰ খৰি পোৱা এঠাইত ৰ'লোগৈ। বাঠি-সত্তৰজন বছা-বছা মানুহ, যি বাটেদি আমি উৰ্ভতিছিলো, সেই পথ ধৰি আৰু আগুৱাই গৈ কোনো ওখ ঠাই দেখা পোৱা যায়নে নাযায় আৰু তাত হাজৰাছ বা আন কোনো লোকে জাৰকালিৰ আবাস নিৰ্ম্মাণ কৰি বাস কৰিছেনে নাই চাবৰ কাৰণে পঠাই দিলোঁ। ইয়াৰ উপৰিও বাট পথৰ চিন উলিয়াব পাৰে এনেকুৱা মানুহ পোৱা যায়েনে নাযায় তাক চাবৰ কাৰণে কৈ দিলো।

আমি এই ঠাইত তিনি-চাৰিদিন, মানুহখিনি ঘূৰি অহাৰ বাটলৈ চাই চাই অপেক্ষা কৰিলো। তেওঁবিলাক অৱশ্যে ঘূৰি আহিল কিন্তু সিহঁতে কোনো পথপ্ৰদৰ্শকৰ সন্ধান নাপালে। তাৰ পাচত ভগৱানৰ ওপৰত ভৰসা কৰি যি বাটেদি আমি উভতি আহি এইখিনি পাইছিলোহি সেই বাটেদিয়েই পাছাইক আগে আগে যাবলৈ কৈ আকৌ আগবাঢ়িলো। ইয়াৰ পাচত কেইদিনমান আমাৰ অনেক দুখ-কষ্ট আৰু অসুবিধা সহ্য কৰিব লগা হৈছিল। সঁচাকৈয়ে এনেকুৱা দুখ-কষ্ট মোৰ জীৱনত কমেই ভোগ কৰিছো। এই সময়ত মই এই কবিতাটো ৰচনা কৰোঁ।

'কিবা ভাগ্য বিৰম্বনা
অদৃষ্টৰ পৰিহাসে
কৰা নাই মোক দহন ?
কিবা দুখ আছেনে বাকী
যাৰ মুখামুখি
হোৱা নাই মোৰ জীৱন ?'

প্ৰায় এসপ্তাহমান গভীৰ বৰফ ভাঙি আমি দুই তিনি মাইলৰ বেছি আগবাঢ়িব নোৱাৰিলো। আমি দহ-পোন্ধৰজন, কাচিম বেগ, তেওঁৰ দুই পুত্ৰ আৰু দুই তিনিজন ভৃত্য ঘোঁৰাৰপৰা নামি বৰফ গুৰি কৰি পথ পৰিষ্কাৰ কৰা কামত লাগি গ'লো। প্ৰথমে যি এই কাম ধৰিলে তেওঁ কেইখোজমান গৈয়েই ফোপাই জোপাই বৈ গ'ল। আৰু আন এজন গৈ তেওঁৰ ঠাইত কাম আৰম্ভ কৰিলে। দহ, পোন্ধৰ, বিশজনে এইদৰে বৰফ গুৰি কৰি বাট পৰিষ্কাৰ কৰাৰ পিচত এটা-এটাকৈ ঘোঁৰা আৰোহী নোহোৱাকৈ সেই বাটকণ আগুৱাই লৈ যোৱা হ'ল। প্ৰথম ঘোঁৰাটো দহ-পোন্ধৰ খোজ গৈয়েই ক্লান্ত হৈ পৰিল। তাক তেতিয়া একাষে ৰাখি আন এটাক অনা হ'ল। আমি দহ-পোন্ধৰজনে বৰফ গুৰি কৰি বাট উলিয়াই আমাৰ সকলো ঘোঁৰাকে লৈ আহিলো। আমাৰ অৱশিষ্ট সেনা, ভাল ভাল লোকসকল, আনকি 'বেগ' উপাধিধাৰী সকলেও ঘোঁৰাৰ পিঠিত বহিয়েই গুৰি বৰফৰ ওপৰেদি মূৰ তললৈ কৰি আগুৱাই আহিল। এনেকুৱা ঘটনা দেখিও কৰ্তৃত্ব জাহিৰ কৰি সিহঁতক কষ্ট দিয়াৰ অৰ্থ নাথাকে। যিবিলাকৰ তেজ আছে আৰু প্ৰতিযোগিতাত নমাৰ ইচ্ছা আছে তেওঁবিলাকৰ অগ্ৰতে এইবিলাক কামত জপিয়াই পৰা উচিত। আমি বৰফ গুৰিকৰা পথেদি আহি আহি 'আনজুকান' নামৰ এখন ঠাইত উপস্থিত হওঁ। তাৰপৰা তিনি-চাৰিদিন আহি জিৰিণ গিৰি সঙ্কটৰ তলৰ এটা গুহাৰ ওচৰ পালোহি।

সেইদিনা ধুমুহাৰ দৰে বতাহ বলিছিল। ইমান বেছি বৰফ পৰিছিল যে আমি সকলোৱেই একেলগে মৰিম যেন ভাব হ'ল। আমি গুহাৰ মুখত বৈ গ'লো। বৰফ ইমান পূৰাকৈ পৰিছিল আৰু বাটটো ইমান ঠেক আছিল যে এজনতকৈ যাব নোৱাৰি। ঘোঁৰাবিলাকো গুৰি বৰফৰ ওপৰেদি অতি কষ্টেৰে আগুৱাই গ'ল।

আবকালিৰ দিন বৰ চুটি। প্ৰথম দল সৈন্য দিনৰ পোহৰ থাকোতে থাকোতেই গুহা পায়হি। ৰাতি হোৱাত আন সৈন্য আৰু আহি নাপালেহি।

তেওঁলোকে যেয়ে যিখিনি পাইছিলহি তাতেই ঘোঁৰাবপৰা নামি অপেক্ষা কৰিছিল। কোনোৱে কোনোৱে আকৌ ৰাতিটো ঘোঁৰাৰ ওপৰতে বহি আছিল।

গুহাটো সৰু। মই এখন কোৰ লৈ গুহাৰ মুখৰ ওচৰৰ বৰফ আঁতৰাই নামাজৰ কাৰণে যিমানখিনি দলিচা লাগে সিমানখিনি ঠাই জিৰণিৰ কাৰণে চাফা কৰোঁ। বৰফত মোৰ বুকু পৰ্য্যন্ত সোমাই গৈছিল তথাপি ভৰিয়ে মাটি চোৱা নাছিল। যি হওক এই গাতটোৱে মোক বতাহৰ পৰা কিছু ৰক্ষা কৰিছিল। বৰফৰ বেৰে ঘেৰি থোৱা অকণমান ঠাইত মই বহি আছিলোঁ। কোনো কোনোৱে মোক গুহাৰ ভিতৰলৈ যাবলৈ কৈছিল। কিন্তু মই সেইটো নকৰিলোঁ। মোৰ ভাব হৈছিল—যি সময়ত মোৰ মানুহবিলাকে বাহিৰত তুষাৰ পাত সহ্য কৰি বৰফৰ মাজত কটাব সেইসময়ত মই গুহাৰ ভিতৰত গৰম আৰহাওৱাৰ মাজত আৰামেৰে শুম—'স কেতিয়াও হব নোৱাৰে। যিসকল মোৰ লগৰীয়া তেওঁলোকক চৰম দুখ-কষ্ট আৰু বিপদৰ মাজত পেলাই, তেওঁলোকৰ দুখ-কষ্টৰ ভাগী নহৈ নিজ সুখৰ কথা ভবাৰ নিচিনা দায়িত্বজ্ঞানহীন মনোভাব মই কেতিয়াও দেখুৱাব নোৱাৰো। এইটো ঠিক যে তেওঁলোকে মোৰ কাৰণে যি দুখ-কষ্ট আৰু জঞ্জাল ভোগ কৰিবলৈ বাধ্য হৈছে সেই দুখ-কষ্ট, জঞ্জালৰো ভাগ মই গ্ৰহণ কৰিব লাগিব। ফাৰ্চীভাষাত এটা কথা আছে—বন্ধু-বান্ধৱৰ ওচৰত মৃত্যুও এটা উৎসৱৰ দৰে। ৰাতিৰ নামাজৰ সময়লৈকে মই সেই তুষাৰপাতৰ মাজত সেই সৰু গাতটোৰ দৰে ঠাইডোখৰতে বহি থাকিলো। মই ভৰি কোঁচাই বহিছিলো। তেতিয়া ইমান জোৰত বৰফ পৰিবলৈ ধৰিলে যে মোৰ মূৰ, মুখ আৰু কাণত চাৰি ইঞ্চি পৰিমাণৰ বৰফ গোট খালে। সেই ৰাতিয়েই ঠাণ্ডালাগি মোৰ কাণ বিষাবলৈ ধৰিলে। ৰাতিৰ নামাজৰ পিচত এদল লোকে গুহাৰ ভিতৰ সোমাই দেখিলে যে গুহাটো বেচ আহল-বহল; ভিতৰত ইমান ঠাই আছে যে আমাৰ দলৰ সকলোৱেই গুহাৰ ভিতৰত অনায়াসে থাকিব পাৰে। এইকথা

গুনি মই থিয় হৈ মোৰ মূৰ আৰু মুখৰ ওপৰত জমা হৈ থকা বৰফ জোকাৰি একৰাই গুহাৰ ভিতৰলৈ গুচি আহিলোঁ। যিসকল ওচৰতে আছিল তেওঁলোককো গুহাৰ ভিতৰলৈ আহিবলৈ ক'লোঁ। পঞ্চাশ-ষাঠিজন থকাৰ ঠাই গুহাৰ ভিতৰত পোৱা গ'ল। আমাৰ লগত যিবিলাক খোৱা বস্তু—যেনে ভজা মাংস আৰু যি আছিল সেইবিলাক উলিওৱা হ'ল। এইদৰে আমি তুষাৰপাত আৰু প্ৰচণ্ড ঠাণ্ডাৰ পৰা ৰক্ষা পৰি নিৰাপদ আৰু গৰম আৰু আৰামদায়ক আৱাসত নৱজীৱন পালোঁ।

পিচদিনা পুৱা বৰফ পৰা আৰু ধুমুহা বন্ধ হ'ল। আমি পুৱাই পুৱাই ওলাই আহিলোঁ। আকৌ সেই আগৰ দৰেই বৰফ ভাঙি ভাঙি বাট উলিয়াই যোৱা আৰম্ভ হ'ল। গিৰিসঙ্কটৰ তল পোৱাৰ আগতেই দিন শেষ হৈ আহিল। আমি পাহাৰৰ মাজৰ এখন সমতল ভূমিত বৈ গলোহি।

সেইদিনা ৰাতি অসহ্য জাৰত আমি জৰ কষ্ট খাবলগীয়া হ'ল। বহুতৰ শীতৰ প্ৰকোপত ভৰি-হাত অকামিলা হৈ পৰিল। কোপেকৰ ভৰি, চুন্দুকৰ দুয়োটা হাত আৰু আথিৰ ভৰি ঠাণ্ডাত একেবাৰে ঘূণীয়া হ'ল। পিচদিনা পুৱা আওগৰীয়া বাটেদি নামিবলৈ ধৰিলো। আমি বুজিব পাৰিছিলো যে আমি প্ৰকৃত বাটেদি অহা নাই—তথাপি ভগৱানৰ ওপৰত বিশ্বাস ৰাখি আগুৱালোঁ। লাহে লাহে এই কঠিন বাটেদি তললৈ নামিবলৈ ধৰিলো। সন্ধ্যাৰ নামাজৰ সময়ত আমি সেই উপত্যকা পাৰ হৈ আহিলো। অতি বুঢ়ালোকেও মনত পেলাব নোৱাৰিলে যে এনেকৈ বৰফ ভাঙি কোনোবাই কেতিয়াবা এই গিৰিসঙ্কটেদি নামি আহিছে নে নাই। এই ঋতুত যে কোনোবাই এই পথ অতিক্ৰম কৰিব পাৰে তাক কোনেও কল্পনা কৰিব নোৱাৰে। যদিও আমি এই কেইদিন অসহ্য কষ্ট কৰিছো তথাপি এই কথা কব লাগিব যে বৰফ ডাঠকৈ জমা হৈ থকাৰ কাৰণেই আমি এই বাটৰ যাত্ৰা শেষ কৰিব পাৰিলো। যদি এনে ধৰণে বৰফ গোট খাই নাথাকিলহেঁতেন তেতিয়া হ'লে কেনেকৈ আমি থিয় পথ আৰু পাহাৰী নদীবিলাক অতিক্ৰম কৰিলোহেঁতেন? বৰফ

জমা হৈ থকাৰ কাৰণে আমি তাৰ ওপৰেদি গুচি আহিব পাৰিছো। বৰফৰ প্ৰাচুৰ্য্য নথকা হ'লে আমাৰ ঘোঁৰা আৰু উট গভীৰ চাকনৈয়াত পৰি বুৰিলহেঁতেন।

'ভাল বেয়া দুয়োটাই
ভগবানৰ আশীৰ্ব্বাদ।
উপলব্ধি যদি হয়
নঘটে বিপদ'।

ৰাতিৰ নামাজৰ সময়ত আমি ইয়াকি আউলিং পাওঁগৈ। ইয়াৰ অধিবাসী-বিলাকে যেতিয়া শুনিলে যে আমি পাহাৰৰ পৰা নামি আহিছো তেতিয়া তেওঁলোকে তেওঁলোকৰ গৰম কুটীৰলৈ লৈ আহিল। আমাৰ কাৰণে চৰ্ব্বি থকা ভেৰা, ঘোঁৰাৰ কাৰণে প্ৰচুৰ ঘাঁহ আৰু দানা, জুই জলাবৰ কাৰণে শুকান গোবৰ খুঁটি লৈ আহিল। বৰফৰ বাজা পাৰ হৈ এই গৰম আৱাসলৈ অহা, অনাহাৰৰ কষ্ট দূৰ হৈ এনেকুৱা চৰ্ব্বিযুক্ত মাংস আৰু ভাল ৰুটি খাবলৈ পোৱা কি যে আনন্দৰ কথা তাক আমাৰ নিচিনাকৈ যি দুৰ্ভোগ ভুগিছে তেওঁ-বিলাকেহে বুজিব পাৰে।

এদিন ইয়াকি-আউলিঙত থাকি মোৰ নগৰীয়াসকলৰ মনোবল আৰু দৈহিক শক্তি ঘূৰাই আনো। তাৰ পিচত আকৌ ৰাওনা হৈ আঠ মাইল অতিক্ৰম কৰি ৰওঁ। পিচদিনা পুৱাই ৰমজান উৎসৱ। আমি যি বাটেদি গৈছিলো তুৰ্কোমেন হাজাৰাছবিলাকৰ জাৰকালিৰ থকা ঠাই সেই বাটৰ কাষতেই আছিল। সিহঁতে সিহঁতৰ পৰিয়ালবৰ্গ আৰু মালপত্ৰ লৈ সেই কালেই বাস কৰিছিল। আমি অহা কথা সমুলি গম পোৱা নাছিল। পিচদিনা পুৱা আমি আগবাঢ়ি যাওঁতেই সিহঁতৰ কুটীৰ আৰু ভেৰাৰ গড়ালবিলাকৰ মাজ পাওহি। দুই-তিনি ঠাইত লুটো কৰা হ'ল। হাজাৰাছবিলাকে ভয় খাই সিহঁতৰ পঁজা আৰু সম্পত্তি পেলাই থৈ ল'ৰা-ছোৱালী লৈ পাহাৰৰ ফাললৈ পলাই গ'ল।

অলপ সময়ৰ পিচত আমাৰ আগৰণুৱা দলৰপৰা বাতৰি আহিল যে হাজাৰাছবিলাকৰ কেইজনমানে আমাৰ যোৱাৰ বাটত গোট থাই এটা ঠেক গিৰিপথৰ মুখত ৰৈ মোৰ মানুহবিলাক ৰথাই কাঁড় মাৰি আক্ৰমণ কৰি তেওঁলোকৰ আগবাঢ়ি যোৱা বাট বন্ধ কৰিছে। এই বাতৰি পায়েই মই লৰালৰিকৈ আগবাঢ়ি গলোঁ। আহি দেখোঁ ঠাইডোখৰ কোনো গিৰিপথ নহয়। কিন্তু হাজাৰাছবিলাকে এটা এঢলীয়া পাহাৰৰ গাত সিইঁতৰ বয়-বস্তু গোটাই থৈ মোৰ মানুহবিলাকলৈ লক্ষ্য কৰি শৰ মাৰিছে।

(তুৰ্কিত)

ছাতি ধৰা কলীয়া ভাৱৰৰ দৰে
দেখা গ'ল দুৰণিত শত্ৰুৰ দল
আতঙ্কত অভিভূত হৈ
সৈন্যদল মোৰ থমকি ৰ'ল।
ক'লো সিইঁতক—'কিহৰ ভয়' ?
বুকু ভাঠি থিয় হোৱা
ইটো নহয় ভীৰুতাৰ সময়;
মই বিচাৰো বুকুত সাহ বান্ধি লৈ
শত্ৰুৰ গাত পৰক জপিয়াই।
পঠিয়াই দি আগলৈ সকলো
আমি কেইজন পিছত ৰ'লো।
কিন্তু, যিমানেই মই নিদিলো আদেশ
সিইঁতৰ কাণত নকৰে যে প্ৰবেশ।
মোৰ গাত নাছিল বৰ্ম,
অস্ত্ৰ-শস্ত্ৰও অতি সামান্য।
বৰ্ম শূন্য পিঠিও ঘোঁৰাৰ
সম্বল মাথোঁ মোৰ ধনুকাঁড়।

মই থমকি ৰলেই
অনুচৰ বৰ্গইও কৰে তাকেই।
গতিহীন হৈ শিশৰ দৰে
শত্ৰুৰ হাতত যেন মৰা পৰে।
ভৃত্যৰ আছেনে প্ৰয়োজন
যদি বিপদত নহয় লাগন ?
প্ৰভু যদি বিপদত পৰে জপিয়াই
সেই গুণ জানো তেওঁৰো থকা উচিত নহয় ?
হাবাথুৰি খায় প্ৰভুৱে য'ত
ই কি নীতি, থাকা নিমাত ?
হ'ব তেওঁৱেই ভৃত্য বিশ্বাসী
কৰ্ম্ম ক্ষেত্ৰত নিদিয়ে যি ফাঁকি।

... ...

অবশেষত মই ঘোঁৰা দৌৰাই
শত্ৰুৰ ফালে গ'লো আগুৱাই,
সন্মুখৰ শত্ৰু আঁতৰাই দি
পাহাৰৰ ওপৰত উঠিলো আহি।
মোৰ লোকজনে ঘটনা দেখি
বুকুত তেতিয়া সাহস বান্ধি,
দৌৰি দৌৰি মোৰ পিচ লয়
নাই চিন লেশ মাত্ৰ ভয়।
শত্ৰুৰ তীৰ তুচ্ছ কৰি
যাওঁ পাহাৰ বগাই আমি।
দিব খোজে বাধা পৰে জাকে জাক
বাধা মনা আমি জানো লোক ?

ঘোঁৰাৰ পৰা নামি, কেতিয়াবা উঠি
পাহাৰত বগায় যোদ্ধা সাহসী।
কাঁড় মাৰি মাৰি পেপুৰা হৈ
শত্ৰু দৌৰি পলায়,
তিষ্ঠিব পাৰে জানো কেতিয়াও
দেখি আমাৰ সাহস দুৰ্জ্জয়।
... ...

পাহাৰৰ টিং জয় কৰি লৈ
জপিয়াই জপিয়াই হৰিণাৰ দৰে,
তুচ্ছ কৰি গুহা, গড়া, নামনি,
হাজাৰাছ বিলাকৰ পিচ লওঁ জোৰে।
পশুৰ দৰে মুণ্ড ছেদন
মালপত্ৰ যত কৰো লুণ্ঠন।
লুটৰ বাহানি যত কৰি দিও ভাগ
হাজাৰাছবিলাক যেন ভেৰাৰ জাক।
যি বিলাক গ'ল দূৰ দূৰলৈ
সিহঁতক জোৰে খেদি কৰো আক্ৰমণ,
বন্দী কৰো সকলো স্ত্ৰী-পুৰুষ
বাদো নপৰিল শিশু কণ কণ।

এই কবিতাৰ সাৰমৰ্ম হ'ল এইটোৱেই :—মোৰ আগৰণুৱা সেনাদলক হাজৰাছবিলাকে মাজবাটতে নমাই দিয়াত সিহঁত বিমোৰ হৈ বৈ গ'ল। এই অৱস্থাত মই অকলে আওৱাই আহোঁ। যিবিলাক পলাইছিল সিহঁতৰ চিঞৰি, ক'লো—ৰ'বা, ৰ'বা। মই সিহঁতৰ মনৰ বল ঘূৰাই আনিবৰ কাৰণে চেষ্টা কৰিলোঁ। কিন্তু কোনে কাৰ কথা শুনে? শত্ৰুৰ ওপৰত জপিয়াই পৰাৰ কোনো চেষ্টাই সিহঁতৰ নাই। সিহঁত নানা ঠাইত

ভাগ ভাগ হৈ থিয় দি ৰ'ল। যদিও মোৰ শিৰস্ত্ৰান গাত বৰ্ম বা কোনো অস্ত্ৰ-শস্ত্ৰ নাছিল, মাত্ৰ ধনুকাঁড়েই সম্বল, তথাপি সাহসেৰে সিহঁতক মাতি ক'লো—'ভৃত্য ৰথাৰ আৱশ্যক এই কাৰণে যে সিহঁত কামৰ উপযোগী হব আৰু দৰকাৰৰ সময়ত প্ৰভুৰ প্ৰতি আনুগত্যৰ প্ৰমাণ দিব। প্ৰভু শত্ৰুৰ ফালে আগুৱাই যাব আৰু লগুৱাই তাকে বৈ বৈ চাব—ইয়াৰ কাৰণে কোনেও ভৃত্য নাৰাখে। এই কথা কৈয়ে মই জোৰেৰে ঘোঁৰা দৌৰাওঁ। যেতিয়া মোৰ মানুহবিলাকে দেখিলে যে মই শত্ৰুৰ ফালে দৌৰিছো তেতিয়া সিহঁতে মোৰ পিচ ললে। যি পাহাৰৰ ওপৰত হাজৰাছবিলাক গোট খাইছিল তাৰ ওচৰ পাই মোৰ সৈন্যবিলাক পাহাৰত উঠিবলৈ আৰম্ভ কৰিলে। ওপৰৰপৰা অবিৰামভাবে চলা শৰবৃষ্টি আওকাণ কৰি সিহঁত ঘোঁৰাৰ পিঠিত বা খোজ কাঢ়ি ওপৰলৈ উঠিবলৈ ধৰিলে। শত্ৰুৱে যেতিয়া দেখিলে যে মোৰ মানুহবিলাক পৰোৱাইহীন তেতিয়া আৰু সিহঁতে মাটিত খামোচ মাৰি ধৰি থাকিবলৈ ভৰসা নাপালে। পলাবলৈ আৰম্ভ কৰিলে। মোৰ লোকজনে পাহাৰৰ ওপৰত সিহঁতক খেদি খেদি বাৰ্ধি ৰথা পশুৰ দৰে চিকাৰ কৰিবলৈ ধৰিলে। শত্ৰুৰ বয়-বস্তু যি চকুত পৰিল সকলো লুট কৰিলো আৰু সিহঁতক আৰু সিহঁতৰ তিৰুতা, ল'ৰা-ছোৱালীবিলাকক আটক কৰি সেই বিলাকক ইয়াৰকৰ তত্ত্বাৱধানত ৰাখি আমি আগুৱাই গ'লো।

এই পাৰ্ব্বত্য প্ৰদেশৰ ওখ-চাপৰ সকলো ঠাই অতিক্ৰম কৰি হাজৰাছ-বিলাকৰ ঘোঁৰা আৰু ভেৰা খেদাই লৈ লেঙ্গৰলৈ ঘুৰি আহিলো আৰু তাতেই শিবিৰ স্থাপন কৰিলো। চৈধ্য পোন্ধৰজন কুখ্যাত বিদ্ৰোহী নেতা আৰু ডকাইতৰ চৰ্দ্দাৰ আমাৰ হাতত বন্দী হ'ল। মোৰ ইচ্ছা আছিল যে সিহঁতক শৰীৰত নানা কষ্ট দি হত্যা কৰি এনেকুৱা এটা উদাহৰণ দাঙি ধৰা যাতে এনে শাস্তি দেখি অন্য সকলো বিদ্ৰোহী আৰু দস্যু ভয়ত সাৱধান হৈ যায়। কিন্তু কাচিম বেগৰ অন্তৰত এনে অহেতুক দয়া উদয় হ'ল যে সিহঁতক মুকলি কৰি দিলে।

'অসাধুক সাধু কৰা
(আৰু) সাধুক অসাধু কৰা'
সকলো একেই কথা।
দুখীয়া মাটিত শইচ সিঁচা
শইচ নহয় এটি কণা
সকলো আশা বৃথা।'

এনে দশাকেই সকলো বন্দীৰ প্ৰতি দেখুউৱা হ'ল। তেওঁবিলাক সকলোৱেই মুক্তি পালে।

তুৰ্কোমেন হাজৰাছবিলাকক দমন কৰাত যি সময়ত আমি ব্যস্ত আছিলো সেই সময়ত খবৰ পালো যে মহম্মদ হুছেইন আৰু বিৰনাছে—যিসকল মোগলক আমি কাবুলত থৈ আহিছিলো—তেওঁবিলাকক নিজ স্বাৰ্থৰ কাৰণে দললৈ টানি নি খাঁ মিৰ্জ্জাক ৰজা বুলি ঘোষণা কৰি কাবুল অৱৰোধ কৰিছে। অৱশ্যে কাবুল দুৰ্গৰ প্ৰধান প্ৰধান লোকসকলে সিহঁতৰ দললৈ নগৈ দুৰ্গ সুৰক্ষিত কৰি তাক ৰক্ষা কৰিবলৈ সচেষ্ট হৈছে।

লেঙ্গাৰ-তাইমুৰ বেগৰপৰা মই কাবুলৰ সম্ভ্ৰান্ত আমীৰ-ওমৰাহবিলাকক চিঠি দি জনাওঁ যে মই এইখিনি আহি পাইছোহি। সেই চিঠি কাচিম বেগৰ এজন লগুৱা মহম্মদ আন্দেজানিৰ হাতত পঠাওঁ। তেওঁবিলাকক গোপনে জনাই দিলো দুৰবন্দ গিৰিসঙ্কটেদি নামি হঠাৎ শত্ৰুৰ ওপৰত জপিয়াই পৰিম। মই আহি পোৱাৰ সঙ্কেত স্বৰূপে মিনাৰ পাহাৰ পাৰ হৈয়েই এটা অগ্নিকুণ্ড জলাম আৰু তাকে দেখি তেওঁবিলাকে যেন দুৰ্গৰ ওপৰৰ মুকলি মণ্ডপত য'ত কোষাধ্যক্ষৰ কাম হয়—একুৰা জুই জলায়—যিটো দেখি আমি নিশ্চিত হব পাৰো যে তেওঁবিলাকে আমাৰ উপস্থিতিৰ কথা জানিব পাৰিছে। যেতিয়া আমি বাহিৰৰ পৰা আক্ৰমণ কৰিম, তেওঁবিলাকে যেন দুৰ্গৰ ভিতৰৰপৰা ওলাই আহি সিহঁতৰ ওপৰত জপিয়াই পৰে—যাতে দুৰ্গ অৱৰোধকাৰী দুকালৰ

পৰা আক্ৰান্ত হৈ পৰাস্ত হয়। এনেধৰণৰ উপদেশ মই মহম্মদ আন্দেজানিৰ যোগে তেওঁবিলাকলৈ পঠাওঁ।

পিচদিনা ৰাতিপুৱা লেঙ্গাৰ এৰি উছতাৰ-চেহাৰৰ বিপৰীতফালে ৰওঁ। দুপৰীয়াৰ আগতেই আকৌ ঘোঁৰাত উঠি ৰাতি নাগাদ গিৰিসঙ্কট পাৰ হৈ ছিৰ-ই-পুললৈ আহোঁ। তাত ঘোঁৰাবিলাকক গা ধুৱাই, দানা-পানী খুৱাই তজবজীয়া কৰি দুপৰীয়াৰ নামাজৰ সময়ত আকৌ বাহিৰ হওঁ। তুতকাৱেল পৰ্য্যন্ত বাটত কোনো বৰফ নাছিল। সেই ঠাই অতিক্ৰম কৰি যিমানেই আগুৱাবলৈ ধৰিলো সিমানেই বৰফ ডাঠ হোৱা দেখা গ'ল। শীত ইমান তীব্ৰ বোধ হৈছিল যে মোৰ জীৱনত ইমান জাৰ বোধকৰো খুব কমেই ভোগ কৰিছো। পাহাৰৰ সীমাত ঘোঁৰাৰপৰা নামি তীব্ৰ শীতত অস্থিৰ হৈ জুই জ্বলাই শৰীৰ গৰম কৰিবলৈ ধৰিলো। এইখন কিন্তু সেই ঠাই নহয় য'ৰ পৰা জুই জ্বলাই সঙ্কেত দিয়াৰ কথা আছিল। কিন্তু তীব্ৰ শীত সহ্য কৰিব নোৱাৰি জুই জ্বলাবলৈ বাধ্য হৈছিলো। ৰাতি পুৱাও নোপুৱাওতেই পাহাৰৰ প্ৰান্তৰ পৰা আমি যাত্ৰা কৰিলোঁ। ঘোঁৰাবিলাকৰ কৰঙন পৰ্য্যন্ত বৰফ উঠিছিল। গোটেই বাটটোৱেই বৰফৰ মাজত উঠা-নমা কৰি অতিক্ৰম কৰিছিলো। এইদৰেই কাৰো চকুত নপৰাকৈয়ে কাবুল পাওঁগৈ।

বিবি-মা-কই পোৱাৰ আগতে দুৰ্গৰ ওপৰত জুই জ্বলা দেখা পালো। জুই দেখি বুজিব পাৰিলো যে তেওঁবিলাক সাজু হৈ আছে। আমি যেতিয়া দলডৰ ওচৰলৈ আহিলো তেতিয়া সোঁফালৰ সৈন্যবিলাকক আগুৱাই যাবলৈ কলো। মাজৰ আৰু বাওঁ কাষৰ সৈন্যবিলাকক লৈ বাবা লুলিৰ বাটেদি আগবাঢ়িলো। খাঁ মিৰ্জাৰ প্ৰাসাদ এই ঠাইত আছিল। মোল্লা বাবাৰ উদ্যানৰ কাষত যি কবৰখানা আছে সেইখিনি পাওতেই কেইজনমান আহত লোকক ঘোঁৰাৰ পিঠিৰ পৰা নমাই অনা দেখা গ'ল। এওঁলোকেই প্ৰথম আগবাঢ়ি গৈ খাঁ মিৰ্জাৰ ঘৰত সোমাই পৰিছিল। তেওঁবিলাকৰ সংখ্যা আছিল চাৰিজন। খাঁ মিৰ্জা যি প্ৰাসাদত আছিল তাত প্ৰবেশ কৰোতেই

গোলমাল, চিঞৰ-বাখৰ আৰম্ভ হৈ যায়। সেই সময়তে খাঁ মিৰ্জ্জাই জোৰে ঘোঁৰা দৌৰাই দূৰলৈ পলাই যায়। মহম্মদ হুচেইন কোৰবেগিৰ ভায়েক যি খাঁ মিৰ্জ্জাৰ অধীনত কাম কৰিছিল সিয়েই চাৰিজনৰ ভিতৰত এজন অৰ্থাৎ ছেৰ কুলিক তৰোৱালেৰে আঘাত কৰি মাটিত বগৰাই দিয়ে। তেওঁৰ প্ৰতিদ্বন্দ্বীয়ে তেওঁৰ মূৰ কাটি পেলোৱাৰ চেষ্টা কৰাৰ সময়ত কোনো ৰকমে তেওঁ পলাই আহে। এই চাৰিজন যি তৰোৱাল আৰু শৰাঘাতত আহত হৈছে, তেওঁবিলাককেই মোৰ ওচৰলৈ অনা হৈছে—যিটো কথা আগতেই কৈছো।

বাটটো বৰ ঠেক। মোৰ অশ্বাৰোহীসকলে এই সৰু বাটটোৰ ওপৰতেই ভিৰ কৰিছে। চাৰিওফালে হৈ-চৈ আৰু বিশৃঙ্খলা আৰম্ভ হ'ল। শত্ৰুপক্ষৰ কেইজনমানে এই ভিৰৰ মাজতেই একেলগ হৈ প্ৰতিৰোধ কৰাৰ চেষ্টা কৰিছিল। মোৰ সৈন্যবিলাক সেই সময়ত আগলৈও যাব নোৱাৰে পিচলৈকো যাব নোৱাৰে। মই ইচ্ছা প্ৰকাশ কৰিলো যে মোৰ দলৰ যি কেইজনমান লোক মোৰ লগত আছে তেওঁলোকে ঘোঁৰাৰ পৰা নামি খোজকাঢ়ি আগুৱাই গৈ শত্ৰুৰ ওপৰত শৰ মাৰক। নিৰ্দ্দেশমতে কেইজনমানে তাকে কৰে। শত্ৰুপক্ষই তেতিয়া ভয় খাই দৌৰি পলাবলৈ ধৰিলে।

আমি তাত বহুত সময় বাট চালোঁ। ধাৰণা কৰিছিলো দুৰ্গৰপৰা আমাৰ মানুহ নামি আহি আমাক সহায় কৰিব। কিন্তু তেওঁলোকৰ কোনো নাহিল। শত্ৰু পৰাস্ত হৈ পলাই যোৱাত সিহঁত দুই-এজনকৈ আহিবলৈ লাগিল। খাঁ মিৰ্জ্জা পলোৱা দেখি আমি সেই ঠাই এৰি আহিলো।

আমেদ ইউচুফ মোৰ পাচত আছিল। চাৰ-বাগ দুৱাৰেদি যেতিয়া মই ওলাই আহিলো তেতিয়া এজন মানুহ—যাক মই তেওঁৰ সাহসৰ কাৰণে কাবুলত বিশেষ অনুগ্ৰহ দেখুৱাইছো আৰু নগৰ কটোৱালৰ পদত নিয়োগ কৰিছো—খোলা তৰোৱাল লৈ মোক আক্ৰমণ কৰিবলৈ অহা দেখিবলৈ পালো। মোৰ গাত মাত্ৰ এটা হাত কটা ভাঠ কোট, গাত

কোনো বৰ্মও নাই। তাৰোপৰি শিৰস্ত্ৰান পিন্ধিবলৈকো ভুল হৈ গৈছিল। মই তেওঁক অৱশ্যে 'হে বন্ধু, হে বন্ধু' বুলি সম্বোধন কৰি তেওঁৰ লগত কথা কবলৈ চেষ্টা কৰিলো আৰু মোৰ পিচফালৰ পৰা আমেদ-ইউচুফে চিঞৰিবলৈ ধৰিলে। কিন্তু অতিপাত জাৰৰ কাৰণেই হওক বা অতিপাত বৰফ পৰাৰ কাৰণেই হওক বা তেওঁৰ মতিভ্ৰমেই হওক বা যুদ্ধৰ গোলমাল আৰু চিঞৰ-বাখৰত তেওঁৰ বুদ্ধিনাশেই হওক—তেওঁ মোক চিনিব নোৱাৰিলে। তেওঁ বেগাই আগবাঢ়ি আহি মোৰ বাহুত তৰোৱালৰ আঘাত বহুৱালে। কিন্তু ভগৱানৰ আশ্চৰ্য্য করুণা চকুৰ আগত যেন ভাঁহি উঠিল। তৰোৱালৰ আঘাতত মোৰ চুলিমানো কোনো ক্ষতি নহ'ল।

'যিমানেই আঘাত হানক
তৰোৱালে মানুহৰ,
এটি শিৰাও নাকাটে
ইচ্ছা বিনে ঈশ্বৰৰ'।

বাৰে বাৰে মই এনে এক প্ৰাৰ্থনা কৰি আহিছো যাৰ বলত সৰ্ব্বশক্তিমান ভগৱানে মোক সকলো বিপদৰপৰা মুক্তি দিছে। এইবাৰো যে এনে বিপদৰ মুখত পৰিছিলো তথাপি মোৰ বিন্দুমাত্ৰ ক্ষতি কৰিব পৰা নাই।

মোৰ প্ৰাৰ্থনাটি এনেধৰণৰ—'হে ঈশ্বৰ তুমি মোক সৃষ্টি কৰিছা। তুমি এক। তোমাৰ বাহিৰে আৰু কোনো ঈশ্বৰ নাই। তোমাৰ ওপৰতেই মোৰ সমস্ত নিৰ্ভৰ, অকুণ্ঠ বিশ্বাস। তুমি জগতৰ একমাত্ৰ প্ৰভু। হে ভগবান, তুমি যি ইচ্ছা কৰিবা তাকেই ঘটিব। তুমি যি ইচ্ছা নকৰা সি কেতিয়াও ঘটিব নোৱাৰে। পৃথিবীত এনে কোনো ক্ষমতা বা ঐশ্বৰ্য্য নাই যি মহিমাময় তোমাৰ পৰা অহা নাই। সকলো সত্যতকৈ শ্ৰেষ্ঠ সত্য এই যে তুমি সৰ্ব্বশক্তিমান, তোমাৰ জ্ঞানৰ দ্বাৰা সকলো বুজিব বা সকলোৰে সঠিক হিচাব ৰাখিব পাৰা।'

'হে সৃষ্টিকৰ্ত্তা, তোমাৰ ওপৰত মোৰ অকুণ্ঠ বিশ্বাস। মোৰ অন্তৰত

পাপৰ বা কোনো কুকাৰ্য্যৰ প্ৰেৰণাৰ উদয় হলে তাক আঘাত কৰি নাইকিয়া কৰা আৰু বাহিৰৰ পৰা মোৰ কোনো বিপদে যদি আগুৰি আছে তাকো তুমি দূৰ কৰি দিয়া। যদি কোনো লোকৰ হাতত বা আন কোনো প্ৰাণীৰ-পৰা ঘোৰ অনিষ্ট হোৱাৰ কাৰণ হয় তেতিয়া অশেষ দয়াৰে মোক সেই বিপদৰপৰা দূৰত ৰাখা। সত্য কথা কবলৈ হলে তুমিয়েই একমাত্ৰ বিধাতা, জগৎ সিংহাসনৰ তুমিয়েই একমাত্ৰ গৰাকী।'

তাৰপৰা আগবাঢ়ি গৈ মহম্মদ হুচেনৰ বাগিছালৈ গ'লো কিন্তু তাত সি নাই। পলাই ক'ৰবাত লুকাই আছে। বাগিছাৰ এখন ভগা বেৰৰ মাজত সাত আঠজন ধনুৰ্দ্ধাৰীয়ে ঘাটি ৰক্ষা কৰিছিল। সিহঁতৰ ফাললৈ জোৰেৰে ঘোঁৰা চলাই চোচা ললো। সিহঁতে আৰু তাত ৰ'বলৈ সাহ নকৰিলে, দৌৰি পলাল। এজনক ধৰি আঘাত কৰিলো। সি এনেদৰে ঘূৰি ঘূৰি বাগৰি পৰিল যেন তেওঁৰ মূৰটো কটা পৰিছে। যাক আঘাত কৰো তাৰ নাম গকুলতাছ। তাৰ বাউসীত আঘাত কৰিছিলো। মহম্মদ হুচেনৰ ঘৰৰ দুৱাৰমুখ পাই দেখা পালো যে এজন মোগল চ'ৰাত বহি আছে। সেই মানুহটোক মই চিনি পালো। সি মোৰেই চাকৰিত আছিল। সি ধনুত কাঁড় লগাই মোৰ ফালেই টোঁৱাইছিল। কেউফালৰ পৰা মাত উঠিল—'অ' কি কৰা, কি কৰা। তেওঁ যে ৰজা।' সি কাঁড়ৰ লক্ষ্য ঘূৰাই লৈ কাঁড়ডাল এৰি দি দৌৰি পলাল। কাঁড় নিক্ষেপ কৰি কি হব—যেতিয়া মিৰ্জ্জা আৰু তেওঁৰ কৰ্ম্মচাৰীসকল হয় পলাইছে নহয় বন্দী হৈছে।

মই প্ৰাসাদত উপস্থিত হোৱাৰ পিচত ডিঙিত জৰি বান্ধি মাটিৰ ওপৰেদি টানি টানি চুলতান বিৰলাছক মোৰ ওচৰলৈ লৈ অহা হ'ল। তেওঁক মই বহুত অনুগ্ৰহ দেখুৱাইছিলো আৰু নানাগেনহাৰ পৰগণাটো দিছিলো। তথাপি তেওঁ মোৰ বিৰুদ্ধে এই বিদ্ৰোহত যোগ দিছিল। তেওঁ উত্তেজিত হৈ কৈ কৈ আহিছিল—মই কি দোষ কৰিছো?

কি দোষ কৰিছা? তোমাৰ নিচিনা নাম কৰা লোকৰ পক্ষে বিপক্ষত

যোগ দি সিহঁতৰ লগত ষড়যন্ত্ৰকৰা—ইয়াতকৈ আৰু বেছি অপৰাধ কি হব পাৰে ?

মোৰ মামাৰ মা চাহ বেগম আছিল খিৰলাছৰ ভনীয়েকৰ জীয়েক। সেইকাৰণে তেওঁক অপমানজনক ভাবে টানি চোচোৰাই আনিবলৈ মানা কৰিলো। ইয়াৰ উপৰিও তেওঁৰ প্ৰাণো লোৱা নাই বা আন কোনো ক্ষতিও কৰা নাই।

দুৰ্গৰ এজন প্ৰধান কৰ্মচাৰী আমেদ কাচিম কবুৰক নিৰ্দ্দেশ দিলো যে এদল সৈন্য লৈ খাঁ মিৰ্জাক বিচাৰি ওলাওক। স্বৰ্গোদ্যানৰ ওচৰতে নিজে সজা অট্টালিকাত চাহ বেগম আৰু ৰাজকুমাৰীসকল থাকে। প্ৰাসাদ ত্যাগ কৰি মই তেওঁবিলাকক দেখা কৰিবলৈ গ'লো।

নগৰৰ দুষ্ট মানুহবিলাকে লাঠি জোং লৈ মাৰপিট আৰম্ভ কৰি দিছে। সিহঁতৰ লক্ষ্য আছিল ঘৰৰ ভিতৰত মানুহ ধৰি বান্ধি লৈ তেওঁবিলাকৰ বাবস্তু লুট কৰা। এই বাতৰি পাই ঠায়ে ঠায়ে সৈন্য ৰাখি দিলো যাতে সিহঁতে দুৰ্বৃত্তহঁতক উচিত শিক্ষা দি খেদাই দিব পাৰে। চাহবেগম ৰাজকুমাৰী সকলৰ লগত একেটা কোঠাত বহিছিল। সাধাৰণতে যি ঠাইত বওঁ, মই সেই ঠাইতে ঘোঁৰাৰ পৰা নামি ওপৰলৈ উঠি গৈ তেওঁবিলাকৰ আগত যেনে ধৰণৰে সন্মান দেখুৱাই আহিছো—এইবাৰো সেইভাৱেই নমস্কাৰ কৰিলো। চাহবেগম আৰু ৰাজকুমাৰীসকল ভীত, বুদ্ধিভ্ৰষ্ট, লজ্জিত আৰু অৱসাদগ্ৰস্ত হৈ পৰিছিল। দোষ স্খলনৰ কাৰণে তেওঁলোকৰ মুখৰপৰা এটি শব্দও নোলাল। তাৰোপৰি মোৰ কুশলবাতৰি সোধাৰ ভদ্ৰতা দেখুৱাবলৈ তেওঁলোকৰ ক্ষমতা নাছিল। এইটো মোৰ অলপো ইচ্ছা নহয় যে তেওঁলোকে অসুবিধা অনুভব কৰক। কিন্তু এইটোও ঠিক যে এই সংঘৰ্ষ লগোৱাৰ কাৰণে যি বিলাক দোষী সিহঁত এনেকুৱা দলৰ লোক যি কেতিয়াও চাহ বেগম আৰু ৰাজকুমাৰীসকলৰ কথা পেলাব নোৱাৰে। খাঁ মিৰ্জা চাহ বেগমৰ নাতি। তেওঁ দিনে-ৰাতিয়ে বেগমসকলৰ ওচৰতে থাকে। যদি তেওঁ

তেওঁবিলাকৰ পৰামৰ্শ শুনিলেহেঁতেন তেতিয়া তেওঁবিলাকৰ এনেকুৱা ক্ষমতা আছিল যে তেওঁক দূৰলৈ যাবলৈ নিদি ওচৰতে তেওঁবিলাকৰ চকুৰ আগত ৰাখিব পাৰিলেহেঁতেন।

বহুবাৰ বিপদজনক অৱস্থা আৰু দুভাৰ্গ্যৰ মাজত পৰি মোৰ দেশ, ৰাজসিংহাসন, ভৃত্য, আত্মীয়স্বজন এৰি পলাই আহি এওঁলোকৰ ওচৰত আশ্ৰয় বিচাৰি গৈছো আৰু মোৰ আইও গৈছে। তেতিয়া কিন্তু এওঁবিলাকৰ ওচৰত কোনো ধৰণৰ অনুগ্ৰহ বা আশ্বাসৰ কথা শুনিবলৈ পোৱা নাই। সম্পৰ্কত খাঁ মিৰ্জা মোৰ ভাই আৰু তেওঁৰ মাতৃও সেই সময়ত সম্পদপূৰ্ণ দেশৰ গৰাকিনী আছিল। কিন্তু মোৰ বা মোৰ আইৰ এখন গাওঁ দুৰৰ কথা এটা কুকুৰাও নাছিল। মোৰ আই ইউনুচ খাঁৰ কন্যা আৰু মই তেওঁৰ নাতি। কিন্তু এওঁবিলাকে মোক আত্মীয় বুলি স্বীকাৰ কৰকেই বা নকৰকেই, এওঁবিলাকৰ যিয়েই মোৰ ওচৰলৈ আহিছে তেওঁৱেই মোৰপৰা উপকাৰ পাইছে। মই তেওঁলোকক আত্মীয় বা ভাই বুলিয়েই গ্ৰহণ কৰিছো।

চাহ বেগম যেতিয়া মোৰ ওচৰলৈ আহিল, তেওঁক মই 'পেমথান' উপহাৰ দিওঁ—যি ডোখৰ ঠাই কাবুলৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয়। প্ৰকৃততে তেওঁবিলাকৰ প্ৰতি কোনো ৰকমৰ ক্ৰটিয়েই মোৰ ফালৰপৰা হোৱা নাই।

চুলতান চৈয়দ খাঁই ফটা কাপোৰ পিন্ধা পাঁচ-ছজন অনুচৰ লৈ খোজকাঢ়ি মোৰ ওচৰলৈ আহিছিল। মই তেওঁলোকক নিজৰ ভাই বুলি গ্ৰহণ কৰো। তেওঁক মানদ্ৰাৰ প্ৰদেশৰ তুমান জিলাখন দিলো।

যেতিয়া চাহ ইছমাইলে মাভেত চেবানি খাঁক পৰাজিত কৰি হত্যা কৰে আৰু যেতিয়া মই কুন্দেজলৈ গুচি আহো তেতিয়া আন্দেজানৰ মানুহবিলাকৰ মোৰ ওপৰত দৃষ্টি পৰে। সিহঁতে তাৰ কেইখনমান চহৰৰ দাৰোগাবিলাকক খেদাই নিজেই মোৰ নামত চহৰবিলাক অধিকাৰ কৰি লয় আৰু মোক এই বাতৰি দিয়ে। তেতিয়া মই চুলতান চৈয়দ খাঁক মোৰ বিশ্বাসী অনুচৰ আৰু কিছুমান সৈন্য লৈ মোৰ নিজ দেশ আন্দেজানৰ শাসনকৰ্তা কৰি পঠাওঁ।

তেওঁক খাঁ পদবীৰে ভূষিত কৰো। এই সময় পৰ্য্যন্ত মোৰ আশ্ৰয় গ্ৰহণ কৰা সেই পৰিয়ালৰ প্ৰতিজন মানুহৰ লগত মোৰ পিতৃবংশীয় আত্মীয়ৰ প্ৰতি যেনেকুৱা সদয় ব্যৱহাৰ কৰো তেনে একেধৰণৰ ব্যৱহাৰ কৰিছো।

এই লিখাৰ মাজত মই কাৰো ওপৰত কটাক্ষ কৰিবলৈ চোৱা নাছিলো। কিন্তু যিথিনি মই কৈছো সি সম্পূৰ্ণ নিভাজ সত্য কথা। নিজক প্ৰশংসা কৰিবৰ কাৰণে মই এইবিলাক কথাৰ উল্লেখ কৰা নাই। যি ঘটিছে সেই কথাকে কৈ গৈছো। যেনে ধৰণেৰে ঘটনাবিলাক ঘটিছে ঠিক তেনেধৰণেৰে যিমান দূৰ সম্ভৱ নিখুঁতভাৱে লিখিছো। সেই কাৰণে ভাল বা বেয়া যি কামেই নহওক, বা মোৰ পিতা বা ককাই, বন্ধু বা অচিনাকি যাৰে কথা হওক মই নিৰপেক্ষভাবে দোষ-গুণ বিচাৰ কৰি লিখি গৈছো। সেই কাৰণে পাঠকসকলৰ ওচৰত মোৰ নিবেদন যেন তেওঁলোকে মোক ক্ষমা কৰে আৰু কঠোৰ ভাব লৈ যেন মোৰ বিচাৰ নকৰে।

চাহ বেগমসকলৰ ওচৰৰ পৰা আঁতৰি আহি মই খাঁ মিৰ্জ্জা যি প্ৰাসাদত থাকে সেই ঠাইত উপস্থিত হওহি। তালৈ আহি মই এই দেশৰ নানা ঠাইৰ সম্ভ্ৰান্তলোক, আইমাক আৰু অঘৰী জাতিৰ দলপতিসকললৈ চিঠি লিখি জনাই দিওঁ মোৰ জয়ৰ কথা। তাৰ পাচত ঘোঁৰাত উঠি মই কাবুল দুৰ্গলৈ গুচি আহো।

মহম্মদ হুচেন পলাই আহি প্ৰাণৰ ভয়ত ৰাজকুমাৰীসকলৰ পোছাকৰ আলমাৰীৰ দলিচাৰ মাজত লুকাই আছিল। দুৰ্গৰ পৰা মিৰাম দেৱানা আৰু কেইজনমানক সেই ঘৰ তালাশ কৰি তেওঁক বিচাৰি উলিয়াবলৈ আদেশ দিওঁ। ৰাজকুমাৰীসকলৰ প্ৰাসাদৰ দুৱাৰত উপস্থিত হৈ সিহঁতে কঠুৱা আৰু অশিষ্ট ভাষাত চিঞৰ ধৰে। যেয়ে নহওক সিহঁতে দলিচাৰ মাজৰপৰা মহম্মদ হুচেনক আবিষ্কাৰ কৰি দুৰ্গৰ ভিতৰলৈ লৈ আহে।

মই তেওঁৰ লগত যথোচিত সন্মানজনক ব্যৱহাৰ কৰোঁ। তেওঁ অহাৰ লগে লগে মই থিয় হওঁ। তেওঁৰ লগত উগ্ৰ ব্যৱহাৰৰ কোনো চিনেই দেখুৱা

নাই। মহম্মদ হুচেন এনে অপৰাধ আৰু পাপ কাৰ্য্যৰ কাৰণে দায়ী আৰু তেওঁ এনেকুৱা বিদ্ৰোহৰ কামত লিপ্ত হৈছে যে যদি তেওঁক চেও চেও কৈ কটাও হ'লহেঁতেন বা অন্য কোনো নৃশংসভাবে হত্যা কৰা হ'লহেঁতেন তেতিয়াও সেইটোৱেই তেওঁৰ প্ৰাপ্য হ'লহেঁতেন। কিন্তু তেওঁৰ লগত মোৰ অলপ আত্মীয়তা থকাৰ কাৰণে—মোৰ আইৰ ভনীৰ গৰ্ভত তেওঁৰ কেইটিমান পুত্ৰ আৰু কন্যা সন্তান হোৱাত মই কেইবাফালৰপৰা বিবেচনা কৰি তেওঁক মুক্তি দি খোৰাচানলৈ গুচি যাবলৈ সম্মতি দিওঁ।

কিন্তু এই অকৃতজ্ঞ কাপুৰুষ—যাক মই এনেকৈ ক্ষমা কৰিছো আৰু প্ৰাণ ভিক্ষা দিছো—সি মোৰ উপকাৰ আৰু উদাৰতা একেবাৰে পাহৰি গৈ মোৰ ব্যৱহাৰ সম্বন্ধে কুৎচিত ভাষাত চেবানি খাঁক নানা কথা লগাইছে আৰু মোক গালি-শপনি পাৰিছে। কিন্তু ইয়াৰ কিছুদিনৰ পিচতেই চেবানি খাঁই তেওঁক মৃত্যুদণ্ড দি মোৰ হৈ প্ৰতিশোধ লৈছে।

নিয়তিৰ হাতত কৰা সমৰ্পণ
যি তোমাৰ কৰে ক্ষতি,
তোমাৰ হৈ নিয়তিয়ে তাক
দিব যথোচিত শাস্তি।

খাঁ মিৰ্জাৰ সন্ধানত যোৱা দলটোৱে তেওঁক পাহাৰৰ মাজতেই ধৰি পেলায়। তেওঁ পলাবও নোৱাৰিলে আৰু তেওঁৰ এনে শক্তি বা সাহসো নাছিল যে যুদ্ধ কৰিব পাৰে। তেওঁক বন্দী কৰি লৈ আহিল। মই পুৰণা দৰবাৰ ঘৰত বহি আছিলো। তাতেই মোৰ আগত তেওঁক হাজিৰ কৰা হ'ল।

তেওঁক ক'লো—'আগলৈ আহি মোৰ লগত সাবটা-সাবটি কৰা'।

তেতিয়া তেওঁৰ এনেকুৱা সন্ত্ৰস্ত উত্তেজিত অৱস্থা যে মোৰ ওচৰলৈ আহোঁতেই ভুৱাৰ পিছলি পৰিল। তাৰ পাচত মোৰ ওচৰলৈ আহি আঠুকাঢ়ি সন্মান জনালে। পৰস্পৰ সাবটা-সাবটি কৰি আৰু নমস্কাৰ জনাই

তেওঁক মোৰ কাষত নি বহুৱাও আৰু তেওঁক সাহস আৰু ভৰসা দি কথা পাতো।

চৰবত আনিলত মই অলপমান পি থাই তেওঁৰ বিশ্বাস জন্মাই সেই বাতি তেওঁৰ হাতত দিও। মোৰ সৈন্য দলৰ কিছু অংশৰ, এই দেশৰ কিছুমান মানুহৰ আৰু মোগলবিলাকৰ বিশ্বস্ততা সম্বন্ধে মোৰ সন্দেহ নাতঁৰাত খাঁ মির্জাক নজৰবন্দী কৰি ৰাখিবৰ কাৰণে তেওঁৰ ভনীয়েকৰ প্ৰাসাদলৈ পঠাই দিলো—তেওঁ যেন বিনা আদেশে সেই ঠাই ত্যাগ নকৰে। কিন্তু যেতিয়া বুজিলো যে ষড়যন্ত্ৰ আৰু গুপ্ত আন্দোলন বন্ধ হোৱা নাই তেতিয়া খাঁ কাবুলত থকা অলপো সুবিধা নহ'ব বুলি ভাব হ'ল। নানা কথা চিন্তা কৰি তেওঁক খোৰাচানলৈ যোৱাৰ অনুমতি দিলো।

তেওঁ গুচি যোৱাৰ পিচত মই বাৰানৰ চাৰিওকালে ঘূৰিবৰ কাৰণে বাহিৰ হলো। বসন্তকালত বাৰানৰ ওচৰে-পাঁজৰে থকা ঠাইবিলাক মনোমোহা হৈ পৰে। কাবুলৰ যি কোনো ঠাই তকৈ ইয়াৰ সেউজীয়া শোভা অতুলনীয়। ইয়াত নানা ধৰণৰ টিউলিপ অপৰ্য্যাপ্ত। কিমান ধৰণৰ টিউলিপ আছে তাক জানিবৰ ইচ্ছা হোৱাত মোৰ অনুচৰবিলাকে চৌত্ৰিশ ৰকমৰ ফুল লৈ আহে সঁচাকৈয়ে বসন্তকালত এনেকুৱা চকুত লগা স্থান আৰু চিকাৰী চৰাই লৈ আমোদ কৰা ঠাই পৃথিবীত বৰ কমেই আছে।

১৬

১৫০৭ খৃষ্টাব্দৰ ঘটনাৱলী

লুট কৰা আৰু ঘিলজাইবিলাকৰ বাসভূমিত তোলপাৰ লগাবৰ কাৰণে কাবুলৰ পৰা যাত্ৰা কৰোঁ। ঘিলজাইবিলাকৰ শিবিৰৰ চাৰি মাইল দূৰৰ পৰা এখন ক'লা পৰ্দ্দাৰ নিচিনা দৃশ্য চকুত পৰিল। সেইটো হয় সিহঁত যোৱাৰ কাৰণে ধুলি উৰাৰ কল, নহয় ধোঁৱাৰ কাৰণে। মোৰ দলৰ ডেকা আৰু

অনভিজ্ঞ সৈন্যবিলাকে বেগাই খেদা ধৰিলে। মই সিহঁতক পিচে পিচে খেদি সিহঁতৰ ভৰি লক্ষ্য কৰি কাঁড় মাৰিবলৈ ধৰিলো। এইদৰে সিহঁতৰ গতি অলপ ৰোধ কৰিবলৈ সক্ষম হওঁ। যেতিয়া পাঁচ-ছহেজাৰ মান লোক দল বান্ধি লুট কৰিবৰ কাৰণে ওলাই আহে তেতিয়া সিহঁতৰ মাজত শৃঙ্খলা ৰখা বৰ টান। যেয়ে নহওক, ভগৱানৰ ইচ্ছাত সকলো ঠিক হৈ গ'ল। মোৰ মানুহবিলাক শান্ত হৈ লাহে লাহে যাবলৈ ধৰিলে।

কেই মাইলমান দূৰৰ পৰাই ধৰিব পৰা গ'ল যে ক'লা ছাৰ নিচিনা যিটো দেখা গৈছিল সেইটো আফগানবিলাকৰ শিবিৰৰ সমাবেশৰ কাৰণেই হৈছে। এদল লুটিয়াক সেইফালে পঠোৱা হয়। লুটৰ কাৰণে কৰা এই আক্ৰমণত বহুত ভেৰা লাভ হ'ল। একেলগে ইমানবিলাক ভেৰা আগতে কেতিয়াও পোৱা নাই। যেতিয়া আমি ঘোঁৰাৰপৰা নামি লুটৰ বস্তু গোটোৱাত ব্যস্ত আছিলো শত্ৰুপক্ষই একত্ৰিত হৈ ভৈয়ামলৈ নামি যুদ্ধৰ প্ৰৰোচনা দিছিল। আমাৰ দলৰ কেইজনমান বেগ আৰু কিছুমান সৈন্যই সিহঁতৰ এটা দলক চাৰিওফালৰ পৰা ঘেৰি ধৰি প্ৰত্যেককে তৰোৱালেৰে হানি বধ কৰে। নাজিৰ মিৰ্জাইও এনেকুৱা আৰু এটা দলক পাই সিহঁতৰ প্ৰত্যেককে কাটি পেলায়। আফগানবিলাকৰ লাওখোলাৰে এটা স্তম্ভ থিয় কৰোৱা হয়।

মোৰ কেইজনমান বেগ আৰু কৰ্মচাৰীক লুটৰ বস্তু এক-পঞ্চমাংশ পৃথক কৰি ৰাখিবৰ কাৰণে নিৰ্দ্দেশ দিলো। কাচিম বেগ আৰু কেইজনমানক অনুগ্ৰহ দেখুৱাই তেওঁলোকৰ লুটৰ মাল আৰু ভাগ কৰা নহ'ল। যেয়ে নহওক যিবিলাক ভাগ কৰা হ'ল—তাৰেই এক-পঞ্চমাংশ হ'ল ষোল হেজাৰ ভেৰা। গতিকেই মুঠ সংখ্যা হ'ল আশি হাজাৰ। তেতিয়া হলে হৰণ-ভগন আৰু যিবিলাকৰপৰা এক-পঞ্চমাংশ লোৱা হোৱা নাই—সকলো যদি একেলগে যোগ কৰা হয় তেতিয়া হ'লে মুঠ সংখ্যা এক লাখেই হ'ব।

ইয়াৰ পৰা পিচদিনা পুৱা যাত্ৰা কৰোঁ। হাস্তেৰাজৰ ভৈয়াম অঞ্চলত সৈন্যৰ দ্বাৰা বেৰি লৈ এটা ডাঙৰ ব্যূহ তৈয়াৰ কৰি চিকাৰৰ ব্যৱস্থা কৰা হ'ল।

ইয়াৰ হৰিণা আৰু বনৰীয়া গাধ বৰ শকত-আৱত আৰু তেল থকা আৰু এইবিলাক প্ৰচুৰ পৰিমাণে পোৱা যায়। আমি সজা বেহুৰ ভিতৰত বহুত হৰিণা আৰু গাধ আৱদ্ধ হৈ যায়। তাৰ ভিতৰত বহুতেই চিকাৰ কৰা হ'ল।

এই চিকাৰৰ সময়ত এটা বনৰীয়া গাধ খেদি নি একেবাৰে ওচৰলৈ গৈ শৰ মাৰিলোঁ। তাৰ পাচত আৰু এডাল শৰ। কিন্তু গাধটোৰ আঘাত ইমান সাংঘাতিক নুহ'ল যাতে সি মাটিত বাগৰি পৰে। কিন্তু দুবাৰ আঘাত পাই তাৰ দৌৰৰ গতি মন্থৰ হৈ আহিল। ঘোঁৰা দৌৰাই গাধটোৰ কাষ পাই তৰোৱালেৰে তাৰ দুই কাণৰ পাচত মূৰৰ তলত এনেকুৱা কোৰ দিলো যে তাৰ উশাহ নলী কটা গ'ল। গাধটো পাক খাই এনেভাবে পৰিল যে তাৰ পিচ ঠেং দুটা ঘোঁৰাৰ ৰেকাবৰ লগত খুন্দা খায়। তৰোৱালৰ কোব বৰ গধুৰ হৈছিল। গাধটোও শকত-আৱত আছিল। ইয়াৰ কামি হাৰ ডালেই জুখি পোৱা গ'ল দীঘলে দুফুট।

... ...

চেবানি খাঁই মাৰখাব পাৰ হৈ মহৰম মাহত হিৰাট অৱৰোধ কৰে। তেওঁৰ উপস্থিতিৰ দুই-তিনিদিন পাচত নগৰৰ প্ৰধান প্ৰধান ব্যক্তিয়ে গৰেৰে ঘেৰা নগৰৰ চাবি লৈ ওলাই আহি চেবানি খাঁৰ লগত দেখা কৰি তেওঁৰ হাতত নগৰ সমৰ্পণ কৰে। হিৰাট অধিকাৰ কৰাৰ পিচত চেবানি খাঁই সেই দেশৰ ৰজাসকলৰ স্ত্ৰী আৰু শিশু সন্তানবিলাকৰ ওপৰত কদৰ্য্য ব্যৱহাৰ কৰে। অকল তেওঁলোকৰ প্ৰতিয়েই নহয় সেইঠাইৰ প্ৰতিজন লোকৰ প্ৰতি এনে ৰূঢ়, অকথ্য আৰু অমানুষিক ব্যৱহাৰ কৰে যাৰ ফলত সুনামৰ অলপো অৱশিষ্ট নাথাকিল। পাৰ্থিব লাভৰ কাৰণে তেওঁৰ সকলো গৌৰৱ ধূলিত মিহলি হৈ যায়।

চেবানি খাঁৰ প্ৰথম কুকৰ্ম্ম হ'ল এই যে তেওঁ ঘোৰ নিচতাৰশতঃ খাঁ মনচুৰৰ হাতত খাদিজা বেগমক সমৰ্পণ কৰাৰ আদেশ দিয়ে যাতে সি তেওঁক নীচ ক্ৰীতদাসীৰ দৰে ব্যৱহাৰ কৰি তেওঁৰ সৰ্ব্বস্ব লুট কৰিব পাৰে। ইয়াৰ উপৰিও তেওঁ সকলো লুট কৰিবৰ কাৰণে অতি ভক্তিভাজন আৰু শ্ৰদ্ধাভাজন

সাধু শেখ পুৰাণক মোগল আবদুলৰ হাতত দি দিয়ে। তেওঁৰ প্ৰতিজন পুত্ৰকো এই একেধৰণে এজন এজনৰ হাতত শোধাই দিয়া হয়। সেই ঠাইৰ কবি আৰু সাহিত্যিকসকলক মোল্লা বিনাইৰ হাতত এৰি দিয়া হয় যাতে তেওঁ মোচৰ দি তেওঁলোকৰ হাতৰপৰা পাই পইচা আদায় কৰিব পাৰে। এই বিষয় লৈ খোৰাচানৰ মানুহবিলাকৰ মুখে মুখে এটা কবিতা শুনা যায়।

'বিনায়ে ভাবে
লুটকৰি কবিজন,
পাব বহু ধন।
কিৰথৰ বাদে,
কাৰো একো নাই,
কৈছিল নে তেওঁক কোনোবাই ?
টকাৰ ৰং,
কবিয়ে দেখিছেনে,
আবদালা কিৰথৰ বিনে ?
বিনাই হৈছিল,
আনন্দত আত্মহাৰা,
(হায়) শেহত ছিগিল আশাৰ ধাৰা।'

ঘোৰ অজ্ঞান অন্ধকাৰত থকা সত্ত্বেও চেবানি থাই অহঙ্কাৰবশতঃ কোৰাণ ব্যাখ্যা কৰি বক্তৃতা দিয়ে। তেওঁ কলম লৈ চুলতান আলি আৰু চিত্ৰকৰ বেজাদৰ লিখা আৰু ছবি সংশোধন কৰাৰ ধৃষ্টতা দেখুৱায়। যদি তেওঁৰ কোনো সময়ত দুশাৰী নীৰস কবিতা কোনো ৰকমে লিখি পেলায় তেতিয়া আৰু ৰক্ষা নাছিল। তেওঁ সেইটো প্ৰচাৰ বেদীৰ পৰা পাঠ কৰি মানুহক শুনাই বজাৰত সেই কবিতা লিখি ওলোমাই ৰাখে। আকৌ এই আনন্দপূৰ্ণ ঘটনাৰ বাবে চহৰৰ মানুহবিলাকৰ ওচৰৰ পৰা দান হিচাবে কিছু টকা আদায় কৰে। তেওঁ হয়তো কোৰাণ পাঠ অলপ কৰে,

কিন্তু তেওঁ যে অসংখ্য বুদ্ধিহীন, অদ্ভুত, মইমতীয়া, ধৰ্মবিশ্বাহীন কাম আৰু কথাৰ কাৰণে দায়ী এই কথা মই-আগতে উল্লেখ কৰিছো।

এই সময়ত চা বেগ আৰু তেওঁৰ ভায়েকে মোৰ ওচৰলৈ ইবাবৰ পিচত সিবাৰকৈ কটকী পঠাই তেওঁবিলাকক সহায় কৰিবৰ কাৰণে অনুৰোধ জনাইছিল। যি সময়ত উজবেগবিলাকে গোটেই দেশ অধিকাৰ কৰি পেলাইছে সেই সময়ত মোৰ নিচিনা মানুহে অলস ভাবে বহি ভেবা লাগি চাই থকা অলপো উচিত হোৱা নাই। মোৰ আমীৰসকলৰ লগত আলোচনা কৰি স্থিৰ কৰা হ'ল যে তেওঁলোকৰ সাহায্যৰ কাৰণে আমি সসৈন্যে বাহিৰ হম।

আমি যেতিয়া কিলাত পাওঁগৈ, হিন্দুস্থানৰ সদাগৰবিলাকে বাণিজ্যৰ সামগ্ৰী লৈ সেই কালেদিয়েই আহিছিল। সৈন্যবিলাকে তেওঁলোকৰ বাটত হঠাত আহি পৰাত তেওঁবিলাকে পলাবলৈ কোনো সুযোগ নাপালে। সাধাৰণতে এই মতামতৰ প্ৰাধান্য দেখা গ'ল যে বৰ্তমানৰ দৰে গোলমালৰ সময়ত বিদেশৰ পৰা যিবিলাক বয়বস্তু আহি পৰিছে সেইবিলাক লুট কৰা উচিত। কিন্তু মই এই মতামতত সমৰ্থন নিদিলো।

মই কলো এই বিদেশী সদাগৰসকলৰ দোষ কি? যদি ভগবানৰ ওপৰত আস্থা ৰাখি এইবিলাক সামান্য বস্তু লুট কৰি আত্মসাৎ কৰাৰ পৰা আঁতৰি থাকো তেনেহলে ভগবানে এদিন নহয় এদিন ইয়াৰ প্ৰতিদান স্বৰূপে অশেষ কৰুণা বৰ্ষণ কৰিব। অলপ দিন আগতে যেতিয়া আমি খিলজাই বিলাকৰ বিৰুদ্ধে অভিযান চলাও আৰু যেতিয়া মহমন্দবিলাকে সিইতৰ ভেৰাৰ পাল, আহিলা-পাতি, স্ত্ৰী-পুত্ৰ-পৰিবাৰ লৈ আমাৰ আগত পৰিছিলহি, তেতিয়াও সিইতৰ ওপৰত জপিয়াই পৰি লুট কৰিবৰ কাৰণে বহুতেই প্ৰৰোচনা দিছিল। কিন্তু তেতিয়াও মই সেই একে ধৰণৰ ভাব লৈ মই এই প্ৰস্তাবৰ বিৰুদ্ধে থিয় দিছিলো। কিন্তু তাৰ ফলাফল কি হৈছিল? পিচদিনা পুৱা ভগবানৰ অনুগ্ৰহত সেই বিদ্ৰোহী আফগান খিলজাই

বিলাকৰ, যিবিলাক বিপুল সম্পত্তি সেনাবিলাকৰ হাতৰ ভিতৰলৈ আহিল, তেনেকুৱা জানো কোনোবাৰত লুটৰ ফলত পোৱা গৈছিল ?

কিলাত পাৰ হৈ আমি শিবিৰ পাতো আৰু সদাগৰবিলাকৰ ওপৰত কৰ হিচাপে নাম মাত্ৰ ধাৰ্য্য কৰি তাক আদায় কৰো।

কিলাত অতিক্ৰম কৰাৰ পিচত খাঁ মিৰ্জ্জাই মোৰ লগত যোগ দিয়ে —যাক কাবুলৰ বিদ্ৰোহৰ পিচত খোৰাচানলৈ যাবলৈ বাধ্য কৰিছিলো।

মই তাৰ পৰা চাহ বেগ আৰু মোকিমক চিঠি লিখি জনাই দিও যে তেওঁলোকৰ অনুৰোধ মতে মই ইমান দূৰ আহি পাইছোহি। এই কথাও তেওঁলোকক জনাই দিও যে উজবেগবিলাকৰ নিচিনা বিদেশী শত্ৰুৱে যেতিয়া খোৰাচান অধিকাৰ কৰি লৈছে তেনে অৱস্থাত নিৰাপত্তাৰ কাৰণে সকলোৰে লগত একেলগে পৰামৰ্শ কৰি কি ব্যৱস্থা কৰা যায় তাৰ উপায় ঠিক কৰা উচিত। মোৰ চিঠি পাই তেওঁলোকে কোনো ভদ্ৰোচিত ভাষাত উত্তৰ দি মোক সাদৰ সম্ভাষণতো নজনালেই বৰং টান আৰু অশিষ্ট ভাষাত তাৰ উত্তৰ দিলে। সিহঁতৰ অশিষ্টচাৰণৰ এটি উদাহৰণ হ'ল যিথন চিঠি সিহঁতে মোলৈ লিখিছিল তাৰ পাচফালে মোহৰ মাৰিছিল য'ত এজন আমীৰে আন এজন আমীৰলৈ চিঠি লিখিলে এনে কৰে—নহয় সেইটোও একেবাৰে ঠিক নহয়—য'ত এজন ওখ থাপৰ আমীৰে তলথাপৰ আমীৰলৈ চিঠি লিখিলে মোহৰৰ চাব দিয়ে। যদি সিহঁত এনে উদ্ধতালীৰ কাৰণে অপৰাধী নহ'লহেঁতেন আৰু তেনে ধৰণৰ অপমানজনক ভাষাত চিঠিৰ উত্তৰ নিদিলেহেঁতেন তেনেহলে সিহঁতৰ পৰিণতি ইমান বেয়া কেতিয়াও নহ'লহেঁতেন। কথাতে কয়—

'সামান্য এটি কাজিয়াই
অঘটন এনে যে ঘটায়,
যাৰ ফলত প্ৰাচীন বংশ
পুলিয়ে পোখাই হয় ধ্বংস।'

সিহঁতৰ এই উদ্ধত আৰু কলুষিত আচৰণৰ ফলত সিহঁতৰ পৰিয়ালে ত্ৰিশ-চল্লিশ বছৰ ধৰি যি ঐশ্বৰ্য্য সন্মান অধিকাৰ কৰি আহিছে সকলো বতাহত উৰি গ'ল।

মোৰ অনুচৰ বিলাকৰ এইদেশৰ সকলো অংশৰ লগত ভালধৰণে পৰিচয় আছিল। তেওঁলোকে পৰামৰ্শ দিলে যে বিলাকৰ নদী কান্দাহাৰৰ ফালে গৈছে সেইবিলাকৰ পাৰে পাৰে আগবঢ়া যাওক। মই এই প্ৰস্তাব গ্ৰহণ কৰিলোঁ। পিচদিনা পুৱা যুদ্ধযাত্ৰাৰ দৰে সৈন্য সজাই আগবাঢ়ি যাবলৈ ধৰিলো।

তুফান আৰঘুণে অকলে আৰঘুণ সৈন্যদলৰ ফালে আগবাঢ়ি গ'ল। অছিক উল্লা নামে এজন শত্ৰুপক্ষৰ লোক দলৰপৰা পৃথক হৈ সাত-আঠ জন মানুহ লৈ তুফান আৰঘুণৰ ফালে বেগাই চোচা ললে, তুফানে অকলে সিহঁতৰ মুখামুখি হৈ তৰোৱাল লৈ যুদ্ধ কৰিবলৈ ধৰিলে। তাৰ পিচত অছিক উল্লাক ঘোঁৰাৰ পিঠিৰ পৰা নমাই তাৰ মূৰ কাটি সেই মূৰ আমাৰ ওচৰলৈ লৈ আহে। তেওঁৰ এই অদ্ভুত বীৰত্ব শুভ আৰম্ভনিৰ চিন বুলি ধৰি ললোঁ।

আমি আৰু পলম নকৰি শত্ৰুৰ ফালে আগুৱাই গলোঁ। যেতিয়া শৰৰ লক্ষ্যৰ ভিতৰত আহি পৰিলোহি তেতিয়া শত্ৰুৱে হঠাৎ আক্ৰমণ কৰাত আমাৰ আগৰণুৱা সেনাবিলাক বিহ্বল হৈ পিচুৱাবলৈ বাধ্য হয়। সিহঁতে আমাৰ প্ৰধান সৈন্যদলৰ ফালেই পিচুৱা দেখি সিহঁতেও (প্ৰধান সৈন্যদল) কাড় মৰা বন্ধ কৰি সিহঁতৰ লগ হবলৈ আগুৱাই গ'ল। পিচৰ দলক আগুৱা দেখি আগৰণুৱা দলেও শৰ নিক্ষেপ নকৰি অলপ সময় থিয় হৈ ৰ'ল।

শত্ৰুৰ এজন লোক সিহঁতৰ মানুহবিলাকক চিঞৰ বাখৰ কৰি মোৰ ফালে খেদি আহি ঘোঁৰাৰ পৰা নামি মোক লক্ষ্য কৰি ধনুত কাড় জুৰিলে। মই তৎক্ষণাৎ তাৰ ফাললৈ ঘোঁৰা দৌৰাই যাওঁ। যেতিয়া তাৰ

ওচৰ পাইছোঁগে তেতিয়া আৰু তাৰ বৈ থাকিবলৈ সাহ নহল। ঘোঁৰাত উঠি উভতিল। এই মানুহটোক মই চিনি পাইছিলো—তেওঁ স্বয়ং চাহ বেগ।

মোৰ সৈন্যই নদী পথ আগত ৰাখি শত্ৰুৰ যোৱাৰ বাট বন্ধ কৰি দিয়ে। আমাৰ সৈন্য সংখ্যা তাকৰ হলেও সিহঁত বীৰৰ দৰে যুদ্ধ কৰি যায় আৰু শত্ৰু পক্ষৰ আক্ৰমণ প্ৰতিৰোধ কৰে।

কামবাৰ আলি আহত হয়। কাচিম বেগৰ কপালত শৰৰ খোচ লাগে। ঘোৰি বিলাসৰ চেলাউৰীৰ ওপৰেদি কাঁড় সোমাই গালেদি বাহিৰ হৈ আছে।

এই অৱস্থাতো শত্ৰুক পলাই যাবলৈ বাধ্য কৰো। মাৰঘাণৰ পাহাৰৰ কাষেদি যি নৈ বৈ আছিছে তাক পাৰ হওঁ। শত্ৰুসৈন্য ছেদেলি-ভেদেলি হৈ যাওতেই মোৰ সেনাই খেদা ধৰি সিহঁতক বন্দী কৰে। মোৰ ওচৰত তেতিয়া মাত্ৰ এধাৰজন সৈন্য আছিল। তাৰ ভিতৰত এজন হ'ল আবদুল্লা কিতাপদাৰ।

মোকিমে কিন্তু তেতিয়াও বৈ থাকি যুদ্ধ চলাইছিল। মোৰ লগৰীয়াৰ তাকৰীয়া সংখ্যা উপেক্ষা কৰি আৰু ভগৱানৰ ওপৰত আস্থা ৰাখি ৰণবাদ্য বজাই শত্ৰুৰ ফালে আগবাঢ়ি গ'লোঁ।

'যদি ভগবানে আদেশ কৰে
এনেও দেখা যায়
বৃহৎ বাহিনীয়ে সৰু হাতত
সম্পূৰ্ণ পৰাজিত হয়'।

ৰণবাদ্যৰ শব্দ শুনি আৰু মোক আগবাঢ়ি যোৱা দেখি সিহঁতৰ সাহ টুটি গ'ল, সিহঁত দৌৰি পলাবলৈ ধৰিলে। ভগবান আমাৰ প্ৰতি সদয় হ'ল। শত্ৰুক পলাবলৈ বাধ্য কৰি মই কান্দাহাৰৰ ফাললৈ আগুৱাই 'চাৰবাগ'ত আহি শিবিৰ পাতিলো।

চাহবেগ আৰু মোকিমে পলাবৰ সময়ত কান্দাহাৰ দুৰ্গ উদ্ধাৰৰ আশা নোহোৱা যেন দেখি দুৰ্গ ৰক্ষাৰ কাৰণে কোনো সৈন্য নৰখাকৈয়ে গুচি গ'ল। আলি তাৰখানৰ ভায়েকহঁত, কুলি বেগ আৰু কেইজনমান যি সকলৰ মোৰ প্ৰতি আনুগত্য আছিল আৰু মোক সন্মান কৰিছিল, তেওঁলোকে কিন্তু দুৰ্গতেই ৰৈ গৈছিল। তেওঁলোকৰ লগত মৌখিক কথাবাৰ্ত্তা চলাৰ পিচত তেওঁলোকে তেওঁলোকৰ ককাই-ভাই আৰু তেওঁলোকৰ আত্মীয় সকলৰ জীৱনৰ কোনো হানি নহব এই আশ্বাস বিচৰাত মই তেওঁলোকৰ প্ৰতি সদয় ব্যৱহাৰ কৰিম বুলি জনাই দিওঁ। তেওঁলোকে দুৰ্গৰ দুৱাৰ খুলি দিয়ে।

কেইজনমান অনুচৰক লগত লৈ মই দুৰ্গত প্ৰবেশ কৰোঁ। দুই এজন লুটীয়াক দেখি মৃত্যু দণ্ড দিওঁ। প্ৰথমতে যাওঁ মোকিমৰ ধনভড়াললৈ। সেইটো আছিল প্ৰাচীৰেৰে ঘেৰি থকা নগৰৰ ভিতৰত। তাৰ পৰা দুৰ্গলৈ আহো। সেইনিশা দুৰ্গ নগৰতে কটাও। পিচদিনা পুৰা ফাৰুকজাদৰ বাগিছালৈ যাও। তাতেই সৈন্যবিলাক আছিল। কান্দাহাৰ ৰাজ্যৰ ভাৰ মই নাছিৰ মিৰ্জ্জাক দিও। সকলো ধন-বস্তু গোটাই লৈ খচ্চৰৰ পিঠিত বোজাই কৰাৰ পিচত আমি দুৰ্গৰ ধন ভড়ালৰ ফালে আহো। নাছিৰ মিৰ্জ্জাই সাতটা খচ্চৰৰ ওপৰত ৰূপৰ মুদ্ৰা বোজাই কৰি লৈ গ'ল। মই সেইবিলাকৰ ঘূৰাই দিয়াৰ কথা নকৈ তেওঁকেই উপহাৰ স্বৰূপে দি দিলো।

দুৰ্গৰ পৰা ওলাই আহি সৈন্যবিলাকক আগবাঢ়ি যাবলৈ কৈ মই ঘূৰি আহোতে বহুত পলমকৈ শিবিৰ পাওহি। যিটো শিবিৰ মই এৰি গৈছিলো ঘূৰি আহি দেখো যেন সেই শিবিৰ আৰু নাই। এই শিবিৰ যেন মই চিনিবই পৰা নাই। তাত দেখিবলৈ পালো অসংখ্য ঘোঁৰা, দীঘল চুলিৰ মৰ্দা আৰু মাদি উটৰ শ্ৰেণী, ৰেচম কাপোৰেৰে বোজাই কৰা খচ্চৰৰ দল, দীঘল চলিৰ মাদি উটৰ পিঠিত বোজাই কৰা চামৰাৰ বেগ, তম্বু আৰু বঙা বস্তুৰ মখমলৰ চন্দ্ৰাতপ। প্ৰতি ঘৰতে পেৰাত ভৰোৱা দুই ভাই-ককাইৰ

হেজাৰ হেজাৰ সেৰ ওজনৰ বয়-বস্তু শাৰী শাৰীকৈ সজোৱা। প্ৰতিটো ভড়ালত পেৰাৰ ওপৰত পেৰা, কাপোৰৰ বোজাৰ ওপৰত বোজা। আৰু বহুত বস্তু এটাৰ পিচত এটাকৈ গোটাই ৰখা হৈছে। পোচাকৰ মোনাৰ ওপৰত মোনা। টকা ভৰোৱা থলিৰ ওপৰত থলি সজোৱা আছে। প্ৰত্যেক মানুহৰ ঘৰত বা তম্বুত অপৰ্য্যাপ্ত লুটৰ বস্তু। বহুত ভেৰাও আছিল হয়—কিন্তু আন বস্তুৰ তুলনাত ইয়াৰ কোনো মূল্য নাছিল।

কিলাতৰ দুৰ্গৰক্ষী সৈন্যবিলাকৰ ভাৰ মই কাছিম বেগৰ ওপৰত অৰ্পণ কৰো। তাৰ লগতে সেই ঠাইৰ সকলো সম্পত্তি। কাচিম বেগ আছিল দূৰদৃষ্টি সম্পন্ন জ্ঞানীলোক। তেওঁ মোক যিমান সোনকালে সম্ভৱ কান্দাহাৰ দেশ ত্যাগ কৰিবলৈ অনুৰোধ কৰে। তেওঁৰ কথাৰ গুৰুত্ব উপলব্ধি কৰি কাবুললৈ ঘূৰি আহিবৰ কাৰণে ওলাও। আগতেই কৈছো কান্দাহাৰ ৰাজ্য মই নাছিৰ মিৰ্জ্জাৰ হাতত দিওঁ। তেওঁ মোৰ ওচৰৰপৰা বিদায় লৈ গুচি যায়। ময়ো কাবুলৰ বাট ধৰোঁ।

কান্দাহাৰ প্ৰদেশৰ ভিতৰত থকা সময়ত আমাৰ প্ৰাপ্ত ধন-সম্পত্তি ভাগ কৰি লোৱাৰ সময় নহ'ল। কাৰাবাগ পাই সেইবিলাক ভগোৱাৰ আজৰি পোৱা গ'ল। পাই পইচা লেখি লেখি ভাগ কৰা কষ্টকৰ হ'ব বুলি ভাবি তৰ্জ্জুৰে ওজন কৰি সেইবিলাক ভাগ কৰা হ'ল। বেগ, কৰ্ম্মচাৰী, দাস আৰু আত্মীয় স্বজনে ভাৰবোৱা পশুৰ পিঠিত নিজৰ নিজৰ মাল-বস্তু বোজাই থৈলা, টকাৰ মোনা আৰু পশুৰ খাদ্য লৈ যাত্ৰা কৰিলে। আমি অনেক লুটৰ বয়-বস্তু আৰু ধনসোণ লৈ যাত্ৰা কৰিলোঁ। সগৌৰৱে কাবুল পালোহি।

ছয়-সাতদিন পিচত শুনিবলৈ পালোঁ যে চেবানি খাঁই কান্দাহাৰ অৱৰোধ কৰাৰ আয়োজন কৰিছে। এনে ঘটনা ঘটিব পাৰে সেই কথা বুজিব পাৰিয়েই দূৰদৰ্শী কাচিম বেগে মোক লৰালৰিকৈ কান্দাহাৰ এৰি গুচি আহিবলৈ ব্যগ্ৰতা দেখুৱাইছিল।

'ডেকাই যি আচঁিত দেখে
পোৰা ইটাতে তাক দেখে সাধুজনে'।

কান্দাহাৰ পাই চেবানি থঁাই নাচিৰ মিৰ্জাক অনুৰোধৰ ভিতৰত পেলাইছে।

... ...

জমায়ল মাহত আমি হিন্দুস্থান আক্ৰমণ কৰিবৰ কাৰণে কাবুলৰ পৰা যাত্ৰা কৰো। কাবুল আৰু লামঘানৰ মাজত যিবিলাক আফগান বাস কৰে সিহঁত ডকাইট আৰু লুটীয়া। শান্তিৰ সময়তো সিহঁতে এইবিলাক অপকৰ্ম কৰে। সিহঁতে ঈশ্বৰৰ ওচৰত এই বুলি প্ৰাৰ্থনা জনোৱাত অভ্যস্ত যে—প্ৰভু, গোলমাল ভালকৈ লগাই দিয়া যাতে আমি লুটপাট কৰি খাব পাৰোঁ। কিন্তু সিহঁতৰ ভাগ্যত কাচিৎহে এনেকুৱা বিশৃঙ্খলা ঘটে যাতে তাৰ সুবিধা সিহঁতে লব পাৰে।

যেতিয়া সিহঁতে জানিব পাৰিলে যে মই কাবুল ত্যাগ কৰি হিন্দুস্থান অভিযানৰ কাৰণে সসৈন্যে বাহিৰ হৈছো তেতিয়া সিহঁতৰ বেপৰোৱা ঔদ্ধত্য দহগুণে বাঢ়িল। সিহঁতৰ ভিতৰত যি বিলাক ভাল আছিল সিহঁতেও হিতাহিত জ্ঞান হেৰুৱাই অন্যায় কাম কৰিবৰ কাৰণে লাগি গ'ল। ঘটনা এনে হ'লগৈ যে যিদিনা আমি জাগদালিকৰ পৰা যাত্ৰা কৰা আৰম্ভ কৰো সেই সময়ত আফগানবিলাকে এই ফন্দি পাতিলে যে, যেতিয়া আমি সিহঁতৰ দেশৰ মাজেদি যাম—কাৰণ সেইফালেদিয়েই আমাৰ যোৱা বাট—তেতিয়া সিহঁতে কোটাল নাইবা জাগদালিক গিৰিসঙ্কটৰ মুখত আমাৰ গতিৰোধ কৰিব আৰু উত্তৰ ফালৰ পাহাৰত সকলোৱেই গোটখাই ৰণবাদ্য বজাই তৰোৱাল ঘূৰাই ভীষণ ৰণহুঙ্কাৰ তুলি আমাৰ বিপৰ্যয় ঘটাব।

সেই ঠাই পায়েই মই সৈন্যবিলাকক পাহাৰত উঠি শত্ৰুপক্ষৰ যাকে ওচৰত পাব তাকেই আক্ৰমণ কৰাৰ আদেশ দিলোঁ। সৈন্যবিলাকে সেইমতে আগবাঢ়ি নানা বাটেদি দলে দলে আফগানবিলাকৰ ওচৰত উপস্থিত হোৱাত সিহঁতে

বিমোৰ হৈ মুহূৰ্তমাত্ৰ বৈ এডাল কাঁড়ো নমৰাকৈ পলাবলৈ ধৰিলে। আফগানবিলাকক খেদাই দি আমি পাহাৰৰ টিঙত উঠিলোগৈ। এজন আফগানক মোৰ কাষেদি পাহাৰৰ এচলীয়া বাটেদি পলাই যোৱা দেখি তাৰ বাহুত কাঁড় মাৰি আহত কৰোঁ। তাক আৰু কেইজনমানক ধৰি মোৰ ওচৰলৈ অনা হয়। দৃষ্টান্তস্বৰূপে সিহঁতৰ কেইজনমানক হত্যা কৰা হয়।

সৈন্যবিলাকে বহুত চাউল আটক কৰে। পাহাৰৰ নিম্ন অঞ্চলত ধানখেতি। প্ৰায় সকলো গাওঁবাসীয়েই পলাই গৈছিল। কেইজনমান কাফেৰ মৰা পৰে। পলাই যোৱাৰ সময়ত কাফেৰবিলাকে এদল লোকক ওখ পাহাৰৰ ওপৰত পেট পেলাই পৰি থকা অৱস্থাত আমাৰ ওপৰত লক্ষ্য ৰাখিবৰ কাৰণে থৈ যায়। কাফেৰবিলাক পলাই যোৱাৰ পিচত সিহঁত পাহাৰৰ পৰা লৰালৰিকৈ নামি আহি শৰ মাৰি আমাক বিৰক্ত কৰি থাকে। কাচিম বেগৰ জোঁৱায়েক পুৰানক আহত কৰি ধৰিবৰ কাৰণে আগবাঢ়ি আহে। তেওঁৰ অৱশিষ্ট মানুহবিলাক সেইফালে দৌৰি আহি শত্ৰুপক্ষক পলাই যাবলৈ বাধ্য কৰে আৰু পুৰানক বিপদৰ পৰা উদ্ধাৰ কৰে। আমি এনিশা কাফেৰবিলাকৰ ধান দাই পেলাওঁ। তাৰ পৰা বহুত ধান সংগ্ৰহ কৰি আমি শিবিৰলৈ ঘূৰি আহোঁ।

হিন্দুস্থানৰ বিৰুদ্ধে অভিযান চলোৱা এই সময়ত সুবিধা নহব বুলি ভাবি মই মোল্লাবাবাক অলপ সৈন্য দি কাবুললৈ পঠিয়াই দিওঁ। তাৰ কেইদিনমান পাচত শীতকালৰ মাজ ভাগতে মই কাবুল পাওঁহি।

এই পৰ্য্যন্ত তাইমুৰৰ বংশধৰ সকলে ৰাজপাটত বহিলেও 'মিৰ্জ্জা' উপাধিৰ বাহিৰে অন্য উপাধি গ্ৰহণ কৰা নাই। এই সময়তে মই নিৰ্দ্দেশ জাৰি কৰোঁ মোক যেন 'সম্ৰাট' বুলি সম্বোধন কৰা হয়।

এই বছৰৰ শেহত জেলকদ মাহৰ চাৰি তাৰিখ মঙ্গলবাৰে সূৰ্য্য যেতিয়া মীন ৰাশিত সেই সময়ত হুমায়ুনৰ জন্ম হয়। হুমায়ুনৰ জন্ম উপলক্ষে এটা ভোজৰ আয়োজন কৰা হয়। সম্ভ্ৰান্ত, সাধাৰণ, সৰু, বৰ সকলোৱেই নানা ৰকমৰ উপহাৰ লৈ আহে।

(১৭)

১৫০৮ খ্ৰীষ্টাব্দৰ ঘটনাৱলী

অভিযানৰ পৰা ঘূৰা কেইদিনমানৰ পিচত যেতিয়া মই কাবুলত বাস কৰিবলৈ আৰম্ভ কৰিছো—সেই সময়ত কাচ বেগ ফকিৰ আলি, বাবা ছেহাৰাই মোক পৰিত্যাগ কৰি যাবলৈ পাঙিলে। তেওঁলোকৰ সন্ধানত ধৰা পৰোতেই মই কেইজনমান মানুহ পঠিয়াই তেওঁলোকক ধৰি ঘূৰাই অনাওঁ। জাহাঙ্গীৰ মিৰ্জ্জাৰ জীৱন কালতো তেওঁলোকে প্ৰায়েহ্ এনেকুৱা কদৰ্য্য ব্যৱহাৰ দেখুৱাই আহিছে। মই আদেশ দিলোঁ—বজাৰলৈ লৈ গৈ মুকলি ঠাইত ইহঁতক মৃত্যুদণ্ড দিয়া হওক। বজাৰৰ প্ৰবেশ দ্বাৰৰ ওচৰলৈ লৈ গৈ ফাচি দিবৰ কাৰণে ডিঙিত ছিপ লগোৱা হৈছে। সেই সময়ত কাচিম বেগে সিহঁতক ক্ষমা কৰিবৰ কাৰণে আন্তৰিক আবেদন জনায়। এইদৰে বেগক সন্তুষ্ট কৰিবৰ কাৰণে সিহঁতক মৃত্যুদণ্ডৰ পৰা ৰেহাই দিলেও বন্দীশালাত বন্দী কৰি থবৰ কাৰণে হুকুম দিওঁ।

এৰাতি চাৰবগৰ দৰবাৰ গৃহত নামাজৰ পিচত বহি আছিলো। এই-সময়ত মূছা খাজা আৰু এজন লোক বেগেৰে আহি কাণত ফুচফুচাই ক'লে যে মোগলবিলাকে যে বিশ্বাসঘাতকতাৰ কাৰণে পাঙিছে তাত কণামাত্ৰও সন্দেহ কৰিবলগীয়া নাই। মই কিন্তু এই কথা বিশ্বাস কৰিব নোৱাৰিলো যে সিহঁতে আব্দুল ৰেজ্জাককো সিহঁতৰ ষড়যন্ত্ৰৰ ভিতৰলৈ টানিছে। আৰু বিশ্বাস কৰিব নোৱাৰিলো যে সিহঁতে সেই ষড়যন্ত্ৰ কাৰ্য্যকৰী কৰিবৰ কাৰণে সেই ৰাতিটোকে ঠিক কৰিছে। সেই কাৰণে মই ইহঁতৰ এই বাতৰিত যিমান গুৰুত্ব দিয়া উচিত আছিল সিমান নিদি অলপ পিচতেই হেৰেমৰ ফালে গুচি গ'লো। হেৰেমৰ ওচৰ পায়েই দেখিবলৈ পাওঁ যে মোৰ সকলোবিধৰ অনুচৰ আনকি ৰাতিৰ পহৰাবালাবিলাকো গুচি গৈছে।

সিহঁত গুচি গ'ল। কেইজনমান মাত্ৰ মোৰ নিজৰ বিশ্বাসভাজন লোক

আৰু ক্ৰীতদাস লগত লৈ বজাৰৰ ফালে গৈ থাকোঁ। লৌহ দ্বাৰৰ চ'ৰাৰ ওচৰ পাওঁতেই খাজা মহম্মদ আলি বজাৰৰ ফালৰ পৰা আহি মোৰ লগত দেখা কৰিলে, আৰু—(এই বছৰৰ ঘটনাৱলীৰ বৰ্ণনা আত্মচৰিতত এইখিনিতে হঠাৎ শেষ হৈছে)।

৫০৮ খৃষ্টাব্দৰ পৰা ১৫১৮ খৃষ্টাব্দ পৰ্য্যন্ত বাবৰৰ কাৰ্য্যাৱলীৰ চমু বিৱৰণ

(আত্মকাহিনীৰ ধাৰা আকৌ ১৫০৮ চনত বাধাপ্ৰাপ্ত হয়। আকৌ ১৫১৯ চনৰ জানুৱাৰী মাহৰ পৰা চলি থাকে)।

বাবৰে তেওঁৰ কিছুমান বিশ্বাসী অনুচৰ লৈ সংঘৰ্ষত নামে। কোনো কোনো ঐতিহাসিকে কয় বিদ্ৰোহীবিলাকৰ সংখ্যা প্ৰথমতে তিনি হেজাৰ হ'লেও ক্ৰমাৎ বাৰ হেজাৰ হয়গৈ। এই ভাগ্য বিপৰ্য্যয় সত্বেও নিৰাশাৰ মাজতেই সাহসৰ ফিৰিঙতি তেওঁৰ গাত দেখা গৈছিল। প্ৰত্যেকটো সংঘৰ্ষতে তেওঁ নিজে বিপদৰ সম্মুখীন হৈছে। য'তেই বিদ্ৰোহীবিলাকক দেখা পাইছে তাতেই সিংহৰ ওপৰত অপূৰ্ব্ব সাহসেৰে জপিয়াই পৰিছে। এবাৰ তেওঁ নিজৰ সীমা এৰি আব্দুল ৰেজ্জাকক দ্বন্দ্ব যুদ্ধলৈ আহ্বান কৰে। সেই আহ্বানলৈ ৰাজ-কুমাৰ আব্দুল ৰেজ্জাকে কোনো সহাৰি নিদিলে। কিন্তু তেওঁৰ পাঁচজন লগৰীয়াই এটা কোঠাত এজন এজনকৈ তেওঁৰ সম্মুখীন হয় আৰু তেওঁৰ আঘাতত প্ৰত্যেকেই ধৰাশায়ী হয়। তেওঁলোকৰ নামবিলাক দেখি ভাব হয় যে তেওঁলোক বেলেগ বেলেগ উপজাতিৰ মানুহ।

শত্ৰুৱে তেওঁৰ সাহসৰ প্ৰশংসাও কৰিছিল আৰু তেওঁলৈ ভয়ো কৰিছিল। এখনৰ পিচত এখন যুদ্ধত শত্ৰুক পৰাজিত কৰি বাবৰ পুনৰ কাবুল আৰু গজনিৰ একছত্ৰী সম্ৰাট ৰূপে অধিষ্ঠিত হয়।

১৫১০ খৃষ্টাব্দত এনে এটি ঘটনা ঘটে যিটোৱে বাবৰৰ ভাগ্যৰ ওপৰত অনুকূল প্ৰভাৱ বিস্তাৰ কৰে। চাহ ইছমাইল সেইসময়ত পাৰস্যৰ সিংহাসনত। এদল শত্ৰুৱে তেওঁৰ ৰাজ্যৰ এটা অংশ আক্ৰমণ কৰাত তেওঁ চেবানি খাঁৰ ওচৰলৈ সহায়ৰ কাৰণে কটকী পঠায়। চেবানি খাঁই উত্তৰত তেওঁক কিছুমান উপদেশ দি চিঠি লিখে আৰু তাৰ লগতে কটকীৰ যোগে ফকিৰৰ ভিক্ষা পাত্ৰও পঠাই দিয়ে। ইয়াৰ উত্তৰত চাহ ইছমাইলে এটা টাকুৰী আৰু অলপ তুলা পঠাই দিয়ে—এই কথা তেওঁক বুজাই দিবৰ কাৰণে যে তেওঁ ঘৰৰ চকত এহি নিশ্চিন্ত মনে সূতা কাটক—যি কামৰ কাৰণে তেওঁ উপযুক্ত।

একমুহূৰ্ত্তও বিশ্ৰাম নকৰি আৰু শত্ৰুক সাজু হ'বলৈ সময় নিদি চাহ ইচমাইলে সৈন্য চালনা কৰিলে। চেবানি খাঁই আঠাইশ হেজাৰ সৈন্য লৈ আগবাঢ়ি আহে। মাৰ্ভৰ দহ মাইল দূৰত এখন নৈ পাৰ হৈ অহাৰ আগতে চাহ ইচমাইলে আগে আগে সৈন্য পঠাই নৈ পাৰ হোৱাৰ পিচত দলঙ ভাঙি দি সোতৰ হেজাৰ পাৰস্যৰ অশ্বাৰোহী সৈন্য লৈ তেওঁৰ ওপৰত জপিয়াই পৰে। চেবানি খাঁ পৰাস্ত হয়। তেওঁ পিচুৱাই যোৱা পথো বন্ধ হয়। তেওঁ অৱশেষে পলাই যোৱাৰ চেষ্টা কৰে। নৈৰ পাৰৰ এডোখৰ বেৰি থোৱা ঠাইত তেওঁ আশ্ৰয় লয়। সেইডোখৰো দখল কৰাত তেওঁ ঘোঁৰাত উঠি নৈৰ কাষৰ বেৰ পাৰ হবলৈ গৈ পৰি যায়। ইয়াতেই তেওঁৰ মৃত্যু হয়। তেওঁৰ লাওখোলাটোত সোণ ভৰাই কনষ্টেণ্টিনেপলৰ তুৰ্কীৰ চুলতানৰ ওচৰলৈ পঠাই দিয়া হয়। সেই লাওখোলাটোত সোণ চৰোৱাৰ পিচত বহুত ডাঙৰ ডাঙৰ উৎসৱত দেখুৱা হয়।

বাবৰৰ আটাইতকৈ ডাঙৰ শত্ৰু, যি তেওঁৰ সকলো দুৰ্গতিৰ মূল আৰু যি তেওঁৰ পূৰ্ব্বপুৰুষৰ ৰাজত্বৰ পৰা খেদাইছে—তেওঁৰ মৃত্যুত বাবৰৰ মনত পৈত্ৰিক ৰাজ্য পুনৰ উদ্ধাৰ কৰাৰ আশা জাগি উঠে।

এই সময়ত চাহ ইচমাইলে কেইজনমান সৈন্য লগত দি বাবৰৰ বায়েক খানজাদে বেগমক বাবৰৰ ওচৰলৈ পঠাই দিয়ে। দহ বছৰ মান আগতে

যেতিয়া বাবৰে চমৰখণ্ড ত্যাগ কৰি আহিবলৈ বাধ্য হয় তেতিয়া তেওঁৰ এই বায়েক চেবানি থাঁৰ হাতত বন্দী হৈছিল।

বাবৰৰ অৱস্থা ইমান বেগাই উন্নত হ'ল যে অলপ দিনৰ ভিতৰতে তেওঁ হিছাৰ, বোখাৰা আৰু চমৰখণ্ড অধিকাৰ কৰি পেলায় কিন্তু উজবেগবিলাকৰ শক্তিও লাহে লাহে ইমান বাঢ়ি উঠিল যে ১৫১৫ খৃষ্টাব্দত বাবৰে আকৌ চমৰখণ্ড হেৰুৱাই কাবুললৈ ঘূৰি আহে।

এই সময়ৰ পৰা তেওঁৰ জীৱনৰ শেষ সময়ৰ কিছু আগলৈকে তেওঁৰ পূৰ্ব্ব পুৰুষসকলৰ ৰাজ্য পুনৰ উদ্ধাৰ কৰা আশা তেওঁ ত্যাগ কৰিছিল।

কিন্তু দৈৱ শক্তিৰ প্ৰেৰণাতে হিন্দুস্থান জয় কৰাৰ ইচ্ছা জাগৃত হয় আৰু সেই পিনেই তেওঁ মনোযোগ দিয়ে।

পিচৰ আত্ম কাহিনী ভাৰতত প্ৰথম আক্ৰমণৰ বৰ্ণনা দি আকৌ আৰম্ভ হৈছে।

(১৮)

১৫১৯ খৃষ্টাব্দৰ ঘটনাৱলী

মহৰম মাহৰ পহিলা তাৰিখে ভৈয়ামৰ নিম্ন অংশত ভীষণ ভূইঁকপ হয়। ভূমিকম্প প্ৰায় আধাঘণ্টা চলে। পিচদিনা পুৱা বাজুৰ দুৰ্গ আক্ৰমণ কৰিবৰ কাৰণে বাহিৰ হওঁ। দুৰ্গৰ ওচৰ পাই শিবিৰ স্থাপন কৰি বাজুৰৰ চুলতানৰ ওচৰলৈ এজন বিশ্বাসী মানুহ পঠিয়াই জনাই দিওঁ যে তেওঁ তেওঁৰ সকলো লোকৰে সৈতে মোৰ বশ্যতা স্বীকাৰ কৰি দুৰ্গ মোৰ হাতত সমৰ্পণ কৰক। কিন্তু এইবিলাক মূৰ্খ আৰু দুৰ্ভগীয়াৰ দলে মোৰ উপদেশ অগ্ৰাহ্য কৰি অদ্ভুত উত্তৰ পঠিয়ায়। মই তেতিয়া সৈন্য বিলাকক অৱৰোধৰ যন্ত্ৰপাতি, জখলা আৰু অস্ত্ৰ-শস্ত্ৰ লৈ দুৰ্গ আক্ৰমণ কৰিবলৈ আদেশ দিওঁ। সকলো আয়োজন ঠিক কৰিবৰ কাৰণে আমি এ'দিন শিবিৰত অপেক্ষা কৰোঁ।

বাজুৰৰ অধিবাসীবিলাকে সেই পৰ্য্যন্ত থজা বন্দুক কি বস্তু চকুৰে দেখা নাই। যেতিয়া বন্দুকৰ শব্দ শুনিলে তেতিয়া সিহঁতে মুখা মুখিকৈ থিয় হৈ নানা ধৰণৰ অসঙ্গত, কুৰুচিপূৰ্ণ অঙ্গি-ভঙ্গি কৰি ঠাট্টা মস্কৰা কৰিবলৈ ধৰিলে। সেইদিনাই থজা বন্দুকেৰে আলি কুলিয়ে পাঁচজন আৰু ওৱালি খাজিনে আৰু দুজন বধ কৰে। আৰু সকলোবিলাক হিন্দুস্থানী সৈন্যই সাহস দেখুৱাই ভাল কাম কৰিছিল। সিহঁতে চাল, বস্ত্ৰ, শিৰস্ত্ৰাণ পেলাই দি এনেকুৱা নিচান ঠিক কৰি বন্দুক মাৰি থাকে যে সন্ধ্যাৰ আগতে দুৰ্গৰ ভিতৰত সাত, আঠ, দহজন বাজুৰিকক বগৰাই দিলে। ইয়াৰ পিছত দুৰ্গৰ মানুহবিলাকে ইমান ভয় খাই যে বন্দুকৰ ভয়ত সিহঁতে দুৰ্গৰ দেৱাল মূৰ উলিয়াবলৈ সাহ নকৰিলে। সন্ধ্যা হৈ আহিছে দেখি সৈন্যবিলাকক তেতিয়াৰ কাৰণে আঁতৰাই অনা হয়। সিহঁতক নিৰ্দ্দেশ দিয়া হ'ল যে পুৱাৰ পোহৰ হওতে নৌহওতেই সিহঁত যন্ত্ৰ-পাতি, অস্ত্ৰ-শস্ত্ৰ লৈ দুৰ্গ আক্ৰমণৰ কাৰণে আকৌ ওলাই যাব।

উষাৰ কিৰণে দেখা দিওতেই ৰণবাদ্য বজাই যুদ্ধৰ আয়োজন আৰম্ভ কৰিবৰ কাৰণে আদেশ দিয়া হ'ল। সৈন্যবিলাক শৃঙ্খলাৰে নিজৰ নিজৰ নিৰ্দ্দিষ্ট ঠাইলৈ আগবাঢ়িল।

দোষ্ট বেগৰ মানুহবিলাকে দুৰ্গৰ উত্তৰ-পুব ফালে এটা বুৰুজৰ নিম্ন অঞ্চল পাই দুৰ্গৰ বেৰৰ তলেদি গাত খান্দি বেৰ ভঙা কাম আৰম্ভ কৰি দিলে। আলি কুলিও তাতে আছিল। সেইদিনাও তেওঁ তেওঁৰ থজা বন্দুকৰ সদ্ব্যৱহাৰ কৰিছিল। বিদেশত তৈয়াৰী বন্দুকটো দুবাৰ মৰা হয়। ওৱালি খাজিনে তেওঁৰ বন্দুকটোৰে এটা মানুহক বধ কৰে। দুৰ্গৰ মাজ ঠাইত বাওঁফালে জখলা লগাই কুটুব আলিয়ে দেৱালৰ ওপৰত উঠি লৈ শত্ৰু পক্ষৰ কেইজনমানৰ লগত হতাহতি যুদ্ধ কৰে। প্ৰধান সৈন্যদল থকা ঠাইত মহম্মদ আলি আৰু তেওঁৰ ভায়েকে দুৰ্গ প্ৰাচীৰত জখলাৰে উঠি যাঠি আৰু তৰোৱাল লৈ বীৰৰ দৰে যুদ্ধ কৰে। বাবা ইছাৱেলে আৰু এডাল জখলা লৈ দেৱালৰ

ওপৰত উঠি এথন কুঠাৰ লৈ দেৱালৰ মূধ ভাঙিবলৈ আৰম্ভ কৰে। আমাৰ দলৰ বহুতেই সাহ কৰি দুৰ্গ প্ৰাচীৰত উঠি ধনু কাঁড়েৰে শত্ৰুক এনে বিপৰ্য্যস্ত কৰি তোলে যে সিহঁতে আৰু মূৰ দাঙিব নোৱাৰিলে। আমাৰ দলৰ আৰু কেইজনমান লোকে শত্ৰু পক্ষৰ বাধা দিবৰ কাৰণে কৰা শত চেষ্টা থকা সত্বেও আৰু সিহঁতৰ ধনু কাঁড়লৈ পৰোৱাই নকৰি দুৰ্গ প্ৰাচীৰত গাত কৰি সিহঁতৰ প্ৰতিৰোধৰ স্থান বিলাক ভাঙি থাকে।

দুপৰীয়া আহাৰৰ সময়ত দোষ্ট বেগৰ মানুহবিলাকে উত্তৰ-পূব ফালে দুৰ্গৰ যি অংশত সিহঁতে গাত খান্দিছিল তাত এটা ভাঙনৰ সৃষ্টি কৰিলে। এই ভঙাৰ মাজেদিয়েই সিহঁতে দুৰ্গৰ ভিতৰত সোমাই শত্ৰুবিলাকক খেদি নিলে। প্ৰধান সেনাদলো সেই সময়ত জখলা লগাই দেৱাল পাৰ হৈ দুৰ্গৰ ভিতৰত সোমাই পৰিল। ভগৱানৰ অনুগ্ৰহত আমি দুই তিনি ঘণ্টাৰ ভিতৰতে এই সুৰক্ষিত দুৰ্গ দখল কৰি পেলাওঁ। মোৰ সকলো শ্ৰেণীৰ অনুচৰেই খুব সাহ আৰু সহনশীলতা দেখুৱাই সিহঁত যে সঁচাকৈয়ে বীৰ এই সুখ্যাতি লাভ কৰিছে।

বাজুৰৰ অধিবাসীবিলাক অকল বিদ্ৰোহীয়েই নহয়, সিহঁত ইচলাম ধৰ্মাৱলম্বী সকলৰো বিৰোধী। সিহঁতৰ এই বিদ্ৰোহ আৰু শত্ৰুতাৰ কাৰণে সিহঁতে শাস্তি ভোগাৰ যোগ্য। ইয়াৰ উপৰি সিহঁতে বিধৰ্মী কাফেৰৰ ৰীতি-নীতি পালন কৰি সিহঁতৰ মাজৰ পৰা ইচলাম ধৰ্মক একেবাৰে নিৰ্ম্মূল কৰি পেলোৱাত সিহঁতক তৰোৱালৰ আঘাতেৰে শিৰচ্ছেদ কৰা হয় আৰু সিহঁতৰ স্ত্ৰী আৰু পৰিয়ালবৰ্গক বন্দী কৰা হয়। তিনিহেজাৰৰ ওপৰ লোকক এইদৰে হত্যা কৰা হয়।

বাজুৰৰ বিৰুদ্ধে অভিযান এনে সন্তোষজনকভাবে শেষ হোৱাত এটা ওখ মাটিৰ ঢিপৰ ওপৰত নৰমুণ্ড সজাই এটা বিজয় স্তম্ভ নিৰ্ম্মাণ কৰিবলৈ আদেশ দিওঁ।

মহৰম মাহৰ দহ তাৰিখ বুধবাৰে মই ঘোঁৰাত উঠি বাজুৰ দুৰ্গলৈ যাওঁ।

তাত সুৰাপান উৎসৱৰ আয়োজন কৰা হয়। বাজুৰৰ ওচৰৰ গাৱঁৰ পৰা কাফেৰ বিলাকে চামৰাৰ পাত্ৰত মদ লৈ আহিছিল। মই গোটেই নিশা ইয়াতেই কটাওঁ। পিচদিনা পুৱা দুৰ্গৰ বুৰুজ, প্ৰাচীৰ ইত্যাদি নানা ঠাই পৰিদৰ্শণ কৰি ঘোঁৰাত উঠি শিবিৰলৈ ঘূৰি আহোঁ।

বাজুৰৰ ওপৰ ফালে এটা পাহাৰত চিকাৰ কৰিবলৈ যাওঁ। এই পাহাৰৰ বনৰীয়া ম'হ বিলাক ক'লা, কিন্তু ইহঁতৰ নেজ বেলেগ ৰঙৰ। এই পাহাৰৰ তলত হিন্দুস্থানৰ দেশবিলাকৰ ষাড় আৰু হৰিণা পহু সকলোবিলাকেই ক'লা ৰঙৰ। এইদিনাই মই 'চাৰিক' চৰাই ধৰোঁ। তাৰ ৰঙো ক'লা, চকুও ক'লা। এইদিনা 'বুৰকুট' নামেৰে মোৰ এটা পোহনীয়া শেনে এটা হৰিণাক আহত কৰে।

সৈন্য বিলাকৰ খাদ্য শস্যৰ অভাৱ হোৱাত আমি খেৰাজ উপত্যকালৈ গৈ প্ৰচুৰ শস্য জব্দ কৰোঁ। তাৰ পিচত ইউচুফ জাই আফগান বিলাকৰ বিৰুদ্ধে অভিযান চলাবৰ কাৰণে ছাৱাদৰ ফালে আগবাঢ়োঁ।

পিচদিনা আমি আওৰাই গৈ চন্দল আৰু বাজুৰ নৈ সঙ্গমত শিবিৰ স্থাপন কৰো। ইউচুফজাই সকলে অনপমান 'কামাল' মদ লৈ আহে। খাবলৈ ই সোৱাদ কিন্তু অনপমানতেই ঘোঁৰ মাতাল হ'ব লগা হয়। এটা পাত্ৰ মই তিনিভাগ কৰি এভাগ নিজে খাওঁ আৰু এভাগকে তাঘাই আৰু আব্দুল্লাক দিওঁ। কিন্তু এইকণ খায়েই মই ইমান মাতাল হৈ পৰো যে যেতিয়া বেগ সকল সন্ধ্যা নামাজৰ সময়ত উপস্থিত হয় তেতিয়া মোৰ পক্ষে তেওঁলোকৰ ওচৰত উপস্থিত হোৱা সামৰ্থ্য নাছিল। আৰু আচৰিত কথা এইটোৱেই যে এতিয়া মই এটা পুৰা 'কামাল' খালেও অলপো নিচাই নধৰে। সেইবাৰ কিন্তু সেইকণ খায়েই মোৰ চূড়ান্ত মাতাল অৱস্থা হৈছিল।

ত্ৰিশ চল্লিশ বছৰৰ ভিতৰত ছাহাবাজ কালেন্দাৰ নামে এজন আল্লা অবিশ্বাসী অসাধু লোকে ইউচুফজাই আৰু দিলজাক উপজাতি বিলাকৰ অন্তৰত ধৰ্মত অবিশ্বাসৰ প্ৰেৰণা জোগাইছিল। মকাম পাহাৰ হঠাৎ শেষ

হোৱাৰ পিচত এটা সৰু পাহাৰ দেখা যায়—সি যেন চাৰিও ফালৰ ভৈয়াম অঞ্চল চকু মেলি চাই আছে। দৃশ্যটি অতি সুন্দৰ। চাপৰ অঞ্চলৰ পৰা এই পাহাৰটো মনোৰম দেখায়। এই পাহাৰৰ ওপৰত চাহবাজ কালান্দাৰৰ কবৰ আছে। মোৰ মনলৈ আহিল—ইমান ধুনীয়া চকুত লগা ঠাইত এজন অবিশ্বাসীৰ কবৰ থাকিব—ই অন্যায়। সেইকাৰণে মই আদেশ দিলো কবৰটো ভাঙি মাটিৰ ধূলিৰ লগত মিলাই দিয়া হওক। এই ঠাইডোখৰ জলবায়ু আৰু দৃশ্যৰ ফালৰপৰা বৰ ধুনীয়া হোৱাত মোৰ মন উৎফুল্ল হৈ উঠিল। মই ইয়াতে উত্তেজক সুৰা পান কৰোঁ আৰু কিছুসময় ইয়াতেই বৈ যাওঁ।

পিচদিনা পুৱাই সিন্ধুনদীৰ ফালৰ বাট ধৰি আগুবাবলৈ লওঁ। এই নদীৰ পাৰ অঞ্চলৰ তল আৰু ওপৰৰ মাটি কেনেকুৱা পৰীক্ষা কৰি চাবৰ কাৰণে এদল সৈন্য পঠাওঁ। নদীৰ ফাললৈ সৈন্য পঠাই গঁড় চিকাৰ কৰিবলৈ ওলাওঁ। বহুত গঁড় চকুত পৰিল হয় কিন্তু ঠাইখন জোপা বনেৰে পৰিপূৰ্ণ কাৰণে সিহঁতৰ এটাকো লগ পোৱা নগ'ল। এজনী মাইকী গঁড় পোৱালি লৈ জোপাৰ পৰা ওলাই সমতল অঞ্চলৰ মাজেদিয়ে দৌৰি পলাল। তাইলৈ লক্ষ্য কৰি বহুত কাঁড় মৰা হ'ল কিন্তু কাষতে জোপাবনেৰে ভৰা ঠাই থকাত তাৰ মাজত সোমাই পৰিল। জোপা বন বিলাকত জুই লগালো কিন্তু কোনো গঁড় বিচাৰি পোৱা নগ'ল। আৰু এটা গঁড় অৱশ্যে দেখা পোৱা গ'ল—সি জুয়ে পোৰাত খোৰা হৈ দৌৰিব পৰা নাছিল। ইয়কে বধ কৰি তাৰ দেহৰ একোটা অংশ চিকাৰৰ চিন স্বৰূপে কাটি লওঁ। যিটো দল নদী পথৰ অৱস্থা চাবৰ কাৰণে গৈছিল—সিহঁতেও ঘূৰি আহি গঁড়ৰ একোটা অংশ কাটি লয়।

পিচদিনা ৰাতিপুৱা অটকৰ ওচৰত ঘোঁৰা, উট আৰু মালপত্ৰৰে সিন্ধুনদী পাৰ হওঁ। শিবিৰ-বজাৰ আৰু পদাতিক দল ভুৰত পাৰ হয়। সেইদিনাই তাৰ অধিবাসী সকলে এটা সুসজ্জিত ঘোঁৰা উপহাৰ স্বৰূপে লৈ মোৰ লগত দেখা কৰি মোক সন্মান জনায়। মোৰ সকলোবিলাক মানুহ পাৰ হৈ

আহিলত সেইদিনাই দুপৰীয়াৰ নামাজৰ পিচত সৈন্য চালনা কৰি আগুৱাই যাওঁ। ৰাতিৰ প্ৰথম প্ৰহৰ পৰ্য্যন্ত এইদৰে গৈ কাচ্‌হ-কট নদীৰ কাষত ৰওঁ। তাৰ পিচত সেই নৈ পাৰ হৈ সেই ৰাতিয়েই সংদাকি গিৰিসঙ্কট পাৰ হৈ জিৰণি লওঁ। চৈয়দ কাছিমৰ ওপৰত সৈন্য দলৰ ব্যূহ ৰক্ষাৰ ভাৰ আছিল। কেইজনমান গুজৰক পিচলোৱা দেখি তেওঁ সিহঁতৰ কেইজনমানৰ মূৰ কাটি পেলায় আৰু সেইবিলাক মোৰ ওচৰলৈ লৈ আহে।

সংদাকিৰ পৰা পুৱাই যাত্ৰা কৰি দুপৰীয়াৰ নামাজৰ সময়ত চোহান নদী পাৰ হৈ শিবিৰ স্থাপন কৰোঁ। আমাৰ দলৰ যিবিলাক পিচ পৰিছিল তেওঁলোকে নিশাৰ মাজভাগত ক্ৰমে ক্ৰমে আহি ওলালহি। এই কষ্টকৰ দীঘলীয়া বাট আহোঁতে আমাৰ বহুত সময় লাগিছিল—আৰু সি এনেকুৱা সময়ত যেতিয়া আমাৰ ঘোঁৰাবিলাক আগৰে পৰাই পৰিশ্ৰমত কান্তৰ হৈ কষ্ট কৈ পৰিছিল। এই হেচাত বহুত ঘোঁৰাৰ লৰচৰ কৰা শক্তি নোহোৱা হৈ পৰে। আৰু কেইটামান বাটতেই পৰি যায়—আৰু মুঠিল।

ইয়াত শিবিৰ স্থাপন কৰাৰ পিচত লাঙ্গৰ খাঁক পঠিয়াও মালিক হেস্তক মোৰ ওচৰলৈ লৈ আহিবৰ কাৰণে। তেওঁ তৎক্ষণাত ঘোঁৰা দৌৰাই গ'ল। মোৰ মহানুভৱতা আৰু মই তেওঁক অনেকপ্ৰকাৰে অনুগ্ৰহ দেখৱাম—এই-বিলাক কথা কৈ তেওঁক বুজাই মোৰ ওচৰলৈ লৈ আহিল। মালিক হেস্তে এটা সাজেৰে সৈতে ঘোঁৰা মোক উপহাৰ দিবৰ কাৰণে লগত আনি মোৰ বশ্যতা স্বীকাৰ কৰিলে। সেই সময়ত তেওঁৰ বয়স মাত্ৰ বাইশ তেইশ বছৰ।

আমাৰ শিবিৰ বিলাকৰ কেউফালে বহুত ভেৰাৰ দল আৰু জাকে জাকে পোৱালি খচ্চৰ চৰি ফুৰিছিল। মই যেতিয়া হিন্দুস্থান জয়ৰ সংকল্প কৰিছো আৰু যি দেশবিলাকৰ মাজত মই এতিয়া ঘুৰি ফুৰিছো সেইবিলাকৰ বহুতো তুৰ্কিবিলাকৰ দখলত থকাত সেই দেশ মোৰেই ৰাজত্বৰ ভিতৰত বুলি গণ্য কৰা যাব পাৰে বুলি মই বিশ্বাস কৰাত, যুদ্ধ কৰিয়েই হওক বা শান্তিপূৰ্ণ উপায়েৰেই হওক—তাক অধিকাৰ কৰিবৰ কাৰণে স্থিৰ সংকল্প কৰোঁ। এই-

কাৰণে পাহাৰৰ অধিবাসী বিলাকৰ লগত ভাল ব্যৱহাৰ কৰাই উচিত হব বুলি ভাবিলোঁ। মই এই কাৰণে এই আদেশ জাৰি কৰো যে ইয়াৰ বাসিন্দা বিলাকৰ ভেড়া বা আন পশুৰ যেন কোনেও একো ক্ষতি নকৰে, আৰু তেওঁ-লোকৰ পৰা এটুকুৰা সূতা বা এটা ভগা বেজীও যেন কোনেও নলয়।

বেহেৰৰ মুখিয়াল সকলক মাতি পঠাই তেওঁলোকৰ সম্পত্তিৰ ওপৰত ৮ই লাখ টকা কৰ ধাৰ্য্য ঠিক হয়। এই টকা আদায় কৰিবৰ কাৰণে কেইজনমান আদায়কাৰী নিযুক্ত কৰোঁ। মই তাৰ পাচত দেশখন ঘূৰি চাবৰ কাৰণে ঘোঁৰাত উঠি বাহিৰ হওঁ। কিছু সময় ঘূৰাঘূৰি কৰাৰ পিচত এখন নাৱত উঠি অলপ ভাং খাওঁ।

পতাকাবাহী হায়দাৰ আলেমদাৰক বেলুচিবিলাকৰ ওচৰলৈ পঠাওঁ। বেলুচিসকলেহে 'বেহেৰ' দেশখনত বসতি স্থাপন কৰিছে। সিহঁতে এটা বাদামি বৰণৰ ঘোঁৰা কৰ স্বৰূপে লৈ আহি মোৰ বশ্যতা স্বীকাৰ কৰে।

কেইজনমান সৈন্যই 'বেহেৰ'ৰ অধিবাসীসকলৰ ওপৰত জোৰ-জুলুম আৰু বেয়া ব্যৱহাৰ কৰা শুনিবলৈ পাই আৰু এদল সিহঁতৰ সন্ধানত পঠাওঁ। সিহঁতে কেইজনমান অপকৰ্ম্মকাৰীক ধৰি অনাত কেইজনমানক প্ৰাণদণ্ড দিওঁ। আৰু কেইজনমানৰ নাক ফুটুৱাই সেই অৱস্থাত শিবিৰে শিবিৰে ঘূৰাই আনিবলৈ আদেশ দিওঁ।

কোনো কোনোৱে কোৱামেলা কৰিছিল যে যদি কেইজনমান লোকক কটকী স্বৰূপে শান্তি আৰু বন্ধুত্বৰ বাণী বহন কৰি যিবিলাক ঠাই তুৰ্কীবিলাকৰ অধিকাৰত আছিল সেইবিলাক ঠাইলৈ পঠোৱা হয় তেতিয়া হ'লে ভাল ফল পোৱা যাব পাৰে। মই ভাবি-চিন্তি মোল্লা মুৰছিদক কটকী বাব দি চুলতান ইব্ৰাহীমৰ ওচৰলৈ এই দাবী জনাই পঠাওঁ যে প্ৰাচীন কালৰে পৰা যিবিলাক দেশ সদায়েই তুৰ্কী জাতিৰ অধীনত আছিল সেইবিলাক মোৰ হাতত সমৰ্পণ কৰিব লাগিব। চুলতান ইব্ৰাহীমৰ ওচৰলৈ সেইধৰণৰ চিঠি দিয়াৰ উপৰিও

দৌলত খাঁৰ নামতো চিঠি দিওঁ। মোল্লা মুৰছিদক মৌখিকভাবে নানা উপদেশ দি কটকীৰ কামত পঠাওঁ।

হিন্দুস্থানৰ লোকসকল বিশেষকৈ আফগানবিলাক এটা অদ্ভুত নির্বোধ জাতি। সিহঁতৰ নাই চিন্তাশক্তি, নাই দূৰদৃষ্টি। সিহঁতে লপেটীয়াকৈ বীৰৰ দৰে যুদ্ধ চলাব নোৱাৰে, ইফালে বন্ধুত্ব আৰু সৌহার্দ্যৰ মাজতো থাকিব নোখোজে। দৌলত খাঁই মোৰ কটকীক াহোৰত আটক কৰি ৰাখে। কিন্তু তেওঁ নিজেও কটকীৰ লগত দেখা কৰে বা তেওঁৰ চুলতান ইব্রাহীমৰ ওচৰলৈকো যাবলৈ নিদিয়ে। ফলত, মাৰ কটকী পাঁচ মাহ পাচত কোনো উত্তৰ নিনিয়াকৈ কাবুললৈ ঘূৰি আহে।

এই সময়ত ইমান জোৰেৰে বৰষুণ আহিল যে গোটেই সমতলভূমি পানীত ৰি গ'ল। 'বেহেৰ' আৰু পাহাৰৰ মাজত, য'ত আমাৰ শিবিৰ, তাৰ ওচৰতে ়খন সৰু নৈ আছিল। দুপৰীয়াৰ নামাজৰ সময়ত দেখা গ'ল যে নৈখনে হলে এটা ডাঙৰ হ্ৰদৰ আকাৰ ধৰি পেলাইছে। আবেলি আৰু সন্ধ্যা ামাজৰ মাজ সময়ত পানী কিমান বাঢ়িছে চাবৰ কাৰণে ঘোঁৰাত উঠি লাই আহিলোঁ। বৰষুণ আৰু বতাহ ইমান জোৰেৰে চলিছিল যে ঘূৰিবৰ সময়ত াব হৈছিল যেন তম্বু আৰু পাবলৈ নোৱাৰিম। নৈত বান উঠিছে। সেই ী মই সাঁতুৰি পাৰ হৈ আহিলোঁ।। সৈন্যবিলাকে সেইদিনা বৰ ভয় খাইছিল।

পিচদিনা পুৱা ঘোঁৰাত উঠি কৰা ভ্ৰমণ শেষ কৰি এখন নাৱত উঠোঁ। াত সদলে মদ পান হয়। নাৱত যিফালে বঠা থাকে অৰ্থাৎ আগফালে লপ ঠাই চালেৰে আবৰি থোৱা আছিল। ওপৰৰ চালখন সমান। মই াৰু কেইজনমান সেই চালৰ ওপৰত বহোঁ। কোনো কোনোৱে চালৰ লত তক্তাত বহিছিল। নাৱৰ গুৰি বঠাৰ ফালেও বহাৰ ঠাই আছিল। াদাই আৰু নামান তাত বহিছিল। মধ্যাহ্ন নামাজৰ পিচলৈকে আমি পান কৰি থাকোহঁক। তাৰ পিচত মদত স্পৃহা নোহোৱা হোৱাত তাং লোঁ। নাৱৰ পিচৰ ফালে যি সকল বহিছিল তেওঁলোকে আমি যে তাং

খাইছিলোঁ। বুজিব পৰা নাছিল। তেওঁলোকে সমানে সুৰাপান কৰি গৈছে। নামাজৰ সময়ত আমি নাৱৰ পৰা নামি আহোঁ। ঘোঁৰাত উঠি বহুত ৰাতি আমি শিবিৰলৈ ঘূৰি যাওঁ।

নামান আৰু গাদায়ে ভাবিছিল যে মই মদৰ বাহিৰে আৰু একো খোৱা নাই। মোক খুব আনন্দ দিবলৈ বুলি এক·· মদ একো একো জনৰ ঘোঁৰাত সলাই সলাই তুলি বৰ কষ্ট কৰি মোৰ কাৰণে লৈ আহে। মদৰ পাত্ৰ মোৰ ওচৰলৈ লৈ অহাৰ সময়ত তেওঁলোক মদে মত্ত অৱস্থাত আছিল। সিহঁতে ক'লে মদৰ কলহটো অন্ধকাৰ ৰাতিও আপোনাৰ কাৰণে কষ্ট কৰি আনিছোঁ। দুজনে পাল পাতি এই কলহ ভাৰ বৈ আনিব লগা হৈছে।

সিহঁতক কোৱা হ'ল যে আমি পিচে বেলেগ বস্তু খাইছোঁ। ভতুৱাৰ আৰু মদপীৰ নিচা কিন্তু বেলেগ ধৰণৰ সিহঁতে এজনে আনজনক সহ্য কৰিব নোৱাৰে। ইজনে সিজনৰ দোষ দেখে।

মই কওঁ—দলৰ প্ৰীতি যেন নষ্ট নকৰাহঁত। যি মদ খাব খোজে সি মদ খাব, আৰু যি ভাং খাব বিচাৰে সি তাকে খাব। এদলে যেন আনদলক এই কথা লৈ টান কথা নকয় বা মিছাকৈয়ে দোষ নিদিয়ে।

কেইজনমান মদ লৈ বহিল আৰু কেইজনমান ভাং লৈ। অলপ সময় ভালেৰে চলিল। বাবাজান নাৱলৈ নগল। আমি শিবিৰলৈ ঘূৰি অহাৰ পিচত তেওঁকো মাতি পঠিওৱা হ'য়। তেওঁ সুৰাপান কৰাটোকে পছন্দ কৰে। তাৰ্দিকিপ চাককো মতা হয়। তেৰোঁ মদ্যপায়ীসকলৰ দললৈকে চাল খালে। মদপী আৰু ভতুৱা কেতিয়াও একেটা দলত মিলাপ্ৰীতিৰে থাকিব নোৱাৰে। যিবিলাকে মদ খাইছিল সিহঁতে মূৰ্খৰ দৰে নানা কথা বলকিবলৈ ধৰিলে আৰু ভতুৱা সকলৰ সমন্ধে অশিষ্ট মন্তব্য কৰিবলৈ লাগিল। বাবাজানেও মাতাল হৈ যিহকে তিহকে বলকিবলৈ ধৰিলে। মাতাল বিলাকে একো গিলাছ মদ লৈ তাৰ্দি মহম্মদৰ হাতত ধৰি দিছিল আৰু তেওঁ একে শোহাতে শেষ কৰিছিল। অতিপাত মদ খাই অলপ সময়ৰ ভিতৰতে তেওঁ

একেবাৰে ঘোঁৰ মাতাল হৈ পৰিল। মাতাল হৈ সকলোৱে গোলমাল আৰু মৰামৰি আৰম্ভ কৰিলে। সেই সকলোকে শান্ত কৰিবৰ কাৰণে যিমানেই চেষ্টা নকৰিলোঁ সকলো মিছা হ'ল। দলটোৰ ব্যৱহাৰ অতি বিৰক্তিজনক হৈ উঠে। সোনকালে দলটো ছত্ৰভঙ্গ হৈ পৰে।

পিচদিনা ঘোঁৰাত উঠি অলপ সময় ফুৰাৰ পিচত নাৱত উঠোঁ। তাত সুৰাপান চলি থাকে। নাৱত ৰাতিৰ নামাজৰ সময় পৰ্যান্ত অনবৰত সুৰাপান চলি থাকে। যেতিয়া সকলোৱেই ঘোৰ মাতাল হৈ পৰিছে তেতিয়া নদীৰ পাৰৰ পৰা এডাল এডাল জলা জোৰ হাতত লৈ ঘোঁৰাৰ পিঠিত এবাৰ একাষে এবাৰ আনফালে হলি পৰি পৰি জোৰ কদমত শিবিৰলৈ ঘূৰি আহোঁ। মই অতি মাতাল হৈয়ে পৰিছিলোঁ। পিচদিনা পুৱা যেতিয়া শুনো যে জলন্ত জোৰ হাতত লৈ আমি শিবিৰলৈ আহিছোঁ সেই কথা কিন্তু মই কোনো-ৰকমেই স্মৰণ কৰিব নোৱাৰিলোঁ। শিবিৰলৈ ঘূৰি আহিয়েই মই খুব বমিয়াওঁ।

অলপ পাচত মই আকৌ ঘোঁৰাত উঠি ফুৰি তাৰপাচত নাৱত নৈ পাৰ হৈ সিপাৰৰ বাগানবিলাক চাবলৈ যাওঁ। এইবিলাক বাগিছাত কুঁহিয়াৰ খেতি হয়। মাটিত পানী সিচিবৰ কাৰণে চকৰী আৰু বাল্টিং ব্যৱহাৰ কৰা চাওঁ। চকৰীৰ চকা ঘূৰাই পানী তুলিও চাওঁ। তাৰ পাচত বাগিছাৰ মানুহবিলাকৰ হতুৱাই বাৰে বাৰে পানী তুলি সিচাৰ কাম কেনেকুৱা হয় তাক চাই থাকোঁ।

সেইদিনা ওলাই আহিবৰ সময়ত ভাং খাইছিলোঁ। বাগান চোৱা শেষ কৰি নাৱত ঘূৰি আহো। মানুচেহৰ খাই ভাং খাইছিল, কিন্তু ইমান চোকা ভাং তেওঁ খায় যে অনবৰত দুজন মানুহে তেওঁৰ হাতত ধৰি থাকিব লগা হৈছিল যাতে তেওঁ পৰি নাযায়।

আমি নৈৰ মাজলৈ আহি লঙ্গৰ পেলাই মনে মনে বহি থাকো। তাৰ পাচত আকৌ লঙ্গৰ তুলি নৌতৰ আগত নাও এৰি দিও। এইদৰে অলপ

সময় যোৱাৰ পিচত আকৌ আমাৰ ইচ্ছা হ'ল যে নাও বাই উজান মূৰা হৈ যাব লাগে। মই ৰাতিটো নাৱতে কটাওঁ। পিচদিনা পুৱা শিবিৰলৈ ঘূৰি আহোঁ।

ৰবিয়ল মাহৰ দহ তাৰিখ শনিবাৰে সূৰ্য্য মেষ ৰাশিত প্ৰবেশ কৰে। সেইদিনা দুপৰীয়াৰ নামাজৰ সময়লৈকে ঘোঁৰাত উঠি ঘূৰি ফুৰোঁ। তাৰ পিচত নাৱত উঠি এটা সুৰাপান উৎসৱত মজি যাওঁ। নৈৰ এটা ডাঙৰ শাখায়েদি ভাটাৰ টানত গৈ থাকো। তাৰ পিচত বেহেৰৰ বহুত দূৰত নাৱৰ পৰা মাটিত নামি বহুত পলমকৈ শিবিৰলৈ ঘূৰি আহোঁ।

এই ঠাইৰ শাসন ব্যৱস্থাৰ এটা ভাল দিহা কৰি পেলাওঁ যাতে ইয়াত ভবিষ্যতে শান্তি টিকি থাকে। তাৰ পিচত বেহেৰৰ পৰা কাবুললৈ ঘূৰি আহিবৰ কাৰণে বাহিৰ হওঁ। আমাৰ যাত্ৰাৰ দিনাও অসম্ভৱ বৰষুণ হয়। শিবিৰৰ তম্বুৰ পিচফালে ৰাতিৰ নামাজৰ সময়লৈকে হুৰ হুৰ কৰি বৰষুণৰ পানী পৰি থাকে।

আফগান সৈন্যবিলাক আহি পোৱাত আমি পিচদিনা পুৱা তাৰ পৰা সসৈন্যে যাত্ৰা কৰি চাৰি মাইল আগবাঢ়ি ৰওঁ। ইয়াত ওখ ঠাইলৈ উঠি শিবিৰৰ ঠাই পৰ্য্যবেক্ষণ কৰোঁ। সৈন্য বিলাকৰ লগত কিমান উট আছে লেখি চাবলৈ নিৰ্দ্দেশ দিওঁ। গণি চাই দেখা গ'ল যে সাতশ মান উট আছে।

ৰণবাদ্য বাজি উঠাৰ লগে লগে আমি ইয়াৰ পৰা যাত্ৰা কৰি দুপৰীয়াৰ আহাৰৰ সময়ত আটক গিৰিসঙ্কটৰ তলত ৰওঁ। দুপৰীয়াৰ নামাজৰ পিচত আমি আকৌ যোৱা আৰম্ভ কৰি গিৰিসঙ্কট আৰু নৈ পাৰ হৈ এটা ওখ পাহাৰত উঠি জিৰণি লওঁ। তাৰ পিচত আমি মাজ ৰাতি বাহিৰ হওঁ।

বেহেৰলৈ যোৱাৰ সময়ত নটা বজাত নৈ খোজ কাঢ়ি পাৰ হৈছিলোঁ। সেই বাটতো পৰীক্ষা কৰাৰ সময়ত শস্য বোজাই কৰা এখন সৰু নাও নৈৰ মাজত বোকাত লাগি থকা দেখা গ'ল। নাৱৰ মানুহবিলাকে চেষ্টা কৰিও নাওখন একবাৰ নোৱাৰিলে। সেই শস্য জব্দ কৰি মোৰ মানুহবিলাকৰ মাজত ভগাই দিওঁ। অতি প্ৰয়োজনৰ সময়ত শস্যখিনি পোৱা গ'ল।

সন্ধ্যা সময়ত সিন্ধু আৰু কাবুলৰ নদী-সঙ্গমত আহি বওঁ। ছখন নাও যোগাৰ কৰি মোৰ সৈঁা, বাওঁ আৰু মাজ ভাগৰ সৈন্য বিলাকৰ মাজত ভাগ কৰি দিয়াত সিহঁতে নৈ পাৰ হবৰ কাৰণে চেষ্টা কৰি থাকে। নৈ পাৰ হওঁতে চাৰিদিন সময় লাগি যায়।

বেলি ওলোৱাৰ সময়তে নৈ পাৰৰ পৰা আকৌ যাত্ৰা আৰম্ভ হয়। সেইদিনা মই ভাং খাইছিলোঁ। ভাঙৰ গোলাপী নিচাৰ প্ৰভাৱৰ মাজতেই মই কেইখনমান সুন্দৰ ফুলনি চাইছিলোঁ। ফুলনিৰ ভেঁটি নানা ৰঙা আৰু হালধীয়া ৰঙৰ আঁৰঘান ফুলেৰে ঢাক খাই আছে। এফালৰ ভেঁটিত হালধীয়া ৰঙৰ আৰু এফালৰ ভেঁটিত ৰঙা ফুল ফুলিছে। বহুত ঠাইত আকৌ একে ভেঁটিতে সকলো ধৰণৰ ফুল থোপা বান্ধি আছে। দেখি ভাৱ হৈছিল যেন কোনোবাই ফুলবিলাক দলিয়াই সিচৰিত কৰি থৈছে।

মোৰ শিবিৰৰ ওচৰত এটা ওখ মাটিৰ টিপৰ ওপৰত বহি মই এই ফুলৰ জেউতি চাইছিলোঁ। এই ওখ ঠাইৰ চাৰিওফালে সজোৱা ভেঁটিৰ মাজত ফুল বিলাক যেন বান্ধ খাই ফুলি আছে। এফালে হালধীয়া ৰঙৰ ফুল আৰু আনফালে ৰঙা তিনিকোণীয়া ভেঁটি বিলাকত যেন সজাই-পৰাই থোৱা হৈছে। আৰু দুয়োফালৰ ফুলৰ সমাৰোহ যেন অলপ কম কিন্তু যিমান দূৰ চকুৰে মনা যায় ফুলনিবিলাকৰ একেধৰণৰ মনোমোহা দৃশ্য। পেছোৱাৰৰ কাষৰীয়া ঠাইত ফুলনিৰ দৃশ্য বসন্ত কালত অদ্ভুত ভাৱে ধুনীয়া হয়।

পিচদিনা মোকমোকালিতে শিবিৰ উঠাই যাত্ৰা কৰোঁ। য'ত নৈৰ পৰা বাটটো ফাটিছে তাতে বাঘৰ ভীষণ গোজৰণি শুনা গ'ল। বাঘটোও ওলাই আহিল। ঘোঁৰাবিলাক বাঘৰ মাত শুনি ভয়ত উন্মাদ হৈ পৰি আয়ত্তৰ বাহিৰলৈ গ'ল। সিহঁতে আৰোহীবিলাকক পিঠিত লৈ চেতনা হেৰুৱাই যেনিয়ে তেনিয়ে দৌৰিবলৈ ধৰিলে। বাঘটো আকৌ হাবিত সোমাল।

এটা ভেড়া আনি টোপ হিচাবে হাবিৰ মাজত বান্ধি থবলৈ নিৰ্দ্দেশ দিলোঁ। যাতে আহাৰৰ লোভত বাঘটো ওলাই আহে। বাঘটো আকৌ গোঁজৰি গোজৰি ওলাই আহিল। তেতিয়া কেউফালৰ পৰাই তাৰ ওপৰত শৰ বৰ্ষণ আৰম্ভ হৈ গ'ল। ময়ো তাক লক্ষ্য কৰি কাঁড় মাৰিবলৈ ধৰিলোঁ। খালবাই তাক যাঠিৰে আঘাত কৰোতেই বাঘটোৱে বেঁকাকৈ থিয় হৈ দাঁতেৰে যাঠিৰ ফালটো ভাঙি উলিয়াই দলিয়াই পেলায়। তাৰ শৰীৰৰ অনেক ঠাইত আঘাত পাই এটা জোপাৰ মাজত সোমাই পৰিল। সেই সময়ত ইছেবালে তৰোৱাল উলিয়াই আগবাঢ়ি যাওঁতেই যেতিয়া বাঘটোৱে তেওঁৰ ওপৰত জপিয়াই পৰিবলৈ সাজু হৈছে সেই সময়তে তাৰ মূৰত আঘাত কৰিলে। তাৰ পিচত আলি চিস্তানিয়ে ককালত কোব দিয়াত বাঘটো নৈত জপিয়াই পৰে। নৈৰ মাজতে তাক মৰা হয়। পানীৰ পৰা তুলি অনাৰ পিচত মই বাঘটোৰ চাল গুচাই ল'বৰ কাৰণে নিৰ্দ্দেশ দিওঁ।

পিচদিনা পুনৰ আকৌ যাত্ৰা আৰম্ভ হয়। তাৰ পাচত বেকৰামত আহি ৰওঁ। আমি 'গুৰ-কাটাৰি' দৰ্শন কৰোঁ। পৃথিবীৰ ক'তো ইয়াৰ নিচিনা সাধুবিলাকৰ কাৰণে অন্ধকাৰ আৰু ঠেক কোঠা দেখা নাযায়। দুৱাৰ পাৰ হৈ দুই এটা খটখটি নামিয়েই তুমি শুই পৰিব লাগিব। তাৰ পাচত সেই অৱস্থাতে বুকুৰ ওপৰত চুচৰি তুমি আগবাঢ়িব লাগিব। চাকি নিনিলে তুমি প্ৰৱেশ কৰা অসম্ভৱ। মূৰৰ চুলি বা দাঁড়ি যিবিলাক ভক্ত সকলে সম্মান স্বৰূপে দিছে, প্ৰচুৰ পৰিমাণে সেইবিলাক চাৰিওকালে আৰু গুহাৰ কাষত সিচৰিত হৈ আছে। চাৰিওকালে কুঠৰি—ঠিক যেনেকৈ মঠ বা বিদ্যালয় বিলাকত থাকে। কোঠাৰ সংখ্যা বহুত।

এইদিনাই মোৰ আটাইতকৈ ভাল শেন চৰাইটো হেৰুৱাওঁ। মোৰ প্ৰধান চিকাৰী চিখেমৰ তত্ত্বাৱধানত ই আছিল। এই শেনটোৱে অতি দক্ষতাৰে বগলি আৰু তেলীয়া সাৰেং চৰাই ধৰিব পাৰিছিল। আগতে দুই তিনিবাৰ ই পলাইছিল। ইমান অব্যৰ্থভাৱে শেনটোৱে চিকাৰৰ ওপৰত

জপিয়াই পৰিছিল যে তাৰ এই গুণৰ কাৰণে মোৰ নিচিনা অনিপুণ মানুহেও ভাল চৰাই চিকাৰী বুলি নাম পাইছিল।

মোৰ লগৰীয়া ছজন আফগান চৰ্দ্দাৰৰ প্ৰত্যেককে হিন্দুস্থানৰ লুটৰ মালৰ পৰা এশ ৰূপৰ মোহৰ, এটা কুঠাং, তিনিটা বলদ আৰু এটাকৈ ভেড়া দিওঁ। আৰু সকলোকে মোহৰ, কাপোৰ, বলদ আৰু ভেড়া তেওঁলোকৰ অৱস্থা অনুযায়ী দিছিলোঁ।

আমি আলি মছজিদৰ ভূমিত উপস্থিত হ'লত মাৰুফ নামে এজন লোকে দহটা ভেড়া, দুবোজা চাউল, আঠ ডোখৰ ডাঙৰ আকাৰৰ পনিৰ ভেঁটি হিচাবে লৈ আহে।

দুপৰীয়াৰ নামাজৰ সময়ত মই কাবুল পাওঁগৈ। মই কাবুলৰ দলং নোপোৱা পৰ্য্যন্ত কোনেও মই অহাৰ কথা জানিবলৈ পোৱা নাছিল। তেতিয়া আৰু হুমায়ুন আৰু কামৰানক ঘোঁৰাত তুলি মোৰ ওচৰলৈ অনাৰ সময় নাছিল। ওচৰতে যিবিলাক লগুৱা আছিল সিহঁতেই তেওঁক কোলাত তুলি নগৰ দুৱাৰ আৰু দুৰ্গদুৱাৰৰ মাজ ঠাইত মোক সন্মান দেখুৱাবৰ কাৰণে লৈ আহে। আবেলি নামাজৰ সময়ৰ আগে আগে নগৰৰ কাজিক লগত লৈ কাছিম বেগ আৰু মোৰ কাবুলত থকা সভাসদ সকল আহি মোক অভিনন্দন জনায়।

আবেলি নামাজৰ পাচত আমাৰ এটা আনন্দপূৰ্ণ মেল বহিল। মই মোৰ নিজৰ পোচাকৰ পেৰাৰ পৰা এটা পিন্ধা সাজ বাহিৰ কৰি চাহ হুচেনক উপহাৰ দি সন্মানিত কৰোঁ।

পিচদিনা পুৱা এখন নাৱত প্ৰভাতী উৎসৱ পালন কৰোঁ। এই উৎসৱত মুৰ বেগে বাঁহী বজায়। তেওঁ তেতিয়াও সাধু সন্ন্যাসীৰ দৰে জীৱন আৰম্ভ কৰা নাই। দুপৰীয়াৰ নামাজৰ সময়ত আমি নাৱৰ পৰা নামি আহি পাহাৰৰ ওপৰৰ যি ফুলনি পাতিছিলোঁ তাতেই আমোদ-প্ৰমোদ কৰোঁ। আবেলিৰ নামাজৰ সময়ত বেহুনী বাগিছালৈ গৈ সুৰাপাত্ৰ লৈ বহোঁহক। দুৰ্গ প্ৰাচীৰ পাৰ হৈ মই দুৰ্গলৈ ঘুৰি আহোঁ।

চুলতান মির্জাৰ জ্যেষ্ঠা কন্যা কাবুললৈ আহিল। তাত তেওঁৰ বাসস্থান ঠিক হোৱাত মই তেওঁৰ লগত সাক্ষাৎ কৰিবৰ কাৰণে যাওঁ। ঠিক মোৰ বাইদেউৰ দৰে সন্মান দেখুৱাই তেওঁক দেখা কৰোঁ। সন্মান পূৰ্ব্বক মূৰ দোঁৱাই অভিবাদন কৰোঁ। তেওঁও মূৰ দোঁৱাই অভিবাদন কৰিলে। তাৰ পিচত তেওঁৰ ফালে আগুৱাই গৈ পৰস্পৰ আলিঙ্গন কৰোঁ। ইয়াৰ পিচত এই ৰীতিকে সদায় মানি আহিছোঁ।

সেইদিনা মই উপবাস কৰিছিলোঁ। ইউনিছ আলি আৰু কেইজনমানে আচৰিত হৈ কলে—আজি মঙ্গলবাৰ। আজিও উপবাস, কি আচৰিত।

আমি কাজিৰ ঘৰত গৈ উপস্থিত হ'লোঁ। সেই নিশা আমি এটা আনন্দোৎসৱ কৰিবৰ কাৰণে সাজু হৈছিলোঁ। কাজিয়ে মোৰ ওচৰলৈ আহি কলে—মোৰ ঘৰত এনে ঘটনা কোনো দিন দেখা পোৱা নাই। তথাপি আপুনি যেতিয়া সম্রাট আৰু প্ৰভু, মোৰ আৰু কি কবলগীয়া আছে।

আমাৰ উৎসৱৰ কাৰণে সকলো ধৰণৰ যোগাৰ পাতি কৰা হৈছিল। কিন্তু কাজিক সন্তুষ্ট কৰিবৰ কাৰণে আমি সুৰা পান বাদ দিও।

মোৰ বাগিছাত তৈয়ামৰ কেইটামান পুলি আৰু জিমক গছ ৰোওঁ। তুপৰীয়াৰ নামাজৰ সময়ত সুৰাপান উৎসৱ হয়। তুপৰীয়াৰ পিচত আমি ঘোঁৰাত উঠি কাবুললৈ ঘূৰাৰ কাৰণে যাত্ৰা কৰোঁ। হাচানৰ ঘৰ পাই মদৰ নিচাত তাতেই শুই পৰোঁ। আবদুল্লা ঘোৰ মাতাল হৈ কাপোৰে-কানিয়ে পানীত পৰি যায়। ইমান ৰাতি পানীত পৰাৰ কাৰণে খুব পানী লাগে। লৰিব-চৰিব নোৱাৰাত তেওঁ গোটেই ৰাতিটো কুতলুকৰ ঘৰত কটাই দিয়ে। পিচদিনা তেওঁ লাজ পাই মোৰ ওচৰলৈ আহি সীমা চেৰাই মদ খোৱাৰ কাৰণে অনুতাপ কৰি কয় যে তেওঁ প্ৰতিজ্ঞা কৰিছে তেওঁ আৰু মদ নাখায়।

মই তেওঁক কওঁ—তোমাৰ এই অনুতাপ আৰু মদ এৰাৰ প্ৰতিজ্ঞা কিমান দিন থাকে দেখা যাওক। তুমি এৰিব নালাগে। তোমাৰ য'তে ইচ্ছা

মদ খাব পাৰা। তেওঁ প্ৰতিজ্ঞা কেইমাহমান ৰক্ষা কৰিছিল—তাৰ পিচত আৰু নোৱাৰিলে।

মই পাল জ্বৰত ভোগা যেন লাগি শৰীৰৰ অলপ তেজ উলিয়াই পেলাওঁ। সেই সময়ত দুদিন, কেতিয়াবা তিনিদিন অন্তৰত জ্বৰ উঠিছিল। প্ৰত্যেক-বাৰেই নঘমালৈকে জ্বৰৰ তাপ উঠে। ঘামিলে অৱশ্যে জ্বৰৰ পৰা মুক্তি পাওঁ। দহ বাৰ দিনৰ পিচত মোল্লা খাজাই নাৰ্জি (নাৰ্চিচাছ) ফুল মদত মিলাই খুউৱাব ব্যৱস্থা কৰে। মই দুই এবাৰ খালো হয়, কিন্তু তাৰ পৰা মোৰ একো উপকাৰ নহ'ল।

হাচান বেগে এটা সুৰাপান উৎসৱ পাতিবৰ কাৰণে মোৰ পৰা অনুমতি বিচাৰিলে। তেওঁ তেওঁৰ ঘৰলৈ মহম্মদ আলি আৰু আন কেইজনমান সভাসদ বেগক লৈ গ'ল। মই জ্বৰৰ কাৰণে তেতিয়াও সুৰাপান কৰা নাই। মই ক'লো—জীৱনত কেতিয়াও জানীৰ দৰে বহি থকা নাই—যেতিয়া মোৰ বন্ধু-বান্ধৱে আমোদ-প্ৰমোদ কৰিছে, যেতিয়া তেওঁলোকে ঘট ঘটকৈ মদ খাইছে আৰু ফুৰ্ত্তি কৰিছে তেতিয়া মই সেই দৃশ্য ভেবা লাগি চাই থকা নাই। যাবলৈ দিয়া, এতিয়া তোমালোকে মোৰ কাষতে বহি মদ খোৱা যাতে মই খালি চকুৰে যিসকল মাতাল হয় তেওঁলোকৰ আৰু যি মাতাল নহয় তেওঁৰ বিভিন্ন ধৰণৰ মনৰ গতি আৰু আও-ভাও পৰ্য্যবেক্ষণ কৰি চাব পাৰো।

ছবিৰ গেলেৰিৰ দক্ষিণ-পূব কোণত সৰু সৰু তম্বুৰ শাৰী আছিল। তাতেই মই মাজে মাজে বহিছিলোঁ। বৈঠক ইয়াতে বহে। ঠাট্টা মস্কৰাত পাকৈত ঘিয়াছ আহি উপস্থিত হ'ল। তাক ইহঁতে ঠাট্টা মস্কৰা কৰি দলৰ ভিতৰত সোমাবলৈ নিদিছিল। শেহত নানা ধৰণৰ ঠাট্টা বিদ্ৰূপ কৰিয়েই তেওঁ জোৰ কৰি দলৰ ভিতৰত ঠাই কৰি ললে।

মই কোনো ৰকম প্ৰস্তুত নোহোৱাকৈয়ে এই কবিতাটো তৎক্ষণাত ৰচনা কৰি পেলাওঁ আৰু সেইটো এই দলৰ ওচৰলৈ পঠাই দিওঁ।

'গোলাপ বাগানৰ অপৰূপ সৌন্দৰ্য্যত ঢালি মন,
বন্ধু সকল ব্যস্ত যেতিয়া কৰি উৎকৃষ্ট ভোজন,
মই যে সঙ্গহীন,
ভাবিছো বহি
সিহঁতৰ কিমান যে সুখত কাটিছে দিন ।
ভাবিছো বহি,
লভিছে আনন্দ বিনন্দীয়া,
মইহে মাথো দুৰ্ভগীয়া ।
লভক আনন্দ হিংসাতো নাই ।
তেওঁলোকৰ অৰ্থে মাগো আশীৰ্ব্বাদ শত,
হে ঈশ্বৰ তেওঁলোকক কৰা আশীস্,
দুখৰ স্পৰ্শ যেন নহয় কদাচিৎ ।

মধ্যাহ্ন আৰু অপৰাহ্ন নামাজৰ মাজত সুৰাপায়ী দলটোৱে মূৰ্খৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে । সিহঁতৰ যেতিয়া এনে মত্তাৱস্থা, মই তাৰ পৰা আঁতৰি যাওঁ ।

ইয়াৰ কেইদিনমান আগতে ঔষধ হিচাবে ফুল মিহলোৱা মদ খাওঁ । কিন্তু তাৰপৰা ৰোগৰ কোনো উপশম নোহোৱাত মই তাক খোৱা বাদ দিওঁ । মোৰ অসুখ প্ৰায় বাৰু হৈ আহিছে, এনেসময়তে মই আপেল গছৰ তলত এটা উৎসৱৰ আয়োজন কৰোঁ । সেইদিনা কিন্তু মই ঔষধ মিহলোৱা মদ খাওঁ ।

কায়দৰ তকিৰ বাগিচাত টেংৰি বাৰ্দিয়ে কেইজনমান বেগ আৰু ডেকা কৰ্ম্মচাৰীবিলাকক লৈ এটা ভোজৰ আয়োজন কৰে । ৰাতি নামাজৰ পিচত তাৰপৰা উঠি গুচি আহোঁ । তাৰ পিচত ৰৰ-সভাৰ তম্বুত সকলোৱে একেলগে সুৰাপান কৰিবলৈ বহি যাওঁ ।

মাহৰ ২৫ তাৰিখ বৃহস্পতিবাৰে মোৰ অসুখ ভাল হ'বৰ কাৰণে পবিত্ৰ কোৰাণ পাঠ কৰিবলৈ মোল্লা মহম্মদক নিযুক্ত কৰা হয় ।

চাহ হুচেনৰ ঘৰলৈকো মই গৈছিলোঁ। তাত সুৰাপান উৎসৱ চলে। সেই উৎসৱত মোৰ বহুত সম্ভ্ৰান্ত আমীৰ আৰু সভাসদে যোগ দিয়ে।

এদিন আবেলি আৰু সন্ধ্যা নামাজৰ মাজভাগত আমোদ-প্ৰমোদৰ ব্যৱস্থা হয়। আমি পাৰ-গৃহৰ চাদলৈ যাওঁ—তাতেই সুৰাপান কৰিবলৈ বহোঁ। অলপ ৰাতি হৈছে—এনে সময়তে কেইজনমান অশ্বাৰোহীক বাটেদি নগৰৰ ফালে অহা দেখা গ'ল। মই ঠিক নিৰ্ণয় কৰিলোঁ যে এওঁলোক দৰবেছ মহম্মদ আৰু তেওঁৰ দলৰ লোক। মোৰ ঠিক ধাৰণা হ'ল যে এওঁলোক মিৰ্জ্জা খাঁৰ দূত হিচাবে মোৰ ওচৰলৈ আহিছে। দৰবেছ মহম্মদক চাদৰ ওপৰলৈ মাতি পঠিয়ালোঁ। তেওঁক ক'লো—কটকীৰ ভাৱ-ভঙ্গী এৰি আমাৰ লগত উৎসৱত মত্ত হৈ যোৱাঁ।

দৰবেছ মহম্মদ মোৰ ওচৰলৈ আহি কেইটামান উপহাৰ দ্ৰব্য, যিবিলাক তেওঁ লগত আনিছিল—মোৰ ওচৰত থৈ আমাৰ লগত বহি গ'ল। এইসময়ত তেওঁ সংযম পালন কৰিছিল। সেইকাৰণে তেওঁ সুৰাপান নকৰিলে। আমি কিন্তু বৰ মাতাল হৈ পৰোঁ।

পিচদিনা পুৱা ঘেতিয়া মই দৰবাৰ ঘৰত বহোঁ তেতিয়া কটকী ৰূপে যেনেকুৱা আদব-কায়দা আৰু ভদ্ৰতা দেখুৱাৰ নিয়ম আছে সেইদৰে দৰবেশ মহম্মদ মোৰ আগত উপস্থিত হোৱাত—তেওঁৰ লগত আনুষ্ঠানিক ভাবে পৰিচয় কৰি দিয়াৰ পিচত মিৰ্জ্জা খাঁই আনুগত্য দেখুৱাই যি বিলাক উপহাৰ পঠাইছিল সেইবিলাক মোৰ আগত উলিয়ায়। আবদুল ৰহমান আফগানবিলাকে গাৰ্দ্দেজৰ সীমাৰ ভিতৰত বসতি কৰিলেও মোক কোনো কৰ দিয়া নাছিল। সিহঁতে শান্তি ভঙ্গ কৰিবলৈও আৰম্ভ কৰিছিল। অহা যোৱাৰ বাটত সিহঁতে বিদেশী যাত্ৰী আৰু বেপাৰী বিলাকক অত্যাচাৰ কৰিছিল। এই আফগান বিলাকক শিক্ষা দিয়াৰ আৰু সিহঁতৰ বাসস্থান লণ্ড-ভণ্ড কৰিবৰ কাৰণে ওলালো। সেইৰাতি আমি বাট হেৰুৱাই পাহাৰ আৰু চন পৰি থকা মাটিৰ মাজত অনবৰত পকাই-জকাই থাকো। অলপ সময় এইদৰে কটোৱাৰ পিচত

আকৌ আমি বাট বিচাৰি উলিয়াও। তাৰ পিচত 'চচমা-ই-তিৰ'ৰ গিৰি সঙ্কট অতিক্রম কৰি পুৱাৰ নামাজৰ সময়ত সমতলভূমিত নামি সৈন্যবিলাকক ঠাইডোখৰ তন্ন তন্নকৈ চাই শত্রুৰ বা-বাতৰি লবলৈ পঠাও। এদলক লুট কৰিবৰ কাৰণে আৰু এদলক কিৰমাছ পাহাৰৰ দাতিত শত্রুৰ ঘৰদুৱাৰ ভাঙি পেলাবলৈ পঠাই দিও। এটা শকত সংখ্যাৰ দল ভৈয়ামত লুট কৰিবলৈ আগবাঢ়ে।

এই শেষত উলুকিওৱা দলটো বৰ ডাঙৰ বুলি জানি সিহঁত যোৱাৰ পিচত ময়ো পিচে পিচে গৈ থাকো। সেই ঠাইৰ বাসিন্দা সকল বহুত দূৰত আৰু ওথ ঠাইত থকাত যিবিলাক সেনা সিহঁতক বিচাৰি উলিয়াবলৈ গৈছিল সিহঁতৰ ঘোঁৰা বিলাকেই ক্লান্ত হৈ পৰে। সিহঁতে সামান্য বস্তুও লুট কৰি আনিব নোৱাৰিলে।

সমতলভূমিত চল্লিশ পঞ্চাশজন আফগানক দেখা গ'ল। আগবঢ়ুৱা সৈন্যবিলাকক সহায় কৰিবৰ কাৰণে যাক পঠোৱা হৈছিল সিহঁত আফগান বিলাকৰ ফালে আগুৱাই গ'ল। সিহঁতৰ ভিতৰত এজন মোক বেগাই আগবাঢ়ি যাবৰ কাৰণে কবলৈ মোৰ ওচৰলৈ দৌৰি আহিল। মই ততালিকে ঘোঁৰা দৌৰাই আগুৱাই গ'লো। কিন্তু গৈ পোৱাৰ আগতে হুছেন হাছানে আগপিচ নুগুণি হুৰমুৰকৈ ঘোঁৰা দৌৰাই আফগান বিলাকৰ মাজত সোমালগৈ। যেতিয়া তেওঁ তৰোৱাল লৈ যুদ্ধ কৰিবৰ কাৰণে আস্ফালন কৰিছে সেই সময়ত তেওঁৰ ঘোঁৰাই কাড়ঁৰ খোচ খাই জপিয়াই তেওঁক মাটিত বগৰাই দিয়ে। তেওঁ মাটিৰ পৰা উঠোতেই নৌ উঠোতেই ভৰিত তৰোৱালৰ আঘাত পাই আকৌ মাটিত পৰি যায়। তেতিয়া আফগানবিলাকে তৰোৱালেৰে তেওঁক কাটি ছেও ছেও কৰে। আমীৰ সকলে দূৰৰ পৰা এই দৃশ্য চাই থাকে। তেওঁক সহায় কৰিবৰ কাৰণে আগ নাবাঢ়িল।

মই এই বাতৰি পোৱা মাত্রকে কেইজনমান লগুৱা আৰু বছাবছা বণুৱাক ঘটনাস্থলিলৈ লৰালৰিকৈ যাবলৈ কওঁ। মই নিজেও তেওঁলোকক অনুসৰণ

কৰি বেগাই আহোঁ। প্ৰথমে মমিনে হঠাৎ আগুৱাই গৈ যাঠিৰে এজন আফগানক আঘাত কৰি তাৰ মূৰ কাটি আনে। আবদল হাচানে বৰ্ম পিন্ধি নথকাতো সাহসেৰে আগবাঢ়ি যায়। যি বাটেদি আফগানসকল যাত্ৰা কৰি গৈছিল সেই বাটত উপস্থিত হৈ জোৰেৰে ঘোঁৰা দৌৰাই আফগান বিলাকৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে। তৰোৱালেৰে এজন আফগানৰ মূৰ কাটি সেইটো জয়ৰ চিন স্বৰূপে লৈ আহে। তেওঁ নিজেও গাৰ তিনি ঠাইত আঘাত পায়। তেওঁৰ ঘোঁৰাও জখম হয়। মহম্মদ কিপলিনেও হাতত তৰোৱাল লৈ বীৰৰ দৰে আগবাঢ়ি এজন আফগানক আক্ৰমণ কৰে। প্ৰথমে তাক বন্দী কৰে, তাৰ পিচত তাৰ মূৰ কাটি লৈ আহে।

আব্দুল হাচান আৰু মহম্মদ কিপলিনে আগতেও বহুতবাৰ সাহসৰ কাম দেখুৱাই খ্যাতি লাভ কৰিছে। কিন্তু এই ঘটনাত তেওঁলোকে যি বীৰত্বৰ নিদৰ্শন দেখুৱায় তাৰ তুলনা নহয়। উপস্থিত থকা চল্লিশ পঞ্চাশ জন আফগানৰ সকলোকে এজন এজনকৈ হত্যা কৰা হ'ল। আফগান বধৰ পিচত আমি এভোখৰ হাল বাই থোৱা মাটিৰ ওপৰত জিৰণি লওঁ। তাতেই আফগান বিলাকৰ লাওখোলাৰে এটা স্তম্ভ তৈয়াৰ কৰা হয়।

মই আলিবাটলৈ আহি দেখিবলৈ পালোঁ যে হুচেনৰ লগত থকা সকলো-বিলাক বেগ আহি সেইখিনি পাইছেহি। সিইতক দেখি খঙত মোৰ গা জ্বলি উঠে। সিইতক উচিত শাস্তি দিবৰ কাৰণে তেতিয়াই ঠিক কৰি পেলাওঁ। সিইতক কওঁ—তোমালোক ইমানখিনি মানুহ লগত থাকোতেও যেতিয়া আফগান বিলাকে এজন গুণবান ডেকাক এনে নৃশংসভাবে হত্যা কৰিব পাৰিছে, আৰু তোমালোকে নিশ্চল হৈ ৰ লাগি কাপুৰুষৰ দৰে চাই আছা। এনে অৱস্থাত তোমালোকে এই অকৰ্মণ্যতাৰ কাৰণে শাস্তি পাবই লাগিব। এই অপৰাধত তোমালোকৰ সকলোকে মৰ্য্যাদাচ্যুত কৰিলোঁ। তোমালোকৰ ওপৰত যি শাসন ক্ষমতা ন্যস্ত আছিল তাকো তোমালোকৰ হাতৰপৰা লৈ অহা হ'ল। তোমালোকৰ দাঁড়ি খুৰাই এই হীন অৱস্থাতে তোমালোকৰ সকলোকে

বাটে বাটে ঘূৰাই মানুহক দেখুৱাব লাগিব যে এজন ডেকাৰ অমূল্য জীৱন ঘিণ লগা আফগান বিলাকৰ হাতৰ পৰা ৰক্ষা নকৰাৰ ফলত কি শাস্তি পাব লগা হয়। সমতলভূমিত থিয় হৈ তোমালোকে এই দৃশ্য দেখিছা অথচ এটা আঙুলিও তোমালোকে নলৰালা। এয়ে তোমালোকৰ শাস্তি।

যিবিলাক সৈন্য কিৰমাছৰ ফালে গৈছিল সিহঁতে কেইটামান ভেড়া আৰু অলপ লুটৰ মাল লৈ আহিল। এজন আফগানে তৰোৱাল দাঙি থেদি অহা দেখি দৃঢ়মনা বাবা কিছকে মাটিত থিয় হৈ অলপো বিচলিত নহৈ ধনুত কাঁড় লগাই কাড়েৰে বিন্ধি মাটিত বগৰাই দিয়ে।

পিচদিনা পুৱা আমি কাবুললৈ ঘূৰিবৰ কাৰণে যাত্ৰা কৰিলোঁ। মই মহম্মদ আকাৰ গাৰ্ডত গৈ ৰওঁগৈ। পাতি ভাং খোৱাৰ পিচত অলপ মদ পানীত পেলাই মাছবিলাকক মতলীয়া কৰি কিছু মাছ ধৰা হয়।

কাবুল পোৱাৰ পিচত মহম্মদ ফজাল আৰু খছৰুৰ কৰ্মচাৰী বিলাকৰ নিলাব দুৰ্গ পতনৰ ঘটনাত তেওঁলোকৰ আচৰণ সম্পৰ্কে তদন্ত কৰোঁ। তদন্তৰ পিচত ফটফটীয়াকৈ প্ৰমাণ পোৱা গ'ল যে সিহঁতে ভালকৈ কাম কৰা নাই। সিহঁত সঁচাকৈয়ে দোষী। সিহঁতৰ সকলোকে শাস্তি স্বৰূপে তল থাপলৈ নমাই দিয়া হ'ল।

দুপৰীয়াৰ নামাজৰ ওচৰাওচৰি সময়ত সমতলভূমিৰ এজোপা গছৰ তলত সুৰাপানৰ মেল বহে। তাত কিছকে মোগলক এটা সন্মানসূচক সাজ প্ৰদান কৰোঁ।

ইছতালিফত এদিন সুৰাপান মেলৰ আয়োজন কৰা হয়। গন্তব্যস্থানৰ ওচৰ প্ৰায় পাইছোহি—এনে সময়ত মোৰ দলৰ মানুহে এটা ডাঙৰ সাপ মাৰে। সাপটো দীঘলে এটা সৰ্বসাধাৰণ মানুহৰ সমান আৰু মানুহৰ বাহুৰ সমান শকত। এই সাপৰ মুখেদি এটা সৰু সাপ ওলাই আহিল। অলপ আগতে ডাঙৰ সাপটোৱে সেইটো গিলিছিল। সৰু সাপটোৰ গাৰ প্ৰতি অংশই অক্ষত অৱস্থাত আছিল আৰু সাপটোও জীয়াই আছিল। ক্ষীণ সাপটো শকত

সাপটোতকৈ দীঘলে অলপ কম আছিল। ক্ষীণ সাপটোৰ ভিতৰৰ পৰা আকৌ এটা এন্দুৰ ওলাই আহে। আচৰিত কথা সেইটোও জীৱন্ত আৰু অঙ্গ-প্ৰত্যঙ্গও অক্ষত আছিল।

মই কিছুমান চিঠি লিখি কিছুকিনে তুন্‌কেতাৰৰ হাতত পাহাৰৰ সিপাৰৰ আমীৰবিলাকৰ ওচৰলৈ পঠাই দিওঁ। তেওঁলোকৰ আগত মোৰ এই ইচ্ছাটোও জনাওঁ—তেওঁবিলাক যেন তেওঁবিলাকৰ দেশৰ সকলো সেনাকে একেলগ কৰি সাজু থাকে। মই এই কথাও জনাও যে মোৰ সেনা অভিযানৰ কাৰণে সাজু, তেওঁলোকেও যেন সৈন্য সজাই শিবিৰলৈ আহি তেওঁলোকৰ লগত যোগ দিয়ে।

পিচদিনা পুৱাও ঘোঁৰাত উঠি খুব ঘূৰো আৰু ভাং খাওঁ। পাৰোৱান নৈ য'ত আলিৰ কাষত লগা লগি হৈছে তাৰ পানীত এই দেশৰ প্ৰস্তুত এবিধ দৰব পেলোৱা হয়—যিটো পানীৰ মাছক অৱশ কৰিবৰ কাৰণে এইকালে ব্যৱহাৰ কৰা হয়। এইদৰে আমি বহুত মাছ ধৰো। মিৰ চাহ বেগে মোক এটা ঘোঁৰা উপহাৰ দিয়ে। এটা ভোজৰ আয়োজন কৰি আমাক সম্বৰ্দ্ধনা জনায়।

ৰাতিৰ নামাজৰ পিচত সুৰাপানৰ মেল বহে। দৰবেশ মহম্মদো এই সময়ত উপস্থিত আছিল। তেওঁ বয়সত ডেকা আৰু এজন যোদ্ধা হ'লেও কোনো দিনেই তেওঁ সুৰাপান কৰা নাই। তেওঁ কঠোৰ নিয়মত সুৰাপান বৰ্জ্জন কৰি আহিছে। কুতলুক খাজাই বহুত দিনৰ পৰা সৈনিক বৃত্তি ত্যাগ কৰি ফকীৰ হৈছে। তেওঁৰ বয়সো বহুত আৰু ডাড়িও পকিছে। কিন্তু তেওঁ সদায়েই সুৰাপান উৎসৱত আমাৰ লগত যোগ দিছে।

মহম্মদ দৰবেছক মই ক'লো—'কুতলুক খাজাৰ পকা ডাড়ি দেখিও তোমাৰ লাজ লগা নাইনে? তেওঁ বুঢ়া, তেওঁৰ ডাড়িও পকা অথচ তেওঁ কেনে মদ খায়। আৰু তুমি এজন ডেকা, তাৰোপৰি সৈনিক, তোমাৰ ডাড়িও কেঁচা —অথচ তুমি মদ নোখোৱা। ইয়াৰ কিবা অৰ্থ আছেনে কি?'

এনে নীতি মোৰ নহয় আৰু মই এইটো শিষ্টাচাৰ বিৰুদ্ধ বুলি ভাবো যে—যি মানুহে মদ নাখায় আৰু যাৰ মদ খোৱাৰ ইচ্ছাও নাথাকে তেওঁক জোৰ জবৰদস্তি মদ খুৱাবলৈ চেষ্টা কৰোঁ। গতিকে তেওঁক যে ইমানখিনি কথা ক'লো সেইটো মাত্র আমোদ কৰিবৰ কাৰণে, নেৰানেপেৰাকৈ লাগি মদ খুৱাবৰ কাৰণে নহয়।

পিচদিনা পুৱা ঘোৰাত উঠি আলুন গাঁও পাওঁহি। তাত খোৱা বোৱা শেষ কৰি বাঘাত থামেলৈ যাওঁগৈ। দুপৰীয়াৰ নামাজৰ পিচত সুৰাপান মেল বহে।

পিচদিনা পুৱা আকৌ আমাৰ যাত্রা আৰম্ভ হ'ল। খান চৈয়দৰ সমাধি চাই আৰু সমাধিস্থল প্রদক্ষিণ কৰি কৰি 'চিনেত'ত এখন ভুৰত উঠো। পেনাজিৰ নৈৰ সঙ্গমস্থলত—য'ত পাহাৰ পানীৰ লগত লগ লাগিছে—আমাৰ ভুৰখন পানীৰ তলৰ এটা শিলত খুন্দা খায়। খুন্দা খাওতে ভুৰখন ইমান ভীষণ জোকাৰ খায় যে কেইজনমান মানুহে জোকাৰণী চম্ভালিব নোৱাৰি পানীত বাগৰি পৰে। তেওঁলোকক অতি কষ্টেৰে আকৌ তুলি অনা হয়। এখন চামুচেৰে সৈতে এটা চিনা মাটিৰ পিয়লা আৰু এযোৰ কৰতালো পানীত পৰি যায়। তাৰ পৰা এবাই আমাৰ ভুৰখন গৈ যেই পাহাৰৰ ইটো কাল পাইছে তেতিয়া নৈৰ পানীৰ তলৰ কিবা এটাত আকৌ খুন্দা খায়। নাজানো সেইটো পানীৰ তলত বুৰ গৈ থকা কোনো গছৰ ডাল বা পানীৰ সোঁত বন্ধ কৰিবৰ কাৰণে পানীত পোতা খুটি নেকি। খুন্দা খাই চাহ হুছেন লুটি খাই পানীত পৰে আৰু পানীত পৰা সময়ত মিৰ্জাক ধৰি আছিল কাৰণে তেওঁও পানীত পৰি যায়। তেওঁৰ হাতত অমমুক্ত কাটিবৰ কাৰণে এখন কটাৰী আছিল। যেতিয়া পানীত পৰো পৰো তেতিয়া ভুৰত পাৰি খোৱা কঠত কটাৰীখন লগাই থয়। ভুৰখন ধৰিব নোৱাৰি তেওঁৰ গাৰ দামী সাজ পিন্ধিয়েই তেওঁ সাঁতুৰি থাকে।

ভুৰৰ পৰা নামি আমি নাৱৰীয়া বিলাকৰ ঘৰতে কটাওঁ। পানীত পৰি

যোৱা পিয়লাটোৰ নিচিনা এটা সাতৰঙৰ পিয়লা দৰবেছ মহম্মদে মোক উপহাৰ দিয়ে।

২৫ তাৰিখ সোমবাৰে সৰ্ব্বোচ্চ সন্মানৰ চিন এটা পোচাক আৰু সাজেৰে সৈতে এটা ঘোঁৰা দৰবেছ মহম্মদক প্ৰদান কৰোঁ আৰু তেওঁক 'বেগ' পদবীৰে ভূষিত কৰোঁ। চাৰি-পাঁচ মাহ মই মূৰৰ চুলি কটা নাই। ২৭ তাৰিখ বুধবাৰে মই চুলি কাটো। এই দিনাই আমাৰ সুৰাপান উৎসৱ হয়।

ইউচুফজাইবিলাকক দমন কৰিবৰ কাৰণে মই অভিযান আৰম্ভ কৰোঁ। যেতিয়া মই ঘোঁৰাত উঠিবলৈ যাওঁ তেতিয়া ঘোঁৰাৰথীয়া বাবা জানে প্ৰচলিত নিয়মবিৰুদ্ধ ভাবে মোৰ ওচৰলৈ ঘোঁৰা অনাৰ বাবে খং উঠি মই তাৰ মুখত ঘোচা মাৰো আৰু ফলত মোৰ হাতৰ বুঢ়া আঙুলিৰ হাড় লৰে। প্ৰথমতে ইয়াৰ গুৰুত্ব বুজিব পৰা নাছিলো। কিন্তু যাত্ৰাৰ শেহত যেতিয়া ঘোঁৰাৰ পৰা নামো তেতিয়া আঙুলিৰ বিষ অসহ্য হৈ উঠে। বহু দিন মই এই বিষত ভুগো। এই সময়ছোৱাত মই এখন চিঠিও লিখিব পৰা নাছিলো। যাহওক পিচত বিষ আঁতৰে।

আমি কিৰিক আৰিকত গৈ ৰওঁ। মোৰ কেইজনমান অন্তৰঙ্গ বন্ধুক লৈ এখন নাৱত উঠো। এই ঠাইতেই ন-জোনৰ উৎসৱ পালন কৰো। সুৰ উপত্যকাৰ পৰা কেইজনমানে কিছুমান জন্তুৰ পিঠিত বোজা কৰি মদৰ পাত্ৰ লৈ আহে। সন্ধ্যাৰ নামাজৰ পিচত সুৰাপান বৈঠক বহে। দৰবেছ মহম্মদে কেতিয়াও সুৰাপান কৰা নাই। শৈশৱ কালৰে পৰা মই এই নিয়মকে পালন কৰি আহিছো যে—কাকো ইচ্ছাৰ বিৰুদ্ধে মদ খাবৰ কাৰণে জোৰ জুলুম নকৰো। দৰবেছ মহম্মদ সদায়েই আমাৰ দলত থাকে। কিন্তু তেওঁক কেতিয়াও মদ খাবলৈ কোৱা নাই। মহম্মদ আলিয়ে কিন্তু তেওঁক এনেকৈ চলিবলৈ দিবলৈ ইচ্ছুক নহয়। সেইদিনা কিন্তু তেওঁক নানা প্ৰকাৰে অনুৰোধ আৰু লাগিভাগি সুৰাপান কৰায়।

ইদৰ দিনা সোমবাৰে ৰাতিপুৱা আকৌ যাত্ৰা আৰম্ভ কৰোঁ। বাটত মই

ভাং খাওঁ। যেতিয়া ভাং খাওঁ তেতিয়া মোৰ ওচৰলৈ আপেলৰ নিচিনা এটা ফল অনা হয়। দৰবেছ মহম্মদে এনেকুৱা ফল কেতিয়াও দেখা নাই। মই তেওঁক কওঁ যে এইটো হ'ল হিন্দুস্থানী তৰমুজ। সেইটো কাটি তেওঁক এটুকুৰা দিওঁ। তেওঁ লৰালৰিকৈ সেইডোখৰ মুখত ভৰাই আগ্ৰহেৰে চোবায়। দিনৰ দিনটো তেওঁৰ মুখৰ তিতা ভাব নগল। অলপ মাংস ৰন্ধা হৈছে আৰু খাবৰ কাৰণে বটা হৈছে। ঠিক এনে সময়তে লেঙ্গাৰ খাই অলপ ভাং উপহাৰ স্বৰূপে লৈ উপস্থিত হ'ল। আৰু মোৰ কামত তেওঁ নিজকে উৎসৰ্গ কৰিব বুলি জনায়। আবেলিৰ নামাজৰ পিচত মই কেইজনমান অন্তৰঙ্গ বন্ধুক লৈ এখন ভুৰত উঠি সোঁতৰ বুকুত উটি যাওঁ।

পিচদিনা ৰাতিপুৱা আমি আগবাঢ়ি গৈ খাইবাৰ পাচৰ তলত ৰওঁগৈ। সেইদিনাই চুলতান বেজিদে সেইখিনি পাই এই বাতৰি দিয়ে যে আফ্ৰিদি আফগানবিলাকে তেওঁবিলাকৰ পৰিয়াল আৰু বয়বস্তু লৈ 'বাৰে'ত বসবাস কৰিছে। তাত সিইতে প্ৰচুৰ পৰিমাণে ধান খেতি কৰিছে। পথাৰৰ পৰা তেতিয়াও সিইতে ধান কাটি লৈ যোৱা নাই। মই তেতিয়া ইউচুফজাই আফগান বিলাকৰ দেশ লুট কৰিবলৈ স্থিৰ কৰিছো, গতিকে অন্য কথাত মূৰ ঘমোৱাৰ সময় নাছিল। দুপৰীয়াৰ নামাজৰ সময়ত সুৰাপান বৈঠক বহে। এই বৈঠকৰ সময়ত খাজা কালানলৈ এইবিলাক দেশত আমাৰ অভিযানৰ বিস্তৃত বিৱৰণ দি এখন চিঠি লিখো। চিঠিখনৰ একাষে এই কবিতাটো লিখি দিওঁ:

'হে মলয় পবন।
চকখোৱা চকুৰে হৰিণা পোৱালিটিক
কোৱা দয়া কৰি,
অভিশাপ দিছা তুমি মোক,
যি অভিশাপত পাহাৰে পাহাৰে
মই অৱশ হওঁ ঘূৰি।'

তাৰপৰা দোকমোকালিতে যাত্ৰা কৰি থাইবাৰ গিৰিসঙ্কট পাৰ হৈ আলি মচজিদত গৈ ৰওঁ। দুপৰীয়াৰ নামাজৰ সময়ত মালবস্তু পিচত অহাৰ ব্যৱস্থা কৰি আমি আগবাঢ়ো। আৰু ৰাতিৰ দ্বিতীয় প্ৰহৰত কাবুল নদীৰ পাৰ পাওঁগৈ। তাত অলপ সময় শোওঁ। ৰাতি-পুৱাতেই নদীত খোজকাটি পাৰ হ'ব পৰা ঠাই বিচাৰি উলিয়াই পাৰ হৈ যাওঁ। মোৰ আগৰণুৱা দলৰ যোগে বাতৰি পাওঁ যে আফগানবিলাকে আমি অহাৰ খবৰ পায়েই পলাইছে। যাই হওক, বাট বুলি গৈ গৈ আকৌ ছাবাদ নৈ পাৰ হৈ আফগানবিলাকৰ শস্যক্ষেত্ৰত উপস্থিত হওঁ। যি পৰিমাণৰ শস্য আমি পাম বুলি বিশ্বাস জন্মোৱা হৈছিল তাৰ আধাও নেদেখিলোঁ। আধা কিয়, চাৰি ভাগৰ এভাগো নহয়। গতিকে হাছানখৰক শস্যৰ ভঁড়ালৰূপে সুৰক্ষিত কৰাৰ যি পৰিকল্পনা আছিল সেইটো ত্যাগ কৰিবলগা হ'ল, যি সকল মুখিয়াল লোকে এই অভিযানৰ কাৰণে প্ৰৰোচিত কৰিছিল সকলোৰেই লজ্জিত হ'ল। আ নেদিৰ নামাজৰ ওচৰাওচৰি সময়ত কাবুলৰ ফালৰ নৈখন পাৰ হৈ অপেক্ষা কৰি থাকো।

পিচদিনা পুৱা বেগবিলাকক উপস্থিত হবৰ কাৰণে আদেশ জাৰি কৰোঁ। তেওঁলোক আহিলত পৰামৰ্শ সভাত যোগ দিবলৈ তেওঁলোকক আহ্বান কৰা হয়। আলোচনাৰ পিচত স্থিৰ হয় যে আফ্ৰিদি আফগানবিলাকৰ দেশ লুট কৰিব লাগিব আৰু পেচোৱাৰ দুৰ্গ এনেভাৱে সজ্জিত কৰিব লাগিব যাতে লুটৰ মালপত্ৰ আৰু শস্য তাত সুৰক্ষিত কৰি ৰাখিব পৰা যায়। তাত এদল সৈন্য ৰখাৰো সিদ্ধান্ত কৰা হয়।

এইবিলাক কথাৰ সুব্যৱস্থা কৰাৰ পিচত আমি যাত্ৰা আৰম্ভ কৰি 'বিশ্বাস উদ্যান' পাওঁগৈ। এই ঋতুত বাগিচাখন ফলেফুলে সুশোভিত হৈছিল। গছত বঙা ডালিম ওলমিছিল। সুমধিৰা টেঙাৰ গছে সেউজীয়া বং লৈ যেন আনন্দত হাঁহিছে। অসংখ্য সুমথিৰা গছবিলাকত ভৰি আছে। ভাল জাতৰ সুমথিৰা তেতিয়াও পকা নাই। ইয়াৰ ডালিমবিলাক বেচ ভালেই কিন্তু আমাৰ দেশৰ নিচিনা সিমান সুন্দৰ নহয়। এইবাৰ এই বাগিচা দেখি

যেনেকুৱা আনন্দ পাইছো এনে কিন্তু আগতে হোৱা নাই। যি তিনি চাৰিদিন আমি এই বাগানত আছিলো আমাৰ শিবিৰৰ সকলোৱেই প্ৰচুৰ পৰিমাণে ডালিম খাইছে।

উদ্যানৰপৰা ওলাই আহিলো। ইয়াত আমি দিনৰ প্ৰথম প্ৰহৰ পৰ্যান্ত আছিলো। নানা লোকক সুমথিৰা বিলাই দিওঁ। চাহ হাচানক দুজোপা গছৰ টেঙা দিওঁ। বেগ বিলাকৰ কোনো জনক এজোপাৰ আৰু কোনোজনক দুজোপা গছৰ সুমথিৰা দিয়া হয়। জাৰকালি লেমঘানৰ মাজেদি যোৱাৰ ইচ্ছা থকাত বিলৰ পাৰৰ প্ৰায় কুৰি জোপা সুমথিৰা গছৰ ফল মোৰ ব্যৱহাৰৰ কাৰণে ৰখাৰ ব্যৱস্থা কৰোঁ। এই দিনাই আমি গন্দামাক পাওগৈ।

পিচদিনা পুৱা আমি জগদালিকত গৈ উপস্থিত হওগৈ। সন্ধ্যাৰ নামাজৰ সময়ত আমাৰ সুৰাপান বৈঠক বহে। মোৰ অনেক ডা-ডাঙৰীয়া এই সময়ত উপস্থিত আছিল। উৎসৱৰ শেষত গাদাই মহম্মদ বৰ কথকি আৰু ব্যৱহাৰত বিৰক্তিকৰ হৈ উঠিছিল। তেওঁ মাতাল হৈ মই যিটো গাৰুত আউজি জিৰণি লও সেই গাৰুতে শুই পৰোতেই তাঘায়ে তাক তাৰ পৰা উলিয়াই দিয়ে।

ৰাতিপুৱাৰ আগতে তাৰ পৰা ৰাওনা হৈ বাৰিক নৈৰ পাৰৰ গাওঁবিলাক পৰ্য্যবেক্ষণ কৰিবলৈ আৰম্ভ কৰোঁ। বহুত তুৰাক গছ সুন্দৰ ফলেৰে ধুনীয়া হৈ আছিল। আমি এই ঠাইতে ৰওঁ। 'ইউলকেৰাণ' নামৰ এটা খোৱা বস্তুৰে ডুপৰীয়াৰ আহাৰ শেষ কৰি ইয়াৰ শস্য সম্পদৰ প্ৰাচুৰ্যক সন্মান কৰিবৰ কাৰণে সুৰাপান চলি থাকে। আহিবৰ সময়ত বাটত এটা ভেড়া পোৱা গৈছিল। মোৰ মানুহবিলাকে সেই ভেড়া জবাই কৰি তাৰ অলপ মাংস একৰাই আনি ৰান্ধে। অ'ক গছৰ ডালপাতেৰে জুই জলাই উৎসৱ পালন কৰা হয়।

সূৰ্য্য পশ্চিম আকাশত কাতি নোহোৱালৈকে আমি ফটিকা পান চলাই যাওঁ। তাৰ পাচত আকৌ যাত্ৰা আৰম্ভ কৰোঁ। যি সকল এই সুৰাপানৰ

দলত আছিল তাৰ সকলোৰেই একেবাৰে মাতাল হৈ পৰিছিল। চৈয়দ কাচিম ইমান মাতাল হয় যে তেওঁৰ দুজন ভৃত্যই তেওঁক ঘোঁৰাৰ ওপৰত বহুৱাই অতি কষ্টেৰেহে শিবিৰলৈ আনিব পাৰিছিল। দোষ্ট মহম্মদৰ নিচাও ইমান প্ৰবল হৈছিল যে আমিন আৰু তেওঁৰ লগত যি আছিল সকলোৱে নানা চেষ্টা কৰিও তেওঁক ঘোঁৰাত উঠাব পৰা নাই। তেওঁৰ মূৰত পানী ঢলা হ'ল। কিন্তু কোনো ফল নধৰিলে। এই সময়ত এদল আফগানক দূৰত দেখা গ'ল। ঘোৰ মাতাল অৱস্থাত আমিনে গম্ভীৰ ভাবে এই মত প্ৰকাশ কৰিলে যে তেওঁক এই অৱস্থাত শত্ৰুৰ হাতত পেলাই থোৱা ভাল। যাতে তেওঁ শত্ৰুৰ হাতত পৰিব পাৰে। তেওঁৰ মূৰটো শত্ৰুৱে কাটি লৈ গলেহে বৰ ভাল হয়। যেই হওক, আৰু এবাৰ চেষ্টা কৰি তেওঁলোকে কোনোৰকমে ঘোঁৰাৰ পিঠিত পেলাই ঘোঁৰা খেদি তেওঁক আঁতৰাই লৈ আহে।

মাজনিশা আমি কাবুল পালোহি। মই অকলে আগুৱাই গৈ কাচিম বেগৰ সমাধিৰ ওচৰত আহি প্ৰথম এপিয়লা কটিকা পান কৰোঁ। দলৰ লোক এজন এজনকৈ তালৈ আহি উপস্থিত হয়। ৰ'দৰ তাপ বাঢ়ি অহাত আমি বেগুনি বাগানলৈ জিৰণি লবৰ কাৰণে যাওঁ। তাতে এখন বিলৰ পাৰত মদৰ পিয়লা লৈ বহি যাওঁ। দুপৰীয়া আমি অলপ শুই লওঁ। দুপৰীয়াৰ নামাজৰ পিচত আকৌ আমি সুৰাপান কৰিবলৈ বহোঁ। আবেলিৰ উৎসৱত মই টেংৰি কুলি বেগ আৰু মেহেন্দিৰ হাতত মদৰ পিয়লা দি দিও যিটো মই আগতে কেতিয়াও কৰা নাই। ৰাতিৰ নামাজৰ সময়ত মই স্নানাগাৰত সোমাই নিশাটো তাতেই কটাই দিওঁ।

দেওবাৰে কটকৰ ওপৰৰ সৰু ছবিঘৰত এটা বৈঠক বহে। ঘৰটো বৰ সৰু হলেও আমাৰ দলত আছিল যোল জন। শত্ৰুৰ লোক কেনেকুৱা হৈছে পিছদিনা চাবলৈ যাওঁ। এইদিনা মই ভাং খাওঁ। সেই নিশা খুব বৰষুণ হয়। সৰহ সংখ্যক বেগ আৰু সভাসদ—যি সকল মোৰ লগত আছিল—মোৰ

তম্বুতেই আশ্ৰয় লবলৈ বাধ্য হৈছিলো। তম্বু তৰা হৈছিল বাগিচাৰ মাজ ঠাইত।

পিচদিনা পুৱা সেই তম্বুতে সুৰাপান বৈঠক বহে। ৰাতিলৈকে আমাৰ সুৰাপান চলে। পিচদিনা পুৱাও এদিয়লা ফটিকা সেৱন কৰি মতলীয়া হৈ শুই পৰো। দুপৰীয়াৰ নামাজৰ সময়ত ইস্তালিফ ত্যাগ কৰি বাটতে ভাং খাওঁ। এইফালে খেতিৰ অৱস্থা বৰ ভাল আছিল। খেতি পথাৰৰ চাৰিওফালে ঘূৰি ঘূৰি মোৰ লগৰীয়া কেইজনমানে—যি সকল সুৰাপানত বৰ পকা—তেওঁলোকে ফটিকা পান বৈঠকৰ আয়োজন কৰাৰ মতলব কৰিছিল। মই যদিও ভাং খাইছিলো, শস্যৰ অসাধাৰণ প্ৰাচুৰ্য্য দেখি যি বিলাক গছত অপৰ্য্যাপ্ত ফল ধৰিছিল সেইবিলাক গছৰ তলত বহি মদ খোৱা আৰম্ভ কৰো। সেই ঠাইতে ৰাতিৰ নামাজৰ সময়লৈকে এই বৈঠক চলি থাকে। মোল্লা মহম্মদ খলিফা সেই ঠাইত উপস্থিত হোৱাৰ লগে লগে তেওঁক আমাৰ লগত যোগ দিবলৈ আমন্ত্ৰণ জনাওঁ। আবদাল্লা খুব মাতাল হৈ পৰাত এনেকুৱা এটা মন্তব্য কৰে যি খলিফাক আঘাত কৰে। মোল্লা মহম্মদ তাত উপস্থিত থকাটো পাহৰি গৈ তেওঁ এই কবিতাটো আবৃত্তি কৰে।

'পৰীক্ষা তুমি যাকেই কৰা
হওক তেওঁ সৰু হওক তেওঁ বৰ
নিজ চকুৰেই দেখিবা তুমি
একে ঘাত আছে সকলো ভুগি।'

মোল্লা মহম্মদে মদ নাখায়। কবিতাটো পাতল ধৰণেৰে আবৃত্তি কৰাত তেওঁ আবদাল্লাক তিৰস্কাৰ কৰিলে। বিবেচনা শক্তি ঘূৰাই পোৱাৰ পিচত আবদাল্লা খুব সন্ত্ৰস্ত হৈ পৰিল, তেওঁ তাৰ পিচৰ পৰা গোটেই সন্ধ্যাটো খুব মিহি আৰু মিঠা ভাষাত কথাবাৰ্ত্তা কৰবলৈ ধৰিলে।

১৬ তাৰিখ বৃহস্পতিবাৰে মই বেগুনি বাগানত ভাং খাওঁ। মোৰ কেইজন-মান বন্ধুস্থানীয় লগৰীয়াক লগত লৈ এখন নাৱত উঠো। হুমায়ুন আৰু

কামৰান আমাৰ লগত আছিল। হুমায়ুনে বৰ সুন্দৰ লক্ষ্য কৰি এটা পানী কাউৰী চিকাৰ কৰে।

প্ৰায় দুপৰীয়া আমি আকৌ ঘোঁৰাত উঠো। চহিচ আৰু লগুৱা বিলাকক বিদায় দি এটা গুপুত জলপথৰ কাষত উঠোঁহি। তাৰ পিচত আমি ভাটিখানাৰ পিচফালেদি ৰাতিৰ প্ৰথম প্ৰহৰৰ শেষৰ ফালে তাৰদি বেগৰ পানীখালৰ ওচৰ পাওঁহি। আমি অহাৰ খবৰ পাই তাৰদি বেগে মোক দেখা কৰিবলৈ লৰালৰিকৈ দৌৰি আহে। মই বেচ ভালকৈয়ে জানো তেওঁৰ চিন্তাহীন শপতৰ কথা আৰু এইটোও জানো যে সুৰাপাত্ৰ হাতত লবলৈ তেওঁ বেয়া নাপায়। মোৰ হাতত যি টকা আছিল সেইখিনি তেওঁৰ হাতত দি কওঁ যে কেইজনমান বঢ়িয়াল লোকৰ লগত মই আমোদ কৰিব খোজো। তেওঁ যেন মদ আৰু আনুসঙ্গিক বস্তু লৈ আহে।

মদ আনিবলৈ তাৰদি বেগ ওলাই গ'ল। তাৰদি বেগৰ এজন ক্ৰীতদাসক মোৰ ঘোঁৰাটোক পথাৰত ঘাঁহ খুৱাবলৈ পঠালে। মই বিলৰ পিচফালে এটা ওখ টিপৰ ওপৰত বহি লওঁ। ৰাতিৰ প্ৰথম প্ৰহৰত প্ৰায় ন বজাত তাৰদি বেগে একলহ মদ লৈ আহে। আমি সুৰাপাত্ৰ লৈ বহি গলো। তাৰদি বেগে যেতিয়া মদ লৈ আহিছিল তেতিয়া মহম্মদ কাচিম আৰু চাহজাদাই তেওঁৰ উদ্দেশ্য উমানতে বুজি লৈ তেওঁৰ পিচে পিচে ঢাপলি ধৰে। তেওঁলোকে কিন্তু বুজিব পৰা নাই যে মোৰ আদেশত তেওঁ মদ আনিছে। আমাৰ দলত যোগ দিবৰ কাৰণে তেওঁলোকক আমন্ত্ৰণ জনাওঁ। তাৰদি বেগে মোক জনায় যে হুলহুলে আমাৰ লগত মদ খাব খোজে। মই কলো, 'মাইকী মানুহক মদ খোৱা কেতিয়াও দেখা নাই বাৰু, তেওঁক আমাৰ দলত যোগ দিবলৈ কোৱা'। তেওঁ চাহি নামৰ এজন সাধু লোককো মাতি আনে। সেই মানুহজনে বাঁহী বজায়।

আমি বিলৰ পিচফালৰ ওখ মাটিৰ ওপৰত বহি সন্ধ্যা নামাজৰ সময় পৰ্যন্ত সুৰাপান কৰি থাকোঁহক। তাৰ পিচত আমি তাৰদি বেগৰ ঘৰলৈ আহি

মমৰ পোহৰত ৰাতিৰ নামাজৰ সময়লৈকে কটিকা সেৱন চলাই যাওঁ। আমাৰ এই উৎসৱ বৰ আমোদজনক আৰু দোষমুক্ত হৈছিল।

মই শুই পৰিলো। মোৰ আন লগৰীয়াসকলে ৰাতিৰ শেষ প্ৰহৰ জনাই শিঙা নবজোৱালৈকে সুৰাপান চলাইছিল। হুলহুলে মাতাল অৱস্থাতে মোৰ ওচৰলৈ আহি নানা উৎপাত আৰম্ভ কৰি দিয়ে। মই যেন বৰ মাতাল হৈ পৰিছো এনে ভাও ধৰি বিচনাত শুই পৰো। এই ফাকিৰ সহায়ত সেই নিশা তেওঁৰ হাতৰ পৰা নিস্তাৰ পাওঁ। মই অকলেই ওলাই যোৱাৰ ইচ্ছা কৰি এওঁলোকৰ কাকো নোকোৱাকৈ ঘোঁৰাত উঠাৰ আয়োজন কৰোঁ। কিন্তু এওঁলোকে মোৰ মতলব গম পোৱাত মই কৃতকাৰ্য্য হব নোৱাৰিলো। দোকমোকালিৰ শিঙা বাজি উঠিলত মই ঘোঁৰাত উঠো। তাৰদি বেগ আৰু চাহজাদাক মোৰ লগৰীয়া হবলৈ কোৱাত তেওঁলোকো ঘোঁৰাত উঠে। ৰাতিপুৱাৰ নামাজৰ সময়ত আমি ইস্তালিফ পাওগৈ। তাত কিছুসময় বৈ মই ভাং খাওঁ। তাৰপাচত শস্যৰ অৱস্থা চাবৰ কাৰণে আমি ঘূৰি পকি ফুৰো। সূৰ্য্যোদয়ৰ সময়ত আমি ইস্তালিফৰ উদ্যানত গৈ ৰওঁগৈ। তাত আঙুৰ খাওঁ। তাৰ পিচত আতামিৰৰ ঘৰত গৈ শোওঁগৈ।

আমি যেতিয়া টোপনিত লালকাল তেতিয়া আতামিৰে আমাৰ অভ্যৰ্থনাৰ যোগাৰ কৰি একলহ মদ ঠিক কৰি ৰাখে। মদখিনি বৰ সোৱাদ আছিল। কেইপিয়লামান খাই আকৌ ঘোঁৰাত উঠো। দুপৰীয়াৰ নামাজৰ সময়ত এখন ধুনীয়া উদ্যানত ৰওঁগৈ। তাত আমাৰ আমোদ বৈঠক বহে। অলপ সময়ৰ ভিতৰতে আমিনে আমাৰ লগত যোগ দিয়ে। ৰাতিৰ নামাজৰ সময়লৈকে আমি সুৰাপান চলাই যাওঁ।

পিচদিনা পুৱাৰ আহাৰৰ পিচত ইস্তাৰঘাচৰ তলত ৰাজ উদ্যানৰ চাৰিওফালে ঘূৰা পকা কৰোঁ। এজোপা আপেল গছত বহু গুটি লাগিছে। কিছুমান ডালত পাঁচ-ছটা পাত অ'ত-ত'ত তেতিয়াও আছে। ইমান সুন্দৰ যে কোনোবা চিত্ৰকৰৰ অশেষ নৈপুণ্য থাকিলেও এই ছবি হুবহু অঁকাৰ চেষ্টা বিফল হ'ব।

ভৰ্গ পাই সুৰাপান উৎসৱৰ আয়োজন কৰোঁ। এই বৈঠকৰ নিয়ম আছিল যে কোনোবাই মদ খাই মাতাল হ'লেই স্থান ত্যাগ কৰিব লাগিব আৰু তেওঁৰ ঠাইত আন এজনক নিমন্ত্ৰণ কৰি অনা হ'ব।

(১৯)

১৫১৯ খ্ৰীষ্টাব্দৰ আৰু ঘটনাৱলী

কুলবৰ তলৰ পাহাৰত আমি বহুত হৰিণা চিকাৰ কৰোঁ। মোৰ আঙুলিত বিষ হোৱাত এতিয়ালৈকে কাঁড় মৰা নাছিলো। এইদিনা কাঁড় মাৰি এটা হৰিণাৰ কান্ধৰ হাৰ ফুটাই দিওঁ। শৰডাল আধা সোমায়। আবেলিৰ নামাজৰ সময়ত এখন ভুৰত উঠো। তাতো সুৰাপান চলে। সন্ধ্যাৰ নামাজৰ পিচত ভুৰৰ পৰা নামি তম্বুত গৈ মদ লৈ বহি যাওঁ।

পিচদিনা পুনৰ আকৌ ভুৰত উঠি ভাং খাওঁ।

শুকুৰবাৰে পুনৰ আকৌ কিছুদূৰ আগবাঢ়ি যাওঁতেই বহুত ডাউক চকুত পৰিল। ৰাতিও সুৰাপান চলিল।

এখন ভুৰত উঠি সুমথিৰা বাৰীৰ ওচৰলৈ আহি মাটিত নামো। সুমথিৰা বিলাক প্ৰায় হালধীয়া ৰং ধৰিবলৈ লৈছে আৰু সেউজীয়া গছবিলাকো চমৎকাৰ দেখাইছে। এই সুমথিৰা বাৰীত আমি পাঁচ ছদিন অৱস্থান কৰো।

স্থিৰ কৰিছো যে চল্লিশ বছৰ বয়সত মই সুৰাপান একেবাৰে ত্যাগ কৰিম। মোৰ চল্লিশ বছৰ পূৰ হবলৈ এবছৰৰ কম বাকী আছে। সেইকাৰণেতে এই বছৰত মই বৰ বেচি মদ খাইছো। মোল্লা ইয়াৰেকে এটা সুৰ বজালে—যিটো সুৰ আৰু তাল তেওঁৰ নিজে বন্ধা। সুৰটো বৰ সুন্দৰ। মই এইবিলাক বিষয়ে কোনো মন কাণ দিয়া নাই। মোৰ মনত খেলালে যে মইয়ো কিবা এটা ৰচনা কৰিব লাগিব। এই ঘটনাত মোৰ মনত 'চাৰঘা'ৰ তালত এটা গীত

ৰচনা কৰাৰ কথা জাগি উঠিল। সেই কথা পিচত সময়মতে উল্লেখ কৰা হ'ব।

সেইদিনা কটিকাৰ প্ৰথম পিয়লা হাতত লৈ আমোদ কৰি ক'লো—যি 'তাজিক' সঙ্গীত গাব পাৰিব তেওঁকেই এটা ডাঙৰ পাত্ৰপূৰ্ণ সুৰা পান কৰিবলৈ দিয়া হ'ব। ইয়াৰ ফলত বহুতেই পাত্ৰপূৰ্ণ সুৰাপান কৰিবলৈ পায়।

পুৱা নটাত আমাৰ বৈঠকত যোগ দিয়া যি কেইজন তাল গছৰ তলত বহিছিল তেওঁলোকে প্ৰস্তাৱ কৰিলে যে যিসকলে তুৰ্কি গান গাব পাৰিব তেওঁলোককো ডাঙৰ পাত্ৰপূৰ্ণ মদ দিয়া হব। কোনোৱে কোনোৱে তুৰ্কি সঙ্গীত গোৱাৰ লগে লগে কটিকা দাবী কৰিলে আৰু তেওঁলোকে তাক পালে। সূৰ্য্য যেতিয়া মূৰৰ পোন তেতিয়া আমি সুমথিৰা টেঙাৰ গছৰ কাষে গ'লো আৰু খালৰ পাৰত বহি মদ খালোঁ।

কিছুদিনৰ পিচত পুৱা অনেক অপৰাধত অপৰাধী খামজে খানক—যি বহুত নিৰ্দ্দোষী লোকক হত্যা কৰি তেজৰ সোঁত বোৱাইছে—মৃত্যুদণ্ড দিলোঁ। এই দণ্ড কাৰ্য্যকৰী কৰিবৰ কাৰণে অত্যাচাৰিত বিলাকৰ হাতত তাক সমৰ্পণ কৰিলো যাতে তেওঁলোকে বিধিমতে প্ৰতিশোধ লব পাৰে।

কোৰানৰ কিছু অংশ পাঠ কৰাৰ পিচত মই কাবুললৈ ঘূৰি আহো। ইয়ালৈ আহি ঘোঁৰাবিলাকক দানা খুৱাই আৰু নিজেও নবালবিৰৈ খোৱা শেষ কৰি আমি আকৌ ঘোঁৰাৰ পিঠিত আৰোহী হলো।

(আত্মচৰিতত আকৌ বিৰতি। ১৫২০ খৃষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা ১৫২৫ খৃষ্টাব্দৰ নৱেম্বৰলৈকে অৰ্থাৎ দ্বিতীয় অভিযানৰ শেষৰ পৰা পঞ্চম অভিযানৰ আৰম্ভলৈকে ঘটনাবিলাকৰ কথা আত্মচৰিত্ৰৰ পাণ্ডুলিপিত পোৱা নাযায়। ভাৰতৰ বিৰুদ্ধে তৃতীয় অভিযান ১৫২০ খৃষ্টাব্দত আৰম্ভ হয়।

যিবিলাক আফগানে বাবৰৰ লগত যোগ দিয়ে আৰু যিবিলাকে পিচত তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ কৰে তেওঁলোকৰ ভিতৰত বাবৰে বহুতকে হত্যা কৰে; খেতিয়ক সমাজে ইয়াৰ ফলত স্বস্তিৰ নিশ্বাস পেলাই বাচে কাৰণ এই বিলাক আফগানে সিহঁতৰ ওপৰত অকথ্য অত্যাচাৰ কৰিছিল। বাবৰে শিয়ালকোট

পর্যন্ত আগবাঢ়ে। ইয়াৰ অধিবাসীবিলাকে আত্মসমৰ্পণ কৰে। তেওঁবিলাকৰ সম্পত্তি ৰক্ষা কৰিবলৈ সমৰ্থ হয়। কিন্তু চৈয়দপুৰৰ অধিবাসীবিলাকে প্ৰতিৰোধ কৰাত তৰোৱালৰ আগত প্ৰাণ দিব লগা হয়।

সেই সময়ত বাবৰে খবৰ পায় যে কান্দাহাৰৰ ফালৰ পৰা তেওঁৰ ৰাজ্য আক্ৰমণ হৈছে। এই ঘটনাত প্ৰমাণিত হয় যে বিদেশী ৰাজ্য জয় কৰাৰ চেষ্টাৰ আগতে নিজৰ ৰাজ্য সুৰক্ষিত কৰা প্ৰয়োজন। তেওঁ তেতিয়া বাদাকছান প্ৰদেশৰ শাসনভাৰ বৰপুত্ৰ হুমায়ুনৰ হাতত অৰ্পণ কৰে। তাৰ পিছত তেওঁৰ ভাৰত আক্ৰমণৰ উচ্চাকাঙ্ক্ষা সফল কৰাৰ শুভ মুহূৰ্ত্ত উপস্থিত হয়।

দিল্লীৰ সাম্ৰাজ্য তেতিয়া এনেকুৱা নাছিল যেনে বাবৰৰ নাতি আকবৰৰ দিনত হৈছিল। কিছুদিন আগৰে পৰা ভাৰতৰ বহুত ঠাই আফগান আক্ৰমণকাৰী বিলাকৰ হাতত গৈ পৰিছিল। সম্ৰাট ইব্ৰাহীমৰ ৰাজ্যশাসন পদ্ধতি বৰ অসন্তোষপূৰ্ণ আছিল। তেওঁ আফগান আমীৰ সকলৰ আনুগত্যৰ পৰা বঞ্চিত হৈছিল। তেওঁবিলাকৰ সৰহ ভাগেই গঙ্গাৰ সিপাৰে গুচি যায়। আৰু বাদাউনৰ পৰা বিহাৰ পৰ্য্যন্ত সকলো প্ৰদেশ বিদ্ৰোহী বিলাকৰ দখলত পৰে। বঙ্গদেশত তেতিয়া স্বাধীন ৰজা আছিল, গুজৰাট আৰু মালৱতো একেই। হিন্দু ৰাজপুত ৰজা বিলাকে ৰাণা সঙ্গক দলৰ প্ৰধান ঠিক কৰি সঙ্ঘবদ্ধ হয়। পাঞ্জাব তেতিয়া দৌলত খাঁৰ অধীনত আছিল। তেওঁৰ দুজন পুত্ৰ গাজি খাঁ আৰু দিলৱাৰ খাঁ নিজেও আফগান হোৱাত ভাৰত সাম্ৰাজ্যৰ অন্য অংশৰ আফগান আমীৰ সকলৰ অদৃষ্ট দেখি সম্ৰাট ইব্ৰাহীমৰ মুঠিৰ বাহিৰলৈ যাবৰ কাৰণে উৎসুক হৈ উঠিছিল। তেওঁবিলাকে বাবৰৰ ওচৰলৈ দূত পঠাই তেওঁলোকৰ আনুগত্য জনায় আৰু তেওঁলোকৰ উদ্ধাৰৰ কাৰণে ভাৰত আক্ৰমণৰ প্ৰৰোচনা যোগায়। বাবৰৰ মন নাচি উঠিল কাৰণ তেওঁৰ অন্তৰৰ অভিলাষ পূৰণৰ সুযোগ এই আহ্বানে আনি দিয়ে। বাবৰে চতুৰ্থবাৰ ভাৰত ৰখত প্ৰবেশ কৰিলে। যিবিলাক আফগানে তেতিয়াও সম্ৰাট ইব্ৰাহীমৰ

স্বাৰ্থলৈ চাইছিল তেওঁলোকে লাহোৰত বাবৰৰ সন্মুখীন হৈ যুদ্ধ কৰিলে। তেওঁলোক পৰাজিত হ'ল। বাবৰৰ সৈন্যই লাহোৰ নগৰ আৰু বজাৰ ভস্মীভূত কৰি পেলায়।

এই যুদ্ধৰ ফলত দৌলত খাঁৰ ক্ষমতা খুব বাঢ়ি গ'ল কাৰণ তেওঁৱেই বাবৰক ভাৰতলৈ আহ্বান কৰি আনে। তেওঁ তেওঁৰ দুই পুত্ৰ গাজি খাঁ আৰু দিলৱাৰ খাঁৰ সৈতে তেওঁৰ লগ লাগে।

যাই হওক বাবৰক লৈ তেওঁৰ আৱশ্যকতা অন্ত পৰিলত তেওঁ প্যাঁচ পাতিবলৈ ধৰে—কেনেকৈনো বাবৰৰ হাতৰ পৰা পৰিত্ৰাণ পোৱা যায়। তেওঁ প্ৰবঞ্চনা কৰি বাবৰক জনায় যে এদল সৈন্য তেওঁৰ অগ্ৰগতি ৰোধ কৰিবৰ কাৰণে বৈ আছে। গতিকে এদল সৈন্য যদি আগে আগে পঠিয়াই দিয়ে তেতিয়াহলে ভাল হয়। দৌলত খাঁৰ উপদেশ মতে কাম কৰিবলৈ বাবৰ প্ৰস্তুত হৈছিল- কিন্তু দিলৱাৰ খাঁই তেওঁক গোপনে জনাই দিয়ে যে তেওঁৰ পিতাৰ উপদেশ বিশ্বাসঘাতকৰ চক্ৰান্ত মাত্ৰ। বাবৰে কথাটো বিশ্বাস কৰিয়েই হওক বা বিশ্বাস কৰাৰ ভাও ধৰিয়েই হওক দৌলত খাঁ আৰু গাজি খাঁক বন্দী কৰে। পিচত অৱশ্যে মুক্তি পাই বাবৰৰ ওচৰৰ পৰা পলাই যায়। তেওঁলোকৰ সম্পত্তি তেতিয়া দিলৱাৰ খাঁৰ হস্তগত হয়। এইবিলাক ঘটনাৰ পিচত বাবৰে আৰু দিল্লীৰ ফালে আগুৱাই অভিযান চলাই যোৱা বুদ্ধিমানৰ কাম হব বুলি নাভাবিলে।

তেওঁ লাহোৰলৈ ঘূৰি আহিল। তাৰপিচত শতদ্ৰু নদী পাৰ হৈ কাবুললৈ ঘূৰিল। যেয়ে নহওক সিন্ধু নদীৰ ইপাৰেও স্থায়ী ঘাটি নিৰ্মাণ কৰিবলৈ তেওঁ সক্ষম হ'ল। এইবাৰৰ অভিযানত সম্ৰাট ইব্ৰাহীমৰ ভায়েক চুলতান আল্লা-উদ্দিনে তেওঁৰ লগত যোগ দিছিল। খুব সম্ভৱ বাবৰে তেওঁৰ মনত এই আশাৰ সঞ্চাৰ কৰিব পাৰিছিল যে তেওঁকেই তেওঁ হিন্দুস্থানৰ সম্ৰাট পাতি দিব।

বাবৰ সিন্ধুনদীৰ সিপাৰে যোৱাৰ লগে লগেই দৌলত খাঁ আৰু গাজি খাঁই

তেওঁলোকৰ পাৰ্ব্বত্য গুপ্তস্থানৰ পৰা নামি আহি দিলবাৰ খাঁক বন্দী কৰে। তাৰ পিচত বেগেৰে আগবাঢ়ি আল্লাউদ্দিনক যুদ্ধত পৰাজিত কৰে। আল্লাউদ্দিন কাবুললৈ পলাই যায়।

দৌলত খাঁই সোনকালেই জানিব পাৰে যে আল্লাউদ্দিন কাবুলত উপস্থিত হোৱাত বাবৰে তেওঁক আদৰেৰে গ্ৰহণ কৰিছে। বাবৰে বালখ উদ্ধাৰৰ উদ্দেশ্যে সেইফালে যোৱাৰ কাৰণে আল্লাউদ্দিনক হিন্দুস্থানলৈ পঠিয়ালে। তেওঁৰ সেনাপতিসকলক এই নিৰ্দ্দেশ দিলে যে তেওঁলোকে আল্লাউদ্দিনৰ লগত দিল্লী অভিযানত যেন সকলোপ্ৰকাৰে সহায় কৰে যাতে তেওঁ দিল্লীৰ সিংহাসনত বহিব পাৰে। চতুৰ দৌলত খাঁই এই বাতৰি শুনি তৎক্ষণাত আল্লাউদ্দিনলৈ চিঠি লিখি তেওঁৰ কৃতকাৰ্য্যতাৰ কাৰণে সম্বৰ্দ্ধনা জনায় আৰু তেওঁ নিজেও তেওঁক সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিলে

এই দুজনৰ ভিতৰত এটা সন্ধি হয়—যাৰ ফলত সমগ্ৰ পাঞ্জাব—দৌলত খাঁৰ ভাগত পৰে অৰ্থাৎ যি প্ৰদেশ ইমান দিনে বাবৰৰ অধীনত আছিল। বাবৰে এই কথা শুনি স্থিৰ কৰিলে যে এনেদৰে বিশ্বাসঘাতকতা কৰাত আল্লা-উদ্দিনক সহায় কৰাৰ যি প্ৰতিশ্ৰুতি তেওঁ দিছিল তাৰ আৰু একো মূল্য নাথাকিব। দৌলত খাঁৰ লগত আল্লাউদ্দিনৰ এনেকৈ সন্ধি হোৱাত তেওঁৰ সকলো চুক্তি নাকচ হৈ গৈছে।

আল্লাউদ্দিনৰ সৈন্য যেতিয়া দিল্লীত উপস্থিত হয় তেতিয়া তেওঁৰ অশ্বাৰোহী সৈন্যৰ সংখ্যা আছিল চল্লিশ হাজাৰ।

দিল্লী অৱৰোধ, আল্লাউদ্দিনৰ পৰাজয় আৰু পিচৰ ঘটনাৱলী বাবৰে নিজে আত্মচৰিতত বিবৰি লিখিছে। আত্মচৰিত পুনৰ আৰম্ভ হৈছে পঞ্চম আৰু শেষবাৰ হিন্দুস্থান আক্ৰমণ কৰাৰ বিৱৰণ দি।)

... ...

(২০)

১৫২৫ খৃষ্টাব্দৰ ঘটনাৱলী

১৫২৫ খৃষ্টাব্দৰ চফৰ মাহৰ ১ তাৰিখ শুকুৰবাৰে যেতিয়া ৰবি আছিল ধনুৰাশিত—মই হিন্দুস্থান আক্রমণ কৰিবৰ কাৰণে ওলাই আহোঁ। সম্ভ্রান্ত বা সাধাৰণ, ভাল বা বেয়া, ভৃত্য অথবা ভৃত্য নহয়—এনেকুৱা মানুহ দি গঠিত বাহিনীৰ লোকসংখ্যা বাৰ হাজাৰ।

বাগ-ই-ওৱাফাত আহি আমি ৰওঁ। ইয়াত হুমায়ুন আৰু তেওঁৰ সৈন্য বাহিনীৰ কাৰণে কেইদিনমান অপেক্ষা কৰিবলৈ বাধ্য হওঁ। মই বাৰে বাৰে এই ঠাইডোখৰৰ সীমা, বিস্তৃতি, ইয়াৰ সৌন্দৰ্য্য আৰু মহিমাৰ কথা মোৰ স্মৃতি-কাহিনীত কৈছো। যিয়েই এই ঠাই দেখে তেওঁৰ ইয়াৰ মনোৰম দৃশ্য স্বীকাৰ নকৰি উপায় নাই। যিমানদিন আমি ইয়াত অপেক্ষা কৰিছো সিমান দিনেই প্রত্যেক বৈঠকতে প্রচুৰ পৰিমাণে সুৰাপান কৰিছো—প্রতিদিন দোক-মোকালিৰ পিয়লাও বাদ যোৱা নাই। যেতিয়া সুৰাপান নচলে তেতিয়া ভাং খোৱাৰ বৈঠক বহে।

নির্দ্ধাৰিত সময় পাৰ হৈ যোৱাৰ পিচতো হুমায়ুন নহাত তেওঁলৈ টান ভাষাত চিঠি লিখোঁ। কৰ্ত্তব্যচ্যুতিৰ কাৰণে তেওঁৰ কৈফিয়ৎ বিচাৰো আৰু তেওঁক গালি-শপনি পাৰো। অৱশেষত হুমায়ুন আহি পায়হি। তেওঁৰ ইমান পলম হোৱাৰ কাৰণে অতি কঠোৰ ভাষাত ভৎর্সনা কৰো। বুধবাৰে তাৰ পৰা আকৌ যাত্রা আৰম্ভ হয়। মই এখন ভুৰত উঠি নদীত ভটীয়াই আগবাঢ়ি যাওঁ। অনবৰত সুৰাপান চলাই আমি কোছ-গুম্বেজ পাওঁগৈ। তাত মাটিত নামি শিবিৰলৈ যাওঁ।

দুই এদিন পিচত যেতিয়া আমি বেকৰামত বৈছিলো তেতিয়া মই জ্বৰত আক্রান্ত হওঁ। লগত প্রবল কাহ। কাহোতে ভিভিৰপৰা তেজ

ওলাইছিল। মোৰ এই অসুস্থতাৰ কাৰণ কি তাক জানো। এইটো যে মোৰ কোনো পাপৰ শাস্তি তাকো বুজিব পাৰিছিলো।

ইয়াৰ আগতে মোৰ মুখলৈ ভালেই বা বেয়াই, আমোদ বা বিদ্ৰূপেই যি ভাবকে আহিছে সেই ভাবটোকে খুব পাতল স্ফূৰ্ত্তিৰ কাৰণে কবিতাৰ ৰূপ দিছো। সেই কবিতা কদৰ্য্য বা ঘৃণাভাৱৰ হ'লেও মই লিখিবলৈ কোনো লজ্জাবোধ কৰা নাই। বৰ্ত্তমানৰ মনৰ অৱস্থাত যেতিয়া মই কবিতাৰ কেইটামান পদ লিখি পেলাইছো মোৰ মনত তেতিয়া এই চিন্তাৰ উদয় হ'ল আৰু মোৰ অন্তৰ ইমান অনুশোচনাৰে ভৰি উঠিল যে মানুহৰ যি ৰচনাই মহিমা আৰু গৰিমাৰ বিষয় বস্তু বাৰে বাৰে আবৃত্তি কৰি যাব পাৰে, তেওঁ এনে কিয় বিকৃত ৰুচিৰ কবিতা আবৃত্তি কৰিব। মই মনমৰা হৈ ভাবিবলৈ ধৰিলো যে যাৰ অন্তৰ মহান ভাৱধাৰাত পূৰ্ণ হৈ উচ্চ স্তৰলৈ উঠি যায় তেওঁ আকৌ কেনেকৈ নীচ আৰু কদৰ্য্য চিন্তাত আচ্ছন্ন হৈ মহৎ চিন্তাক দূৰলৈ আঁতৰাই দিয়ে। সেই সময়ৰ পৰা মই প্ৰতিজ্ঞা কৰো যে বিদ্ৰূপাত্মক বা কুৰুচিপূৰ্ণ কবিতা আৰু নিলিখো। আগতে মই যেতিয়া কবিতা লিখি আবৃত্তি কৰিছো তেতিয়া কিন্তু মই একো স্থিৰ সিদ্ধান্ত কৰা নাই আৰু এই কথাও তেতিয়া মনলৈ অহা নাই যে এনে ভাবৰ কবিতা লিখা কিমান নিন্দনীয়।

(আৰবী) 'নিজ প্ৰতিশ্ৰুতিৰ কথা
সহজে যি পাহৰি যায়,
সেই প্ৰতিশ্ৰুতিৰ তেওঁ জীৱনত সৃষ্টি হৈ
নিশ্চয় প্ৰতিশোধ লয়।
তেওঁৰেই ৰক্ষা কৰে প্ৰতিজ্ঞা
সত্যত আশ্ৰয় যি জনে লয়,
অপাৰ কৰুণা কৰে ৰবৰণ
ভগবান যে তেওঁৰ প্ৰতি সদয়।

(তুৰ্কী) কবিতাৰ ভাষা মোৰ।
চোৰাচোন তুমি
তোমাকে লই,
ৰক্তত দিছা তুমি
বিহ মিহলাই।
বিদ্রূপৰ ভাব লৈ
কবিতা ৰচনা কৰো
কিমান দিন পাম আমোদ ?
ই মাথো মিছা কোৱা,
অপবিত্র ভাবে চলা
ইটো নহয় বিশুদ্ধ প্রমোদ
যদি তুমি বুজা
এই পাপৰ পৰা দূৰত ৰাখা
জৰী তোমাৰ টানি ধৰা,
জঁাতৰাই দিয়া এই ভূমিৰ পৰা।

(আৰবী) 'আত্মাৰ ওপৰত কৰিছো অত্যাচাৰ
হে প্রভু। যদি নকৰা ক্ষমা
অভিশাপৰ মাথো বাঢিব বোজা
দুখৰ মোৰ নৰব সীমা।'

অনুতপ্ত হৈ এতিয়াৰ পৰা মই আত্ম-সংযম কৰো। প্রতিজ্ঞা কৰিলো কোনো ধৰণৰ অলস চিন্তাৰ প্রশ্রয় নিদিওঁ। কোনো কু-বিষয় লৈ আমোদ নকৰো, তাকে যদি কৰো তেতিয়া হ'লে মোৰ কলম ভাঙি পেলাম। বিদ্রোহী দাসৰ ওপৰত সর্ব্বশক্তিমান ভগবানৰ সিংহাসনৰ পৰা এনেকুৱা অন্তৰ-শুদ্ধিৰ আদেশ তেওঁৰ অদ্ভুত কৰুণাৰেই ফল। ভগবানৰ যি ভৃত্যাই তেওঁৰ

নির্দ্দেশ আৰু শাস্তিৰ উপকাৰিতা অনুভৱ কৰে তেৰেঁই জানে—সেইটো শাস্তি নহয়, তেওঁৰ অপাৰ কৰুণা।

কোছ গুমবেজৰ পৰা সৈন্য চালনা কৰি আমি মচজিদত আহি ৰওঁহি। ঠাইত শিবিৰ স্থাপনৰ ঠাই সঙ্কীৰ্ণ হোৱাত মই ওচৰৰ এটা ওখ টিলাৰ ওপৰত মোৰ থকা তম্বু তৰোঁ। সৈন্যবিলাকে সমতল ভূমিতে নিজৰ শিবিৰ পাতে। সেইটো টিলাৰ ওপৰত মোৰ শিবিৰ পতা হয় তাৰ পৰা চাৰিওফালৰ দৃশ্য বেচ ভালকৈয়ে দেখা যায়। তলৰ শিবিৰ বিলাকত যি জুই জ্বলোৱা হৈছে তাৰ আভা বৰ উজ্জ্বল আৰু সুন্দৰ দেখাইছিল। এনেকুৱা দৃশ্য চাবৰ কাৰণে গতিকেই মই ইয়াত বৈছোহি—তেতিয়াই মনৰ উল্লাসত মই প্ৰচুৰ সুৰাপান কৰিছোঁ।

বেলি উঠাৰ আগতে ভাং খাওঁ, তাৰ পিচত আকৌ যাত্ৰা আৰম্ভ কৰোঁ। সেইদিনা মই উপবাস কৰিছিলোঁ। বেকৰামৰ ওচৰ নোপোৱালৈকে আমি লাগি থাকো। সেইখিনি পায়েই গঁড় চিকাৰ কৰিবলৈ ওলাওঁ। ছিয়া-আব নদী পাৰ হৈ ভাটিৰ ফালে এডোখৰ ঠাই চিকাৰৰ কাৰণে বেৰি পেলোৱা হয়। আমি অলপদূৰ আগবাঢ়ি যাওঁতেই এজন মানুহ আহি জনালে যে এটা গঁড় এক হাবিত সোমাইছে। মানুহবিলাকে হাবি বেৰি ধৰি আমাৰ কাৰণে বৈ আছে। জোৰ কদমত ঘোঁৰা চেকুৱাই আমি সেই হাবিৰ ফালৈ গ'লো আৰু চাৰিওফালে বেৰি পেলালো। চিঞৰ-বাখৰ আৰম্ভ কৰোঁতেই গঁড়টো হাবিৰ পৰা দৌৰি ওলাই সমতলভূমিলৈ আহি লৰি পলাল। হুমায়ুন আৰু তেওঁৰ লগৰীয়াই আগতে কেতিয়াও গঁড় নেদেখা কাৰণে বৰ ৰং পালে। তেওঁলোকে গঁড়ৰ পিচ লৈ বহুত কাঁড় মাৰি শেহত তাক মাটিত বগৰাই পেলালে। গঁড়টোৱে কিন্তু কোনো মানুহ বা ঘোঁৰা আক্ৰমণ কৰাৰ চেষ্টা কৰা নাই। হুমায়ুন আৰু তেওঁৰ দলে আৰু এটা গঁড় চিকাৰ কৰে।

মই বহুত সময়ত ভাবিবলৈ চেষ্টা কৰিছো যে হাতী আৰু গঁড়ক যদি সামুখি কৰা যায় নিজতে পৰস্পৰে কেনেকুৱা ব্যৱহাৰ কৰে চাব লাগিব।

হাতীৰ মাউতবিলাকে হাতীবিলাক লৈ আহোতেই এটা হাতী গঁড়ৰ মুখামুখি হৈ পৰিলহি। মাউতবিলাকে হাতী তাৰ কাষলৈ লৈ আহোতেই গঁড়টো ভয় খাই আনফালে দৌৰি পলাল।

মোটামুটি এই সংবাদ পোৱা গ'ল যে গাজি খাঁই যুদ্ধৰ কাৰণে ত্রিশ-চল্লিশ হাজাৰ সৈন্য সংগ্রহ কৰিছে। আৰু বৃদ্ধ দৌলত খাঁই কঁকালৰ দুয়োফালে দুখন তৰোৱাল ওলোমাই অপেক্ষা কৰিছে যুদ্ধৰ প্রস্তুতি হিচাপে। প্রচলিত কথা এটা মোৰ মনত পৰিল। সেইটো হৈছে এই—নজন বন্ধুতকৈ দহজন বন্ধু ভাল। কোনো সুবিধাজনক অৱস্থাকে হেৰুৱাবলৈ নাই। মই বিবেচনা কৰি দেখিলো যে যুদ্ধত নমাৰ আগতে মোৰ সৈন্য বাহিনীৰ যি অংশ লাহোৰত আছে তাৰ লগত যোগাযোগ কৰা মোৰ পক্ষে উচিত হব। সেইকাৰণে কটকী যোগে মোৰ উপদেশ তাৰ আমিৰ সকলৰ ওচৰলৈ পঠাই দিলোঁ। তাৰ পিছত দ্বিতীয়বাৰ যাত্রা আৰম্ভ কৰি চেনাব নদীৰ পাৰ পাই তাত শিবিৰ গোট খুৱালোঁ।

ঘোঁৰাৰ পিঠিত মই বাহলুলপুৰ বজাৰ ফালে আগুৱাই গ'লো আৰু তাৰ চাৰিওফালে খুব ভালধৰণে পর্য্যবেক্ষণ কৰিলোঁ। চেনাব নদীৰ পাৰত এই বজাৰ দুর্গ অৱস্থিত। মোৰ ঠাইখন বৰ মন খালে। ঠিক কৰিলো যে শিয়ালকোটৰ বাইজক মই ইয়ালৈ লৈ আহিম। ভগবানৰ ইচ্ছা হ'লে, যেতিয়া মই সুবিধা পাম তেতিয়াই মোৰ এই ইচ্ছা পূৰণ কৰিম। মই এখন নাৱত বাহলুলপুৰৰ পৰা শিবিৰলৈ ঘূৰি আহো—নাৱতেই এটা বংধেমালিৰ বৈঠক বহে। কোনোৱে সুৰাসাৰ, কোনোৱে সুৰা আৰু কোনো কোনোৱে খালে ভাং। ৰাতিৰ নামাজৰ সময়ত নাৱৰ পৰা মাটিত নামো। মোৰ শিবিৰত সেই নিশা অলপ সুৰাপান চলে। ঘোঁৰাবিলাকক এদিন জিৰণি দিবৰ কাৰণে সেই নদীৰ পাৰতে ৰৈ যাওঁ।

ৰবিয়ল মাহৰ ১৪ তাৰিখ শুক্রবাৰে আমি শিয়ালকোট পাওঁহি।

যিমান বাৰেই আমি হিন্দুস্থান প্রবেশ কৰিছো সিমান বাৰেই অসংখ্য জাঁট

াক গুৰ্জ্জৰ দলে দলে পাহাৰ আৰু হাবিৰ পৰা ওলাই আহে গৰু আৰু ভেৰা ট কৰিবৰ কাৰণে। এই চয়তানবিলাক এই দেশৰ জনসাধাৰণৰ অনেক খ-কষ্টৰ কাৰণ। সিহঁত এওঁলোকৰ ওপৰত অত্যাচাৰ কৰাৰ অপৰাধত পৰাধী। এই দেশবিলাকে আগতে সদায় বিদ্ৰোহ কৰি আহিছে আৰু মেইহে খাজনা আদায় কৰিছে। বৰ্ত্তমান মই যেতিয়া এই দেশ অধিকাৰ কৰি লছো এতিয়াও সিহঁতে সেই আগৰ চালকে খেলিবলৈ আৰম্ভ কৰিছে। মোৰ ঈয়া প্ৰজাবিলাক যেতিয়া শিয়ালকোটৰ পৰা যাত্ৰা কৰি আধা নণ্ঠা আৰু ভকোতুৰ হৈ নানা দুখ-কষ্ট সহ্য কৰি মোৰ শিবিৰৰ ফালে আহি থাকে তিয়া তেওঁলোক অহা বাটতে আক্ৰান্ত আৰু লুণ্ঠিত হয়। মই অত্যাচাৰী-বিলাকক বিচাৰি উলিয়াও আৰু সিহঁতৰ ভিতৰত দুই-তিনিজনক টুকুৰা-টুকুৰ কৰি কাটি পেলাবলৈ হুকুম দিওঁ।

পিচদিনা পুৱা আকৌ যাত্ৰা আৰম্ভ কৰি পাৰ-ছাৰ-উৰত গৈ পৰোঁ। সেইখিনিত মুহম্মদ আলি আৰু কেইজনমান আহি মোক সন্মান জনায়। লাহোৰৰ ফালে ৰাভি নদীৰ পাৰত শত্ৰুপক্ষই শিবিৰ স্থাপন কৰিছে। তাৰ বাতৰি আনিবৰ কাৰণে মই এদল মানুহ পঠাওঁ। ৰাতিৰ তৃতীয় প্ৰহৰৰ শেষত তেওঁলোকে ঘূৰি আহি সংবাদ দিয়ে যে তেওঁলোকৰ আগমনৰ খবৰ পোৱা মাত্ৰেই শত্ৰুপক্ষৰ লোক আতঙ্কগ্ৰস্ত হৈ যেয়ে যেনেকৈ পাৰে ছেদেলি-ভেদেলি হৈ পলাই গৈছে।

দৌলত খাঁই এজন মানুহ পঠাই মোক খবৰ দিয়ে যে গাজি খাঁই পলাই পাহাৰত আশ্ৰয় লৈছে। যদি মই দৌলত খাঁৰ সকলো অপৰাধ মাৰ্জ্জনা কৰি তেওঁক অভয়দান কৰো তেতিয়াহলে তেওঁ মোৰ ক্ৰীতদাস হৈ তেওঁৰ ৰাজ্য মোৰ হাতত দিব। এই কথা শুনি মই মিৰ মিৰানক তেওঁৰ ঠিক কি মনোভাব জানিবৰ কাৰণে পঠাই দিওঁ আৰু তেওঁক মোৰ ওচৰলৈ লৈ আহিবলৈ কৈ দিওঁ। তেওঁৰ পুত্ৰ আলিখাঁও তেওঁৰ লগত যায়। মই এই বুঢ়া মানুহজনৰ অসৎ ব্যৱহাৰ আৰু অকৰালিৰ কথা সমাজত প্ৰকাশ কৰি দিবৰ কাৰণে মিৰানক আদেশ দিওঁ যে দৌলত খাঁই যদি মোৰ লগত দেখা কৰিবলৈ আহে

তেতিয়াহলে যি দুখন তৰোৱাল কঁকালৰ দুফালে আৰি মোৰ লগত যুদ্ধ কৰিবলৈ স্থিৰ কৰিছিল—সেই তৰোৱাল ডিঙিত ওলোমাই তেওঁ মোৰ লগত দেখা কৰিব লাগিব। যেতিয়া কথাটো ইমান পৰ্য্যন্ত পালেগৈ তেতিয়াও দৌলত খাঁই নানা ছল-চাতুৰিৰ আশ্ৰয় লৈ মোৰ আগলৈ আহিবলৈ পলম কৰিছে। যাইহওক, অবশেষত তেওঁক মোৰ ওচৰলৈ লৈ অহা হ'ল। তেওঁৰ ডিঙিত ওলোমাই অনা তৰোৱাল দুখন আঁতৰাই নিবলৈ কলোঁ। মোক সন্মান দেখুৱাবলৈ আঠুকঢ়াত হেলেম কৰা দেখি মোৰ মানুহবিলাকক তেওঁৰ ভাৰিত খুন্দা দি আঠুকাঢ়ি বহি মোক সন্মান দেখুৱাবলৈ আদেশ দিলোঁ। এইদৰে সন্মান দেখুৱা হৈ গলত তেওঁক মোৰ সন্মুখত আসন গ্ৰহণ কৰিবৰ কাৰণে কওঁ। মই যি বিলাক কথা কৈছো সেইখিনি হিন্দুস্থানী ভাষাত হুবহু তৰ্জ্জমা কৰি বুজাই দিবৰ কাৰণে হিন্দুস্থানী ভাষা জনা এজন দোভাষী নিযুক্ত কৰোঁ। তেওঁক কৈছিলো—'মই তোমাক পিতৃস্থানীয় বুলি সম্বোধন কৰিছো। তুমি মোৰ পৰা যিমান সন্মান বা শ্ৰদ্ধা আশা কৰিব পাৰা তাতকৈ তোমাক বেছি সন্মান আৰু শ্ৰদ্ধা দেখুৱাইছো। বেলুচিবিলাকৰ অত্যাচাৰ আৰু অসন্মানৰপৰা তোমাক আৰু তোমাৰ পুত্ৰসকলক বচাইছো। তোমাৰ পৰিবাৰবৰ্গ আৰু তিৰোতাসকলক ইব্ৰাহিমৰ দাসত্বৰ পৰা মুক্ত কৰিছো তাতাৰ খাঁই যিবিলাক দেশ অধিকাৰ কৰি সাত লাখৰ বেছি ৰাজহ আদায় কৰিছিল সেই বিলাকৰ অধিকাৰ তোমাৰ হাতত দাঙি দিছো। তোমাৰ মই এনে কি অনিষ্ট কৰিছো যাৰ কাৰণে তুমি এনেদৰে কঁকালত দুখন তৰোৱাল ওঁৰি মোৰ লগত যুদ্ধত নামিবলৈ ইচ্ছা কৰি তোমাৰ সৈন্যবিলাকক লৈ মোৰ ৰাজ্যত বিশৃঙ্খলা আৰু বিদ্ৰোহ কৰাৰ চেষ্টা কৰিছা ?'

মোৰ কথা শুনি মানুহজনে হতভম্ব হৈ কেইটামান কথা উচ্চাৰণ কৰাৰ চেষ্টা কৰিলে হয়,—কিন্তু তাৰ একো বুজা নগ'ল। সঁচা কথা কবলৈ গ'লে মোৰ এই নিভাঁজ সত্য কথা বিলাকৰ উত্তৰত তেওঁৰনো কি কবলৈ আছিল। যাহক, শেহত ইয়াকে ঠিক হ'ল যে তেওঁ আৰু তেওঁৰ পৰিয়ালে তেওঁৰ [illegible]

উপজাতিৰ ওপৰত কর্তৃত্ব কৰিব আৰু তেওঁলোকৰ পাওঁবিলাক তেওঁৰ অধিকাৰত থাকিব। কিন্তু অবশিষ্ট ভূ-সম্পত্তিৰ পৰা বঞ্চিত হ'ব আৰু মিৰ মিৰানৰ শিবিৰৰ কাষত তেওঁলোক থাকিব লাগিব।

প্ৰথম ৰবিয়ল মাহৰ ২২ তাৰিখ শনিবাৰে দৌলত খাঁৰ দল যেতিয়া তেওঁবিলাকৰ আত্মীয় পৰিজন আৰু আশ্ৰিত বিলাকক দুৰ্গৰ বাহিৰলৈ লৈ আহিছিল তেতিয়া তেওঁলে কৰ ওপৰ ৎ যাতে কোনো বেয়া ব্যৱহাৰ নহয় তাক চ'বৰ কাৰণে মিলৱাত দুৰ্গদ্বাৰৰ বিপৰীত ফালে পাহাৰৰ ওপৰত ৰৈ আছিলো। মোৰ ওচৰত থকা কেইজনমান বেগক দুৰ্গত প্ৰবেশ কৰি তেওঁলোকৰ সকলো ধন-সম্পত্তি দখল লবলৈ আৰু সেইবিলাকৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিওঁ। যদিও শুনা গৈছিল—যে গাজি খাঁ এই ঠাইৰ পৰা পলাইছে—কিন্তু কানো কোনোৱে আকৌ কবলৈ ধৰিলে যে তেওঁক দুৰ্গৰ ভিতৰত দেখা গৈছে। এইকাৰণে মই কেইজনমান বিশ্বাসী কৰ্ম্মচাৰী আৰু লগুৱাক দুৱাৰৰ ওচৰত ৰাখি এই নিৰ্দ্দেশ দিও যে অলপ সন্দেহ হলেই তেওঁলোকে কোনো ব্যক্তিয়েই হওক বা কিবা বস্ত্ৰ-বস্তুৱেই হওক ভালকৈ পৰীক্ষা কৰি চাব যাতে কোনো চল কৰি গাজি খাঁ পলাব নোৱাৰে। কাৰণ মোৰ মুখ্য উদ্দেশ্য আছিল তেওঁক বন্দী কৰা। তেওঁলোকক আৰু নিৰ্দ্দেশ দিও যে কোনো ধন-বস্তু বা মূল্যবান পাথৰ গোপনে নগৰৰ বাহিৰলৈ চোৰাংকৈ পঠোৱাৰ চেষ্টা হলে তৎক্ষণাৎ যেন সেইবিলাক আটক কৰা হয়। দুৰ্গৰ প্ৰবেশ দ্বাৰৰ ওচৰত কিছুমান সৈন্যই মৰামৰি আৰম্ভ কৰোতেই সিহঁতক দমন কৰিবৰ কাৰণে কিছুমান কাঁড় মাৰোঁ। হঠাৎ এডাল কাঁড়ে হুমায়ুনৰ শিক্ষকক বিন্ধে। তেওঁ তৎক্ষণাৎ মৃত্যুৰ মুখত পৰে।

দুনিশা পাহাৰৰ ওপৰত কটাই সোমবাৰে মই দুৰ্গত প্ৰবেশ কৰি পৰ্য্যবেক্ষণ আৰম্ভ কৰোঁ। গাজি খাঁৰ গ্ৰন্থশালা পৰীক্ষা কৰি দেখিবলৈ পাওঁ যে তাত বহু মূল্যবান কিতাপ আছে। সেই পুথিসমূহৰ কিছুমান হুমায়ুনক দিওঁ আৰু কিছুমান কামৰানলৈ পঠাই দিওঁ। কিছুমান ধৰ্ম্মসংক্ৰান্ত পুথিও তাত

আছিল। কিন্তু প্ৰথম দেখি যিমান মূল্যবান বুলি ভাবিছিলো তালকৈ চোৱাৰ পিচত সিমান ভাল যেন নালাগিল।

দুৰ্গত মই গোটেই নিশা আছিলোঁ। পিচদিনা পুৱা শিবিৰলৈ ঘূৰি আহো। আমাৰ এইটো ভুল ধাৰণা যে গাজি খাঁ দুৰ্গৰ ভিতৰতে আছে সেই ভীৰু বিশ্বাসঘাতক পলাই পাহাৰতে আশ্ৰয় লৈছে। লগত নিছে তাকৰীয়া কেইজনমান অনুচৰ। তেওঁৰ পিতা, ভাই, ককাই, তেওঁৰ মাক. বাই, ভনীক তেওঁ মিলৱাততেই এৰি গৈছে।

ভালকৈ খোৱা চিনি
অবিশ্বাসী মানুহটি
কেতিয়াবা জানো দেখিব সি
সৌভাগ্যৰ মুখ ?
তেওঁৰ প্ৰতি বিমুখ ঈশ্বৰ
স্ত্ৰী কন্যা ত্যাগী জন
মগ্ন সদায়ে যি
চৰি আত্মসুখ ?

খাজা কালানে কিছুমান উটৰ পিঠিত মদৰ পাত্ৰ বোজাই কৰি গজনিৰ মদ শিবিৰলৈ লৈ আহে। তেওঁৰ বাসস্থান আছিল দুৰ্গ আৰু শিবিৰৰ মুখামুখি এটা ওখ টিলাৰ ওপৰত তাত আমাৰ এটা ফুৰ্ত্তিৰ বৈঠক বহে বৈঠকত কোনোবাই খালে ফটিকা আৰু কোনোবাই খালে সুৰাসাৰ এনেকুৱা সুন্দৰ আড্ডা খুব কমেই হয়।

তাৰপৰা যাত্ৰা কৰি মিলৱাতৰ কাষেদি আৰকেন্দৰ সৰুসুৰা পাহাৰ অতিক্ৰম কৰি আমি 'দুন' পাওগৈ। হিন্দুস্থানী ভাষাত উপত্যকাকে 'দুন' বোলে। সকলোতকৈ মনোৰম নদী এই উপত্যকাৰ মাজেদি বৈ গৈছে। এই উপত্যকাটি অতি সুন্দৰ। ইয়াৰ নদীৰ দুয়োকাষে শস্য ক্ষেত্ৰ। কোনো কোনো ঠাইত ইয়াৰ মানুহে ধান খেতি কৰে। উপত্যকাৰ মাজেদি যি

নদী বৈ গৈছে তাৰ সোঁতৰ গতি ইমান যে, তিনি চাৰিটা জাঁত কল চলাব পাৰি। উপত্যকাটো তিনি মাইল, আনকি কোনো কোনো ঠাইত পাঁচ মাইল বহল। ইয়াৰ পাহাৰ বিলাক বৰ সৰু। গাঁওবিলাক পাহাৰৰ কাষে কাষে অৱস্থিত। য'ত কোনো গাওঁ নাই তাত ম'ৰা আৰু বান্দৰৰ বাস। ইয়াত কুকুৰা জাতীয় অনেক চৰাইও দেখা যায় যি বিলাক দেখাত ঘৰত পোহা কুকুৰাৰ নিচিনা। সিঁহত আকাৰতো তেনেকুৱাই কিন্তু সাধাৰণতঃ একে ৰঙৰ।

গাজি খাঁৰ কোনো সংবাদ নোপোৱাত মই এই আদেশ সকলোলৈ পঠাও যে তেওঁৰ য'তেই থকা সম্ভৱ তাতেই তেওঁৰ সন্ধান কৰি আৰু যুদ্ধত হৰুৱাই তেওঁক বন্দী কৰি আনিব লাগিব। সৰু সৰু পাহাৰে ভৰা এই উপত্যকাত কিছুমান সুদৃঢ় দুৰ্গ আছে। উত্তৰ-পূব ফালে এটা দুৰ্গ—নাম 'কোটিলা'। দুৰ্গটো পাহাৰে ঘেৰা—যিটোৰ উচ্চতা দেড়শ ফুট। এই দুৰ্গৰ প্ৰধান প্ৰৱেশ দ্বাৰত যোল্ল ফুট বহলৰ এখন ঠাই আছে যিখন টনা দলঙৰ কামত ব্যৱহাৰ কৰা হয়। এই দলং দুখন দীঘল তক্তাৰে সজা—যিখনৰ ওপৰেদি এওঁলোকে ঘোঁৰা আৰু সৈন্য ইপাৰ-সিপাৰ কৰে। পাৰ্ব্বত্য প্ৰদেশৰ দুৰ্গবিলাকৰ ভিতৰত ইও এটা—যিটোক প্ৰতিৰোধ কৰিবৰ কাৰণে গাজি খাঁ প্ৰস্তুত হৈ সৈন্য সমাবেশ কৰে। মোৰ যি সৈন্যদল আক্ৰমণ চলাবৰ কাৰণে এইফাললৈ আহিছিল সিঁহতে প্ৰবলভাবে আক্ৰমণ চলাই প্ৰতিৰক্ষা ভাঙি পেলোৱাৰ উপক্ৰম কৰে আৰু দুৰ্গটো প্ৰায় দখল কৰি পেলায়। কিন্তু তেতিয়া নিশাৰ অন্ধকাৰ ঘন হৈ আহে। দুৰ্গৰক্ষী সৈন্যবিলাক এই সুযোগতে দুৰ্গ এৰি পলাই যায়। ওচৰতে আৰু এটা দুৰ্গ আছে—যিটোৰ কাষৰে-পাজৰে সকলো ঠায়েই পাহাৰে ঘেৰা। কিন্তু এইটো আগতে বৰ্ণনা দিয়া দুৰ্গৰ দৰে সুদৃঢ় নহয়। আলিম খাঁ পলাই আহি এই দুৰ্গতে আশ্ৰয় লয় সেইটো আগতে উল্লেখ কৰা হৈছে।

এদল সৈন্যক গাজি খাঁক অনুসৰণ কৰি বন্দী কৰিবৰ কাৰণে পঠাই মই স্থিৰ প্ৰতিজ্ঞাৰূপে বেকাবীত ভৰি দি আৰু ঈশ্বৰ বিশ্বাসৰূপে লেকামত হাত

দি লোডি আফগান বংশৰ চুলতান বাহলুলৰ নাতি আৰু চুলতান ইস্কান্দাৰৰ পুত্ৰ চুলতান ইব্ৰাহীমৰ বিপক্ষে যুদ্ধৰ উদ্দেশ্যে বাহিৰ হওঁ। এই সময়ত হিন্দুস্থান সাম্ৰাজ্য আৰু দিল্লীৰ সিংহাসন চুলতান ইব্ৰাহীমৰ দখলত আছিল। তেওঁৰ অধীনত একলাখ সৈন্য আৰু তেওঁৰ আৰু আমীৰ বিলাকৰ মুঠ এহেজাৰ হাতী আছিল। মিলৱাত দুৰ্গৰপৰা যি সোণ আৰু মূল্যবান বস্তু পোৱা গৈছিল তাৰ সৰহভাগেই বালখ আৰু কাবুলত মোৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে মোৰ আত্মীয়, বন্ধু-বান্ধৱ, পুত্ৰ-কন্যা আৰু মোৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিৰ ওচৰলৈ উপহাৰ স্বৰূপে পঠাই দিওঁ।

ইয়াতে আমি জানিব পাৰো চুলতান ইব্ৰাহীম দিল্লীৰ একালৰ পৰা আগবাঢ়ি আহিছে। আৰু এফালৰ পৰা আহিছে হিছাৰ-ফিৰোজৰ শিকদাৰ সেই ঠাইৰ আৰু কাষৰীয়া দেশৰ সৈন্যবিলাক লৈ। হিছাৰ ফিৰোজৰ সৈন্যবিলাক আমাৰ ফালে প্ৰায় ত্ৰিশ মাইল আগবাঢ়ি আহিছে। ইব্ৰাহীমৰ শিবিৰৰ সংবাদ সংগ্ৰহ কৰিবৰ কাৰণে মই কিত্তে বেগক পঠাওঁ। আৰু মমিন আটকেকক হিছাৰ-ফিৰোজৰ সৈন্যদল কিমানদূৰ আগুৱাই আহিল সেই সংবাদ আনিবৰ কাৰণে যাবলৈ কওঁ।

জেমাদি মাহৰ ১৯ তাৰিখ সোমবাৰে আম্বালাৰ পৰা যাত্ৰা কৰি আগুৱাই গৈ এটা পুখুৰীৰ পাৰত শিবিৰ পতা হয়। সৈন্য বেহুৰ দক্ষিণ হাতৰ অধিনায়ক হিচাবে হুমায়ুনক নিযুক্ত কৰোঁ। এই ঠাইত বিবান আহি মোৰ বশ্যতা স্বীকাৰ কৰে। এইবিলাক আফগানৰ ব্যৱহাৰ বিৰক্তিজনক আৰু ইহঁত অশিষ্ট আৰু মূৰ্খ। যদিও দিলৱাৰ খাঁ সৈন্য সংখ্যাৰ ফালৰপৰাই হওক বা পদৰ গৌৰৱেই হওক—তেওঁতকৈ বহুত ওপৰত তথাপি তেওঁ মোৰ সন্মুখত বহাৰ সন্মান এতিয়াও পোৱা নাই আৰু যদিও আলিম খাঁৰ পুত্ৰসকল, যি সকল প্ৰকৃততে ৰাজকুমাৰ, তেওঁলোকেও মোৰ সন্মুখত থিয় হৈ থাকে—কিন্তু এইবিলাক দেখি শুনিও বিবান খাঁই মোৰ সন্মুখত বহিবৰ কাৰণে আবদাৰ কৰে আৰু মিছাই আশা কৰে যে মই তেওঁক অনুমতি দিম।

পিচদিন। পুৱা হুমায়ুন তেওঁৰ লঘু বাহিনী লৈ হামিদ খাঁক হঠাৎ আক্ৰমণ কৰিবৰ কাৰণে ওলাই আহে। আগবণুৱা প্ৰহৰী হিচাবে হুমায়ুনে এশ কি দেডশ জন বছা বছা সৈন্য পঠাই দিয়ে। এই দলটো শত্ৰু সৈন্যৰ ওচৰলৈ আহি সিহঁতৰ লগত সংঘৰ্ষত লিপ্ত হয়। হুমায়ুনৰ পশ্চাৎবৰ্ত্তী সৈন্যবিলাকে ৰণক্ষেত্ৰত দেখা নিদিয়ালৈকে সিহঁতে সংঘৰ্ষ চলাই যায়—হুমায়ুনৰ সৈন্য দেখা মাত্ৰেই শত্ৰু সৈন্যই ভয় খাই পলাবলৈ ধৰে। আমাৰ সৈন্যই শত্ৰু পক্ষৰ এশ কি দেডশ সৈন্যক বন্দী কৰে। সিহঁতৰ ভিতৰৰ আধাৰ শিৰচ্ছেদ কৰা হয়। বেগ মিৰাক মোগলে হুমায়ুনৰ বিজয় বাৰ্ত্তা মোৰ শিবিৰলৈ লৈ আহে। এই ঠাইত মই এসাজ পূৰ্ণ সম্মানৰ পোচাক, মোৰ নিজ ঘোঁৰাশালৰপৰা এটা ঘোঁৰা আৰু অলপ নগদ ধন তেওঁক পুৰস্কাৰ স্বৰূপ দিবলৈ আদেশ দিওঁ।

হুমায়ুনে এশ বন্দী আৰু সাত আঠটা হাতী লৈ মোৰ শিবিৰ পাই মোক সম্মান জনায়। এটা উদাহৰণ দেখুৱাবৰ কাৰণে মই হিলৈদাৰী সৈন্যক এই বন্দীবিলাকক গুলীয়াই হত্যা কৰাৰ আদেশ দিওঁ। হুমায়ুনৰ এইটোৱেই প্ৰথম যুদ্ধ যাত্ৰা। যুদ্ধ বস্তুটো তেওঁ এই প্ৰথম দেখিলে। এইটো বৰ শুভ লক্ষণ। হুমায়ুনৰ পাতল বাহিনীৰ কেইজনমানে—যি পলোৱাৰ পিচত শত্ৰুৰ পিচে পিচে খেদি গৈছিল—সিহঁতে হিচাৰ ফিৰোজ পোৱা মাত্ৰেই সেই দেশ দখল কৰি লয় আৰু লুট কৰি তাৰ পৰা ঘূৰি আহে। হিচাৰ ফিৰোজ আৰু ইয়াৰ অধীনস্থ জিলা বিলাকক—যাৰ ৰাজহৰ পৰিমাণ ২ লক্ষ ২৫ হাজাৰ টকা—তাৰ অধিকাৰ মই হুমায়ুনক দিওঁ আৰু উপহাৰ স্বৰূপে আৰু ২ লক্ষ ২৫ হাজাৰ টকা তেওঁক নগদ দিওঁ।

এই ঠাইৰ পৰা যাত্ৰা কৰি আমি চাহাবাদ পাওঁগৈ। মই কেইজনমান উপযুক্ত লোকক চুলতান ইব্ৰাহীমৰ শিবিৰৰ সংবাদ আনিবৰ কাৰণে পঠাই এই ঠাইতে কেইদিনমান অপেক্ষা কৰোঁ। ইয়াৰ পৰা বিজয় বাৰ্ত্তা জনাই কেইখনমান চিঠি বহৰত পেয়াদাৰ যোগে কাবুললৈ পঠাই দিওঁ।

হুমায়ুনৰ মন্তব্য

(এই ঠাইত আৰু এই দিনাই মোৰ ডাড়িত প্ৰথম ক্ষুৰ বা কেচি ব্যৱহাৰ কৰোঁ। মোৰ মহামান্য পিতাই তেওঁৰ এই আত্মচৰিতত তেওঁ কেতিয়া প্ৰথম ক্ষুৰ ব্যৱহাৰ কৰিছিল তাক লিখি ৰাখিছে তেওঁৰ উদাহৰণ অনুসৰণ কৰি মই বিনীতভাৱে নিজৰ সম্বন্ধে এনেকুৱা ঘটনা লিখি ৰাখিছোঁ। এতিয়া মোৰ বয়স ছয়চল্লিশ। মই মহম্মদ হুমায়ুনে পৰলোকগত সম্ৰাটৰ নিজ হাতে লিখা আত্ম চৰিতৰ পাণ্ডুলিপিৰপৰা এটা অনুলিপি কৰি ৰাখিছো।)

এই ঠাইত থকাৰ সময়তে সূৰ্য্য মেষ ৰাশিত প্ৰবেশ কৰে। আমি বাৰে বাৰে এই খবৰ পাইছিলো যে চুলতান ইব্ৰাহীম লাহে লাহে দুই-এ মাইল আগবাঢ়ি সেইঠাইত দুই-তিনিদিন জিৰণি লৈছে। আমিও সেইদৰে আগ-বাঢ়িছো তেওঁৰ সন্মুখীন হ'বৰ কাৰণে আৰু যমুনাৰ পাৰত শিবিৰ পাতিছো।

হায়দাৰ কুলিক খবৰ সংগ্ৰহ কৰিবৰ কাৰণে পঠাই দিয়া হ'ল। যমুনা নদীৰ যি ঠাইত পানী কম তাতে পাৰ হৈ নদীৰ ইপাৰলৈ আহিলো। ছিৰছাত এটা সুন্দৰ উহ দেখা গ'ল। সেই উহে এখন নদী সৃষ্টি কৰিছে। ঠাইডোখৰ বৰ মনোৰম। তাৰদি বেগে ঠাইডোখৰৰ প্ৰসংশা কৰিবলৈ ধৰিলে।

মই কলোঁ—ই তোমাৰেই হওক।

তেওঁৰ প্ৰশংসাৰ ফলত মই সঁচাকৈয়ে ঠাইডোখৰ তেওঁকেই দিলোঁ। এখন নাৱৰ ওপৰত চন্দ্ৰাতপ লগাই পাল তৰি নৈৰ বুকুত যাবলৈ ধৰিলোঁ আৰু কেতিয়াবা নৈৰ সৰু সৰু ঘূলিৰ মাজলৈ সোমাই নাও চলাবলৈ লাগিলোঁ।

ভাটিকালে নৈৰ পাৰে পাৰে দুবাৰ সৈন্য চালনা কৰি আগুৱাই থাকো। এই সময়তে হায়দাৰ কুলি—যাক সংবাদ সংগ্ৰহ কৰিবৰ কাৰণে পঠোৱা হৈছিল —ঘূৰি আহি জনায় যে নৈৰ সিপাৰে দাউদ খাঁ আৰু হাতিম খাঁই ছয়-সাত হাজাৰ অশ্বাৰোহী সৈন্য লৈ চুলতান ইব্ৰাহীমৰ ঘাটিৰ পৰা ছয়-সাত মাইল দূৰলৈ পাতৰি আহিছে। সিহঁতে বাট ধৰি আমাৰ ফাললৈকে আগুৱাইছে।

মই মোৰ সৈন্য বেহুৰ বাম বাহু আৰু ইউনিছ আলিৰ অধীনত বেহুৰ মাজভাগৰ কিছু অংশক দ্রুত গতিৰে আগবাঢ়ি গৈ শত্রু সৈন্যৰ ওপৰত অতৰ্কিতে জপিয়াই পৰিবৰ কাৰণে আদেশ দিওঁ।

মধ্যাহ্ননামাজৰ সময়ত মোৰ সৈন্যবিলাকে আমাৰ শিবিৰৰ কাষেদিয়েই নৈ পাৰ হৈ গ'ল। অপৰাহ্ন আৰু সন্ধ্যা নামাজৰ মাজ সময়তে সিহঁতে সিপাৰৰ তীৰ ধৰি আগবাঢ়ি গ'ল। পিচদিনা পুৱা নামাজৰ সময়ত সিহঁত শত্রু সৈন্যৰ ওচৰ পায়গৈ। শত্রুপক্ষই সিহঁতৰ সৈন্য দলৰ শৃঙ্খলা কিছু ৰক্ষা কৰি মোৰ সৈন্যবিলাকৰ সন্মুখীন হবলৈ যাত্রা কৰে। কিন্তু মোৰ সৈন্য আগবাঢ়ি অহাতেই সিহঁতৰ মনোবল ভাগি যায়। সিহঁত পলাবলৈ আৰম্ভ কৰে। মোৰ সৈন্যই পিচে পিচে খেদি শত্রু সৈন্য বধ কৰি কৰি ইব্রাহীমৰ শিবিৰৰ ওচৰ পায়গৈ। সিহঁতে শত্রুপক্ষৰ এজন সেনাপতি আৰু সত্তৰ-আশি জন সৈন্যক বন্দী কৰে। বন্দীবিলাক আৰু তাৰ লগতে সাত-আঠটা হাতী লৈ সিহঁত আমাৰ শিবিৰলৈ ঘূৰি আহে। শত্রুপক্ষৰ ভয় সঞ্চাৰ কৰিবৰ কাৰণে উদাহৰণ স্বৰূপে কেইজনমান বন্দীক হত্যা কৰা হয়।

পুনৰ যাত্রা আৰম্ভ কৰাৰ সময়ত মোৰ সকলো সৈন্য সজাই যুদ্ধ অভিযানৰ উপযোগী সোঁ, বাওঁ আৰু মধ্য বেহু তৈয়াৰ কৰোঁ। এইদৰে সৈন্য সজাই 'ভিম' উদযাপন কৰা হয়। প্রচলিত ৰীতিমতে 'ভিম'ৰ অর্থ হ'ল—যেতিয়া সৈন্যবিলাকে যুদ্ধৰ কাৰণে সাজু হৈছে, অশ্বাৰোহী সৈন্যবিলাক ঘোঁৰাত আৰোহণ কৰিছে, পদাতিক সকলে অস্ত্র-শস্ত্রৰে সজ্জিত—তেতিয়া সৈন্যাধ্যক্ষই হাতত ধনু বা চাবুক লৈ প্রচলিত নিয়ম অনুসাৰে যুদ্ধৰ কাৰণে প্রস্তুত সৈন্য বিলাকৰ ফালে চাই আন্দাজ কৰি কব লাগিব—কিমান সৈন্য যুদ্ধৰ অভিযানত যাত্রা কৰিছে। মই আন্দাজত যি সংখ্যা নির্ণয় কৰোঁ প্রকৃততে দেখা গ'ল আচল সৈন্য সংখ্যা তাতকৈ কিছু কম।

এই ঠাইতোখৰতে মই নির্দেশ দিওঁ যে 'ৰুম'ৰ ৰীতি অনুসাৰে ছিলৈ-ধাৰী গাড়ীবিলাক এখনৰ লগত আৰু এখন বাঁহৰ চালৰপৰা পকোৱা ৰছি

দি বান্ধিব লাগিব। যেনেকৈ লোহাৰ শিকলি দি কৰা হয়। প্ৰতি দুখন ছিলৈধাৰী গাড়ীৰ মাজৰ ঠাইত থাকিব ছয় সাতটা ৰক্ষণ স্তম্ভ। গোলন্দাজ বাহিনীয়ে কামান আৰু ৰক্ষণ স্তম্ভৰ পিচত বৈ গুলি এৰিব। কামান বন্দুক প্ৰভৃতি যুদ্ধাস্ত্ৰ সজাই পেলাবৰ কাৰণে পাঁচ ছয়দিন অপেক্ষা কৰোঁ। সকলো-বিলাক সুশৃঙ্খলভাৱে সজোৱা হৈ গলত মই আমীৰ আৰু অভিজ্ঞ লোকসকলক মাতি আনি সাধাৰণভাৱে আলোচনা কৰোঁ। আলোচনাত ঠিক হয় যে, পাণিপথ এখন ডাঙৰ চহৰ। এই চহৰৰ দালান কোঠা মোৰ সৈন্যবিলাকৰ এটা অংশৰ ৰক্ষাৰ কাম কৰিব। সন্মুখ ভাগত ৰক্ষা আৱৰণী আৰু ঢাকি থোৱা কামানৰ ব্যৱস্থা কৰিব লাগিব। তাৰপাচত থাকিব গোলন্দাজ সৈন্য আৰু পদাতিক বাহিনী। এনেধৰণৰ সংকল্প কৰি আমি আগবাঢ়ো আৰু দুবাৰ সৈন্য চালনা কৰিয়েই পানিপথ পাওগৈ। আমাৰ সোঁফালে আছিল চহৰ আৰু নগৰ উপকণ্ঠ। আমাৰ সন্মুখভাগত কামান আৰু ৰক্ষণ স্তম্ভবিলাক সজাই পেলাও—যিবিলাকক আমি প্ৰস্তুত কৰি আনিছো। বাওঁকালে আৰু নানান ঠাইত খাল খন্দা আৰু গছৰ ডাল-পাত সজাই প্ৰতিৰোধৰ ব্যৱস্থা ঠিক কৰি পেলোৱা হয়। কাঁড় মাৰিলে যিমান দূৰ যায় সিমান পৰিমাণ ঠাই মাজে মাজে ফাক ৰখা হয় য'ত প্ৰয়োজনমতে এশ, দেড়শ সৈন্যই দৌৰি আহি বৈ যাব পাৰে।

মোৰ সৈন্যবিলাকৰ ভিতৰত বহুতেই কিন্তু বৰ ভীত আৰু চকিত হৈ পৰিল। এনে ভয় আৰু সঙ্কোচ কোনো সময়তে উচিত নহয়। সৰ্ব্বশক্তিমান ভগৱানে যিটো আগবেপৰা ঠিক কৰি ৰাখিছে সি কোনো কাৰণতে লৰচৰ নহয়। অৱশ্যে তেওঁলোকক বৰ দোষ দিবও নোৱাৰি। ভয়খোৱাৰ তেওঁ-লোকৰো কাৰণ আছিল। কাৰণ তেওঁলোক নিজ দেশৰপৰা দুই-তিনি মাহৰ বাট পাৰ হৈ ইয়ালৈ আহিছে। তাৰোপৰি তেওঁলোকে সম্পূৰ্ণ অপৰিচিত জাতিৰ লগত যুদ্ধ কৰিব লাগিব—যাৰ ভাষা আমি বুজি নাপাওঁ, আৰু আমাৰ ভাষাও যি নুবুজে।

'বিপদত আমি পৰিছো সকলো
মস্তিষ্ক স্থিৰ নহয় কাৰো।
অদ্ভুত জাতিয়ে লয় মোক বেৰি,
নাজানো সিঁহতৰ কিনো মতিগতি'।

আমাৰ সম্মুখত শত্রুসৈন্যৰ সংখ্যা প্ৰায় এক লাখ হব যেন আন্দাজ হ'ল। সম্রাট আৰু তেওঁৰ কৰ্মচাৰী সকলৰ হাতীৰ সংখ্যা এহেজাৰ মান হব। সম্রাট তেওঁৰ পিতা আৰু পিতামহৰ সঞ্চিত ধন-বস্তুৰ অধিকাৰী। তাৰ উপৰিও সঞ্চিত নগদ মুদ্ৰাও যথেষ্ট আছে—যিখিনি ইয়াত ব্যৱহাৰ কৰিব পাৰে। হিন্দুস্থানৰ এটা ৰীতি এই যে, কোনোবা এনে অৱস্থাত পৰিলে যেনেকৈ এতিয়া মোৰ শত্রুপক্ষ পৰিছে—সাচতীয়া ধন দি তেবোনীয়া সৈন্য গোটাই তেওঁৰ শক্তি বঢ়াই থাকে। যদি সম্রাটে এই পথ অৱলম্বন কৰিলেহেঁতেন তেতিয়া হলে তেওঁ নিশ্চয় আৰু এক বা দুই লাখ অতিৰিক্ত সৈন্য সংগ্ৰহ কৰিব পাৰিলেহেঁতেন। কিন্তু সৰ্বশক্তিমান ভগবানে যি কৰে ভালেই কৰে। সম্রাটৰ নিজৰ সৈন্যবাহিনীক সন্তুষ্ট কৰিবৰ কাৰণে উদাৰতা নাছিল, ধন খৰচ কৰি তেবোনীয়া সৈন্য সংগ্ৰহ কৰাটো দূৰৰ কথা। তেওঁৰ সঞ্চিত ধন খৰচ কৰাৰ কোনো ইচ্ছাই নাছিল। কেনেকৈ তেওঁৰ সৈন্য বিলাকৰ সন্তুষ্টি বিধান কৰিব? তেওঁ নিজে আছিল এক নম্বৰ কৃপণ, ধন সচাই তেওঁৰ একমাত্ৰ কাম। তেওঁ আছিল অনভিজ্ঞ ডেকা। সৈন্য লৈ চলাচল কৰা আৰু আন সকলোবিলাক ব্যৱস্থাই তেওঁৰ দায়িত্ব এবাৰ আৰু অৱহেলাৰ বস্তু। কোনো ধৰণৰ শৃঙ্খলা নলগোৱাকৈ তেওঁ সৈন্য চালনা কৰে, য'তে ত'তে কোনো সিদ্ধান্ত নকৰাকৈয়ে বৈ যায়। আকৌ কোনো ধৰণৰ দূৰদৰ্শিতাৰ পৰিচয় নিদিয়াকৈয়ে যুদ্ধত নামে।

যেতিয়া মোৰ সৈন্যবিলাকে পানিপথত তেওঁবিলাকৰ অৱস্থান ভুমিৰ আৰু তাৰ লগালগি ঠাই কামান, বন্দুক, গছৰ ডাল-পাত সজাই আৰু গড়খাৱৈ খন্দাই সুৰক্ষিত কৰিছে, সেই সময়ত মহম্মদ ছৰবান মোৰ ওচৰলৈ

আহি কলে—আপুনি যেনেকৈ আমাৰ ঠাই সুৰক্ষিত কৰিছে এনে অৱস্থাত সম্রাটে কেতিয়াও ইয়ালৈ আহি যুদ্ধ আৰম্ভ কৰাৰ সিদ্ধান্তকে নকৰে।

উত্তৰত মই কওঁ—উজবেকৰ চুলতান আৰু খাঁ সকলৰ কথা মনত পেলায়েই বোধকৰোঁ তুমি এই কথা কৈছা। এইটো কথা ঠিক—যি বছৰ আমি চমৰখণ্ড আৰু হিছাৰলৈ গুচি আহো, সেই সময়ত উজবেগ বিলাকৰ কেইজনমান খাঁ আৰু চুলতানে একেলগ হৈ দৰবেন্দৰ পৰা অভিযান চলাই আমাৰ ওপৰত আক্রমণ আৰম্ভ কৰে। মই মোগলবিলাকৰ পৰিয়াল আৰু ধন-সম্পত্তি আৰু সৈন্যবিলাকক সেই চহৰ আৰু উপকণ্ঠত সমবেত কৰো আৰু তালৈ অহাৰ সকলো বাট বন্ধ কৰি অৱৰোধৰ নিচিনা অৱস্থাৰ সৃষ্টি কৰোঁ। খাঁ আৰু চুলতানবিলাকে কোন সময়ত আক্রমণ কৰাৰ সুবিধা আৰু কোন সময়ত হোহকি যাব লাগিব তাৰ ধাৰণা কৰিব পাৰিছিল। যেতিয়া সিহঁতে দেখিলে যে আমি শেষ ৰক্তবিন্দু দি হিছাৰ ৰক্ষা কৰিবলৈ দৃঢ় সংকল্প আৰু আমি আক্রমণ প্রতিৰোধ কৰাৰ সকলো ব্যৱস্থা ঠিক কৰি পেলাইছো, তেতিয়া সিহঁতে জয়লাভৰ কোনো আশা দেখা নাপাই বুন্দাৰৰ ফালে পলাই গ'ল। কিন্তু যিসকলে তেতিয়া আমাৰ লগত যুঁজিবলৈ আহিছিল তেওঁলোকৰ লগত বৰ্ত্তমান শত্রুবিলাকৰ বিচাৰ কৰিবলৈ নাযাবা। এওঁলোকৰ কোনো বিচাৰ বিবেচনা কৰাৰ ক্ষমতা নাই যাতে সিহঁতে বুজিব পাৰে যে কেতিয়া তেওঁলোক আগবঢ়া উচিত, কেতিয়া নো হোহকি যোৱা উচিত।

ভগৱানৰ ইচ্ছাত সকলো আমাৰ হৈয়ে সুবিধাজনক হৈ উঠিছিল। মোৰ ভবিষ্যতবাণীয়েই ঠিক ফলিয়ালে। সাত-আঠদিন আমি পানিপথত থকাৰ সময়ত মোৰ সৈন্যদলৰ কেইজনমানে শত্রুপক্ষৰ শিবিৰৰ ওচৰলৈ গৈ অগণন কাঁড় নিক্ষেপ কৰি আছিল। কিন্তু শত্রুপক্ষই কোনো ৰকমেই শিবিৰৰ পৰা লৰচৰ নকৰিলে আৰু শিবিৰৰ বাহিৰলৈ আহি আক্রমণ কৰাৰ কোনো উদ্যম নেদেখুৱালে।

আমাৰ কালৰ কেইজনমান হিন্দুস্থানী আমিৰৰ নেবানেপেৰা অনুৰোধত

চাৰি-পাঁচ হেজাৰ সৈন্য নৈশ আক্ৰমণৰ কাৰণে যায়। মোৰ এই সৈন্য দলটোৱে প্ৰথমতে শৃঙ্খলাৰে আগবাঢ়িবলৈ চেষ্টা কৰা নাই। খেলিমেলিকৈ অভিযান চলাই তেওঁলোকে অকণো সুবিধা কৰিব পৰা নাই। ৰাতি পুৱালতো তেওঁলোকে শত্ৰুশিবিৰৰ কাষৰে পাজৰে ঘূৰি থাকিবলৈ হৈ গ'ল, যদিও দিনৰ পোহৰত চাৰিওফালে উজ্জ্বল হৈ পৰিছে। এই সময়ত শত্ৰুপক্ষই ৰণবাদ্য বজাই হস্তীবাহিনীক প্ৰস্তুত কৰি তেওঁলোকৰ ফালে চোচা ল'লে। মোৰ সৈন্যদলে তেতিয়া কোনো উল্লেখযোগ্য ফল দেখুৱাব নোৱাৰিলে। তথাপি শত্ৰুপক্ষৰ অগণন সৈন্য তেওঁলোকৰ ওপৰত জপিয়াই পৰাৰ উপক্ৰম কৰিলেও তেওঁলোক নিৰাপদে পিচুৱাই আহিল। এজন মানুহৰো প্ৰাণ হানী হোৱা নাই। মাত্ৰ মহম্মদ আলি এড.ল কাঁড়ৰ আঘাতত আহত হৈছিল। কিন্তু জখম মাৰাত্মক নহয়। এই আঘাতৰ কাৰণেই যুদ্ধৰ দিনা তেওঁ মাত্ৰ নিজৰ ঠাইত উপস্থিত থাকি যুদ্ধ কৰিব পৰা নাই। কি ঘটনা ঘটিছে জানিব পাৰি মই হুমায়ুনক তেওঁৰ অধীনস্থ সৈন্য লৈ হুমাইল আগুৱাই যাবলৈ কওঁ—যাতে মোৰ হোহকি অহা সৈন্যবিলাকক তেওঁ নিৰাপদে ঘূৰাই লৈ আহিব পাৰে। মযো মোৰ অৱশিষ্ট সৈন্য সজ্জিত কৰি যুদ্ধৰ কাৰণে প্ৰস্তুত হৈ অপেক্ষা কৰি থাকো। যিবিলাক সৈন্যই শত্ৰুপক্ষক বিব্ৰত কৰিবৰ কাৰণে নৈশ অভিযানত গৈছিল তেওঁলোক পিচুৱাই অহা বাটত হুমায়ুনৰ দলৰ লগত যোগ দি তেওঁৰ লগতে নিৰাপদে ঘূৰি আহে। আমাক আক্ৰমণ কৰিবৰ কাৰণে শত্ৰুপক্ষৰ কোনো আয়োজন নেদেখি মই মোৰ সৈন্য বিলাকক আঁতৰাই আনি শিবিৰলৈ পঠাই দিওঁ।

ৰাতি এটা মিছা বিপদসূচক সঙ্কেত ধ্বনি শুনা গ'ল। প্ৰায় পঁচিশ মিনিট ধৰি 'সাজু হোৱা' 'সাজু হোৱা' ধ্বনি আৰু চিঞৰ-বাখৰ চলিল। এনেকুৱা বিপদসূচক সঙ্কেত ধ্বনি মোৰ যিবিলাক নতুন সৈন্যই শুনা নাই বা তেনেকুৱা কথা দেখা নাই সিহঁতেই আতঙ্কিত হৈ বিশৃঙ্খলাৰ সৃষ্টি কৰিলে। যাই হওক অলপ সময়ৰ ভিতৰতে এই আতঙ্ক দূৰ হ'ল।

পুৱাৰ নামাজৰ সময়ত যেতিয়া উষাৰ কিৰণ এনে যে একো বস্তুকে দেখি চিনিব পৰা নাই—এটাৰ পৰা আনটোৰ পাৰ্থক্য বুজিব পৰা হোৱা নাই—এনে সময়তে আগবঢ়া পৰ্য্যবেক্ষক দলৰ পৰা বাতৰি আহিল যে শত্ৰুপক্ষই যুদ্ধৰ সাজত সজ্জিত হৈ আগুৱাই আহিছে। আমি ততালিকে শিৰস্ত্ৰান, বৰ্ম্ম পিন্ধি ঘোঁৰাৰ পিঠিত উঠিলোঁ। সেনাবাহিনীৰ সোঁভাগত হুমায়ুন আৰু বাওঁ ভাগত মহম্মদ চুলতান মিৰ্জ্জাই সৈন্য পৰিচালনা কৰিছিল। মাজভাগৰ সেনাবাহিনীৰ সোঁফালৰ ভাৰ আছিল চিন তাইমুৰ চুলতানৰ আৰু বাঁও ফালৰ ভাৰ আছিল খলিফাৰ ওপৰত। ঘোঁৰাশালৰ অধিনায়ক আব্দুল আজিজৰ ওপৰত সংৰক্ষিত দলৰ ভাৰ আছিল। সোঁবাহুৰ সেনাদলৰ পাৰ্শ্বৰক্ষী হিচাবে ওৱালি কাজিলক তেওঁৰ মোগল দলবল সহ নিযুক্ত কৰোঁ। এই পাৰ্শ্বৰক্ষী-বিলাকক নিৰ্দ্দেশ দিওঁ যে শত্ৰুসৈন্য কাষত আহি পৰিলে দুয়োফালৰ পাৰ্শ্বৰক্ষীৰ সেনাদল ঘূৰি গৈ যেন শত্ৰুপক্ষৰ পাচফালে উপস্থিত হয়।

শত্ৰুসৈন্য দেখা পাই সিহঁতৰ গতি-গোত্ৰ দেখি ভাব হ'ল যে সিহঁতৰ সমস্ত শক্তি সৰহভাগ মোৰ সোঁবাহুৰ সৈন্যদলৰ ওপৰতে প্ৰয়োগ কৰাৰ চেষ্টা কৰিছে। মই সেই কাৰণে সংৰক্ষিত সৈন্যৰ অধিনায়ক আব্দুল আজিজক তেওঁৰ সৈন্যদলসহ সোঁ বাহুৰ সৈন্যবিলাকৰ সৈতে যোগ দি তেওঁলোকৰ দল টনকিয়াল কৰিবলৈ নিৰ্দ্দেশ দিওঁ। চুলতান ইব্ৰাহীমৰ সৈন্যদল আগুৱাই আহা দেখি ধাৰণা হল যে তেওঁলোক নৰয়, খৰ গতিৰে আগবাঢ়ি আমাৰ ওপৰত জপিয়াই পৰিব। সিহঁত ওচৰ চাপি মোৰ দৃঢ় অৱস্থান দেখি বুজিব পাৰে কেনেকৈ প্ৰতিৰোধ ব্যৱস্থা ঠিক কৰিছো। এইবিলাক দেখি সিহঁতে কিছুসময়ৰ কাৰণে থমকি যায় আৰু যেন ভাবিবলৈ ধৰে যে এতিয়া বৰ নে আগুৱাই যাব। তাঁহাতৰ অৰণ্ডে বোৱাৰ উপায় নাছিল কিন্তু সিহঁত আগৰ দৰে আগবাঢ়িব পৰা নাছিল।

সোঁ আৰু বাওঁ সীমাৰ কাষৰ সৈন্যবিলাকলৈ নিৰ্দ্দেশ পঠাওঁ যে তেওঁবিলাকে যেন শত্ৰুসৈন্য চক্ৰাকাৰে পাৰ হৈ অতি বেগেৰে সিহঁতৰ পিচফালে

পশ্বিত হৈ আক্রমণ আৰম্ভ কৰি দিয়ে। সোঁ আৰু বাওঁ ভাগৰ সৈন্য
লাককো আদেশ দিয়া হয় যেন তেওঁলোকে শত্রুসৈন্যৰ উপৰত ভেটিয়াই
াক্রমণ আৰম্ভ কৰে। পাৰ্শ্ববৰ্ত্তী সৈন্যবিলাকে উপদেশ মতে শত্রুসৈন্যৰ
চফালে হাজিৰ হৈ সিহঁতৰ ওপৰত শৰ নিক্ষেপ কৰি থাকে।

মেহদি খাজা বাওঁফালৰ সৈন্যৰ আগত আগুৱাই যায়। শত্রুপক্ষৰ
দল লোকে এটা হাতী লৈ তেওঁলোকৰ ফালে চোচা লয়। মোৰ সৈন্যবিলাকে
িহঁতৰ ফালে চোকা শৰ নিক্ষেপ কৰি থাকে। শত্রুসৈন্যৰ এই দলটো
চতিয়া হোঁহকি যায়।

মই মোৰ প্রধান বাহিনীৰ নায়ক আহমেদি পাৰৱানচিক বাওঁফালৰ সৈন্য
গাকক সহায় কৰিবৰ কাৰণে সেইফালে পঠাওঁ। সোঁফালৰ যুদ্ধত ভেনে
দম হৈ উঠিছিল। মহম্মদ পতুলতাছক কেন্দ্ৰৰ সৈন্যবাহিনীৰ সন্মুখলৈ
গৰাটি যুদ্ধত যোগ দিবলৈ কওঁ। ওস্তাদ আলিয়েও সন্মুখৰ গাৰীবলৰা
বোৰ হিলৈ চলায় আৰু তাৰ ফলাফলো ভাল হয়। সেইদৰে গোলন্দাজ
চাকাই কেন্দ্ৰৰ বাওঁফালৰ পৰা কামানৰ গুলি এৰি বৰ ভাল কাম দেখুৱায়।
া আৰু বাওঁ বাহিনী, কেন্দ্র আৰু পাৰ্শ্ববৰ্ত্তী সৈন্যবিলাকে এইদৰে শত্রুসৈন্যক
বিওফালে বেৰি লৈ গভীৰ সংঘৰ্ষত লিপ্ত হয় আৰু শত্ৰুৰ ওপৰত
নৰৰত শৰ নিক্ষেপ কৰি থাকে।

শত্রুপক্ষই আমাৰ সোঁ আৰু বাঁওফালৰ সৈন্যবিলাকৰ ওপৰত দুই এবাৰ
র্ধ আক্রমণ চলায়। মোৰ সৈন্যই ধনু হাতত লৈ কাঢ় মাৰি সিহঁতক কাবু
বি পেলায়। শত্রুপক্ষৰ কেন্দ্ৰৰ বাঁও আৰু সোঁ ফালৰ সৈন্যবিলাক বিপৰ্য্যস্ত
হ একে ঠাইতে জাক বান্ধি গোট খাবলৈ চেষ্টা কৰিলত এনে এটা বিশৃঙ্খলাৰ
ষ্টি হয় যে সিহঁতে আৰু আগবাঢ়িবও নোৱাৰে বা এনেকুৱা কোনো বাটো
চাবি নাপায় যি ফালেদি সিহঁত পলাব পাৰে।

পূব আকাশত সূৰ্য্য উদয় হওঁতেই যুদ্ধ আৰম্ভ হয়। যুদ্ধ চলে দুপৰীয়ালৈকে
ষেতিয়া শত্রু সৈন্য সম্পূৰ্ণ বিপৰ্য্যস্ত আৰু মোৰ দলবীয়াবিলাক যুদ্ধত জয়ী হৈ

আনন্দত বিহ্বল। সৰ্ব্বশক্তিমান ভগৱানৰ অসীম কৰুণা আৰু অনুগ্ৰহ এই দুৰূহ কাৰ্য্য কিমান সহজে হৈ গ'ল। শত্ৰুপক্ষৰ এই বিপুল বাহি এদিনৰ আধা সময়ৰ ভিতৰতে ধূলিত মিলি গ'ল।

চুলতান ইব্ৰাহীমৰ ওচৰত যি সৈন্যবাহিনী আছিল সিবিলাকৰ ভিতৰ পাঁচ-ছয় হেজাৰ মৃত অৱস্থাত দেখা গ'ল। যুদ্ধক্ষেত্ৰৰ চাৰিওফালে পোন্ধ যোল হেজাৰ সৈন্যৰ শ পোৱা গ'ল। আগ্ৰা পোৱাৰ পাচত হিন্দুস্থানবাসী সকলৰ বিৱৰণ শুনি জনা যায় যে যুদ্ধক্ষেত্ৰত পঞ্চাশ-ষাঠি হেজাৰ সৈন্য নিহ হৈছে। যাহওক শত্ৰু সৈন্য পৰাস্ত হোৱাৰ পিচত পলাই যোৱা সৈন্যবিলাক অনুসৰণ, হত্যা আৰু বন্দী কৰি থাকো। মোৰ যিবিলাক সেনা আগুৱা গৈছিল তেওঁলোকে আমীৰ আৰু আফগানবিলাকক বন্দী কৰি আনিবলৈ আৰম্ভ কৰে। মাউতৰ সৈতে সিঁহতে বহুত হাতীও ধৰি আনে আৰু সেই বিলাক পেচ্‌কচ্‌ হিচাবে মোক শোধায়।

পলোৱা শত্ৰুৰ পিচে পিচে কিছুদূৰ খেদাৰ পিচত আৰু চুলতান ইব্ৰাহী যুদ্ধক্ষেত্ৰৰ পৰা পলাইছে বুলি ধাৰণা কৰি মোৰ কেইজনমান অতি বিশ্বাসী অনুচৰক তেওঁৰ সন্ধানৰ কাৰণে প্ৰয়োজন হ'লে আগ্ৰা পৰ্য্যন্ত যাবৰ কাৰণে আদেশ দিওঁ। ইব্ৰাহীমৰ সৈন্য শিবিৰবিলাকৰ মাজেদি আগবাঢি নিজৰ তম্বু, আচবাব আৰু সাজ-সৰঞ্জাম পৰ্য্যবেক্ষণ কৰি আহি ছিহাব নদীৰ পাৰত শিবিৰ স্থাপন কৰোঁ।

ঠিক আবেলিৰ নামাজৰ সময়ত খলিফাৰ ভায়েক তাহিৰ তাবেৰিয়ে চুলতান ইব্ৰাহীমৰ মৃতদেহ অন্যান্য হতাহতৰ মাজত দেখা পাই তেওঁৰ মূৰ কাটি সেই মূৰ লৈ মোক দেখা কৰে।

সেইদিনাই মই হুমায়ুন মিৰ্জ্জাক বয়-বস্তৰ গধুৰ বোজা লৈ তেতিয়াই যাত্ৰা কৰি যিমান দূৰ সম্ভৱ খৰ গতিৰে আগ্ৰাত উপস্থিত হৈ তাৰ কোষাগাৰবিলাক দখল কৰিবলৈ নিৰ্দ্দেশ দিওঁ। সেই সময়ত মেহদি খাজাকো আদেশ

দিও যে তেওঁ সকলো বয়বস্ত ইয়াতে এৰি থৈ বেগাই দিল্লীত উপস্থিত হৈ দিল্লী দুৰ্গৰ কোষাগাৰ যেন তেওঁ অনতিপলমে আটক কৰে।

পিচদিনা পুৱা যাত্ৰা আৰম্ভ কৰি হুমাইলমান আগবাঢ়ি যমুনাৰ পাৰত বৈ থাওঁ কাৰণ ঘোঁৰা বিলাকক জিৰণি দিয়াৰ আৱশ্যক আছিল। পিচত তিনিবাৰ সৈন্য চালনা কৰি দিল্লীৰ ওচৰ পাই যমুনা নদীৰ পাৰত শিবিৰ স্থাপন কৰোঁ।

দিল্লীৰ সামৰিক সমাহৰ্ত্তাৰ পদ ওৱালি কিজিলক প্ৰদান কৰো আৰু দোস্তক দিও দিল্লীৰ দেৱানৰ পদাধিকাৰ। দিল্লীৰ সকলো কোষাগাৰ অনতিপলমে ছিলমোহৰ মাৰিবলৈ আদেশ দিওঁ আৰু কোষাগাৰ বিলাকৰ ভাৰ এই দুজনৰ ওপৰত অৰ্পণ কৰোঁ।

মৌলানা মামুদ, ছেখ জিন আৰু আন কেইজনমান শুকুৰবাৰৰ নামাজ পঢ়িবলৈ দিল্লীলৈ যায়। মোৰ নামত নামাজ পঢ়ি তেওঁবিলাকে ফকিৰ আৰু দৰিনীয়া বিলাকক অলপ ধন বিতৰণ কৰি ঘূৰি আহে।

কেইদিনমানৰ পিচত আগ্ৰাৰ প্ৰান্তত অৱস্থিত চুলেমান কাৰেঙলৈ যাওঁ। এই ঠাই আগ্ৰাৰ দুৰ্গৰপৰা বহুত দূৰ হোৱাত মই পিচদিনা পুৱা গৰপৰা গুচি আহি জালাল খাঁ কাৰেঙত থকাৰ যোগাৰ কৰোঁ। আগ্ৰা দুৰ্গৰ মানুহবিলাকে নানা চেলু উলিয়াই হুমায়ুনক বাধা জন্মাই আছিল। দিও তেওঁ মই অহাৰ আগতেই এইখিনি পাইছিলহি। হুমায়ুনে দেখিয়া দখিলে যে এইসকল লোকৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব পৰা কোনো মানুহ নাই আৰু সিহঁতে যাতে ধন-বস্তু লুট কৰি পলাব নোৱাৰে—তেতিয়া সিহঁতক একো নকৈ এনেকুৱা ঠাইত সৈন্য ৰাখিলে যাতে দুৰ্গৰ পৰা কোনো পলাব নোৱাৰে।

গোৱালিয়ৰৰ ৰজা বিক্ৰমজিৎ এজন হিন্দু। হিন্দু ৰজাসকলে এই ৰাজ্য দশ বছৰৰ ওপৰ ৰাজত্ব কৰি আহিছে। যি যুদ্ধত ইব্ৰাহীম পৰাজিত হয় সেই যুদ্ধত বিক্ৰমজিতক নৰকলৈ পঠোৱা হয়। বিক্ৰমজিতৰ পৰিয়াল আৰু তেওঁৰ বংশৰ চৰ্দাৰ সকল তেতিয়া আগ্ৰাতে আছিল। হুমায়ুন আগ্ৰা গোৱাৰ

পিচত বিক্ৰমজিতৰ লোকসকলে পলোৱাৰ চেষ্টা কৰে কিন্তু হুমায়ু যিবিলাক মানুহক সতৰ্ক দৃষ্টি দিবৰ কাৰণে নিযুক্ত কৰিছিল তেওঁলো সিঁহতক আটক কৰে। কিন্তু হুমায়ুনে সিঁহতক ধন-বস্তু লুট কৰাৰ আদে দিয়া নাই। সিঁহতে আপোনা-আপুনি হুমায়ুনক সৌহাৰ্দ্যৰ প্ৰস্তাব দ বহুত বস্তু আৰু দামী পাথৰ উপহাৰ দিয়ে। এইবিলাক বস্তুৰ ভিত এডোখৰ বিখ্যাত হীৰা আছিল যিডোখৰৰ নাম আছিল 'কহিনুৰ'। চুলতা আলাউদ্দিনে এই বহুমূলীয়া হীৰা সংগ্ৰহ কৰিছিল। ই ইমান মূল্যবান এজন জহুৰিয়ে ইয়াৰ দাম ঠিক কৰিছিল—পৃথিবীত দৈনিক যিমান অৰ্থব্য হয় তাৰ আধা। ইয়াৰ ওজন প্ৰায় তিনিশ কুৰি ৰতি। মই আগ্ৰা পাল হুমায়ুনে মোক এই হীৰা উপহাৰ দিয়ে আৰু ময়ো আকৌ তাক উপহা স্বৰূপে তেওঁকেই প্ৰত্যৰ্পণ কৰোঁ।

দুৰ্গত যিসকল উচ্চপদস্থ কৰ্মচাৰী আছিল তাৰ ভিতৰত মালিক দা কেৰানি এজন। তেওঁ জাল কৰাৰ কাৰণে অভিযুক্ত হয় আৰু তেওঁক শা দিবৰ কাৰণে আদেশ দিয়া হয়। মালিক দাদ কেৰানিক দোষী সাব্য কৰাত তেওঁৰ সম্পৰ্কে পুনৰ বিবেচনাৰ কাৰণে বহুত মধ্যস্থ লোকৰ প অনুৰোধ আহিবলৈ ধৰে। আগপিচ গণোতেই পাঁচ-ছয়দিন পাৰ হৈ যা তাৰ পিচত মধ্যস্থকাৰী সকলৰ অভিপ্ৰায় অনুসাৰে মই তেওঁক মাৰ্জ কৰোঁ। অকল মাৰ্জনাই নহয়—তেওঁক মই বহুত অনুগ্ৰহো প্ৰদৰ্শন কৰোঁ তেওঁৰ অনুগত ব্যক্তি সকলকো তেওঁলোকৰ গোটেই সম্পত্তি ৰাখিব অনুমতি দিওঁ। সাত লাখ টকা পৰিমাণৰ কৰ আদায়ী জিলা এখন ইব্ৰাহীম মাতৃৰ ভৰণপোষণৰ কাৰণে অৰ্পণ কৰোঁ। তেওঁৰ আমীৰ সকলকো কেইখনমা জিলাৰ ভাৰ দিয়া হয়। আগ্ৰাৰ পৰা কেইমাইলমান দূৰত তেওঁ থকা ঠা ঠিক কৰি দিওঁ। তেওঁৰ সকলো বয়-বস্তু লৈ তালৈ গুচি যায়।

ৰজব মাহৰ ২৮ তাৰিখ বৃহস্পতিবাৰে আবেলিৰ নামাজৰ সময়ত ম আগ্ৰাত প্ৰবেশ কৰোঁ। চুলতান ইব্ৰাহীমৰ ৰাজকাৰেঙতে মোৰ থকা

ব্যৱস্থা কৰা হয়। ১৫০৪ খৃষ্টাব্দত যেতিয়া মই কাবুল জয় কৰো সেই সময়ৰ পৰাই বৰ্ত্তমান কাললৈকে মই সদায়েই এই আশা পোষণ কৰি আছিছো যে মই হিন্দুস্থান জয় কৰিমেই কৰিম। কিন্তু কেতিয়াবা কেতিয়াবা মোৰ আমীৰ সকলৰ অসদাচৰণ—কাৰণ মোৰ হিন্দুস্থান জয়ৰ অভিলাষ তেওঁলোকৰ মনোমত নাছিল। আৰু কেতিয়াবা কেতিয়াবা মোৰ ভাইসকলৰ গুপ্ত ষড়যন্ত্ৰ আৰু বিৰোধে মোক এই দেশ জয় কৰাৰ কাৰণে অভিযান চলোৱাৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰে। ফলত হিন্দুস্থানৰ প্ৰদেশবিলাকে ইমানদিনে মোৰ আক্ৰমণৰ পৰা ৰেহাই পাইছিল। অৱশেষত এইবিলাক বাধা দূৰ হ'ল। এতিয়া সৰু-বৰ, ধনী-দুখীয়া, সাধাৰণ এনে কোনো নাই যি মোৰ এই উদ্যমৰ বিৰুদ্ধে এটি মাতো মাতিবলৈ সাহ কৰে।

১৫১৯ খৃষ্টাব্দত এদল সৈন্য গঠন কৰি ধুমুহাৰ গতিত বাজুৰ দখল কৰোঁ আৰু তাৰ দুৰ্গৰক্ষী বিলাকক তৰোৱালেৰে শিৰশ্ছেদ কৰোঁ। তাৰ পিচত মই 'বাহৰ'ৰ ফালে আগবাঢ়োঁ। ইয়াত মই লুট আৰু হত্যা বন্ধ কৰোঁ।। ইয়াৰ অধিবাসীবিলাকৰ ওপৰত বস্ত্ৰ-বস্তু আৰু ধনেৰে চাৰিহেজাৰ টকাৰ পৰিমাণৰ কৰ ধাৰ্য্য কৰোঁ। সেই ধন আৰু বস্ত্ৰ-বস্তু মোৰ সেনাবিলাকৰ মাজত ভগাই দি কাবুললৈ ঘূৰি আহো। সেই সময়ৰপৰা ১৫২৬ খৃষ্টাব্দ পৰ্য্যন্ত সাত-আঠ বছৰ হিন্দুস্থান জয়ৰ বিষয়ত মোৰ সমস্ত ইচ্ছা আৰু কল্পনা কাৰ্য্যত খটুৱাবৰ কাৰণে বহুল পৰিমাণে আগবাঢ়িছো। আৰু পাঁচবাৰ মোৰ সেনাবিলাকৰ অধিনায়ক হিচাবে হিন্দুস্থান প্ৰবেশ কৰিছো। পঞ্চমবাৰত মহান ঈশ্বৰে তেওঁৰ অপাৰ কৰুণা মোৰ ওপৰত বৰ্ষণ কৰিছে। তেওঁৰেই ইচ্ছা আৰু অনুগ্ৰহত চুলতান ইব্ৰাহীমৰ দৰে পৰাক্ৰমী শত্ৰুক পৰাজিত কৰি শক্তিশালী হিন্দুস্থান জয় কৰি তাৰ অধীশ্বৰ হোৱাৰ যোগ্যতা লাভ কৰিছো।

হিন্দুস্থানৰ সম্ৰাট চুলতান ইব্ৰাহীমৰ পক্ষে তেওঁৰ বিশাল সাম্ৰাজ্যৰ ধন সম্পত্তি লৈ ইচ্ছা কৰিলে যুদ্ধক্ষেত্ৰত পাঁচ লাখ সৈন্য নিযুক্ত কৰা অসম্ভৱ নাছিল। সেই সময়ত পূব প্ৰান্তৰ কেইজনমান আমিৰেও বিদ্ৰোহ কৰিছিল।

তেওঁৰ পদাতিক সৈন্যসংখ্যা আছিল আনুমানিক এক লক্ষ। তেওঁৰ নিজৰ আৰু আমীৰসকলৰ হাতীৰ সংখ্যা আছিল প্ৰায় এহেজাৰ। এনে অৱস্থাতো আৰু শত্ৰুপক্ষ ইমান ক্ষমতাপন্ন হলেও মই ভগবানৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখি আৰু মোৰ মই চিৰজন্মৰ শত্ৰু উজবেগবিলাক—যিবিলাকে মোৰ বিৰুদ্ধে লক্ষাধিক সৈন্য সমাবেশ কৰিছিল—পিচফালে ৰাখি আহি আগুৱাই আহিছিলোঁ প্ৰবল পৰাক্ৰমী চুলতান ইব্ৰাহীমৰ লগত যুদ্ধ কৰিবলৈ—যি আছিল অসংখ্য সৈন্যৰ অধিনায়ক আৰু এক বিশাল সাম্ৰাজ্যৰ অধীশ্বৰ। দৈব অনুগ্ৰহৰ ওপৰত মোৰ কুণ্ঠাহীন নিৰ্ভৰতাৰ কাৰণে সৰ্ব্বশক্তিমান মহান ঈশ্বৰে মোক দুখ-কষ্টৰ মাজত পেলাই যোৱা নাই। তেওঁৰ কৃপাতেই মই পৰাক্ৰমী শত্ৰুক পৰাজিত কৰি এই বিশাল হিন্দুস্থান জয় কৰাৰ গৌৰব লাভ কৰিছোঁ। এই সফলতা মোৰ নিজ শক্তিৰে হৈছে বা মোৰ এই সৌভাগ্য মোৰ নিজ চেষ্টাতে লাভ কৰিছোঁ এই কথা মই কেতিয়াও মনতে নাভাবোঁ। ভগবানৰ অপাৰ কৰুণা আৰু অনুগ্ৰহৰ কাৰণেই এই গৌৰব আৰু সৌভাগ্য লাভ কৰিছোঁ।